চৰ্যাগীত
আৰু
বৌদ্ধ-তন্ত্ৰ

ড° প্ৰণৱজ্যোতি ডেকা

চন্দ্ৰ প্ৰকাশ
পাণবজাৰ, গুৱাহাটী-১

SARJAPAD A reference Book written by Dr Pranav Jyoti Deka and published by Sri Rajendra Mohan Sarma Chandra Prakash Panbazar Guwahati-1 Phone No 2511946
Price Rs 150 00 (One hundred Fifty) only

প্ৰকাশক : শ্ৰীৰাজেন্দ্ৰ মোহন শৰ্মা
চন্দ্ৰ প্ৰকাশ
পানবজাৰ, গুৱাহাটী-১
দূৰভাষ-২৫১১৯৪৬

বেটুপাত : তিব্বতীয় তন্ত্ৰ-চিত্ৰ (দুলি - চৰ্যা - ২)

প্ৰথম প্ৰকাশ : ডিচেম্বৰ ২০০১ চন
দ্বিতীয় প্ৰকাশ : মাৰ্চ ২০০৫ চন

মূল্য : ১৫০ ০০ টকা

ডি টি পি : শিৱশক্তি ট্ৰেডাৰ্চ
গুৱাহাটী ক্লাব, গুৱাহাটী-৩

ছপা : কম্প্টন প্ৰিন্টাৰ্চ
বামুণীমৈদাম, গুৱাহাটী -২১

ভূমিকা

অভাজন ভাষাতত্ত্ববিদ নহয়, ধৰ্ম্মশাস্ত্ৰজ্ঞও নহয় তেনে স্থলত পণ্ডিত সুকুমাৰ সেন, সুনীতিকুমাৰ চট্টোপাধ্যায় মহাপণ্ডিত ৰাহুল সাংকৃত্যায়ন, মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰী আদি বিশ্ববিখ্যাত পণ্ডিত, ভাষাতত্ত্ববিদ আৰু ধৰ্ম্ম বিশাৰদে দাঁত ফুটাব নোৱাৰি পিচ হুঁহকি অহা 'চৰ্যাগীত সংগ্ৰহ', আধুনিক ভাষালৈ ভাষান্তৰ কৰিবলৈ লোৱা দুৰূহ কাৰ্য্য বহুতৰ চকুত কেৱল হঠকাৰিতাই নহয় ধৃষ্টতা যেনও লাগিব।

বৰ্ত্তমান লিখকৰ পুত্ৰ শ্ৰীমান ৰবিজ্যোতি এটা বয়সত বৌদ্ধ ধৰ্ম্মৰ প্ৰতি অনুৰক্ত হৈ সেই ধৰ্ম্ম সম্বন্ধে পঢ়া-শুনা কৰিবলৈ লৈছিল। তেওঁ এদিন হঠাতে সুধিলে মই এনে কোনো বৌদ্ধ কবিতা সংগ্ৰহৰ নাম শুনিছো নেকি যি তিব্বতী ভাষাৰ পৰা ভাৰতীয় ভাষালৈ অনুবাদিত হৈছে, আৰু যিবোৰ কবিতাৰ অৰ্থ পৃথিবীৰ কোনো ব্যক্তিয়ে আজিলৈকে নুবুজে? উত্তৰ স্বৰূপে আমাৰ দ্বাৰা কব লগা হ'ল, যে বৌদ্ধ ধৰ্ম্মত গূঢ়াৰ্থ যুক্ত শাস্ত্ৰ ৰচনা ধৰ্ম্ম নিষিদ্ধ। যি কবিতা সংগ্ৰহৰ কথা উল্লেখ কৰা হৈছে — সি যতদূৰ সম্ভৱ 'চৰ্যাগীত সংগ্ৰহ', যাক পোনতে ভাৰতীয় ভাষাৰ পৰা তিব্বতীয় ভাষালৈ, আকৌ মূলৰ আংশিক অবলুপ্তিৰ হেতুকে পুনৰ তিব্বতীয় ভাষাৰ পৰা সংস্কৃতলৈ অনুবাদ কৰা হৈছে। 'জ্যোতি দ্বিভাষিক অভিধান' সঙ্কলনৰ কালত 'পৌৰাণিক অসমীয়া শব্দ' সংগ্ৰহৰ উদ্দেশ্য এবাৰ এই গীত সংগ্ৰহৰ ওপৰত চকু ফুৰাই চোৱা হৈছিল, কিন্তু বিশেষ লাভপ্ৰদ যেননেদেখি তাৰ বিতং অধ্যয়ন কৰা আৰু নহ'ল। এই কবিতা সংগ্ৰহৰ ইংৰাজী অনুবাদ সম্ভৱ নে বলি কৰা প্ৰশ্নৰ উত্তৰত কোৱা হ'ল "অসম্ভৱ হোৱাৰতো কোনো কাৰণ নেদেখো। পোনতে পঢ়ি চাব লাগিব।"

পুস্তক বিপনিৰ পৰা একাদিক্ৰমে পৰীক্ষিত হাজৰিকাৰ 'চৰ্য্যাপদ', সুকুমাৰ সেনৰ 'চৰ্যাগীতি' পদাবলী, জাহ্নবী কুমাৰ চক্ৰবৰ্তীৰ 'চৰ্যাগীতিৰ ভূমিকা', সৌম্যেন্দ্ৰ সৰকাৰৰ 'চৰ্যাগীতি কোষ' আদি গ্ৰন্থ ক্ৰয় কৰি আনি পঢ়ি আশ্চৰ্য্যত চক্ষু বিস্ফাৰিত হ'ল — কি লিখিছে এইবোৰ? সংগ্ৰহৰ প্ৰথম চৰ্যাগীতটি যেন-তেন, দ্বিতীয় গীতৰ প্ৰথম বাক্য — "দুলি দুহি পিটা ধৰণ ন জাই"ৰ অনুবাদে 'মাইকী কাছৰ দুগ্ধ দোহন কৰি কাঠৰ পাট ভহাই দিলে' তেতিয়া মূৰে কপালে

হাত দি বহিব লগা হ'ল। 'দুলি' মানে স্ত্ৰী দুৰা (tortoise), কাছ নহয় (turtle)। কাছৰ পিঠি ইষৎ ধেনুভিৰীয়া, দুৰাৰ পিঠি চলঙুৱা। দুৰা বৌদ্ধ স্তূপৰ নিচিনা দেখাত। বৌদ্ধ স্তূপৰ তলত ধৰ্ম্ম শাস্ত্ৰৰ পাত প্ৰোথিত হয় সেযেহে বৌদ্ধ স্তুপ = ধৰ্ম্ম শাস্ত্ৰ, যাৰ অধিস্থাতা বোধিসত্ব মঞ্জুশ্ৰী। 'দুলি দুহি' ৰ অৰ্থ, "শাস্ত্ৰ দোহন কৰি" তাকো নাজানিলে আৰু আগ নবঢাই সমীচীন আছিল আমাৰ মতে।

এনে অনুবাদ পঢাৰ অভিজ্ঞতা আমাৰ এযেই প্ৰথম নহয়। 'ৰত্ন জ্যোতিষ আৰু বিজ্ঞান' নামৰ ৰত্ন শাস্ত্ৰৰ এখন পুথিৰ প্ৰণয়ন কালতো আমি পাই আহিছো — কাৰিকৰী বা ফলিত জ্ঞান নোহোৱাকৈ কেৱল ভাষা জ্ঞানেৰে কাৰিকৰী গ্ৰন্থ অনুবাদ কৰিলে বহু সময়ত যথাৰ্থ অনুবাদ পোৱা নাযায়। পৃথিবী বিখ্যাত সংস্কৃত পণ্ডিতৰ দ্বাৰা কৃত সংস্কৃত গ্ৰন্থ কৌটিল্যৰ অৰ্থ শাস্ত্ৰ, গড়ুৰ পুৰাণ অগ্নি পুৰাণ আদিৰ আধুনিক ভাষান্তৰ পঢিলে এই ছিদ্ৰ বুজি পায। যেনে, সংস্কৃত শব্দ 'নিস্তল'ৰ অৰ্থ bereft of bottom কৰা হৈছে, যি ভাষা শাস্ত্ৰ আৰু ব্যাকৰণ মতে নিৰ্ভুল ইংৰাজী অনুবাদ। কিন্তু যেতিয়া 'নিস্তল' বিশেষণ ৰূপে মুক্তাৰ বৰ্ণনাত ব্যবহৃত, যি কোনো ৰত্নবিদে বুজিব, তাৰ অৰ্থ "সম্পূৰ্ণ বৰ্ত্তুলাকাৰ (যাৰ তল বুলিবলৈ একো নাই), 'অতল' নহয়।

চৰ্যা নম্বৰ ২০ ৰ হাঁউ নিৰাসী খমণ ভতাৰে" ৰ অনুবাদ ' আমি নিৰাশী ভৰ্তা ক্ষপণক। আমাৰ পতি সঙ্গ সুখ অৰ্বণনীয়," পঢি বৌদ্ধ তন্ত্ৰৰ প্ৰাথমিক জ্ঞান যুক্ত ব্যক্তিযেও কুণ্ঠিত নিজৰ মূৰৰ চুলি চিঙিব। আমাৰ তেনে অৱস্থা নোপোৱাৰ তিনিটা কাৰণ। প্ৰথমতঃ ভাৰতীয় ৰত্ন শাস্ত্ৰ সমূহ আৰু বেদাঙ্গ জ্যোতিষৰ অংশ বিশেষ অনুবাদ কাৰ্য্যৰ পৰা আমাৰ অভিজ্ঞতা হৈছিল যে ভাৰতীয় শাস্ত্ৰকাৰ সকলে অৰ্থহীন কথা নিলিখে। দ্বিতীয়তঃ শ্ৰীমদ ভগবদ্গীতা অনুবাদৰ সম্পাদনাৰ কাৰ্য্যৰ পৰা শিকিছিলো যে ভাষ্যকাৰ সকলে বহু সময়ত মূলৰ অৰ্থ নুবুজি নিজৰ জ্ঞান - বুদ্ধি অনুসৰি অজ্ঞতা ভিত্তিক অযথাৰ্থ ব্যাখ্যা কৰে। তৃতীয়তঃ বহু ভাষ্যকাৰ 'জ্ঞান পাপী ' তেখেত সকলে নিজৰ দৰ্শন বা ধৰ্ম্মমত সুদৃঢ" কৰিবলৈ ইচ্ছাপূৰ্ব্বক মূলৰ বিকৃতাৰ্থ কৰে। ভগবদগীতাৰ অধিকাংশ ব্যাখ্যাকাৰ তৃতীয় দোষ দুষ্ট কিন্তু বৰ্ত্তমান চৰ্যাগীত সংগ্ৰহৰ আদি ভাষ্যকাৰ মুনিদত্ত দ্বিতীয় দুৰ্ব্বলতাৰ দ্বাৰা পীড়িত।

মুনিদত্ত প্ৰণীত চৰ্য্যাচৰ্যটীকাৰ আদিৰ 'বন্দনা শ্লোকৰ বজ্ৰ যোগিনী আৰু শ্ৰীলুযীৰ চৰণ বন্দনাই দেখ দেখ ভাবে প্ৰমাণ কৰে ভাষ্যকাৰ উচ্চ ক্ৰিয়াতন্ত্ৰ, যি নিম্ন যোগতন্ত্ৰৰ সৈতে সাদৃশ্য ৰাখে বৌদ্ধ তন্ত্ৰ সাধনাৰ সাধক। বজ্ৰ যোগিনীক

“বজ্ৰধাৰী” বোলাৰ লগে লগে বুজিব লাগিব এযা 'ৰক্ত বজ্ৰযোগিনী,' যি জনা This form of Vajrayogini is similar in many respects to the forms of both Nairatma and Vajravarahi (P 248 The Indian Buddhist Iconography - B Bhattacharyya)। স্বাভাৱিকতে মুনিদত্তই আটাইকেইটা চৰ্যাগীতেই উচ্চ ক্ৰিয়া তন্ত্ৰৰ তথতা + সুখ=সহজানন্দ আৰু তথতা – নৈৰাত্ম দৰ্শনেৰে ব্যাখ্যা কৰিছে। যতেই অৰ্থ মিলাব পৰা নাই তাতেই বিকৃতাৰ্থ কৰিছে সামঞ্জস্য আনিবৰ উদ্দেশ্যৰে।

সাঙ্কেতিকলিপি উদ্ধাৰকৰ্ত্তা সকলে জানে কোনে লিখিছে আৰু কাৰবাবে লিখিছে ধৰিব পাৰিলে এই লিপিৰ শতকৰা আশীভাগ অৰ্থ অনুমান কৰিব পাৰি। লুইপাই ক্ৰিয়াতন্ত্ৰ সমৰ্থন কৰিব আৰ্য্যদেৱে অনুত্তৰ তন্ত্ৰক শ্ৰেষ্ঠ বুলি গীত ৰচিব ই স্বতঃসিদ্ধ, ফলত তেনে চৰ্যাৰ অৰ্থ উদ্ধাৰ কৰাও উজু। অসুবিধা হয যেতিয়া একাধিক কাহ্নুপাদ থাকে তাৰে কোনোবা কাহ্নু যোগাচাৰ সমৰ্থক, কোনোজন আকৌ অনুত্তৰপন্থাগামী। তাতোকৈ অসুবিধা ভুসুকুপাৰ গীত, কোনোটো গীত তেখেতে যোগাচাৰ তন্ত্ৰৰ সমৰ্থনত লিখিছে, আকৌ কালত গুৰু সলাই অনুত্তৰক ভাল বুলিছে। শেষত 'অনুত্তৰৰ অদ্বৈতই মোৰ সৰ্ব্বনাশ কৰিলে বুলি 'পুনৰ যোগাচাৰৰ সমৰ্থনত গীত ৰচিছে — তেতিযাই গীতৰ অৰ্থ বুজাত অসুবিধা হয। এনে স্থলত বৰ্ত্তমান লিখকৰ সহাযত আহিছিল জ্যোতিষ গ্ৰন্থৰ অনুবাদৰ অভিজ্ঞতা। বেদৰ 'স্বৰভানু' বৰাহ মিহিৰৰ 'ৰাহু' একে হৈও সম্পূৰ্ণ একে নহয। বৰাহ মিহিৰৰ 'শিখী' ধূমকেতু যি পিচৰ যুগৰ “শিখী' জ্যোতিষ গ্ৰন্থকাৰ সবৰ 'কেতু নহয। গ্ৰন্থকাৰ আৰু যুগৰ ওপৰত নিৰ্ভৰ কৰি ভাষাৰ একেটা শব্দই ভিন্ন গ্ৰন্থত ভিন্ন অৰ্থ সূচিত কৰিব সমৰ্থ। একেটা কথা চৰ্যাগীতৰ ক্ষেত্ৰটো প্ৰযোজ্য। “মাৰ” শব্দই চৰ্যা ১৬, ২১, আৰু ২৬ ত একে অৰ্থ বহন নকৰে। চৰ্যাগীত সংগ্ৰহৰ অনুবাদ কাৰ্য্যত পূৰ্ব্বৰ এনে অনুবাদৰ অভিজ্ঞতা লিখকৰ কোনো কামতেই নাহিল হেতেন যদিবা প্ৰায একে সমযতে কবি অজিৎ বৰুৱাই “মই নিজে একোকে বুজা নাই” বুলি তিব্বতীয তন্ত্ৰ গ্ৰন্থ “খাচ গ্ৰু যেৰ' F D Lessing আৰু A Wayman কৃত ইংৰাজী অনুবাদ পঢ়িবলৈ নিদিলে হেতেন। গ্ৰন্থখন পঢ়ি সমাপ্ত কৰি আমাৰ দ্বাৰা বুজা গ'ল, বৌদ্ধ তন্ত্ৰৰ কেইবাটাও শাখা - উপশাখা আছে আৰু বৰ্ত্তমান সংগ্ৰহৰ চৰ্যাগীত সমূহ একাধিক বৌদ্ধ তন্ত্ৰৰ সমৰ্থনত বা বিৰুদ্ধে লিখা, তাক কেবল মাত্ৰ এটা বৌদ্ধ তন্ত্ৰৰ দৰ্শনেৰে ব্যাখ্যা কৰিব যোৱাটো বাতুলতা, যি মুনিদত্ত আৰু তেখেতৰ অনুগামী সকলে কৰিব চেষ্টা কৰিছে। দ্বিতীযতঃ চৰ্যাৰ 'সহজ' বৈষ্ণ 'সহজীযা' নহয আৰু চৰ্যাগীত কামধৰ্ম্মী ৰচনাও নহয।

বৰ্ত্তমান চৰ্যা সংগ্ৰহৰ দুটা সৰ্ব্বাধিক জটিল গীত নম্বৰ ২৮ আৰু ৫০ ৰ অৰ্থ বুজাটো পাণ্ডিত্যাভিমানী ভাষাচাৰ্য্য সকলৰ দ্বাৰা সম্ভৱ নহয় — কাৰণ চৰ্যা গীত ৰচকে কুটিল, প্ৰহসনময় ব্যঙ্গ ধাৰা ব্যৱহাৰ কৰিছে, যাক কেৱল আন এজন ব্যঙ্গ ৰচনাৰ লিখকে বুজি পাব পঢ়াৰ লগে লগে। চৰ্যা ২৮ ৰ "গিৰিবৰ - সিহৰ সন্ধি পইসন্তে সবৰো লোডিব কইসেঁ।।" প্ৰথম দৃষ্টিত একেবাৰে গূঢ় তত্ত্ব বহন কৰা মৌলিক দাৰ্শনিক তত্ত্ব যেন লাগিলেও, বাস্তৱতে গীত ৰচকে যৌনাচাৰী সাধক (সবৰক) পৰিহাস কৰি থৈছে — এবাৰ দুভৰিৰ মাজৰ ফাটেৰে সন্ধিত সোমালে (ৰমণ) মেৰুদণ্ডৰ শিহৰণ (বীৰ্য্য স্খলন) অনুভৱ কৰাৰ পিচত সাধকক আৰু বিচাৰি নোপোৱা (সংসাৰত গৃহস্থী হ'ল)।

চৰ্যাগীত সংগ্ৰহৰ অৰ্থ উদ্ধাৰৰ সৰ্বাধিক বাধা হ'ল লিপ্যান্তৰ বিভ্ৰাট। যিহেতু গীত বোৰ গায়কৰ মুখৰ পৰা ভৱিষ্যতে গাবলৈ লিপিবদ্ধ কৰা মাৰ্গ সঙ্গীত সংগ্ৰহ, শব্দৰ শুদ্ধতা আৰু লিপিৰ নিৰ্ভুলতাৰ ওপৰত কোনো গুৰুত্ব দিয়া হোৱা নাছিল। শ্ৰৱণ বিভ্ৰাট, লিপি বিভ্ৰাট আৰু অপভ্ৰংশ সৃষ্টি প্ৰতিটো গীততে অজস্ৰ। লিপিৰ অস্পষ্টতা হেতু মূল শব্দৰ যথাৰ্থতালৈ মতানৈক্য প্ৰচুৰ। সেই দ্বন্দ্ব বৃদ্ধি নকৰিবৰ মানসেৰে পূৰ্বগামী সকলৰ পাঠকেই মানি লোৱা হৈছে কিন্তু অৰ্থ কৰণৰ সময়ত যি শব্দই বাক্যৰ অৰ্থৰ লগত সামঞ্জস্য বহন কৰে সেই শব্দকে শুদ্ধ বুলি গ্ৰহণ কৰা হৈছে - যেনে প্ৰথম গীতৰ শেষ শাৰীৰ একেটা শব্দকে "ধমন চমন বেণি — বইঠা পাটি শাস্ত্ৰী পিঁড়ি বসু পাতি সেন তিনিজন পণ্ডিতে তিনি ধৰণে পঢ়িছে। আমি পিঁড়ি শব্দ বুলি গ্ৰহণ কৰিছো কাৰণ অভিধানত থকা 'পিঁড়ি, শব্দৰ অৰ্থইহে কেৱল বৰ্তমান চৰ্যাৰ কৰ্তৃত্ব। আৰু বাক্যৰ অৰ্থৰ লগত সামঞ্জস্য ৰাখিব 'পাতি আৰু পিঁড়ি ইয়াত গ্ৰহণ অযোগ্য।

গ্ৰন্থৰ পাঠকৰ প্ৰণিধানযোগ্য যে আমাৰ দ্বাৰা চৰ্যাগীত সংগ্ৰহৰ ভাষাক কোনো প্ৰাদেশিক নামেৰে চিনাক্ত কৰিব চেষ্টা কৰা হোৱা নাই। যি গীতৰ আংশিক অৰ্থ বুজা নাযায় তেনে ভাষাৰ ওপৰত কোনো প্ৰাদেশিক বা আঞ্চলিক ভাষাৰ পাঞ্জা-মোহৰ মৰাৰ চেষ্টা অন্ধ প্ৰাদেশিকতাবাদৰ বাদে আন একো নহয়। 'ক্ৰোমেগনন' ব্যক্তিক 'আৰ্য্য বা 'পিকিং মানুহৰ দৰে প্ৰাগৈতিহাসিক ব্যক্তিৰ অৱশেষক মঙ্গোলীয় বুলি ঘোষণা কোনো প্ৰকৃত বিজ্ঞানীয়ে নকৰে। চৰ্যাগীত 'হাজাৰ বছৰেৰ পুৰাণ বাঙ্গালা", নে 'আদি হিন্দী, নে প্ৰাচীন কামৰূপী তাৰ বিচাৰ কৰাটো বৰ্ত্তমানে নিৰৰ্থক। উত্তৰ - পূৰ্ব্ব ভাৰতৰ এক বিশাল অঞ্চলৰ ঘাইকৈ কথিত ভাষা ভিত্তিত প্ৰায় চাৰি শ বছৰ ধৰি ৰচিত বৌদ্ধ তন্ত্ৰৰ উপদেশ-

মূলক সম্ভবতঃ শ শ গীতৰ মাত্ৰ কেইটিমান বৰ্ত্তমান সঙ্কলনত সংৰক্ষিত। নিৰক্ষৰ ব্যক্তিৰ পৰা আদি কৰি সংস্কৃতৰ বিদগ্ধ পণ্ডিত বহু বৌদ্ধ সাধকে এনে গীত ৰচিছিল। আৰ্য্যদেৱ, লুইপাদ, সৰহপাদ, শান্তিপাদ, আদি সেইকালৰ বিশ্ববিখ্যাত বৌদ্ধ দাৰ্শনিক পণ্ডিত আছিল। কুকুৰী পাদ, ঢেণ্ঢন পাদ আদি ছদ্ম নাম হলেও আচৰিত হব লগা একো নাই।

বৰ্ত্তমান চৰ্য্যাগীত স গ্ৰন্থৰ ভাষান্তৰৰ বাস্তৱ মূল্য ভাষাতত্ত্বতকৈও ভাৰতীয় দৰ্শনৰ বুৰঞ্জীৰ বাবে অধিক। মধ্যযুগৰ অন্ত অংশত নবজাগ্ৰত পৰিবৰ্ত্তিত আৰু পৰিবৰ্দ্ধিত হিন্দু ধৰ্ম্মই ভাৰতবৰ্ষৰ অৱশিষ্ট বৌদ্ধ ধৰ্ম্মক সৰ্বাত্মক ভাবে গ্ৰাস কৰাৰ আগৰ দুই তিনিশ বছৰৰ বৌদ্ধ দৰ্শনৰ ছবি উপস্থিত কৰে চৰ্যাগীত সমূহে। পূজাহীন হৰি নামজপ আৰু বৌদ্ধ ক্ৰিয়াতন্ত্ৰ, ব্ৰহ্মোপলব্ধি আৰু চৰ্য্যা তন্ত্ৰ শূন্যতাবাদ উপনিষদৰ আৰু শূন্যতাবাদ যোগাচাৰ তন্ত্ৰৰ পাৰ্থক্য ইমান সূক্ষ্ম যে তাক পণ্ডিতেহে ধৰিব পাৰে। চৌদ্ধ - পোন্ধৰ শতিকাত হিন্দু তন্ত্ৰই বৌদ্ধ তন্ত্ৰক সম্পূৰ্ণভাবে স্বাঙ্গিভূত কৰিলে — বোগদা ডাকিনী - বগলাদেৱী হল, বজ্ৰবৈৰোচনী যোগিনীতন্ত্ৰমত স্থান পালে। তাৰা, মহাতাৰা, ছিন্নমস্তাৰ কথা নকলোৱেইবা। বৌদ্ধ ৰূপক (figurative abstract) দেব দেৱী হিন্দু তন্ত্ৰত মূৰ্তিমান দেব দেবীত পৰিণত হ'ল। তাৰ পিচৰ যুগত 'ভক্তিবাদে' সমস্ত হিন্দু ভাৰত চৌৱাই পেলালে। হাত চাপৰি বজালে বা মৃদঙ্গ থপৰিয়ালে যদি ইহকালত সুখ সন্তোষ আৰু পৰকালত মুক্তি পোৱা যায় তেনে হ'লে আৰ্য্য নাগাৰ্জ্জুনৰ মাধ্যমিকা দৰ্শনৰ অতি জটিল আপেক্ষিক শূন্যতাবাদ অথবা শান্তিদেৱৰ সৰ্বলোৱে অনুভূতি ' এনে জটিল দৰ্শন অধ্যয়নৰ বাবে সময় আৰু উৎসাহ ক'ত? কৃষ্ণৰ ৰাসোৎসৱে শূন্যতাবাদক , বোষ্টম - বোষ্টমীৰ" সহজীয়া প্ৰেমে বৌদ্ধ তন্ত্ৰৰ সহজ জ্ঞানক অপাংক্তেয় কৰিলে।

চৰ্যাগীত আৰু বৌদ্ধ তন্ত্ৰৰ অনুবাদ পোনতে কেৱল আমাৰ নিজৰ আমোদৰ বাবেহে ইংৰাজী ভাষাত কৰা হৈছিল। অসমীয়া ভাষান্তৰ কৰিব লগা হ'ল গুৱাহাটী বিশ্ববিদ্যালয়ৰ বঙলা ভাষাৰ অবসৰ প্ৰাপ্ত মুখ্য অধ্যাপক শ্ৰীসুধাংশুশেখৰ তুঙ্গৰ অনুৰোধ ক্ৰমে। তেখেতে গুৱাহাটী বিশ্ব বিদ্যালয়ৰ স্নাতকোত্তৰ মহলাত চৰ্যাগীত পঢ়াইছিল আৰু পূৰ্ব্বৰ বঙ্গ ভাষাৰ অনুবাদত অসন্তুষ্ট আছিল হেতুকে আমাক বাংলাৰ পুথিখন বঙালী আৰু অসমীয়া ভাষাত প্ৰকাশৰ বাবে অনুৰোধ কৰিছিল। তেখেতে আমাক যত্নেৰে কেবাখনো বঙলা ভাষাৰ পুথিও সংগ্ৰহ কৰি দিছিল। এই সুযোগতে শ্ৰী তুঙ্গক কৃতজ্ঞতা জনাই থলো। আৰু এজন লোকৰ অনুৰোধকৰ্ত্তা আছিল আমাৰ ভূতপূৰ্ব্ব ছাত্ৰ বক্তিম ৰঞ্জন শইকীয়া।

বৌদ্ধ তন্ত্ৰৰ এটা নেতিসূচক দিশ আছে — "কিনো হ'ব এই সোপা কৰি", দৰ্শনে লাহে লাহে খোপনি পোতে মানসত। যি হেতু আমি সেই একে সময়তে শ্ৰীমদভগবদগীতাৰ অসমীয়া অনুবাদ এখনৰ সম্পাদনা কাৰ্য্যত কৰি আছিলো —সেযেহে "নিষ্কাম কৰ্ম্ম" ৰূপেই বৰ্ত্তমান গ্ৰন্থ লিখা হ'ল।

আনহাতে বৌদ্ধ তন্ত্ৰই কয় কৰ্ম্ম নিষ্কাম হ'ব নোৱাৰে। চিন্তাও এবিধ কৰ্ম্ম আৰু সি সৰ্বদা ফলদায়ক। দেৱতাৰ অস্তিত্ব মিছা, কিন্তু দেৱতাৰ ৰূপ সঁচা আৰু সি সমানে ফলদায়ক। শূন্যতা বোধ এবিধ স্বপ্ৰতাৰণা। শূন্যৰ পৰা জগতলৈ ফিৰি আহা কৰুণাৰ মাধ্যমত, তেতিয়াহে বুদ্ধ তথাগত হ'ব পাৰিবা। এনে দৰ্শন যদি গ্ৰন্থপাঠকৰ কেৱল মাত্ৰ দহজনেও উপলব্ধি কৰে তেনে হ'লে আমাৰ প্ৰচেষ্টা সাৰ্থক হোৱা বুলি ধৰি লম।

আমাৰ দ্বাৰা কৃত অৰ্থ বহু ব্যক্তিৰ গ্ৰাহ্য নহ'ব তাত সন্দেহ নাই। সংস্কাৰৰ প্ৰতিবন্ধক বৰ ডাঙৰ বাধা। তদুপৰি চৰ্যাগীত ৰচকৰ ভাষাতে — "মণিকুলে বহিআ ওডিআনে সমাঅ।' অৰ্থ বুজা জনে বুজিব।

বিনয়াবনত

প্ৰণবজ্যোতি ডেকা
দীপাবলী ২০০০ খ্ৰীঃ

সূচী পত্র

অধ্যায প্ৰথম ঃ	চৰ্যাগীত আৰু ৰচক সকলৰ দাৰ্শনিক চৰিত্ৰ	১
অধ্যায দ্বিতীয ঃ	চৰ্যাগীতৰ বৌদ্ধ তাত্বিক অৰ্থ আৰু "সন্ধ্যা ভাষা"	১৪
অধ্যায তৃতীয ঃ	বৌদ্ধ দৰ্শন, বৌদ্ধতন্ত্ৰ দৰ্শন আৰু চৰ্যাগীত	৩০
অধ্যায চতুৰ্থ ঃ	চৰ্যাগীতত নিহিত বৌদ্ধ তন্ত্ৰৰ দৰ্শন	৪৩
অধ্যায পঞ্চম ঃ	বৌদ্ধতন্ত্ৰৰ কাৰিকৰী দিশ আৰু চৰ্যাগীতৰ অৰ্থ	৫৪
অধ্যায ষষ্ঠ ঃ	আধুনিক বিজ্ঞান, বৌদ্ধ তন্ত্ৰ আৰু চৰ্যাগীত	৯৭
অধ্যায সপ্তম ঃ	চৰ্যাগীত	১০৬

অধ্যায় প্ৰথম

চৰ্যাগীত আৰু ৰচক সকলৰ দাৰ্শনিক চৰিত্ৰ

চৰ্যাগীত সমূহৰ, বিশেষকৈ ১৯০৭ খ্ৰীঃ মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰী আৱিষ্কৃত, নেপালৰ ৰাজকীয় গ্ৰন্থাগাৰত প্ৰাপ্ত চৰ্যাগীত সঙ্কলনৰ শুদ্ধ দাৰ্শনিক অৰ্থ উদ্ধাৰৰ অন্যতম প্ৰতিবন্ধক হ'ল পাণ্ডুলিপিখন নিজেই। এই পাণ্ডুলিপি কোনে, ক'ত, কেতিয়া আৰু কিদৰে প্ৰস্তুত কৰিছিল তাক জনা নাযায়। পণ্ডিত হৰপ্ৰসাদ শাস্ত্ৰীৰ পৰা ড পৰীক্ষিত হাজৰিকালৈকে একাধিক পণ্ডিতেই ইয়াৰ ওপৰত বহু মন্তব্য প্ৰকাশ কৰিছে - সৰহ ভাগ মন্তব্যই সম্পূৰ্ণ অনুমানভিত্তিক, নহ'লে ইজনে সিজনৰ পৰা ধাৰ কৰা। পূৰ্ব ভাৰতৰ প্ৰায় সমস্ত বিদগ্ধ ভাষাবিদ আৰু ভাষা ঐতিহাসিকে এই চৰ্যাগীত সঙ্কলনক গুৰুত্ব সহকাৰে অধ্যয়ন কৰি নিজস্ব গুৰুভাৰ মন্তব্য প্ৰকাশ কৰিছে, যাৰ ভিতৰত মহাপণ্ডিত ৰাহুল সাংকৃত্যায়ন (দোহাকোশ), সুনীতিকুমাৰ চট্টোপাধ্যায (১৯২৬), মহম্মদ শহীদুল্লাহ (Buddhist Mystic Songs) প্ৰবোধচন্দ্ৰ বাগচী (চৰ্যাগীতিকোষ-বিশ্বভাৰতী, Caryapada - C U 1956), সুকুমাৰ সেন (চৰ্যাগীতি পদাবলী -১৯৭৩), শশিভূষণ দাশগুপ্ত (বৌদ্ধ ধৰ্ম্ম ও চৰ্যাগীতি, Obscure Religious Cults K L M Firma - 1976 Calcutta), পৰীক্ষিত হাজৰিকা (চৰ্য্যাপদ, ডালিমী প্ৰকাশন, গুৱাহাটী- ১৯৯২ তৃ ঃ সং) উল্লেখযোগ্য। আমি বিজ্ঞানৰ ছাত্ৰ সবে ভাষাতত্ত্ববিদ সকলৰ পাণ্ডিত্যৰ অথৈ সাগৰত পৰি কক্‌বকাব লাগে কাৰণ তেখেত সকলে অভ্যাস-বশতঃ কোনো দিশ নিৰ্দ্দেশক মানচিত্ৰ বা আলোকস্তম্ভ নাৰাখে। সৰহ ভাগ উদ্ধৃতিৰ ক্ষেত্ৰতে মূল লিখকৰ নাম আৰু উদ্ধৃতিৰ বাদে আনুসঙ্গিক কোনো তথ্য বিচাৰি পোৱা নাযায়। কোন গ্ৰন্থ, কিমান চনত প্ৰকাশিত, কি সন্দৰ্ভত এই উক্তি কৰিছিল, প্ৰকাশক কোন, একোৱেই উল্লেখ নাথাকে, ফলত মূল বক্তব্য বাদেই, উদ্ধৃতি সচা নে মিছা তাকেই পৰখ কৰি চাবৰ উপায় নাথাকে। দ্বিতীয় সমস্যা হ'ল, চৰ্যাগীত ৰচনাৰ ঐতিহাসিক পটভূমি অধ্যয়নৰ বাবে যি দুখন গ্ৰন্থৰ ওপৰত বাহিকে নিৰ্ভৰ কৰা হয় Mystic Tales of Lama Taranath – Tr Bhupendra nath Datta 1944, আৰু তাঞ্জুৰ তালিকা, বৌদ্ধগান ও দোহা - হৰপ্ৰসাদ শাস্ত্ৰী, সেই গ্ৰন্থ আৰু তালিকা বাস্তৱতে কিমানদূৰ নিৰ্ভৰযোগ্য কোনে কব? বৌদ্ধ তন্ত্ৰৰ সৰহভাগ "বুৰঞ্জী" বাস্তৱতে উপাখ্যান আৰু জনশ্ৰুতিৰ সংমিশ্ৰণ। সত্য উদ্‌ঘাটনৰ

তৃতীয় সমস্যা হিন্দু ধৰ্ম্মীয় গুৰু সকলৰ দৰেই বৌদ্ধ সন্তসকলেও নিজৰ পৈতৃক নামৰ উপৰিও ধৰ্ম্মীয় নাম লৈছিল, তাৰে কিছুমান গুৰুৱে দিয়া কিছুমান নিজে লোৱা, কিছুমান শিষ্য - ভক্তই দিয়া। ফলত একেটা নামৰ দহজন ব্যক্তি পোৱা যাব আৰু একেজন ব্যক্তিৰে দহোটা নাম থাকিব পাৰে। ইতিহাসৰ বিভিন্ন কালত একে নাম কিন্তু ভিন্ন ভিন্ন ব্যক্তিক সূচোৱাটো সম্ভৱ। যেনে বৌদ্ধ দৰ্শনত কমেও তিনি গৰাকী প্ৰসিদ্ধ 'নাগাৰ্জ্জুন' আছে।

চৰ্যাগীতৰ 'সহজীয়া বাৰাৰ" ওপৰত বিশেষজ্ঞ কলিকতা বিশ্ববিদ্যালয়ৰ অধ্যাপক, জাহ্নবী কুমাৰ চক্ৰবৰ্ত্তী (চৰ্যাগীতিৰ ভূমিকা ১৯৭৫-৯০), ডাঙৰীয়াই লিখিছে —"আদিসিদ্ধা ৰাহুলভদ্ৰ সৰহ তাহাৰ শিষ্য সিদ্ধ নাগাৰ্জ্জন, তৎশিষ্য শবৰীপাদ বা দ্বিতীয় সৰহ তৎশিষ্য লুইপা' (পৃ ২১৪)।

বৌদ্ধ বুৰঞ্জী মতে আৰ্য্য নাগাৰ্জ্জুন মধ্যমিকা বৌদ্ধ দৰ্শনৰ প্ৰতিষ্ঠাতা তেখেত খ্ৰী° দ্বিতীয় শতাব্দীৰ প্ৰখ্যাত দাৰ্শনিক যাৰ শূন্যতাবাদৰ ভিত্তিত মধ্যমিকা আৰু যোগাচাৰী (জাপানৰ জেন , চীনৰ চেন' আৰু ভাৰতবৰ্ষৰ 'ধ্যান' উপদৰ্শন) বৌদ্ধ দৰ্শনে গঢ় লৈছে। তাৰানাথে উল্লেখ কৰা নাগাৰ্জ্জুন লুইপাৰ গুৰু হ'ব লাগিলে তেখেত অষ্টম শতিকাৰ আগৰ হ'ব নোৱাৰে। "প্ৰজ্ঞানামা মূল মধ্যমিকা" গ্ৰন্থ আৰ্য্য নাগাৰ্জ্জুন ৰচিত বুলি স্বীকৃত, তাৰ তিনিটা অংশ আৰু আঠ খন ভাষ্য আছে। মূল আৰ্য্য নাগাৰ্জ্জুন লুইপাদৰ সাক্ষাত গুৰু হোৱাটো জৈৱীক ভাৱে অসম্ভৱ (ছ শ বছৰৰ পাৰ্থক্য)। মাজত আকৌ এজন বিখ্যাত আয়ুৰ্বেদাচাৰ্য্য 'নাগাৰ্জ্জুন বটিকা' খ্যাত নাগাৰ্জ্জুন আছিল।

আনহাতে লুইপাৰ চৰ্যা-ক্ৰমিক নং ২৯ ৰ বাক্য " উদক - চান্দ জিম সাচ ন মিচ্ছা" (জল বিন্দুত প্ৰতিফলিত চন্দ্ৰ যিদৰে সচাও নহয় মিছাও নহয়) সম্পূৰ্ণ আৰ্য্য নাগাৰ্জ্জুনৰ মধ্যমিকা দৰ্শনৰ পৰা উদ্ধৃত বাক্য (যি উপনিষদতো ঠাই পাইছে। শঙ্কৰদেৱেও ব্যৱহাৰ কৰিছে)। তেনে স্থলত যদি লুইপাই নিজকে নাগাৰ্জ্জুনৰ অনগামী বুলি ঘোষণা কৰিছিল তাত আচৰিত হ'ব লগা একো নাই। তেনে শিষ্যত্ব সাক্ষাত গুৰু-শিষ্য সম্বন্ধ নহ'বও পাৰে। লুইপাদৰ চৰ্যাই (নং ১) প্ৰাণাযামৰ ওপৰত দিয়া গুৰুত্বই সূচায় যে তেখেত মধ্যমিকা দৰ্শনৰ পৰা উদ্ভৱ মহাযান পন্থাৰ ক্ৰিয়া তন্ত্ৰ সাধনা পদ্ধতিৰ অনুগামী আছিল। "ভাবো নহোই অভাব নজাই" সম্পূৰ্ণ মধ্যমিকা বৌদ্ধ দৰ্শন। সেইদৰে ভুসুকপাদৰ চৰ্যা নং ৪১ " আইএ অণুঅনা এ জগ ৰে ভাংতি এঁ সো পডিহাই" (আদিতে অসৃষ্ট জগৎ ভ্ৰম স্বৰূপে হে প্ৰতিপন্ন হয়) মধ্যমিকা দৰ্শনৰ মূল সূত্ৰ। আনহাতে ৰচক ভুসুকুপাদ

যোগাচাৰ তন্ত্ৰৰ সাধক- এযাই প্ৰমাণ মধ্যমিকাৰ কিছুমান নীতি যোগাচাৰত বৈ গ'ল।

একেজন গীতিকাৰ ভুসুকুপাদৰ চৰ্যা নং ৪৯ৰ পৰা বুজা যায়, তেখেতে যোগাচাৰ এৰি অনুত্তৰ তন্ত্ৰৰ সাধনা অভ্যাস কৰি, পুনৰ যোগাচাৰ তন্ত্ৰলৈ ফিৰি আহিছিল। বুক্কুৰীপাদে (চৰ্যা ন‌ং ২০) একাধিক তন্ত্ৰ পদ্ধতি অভ্যাস কৰি মাতৃতন্ত্ৰ (শক্তি তন্ত্ৰ) নিষ্ফল বুলি কৈছে। একে উক্তিযে কৰিছে ঢেণ্টনপাদে চৰ্যা ৩৩ (বলদ বিআএল গবিআ বাঁঝে)।

এই খিনি কথা এনে বিতংভাৱে আলোচনা কৰাৰ কাৰণ হ'ল এইটো প্ৰতিষ্ঠা কৰা যে-

১) একেটা নাম লোৱা বা থকা একাধিক বৌদ্ধ সাধকে বিভিন্ন ঐতিহাসিক কালত চৰ্যাগীত ৰচিছিল। সেযেহে ৰচকৰ নামৰ দ্বাৰাই চৰ্যাৰ দাৰ্শনিক চৰিত্ৰ সম্বন্ধে নিশ্চিত হ'ব নোৱাৰি।

২) ৰচক যদি এজনও হয়, তেখেতৰ জীৱনৰ বিভিন্ন কালত ভিন্ন ভিন্ন তান্ত্ৰিক দৰ্শনৰ সমৰ্থনত গীত ৰচিব পাৰে যাৰ লক্ষ্য একে নহ'বও পাৰে।

৩) গীতৰ ৰচকে যদি গীতৰ মাজত নিজৰ নাম উল্লেখ কৰে তেনেহ'লে মোটা-মুটি ভাৱে নিশ্চিত হ'ব পাৰি যে গীতৰ ৰচক সেইজনা ব্যক্তিযেই হ'ব কিন্তু একে নামৰ একাধিক চৰ্যাগীত ৰচক থকা হেতুকে, গীত ৰচকৰ নাম আৰু গীতৰ বৌদ্ধ দৰ্শন খাজে-খাপে খাইছে নে নাই পৰখ কৰি লোৱাৰ প্ৰযোজন। অন্যথায় বিভ্ৰান্তি ঘটন সম্ভৱ।

৪) হৰপ্ৰসাদ শাস্ত্ৰী আৱিষ্কৃত প্ৰতিলিপিৰ ওপৰত লিখিত ভাবে থকা গীত ৰচকৰ নাম সদায় গ্ৰহণযোগ্য নহ'বও পাৰে। বীণাপাদ (চৰ্যা ১৭) নাম যতদূৰ সম্ভৱ গীতৰ চৰিত্ৰৰ ওপৰত নিৰ্ভৰ কৰি প্ৰতিলিপিকাৰে দিয়া নাম। চৰ্যা ২৮ আৰু ৫০ ৰ ৰচক শবৰপাদ হোৱাটো গ্ৰহণযোগ্য নহয়, কাৰণ দুয়োটা গীততে শবৰক দুৰাচাৰী, লম্পট বুলি অভিহিত কৰিছে। কবিয়ে নিজৰ দুৰ্নাম ৰটনা কৰিবলৈ গীত ৰচিব সেইটো বিশ্বাস কৰা টান।

আমাৰ বক্তব্য হ'ল, চৰ্যাগীত সমূহৰ চৰিত্ৰ আৰু অৰ্থ নিৰূপণৰ একমাত্ৰ নিৰ্ভৰযোগ্য অৱলম্বন কেৱল চৰ্যাগীত কেইটিত থকা শব্দ সম্ভাৰ আৰু বৌদ্ধ তান্ত্ৰিক দৰ্শনৰ সম্যক আলোচনা, তাৰ ক্ৰমিক বিকাশ আৰু চৰ্যাগীতৰ শাব্দিক বিশ্লেষণ।

চৰ্যাগীতৰ উৎপত্তি ঃ

বৌদ্ধ ধৰ্মই উৎপত্তিৰ ক্ষণৰ পৰাই হিন্দু ধৰ্মৰ প্ৰকাশ ধাৰাক অনুগমন কৰিছে। বৌদ্ধ পৰম্পৰা মতেই সিদ্ধাৰ্থ গৌতমে নিৰঞ্জনা নদীৰ পাৰত, বোধি বৃক্ষৰ তলত প্ৰথম পৰম জ্ঞান পায়েই পালি ভাষাত ছন্দ সহকাৰে গাই উঠিছিল যে, " আজি মই গৃহ কাৰকক (পুনৰ্জন্মৰ কাৰণ) বিচাৰি পাইছো বাসনাৰ অন্তই জন্ম চক্ৰৰ ধ্বংস কৰে" (The Dhammpada – Oxford University Press -1936 pp 153-54)। এনেদৰে ছন্দত ধৰ্মোপদেশ দিয়াৰ ৰীতি বৌদ্ধ ধৰ্ম গুৰু সকলৰ মাজত ৫ঠৰ শতিকালৈ প্ৰচলিত আছিল (Words of my Perfect Teacher - Patrul Rinpoche Trns by Padmakara Group-1994 Vistaar Publication- New Delhi) আৰু বোধ হয় আজিও আছে। আমাৰ বাবে অধিক প্ৰয়োজনীয়, চৰ্যাগীত ৰচক বৌদ্ধ তান্ত্ৰিক সিদ্ধ সকলে কোন পৰম্পৰা অনুগমন কৰিছিল? তাৰ অধ্যয়নৰ বাবে শ্ৰেষ্ঠ সহায়ক গ্ৰন্থ হ'ল বৌদ্ধ তান্ত্ৰিক আৰু তিব্বতৰ জাতীয় কবি জেৎছুন মিলেৰাপাৰ জীবনী, যি জনা মহাপুৰুষ চৰ্যাগীত ৰচনাৰ সমকালত জীৱিত আছিল আৰু চৰ্যাগীত ৰচক বৌদ্ধ সিদ্ধ সকলৰ লগত নিকট ধৰ্মীয় সম্বন্ধ ৰাখিছিল। খ্ৰী: ১০৫২ ত জন্ম গ্ৰহণ কৰা এইজনা মনীষীৰ জীৱনী বিতংভাবে তিব্বতী ভাষাত সঙ্কলন কৰিছিল তেখেতৰ সাক্ষাৎ শিষ্য ৰেচুঙ্গে, যাৰ ইংৰাজী অনুবাদ প্ৰকাশ হয় ১৯২৮ খ্ৰী (The life of Milerapa W Y Evans Wentz Oxford University Press - 1928)।

জেৎছুন মিলেৰাপাৰ গুৰু মাৰপা আছিল প্ৰখ্যাত তান্ত্ৰিক নাৰোপাৰ সাক্ষাৎ শিষ্য। নৰোপা বা নৰোত্তম আছিল ' শেকোদ্দেশটীকা' পুথিৰ ৰচক, আৰু তিব্বতলৈ বৌদ্ধ ধৰ্মৰ দ্বিতীয় প্ৰবাহ বহন কৰোতা দীপঙ্কৰ অতীশ শ্ৰীজ্ঞান নালন্দাত পঠন কালৰ এজন পণ্ডিত অধ্যাপক আৰু দীপঙ্কৰ অতীশৰ অন্যতম শিক্ষক (2500 Years of Buddhism - 1956 Pub Div Govt India pp 228-229)। নৰোপাৰ সাক্ষাৎ শিষ্য মাৰপাৰ সাক্ষাৎ শিষ্য মিলেৰাপা দীপঙ্কৰ শ্ৰীজ্ঞানতকৈ মাত্ৰ কেইবছৰ মানহে কনিষ্ঠ হ'ব পাৰে আৰু চৰ্যা ৰচক লুইপাৰ সম সাময়িক হ'ব। নৰোপাৰ গুৰু আছিল মহাসিদ্ধ তিলোপা/তিল্লোপা। তিৰোপা মহা-অতি তন্ত্ৰৰ সিদ্ধি লাভ কৰা হেতুকে সাংসাৰিক কোনো বান্ধোন আনকি বৌদ্ধ সংঘৰ নীতি নিয়ম ' বিনায়ো ' স্বীকাৰ নকৰিছিল। বৌদ্ধ মঠত আশ্ৰয় লৈ মাছ খোৱাৰ বাবে তেখেতক মঠৰ সাময়িক আশ্ৰয়ৰ পৰাও গুচাই যাবলৈ কোৱা হৈছিল (ভুসুকু পাদৰ চৰ্যা নং ৬ এই ঘটনাই বুজাত সহায় কৰে)।

এনে বিতং আলোচনাৰ প্ৰয়োজন হ'ল এইটো প্ৰতিষ্ঠা কৰাৰ বাবে যে

তিব্বতী কবি বৌদ্ধ তান্ত্রিক মিলেৰাপা চৰ্যা পদ ৰচক ভাৰতীয় বৌদ্ধ সিদ্ধ সকলৰ সমসাময়িক আছিল আৰু একে ধৰ্ম্মীয় ধাৰা বহন কৰিছিল। জেৎছুন মিলেৰাপাৰ জীৱনীৰ পৰা আমি জানিব পাৰো যে বৌদ্ধ তান্ত্রিক সিদ্ধ সকলে কোনো গুৰুত্বপূৰ্ণ ধৰ্ম্মীয় সংঘটন স্মৰণীয় কৰণাৰ্থে ধৰ্ম্মীয় গীত ৰচনা কৰিছিল। তেনে গীতৰ বিষয় বস্তু সংঘটনৰ লগত সম্বন্ধ থাকিবও পাৰে নাথাকিবও পাৰে কিন্তু সেই ধৰ্ম্মীয় সাৰ যুক্ত গীতটি ঘটনাৰ অভিজ্ঞান (memento) ৰূপে স্বীকৃত। মুখে মুখে ৰচনা কৰা গীতটি শিষ্য সকলে মুখস্থ কৰি লৈছিল নিজে গাইছিল আৰু আনকো শুনাইছিল (গীতৰ কথা লিখি ৰখাৰ উল্লেখ পোৱা নাযায় যদিও নিশ্চয় তাক পিচৰ কালত লিখি ৰখা হৈছিল)। গীত ৰচকে নিজৰ নাম উল্লেখ নকৰিছিল যদিও শিষ্য সকলে বোধ হয় গুৰুৰ নাম গীতত সুমাই দিছিল ("শাখি কৰিব জালন্ধৰি পাএ-চৰ্যা নং ৩৬")। তেনেদৰে নাম সুমোৱাৰ ফলত মূল ৰচকৰ নামৰ নিশ্চয়তা নোহোৱা হৈ গৈছিল পিচলৈ।

সমগ্ৰ পূৰ্ব্ব ভাৰতত যি কোনো গীত ৰচকেই নিজৰ গীতত ইচ্ছামতে " কহত কবিৰা বা " কহয় কবিৰা" যোগ কৰি দিয়াৰ দৰে অৱস্থা চৰ্যা গীতৰ বেলা হলেও আচৰিত হ'বলগীয়া একো নাই। ৰাজহুৱা নৰ্ত্তকীয়ে (বাইজীয়ে) নাচৰ লগত গোৱা এক জনপ্ৰিয় ঠুম্‌ৰি গীতৰ এশাৰী বাক্য — " কহত কবিৰা সুনো ভাই সাধো নাচে না টোডে ঘুঙ্গৰু।" সন্ত কবিৰে বাইজীৰ গান ৰচনা কৰিছিল বিশ্বাস কৰাটো টান, গীতৰ বাক্যত কবিৰৰ নাম উল্লেখ থকা সত্বেও।

অসমৰ, উল্টা পুৰাণৰ গীত, দেহ বিচাৰৰ গীত, বঙ্গদেশৰ বাউলৰ গীত, বোষ্টম- বোষ্টমীৰ গীত, বিহাৰৰ দোহা-চাপায়া আদিত চৰ্যা গীতৰ অংশ বিশেষ খণ্ড বাক্য অথবা সম্পূৰ্ণ বাক্যৰূপে পোৱা যায়, সৰহভাগ ক্ষেত্ৰতে সুশ্ৰাব্য বা বহুজন জ্ঞাত বাবে নতুন ৰচকে নিজৰ ৰচনাত ঠাই দিয়ে তাৰ অৰ্থ বুজি, কেতিয়াবা তাৰ অৰ্থ নুবুজিও। পৰীক্ষিত হাজৰিকাদেৱে (চৰ্য্যাপদ - পৃঃ১৬) প্ৰকৃষ্ট উদাহৰণ দিছে, গাৱঁৰ অৰ্দ্ধশিক্ষিত বেজে নিজৰ জৰ - খাপৰি জৰা মন্ত্ৰত চৰ্যাপদৰ অংশ বিশেষ ব্যৱহাৰ কৰিছে। চৰ্যাগীতৰ ৰচক সকলেও "মৰু মৰীচী", "বাংধি-সুআ" (বন্ধ্যা সুত) "সসৰ সিংগে" (চৰ্যা৪১), "উদক চান্দ" (জল বিন্দু প্ৰতিফলিত চন্দ্ৰ) (চৰ্যা-২৯)বেদান্ত আৰু বেদান্তসাৰৰ পৰা বিনা দ্বিধাই তুলি আনি নিজৰ গীতত ঠাই দিছে। সৰহপাৰ চৰ্যাৰ (নং ৩২) বাক্য " হাথে ৰে কাঙ্কাণ মা লোউ দাপণ" বাক্য সম্বন্ধে সুকুমাৰ সেনে লিখিছে (চৰ্যাগীতি পদাবলী, পৃঃ ১৪২) 'বাংলায় এই প্ৰবাদ বাক্যটি চলিয়া আসিয়াছে। মিথিলায়ও অজানা ছিলনা। তুলনীয় বিদ্যাপতি, "হাথক কঙ্কন অৰসী কাজ।" জাহ্নবী চক্ৰৱৰ্তীয়ে (চৰ্যাগীতিৰ

ভূমিকা- পৃঃ ২৭১) গোবিন্দ দাস কবিৰাজৰ উদ্ধৃতি দিছে " হাথক কঙ্কণ কিএ দৰপণে হেৰিও"। চক্ৰৱৰ্ত্তী মহোদযে কিন্তু গোবিন্দ কবিৰাজে মূল চৰ্যা পদৰ কথাৰ যে ৰূপান্তৰ ঘটাইছে তাক লক্ষ্য কৰা নাই, আৰু সেই মতেই অৰ্থ কৰিছে, " হাতেৰ কাঁকণ দেখিতে দৰ্পণ নিতে হয না, এমনই দেখা যায।" গোবিন্দ কবিৰাজৰ দ্বাৰা পৰিবৰ্ত্তিত বাক্যৰ অৰ্থ মূল চৰ্যাৰ ওপৰত প্ৰতিস্থাপিত কৰিছে। মূল চৰ্যাৰ বাক্যৰ অৰ্থ ' হাতত কঙ্কণ নলবা দাপোণ"। ইযাত 'চোৱা' (হেৰিও) বা 'প্ৰযোজন' (কাজ) শব্দ দুটা নাই। সৰহপাদৰ মূল চৰ্যাৰ অৰ্থ 'কঙ্কণ ধৰণী (মন্ত্ৰ) স্তৰ পালে, দৰ্পণ ধৰণী স্তৰৰ সাধনাৰ প্ৰযোজন নাই'। সুকুমাৰ সেন, জাহ্নবী চক্ৰবৰ্তী, হৰপ্ৰসাদ শাস্ত্ৰী আদি বিদগ্ধ পণ্ডিত সবে পাহৰি যায যে চৰ্যাগীত সমূহ বৌদ্ধ সিদ্ধ পুৰুষ সকলে দিযা ধৰ্ম্মোপদেশ। ই মূলতঃ অৱসৰ কালৰ চিত্ত বিনোদনৰ গীত নাছিল বা বৰাগী সকলে বাটে-ঘাটে ভিক্ষা খোজা গীতো নহয। পিচৰ কালত যদি বিদ্যাপতিৰ পৰা বীণ বৰাগীলৈকে সকলোৱে চৰ্যাগীতৰ পৰা ধাৰ লয সি চৰ্যা গীতৰ দোষ নহয। বৰ্ত্তমান চৰ্যাসংগ্ৰহ কিন্তু ধ্ৰুপদী (Classical) গীতৰ পদ (lyrics) বুলিযেই সঙ্কলন কৰা হৈছিল।

বৰ্ত্তমান চৰ্যাগীত সমূহক অৱসৰ বিনোদনৰ গীত বুলি ভাবি লোৱাৰ অন্যতম কাৰণ প্ৰতিলিপিকাৰে গীত বোৰৰ ওপৰত " ৰাগ কহু ভৈৰৱী", "ৰাগ কামোদ", "ৰাগ মল্লাৰী" আদি ভাৰতীয শাস্ত্ৰীয সঙ্গীতৰ নাম লিখি ৰখাতো। মহা সিদ্ধ নৰোপাই হওক, মিলেৰাপাই হওক বা লুইপাই কোনোজনেই শাস্ত্ৰীয ধ্ৰুপদী সঙ্গীতৰ শিক্ষা লাভ কৰাৰ কথা কতো উল্লেখ নাই (Entering the stream - Edit Samuel Bercholz & Sherab Chodzin Kohn - 1994 Random House London)। যিহেতু ৰাগ ভৈৰৱী, মল্লাৰী, কামোদ আদি কেৱল মাৰ্গ সঙ্গীতৰ প্ৰশিক্ষণপ্ৰাপ্ত ব্যক্তিযেই শুদ্ধ ভাৱে গাব পাৰিব, বুজা যায চৰ্যাগীত সমূহ একালত ৰজা জমিদাৰৰ বৈঠকত বা ধৰ্ম্ম সভাৰ 'গাযকী বৈঠকত' প্ৰশিক্ষণপ্ৰাপ্ত সঙ্গীতজ্ঞৰ দ্বাৰা গোৱা গীত হৈ পৰিছিল। ৰক্ষণশীল বৌদ্ধ ধৰ্ম্মত (থেৰাবাদী) বৌদ্ধ ভিক্ষুৰ কথাই নাই, সাংসাৰিক বৌদ্ধ ধৰ্ম্মী লোককে সমূহীযা নৃত্য-গীত উৎসৱত ভাগ লবলৈ মানাহি আছিল (2500 Years of Buddhism Govt of India -1956 Chapter VI)। মহাযান পন্থী সকল অপেক্ষাকৃত উদাৰ আছিল যদিও "নৃত্য গীত" বৌদ্ধ তান্ত্ৰিকৰ শিক্ষাৰ অঙ্গ নাছিল।

হৰপ্ৰসাদ শাস্ত্ৰী আৱিষ্কৃত পাণ্ডুলিপিৰ একাদশ চৰ্যাৰ পিছত " সুনেত্যাদি চৰ্য্যাযা ব্যাখ্যা নাস্তি" বাক্যই প্ৰমাণ যে অনুলিপিকাৰ ব্যক্তিযে, মুনিদত্তৰ টীকা আৰু চৰ্যাগীত দুখন ভিন্ন গ্ৰন্থৰ পৰা চাই চাই প্ৰতিলিপি প্ৰস্তুত কৰিছিল। দ্বিতীয়তঃ

বৰ্ত্তমান প্ৰতিলিপিত প্ৰতিটো পদৰ অন্তত "ধ্রু" অৰ্থাৎ ধ্ৰুবপদ যাৰ দ্বাৰা বাক্যটো পুনৰবাৰ গোৱাৰ নিৰ্দেশ দিয়া আছে। আনহাতে মুনিদত্তৰ ভাষ্যত মাত্ৰ দুটা চৰ্যাত হে ধ্ৰুবপদৰ উল্লেখ আছে (চৰ্যাগীতি পদাবলী, সুকুমাৰ সেন পৃ ১৭)। সিদ্ধ তিলোপাই গীতৰ ৰূপত দিয়া উপদেশ মালাত ধ্ৰুবপদ অৰ্থাৎ পুনৰ গাব লগা কোনো উল্লেখ নাই। মিলেৰাপৰ গীতটো একেটা কথাই প্ৰযোজ্য। অতএব বুজা যায় সৰহভাগ মূল চৰ্যাত ধ্ৰুবপদ নাছিল। ইয়ে প্ৰমাণ কৰে 'বৌদ্ধ দোহা' আৰু চৰ্যাগীত' সমচৰিত্ৰৰ নহয়। বৌদ্ধ দোহা, কবিৰৰ দোহা, মহাপুৰুষীয়া নাম কীৰ্ত্তনৰ দৰে সমূহীয়া ভাৱে সমস্বৰে গোৱা গীত আছিল। কালচক্ৰত চৰ্যাগীত প্ৰশিক্ষণ প্ৰাপ্ত সঙ্গীতজ্ঞই " চমজদাৰ শ্ৰোতাৰ" আগত গোৱা মাৰ্গ সঙ্গীতৰ " পদ" হৈ পৰিছিল আৰু এয়া হৈছিল বৌদ্ধ ধৰ্ম্মৰ সামাজিক পতনৰ পিচত, যেতিয়া হিন্দু ধৰ্ম্ম যিযে সঙ্গীত আৰু নৃত্যৰ প্ৰযোজনীযতা স্বীকাৰ কৰে প্ৰাধান্য লাভ কৰিছিল। একালৰ বৌদ্ধতান্ত্ৰিক প্ৰশিক্ষণৰ কবিতা বৈঠকী সঙ্গীতৰ পদৰ (Libretto) ৰূপ পাইছিল যি কালত এই চৰ্যাৰ প্ৰতিলিপি প্ৰস্তুত কৰা হৈছিল। মুনিদত্তৰ ভাষ্যই প্ৰমাণ কৰে যে চৰ্যাগীতৰ আধ্যাত্মিক দিশৰ পিনে কিঞ্চিৎ মনোযোগ দিয়া হৈছিল, কিন্তু এই গীত সংকলন ঘাইকৈ শ্ৰবণৰ বাবেহে প্ৰস্তুত, পঠনৰ বাবে নহয়, অন্যথায তাত পাতে পাতে ব্যাকৰণ আৰু বৰ্ণলিপি বিভ্ৰাট দেখা নগ'লহেতেন।

চৰ্যা গীত সংগ্ৰহ নিশ্চয পূব আৰু উত্তৰ পূব ভাৰতৰ বৌদ্ধ ধৰ্ম্মীয সভা সমূহত জনপ্ৰিয আছিল নহ'লে ইয়াৰ একাধিক প্ৰতিলিপি প্ৰস্তুত কৰা নহ'লহেতেন আৰু তিব্বতীয অনুবাদো পোৱা নগ'লহেতেন। গূঢাৰ্থ নুবুজাকৈ বৌদ্ধ শাস্ত্ৰ সাধাৰণতে তিব্বতী বা চীন ভাষালৈ অনুবাদ কৰা নহৈছিল। চৰ্যাগীত সংগ্ৰহ ইয়াৰ ব্যতিক্ৰম যিযে সাব্যস্ত কৰে ভাৰত-তিব্বত বৌদ্ধ সংস্কৃতিৰ এনাজৰী শিথিল হোৱাৰ কালত এই অনুবাদ কৰা হৈছিল।

বিভিন্ন শাখাৰ বৌদ্ধ তন্ত্ৰৰ সিদ্ধ পুৰুষ সকলৰ ৰচিত চৰ্যাগীত বৰ্ত্তমান সংগ্ৰহত ঠাই পাইছে, যিযে সাব্যস্ত কৰে সংগ্ৰাহক নিজে তন্ত্ৰ উপধাৰা সম্বন্ধে নিৰপেক্ষ আছিল, আৰু গূঢ় দাৰ্শনিক তত্ব সম্বলিত চৰ্যাগীতৰ পৰা সাধাৰণ আনকি অশ্লীল গ্ৰাম্য শব্দ যুক্ত চৰ্যাগীতও নিৰ্ব্বিবাদে বৰ্ত্তমান গীত সংগ্ৰহত ঠাই দিছে। তেনে গীত সংগ্ৰহৰে প্ৰতিলিপি আৱিষ্কাৰ কৰিছিল হৰপ্ৰসাদ শাস্ত্ৰীদেৱে নেপালৰ ৰাজকীয গ্ৰন্থাগাৰত। একেটা গীততে একেটা শব্দকে দুবাৰ দুটা বাননেৰে লিখন (যেনে, চৰ্যা ৫০, শবৰ - ষবৰালী), প্ৰতিলিপি প্ৰস্তুতিত অমনোযোগ, অক্ষৰ বা শব্দই বাদ পৰা, অস্পষ্ট অক্ষৰ আদিযে সূচায যে প্ৰতিলিপি প্ৰস্তুতকাৰকে

চৰ্যাগীত সংগ্ৰহক বিশেষ গুৰুত্ব দিয়া নাছিল। ইয়াৰ বিপৰীতে বৰাহ মিহিৰৰ বৃহৎসংহিতা গ্ৰন্থৰ ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলত পোৱা প্ৰতিলিপি আৰু আল্‌বিৰুনিৰ আৰব অনুবাদৰ মাজত এটা শব্দৰো ইফাল সিফাল হোৱা দেখা নাযায় (Brihat Samhita - Motilal Banarsidass New Delhi)। ভাৰতীয় বৌদ্ধ তন্ত্ৰৰ সংহিতা স্বৰূপ, তিব্বতীয MKHAS GRUB RJE S F D Lessing and A Wayman ৰ দ্বাৰা ইংৰাজী ভাষাত অনুবাদকৃত Introduction to the Buddhist Tantric Systems-1978 Motilal Banarsidass গ্ৰন্থত চৰ্যাগীতৰ এবাৰো কোনো প্ৰত্যক্ষ বা পৰোক্ষ উল্লেখৰ অনুপস্থিতিয়ে সূচায যে এই গীত সঙ্কলনক ধৰ্মীয জগতত বিশেষ গুৰুত্ব দিয়া হোৱা নাছিল। বৌদ্ধ তন্ত্ৰৰ বিভিন্ন ধাৰা উপধাৰাক সাঙুৰি লোৱাৰ ফলত বোধ হয চৰ্যাগীতক কোনো শাখাৰ দ্বাৰাই মৌলিক গ্ৰন্থৰ গুৰুত্ব দিয়া নাই।

নেপালৰ ৰাজকীয গ্ৰন্থাগাৰত আবিষ্কৃত চৰ্যা সংগ্ৰহৰ গীতৰ বিষয বস্তুৰ ওপৰত নিৰ্ভৰ কৰি গীত সমূহক তলৰ বিভিন্ন চৰিত্ৰলৈ ভাগ কৰিব পাৰি।

(১) সাধাৰণ, অভিক্ষু বৌদ্ধ ধৰ্মাবলম্বী ব্যক্তিক দিয়া উপদেশ চৰ্যা-নং২।

(২) তন্ত্ৰ ধাৰা নিৰপেক্ষভাৱে সকলো বৌদ্ধ তান্ত্ৰিকক দিয়া উপদেশ -চৰ্যা নং — ৬,২২,২৩,২৬,৪০,৪১,৪২,৪৩,৪৪,৪৫,৪৬।

(৩) মধ্যমিকা দৰ্শনৰ পৰা উদ্ভূত ক্ৰিয়া তন্ত্ৰৰ প্ৰাণাযাম ভিত্তিক সাধনা পথৰ অনুগামী সকলক উপদেশ দিয়া চৰ্যাগীত - চৰ্যা নং ১,২৯।

(৪) প্ৰাণাযাম আৰু ধ্যানৰ কাৰিকৰি দিশ বৰ্ণনা কৰি গুৰুৱে শিষ্যক দিয়া উপদেশ মূলক চৰ্যা। এনে চৰিত্ৰৰ চৰ্যা সংখ্যাই সৰ্ব্বাধিক। এই গীত সমূহত সাধনাৰ পথত উৎপন্ন হোৱা বিভিন্ন মানসিক আৰু আধ্যাত্মিক বাধা আৰু তাক অতিক্ৰম কৰাৰ উপায় বৰ্ণনা কৰিছে, চৰ্যা নং— ৩,৪,৫,৯,১১,১২,১৩,১৪,১৬,১৭,১৮,১৯,২১,২৭,৩০,৩৪,৩৬,৩৮,৪৭।

(৫) নিজৰ তন্ত্ৰপথেই মাত্ৰ শুদ্ধ, আন পথ নিষ্ফল বা ব্যাঘাতপূৰ্ণ - চৰ্যা নং ৭,৮,১০,১৫,২০,৩১,৩২,৩৩,৩৫,৩৭,৩৯,৪৯।

(৬) আন তন্ত্ৰ পথক ব্যঙ্গ কৰি লিখা গীত যি পৰিহাসমূলক অনুকৰণ (lampoon) যাক বাস্তৱতে চৰ্যাগীত বোলাটো অনুচিত কিন্তু বৰ্ত্তমান সংগ্ৰহত ঠাই পাইছে — চৰ্যা নং ২৮ আৰু ৫০।

উদ্দেশ্যৰ পাৰ্থক্যৰ লগে লগে চৰ্যা গীতৰ ভাষা আৰু প্ৰকাশ ভঙ্গীৰো ভিন্নতা থকাটো স্বাভাৱিক। নিজৰ তন্ত্ৰ পথেই শুদ্ধ, আনপথ নিষ্ফল, অথবা আন সাধনাৰ পথক ব্যঙ্গ, উপহাস কৰিবলৈ লিখা চৰ্যাগীত সমূহত স্বাভাৱিকতে, বক্ৰোক্তি আৰু দ্ব্যৰ্থক শব্দৰ প্ৰাধান্য থাকিব। গীত ৰচকে এনে গীতত নিজৰ নামো সাধাৰণতে উল্লেখ নকৰে (চৰ্যা ২৮, ৫০) । গুৰুৱে শিষ্যক তন্ত্ৰ সম্বন্ধে দিয়া উপদেশ সমূহত তন্ত্ৰৰ কাৰিকৰী শব্দৰ আধিক্য থকাটো স্বাভাৱিক। এজন ধৰ্মগুৰুৱে দিয়া বৌদ্ধ দাৰ্শনিক উপদেশ সমূহ দাৰ্শনিক তত্ত্বগধুৰ। তেনে চৰ্যা, বেদান্ত বা উপনিষদৰ সূত্ৰৰ লগত তুলনীয় য'ত দ্ব্যৰ্থক বা বুজিবলৈ কঠিন শব্দৰ ব্যৱহাৰ নাই বুলিলেই হয় (যেনে, চৰ্যা ২৬)। এনে চৰ্যা গীতক উন্টা পুৰাণ বা দেহ বিচাৰৰ গীতৰ লগত তুলনা কৰাটো - কঠোপনিষদৰ ব্ৰহ্মসূত্ৰ "গৰখীযা গীতৰ" লগত তুলনা কৰাৰ সম।

তন্ত্ৰধাৰা নিৰপেক্ষভাৱে দিয়া উপদেশ আৰু মধ্যমিকা পথৰ ওপৰত সৃষ্ট চৰ্যাৰ অৰ্থ উন্টাপুৰাণৰ গীত, বা " বৈষ্ণৱ সহজীযা প্ৰেমৰ" গীততকৈ উপনিষদ আৰু ভগৱৎগীতাৰ উপদেশৰ লগত অধিক সাদৃশ্য আছে। অনুকুল চন্দ্ৰ বেনাৰ্জীযে (Principal Schools and Sects of Buddhism – 2500 yrs of Buddhism Govt of India Pub 1956 - PP 101-122) লিখিছে "It (Madhyamika School) teaches that Sunyata (the indescribable absolute) is the absolute There is no difference between Samsara (phenomenal world) and Nirvana or Sunyata (reality) Sunya or the absolute corresponds to the nir Brahman of the Upanisads" (p 121 ib sid) । চৰ্যা গীতত লুইপাই গাইছে " জাহেৰ বানচিহ্ন ৰূব ণ জাণী। সো কইসে আগম বেএঁ বখাণী।"(যাৰ বৰ্ণ, চিহ্ন আৰু ৰূপ নাজানি, তাক তন্ত্ৰ শাস্ত্ৰ আৰু বেদে কেনেকৈ বৰ্ণাব)। বেদান্তত ব্যৱহৃত, 'বন্ধ্যাৰ পুত্ৰ', ' আকাশত ফুলা ফুল', 'মোহ তৰু', 'চিত্ত বৃক্ষ' আদি তুলনা চৰ্যাগীতত বিৰল নহয়। ভগৱৎ গীতাৰ উপদেশৰ লগত চৰ্যাগীতৰ উপদেশৰ সাদৃশ্য আৰু নিবিড। ওপৰে ওপৰে চকু ফুৰালেও সি দেখা যায়।

চৰ্যা গীত	ভগৱৎ গীতা
(১) সংসাৰৰ মায়া মোহ কাটি মনলৈ শূন্য বোধ আনিব পাৰিলেহে জন্ম-মৃত্যু পুনৰ্জন্মৰ চক্ৰৰ পৰা সাধকে মুক্তি পাব।	প্ৰায় সমস্ত ভগৱৎ গীতা এই দৰ্শনৰ ওপৰত প্ৰতিষ্ঠিত।
(২) প্ৰাণায়ামৰ দ্বাৰা মনলৈ শূন্যভাৱ অনাটো সম্ভৱ- চৰ্যা- ১, ২৯, ৪৯, ইত্যাদি	ভগৱদ গীতাৰ অষ্ট অধ্যায়, অক্ষৰ ব্ৰহ্মযোগ।
(৩) কোনো কৰ্ম্ম স্বভাৱতে অপবিত্ৰ নহয়, সাধকে তাক কি ভাবে লয় তাৰ ওপৰতে সকলো নিৰ্ভৰ কৰে ("চিঅ বিহুন্নে পাপ ন পুন্ন।।" চৰ্যা ৩৫। "বিসঅ বিশুদ্ধি মই বুজ্ঝিঅ আনন্দে। গঅণহ জিম উজোলি চান্দে।।" চৰ্যা ৩০ ইত্যাদি)।	ভগৱদগীতাৰ কৰ্ম্মযোগ।
৪) মানব চিত্ত আৰু কামনা, বাসনা মোহ আদি বৃক্ষ স্বৰূপ, তাৰ মূল ছেদন নকৰালৈকে ইয়াৰ পৰা মুক্তি পাব নোৱাৰি, " সুন তৰুবৰ গঅণ কুঠাৰ। ছেবহ সো তৰু মূল ন ডাল।" চৰ্যা ৪৫।	ভগৱদগীতাৰ পুৰুষোত্তম যোগ অধ্যায় ১৫, শ্লোক ৩ "অশ্বত্থমেনং সুৱিৰূঢমূলম্ অসংগশস্ত্ৰেণ দৃঢেন ছিত্বা।।

চৰ্যাগীতৰ পদ আৰু ভগৱদগীতাৰ শ্লোকৰ অৰ্থ আৰু গাঠনি সাদৃশ্য যতেই চকুত পৰা হৈছে তাক টীকা -ভাষ্যত উল্লেখ কৰা গৈছে কাৰণ বৌদ্ধ তন্ত্ৰ দৰ্শন আৰু বেদান্ত সমান্তৰাল দৰ্শন।

ধৰ্ম্মীয় উপদেশমূলক চৰ্যা সমূহৰ ভাষা সৰল অৰ্থ গভীৰ আৰু শব্দ চয়ন দ্ব্যৰ্থহীন। আনহাতে — নিজত ভিন্ন বৌদ্ধ তন্ত্ৰ পন্থাক নিষ্ফল বুলি, হীন বুলি বা ব্যভিচাৰময় প্ৰতিপন্ন কৰিবলৈ ৰচনা কৰা চৰ্যাগীত সমূহ আধুনিক ব্যঙ্গ সাহিত্যৰ দৰে প্ৰহসনময়, শব্দ দ্ব্যৰ্থপূৰ্ণ আৰু ক্ষেত্ৰ বিশেষে সম্পূৰ্ণ ব্যঙ্গানুকৰণ (lampoon) । বহু আধুনিক ব্যঙ্গ সাহিত্যৰ দৰেই এনে চৰ্যা ৰচকৰ নামহীন (বেনামী চৰ্যা ২৮, ৫০) আৰু এনে ধৰণৰ প্ৰহেলিকাময়, যে চৰ্যা ৰচকক দায় ধৰিলে তেখেতে অন্য অৰ্থ কৰি দায় এৰাব পাৰে। তেনে প্ৰহেলিকাময় চৰ্যা ৰচকে আকৌ নিজৰ বুদ্ধিমত্তা সম্বন্ধে ফিতাহি মাৰিছে। (যি বৌদ্ধ সন্ত সবৰ

শিক্ষা আৰু স্বভাব বিৰুদ্ধ) যেনে 'ঢেণ্ঢন পাএৰ গীত বিৰলেঁ বুঝই (চৰ্যা ৩৩)," "কোড়ি মঝেঁ একু হিঅহিঁ সমাইউ" (কৌটিৰ এজনৰ হে হৃদযত সোমাব - চৰ্যা নং -২)

আন তন্ত্ৰক হেয কৰিবলৈ লিখা চৰ্যাত শব্দ চযনো সদায ৰৰ শালীন নহয। বেনামী চৰ্যা নং ২৮ ত অনুত্তৰ তন্ত্ৰৰ সাধকক বেশ্যাগামী আৰু সাধনা সঙ্গিনীক দ্বিচাৰিণী বা বেশ্যা বুলি গাইছে (" সবৰো ভুজঙ্গ নইৰামণি দাৰী")। চৰ্যা ন‌ং ৩৯ত সৰহপাদে ৰচিছে " খাইব মই দুঠ কুণ্ডুৰাঁ।। সৰহ ভণন্তি ৰৰ সূণ গোহালী কি মো দুঠ্য বলংদেঁ (মোৰ অণ্ড দুটা ধ্বংস কৰিম, মোৰ অবাধ্য লিঙ্গতকৈ শূন্য গোহালীযে ভাল।) অথবা চৰ্যা নং ৩৭ তাডকপাদে গীত ৰচিছে " বাণ্ড কুৰণ্ড সন্তাৰে জাণী। বাক্‌পথাতীত কাঁহি বখাণী।।" (লিঙ্গ অণ্ডকোষৰ সাঁতোৰৰ অভিজ্ঞতা লোৱা, ইযাক কথাৰে প্ৰশংসা কৰিব নোৱাৰি')। এনে প্ৰযোগৰ ক্ষেত্ৰত গীত ৰচকে যৌনতাক হীন বা নীচ ভাবে চিত্ৰিত কৰিছে, যেনে, কুণ্ড + 'ৰা' যোগে তাক ক্ষুদ্ৰ কৰিছে। অথবা যৌন অভিজ্ঞতাক তাডকপাদে " গলপাস" বা সাধকৰ গলৰ ফাঁচ বুলি বৰ্ণনা কৰিছে। এইটো সচাঁ যে তেনে শব্দ সেইকালৰ শালীন সাহিত্যত পোৱা নাযায। স্পষ্ট প্ৰতীযমান যে চৰ্যাৰ দুটা দিশ সৃষ্টি হৈছিল, এটা উচ্চ মাৰ্গ দাৰ্শনিক সত্যপূৰ্ণ আৰু আনটো বিভিন্ন তন্ত্ৰৰ অৰিযা অৰি আৰু শ্ৰোতা সকলৰ আনন্দদানাৰ্থে অৱসৰ বিনোদনৰ গীত ৰূপে। পিছৰ যুগৰ বঙালী ভাষাৰ " তৰ্জা" গীত যদি এনে অধঃপতিত চৰ্যা গীতৰ পৰাই আৰম্ভ হৈছিল তাত আচৰিত হ'বলগীযা একো নাই।

চৰ্যাগীত সমূহৰ চৰিত্ৰ নিৰ্দ্ধাৰণৰ আন এটা ডাঙৰ অসুবিধা হ'ল, বৌদ্ধ তন্ত্ৰৰ শাস্ত্ৰৰ হিন্দুতন্ত্ৰৰ দৰে কটকটীযা ভাবে লিখিত পৰম্পৰা নাছিল। চৰ্যাগীত ৰচনাত ৰচকৰ নাম সন্নিবিষ্ট হ'লেও সি মূলত আছিল নে পিচত যোগ কৰা হৈছে কোনেও স্থিৰ ভাবে কব নোৱাৰে। কাহ্ন, কাহ্নু, কাহ্নি, কাহ্নিলা, কাহ্নিল আটাইকেইজনেই কৃষ্ণাপাদাচাৰ্য্য আছিল নে? "কৃষ্ণাপাদাচাৰ্য্যই কেতিযাবা যোগাচাৰ সমৰ্থন কৰি চৰ্যা ৰচিছে, অনুত্তৰ তন্ত্ৰক গুৱাল-গালি পাৰিছে, আকৌ একে কৃষ্ণাপাদাচাৰ্য্যই অনুত্তৰ তন্ত্ৰক বখানি গীত ৰচিছে? দেখ দেখ কথা আটাইকেইজন "কৃষ্ণাপাদাচাৰ্য্য" একেজন কাহ্নু, কাহ্নিলা, কাহ্নিল হ'ব নোৱাৰে। সুকুমাৰ সেনৰ মতে (চৰ্যাগীতি পদাবলী পৃঃ ২৪) অন্ততঃ দুইগৰাকী কাহ্নু আছিল। চৰ্যাগীত ৰচক বৌদ্ধ সন্ত প্ৰায সকলোৰে একাধিক নাম আছিল, তাৰে কোনোবাটো নিজে ভিক্ষু হোৱাৰ সমযত লোৱা, কোনোবাটো তেখেতে ৰাইজৰ পৰা পোৱা। সাধনা পদ্ধতিৰ ওপৰত ভিত্তি কৰিও নাম ৰাখিছিল। বঙ্গদেশৰ

পণ্ডিত সকলে লুই পাৰ পিতৃ দত্ত নাম "ৰোহিত" (মৎস্যেন্দ্ৰ বা মীননাথৰ লগত ভুল কৰিছে?) বুলি ভাবে (সু সে পৃ ২১)। তাকে আকৌ পিচত " ৰুইদাস" কৰিছে। পৰাশ্মিত ভাজৰিকাই কয (চৰ্য্যাপদ পৃ. ৬৩) লুইপাদ লৌহিত্যপাদ, অৰ্থাং লৌহিত্যপাদ অঞ্চলৰ ব্যক্তি। একে যুক্তিতে " জালন্ধৰি - পা" (চৰ্যা নং - ৩৬) জলন্ধৰ অঞ্চলৰ হ'ব। বাস্তবতে " জলন্ধৰ বন্ধ" প্ৰাণাযামৰ কালৰ এটা দেহ ভঙ্গি। সেই ভঙ্গিমাতে তেখেতে সৰ্বাধিক কাল প্ৰাণাযাম কৰিছিল বা শিক্ষা দিছিল বাবে জালন্ধৰি নামেৰে প্ৰখ্যাত হৈছিল। 'ডোম্বীপাদও' কেৱল উপনাম হ'ব পাৰে।'ডোম্বি'বাযুক প্ৰাধান্য দিযা সাধক ডোম্বীপাদ হোৱাটো স্বাভাৱিক।

যেতিযা এজন চৰ্যা ৰচকক সঠিকভাৱে চিহ্নিত কৰিব পৰা যায তেতিযাও সমস্যাৰ অন্ত নহয। যেনে ভুসুকু পাদে চৰ্যা নং ৬ সম্পূৰ্ণ অনুত্তৰ তন্ত্ৰক সমৰ্থন কৰি গীত লিখিছে বুলি ধৰি ললেহে এই চৰ্যাৰ অৰ্থ বুজিব পাৰি। যৌনাচাৰৰ সাধনা সঙ্গিনীক'হৰিণী'বুলি কল্পনা কৰিলেহে বোধগম্য হয গীত ৰচকে কি কব খুজিছে। আনহাতে চৰ্যা, ৪৩, ৪৯ ৰ পৰা দেখা যায ভুসুকু যোগাচাৰী শূণ্যতাবাদী আছিল, তেনেহলে সঙ্গিনী কৰ পৰা আহিল ? চৰ্যা ৪৯ ৰ পৰাই স্পষ্ট হয ভুসুকু পাদে অনুত্তৰ তন্ত্ৰৰ অদ্বৈত প্ৰজ্ঞা + কৰুণা পৰীক্ষা কৰি যোগাচাৰ তন্ত্ৰলৈ পুনৰ ফিৰি আহিল। একে সমস্যাৰ উদ্ভৱ হয চৰ্যা ২০ ত য'ত কুক্কুৰীপাদে লিখিছে তেখেতে একাধিক গুৰু আৰু একাধিক তন্ত্ৰপথ অনুসৰণ কৰি নিৰাশ হৈ (বিশেষকৈ মাতৃতন্ত্ৰ, "ফেটলিউ গো মা এ অন্তউডি চাহি। জোএথু চাহাম সো এথু নাহি — মাতৃৰ জৰাযুলৈও চালো, যি মই বিচাৰিছো সি এইটো নহয) যোগাচাৰৰ পিতৃ তন্ত্ৰকে আকোৱালি ললে। তেনে ক্ষেত্ৰত কুক্কুৰীপাদে জীৱনৰ এটা কালত অদ্বৈত (অনুত্তৰ) আৰু আন এটা কালত পিতৃতন্ত্ৰ যোগাচাৰ সমৰ্থনত চৰ্যাগীত ৰচিব পাৰে।

চৰ্যাগীতৰ দৰ্শনৰ ঐতিহাসিক বিশ্লেষণেও বিশেষ সুফল নিদিয়ে। কাৰণ সিদ্ধাৰ্থ গৌতম প্ৰচাৰিত বৌদ্ধ ধৰ্ম্ম বুদ্ধৰ জীৱন কালতে একাধিক শাখাত ভাগ হ'ব ধৰিছিলে তথাপি তাক টানি-মানি জোৰা লগাই থোৱা হৈছিল যদিও বুদ্ধৰ মৃত্যুৰ এশ বছৰৰ ভিতৰতে স্থবিৰবাদী আৰু মহাসংঘিকা দুটা সুঁতিৰ সৃষ্টি হ'ল। মাধ্যমিকা দৰ্শন শক্তিশালী হোৱাৰ পৰাই খ্ৰীষ্টাব্দ দ্বিতীয় শতিকাত মহাযান পন্থা ভাৰতবৰ্ষত আটাইতকৈ শক্তিশালী বৌদ্ধ মতত পৰিণত হ'ল। মহাযান পন্থাৰ এটা শাখা হ'ল মন্ত্ৰযান — যিয়ে জপ, তপ আৰু মন্ত্ৰ পঠনৰ ওপৰত সৰ্ব্বাধিক গুৰুত্ব দিযে।

'মন্ত্ৰযানৰ যিটো উপশাখাই 'যৌনাচাৰ' সাধনাৰ অঙ্গ ৰূপে গ্ৰহণ কৰিলে তেখেত সকলেই যৌনাচাৰী তান্ত্ৰিক " সহজীয়া" বজ্ৰযানী বৌদ্ধ তান্ত্ৰিক আৰু চৰ্যাগীত সমূহৰ ৰচক।' এযেই সাধাৰণতে বিশ্ববিদ্যালয়, মহাবিদ্যালযৰ অধ্যাপক ভাষাবিদ "চৰ্যা পণ্ডিত" সকলৰ সমূহীয়া মত, আৰু ই সম্পূৰ্ণ ভ্ৰান্ত। বাস্তৱতে সহজীয়া বোলা কোনো বৌদ্ধ তন্ত্ৰ কোনো কালেই নাছিল— "সহজীয়া বৈষ্ণৱ" আছে আৰু আছিল।

বুদ্ধৰ মৃত্যুৰ কালৰ পৰা মহাযান পন্থা উত্তৱৰ মাজত এই দুৰ শ বছৰ কালত ওঠৰটা স্বীকৃত বৌদ্ধ উপমতৰ সৃষ্টি হৈছিল। মহাসংঘিকাৰ আকৌ উপশাখা উত্তৰপথী, বজ্ৰীয, বেতুল্য, হেতুবাদীন আৰু বহুতো। উত্তৰপথী সকলে তথতা (Reality) শব্দ ব্যৱহাৰ কৰে। বেতুল্য সকলৰ মহাশূন্যতা বাদ আৰু 'কৰুণা ভিত্তিক যৌনাচাৰ' অনুমতি প্ৰাপ্ত আছিল (2500 yrs of Buddhism p 119 Govt of India Pub)। যোগাচাৰ তন্ত্ৰৰ "আলয় বিজ্ঞান" মহাসংঘিকা উপশাখাই খ্ৰীঃ পুঃ তৃতীয শতিকাতে কল্পনা কৰিছিল। "পুদ্‌গল আত্মা" সমিতীয়া সকলৰ দৰ্শনৰ অংশ। প্ৰাণাযামৰ দ্বাৰা মনক স্থিৰ কৰিব পাৰি আৰু "সমাধিযে আধ্যাত্মিক সাধনাৰ লক্ষ্য", ই ভাৰতবৰ্ষত বৌদ্ধপূৰ্ব্ব সাধনা পথ। ইয়াক স্থবিৰবাদী, মহাসংঘিকা আটাযে গ্ৰহণ কৰিছে। খ্ৰীষ্টাব্দ সপ্তম-অষ্টম শতিকাত 'ক্ৰিয়া তন্ত্ৰৰ' অংশৰূপে আকৌ প্ৰাণাযামে প্ৰাধান্য পালে। লুই পা সম্পূৰ্ণ ক্ৰিযাতন্ত্ৰী, আনহাতে তিৰোপা নৰোপা, আৰ্য্যদেৱ আদি সিদ্ধই মহাশূণ্য আৰু যৌনাচাৰ দুয়োটাই সমৰ্থন কৰিছিল।

মোটৰ ওপৰত বৌদ্ধ দৰ্শন দোলকৰ দৰে দুটা প্ৰান্ত বিন্দুৰ মাজত গমনাগমন কৰি থাকে আৰু পণ্ডিত সকলে যিটো বিন্দুতে গোলকটো দেখে তাকেই স্থিৰবিন্দু ধৰিলৈ নিজৰ তত্ত্ব গধুৰ প্ৰবন্ধ লিখে। চৰ্যাগীতৰ বিশ্লেষণ তাৰ ব্যতিক্ৰম নহয।

❖❖❖

আধুনিক অসমীযা ভাষা লিখন পদ্ধতি অনুযাযী 'চৰ্য্যাগীত' লিখা উচিত। বৰ্তমান গ্ৰন্থত "চৰ্যাগীত" লিখাৰ কাৰণ, এই গীত সমূহক চৰ্য্যাতন্ত্ৰৰ ধৰণী আৰু জপমন্ত্ৰৰ পৰা পৃথক সূচাবলৈ। —লিখক

অধ্যায় দ্বিতীয

চৰ্যাগীতৰ বৌদ্ধ তাত্ত্বিক অৰ্থ আৰু "সন্ধ্যা ভাষা"

'চৰ্যাগীতৰ' বুলি আমি কেৱল হৰপ্ৰসাদ শাস্ত্ৰী দ্বাৰা নেপালৰ ৰাজকীয গ্ৰন্থাগাৰত আৱিষ্কৃত চৰ্যা সঙ্কলনক হে সাঙুৰিছো। প্ৰথম অধ্যাযতে কোৱা হৈছে, বৌদ্ধ চৰ্যাগীত সমূহৰ স্থিৰ, নিৰ্দ্দিষ্ট, ধ্ৰুপদী কোনো সংজ্ঞা নাছিল আৰু যি কোনো বৌদ্ধ ধৰ্ম্মীয উপদেশ বা অনুশাসনমূলক গীতকে মাৰ্গ সঙ্গীতৰ ৰূপত চৰ্যাগীত বুলি সাঙুৰি লোৱা হৈছিল। হৰপ্ৰসাদ শাস্ত্ৰী আৱিষ্কৃত চৰ্যা সংগ্ৰহৰ যোবা প্ৰায এশ বছৰেই (১৯০৭ ৰ পৰা) তাত্ত্বিক অৰ্থ উদ্ধাৰৰ বাবে বহু পণ্ডিতে যৎপৰোনাস্তি চেষ্টা কৰি হতাশাত হাত তুলি লৈছে। পণ্ডিত সুকুমাৰ সেনে তেখেতৰ গ্ৰন্থ চৰ্যাগীতি পদাবলীৰ "নিবেদনত" লিখিছে " যাঁহাৰা বৰাবৰ বলিযাছেন- গুৰু বোবা শিষ্য কালা, তাঁহাদেৰ গোপন কথাৰ নিগূঢ় ইঙ্গিত বুঝাইয়া দিবাৰ মতো অধ্যাত্মবোধ অথবা দিব্যদৃষ্টি কোথায পাইব। সুতৰাং আপন মনেৰ কুযাসা ও চোখেৰ ঘোৰ দিযা পৰেৰ চক্ষুদান কৰিতে যাই নাই। এ বিষযে অক্ষমতা স্বীকাৰ কৰিলাম।"

তাৰ বিপৰীতে পণ্ডিত যোগীৰাজ বসুৰে, ড' পৰীক্ষিত হাজৰিকাৰ 'চৰ্য্যাপদ' গ্ৰন্থৰ পাতনিত লিখিছে " চৰ্য্যাৰ তত্ত্ব বুজিবলৈ মই এজন "তীবৃতী" তান্ত্ৰিক গুৰুৰ শৰণ লৈছিলোঁ আৰু তেওঁৰ ওচৰত বহু ধৰ্ম্মতত্ত্ব শুনাৰ পাচত চৰ্য্যাৰ বহুতো দুৰ্বোধ্য তত্ত্ব - কথা পানীৰ দৰে সহজভাৱে বুজিব পাৰিলোঁ।" অত্যন্ত দুখৰ কথা, স্বৰ্গীয বসু ডাঙৰীযাই "তীবৃতী" গুৰুৰ পৰা পানীৰ দৰে সহজভাৱে কি বুজিলে তাক আৰু তৃতীয ব্যক্তিক নজনালে।

আমাৰ পঢাৰ মেজত প্ৰায একুৰিখন ভিন্ন ভিন্ন বঙালী, অসমীযা আৰু হিন্দী ভাষাত লিখিত চৰ্যাগীত সম্বন্ধীয পুথিযে ঠাই পাইছিল আৰু সেই একুৰিখন পুথিয়ে আদি ভাষ্যকাৰ মুনিদত্তৰ চৰ্যাগীতিকোষৰ সংস্কৃত ভাষ্যৰে উনৈশ-বিশ অনুবাদ। চৰ্যাগীত সংগ্ৰহৰ তিবৃতী অনুবাদ আৰু তাৰ পৰা ড° প্ৰবোধ চন্দ্ৰ বাগচীৰ অনুবাদে দৰ্শায (Matenals for a Cntucal Edition of the Old Bengalı Carya pada - Jorn of Dept letters Vol XXX Cal Unıv 1938 চৰ্যাগীতি কোষ- প্ৰবোধ বাগচী, শান্তি ভিক্ষু শাস্ত্ৰী, বিশ্ব ভাৰতী) যে তিবৃতী অনুবাদো মুনিদত্তৰ ভাষ্যৰ ওপৰত প্ৰতিষ্ঠিত।

বৰ্ত্তমান চৰ্যাগীত সংগ্ৰহৰ বৌদ্ধ তাত্বিক অৰ্থ অনুধাৱনৰ তিনিটা প্ৰধান প্ৰতিবন্ধক হ'ল ঃ

১) চৰ্যাগীতিকোষৰ লগতে মুনিদত্ত লিখিত সংস্কৃত ভাষাত তাৰ ভাষ্যৰ আৱিষ্কাৰ।

২) চৰ্যাগীতৰ ভাষা " হাজাৰ বছৰৰে পুৰাণ বাঙ্গালা ভাষা", " আদি হিন্দুস্থানী" বা "প্ৰাচীন কামৰূপী" ৰূপে প্ৰতিষ্ঠা কৰাৰ মাত্ৰাতিৰিক্ত অশোভন প্ৰচেষ্টা।

৩) চৰ্যাগীত সংগ্ৰহ বঙালী আৰু অসমীয়া ভাষা শিক্ষাৰ পাঠ্যপুথিৰ অন্তৰ্গত কৰাৰ ফল স্বৰূপে চৰ্যাগীত অধ্যয়ন এচাম পণ্ডিতৰ দ্বাৰা অৰ্থকৰী বিদ্যাৰূপে গণ্য কৰণ, যাৰ ফল স্বৰূপে চৰ্যাগীত সম্বন্ধে লিখা অধিকাংশ অৰ্বাচীন গ্ৰন্থই চৰ্বিত চৰ্বণৰ বাদে একো নহয়।

মুনিদত্তৰ ভাষ্য আৰু চৰ্যাগীতি কোষ ঃ

হৰপ্ৰসাদ শাস্ত্ৰী মহোদয় আৱিষ্কৃত চৰ্যা সংগ্ৰহৰ লগতেই মুনিদত্তৰ সংস্কৃত ভাষ্য খন পোৱা যায়। একেজন প্ৰতিলিপিকাৰে দুখন গ্ৰন্থ সংগ্ৰহ কৰি এখন কৰি লিখে। মূল চৰ্যাতকৈ ভাষ্যক অধিক গুৰুত্ব দিয়াৰ কথা সুকুমাৰ সেনে উল্লেখ কৰিছে ' লিপিকৰ একাদশ চৰ্যাৰ পৰে "সূনেত্যাদি চৰ্যাযা ব্যাখ্যা নাস্তি" লিখিতেন না। (টীকাৰ পুথিতে টীকা পান নাই বলিযাই লিপিকৰ মূলও উদ্ধৃত কৰেন নাই)।" — চৰ্যাগীতি পদাৱলী - পৃ. ১৫।

মূল পাঠতকৈ মুনিদত্তৰ ভাষ্যক অধিক গুৰুত্ব কেৱল লিপিকৰেই দিয়া নাই— যোৱা এশ বছৰ ভাৰতৰ বহু বিদগ্ধ পণ্ডিতে দিছিলে আৰু দি আছে। মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰী, মহাপণ্ডিত ৰাহুল সাংকৃত্যায়ন, পণ্ডিত সুনীতি কুমাৰ চট্টোপাধ্যায, সুকুমাৰ সেন আদি পণ্ডিত সকলৰ বাবে সংস্কৃত ভাষা মাতৃ ভাষাৰ দৰেই সুবোধ্য অতএব তেখেত সকলে দুৰ্বোধ্য চৰ্যা গীত অধ্যয়নৰ পূৰ্বে মুনিদত্ত কৃত ভাষ্য অধ্যয়ন কৰে, আৰু তাৰ ফলত চকুৰ ওপৰত যি আৱৰণ পৰিলে তাক আৰু ওচাব নোৱাৰিলে।

সৌম্যেন্দ্ৰ নাথ সৰকাৰ, জাহ্নৱী চক্ৰৱৰ্তী, শশিভূষণ দাসগুপ্ত, মনীন্দ্ৰ মোহন বসু আদি দ্বিতীয় চামৰ পণ্ডিতে গড্ডলিকা প্ৰবাহ ন্যায় মুনিদত্তৰ "পাণ্ডিত্যৰ" সাগৰত পৰি আৰু উঠিব নোৱাৰিলে।

চৰ্যাগীত সমূহৰ ভাষা, যি পূৰ্ব্বপ্ৰাকৃত আৰু অপভ্ৰংশৰ সংমিশ্ৰণ যিমান কঠিন আৰু প্ৰহেলিকাময়, আমাৰ দৰে অভাজনৰ বাবে সংস্কৃত ভাষাও সিমানেই কঠিন আৰু প্ৰহেলিকাময়। স্বাভাৱিকতে আমাৰ দ্বাৰা মুনিদত্তৰ ভাষ্য সযত্নে পৰিহাৰ কৰি পোনে পোনে মূলৰ অৰ্থ উদ্ধাৰ কৰিবলৈ চেষ্টা কৰা হ'ল। বৰ্ত্তমান লিখকৰ দ্বাৰা যি অৰ্থ বুজা হৈছে তাক লিখি উলিওৱাৰ পিচত সুকুমাৰ সেন পৰীক্ষিত হাজৰিকা আৰু সৌম্যেন্দ্ৰ সৰকাৰৰ দ্বাৰা কৃত অৰ্থৰ লগত ৰিজাই মূৰে-কপালে হাত দি বহিব লগা হ'ল। তাৰ পিচত এখন এখনকৈ আন গ্ৰন্থকাৰৰ চৰ্যাগীত ভাষ্য পঢ়ি বুজা গ'ল সকলো লিখকে সজ্ঞানে মুনিদত্তৰ ভাষ্য অনুকৰণ কৰিছে, অৰ্থ বুজিবৰ নিজস্ব প্ৰচেষ্টা নাই। সৌম্যেন্দ্ৰ সৰকাৰে (চৰ্যাগীতি কোষ - পৃঃ ২৩) ইমানলৈ লিখিছে ' মুনিদত্তেৰ টীকা এক্ষেত্ৰে কেবল মাত্ৰ অবশ্য প্ৰযোজনীযই নয, অন্ধেৰ যষ্ঠিৰ মত একমাত্ৰ অবলম্বন বটে।"

পূৰ্ব্বভাৰতৰ বিদগ্ধ আগ শাৰীৰ ভাষাবিদ আৰু বৌদ্ধ দৰ্শনৰ পণ্ডিত সকলে এবাৰো গমি নাচালে চৰ্যাগীতৰ দৰে জটিল পদাবলীৰ টীকা ভাষ্য লিখাৰ ভাষাগত আৰু বৌদ্ধতন্ত্ৰ দৰ্শন সম্বন্ধীয অৰ্হতা মুনিদত্তৰ আছিল নে নাই। মুনিদত্তই যতেই কোনো শব্দ বা বাক্য বুজিব পৰা নাই, টীকা - ভাষ্যত হয বাক্যটো এৰাই গৈছে (avoid), অথবা নিজৰ জ্ঞানৰ টোপোলাৰ চিৰাল ফাট ঢাকিবলৈ " সন্ধ্যা ভাষাৰ" টাপলি মাৰি গৈছে। সংস্কৃত ভাষাত লিখিত গ্ৰন্থৰ প্ৰতি থকা অন্ধ আনুগত্যই বহু ভাৰতীয পণ্ডিতক নিজৰ জ্ঞান চক্ষু মেলিবলৈ নিদিযে। হৰপ্ৰসাদ শাস্ত্ৰীযে "দুলি" (চৰ্যা নং ২) শব্দৰ প্ৰকৃত অৰ্থ অবগত হৈও - মুনিদত্তৰ " কুক্কুৰীপাদাঃ সন্ধ্যাভাষযা প্ৰকটযিতুমাহঃ। দুলীত্যাদি। দ্বযাকাৰং যস্মিন লীনং গতং মহাসুখকমলং। দুলি সন্ধ্যাসঙ্কেতে বোদ্ধব্যং। কূৰ্ম্মমুদ্ৰাপ্ৰসঙ্গাৎ আনন্দাদিক্ৰম দ্বাৰেণ তস্য দোহনং সংবৃত্তিবোধিচিত্তং তৎ অবধূতীমা " স্বীকাৰ কৰি লৈছে। শাস্ত্ৰীযে নিজে কিন্তু আন ঠাইত লিখিছে " বৌদ্ধদেৰ তিনটি ৰত্ন ছিল, তিনিটিই উপাসনাৰ বস্তু - বুদ্ধ, ধৰ্ম, সঙ্ঘ। বুদ্ধ বলিতে উপাসনা বুঝাইত **ধৰ্ম বলিতে গ্ৰন্থাৱলী বুঝাইত।** কোন কোন সম্প্ৰদায় বুদ্ধকে প্ৰথম স্থান না দিযা ধৰ্মকেই প্ৰথম স্থান দিতেন। ক্ৰমে **ধৰ্ম বলিতে স্তূপ বুঝাইত।** পাচটি কুলুঙ্গিওযালা **স্তূপ দেখিতে ঠিক কচ্ছপেৰ মত হইল স্তূপ, ধৰ্ম, কচ্ছপাকৃতি** তিনই এক হইযা গেল।" ('বৌদ্ধ ধৰ্ম এখনও একটু আছে' - হৰপ্ৰসাদ শাস্ত্ৰী - প্ৰবাসী ফাল্গুন ১৩২২ , উদ্ধৃতি - হিন্দুদেৰ দেবদেবী - তৃতীয পৰ্ব - হংসনাৰাযন ভট্টাচাৰ্য্য - কে, এল, এম কলিকতা- তৃতীয পৰ্ব পৃঃ ৩৯৯)। হৰপ্ৰসাদ শাস্ত্ৰী আৰু এহাজাৰ বছৰ পিচুৱাই যোৱা হ'লে দেখিলে হেতেন — গৌতম

সিদ্ধাৰ্থৰ মৃত্যুৰ দুশ বছৰৰ ভিতৰতে মহাসংঘিকাৰ উপশাখা - চৈত্যকা গোষ্ঠীয়ে চৈত্য বা ধৰ্ম্ম স্তূপৰ ওপৰত অত্যধিক গুৰুত্ব দিয়ে। চৈত্য বা স্তূপ বন্ধাৰ সময়ত বৌদ্ধ পবিত্ৰ বস্তু (relic) আৰু মন্ত্ৰ চৈত্যৰ ভেটিত গাঠি দিয়াটো প্ৰথা আছিল, সেয়েহে চৈত্য, ধৰ্ম্ম গ্ৰন্থৰ প্ৰতীক হ'ল (2500 Yrs of Buddhism - P 117 - 18) । তিব্বতী সকলে সিমান আওপাকে নাযাই - Tortoise – Great Universal tortoise of fierce manifestation of Manjusri (Thanka published Tibetan Medical and Astro Institute - Dharam Sala India) । বোধিসত্ব মঞ্জুশ্ৰী আকৌ তিব্বতীয় বৌদ্ধ দেৱলোকৰ মাজত Manjusri – the Bodhisattva of wisdom (Words of My perfect Teacher - Patrul Rinpoche - 1994 Vistaar Publication New Delhi)। কুক্কুৰীপাদৰ (চৰ্যা নং ২) " দুলি দুহি পিটা ধৰণ নজাই" বাক্যত " দুলি" শব্দই মাইকী দুৰা, বঙালী ভাষাত মাদী কাছিম (সু সে পৃঃ ১২৬) বাস্তবতে চৈত্য, স্তূপ আৰু তাৰ যোগেৰে বৌদ্ধ ধৰ্ম্ম শাস্ত্ৰ বুজাইছে সেয়া আজি এশ বছৰে কাৰো মূৰত নেখেলালে। কাৰণ ? কাৰণ - মুনি দত্তই কৈছে 'দুলি' সাঙ্কেতিক শব্দ তাৰ অৰ্থ মহাসুখ কমল। "অনভিজ্ঞ যোগীয়ে ইয়াৰ তত্ত্ব বুজিব নোৱাৰে, কিন্তু কুম্ভকযোগ অভ্যাসীয়ে বুজিব পাৰে"। এই মন্তব্য পৰীক্ষিত হাজৰিকাৰ (চৰ্য্যাপদ- পৃঃ ১৯৩)। "দুলি" শব্দৰ লগত মহাসুখ কমল আৰু কুম্ভকযোগৰ যে কোনো সম্বন্ধ নাই সেই বিষয়ে মন্তব্য নিষ্প্ৰয়োজন। একেটি চৰ্যাৰে দ্বিতীয় শাৰী বাক্যৰ "ৰুখেৰ তেন্তলি কুম্ভীৰে খাঅ', "কুম্ভীৰ" আৰু "তেন্তলি" শব্দই মুনিদত্তক বিমোৰত পেলালে। " ৰুখেৰ তেন্তলি" - "কায়বৃক্ষস্য ফলং" হ'ল। "কুম্ভীৰমিতি" বুলি আৰম্ভ কৰি "কুম্ভকসমাধিনা স্বানুভবক্ৰমেণ চ তস্য ভক্ষণং নিস্বভাৱীকৰণং কুৰ্ব্বন্তি" লিখি " কুম্ভীৰ" শব্দ তাতেই এৰিলে। অৰ্থাৎ, "কুম্ভীৰ" শব্দই গীতত কি বুজাইছে মুনিদত্তৰ বিন্দুমাত্ৰ ধাৰণা নাছিল।

আমি অপণ্ডিত সকলে জানো কুম্ভীৰৰ আন এটি নাম মকৰ। 'মকৰ কেতন' মদনৰ নাম, যাৰ আধিপত্য যৌন স্পৃহাৰ ওপৰত। হিন্দুতন্ত্ৰৰ প্ৰাথমিক জ্ঞান থকা লোক সকলেও জানে মূলাধাৰ চক্ৰ যি মানৱ পুৰুষ লিঙ্গ মূলত অৱস্থিত বুলি কল্পিত, সি বৰুণৰ স্থান। বৰুণৰ বাহন মকৰ বা কুম্ভীৰ। লিঙ্গ- মূল পুৰুষৰ যৌন স্পৃহাৰ উৎপত্তি স্থল বুলি হিন্দু তন্ত্ৰই ধৰি লয়, অতএব তাৰ স্থায়ী নিবাসী কুম্ভীৰে পুৰুষৰ যৌন স্পৃহাৰ প্ৰতিনিধিত্ব কৰে। তেন্তলি = তেতেলি = তিন্তিড়ী। তিন্তিড়ী বীজ হ'ল যোগিনী তন্ত্ৰ বৰ্ণিত মায়াবীজ যাক জপমন্ত্ৰৰ মালা গুঠোতে ব্যৱহাৰ হয় (পিচত সবিস্তাৰ টীকা, চৰ্যা নং ২

ৰ লগত দিয়া আছে)। " ৰুখেৰ তেন্তুলি কুম্ভীৰে খাঅ" ৰ অৰ্থ - 'বীজ মন্ত্ৰ জপৰ সুফল যৌন স্পৃহাই ধ্বংস কৰে।" ইয়াত কুম্ভক সমাধিৰ দ্বাৰা বুজিব লগা একো নাই।

সন্ধ্যা ভাষা বা সন্ধি ভাষা ঃ

চৰ্যাগীত সংগ্ৰহৰ আদি ভাষ্যকাৰ মুনিদত্তই যতেই অৰ্থ উদ্ধাৰ কৰিব পৰা নাই 'সন্ধ্যা ভাষাৰ' আশ্ৰয় লৈছে আৰু তাক 'সন্ধ্যা, সন্ধ্যাভাষ, সন্ধাভাষ, সন্ধ্যাবচন অথবা সন্ধ্যা সংঙ্কেত বুলি উল্লেখ কৰিছে। মহামহোপাধ্যায হৰপ্ৰসাদ শাস্ত্ৰীযে লিখিছে — " সন্ধ্যা ভাষা মানে আলো আঁধাৰি ভাষা কতক আলো, কতক অন্ধকাৰ, খানিক বুঝা যায, খানিক বুঝা যায না।" তাৰ লগতে নিষ্প্ৰযোজন ভাবে যোগ কৰি দিছে, " সহজিযা ধৰ্মেৰ সকল বইই সন্ধ্যা লেখা। সুকুমাৰ সেনে (চৰ্যাগীতি পদাৱলী পৃ ৩৩) কয " যে ভাষায বা যে শব্দে অভীষ্ট অৰ্থ অনুধ্যান কৰিযা অৰ্থাৎ মৰ্মজ্ঞ হইযা বুঝিতে হয (সম্ + ধ্যৈ), অথবা যে ভাষায বা শব্দে অৰ্থ বিশেষভাবে নিহিত (সম্ + ধা) তাহাই "সন্ধ্যা" (অথবা 'সন্ধা') ভাষা।" সুকুমাৰ সেনৰ এই সংজ্ঞা গ্ৰহণ কৰিলে "সিংহবাহিনী" বুলিলে চাৰ্কাচৰ সিংহত উঠি খেল দেখুওৱা ছোৱালী জনীক নুবুজি সিংহবাহিনী দেৱী দুৰ্গাক বুজিবলৈও সন্ধ্যা ভাষাৰ জ্ঞানৰ প্ৰযোজন হ'ব আৰু ব্যাকৰণৰ পৰা 'বহুব্ৰীহি' লোপ পাব।

সৌম্যেন্দ্ৰ সৰকাৰে নিজ গ্ৰন্থ চৰ্যাগীতি কোষত বিস্তাৰিত ভাবে সন্ধ্যাভাষা আলোচনা কৰিছে। জাহ্নবী চক্ৰবৰ্ত্তী মহোদযে ঘাইকৈ "হেবজ্ৰ তন্ত্ৰৰ" আলম লৈ লিখিছে, "সন্ধ্যাভাষং মহৎ ভাষং সময সঙ্কেতে বিস্তৰম"। চক্ৰবৰ্ত্তী মহোদযে সময সঙ্কেত বুলোতে মহাযান "প্ৰাচীন ধৰ্ম" বুজিছে। বৌদ্ধ তন্ত্ৰমতে, সময = Pledge, pure, intrinsic nature of speech , and it teaches all the sublime doctrines constituting the meaning of the language deities" (p 229 F D Lessing & W Wayman Introduction to the Buddhist Tantric System) । সঙ্কেত = a hint, a sign, clue। তেনে ক্ষেত্ৰত সময সঙ্কেতৰ অৰ্থ হয— ইঙ্গিত যুক্ত প্ৰতিশ্ৰুতি, যি ইষ্ট দেৱতাৰ আগত কোৱা যায। "সমযীন" হ'ল যি সাধকে এনে সঙ্কল্প প্ৰকাশ কৰে।

'সন্ধিভাষা' যাৰ স্পষ্ট উল্লেখ আছে ভব্যকীৰ্তি ৰচিত প্ৰদীপোদ্যটন ব্যাখ্যা টীকা গ্ৰন্থত (এই গ্ৰন্থ Lessing আৰু Wayman (ibid p 345) ৰ মতে

আৰ্য্যদেব লিখিত) সন্ধিযাৰ ভাষা (twilight) অৰ্থত ব্যৱহৃত, যি ভাষা অস্পষ্ট আৰু নিহিত, গুপ্ত অৰ্থ কেৱল ' ৰত্ন সদৃশ ব্যক্তিৰ" হে জ্ঞাত।

বৌদ্ধ তন্ত্র শাস্ত্ৰৰ ৰচনাৰ ভাষা সম্বন্ধে বিস্তাৰিত বৰ্ণনা দি ভব্যকীৰ্তি (আৰ্য্যদেব) প্ৰদীপোদ্যোটন ব্যাখ্যা টীকা প্ৰস্তুত ছয় বিধ ভাষা— অৰ্থ ব্যৱহাৰ সিদ্ধ বুলি কৈছে।

Lessing & Wayman ৰ অনুবাদ (ibid p 219 foot note)

1 নীতাৰ্থ — evident meaning
2 নেয়াৰ্থ — hinted meaning
3 যথাৰুত -- standard terminology
4 ন যথাৰুত — coined terminology
5 সংধিভাষা — twilight language
6 ন সংধিভাষা — non-twilight language

Lessing আৰু Wayman ৰ মতানুসৰি "The evident meaning, standard terminology, and twilight language are expressed to the Jewel like person The other three alternatives are expressed to the other four types of persons "

বৰ্ত্তমান লিখকৰ অনুবাদ ঃ

1 নিত্যাৰ্থ — evertrue meaning
2 নৈয়াৰ্থ — purported meaning
3 যথাৰীত অৰ্থ — customary, meaning widely accepted meaning
4 ন যথাৰীত অৰ্থ — non customary but accepted,coined terminology, Jargon
5 সন্ধি ভাষা — synthetic language, code language
6 ন সন্ধি ভাষা — non-code language

শ্ৰীসমাজ বা গুহ্যসমাজ প্ৰৱেশাৰ্থী সমযীন ৰত্ন সদৃশ সাধকৰ আগত হে কেৱল নিত্যাৰ্থ, যথাৰীত আৰু সন্ধি ভাষাত জ্ঞান দিব, আন নিম্নতৰ শ্ৰেণীৰ আগত নৈযাৰ্থ, নযথাৰীত আৰু ন সন্ধি ভাষাত গুৰুৱে জ্ঞান দিব পাৰে। ইয়াত প্ৰশ্ন উঠিব ঃ ১) ৰত্ন সদৃশ ব্যক্তি কোন জন ? ২) নিম্নতৰ শ্ৰেণীৰ সাধক

কোন বিলাক ? ৩)নিত্যাৰ্থ, যথাৰীত আৰু সন্ধি ভাষা কিয় নিম্নতৰ শ্ৰেণীৰ সাধকক জনাব নোৱাৰি? ৪) আন তিনিটা ভাষাৰে কিয় নিম্নতৰ সাধকক জ্ঞান দিয়া উচিত?

আমাৰ সাধ্যমতে এই তিনিটা প্ৰশ্নৰ উত্তৰ দিবলৈ চেষ্টা কৰিম, নুবুজিলে আমাৰ নিজৰ অক্ষমতা বুলি স্বীকাৰ কৰিছোঁ।

প্ৰশ্ন ঃ ৩ ৰ উত্তৰ ঃ নিত্যাৰ্থৰ সাৰ, চিৰন্তন সত্য (eternal truth) বা বৌদ্ধ শাস্ত্ৰ মতে তথতা reality, ই শিষ্যই নিজে উপলব্ধি কৰিব লাগিব আৰু গুৰুৱে শেষ গূঢ় উপদেশ ৰূপে শিকাই যাব। যথাৰীত শব্দ প্ৰতিটো বৌদ্ধ উপশাখাৰ ভিন্ন ভিন্ন আৰু তন্ত্ৰ শাস্ত্ৰ বোৰত উপশাখা লৈ ভিন্ন ভিন্ন অৰ্থ বহন কৰিব। এনে শব্দৰ অৰ্থ জনাৰ (উপযুক্ত) কেৱল সেইটো শাখা বা উপশাখাৰ সৰ্বোচ্চ জ্ঞান প্ৰাপ্ত সাধকৰ বাবেহে অনুমোদিত। নিত্যাৰ্থ জ্ঞান মৌখিক ভাৱে দিয়া হয় (oral knowledge) । যথাৰীত জ্ঞান শাস্ত্ৰৰ সহায়তো দিব পাৰি। সন্ধি ভাষাৰ জ্ঞান গুপ্ত সঙ্কেত অনুসৰি দিয়া হয় কাৰণ "ইতৰ" লোকে ইয়াৰ কদৰ্থ কৰিব পাৰে। এনে শব্দৰ তালিকা হেবজ্ৰ তন্ত্ৰত যথেষ্ট পোৱা যায় আৰু তেনে শব্দ পিচৰ কালৰ গুৰু-শিষ্য সকলে নিজে নিজেও সৃষ্টি কৰি লৈছিল। জাহ্নবী চক্ৰবৰ্তী মহোদয়ে (চৰ্যাগীতিৰ ভূমিকা - পৃঃ ১৬২-১৬৩) হেবজ্ৰতন্ত্ৰৰ এনে সন্ধ্যা শব্দৰ তালিকা তুলি দিছে - সেই তালিকাৰ এটা শব্দও বৰ্ত্তমান চৰ্যাগীত সংগ্ৰহত ব্যৱহাৰ হোৱা নাই, পৃঃ ১৬৮ ৰ পৰা ১৭১ ত দিয়া চৰ্যাগীতৰ তথাকথিত "সন্ধ্যা" শব্দ মুনিদত্তৰ মতেহে " সন্ধ্যা শব্দ" প্ৰামাণিক বৌদ্ধ তান্ত্ৰিক গ্ৰন্থত সেইবোৰৰ 'সন্ধ্যা শব্দ' বুলি উল্লেখ নাই।

প্ৰশ্ন ৪ নিম্ন শ্ৰেণীৰ সাধক বা শ্ৰোতাক নৈযাৰ্থ, ন যথাৰীত অৰ্থ আৰু ন সন্ধি ভাষাত হে জ্ঞান দিব কৈছে। যিহেতু চৰ্যাগীত গূঢ় মন্ত্ৰ নহয়, বাহিজৰ আগত সুকলিভাৱে গোৱা গীত ইয়াত সন্ধি শব্দৰ বা ভাষাৰ প্ৰয়োগ অসিদ্ধ। চৰ্যাগীতৰ প্ৰহেলিকময় ভাষা ন যথাৰীত, ই সন্ধি ভাষা নহয়।

প্ৰশ্ন ১ আৰু ২ শ্ৰীসমাজ তন্ত্ৰ আৰু প্ৰদীপদ্যোটন টীকা ভাষ্যই বৌদ্ধ তন্ত্ৰৰ সাধক আৰু অনুগামী ব্যক্তিক পাচোটা শ্ৰেণীত ভাগ কৰিছে ঃ

1 ৰত্ন সদৃশ ব্যক্তি - পবিত্ৰাত্মা, পণ্ডিত, প্ৰজ্ঞাশীল , এক সমতাপূৰ্ণ

2 ৰক্তপদ্ম সদৃশ ব্যক্তি - বুদ্ধিমান, উচ্চাভিলাষী

3 শ্বেতপদ্ম সদৃশ ব্যক্তি - মধ্যম বুদ্ধি, অষ্টগৌণ সিদ্ধি অভিলাষী

4 চন্দন সদৃশ ব্যক্তি - মূৰ্খ

5 নীলপদ্ম সদৃশ ব্যক্তি - ইন্দ্ৰিয়পৰায়ণ, শীল সংযমহীন।

গুহ্যসমাজ তন্ত্ৰ গ্ৰন্থ, যি শ্ৰীসমাজ তন্ত্ৰৰে পৰিবৰ্দ্ধিত ৰূপ-ৰত্নসদৃশ ব্যক্তিৰ ব্যক্তিত্ব বহলাই আলোচনা কৰিছে। সন্ধি শব্দ আৰু ভাষা শুনাৰ যোগ্য ৰত্নসদৃশ ব্যক্তি সেই জন যেযে তন্ত্ৰ সাধনাত, উৎপত্তি কৰ্ম্ম সাধনাত সিদ্ধি লাভ কৰিছে আৰু বৰ্ত্তমানে 'নিষ্পন্ন কৰ্ম্ম' সিদ্ধি অভিলাষী। যেয়ে 'অষ্ট গৌণ সিদ্ধি' (হিন্দুৰ অষ্ট মহাসিদ্ধি) উপেক্ষা কৰিবৰ মানসিক ক্ষমতা অৰ্জন কৰিছে আৰু বৰ্ত্তমানে সৰ্ব্বোচ্চ সিদ্ধি (বোধিচিত্ত) প্ৰাপ্তিৰ অভিলাষী মাত্ৰ। সাধাৰণ ভাবাত, তন্ত্ৰৰ দ্বাৰা শাৰীৰিক, মানসিক, সামাজিক আৰু আৰ্থিক লাভৰ অভিলাষ নথকা উচ্চ শ্ৰেণীৰ সাধক সকল হে "সন্ধ্যা ভাষা" শুনাৰ উপযুক্ত, ইতৰ জনৰ আগত ইয়াৰ প্ৰয়োগ নিষিদ্ধ।

ভাষাতত্ত্বৰ ফালৰ পৰা চাব গলে এই নীতি " দুলি দুহি পিটা ধৰণ নজাই' বাক্যৰ দুলি = বৌদ্ধ ধৰ্ম্ম শাস্ত্ৰ ৰূপে প্ৰযোগ কৰিলে ফল নিম্ন লিখিত হ'বঃ

দুলি

নিত্যাৰ্থ	সময়ীন অৰ্থ
মাইকী কাছ বা দুৰী	মাইকী কাছ নহয, বৰ্তমান
এই অৰ্থ নিত্যাৰ্থ	চৰ্যাত নিত্যাৰ্থ অপ্ৰযোজ্য
অনশ্বৰ আৰু সৰ্বদা প্ৰযোজ্য	

নৈয়াৰ্থ	ন যথাৰীত অৰ্থ
ধৰ্ম্ম অথবা মঞ্জুশ্ৰী	মাইকী কাছ যাক
ন্যেয়াৰ্থ-বৌদ্ধ ধৰ্ম্ম শাস্ত্ৰ	দোহন কৰি পণ্ডিত
	সকলে দুগ্ধ পায়

কোৱা বাহুল্য " দুলি" সন্ধ্যা শব্দ নহয় আৰু ই কেৱল ৰত্ন সদৃশ ব্যক্তিৰ বাবে শ্ৰৱণ যোগ্য শব্দও নহয়।

বৰ্ত্তমান চৰ্যাগীত সংগ্ৰহত আমি জনাত মাত্ৰ এটা বৌদ্ধ - তন্ত্ৰ সমৰ্থিত সন্ধি শব্দ আছে সেইটো হ'ল "কাপুৰ" (চৰ্যা - ২৮) যি "কৰ্পূৰ' বুলি বুজি

পায (তামোলৰ লগত গ্ৰহণ কৰিছে)। "কৰ্পূৰক" শব্দ একাধিক অনুত্তৰ তন্ত্ৰ শাস্ত্ৰত 'শুক্ৰ' বুজাবলৈ ব্যৱহৃত। বিশেষকৈ হেবজ্ৰ তন্ত্ৰত এই অৰ্থত একাধিক বাৰ প্ৰযোগৰ উদাহৰণ পোৱা যায। আন শব্দবোৰৰ ক্ষেত্ৰত " সন্ধ্যা শব্দৰ" প্ৰযোগৰ উদাহৰণ দেখুৱাবলৈ উদ্বাউল হৈ ভাষ্যকাৰ সকলে একেটা শব্দকে একোবাৰ বৌদ্ধতন্ত্ৰৰ শব্দ, আকৌ আন ঠাইত "সন্ধ্যা শব্দ" বুলিছে। জাহ্নবী চক্ৰবৰ্ত্তীৰ মতে মুনিদত্তই - কুদুৰু, হাড়েৰি মালী, ডমৰু, কুল, কুলিণ, মন-পবন, কৰ্ণকুণ্ডল বজ্ৰ, কাপুৰ, হৰিণী, ডমৰুলি, ৰবিশশী, বলদ, বাজুল, চণ্ডালী, বাজ, পউমা, সবৰ-সবৰী শব্দক মাত্ৰ স্পষ্ট ভাবে "সন্ধ্যা শব্দ" বুলি চিহ্নিত কৰিছে (চৰ্যাগীতিৰ ভূমিকা পৃঃ ১৫৯-১৬০) ।

আমাৰ ধাৰণা মুনিদত্তই চৰ্যাগীতত ব্যৱহৃত শব্দবোৰৰ স্বইচ্ছাই, স্বজ্ঞানৰ ভিত্তিত অৰ্থ কৰি মহতিযাই নিছে। য'ত আৰু কোনো মতেই বলে পৰা নাই, অথবা তেখেতে কৰা শব্দাৰ্থ কোনো যুক্তিতে উক্তিৰ লগত খাপ নাখায তেনে ক্ষেত্ৰত 'সন্ধ্যা ভাষাৰ আশ্ৰয" লৈছে। যিসকলে এই উক্তিত বিশ্বাস নকৰে, যদি বিনযতোষ ভট্টাচাৰ্য সম্পাদিত "সাধন মালা", একেজন সম্পাদকৰে সম্পাদিত Tne Indian Buddhist Iconography (Firm a KLM - 1987), Franklin edgerton সম্পাদিত Buddhist hybrid Sanskrit Grammer and Dictionary (Motilal Banarsidass, New Delhi), সুবলমিত্ৰ সঙ্কলিত " বাংলা শব্দবোধ" অভিধান, F D Lessing & A Wayman অনুদিত Introduction to the Buddhist Tantric system গ্ৰন্থৰ পাত লুটিযাই চায, সৰহ ভাগ তথাকথিত "সন্ধ্যা শব্দৰ" অৰ্থ বিচাৰি পাব।

চৰ্যা ব্যৱহৃত শব্দ দুলি, বহুডী আদি শব্দক সন্ধ্যা শব্দ বোলাৰ ভিত্তি হ'ল মুনিদত্তৰ অত্যন্ত সীমিত জ্ঞান । কুম্ভীৰ = কুম্ভক সমাধি, বিযাতী = দুশ্চৰিত্ৰা নাৰী, ব্যঙ্গ = প্ৰভাস্বৰ, গাবীযা= নৈৰাত্মা, বেণ্ট = মহাসুখ চক্ৰ, ডোম্বী= পৰিশুদ্ধাবধূতী নৈৰাত্মা আদি অৰ্থ মুনিদত্তই কিহৰ ভিত্তিত কৰিছিলে কেৱল তেখেতেহে জানে। অনুগামী সকলে মুনিদত্তৰ অৰ্থ নিৰ্ব্বিবাদে মানি লৈছে, আৰু কিয মানি লৈছিল তাকো তেখেত সকলেহে জানে।

মুনিদত্ত আৰু চৰ্যাগীত ঃ

বৰ্তমান চৰ্যা সঙ্কলনৰ আদি ভাষ্যকাৰ মুনিদত্তৰ কোনো ঐতিহাসিক পৰিচয পোৱা হোৱা নাই। চৰ্যা সঙ্কলনৰ ভাষ্যকাৰৰ নাম যে মুনিদত্ত আৰু ভাষ্য সংগ্ৰহৰ নাম নিৰ্মলগিৰা, আদি বন্দনা আৰু তিব্বতী অনুবাদৰ পৰা জনা যায। মুনিদত্তৰ ভাষ্য সংস্কৃত ভাষাত লিখিত আৰু তিব্বতী ভাষালৈ অনুবাদ কৰিছিল চন্দ্ৰকীৰ্তিযে

(সু সে পৃ 30)। মুনিদত্তৰ বাদেও আনৰ চৰ্যা ভাষ্য আছিল বুলি সুকুমাৰ সেনে বিশ্বাস কৰিছিল। অৱশ্যে তেখেতে আৰ্য্যদেবৰ "চৰ্য্যামেলপক প্ৰদীপা" আৰু দীপঙ্কৰ শ্ৰীজ্ঞানৰ 'চৰ্য্যাগীতি বৃত্তি" বৰ্ত্তমান চৰ্যাগীতিৰ লগত সমচৰিত্ৰৰ বুলি ধৰি লৈছে তেতিযা আমি নিৰুপায়। "চৰ্য্যাগীতি বৃত্তি" সম্বন্ধে বিশেষ জনা নাযায় কিন্তু 'চৰ্য্যামেলাপকপ্ৰদীপা' সম্পূৰ্ণভাৱে তন্ত্ৰৰ পুথি। চৰ্য্যা যে এটা বৌদ্ধ তন্ত্ৰ শাখাৰো নাম পণ্ডিত সকলে পাহৰি যায়। ওপৰত উল্লেখিত গ্ৰন্থ দুখন সুকীয়া চৰ্য্যাতন্ত্ৰৰ শাস্ত্ৰ-চৰ্যাগীতি নহয়। মুনিদত্ত লিখিত আনগ্ৰন্থৰ অভাৱে, বিশেষকৈ পিচৰ যুগৰ বৌদ্ধগ্ৰন্থত তেখেতেৰ নামৰ অনুল্লেখে প্ৰদৰ্শন কৰে মুনিদত্ত কোনো প্ৰতিষ্ঠিত বৌদ্ধ পণ্ডিত নাছিল। তেখেতৰ ভাষ্য সংস্কৃত ভাষাত লিখিত। টীকাভাষ্যত তেখেতে উদ্ধৃতি দিছে ঘাইকৈ - হেবজ্ৰতন্ত্ৰ, ৰতিবজ্ৰ, শ্ৰীসমাজ, গুহ্যসমাজ তন্ত্ৰ, নাগাৰ্জুনপাদ, সৰহপাদ, যোগান্তৰমালা, সেকোদ্দেশ, মহাযোগতন্ত্ৰ, আদি সংস্কৃত বৌদ্ধ তন্ত্ৰ আৰু সাধাৰণ বৌদ্ধ গ্ৰন্থৰ। অসংস্কৃত ভাষাৰ উদ্ধৃতি কেৱল সৰহপাদৰ, কৃষ্ণাচাৰ্য্যপাদৰ আৰু ভুসুকুপাদৰ চৰ্যাগীতৰ পৰাহে দেখা যায়।

পণ্ডিত সুকুমাৰ সেনৰ মতে বৰ্তমান চৰ্যাৰ অনুলিপি ১৬০০ খ্ৰীষ্টাব্দৰ আগে আগে প্ৰস্তুত হৈছিল। মুনিদত্তৰে টীকা ১৪ শ শতাব্দীত লিখিত আৰু শেষ চৰ্যাগীতৰ ৰচনাৰ প্ৰায় দুশ বছৰ পিচতহে মুনিদত্তই এই টীকা ভাষ্য লিখিছিল। আমি জানো ১২০০ ৰ পৰা ১৪০০ ৰ ভিতৰত হিন্দু তন্ত্ৰই চাৰিও পিনৰ পৰা লাহে লাহে বৌদ্ধ তন্ত্ৰক গ্ৰাস কৰি আহিছিল যেনে বৌদ্ধ বোগলা ডাকিনী, শ্ৰী বগলা দেবী লৈ পৰিবৰ্ত্তিত হ'ল। সংস্কৃত ভাষাই পুনৰ ঠন ধৰি উঠিছিল আৰু মুনিদত্তইযো তাৰ প্ৰভাবৰ পৰা মুক্তি পোৱা নাছিল।

মুনিদত্ত বা আন কোনো ধৰ্ম্মীয় ভাষ্যকাৰে মূলত যিযেই নাথাকক কিয়, ভাষ্য সদায় নিজৰ দৰ্শনক হে শ্ৰেষ্ঠ প্ৰতিপন্ন কৰিব চেষ্টা কৰিব ই নিশ্চিত। যেনে, ভগৱদগীতাৰ ভাষ্য কৰোতে আদি শঙ্কৰাচাৰ্য্যই কথাই কথাই বেদান্ত, পৰম ব্ৰহ্ম আৰু নিৰ্মোহ শূন্যতাবোধ টানি আনে, শ্ৰীল ভক্তিবেদান্ত প্ৰভুপাদে নিজৰ গীতা ভাষ্যত গীতাৰ প্ৰতিটো শ্লোকতে "কৃষ্ণভক্তি" দেখা পায় আৰু ব্যাখ্যাৰ ভিত্তি স্বৰূপে ভাগৱতৰ উদ্ধৃতি দিছে। মুনিদত্তৰ নিজস্ব গৃহীত বৌদ্ধ দৰ্শনৰ ধাৰা জানিলেই বুজা যাব তেখেতে চৰ্যাগীত কিদৰে গ্ৰহণ কৰিব।

মুনিদত্তৰ টীকা ভাষ্য — "নমঃ শ্ৰীবজ্ৰযোগিন্যৈ" স্তুতিৰে আৰম্ভ কৰিছে বজ্ৰ যোগিনীৰ বিশেষত্ব হ'ল তেওঁৰ দুটা ৰূপ, মস্তকহীনা আৰু সমস্তকা। মস্তকহীনা "she has no head on her shoulder, but carries it in

her hand, and in another, she has her head intact The former form is identical in appearance with the Hindu goddes Chinnamasta Vajrayogini who does not seem to bear the image of any of the Dhyani Buddhas on the crown" (Buddhist Iconography Benoytosh Bhattacharyya p 247)। মুনিদত্তৰ উপাধ্যা দেৱী বজ্ৰযোগিনীৰ শিৰত ধ্যানি বুদ্ধৰ চিত্ৰৰ অভাবে আমাক মুনিদত্তই অনুগমন কৰা বৌদ্ধ তন্ত্ৰৰ ধাৰা স্থিৰ কৰাত কোনো সহায় আগ নবঢায়। আনহাতে এইটো সুনিশ্চিত ভাৱে জনায যে ক্ৰিয়া, চৰ্য্যা, যোগাচাৰ বা অনুত্তৰ কোনোটো তন্ত্ৰৰে তেখেতে স্থিৰ অনুগামী নাছিল। স্তুতি শ্লোকৰ দ্বিতীয পদ।

শ্ৰীলূয়ীচৰণাদিসিদ্ধ ৰচিতেহপ্যাশ্চৰ্য্যচৰ্য্যাচয়ে

সদ্বৰ্ত্মোপগমায নিৰ্ম্মলগিৰা৲ টীকাং বিধাস্যে স্ফুটম্।।

(অত৹ পৰ পথম চৰ্যা) - কাআতৰুবৰোত্যাদি ইত্যাদি দ্বাৰা ধৰিব পৰা যায যে তেখেতে লুইপাদৰ অনুগামী আছিল। টীকা-ভাষ্যত নাগাৰ্জ্জুনপাদৰ সঘন উদ্ধৃতিযে প্ৰতিষ্ঠা কৰে- মুনিদত্ত মধ্যমিকা বৌদ্ধ দৰ্শনৰ উত্তৰাধিকাৰী উচ্চ ক্ৰিযা তন্ত্ৰৰ দৰ্শন সমৰ্থক আছিল, সেই একেটা ধাৰাৰ সিদ্ধ আছিল লুইপাদ। মধ্যমিকা দৰ্শনৰ লগত ক্ৰিয়া তন্ত্ৰৰ কাৰিকৰী প্ৰাণাযামৰ দিশ যোগ কৰিলে উচ্চ বৌদ্ধ ক্ৰিযা তন্ত্ৰৰ সৃষ্টি হয। উচ্চ ক্ৰিযাতন্ত্ৰ আৰু যোগাচাৰৰ দৰ্শনৰ মাজত পাৰ্থক্য অতি সূক্ষ্ম যি আমি পিচত আলোচনা কৰিম। মুনিদত্তক মধ্যমিকা + ক্ৰিযাতন্ত্ৰৰ অনুগামী বুলি ধৰি ললে স্পষ্ট হয কিয তেখেতে সকলো চৰ্যাতে একেটাই অৰ্থ বিচাৰি (য'ত তেনে অৰ্থ থকাটো সম্ভৱ নহয) পাইছিল। তেখেতে সমস্ত চৰ্যাগীত উচ্চ ক্ৰিযা তন্ত্ৰৰ দৰ্শনেৰে ব্যাখ্যা কৰিব চেষ্টা কৰিছিল।

মধ্যমিকা আৰু ক্ৰিয়াতন্ত্ৰ দৰ্শন :

মধ্যমিকা দৰ্শন বৌদ্ধ ধৰ্ম্মৰ অঙ্গ ৰূপে স্বীকৃত যদিও বাস্তৱতে ইযাৰ প্ৰৱৰ্ত্তক আৰ্য্য নাগাৰ্জ্জুন। সিদ্ধাৰ্থ গৌতম প্ৰৱৰ্ত্তিত 'মধ্যম পন্থা বৌদ্ধ ধৰ্ম্মৰ' লগত মধ্যমিকাৰ দাৰ্শনিক সম্বন্ধ অতি ক্ষীণ। মৌলিক বৌদ্ধ ধৰ্ম্ম অনুসৰি এই পৃথিবীৰ সকলো অনুভূতিয়ে অভিজ্ঞতাৰ পৰা উদ্ভূত। জগতৰ স্বাভাৱিক চৰিত্ৰ - ক্ষণস্থায়ী, পৰিবৰ্ত্তনশীল, দুঃখ আৰু ক্লেশৰ উৎস। পুনৰ্জন্ম হয বাসনাৰ হেতুকে। বিলাস ব্যসনৰ পৰা দূৰত থাকি, দেহক অত্যধিক কষ্ট নিদিযাকৈ সৎ কৰ্ম্ম, সৎ চিন্তা আৰু ধৰ্ম্ম, সংঘ তথা বুদ্ধৰ আশ্ৰয লৈ জাগতিক বাসনা ত্যাগ কৰিলে পুনৰ্জন্ম চক্ৰৰ পৰা মুক্তি পাব পাৰি। গৌতম বুদ্ধৰ ধৰ্ম্ম জাগতিক

চৰিত্ৰৰ। আৰ্য্য নাগাৰ্জ্জুনৰ দৰ্শন ৰূপক বা প্ৰতীক ধৰ্ম্ম (figurative)। সংসাৰত দুঃখ-সুখ, আনন্দ-নিৰানন্দ সকলো আপেক্ষিক। অস্তিত্ব আৰু অনস্তিত্ব দুয়োটাৰে বাস্তৱ স্থিতি নাই (এই দৰ্শন বহু চৰ্যাতে দেখা যায়)। সংসাৰ (ইন্দ্ৰিয়গ্ৰাহ্য জগৎ) আৰু শূন্যতাৰ (তথতা-reality) মাজত কোনো পাৰ্থক্য নাই, কোনটো দৃষ্টিৰে তাক চোৱা হৈছে তাৰে ওপৰতে সকলো নিৰ্ভৰ কৰিব। এই দৰ্শনৰ আটাইতকৈ প্ৰিয় আৰু সঘনে ব্যৱহৃত উদাহৰণ হ'ল — জলবিন্দুৰ প্ৰতিফলিত চন্দ্ৰ (উদকচান্দ জিম সাচ না মিচ্ছা - চৰ্যা ২৯)। জলবিন্দুত প্ৰতিফলিত চন্দ্ৰ বাস্তৱতে তাত নাই, কিন্তু চোৱা মানুহ জনৰ বাবে আছে, চন্দ্ৰ জল বিন্দুতে থাকে। জলবিন্দুটো ফাটি গ'লে আকাশৰ চন্দ্ৰৰ একো নহয়, কিন্তু জলবিন্দু চন্দ্ৰ দৰ্শকৰ বাবে চন্দ্ৰটো নোহোৱা হৈ যাব। এই জলবিন্দুত প্ৰতিফলিত চন্দ্ৰৰ অস্তিত্ব আপেক্ষিক, সি সচাও নহয়, মিছাও নহয়। আন জাগতিক বস্তুৰ দৰে শূন্যবোধও সম্পূৰ্ণ হলেও আপেক্ষিক, ই প্ৰতীত্যা সম্পুটপদ (dependent origination)। হিন্দুৰ পৰম ব্ৰহ্মৰ দৰে, মধ্যমিকাৰ শূন্যও নিৰ্ব্বিকল্প, কিন্তু যোগাচাৰ তন্ত্ৰৰ দৰ্শনৰ শূন্যৰ দৰে ই সৰ্ব্বশূন্য নহয়। জগৎ, যাৰ আদিও নাই অন্তও নাই তাৰ স্থায়িত্ব (অনশ্বৰতা) বা অস্থায়িত্ব (নশ্বৰতা) থাকিব নোৱাৰে (আইএ অণুঅনা এ জগৰে ভাংতিএঁ সো পডিহাই- চৰ্যা ৪১। ভাব ন হোই অভাব ন জাই - চৰ্যা ২৯। অপনি নাহি মো কাহেৰি সঙ্কা - চৰ্যা ৩৭)। পুদ্গল আত্মৰ অস্তিত্ব মধ্যমিকা দৰ্শনে স্বীকাৰ নকৰে। সেযেহে মুনিদত্তই নৈৰাত্মজনিত (non self) শূন্যতা প্ৰতিটো চৰ্যাগীততে বিচাৰি পাইছিল। মধ্যমিকা দৰ্শনে শূন্যতাক পৰম, অদ্বৈত বা সম্পূৰ্ণ বুলি স্বীকাৰ নকৰে,ই আপেক্ষিক (Radhakrisnan - Indian Philosophy vol I)। সত্য দুবিধ, সম্বিতী (conventional) আৰু পৰমাৰ্থ (highest truth or reality)। এই দ্বিতীয় জ্ঞান বিশ্লেষণৰ দ্বাৰা নহয় অনুভূতিৰ দ্বাৰা প্ৰাপ্ত হয়।

মধ্যমিকা দৰ্শনৰ এটা ঠাল কালত উচ্চ ক্ৰিয়াতন্ত্ৰত পৰ্যবসিত হ'ল। ক্ৰিয়া তন্ত্ৰৰ ভিত্তি হ'ল ক্ৰিয়া বা কাৰ্য্য। ইয়াৰ স্থিতি হ'ল পূজা, জপ আৰু প্ৰাণায়াম। মন্ত্ৰ জপ আৰু বিশেষকৈ প্ৰাণায়ামৰ দ্বাৰা সাধকৰ মানস এনে এটা অৱস্থালৈ আনিব লাগে যাৰ ফলত সাধকৰ মনত হঠাতে শূন্য বোধৰ বাস্তৱ ৰূপ অনুভূত হ'ব আৰু তাৰে ফলত সাধকৰ মনত চিৰস্থায়ী অবিচলিত সুখৰ সৃষ্টি হ'ব। এয়েই উচ্চ ক্ৰিয়া তন্ত্ৰৰ সহজানন্দ। উচ্চ ক্ৰিয়া তন্ত্ৰ সম্পূৰ্ণ মন্ত্ৰযান, ই বজ্ৰযান নহয়।

সহজ শব্দৰ অৰ্থ যুগপৎ জাত (coemergent) :

অতএৱ দেখা যায় দুই চাৰিটা শব্দ বুজি নাপালেও, সৰহপাদ, লুইপাদ,

ভুসুকুপাদ আৰু কাহ্নুৰ (যি কেইটা বাস্তৱতে ক্ৰিযাতন্ত্ৰাচাৰ্য্য কৃষ্ণাপাদচাৰ্য্যৰ দ্বাৰা ৰচিত) চৰ্যা মুনিদত্তই নিৰ্ভুল ভাবে টীকা ভাষ্য কৰিছে কিন্তু যেতিযাই অনুত্তৰ, যোগাচাৰী বা প্ৰহসনমূলক চৰ্যাগীত হাতত পৰিছে মুনিদত্তই থাৱৰিব পৰা নাই (" হাদে পানী পাযনি" যাক বঙালী ভাষাত কয) আৰু এনে চৰ্যাগীতকো মধ্যমিকা ক্ৰিযা তন্ত্ৰৰ দৰ্শনেৰে ব্যাখ্যা কৰিব চেষ্টা কৰি সম্পূৰ্ণ বিফলহৈছে (নহলে, দুলি 'মহাসুখ কমল' নহ'লহেতেন) **ক্ৰিযাতন্ত্ৰৰ সহজ = তত্ত্ব + সুখ।**

যোগাচাৰ তন্ত্ৰত সাধকৰ মন আৰু ধ্যান বিশ্লেষণক সৰ্বাধিক গুৰুত্ব দিযা হয। "পানী টোপালত প্ৰতিবিম্বিত চন্দ্ৰৰ " উদাহৰণ যোগাচাৰ দৰ্শনে (মৈত্ৰেয নাথ, অসঙ্গ, বসু বন্ধুৰ- খ্ৰীঃ তৃতীয-পঞ্চম শতাব্দী প্ৰতিস্থিত) আনভাৱে ব্যাখ্যা কৰিব। পানীৰ বিন্দুত চন্দ্ৰৰ প্ৰতিবিম্বৰ অস্তিত্ব আছে কাৰণ দৰ্শকে তাৰ প্ৰতি মনোযোগ দিছে। মনোযোগ আঁতৰাই অনাৰ লগে লগে সেই জন ব্যক্তিৰ বাবে জলবিন্দুত চন্দ্ৰটো অস্তিত্বহীন হ'ব। চন্দ্ৰ মেঘে ঢাকি ৰখা, জলবিন্দু ফাটি যোৱা, ব্যক্তিযে মনোযোগ আতৰাই অনা তিনিওটা কাৰ্য্যৰ ফল ব্যক্তি জনৰ বাবে একে - জলবিন্দুত চন্দ্ৰ অস্তিত্বহীন হ'ব। সেই একে সমযত কোটি কোটি জলবিন্দুত চন্দ্ৰ প্ৰতিফলিত হৈ আছে, যি সেই জন দৰ্শকৰ বাবে অস্তিত্বহীন। সকলো মনতে সৃষ্টি হয সকলো মনতে মাৰ যায— নিজৰ মনক নিযন্ত্ৰণ কৰাটোই সাধকৰ লক্ষ্য হোৱা উচিত (চৰ্যা ৪৫, চৰ্যা ৪৬)। যোগাচাৰ তন্ত্ৰত সৰ্বোচ্চ শূন্য স্থাযী সৰ্বশূন্য। এই, সৰ্বশূন্য জ্ঞানেই মহাসুখৰ আধাৰ হ'ব লাগিব।

যোগাচাৰ তন্ত্ৰৰ সহজানন্দ = সুখ + শূন্যতাবোধ = সুখশূন্য

ইযাত নাস্তিত্ব পৰম বা চৰম (absolute) সেই জ্ঞানেই অনুভূত হৈ সাধকে আনন্দ পাব লাগিব।

অনুত্তৰ তন্ত্ৰৰ আদি হোতা — আৰ্য্যদেব, বুদ্ধশ্ৰীজ্ঞান আদি বহুতৰে নাম পোৱা যায যদিও বাস্তৱতে বজ্ৰযানৰ উৎপত্তি মহাসংঘিকাৰ কালতে হৈছিল যেতিযা উত্তৰপথী সকলে বৌদ্ধ সাধকক " ধৰ্ম্মীয কাৰণত" নাৰী সঙ্গমৰ অনুমতি দিছিল। বাস্তৱতে ই প্ৰাকবৌদ্ধ প্ৰেত ধৰ্ম্মৰ (shamanic religion) লগত জৰিত। অনুত্তৰ তন্ত্ৰৰ ভিত্তি শাস্ত্ৰ - মঞ্জুশ্ৰী মূলতন্ত্ৰ, মঞ্জুশ্ৰী মুখগামা, শ্ৰীসমাজ তন্ত্ৰ - পাচলৈ গুহ্যসমাজ তন্ত্ৰ, হেবজ্ৰ তন্ত্ৰ আৰু শেকোদ্দেষ্ট টীকা ভাষ্য ইত্যাদি।

অনুত্তৰ তন্ত্ৰৰ মূল বক্তব্য, সৰ্বশূন্য ভাবে সাধকৰ মনত হতাশা আৰু ক্ৰূৰতাৰ ভাব আনে হেতুকে ই অবিদ্যা, (খৰৰবি- কিৰণ-সন্তাপে ৰে গঅণাঙ্গণ

ণ গই পইঠা-চৰ্যা ১৬) ই বক্তব্য। ইযাত স্পষ্টভাবে কৈছে - সৰ্ব্বশূন্যভাৱে কোনো সুখ চিত্তলৈ নানে, সাধকে ভাও যোৰে আৰু গৰ্ব্ব কৰে। তাতোকে ডাঙৰ কথা - মানুহে ইন্দ্রিয় অনুভূতিৰ উৰ্দ্ধত একো অনুভূত নহয। সকলো ইন্দ্রিয়ুৰ্দ্ধ অনুভূতি বাস্তবতে ৰূপান্তৰিত আপেক্ষিক ইন্দ্রিয়ানুভূতি (সঁ এঁ সংবেঅণ বোলথি সান্তি - চৰ্যা ২৬)।

আনুষ্ঠানিক যৌনাচাৰৰ দ্বাৰা সাধকে মানসিকভাবে সৰ্ব্বশূন্য নাস্তিক্যবাদৰ পৰা (nihilism) বাস্তব পৃথিবীলৈ করুণাৰ মাধ্যমত ঘূৰি আহে। এই জগৎ সৰ্ব্বশূন্য অনুভূত হৈ আন জীৱ বা ব্যক্তিৰ উপকাৰাৰ্থে সংসাৰত স্থিত হয। তেনে সিদ্ধৰ বাবে সংসাৰত ভালো নাই, বেযাও নাই দুখো নাই সুখো নাই সকলো আপেক্ষিক (মধ্যমিকা দৰ্শনৰ ৰূপান্তৰ)। অতএব করুণাৰ সৃষ্টিৰ বাবে যৌনাচাৰ সিদ্ধ আৰু অনুমতিপ্রাপ্ত। " আজদেৱেঁ সঅল বিহৰিউ। ভয ঘিণ দূৰ নিবাৰিউ" এনে চৰ্যাকো মুনিদত্তই টানি নি মধ্যমিকা ক্রিয়া তন্ত্রত পেলাইছে — " অতএব ময়া সিদ্ধাচাৰ্য্যেণ ভয লজ্জাদিক৲ লোকস্য ব্যবহাৰঃ পৰিত্যক্তঃ। গুৰুবচনমাৰ্গনিৰীক্ষণেন শূন্যমিতি। ভাব৲ নৈৰাত্মৰূপং দৃষ্টং।"

মুনিদত্ত যতদূৰ সম্ভব পুথিগত পাণ্ডিত্যৰে পণ্ডিত আছিল। তেখেতে বাস্তবতে তন্ত্র অভ্যাস কৰিছিল নে সন্দেহ কৰিবৰ বহু ঠাই আছে। অন্যথায " সোণে ভৰিলী করুণা নাবী। ৰূপা থোই নাহিকে ঠাবী।।" (চৰ্যা ৮) পদৰ দ্বাৰা স্বৰ্ণাক্ষৰ দেৱতাৰ সহাযত জপ, প্রাণাযাম আৰু 'ৰূপা' অৰ্থাৎ ইষ্ট দেৱ ৰূপ ধ্যান সূচাইছে তাক নুবুজাটো অসম্ভৱ। তাৰ ঠাইত তেখেতে করুণাক সন্ধ্যাভাষাত বোধিচিত্ত, স্বৰ্ণক শূন্য আৰু ৰূপাক ৰূপ বেদনা নুবুলিলে হেঁতেন।

ভাৰতীয শাস্ত্ৰকাৰ সবৰ টীকা ভাষ্য লিখা পৰম্পৰা অনুসৰি, মুনিদত্তই কোনো শব্দৰ অৰ্থ ভঙাৰ সমযত হয শব্দটোৰ ব্যুৎপত্তি দিযাৰ প্ৰযোজন, অথবা সেই শব্দটো পূৰ্ব্বতে কোন পণ্ডিতে বা কোন শাস্ত্ৰত সমাৰ্থত ব্যৱহাৰ কৰিছিল তাক জনোৱাটো প্ৰযোজন আছিল। দুলি শব্দৰ অৰ্থ মহাসুখকমল, করুণা শব্দৰ অৰ্থ বোধিচিত্ত, কুম্ভীৰৰ অৰ্থ কুম্ভক সমাধি এইবোৰ যে মুনিদত্তৰ কল্পনা প্ৰসূত নহয, তাৰ প্ৰমাণ স্বৰূপে টীকাত কোনো ধৰণৰ সমৰ্থক উদ্ধৃতি নাই এই কথা পণ্ডিত সকলৰ চকুত পৰা নাই। তেনে ক্ষেত্ৰত মুনিদত্তৰ অৰ্থ যে সদায় প্ৰামাণ্য তাক স্বীকাৰ কৰাত অসুবিধা আছে।

চৰ্যাগীত সংগ্ৰহ কি ভাষাত লিখা ঃ

১৯০৭ খ্ৰীষ্টাব্দত নেপালৰ ৰাজকীয গ্ৰন্থাগাৰত বৰ্ত্তমান চৰ্যাগীত সংগ্ৰহৰ

আৱিষ্কাৰৰ পিচত হৰপ্ৰসাদ শাস্ত্ৰী মহোদয়ে বঙ্গীয় সাহিত্য পৰিষদৰ যোগাৰে ১৯১৬ খ্ৰীঃ " হাজাৰ বছৰৰে পুৰাণ বাঙ্গালা ভাষায় বৌদ্ধ গান ও দোহা" নামেৰে প্ৰকাশ কৰি চৰ্যাগীতৰ ভাষাৰ ওপৰত প্ৰথম বঙালী ভাষাৰ চাব মাৰে। ৰাহুল সাংকৃত্যায়নৰ ' দোহাকোশ' গ্ৰন্থই (১৯৫৭, বিহাৰ ৰাষ্ট্ৰভাষা পৰিষদ) এই ভাষা "আদি হিন্দুস্থানী' আৰু পৰীক্ষিত হাজৰিকা দেৱে (চৰ্য্যাপদ ১৯৭৩) চৰ্যাগীতৰ ভাষা 'প্ৰাচীন কামৰূপী' বুলি দাবী তোলে। উৰীযা, মৈথিলী, মাগধি আদি ভাষাৰ দাবীও কালক্ৰমত উঠিল (চৰ্যাগীতি কোষ - সৌম্যেন্দ্ৰ সৰকাৰ - পৃ ০ ১৩১)। এনে ভাষাগত ঐতিহ্য প্ৰতিষ্ঠা কৰাৰ উখনা - উখনিত চৰ্যাগীতৰ অৰ্থৰ দিশটো তল পৰিল। প্ৰাদেশিকতাবাদী পণ্ডিত সকলে নিজৰ নিজৰ ভাষাৰ বৰ্ত্তমান প্ৰচলিত শব্দ আৰু তাৰ অৰ্থৰে নোৱাৰিলে নিজ ভাষাৰ প্ৰামাণিক গ্ৰন্থত ব্যৱহৃত শব্দৰ সহায়ত চৰ্যাগীত সমূহৰ অৰ্থ ভাঙ্গিব চেষ্টা কৰিলে - ফলত বহু সময়ত মূলৰ অৰ্থ বিকৃত হৈ পৰিল।

আমি ভাষাবিদ নহয় হেতুকে এই সম্বন্ধে উচ্চবাচ্য নকৰাকৈ সবিনয়ে জনাব খোজো- চৰ্যাগীতৰ বক্তব্য সমূহ বিশ্লেষণ কৰিলে দেখা যায় এই গীত বোৰ মন্ত্ৰযান আৰু বজ্ৰযান সাধনাৰ সাধক সকলে অষ্টম শতিকাৰ পৰা দ্বাদশ শতিকাৰ মাজত ৰচনা কৰিছিল। দ্বাদশ শতিকাতো যদি এই গীত সঙ্কলন বৰ্ত্তমান ৰূপ পাইছে, মানিব লাগিব যেনে লুইপাদ বা আৰ্য্যদেৱৰ গীত তিনি ৰা চাৰি শ বছৰ মানুহৰ মুখে মুখে ফুৰিছিল। যিহেতু বৌদ্ধ ধৰ্ম্ম শাস্ত্ৰীয় বচনৰ হিন্দু, বিশেষকৈ সংস্কৃত ধৰ্ম্মশাস্ত্ৰৰ দৰে কটকটীয়া অপৰিবৰ্ত্তনীয় ৰূপ (form) নাছিল, এনে গীতত অৰ্থনুবুজা প্ৰাচীন শব্দ বাদ পৰি যোৱা আৰু স্থানীয় নতুন শব্দ যোগ হোৱাৰ সম্ভাবনা কোনেও নুই কৰিব নোৱাৰে।

অৰ্থ বিশ্লেষণ কৰাৰ পিচত আকৌ এবাৰ ভাষালৈ লক্ষ্য কৰিলে দেখা যায় — প্ৰাচীনতৰ গীত বোৰৰ ভাষা সৰল, অৰ্থ পোনপটীয়া, আৰু মৌলিক সংস্কৃত শব্দৰ প্ৰযোগ কম। লুইপাৰ চৰ্যা (নং ১) গীতটিৰ শেষৰ শাৰীৰ শব্দ 'পাণ্ডি' মূলত০ পিণ্ডিকা বা পিণ্ডী (পিণ্ডি + কণ) যাৰ অৰ্থ ৰথচক্ৰ মধ্যভাগ। পিণ্ডিকা গৈ পাণ্ডি হ'ল, সিযেই গৈ পাণ্ডি (সু০ সে) আৰু তাৰ অৰ্থ " পিঁড়ি" বা পীঠ হ'লগৈ। অষ্টম শতাব্দীৰ পৰা যিমানেই দ্বাদশ শতিকালৈ আহি আছে উত্তৰ-পূব ভাৰতবৰ্ষত ব্ৰাহ্মণ্য ধৰ্ম্ম তথা সংস্কৃত ভাষাৰ প্ৰাধান্য বাঢি আহিছিল। প্ৰহসনমূলক (চৰ্যা ২৮, ৫০) আৰু উপলুণ্ডামূলক চৰ্যা গীতবোৰ (চৰ্যা -২, ৩৩) অপেক্ষাকৃত অৰ্বাচীন, সেযেহে তাৰ গাঠনি জটিল, ইচ্ছাকৃত ভাৱে কুটিল অৰ্থপ্ৰয়োগ আৰু সংস্কৃত ব্যাকৰণৰ ব্যাযামেৰে ভৰা।

যিহেতু প্ৰায চাৰিশ বছৰ ধৰি উত্তৰ আৰু উত্তৰ-পূব ভাৰতবৰ্ষত মুখে-মুখে ফুৰা বৌদ্ধ ধৰ্মীয সঙ্গীতৰ কেইটিমান কোনো এক অজ্ঞাত স্থানত এক বা একাধিক অজ্ঞাত ব্যক্তিয়ে মাৰ্গসঙ্গীতৰ ৰূপত লিপিবদ্ধ কৰিছে, তাৰ ভাষা কোনো এটা বিশেষ প্ৰাদেশিক ভাষা বুলি দাবী কৰাৰ যুক্তি-যুক্ততা আমি নেদেখো - এনে দাবী এক বিভ্ৰান্ত পাণ্ডিত্যৰ আস্ফালন। বৰ বেছি দাবী কৰিব পাৰে যে বৰ্ত্তমান প্ৰচলিত তেখেত সকলৰ ভাষাত এতিয়াও চৰ্যাগীতৰ ভাষাৰ গাঁঠনি অপৰিবৰ্ত্তিত বা অল্প পৰিবৰ্ত্তিত ৰূপত দেখা যায। সেইদৰে চৰ্যাগীতত ব্যবহৃত বহু শব্দ তেখেতসকলৰ ভাষাত এতিযাও অৰ্থ অপৰিবৰ্ত্তিত ভাৱে দেখা যায। কিন্তু তাকে নামানি চৰ্যা গীতৰ ভাষা নিজৰ প্ৰাদেশিক ভাষা কৰিব গ'লে পণ্ডিত জনে নিজে ফাদত পৰে। উদাহৰণ স্বৰূপে চৰ্যা নং ২ ৰ " কাউই ডবে ভাঅ 'ৰ কাউই কি আছিল? মুনিদত্তই ' কাযকালপুৰুষায" লিখিযেই দায এৰালে।

কাউই = কাউৰী (আধুনিক অসমীযা)

= কাউৱা (আধুনিক হিন্দী)

= কাক (আধুনিক বঙালী) সংস্কৃত কাৰব (বাযস)

কুক্কুৰীপাদে ইযাত কাউই শব্দ সমাৰ্থক শব্দ "কাকৰ"সলনি ব্যৱহাৰ কৰিছে। কিন্তু কাক' দেখি বঙালী বোলাটো উচিত নহব, কাৰণ 'কাক' শব্দ সংস্কৃত মূলৰ 'সুৰত বন্ধ" বা যৌন কাৰ্য্যৰ পৰা বিৰত থকা অঙ্গনাৰ ৰূপত ব্যৱহৃত। কাউৰীযে যৌন সঙ্গম নকৰে বুলি পূবকালত বিশ্বাস কৰিছিল। কাক মানে সোপা আধুনিক অসমীযা ভাষাত (ইযাৰ ব্যুৎপত্তি cork ৰ পৰা নহয)। 'মাৰ' শব্দটো দুটা চৰ্যাগীতত ব্যৱহৃত (চৰ্যা ২১ আৰু ২৬)। চৰ্যা ২১ ৰ মাৰৰ অৰ্থ বুজা উক্ত - হনন কৰ, ধ্বংস কৰ। চৰ্যা ২৬ ৰ " বহল বাট দুই মাৰ ন দিশ অ" ৰ অৰ্থ মুনিদত্তই "দ্বযাকাৰ " (দুই প্ৰান্ত সুসে) লিখিছে। এই অৰ্থৎ 'মাৰ' শব্দ আধুনিক বঙালী বা হিন্দী ভাষাত নাই, আধুনিক অসমীযাত আছে — অৰ্থ, সংযোগ (মাৰ-নাৎ, মাৰ নাভাঙিল, মাৰ বান্ধিলে ইত্যাদি)। "বেন্টে" (চৰ্যা ৩৩) শব্দ বৰ্তমান কালত কেৱল উৰীযা ভাষাত ব্যৱহৃত। ক্ষুদ্ৰ প্ৰাদেশিকতাবাদে পণ্ডিত সকলৰ চকুত বহু সময়ত আবৰণৰ সৃষ্টি কৰিছিল যাৰ ফলত মূলৰ অৰ্থোদ্ধাৰত ব্যাঘাত জন্মাইছিল।

বিশ্ববিদ্যালয আৰু মহাবিদ্যালয়ৰ পাঠ্য পুথি ঃ

মহাবিদ্যালয়ৰ পাঠ্যপুথি ৰচনা অৰ্থকৰি বিদ্যা। চৰ্যাগীতৰ সংগ্ৰহক বঙালী, অসমীযা, হিন্দী ভাষা শিক্ষাৰ পাঠৰ অন্তৰ্ভূক্ত কৰাৰ হেতুকে এচাম 'পণ্ডিতে'

ইয়াত জুমুৰি দি পৰিলে। এনেবোৰ পুথিত নিজস্ব মৌলিক গৱেষণাৰ ফল বুলিবলৈ প্ৰায় একো নাথাকে, মুনিদত্তৰ টীকা ভাষ্যকে অলপ ইফাল সিফাল কৰি ৰহন সানি নিজৰ বুলি প্ৰকাশ কৰে। বৌদ্ধতন্ত্ৰৰ, সাক্যমুনি বুদ্ধৰ তথাগত "সম্ভোগ কাঁযাত" যেতিয়া সম্ভোগৰ ছাঁ বিচাৰি পায তাৰ পিচত আৰু আমাৰ কবলৈ একো নাই। " সহজ" শব্দৰ অৰ্থ বৈষ্ণৱ কাম ধৰ্ম্মী সহজীযা গীতত বিচাৰি গ'লে, চৰ্যাগীতক 'উল্টাপুৰাণৰ' বা বৰাগী গীতৰ লগত সমান বুলি ভাবিলে কঠোপনিষদৰ ব্ৰহ্মসূত্ৰ আৰু গৰখীযা নাম সমধৰ্ম্মী বুলিও লিখিব পাৰি।

❖❖❖

অধ্যায় তৃতীয

বৌদ্ধ দৰ্শন, বৌদ্ধতন্ত্ৰ দৰ্শন আৰু চৰ্যাগীত

আমাৰ মৌলিক উদ্দেশ্য, সাধাৰণ পাঠকক চৰ্যাগীতৰ অন্তৰ্নিহিত বৌদ্ধ দৰ্শন অবগত কৰোৱাটো, সেযেহে ইযাত বৌদ্ধ দৰ্শনৰ, বিশেষকৈ বৌদ্ধ - তান্ত্ৰিক দৰ্শনৰ এটি থূল-মূল আভাস দিযাটোহে সম্ভৱ, যিখিনি জ্ঞানৰ অভাবত চৰ্যাগীত বুজাটো কঠিন সেইখিনি মাত্ৰ আলোচনা কৰিযেই আমি সন্তুষ্ট থাকিম। পাঠকে নিজৰ সুবিধাৰ্থে অন্ততঃ দুখন কিতাপ, তাৰে এখন 2500 years of Buddhism (Publication Div Govt Ind 1956) গ্ৰন্থৰ ষষ্ঠ অধ্যায় Principal schools and sects of Budhism আৰু অধ্যায় ত্ৰযোদশ Later modification of Buddhism আদ্যোপান্ত খৰছি মাৰি পঢিব লাগিব। Anaganka Govinda আৰু H V Guenther লিখক দ্বযৰ বহু অভিমত বৰ্ত্তমান লিখকৰ দ্বাৰা মানি লোৱাটো সম্ভৱ নহয যদিও, ই নিঃসন্দেহে অতি মূল্যবান প্ৰাথমিক জ্ঞানৰ উৎস। দ্বিতীয খন গ্ৰন্থ হ'ল F D Lessing & A Wayman অনুবাদকৃত MKHAS GRUB RJE'S তিব্বতী মূল গ্ৰন্থৰ ইংৰাজী অনুবাদ, Introduction to the Buddhist Tantric Systems - (1983, Motilal Banarsidass) । দ্বিতীয গ্ৰন্থখন অতি মূল্যবান, কিন্তু তাতোকৈ মূল্যবান তাৰ লগত দিযা টীকা-ভাষ্য আৰু বিশেষকৈ পাদ-টীকা। অনুবাদক দ্বযৰ কিছুমান পাদ-টীকা, বিশেষকৈ শশীভূষণ দাসগুপ্তৰ উদ্ধৃতি (Obscure Religious Cults - Firma KLM 1962) আমি গ্ৰহণযোগ্য নাপালো, তাৰ কাৰণ, দাসগুপ্ত মহোদয়ৰ বক্তব্য - মুনিদত্তৰ ভাষ্যৰ অংশ বিশেষৰ ইংৰাজী অনুবাদ মাথোন। তাতোকৈ অলপ জটিল জ্ঞানৰ প্ৰয়োজন বোধ হ'লে

পাঠকে The Buddhist Tantras - by Alex Wayman Samuel Weiser Inc New-york জুকিয়াই চাব পাবে। মূল বৌদ্ধ তন্ত্ৰ যেনে ধৰ্মকীৰ্ত্তিৰ হেবজ্ৰতন্ত্ৰ, নৰোপাৰ শেকোদ্দেশ টীকা, শ্ৰীসমাজতন্ত্ৰ , গুহ্যসমাজ তন্ত্ৰ ৰত্নকৰ শান্তিৰ সাম্ভাৰা তন্ত্ৰ, প্ৰদীপদ্যোটম টীকা-ভাষ্য, বেৰও সংহিতা, শ্ৰীবগলামুখী তন্ত্ৰ, যোগিনী তন্ত্ৰ, মঞ্জুশ্ৰী মূল তন্ত্ৰ (edt T Ganapati) আদি বিভিন্ন তন্ত্ৰ সংহিতা, আদিৰ উল্লেখ আমি কৰিছো যদিও, সাধাৰণ পাঠকৰ বাবে এইবোৰ কষ্টবোধগম্য। তদুপৰি একাধিক এনে গ্ৰন্থ পটি জুকিয়াই ল'ব নোৱাৰিলে বিপৰীত অৰ্থ বুজাৰ আশঙ্কা থাকে। চৰ্যাগীতত সঘনে ব্যৱহৃত সহজ আনন্দৰ, চাৰিখন তন্ত্ৰত চাৰিটা ভিন্ন সংজ্ঞা পাব।

বৌদ্ধ দৰ্শন ঃ

এজন ভাৰতীয় সাধাৰণ শিক্ষিত মানুহৰ ধাৰণা, কপিলাবস্তুৰ ৰাজ কুমাৰ সিদ্ধাৰ্থ গৌতমে সন্যাস গ্ৰহণ কৰি কঠোৰ তপস্যাৰ যোগেদি পৰমজ্ঞান পালে (বোধ) যাৰ মৌলিক দিশ কেইটি হ'ল ঃ ১) মানুহ এজন, আন জীৱ জন্তুৰ দৰেই মৃত্যুৰ মুখত পৰাৰ পিচত তেখেতৰ আত্মাই, জীৱনৰ সৎ-অসৎ কৰ্ম্মৰ ওপৰত নিৰ্ভৰ কৰি আপেক্ষিক ভাৱে সু আৰু কু নৱজন্ম পাব। ২) এইদৰে পুনৰ্জন্ম গ্ৰহণ কৰি অৱশেষত এদিন জন্ম-জন্মান্তৰ সু-কৰ্ম্মৰ ফলত "মুক্তি" পাব তাৰ পিচত আৰু পুনৰ্জন্ম নহয। ৩) মানুহ এজনে আন মানুহ আৰু জীৱ - জন্তুক কষ্ট দিযা অনুচিত আৰু নিজকো কষ্ট দিযা অনুচিত - ইযাকে শ্ৰেষ্ঠ মধ্যপন্থা বোলে। ৪) ভগৱানৰ, আত্মাৰ বা দেৱ-দেৱীৰ বৌদ্ধ ধৰ্ম্মত স্থান নাই - সকলো, ব্যক্তিৰ কৰ্ম্মফলৰ ওপৰত নিৰ্ভৰশীল।

এযা ভাৰতীয সামাজিক ইতিহাস পঠিত বুদ্ধ ধৰ্ম্মৰ প্ৰতি ধাৰণা। বাস্তৱতে সিদ্ধাৰ্থ গৌতমৰ জন্মৰ বহু শতাব্দীৰ আগৰ পৰাই ভাৰতীয দৰ্শনত পুনৰ্জন্ম - কৰ্ম্মফলৰ উল্লেখ পোৱা যায।

সিদ্ধাৰ্থ গৌতমে বুদ্ধত্ব প্ৰাপ্তিৰ সময়ত কেৱল কৈছিল - মই আজি বুজিলো জীৱই কিযা পুনৰ্জন্ম লয়। ইন্দ্ৰিযলব্ধ অভিজ্ঞতা জাত বাসনাৰ অন্তই ব্যক্তিক জন্ম চক্ৰৰ পৰা মুক্তি দিযে। চিত্তক তেখেতে 'গেহকাৰক' (গৃহকাৰক অৰ্থাৎ জীৱ দেহ) আৰু বাসনাহীনতাক "ভিসংখাৰাগতম চিত্তম বুলিছে (বিসংস্কাৰগতম চিত্তম mind released of apprehension caused by sphere of experience - The Dhammapada Oxford Univ Press 1936)। ঐতিহাসিকভাৱে এয়া বুদ্ধৰ শিষ্য আনন্দৰ উল্লেখ। ইয়াৰ পিচত সিদ্ধাৰ্থ গৌতমৰ লঙ্কাৱৰ্ত্ত সূত্ৰ, নিৰ্ব্বাণ সূত্ৰ, সূত্ৰ সদ্ধৰ্ম্ম পুণ্ডৰিক, বিভঙ্গ সূত্ৰ, সমান্ন ফল সূত্ৰ আদি বহু সূত্ৰ (বুদ্ধৰ বাক্য বা

উপদেশ) কালত ত্ৰিপিটকত (দীঘ, মাঝিমা আদি গ্ৰন্থত) ঠাই পায়। বুদ্ধৰ মৃত্যুৰ চাৰিশ বছৰৰ ভিতৰত বৌদ্ধ ধৰ্ম্ম বহু শাখা উপশাখাত বিভক্ত হয় আৰু প্ৰতিটো শক্তিশালী শাখাৰ প্ৰতিষ্ঠাতাৰ নিজস্ব দৰ্শন বৌদ্ধ দৰ্শন বুলি চলাই দিব ধৰিলে। এনে অসৎভাৱে যোগ কৰা সূত্ৰৰ বাদেও, মূল সূত্ৰৰ ব্যাখ্যা ভিন্ন ভিন্ন ভাৱে কৰা হেতুকেও বুদ্ধ সূত্ৰবোৰৰ প্ৰাথমিক অৰ্থ কৰবাতে ৰ'ল।

বিখ্যাত জাপানী বৌদ্ধ পণ্ডিত ডাইচেৎছু চুজুকিৰ মতে অমিশ্ৰিত মূল বৌদ্ধ দৰ্শন অনুসৰি মাত্ৰ তলৰ তথ্য কেইটি প্ৰকৃত মৌলিক সত্য ‌০

১) এই জগতৰ সকলো কথাই, আনকি অনুভূতিও অস্থায়ী। স্কন্ধসৃষ্ট বিজ্ঞান সৰ্ব্বদা পৰিবৰ্ত্তনশীল আৰু অস্থায়ী।

২) বিজ্ঞানলব্ধ সমস্ত জ্ঞান ক্লেশ আৰু বেদনাৰ উৎস, সেয়েহে প্ৰজ্ঞাযুক্ত ব্যক্তিয়ে তাক উপেক্ষা কৰি শুদ্ধ পথ লয়।

৩) সকলো কথাই (ধম্ম) আত্মহীন (অনাত্তা), প্ৰজ্ঞাযুক্ত ব্যক্তিয়ে তাকে বুজি শুদ্ধ পথ লয়। অনাত্ম (নিৰাত্ম বা নৈৰাত্ম) উপলব্ধিৰ বাবে বিদ্যা (knowledge) যথেষ্ট নহয়। ব্যক্তিয়ে নিজে দেখি (পস্য - পালি পচ্চ) উপলব্ধি কৰিব লাগিব - সেয়েই প্ৰজ্ঞা।

৪) প্ৰজ্ঞাৰ দ্বাৰা সংসাৰৰ অস্থায়ী আৰু দুঃখদায়ক ৰূপৰ সম্পূৰ্ণ হৃদয়ঙ্গম কৰাটোয়ে তথতা জ্ঞান (as it is or reality)

৫) তথতা জ্ঞানেই প্ৰকৃত বৌদ্ধৰ আনন্দৰ উৎস।

(Mysticism Christian & Buddhist - Daisetsu T Suzuki Mandala Books - 1957) চুজুকী নিজে এজন ধ্যানপন্থী সন্যাসী (Zen) ৰূপে পঞ্চম নীতিৰ ওপৰত অধিক গুৰুত্ব দিছে।

বৌদ্ধ ধৰ্ম্মৰ পঞ্চ স্কন্ধ হ'ল ১) বিষয় প্ৰপঞ্চ ৰূপস্কন্ধ, ২) বিষয়জ্ঞান প্ৰপঞ্চ বেদনা স্কন্ধ, ৩) আলয় বিজ্ঞান প্ৰপঞ্চ, ৪) বাসনা প্ৰপঞ্চ, ৫) সংস্কাৰ স্কন্ধ।

ন আত্ম = অনাত্ম (অনাত্তা = মুনিদত্তৰ ভাষ্যৰ নৈৰাত্মা = নৈৰামণি ?) লৈ বৌদ্ধ দৰ্শনৰ জটিল সমস্যা উদ্ভৱ হ'ল। আত্ম (self) যেতিয়া নাই, আত্মা (soul) থকাটোও সম্ভৱ নহয়। তেন্তে স্থূলত কোনে পুনৰ্জন্ম গ্ৰহণ কৰিব ? এই সমস্যা সমাধানৰ বাবে কাশ্যপীয় (গৌতম বুদ্ধৰ প্ৰধান শিষ্য

মহাকাশ্যপৰ নাম অনুযাযী) শাখাৰ, সৌতান্ত্ৰিক বা সংক্ৰান্তিবাদী (য'ত পুনৰ জন্মৰ দ্বাৰা ক্ৰান্তি হয) উপশাখাই পুদ্‌গল আত্মৰ অস্তিত্ব স্বীকাৰ কৰি ললে। পুদ্‌গল আত্ম, অনাত্মৰ আত্মতকৈ পৃথক হ'ল যে পুদ্‌গল আত্ম নিৰ্গুণ, ই সূক্ষ্ম আৰু নবজন্মত আন সকলো পৰিবৰ্ত্তন হলেও পুদ্‌গল আত্ম অপৰিবৰ্ত্তিত থাকে। অৰ্থাৎ উপনিষদৰ নিগুণ পৰমব্ৰহ্মৰ অংশ স্বৰূপ সূক্ষ্ম আত্মা জন্ম-জন্মান্তৰ অপৰিবৰ্ত্তিত ৰূপত ৰৈ যাব, পৰিবৰ্ত্তন হ'ব কেবল ৰূপৰ। শ্ৰীভগৱদ্‌গীতাৰ ক্ষেত্ৰ-ক্ষেত্ৰজ্ঞ বিভাগ যোগৰ ব্ৰহ্ম আৰু আত্মাৰ সংজ্ঞা বৌদ্ধ মতৰ লগত একে। হিন্দু আৰু বৌদ্ধ দৰ্শন খ্ৰীষ্টপূৰ্ব্ব ২য ৰ পৰা খ্ৰীষ্টাব্দ ২য় লৈ এনে ধৰণে সাঙোৰ খালে যে কোনটো কাৰ ধৰিব নোৱাৰা হ'ল।

মূল বৌদ্ধ দৰ্শন মতে স্কন্ধৰ (ইন্দ্ৰিযভিত্তিক অভিজ্ঞতা) ভিত্তিত সংস্কাৰৰ সৃষ্টি হয। মূলতে সকলো সংঘটনেই নিৰ্গুণ বা শুদ্ধ (চিঅৰাজ সহাবে মুকল-চৰ্যা-৩২, ছডগই সঅল সহাবে সুধ-চৰ্যা-৯)। যোগাচাৰী বৌদ্ধ দৰ্শনে আলয় বিজ্ঞানৰ সংজ্ঞা মহাসংঘিকাৰ পৰা ধাৰ কৰিলে য'ত আলয় বিজ্ঞান কেৱল ধাৰ্য্য আৰু ধাৰক জ্ঞানৰ সৃষ্টি কৰে। যোগাচাৰ দৰ্শনৰ অন্যতম প্ৰতিষ্ঠাতা বসুবন্ধুৰ বিজ্ঞানপতেমাত্ৰাতা-সিদ্ধি গ্ৰন্থই ইন্দ্ৰিয গ্ৰাহ্য জগতৰ (স্কন্ধজাত বিজ্ঞানৰ) সত্য বা অস্তিত্ব সম্পূৰ্ণ অস্বীকাৰ কৰে। সত্য কেবল চিত্তজাত বিজ্ঞানৰ সৃষ্টি (চিত্তমাত্ৰা-বিজ্ঞান মাত্ৰা)। আলযবিজ্ঞানে ইন্দ্ৰিযজ্ঞাত পৰিবৰ্ত্তন গ্ৰাহ্য কৰে কিন্তু এই আলয় বিজ্ঞান সৰ্ব্বসমযতে পৰিবৰ্ত্তনশীল বোধ। সাধাৰণ ভাষাত, মানুহৰ মনটোৱে যেতিযা যি কোনো সংঘটন যি ভাবে গ্ৰহণ কৰে সেযে তাৰ ৰূপ। মূলতঃ ঘটনাৰ নিজস্ব কোনো অনুভূতি সৃষ্টি ক্ষমতা নাই। অৰ্থাৎ সুখ-দুখ, আনন্দ-শোক, প্ৰাপ্তি-ক্ষতি, মনে যি ভাবে লয সেযেই তাৰ ৰূপ। প্ৰকৃততে সমস্তই শূন্য বা নিৰৰ্থক। এই সৰ্ব্বশূন্যতা জ্ঞানে সাধকক নিৰানন্দৰ পৰা আঁতৰাই ৰাখি সাধকৰ সুখৰ উৎস হ'ব। পুদ্‌গল আত্মাৰ কোনো প্ৰযোজন নাই যিহেতু বাসনাৰ পৰা পুনৰ্জন্ম হয, বাসনাহীনতাই নিৰ্ব্বাণ আৰু এই সমস্ত বাসনাহীনতা সৰ্ব্বশূন্য বোধৰ পৰাই উৎপত্তি হয।

মহাসংঘিকাৰ পৰা ফাটিযোৱা আন এটা শাখা যাৰ প্ৰতিষ্ঠাতা আৰ্য্য নাগাৰ্জ্জুন তেখেতে মধ্যমিকা বৌদ্ধ দৰ্শন প্ৰতিষ্ঠা কৰিলে যাৰ মতে অস্তিত্ব যি দৰে নাই, অনস্তিত্বও সিদৰেই নিষ্প্ৰয়োজন। অস্তিত্ব অনস্তিত্ব দুযোটাই আপেক্ষিক অৱস্থা (" ভাব ন হোই অভাব ণ জাই" চৰ্যা ২৯, " ভাবাভাব বলাগ ন ছুধ" - চৰ্যা ৯) । আলয বিজ্ঞান আৰু চিত্তমাত্ৰাৰ মাজত পাৰ্থক্য নাই। তাৰ প্ৰতিবাদত যোগাচাৰী সাধক ভুসুকুপাদে গাইছে "ভাবাভাব হং দল দলিআ" (চৰ্যা

৩০) অৰ্থাৎ অস্তিত্ব আৰু অস্তিত্বহীনতাৰ মাজৰ দাৰ্শনিক সংঘাত অন্ত (মানসক নিৰ্গুণ আৰু নিষ্কাম) কৰিলে ভাব আৰু অভাবৰ দ্ব নিজে নিজেই অন্ত হ'ব।

উচ্চ ক্ৰিয়া তন্ত্ৰ, মধ্যমিকাৰ পৰা উৎপন্ন যদিও অন্তত বৌদ্ধ যোগাচাৰ দৰ্শনৰ লগত একে হৈ যায। সেযেহে মুনিদত্তৰ টীকা ভাষ্যত শেষত নি সকলো যোগাচাৰী সৰ্ব্বশূন্যত পেলায। পুদ্গল আত্মৰ অস্তিত্বও তেখেতে অস্বীকাৰ কৰে আৰু নৈৰাত্মক সৰ্ব্বাধিক গুৰুত্ব দিলে - আনকি যি বোৰ ক্ষেত্ৰত এই দৰ্শন প্ৰযোজ্য নহয তেনে স্থলতো। বৰ্ত্তমান চৰ্যাগীত সংগ্ৰহৰ কেবাটাও গীত চৰ্যাকাৰ সকলে নিজৰ শাখাক প্ৰশংসা কৰি আৰু আন বৌদ্ধ তন্ত্ৰক অসাৰ বা নিষ্ফল বুলি বৰ্ণনা কৰিছে।

যেতিযালৈকে চৰ্যাগীতৰ ৰচক সকলে বিষযবস্তু মন্ত্ৰযানতে আবদ্ধ ৰাখিছে, মুনিদত্তই তথাপি মোটা-মুটি গীতৰ মৰ্মাৰ্থ বুজি পাইছিল, কিন্তু বজ্ৰযানৰ সমৰ্থক চৰ্যাগীতৰ ভাষ্য লিখিবলৈ গৈ তেখেত অথৈ পানীত পৰিল। বজ্ৰযান বৌদ্ধ তন্ত্ৰৰ দৰ্শনৰ মৌলিক তত্ত্ব, হয তেখেতে বুজা নাছিল অথবা জানিও উপেক্ষা কৰিছিল। হেবজ্ৰতন্ত্ৰ, ৰতিবজ্ৰ, আগম শাস্ত্ৰ (গ্ৰন্থৰ নামোল্লেখ নাই) আদি শাস্ত্ৰৰ উল্লেখে প্ৰমাণ কৰে মুনিদত্ত বজ্ৰযান সম্বন্ধে সম্পূৰ্ণ অজ্ঞ নাছিল কিন্তু সতঃপ্ৰমাণিত আন তন্ত্ৰ সমৰ্থক চৰ্যাগীত নিজৰ গোষ্ঠীৰ দৰ্শনেৰে ব্যাখ্যা কৰিব গৈ হাস্যকৰ পৰিস্থিতিৰ উদ্ভৱ হৈছে। অৱশ্যে চৰ্যাগীত অশুদ্ধ ৰূপে বুজাৰ দোষ সদায কেবল মুনিদত্তৰ নহয (কৃষ্ণাপাদৰ চৰ্যাগীত নং ১২ আৰম্ভ হৈছে - " "কৰুণা পিহাড়ি খেলহুঁ নয বল।" মুনিদত্তই স্পষ্ট ভাবে ব্যাখ্যা কৰিছে "পুনৰপি তমেবাৰ্থং দ্যুতক্ৰীড়াধ্যানেন প্ৰকথযন্তি কৃষ্ণাচাৰ্য্যপাদাঃ"। দ্যুতক্ৰীড়াৰ অৰ্থ পাশা খেল। নয-বল শব্দৰ অৰ্থ নয = দ্যুত ক্ৰীড়া বিশেষ (বাংলা শব্দবোধ অভিধান), বল = সৈন্য, বল বিন্যাস। দ্ব্যৰ্থহীন ভাবে "দ্যুত ক্ৰীড়া"" বোলাৰ পিচতো ভাৰতৰ সমস্ত " বিদগ্ধ পণ্ডিতে" তাক দাবা খেল কৰিছে। দাবাৰ গুটি পিহি নেখেলে, পাশাৰ গুটি পিহি মাৰে। যদিও মুনিদত্তই যে বহু স্থলত অশুদ্ধ পথ দেখুৱাইছে ই অনস্বীকাৰ্য্য।

বৌদ্ধ মন্ত্ৰযান আৰু বজ্ৰযান দৰ্শন :

সিদ্ধাৰ্থ গৌতমে প্ৰচাৰ কৰা বৌদ্ধ ধৰ্ম্মত ভগৱান, দেব-দেৱী, তপস্যা বা মন্ত্ৰৰ কোনো উল্লেখ নাই। আনহাতে সিদ্ধাৰ্থ গৌতমে কপিলাবস্তু এৰাৰ পৰা বোধি (জ্ঞান) পোৱাৰ মাজৰ ছয বছৰ কাল কৃচ্ছ্ৰ সাধনাৰে জপ-তপ তপস্যা কৰিছিল। সিদ্ধাৰ্থ গৌতমে কি ধৰণে তপস্যা কৰিছিল তাৰ বিতং বিৱৰণ পোৱা নাযায় যদিও জনশ্ৰুতি আৰু সমসাময়িক হিন্দু আৰু জৈন শাস্ত্ৰৰ পৰা জনা যায, সন্যাসী সকলৰ অৰ্দ্ধাহাৰ, পৰ্ণাহাৰ, অনাহাৰ, নিৰম্বু তপস্যা, অনিদ্ৰা, পঞ্চতপাঃ,

শ্বাস নিযন্ত্ৰণ (প্ৰাণাযাম) আদি কাৰ্য্য ধৰ্ম্ম সাধনাৰ ভিত্তি আছিল। অকঠোৰ ব্ৰতধাৰী সন্যাসী আৰু সাধাৰণ ব্যক্তিযেও পূজা (ভক্তি), জপ মন্ত্ৰ আৰু প্ৰাণায়াম, আৰু ধ্যান (মনঃ সংযম) অভ্যাস কৰিছিল। "মন্ত্ৰ" হ'ল অৰ্থপূৰ্ণ অথবা অৰ্থহীন, উদ্দেশ্যপূৰ্ণ বা উদ্দেশ্যহীন স্ফুট বা অস্ফুট, সবিৰাম বা বিৰামহীন ভাবে উচ্চাৰণ কৰা শব্দৰ লানী। মন্ত্ৰৰ ব্যবহাৰ প্ৰাক ঐতিহাসিক আৰু পৃথিৱীৰ সকলো ধৰ্ম্মতে আৰু সকলো জনগোষ্ঠীৰ মাজতে প্ৰচলিত। গৌতম সিদ্ধাৰ্থই মন্ত্ৰক বিশেষ গুৰুত্ব নিদিযা সত্বেও বুদ্ধৰ জীৱিত কালতে - বুদ্ধৰ উপদেশ মূলক বাণী সমূহ বৌদ্ধ ভিক্ষু সকলে সুৰ ধৰি গাইছিল আৰু সেয়েই মন্ত্ৰৰ স্থান লৈছিল (বৌদ্ধ মন্ত্ৰক সাধাৰণতে "ধৰণী" বোলা হয। অসমীযা ভাষাত সাপৰ বিষ জাৰা মন্ত্ৰক ধৰণী বোলা হয)।

বুদ্ধৰ মৃত্যুৰ পিচতেই বুদ্ধ বাণী সমূহ আৰু আনুসঙ্গিক কথা বুদ্ধৰ প্ৰধান শিষ্য মহাকাশ্যপৰ অনুগামী সকলে মন্ত্ৰৰ ৰূপত উচ্চাৰণ কৰিবলৈ ললে আৰু সেযেই বৌদ্ধ মন্ত্ৰযানৰ উৎস। মন্ত্ৰযান নামৰ বিশেষ শাখাৰ উদ্ভৱ নোহোৱাৰ কাৰণ স্থবিৰবাদিৰ পৰা আৰম্ভ কৰি ওঠৰটা প্ৰধান বৌদ্ধ শাখাই কম বেছি পৰিমানে মন্ত্ৰৰ প্ৰযোগ কৰিছিল। এনে শাখা প্ৰশাখা বোৰৰ ভিতৰত মহাসংঘিকা সকলে বুদ্ধৰ মৃত্যুৰ দুশ বছৰৰ ভিতৰতে শ শ মন্ত্ৰ সংগ্ৰহ কৰি "ধৰণী পিটিকা" সঙ্কলন কৰে। খ্ৰীষ্টাব্দ দ্বিতীয শতিকাৰ এনে মন্ত্ৰ সংগ্ৰহ মঞ্জুশ্ৰী মূলকল্প আৰু চতুৰ্থ শতিকাত বুদ্ধ জ্ঞানৰ মঞ্জুশ্ৰীমুখকল্প মন্ত্ৰযানৰ দুখন ভিত্তি শাস্ত্ৰৰূপে স্বীকৃত হ'ল। ইযাৰ লগতে আৰ্য্য নাগাৰ্জ্জুনৰ মধ্যমিকা দৰ্শন আৰু "প্ৰাণাযাম ক্ৰিয়া" যোগ হৈ মঞ্জুশ্ৰীমূল তন্ত্ৰত পৰিণত হ'ল, যাক আমি উচ্চ ক্ৰিয়াতন্ত্ৰ ৰূপে অভিহিত কৰিছোঁ। বৌদ্ধ মন্ত্ৰযানৰ পথ পূজা (ভক্তি), মন্ত্ৰ (জপ) আৰু প্ৰাণাযাম। সাধনাৰ উদ্দেশ্য এই তিনি উপাযেৰে চিত্তলৈ শূন্যতাবোধ আনযন যাৰ দ্বাৰা মনত অনাবিল আনন্দৰ উদ্ভৱ হ'ব। ইযাৰ বোধিচিত্তৰ সংজ্ঞা আৰ্য্য নাগাৰ্জ্জুনে দিছে (বোধিচিত্ত বিবৰণ)। মন্ত্ৰযানৰ সাধনাত সাধক আৰু গুৰুৰ বাদে তৃতীয ব্যক্তিৰ স্থান নাই।

বজ্ৰযান :

2500 Years of Buddhism (Govt of Ind pub Drv 1956) এখন প্ৰামানিক গ্ৰন্থ। এই গ্ৰন্থত Anagarika Govinda মহোদয়ে Principles of Tantric Buddhism আৰু H V Guenther মহোদয়ে Mantrayana and Sahajayana নামৰ দুটি মূল্যবান প্ৰবন্ধ প্ৰকাশ কৰে। বৰ্ত্তমান লিখকে এই লিখক দ্বয়ৰ লগত বহুকথাতে একমত নহলেও, চৰ্যাগীতৰ অনুসন্ধিৎসু সকলৰ বাবে এই দুটি প্ৰবন্ধ অবশ্যে পঠনীয়। গোবিন্দ অঙ্গৰিকাৰ বিশ্বাস "It seems probable that Buddhist Tantric system had crystallized

into definite form by the end of the third century A D , as we see from the well known Guhya -Samava Tantra " (p 362)। বাস্তৱতে তন্ত্ৰ ব্যৱস্থা বুদ্ধ জীৱিত কালতো এচাম বৌদ্ধ ভিক্ষুৰ মাজত প্ৰচলিত আছিল। বৌদ্ধ তন্ত্ৰৰ মূল লক্ষ তথতা 'উদ্ভৱ পথিকা' সকলে খ্ৰীষ্টপূৰ্ব দ্বিতীয় শতিকাত উদ্ভৱ কৰিছিল। মহাশূন্যতাবাদীন আৰু বেতুল্যক শাখাৰ অনুগামী সকলে বিশ্বাস কৰিছিল "Buddha or the Sangha had no real existence but were merely abstract ideas They are also credited with the view, which seems to be influenced by the Tantric schools, that sex relations may be entered upon out of compassion even in the case of recluses " (2500 Yrs of Buddhism P 119)। দেখা যায় তান্ত্ৰিক বৌদ্ধ ধৰ্ম্ম এক সমান্তৰাল ধৰ্ম্ম যি কেবল নামত হে বৌদ্ধ ধৰ্ম্ম। তান্ত্ৰিক দৰ্শন আৰু পন্থা সি বৌদ্ধ হওক, শাক্ত হওক বা শৈব হওক, স্বভাৱতে স্বাধীন পন্থা আৰু দৰ্শন । তাক কেবল চিনাক্ত কৰণৰ সুবিধাৰ্থে বিভিন্ন নাম দিয়া হয়। তিনিওটা পন্থাই এনে ভাবে ওতঃপ্ৰোতঃ ভাৱে জড়িত যে তাক পৃথক কৰাটো অসম্ভৱ। নাম সমূহো একে মূলৰ পৰা উদ্ভৱ। হৰ = হেৰুক ; শম্ভু = সাম্ভাৰা , সৰস্বতী = ব্ৰাহ্মণী = ব্ৰাহ্মী = বাক্‌দেৱী = বাগ্‌দেৱী = বোগলা = বগলাদেৱী ইত্যাদি। ঐতিহাসিক ভাবে খ্ৰীষ্টাব্দ চতুৰ্থ, পঞ্চম শতিকাত মন্ত্ৰযানৰ পৰা পৃথক হৈ বজ্ৰযান ওলাল যদিও ই মন্ত্ৰযানৰ উপাঙ্গ হৈ ৰ'ল। বজ্ৰযান মন্ত্ৰযানৰ পৰা সম্পূৰ্ণ পৃথক হ'ল কেবল অনুত্তৰ আৰু মহা-অতি তন্ত্ৰ ব্যৱস্থাত যি দুটা তন্ত্ৰই ধৰ্মীয় যৌনাচাৰ স্বীকাৰ কৰে। মন্ত্ৰযানৰ আন শাখা বোৰৰ বাবে ই নিকৃষ্ট কৰ্ম্ম। বজ্ৰযানৰ দ্বিতীয় মূলতত্ব, অনুভূতিৰ দ্বাৰা হঠাতে জ্ঞান প্ৰাপ্তি (sudden illumination) মন্ত্ৰযানৰ আন শাখা বোৰেও স্বীকাৰ কৰে।

বজ্ৰযান শব্দই বুজায় যে সাধকে বজ্ৰবৎ পন্থাক নিজৰ সাধনাৰ পথ স্বৰূপে বাছি লয়। "বজ্ৰ " শব্দৰ সংস্কৃত ভাষাত দুটা প্ৰধান অৰ্থ আছে অশনি বা আকাশৰ বিদ্যুৎ (thunder) , ইয়াৰ সমাৰ্থ শব্দ "কুলিশ" সঘনে বৌদ্ধ তন্ত্ৰ শাস্ত্ৰত তথা চৰ্যাগীতত পোৱা যায়। বজ্ৰৰ আনটো অৰ্থ হীৰক বা হীৰা (diamond, adj adamantine) এই শব্দৰ প্ৰয়োগ বৌদ্ধ শাস্ত্ৰ বা চৰ্যাগীতত দেখা নাযায়। আনহাতে পণ্ডিত সকলে ইংৰাজী ভাষালৈ বৌদ্ধ শাস্ত্ৰ অনুবাদ কৰিলে vajrasiddhi = adamantine siddhi ৰূপত অনুবাদ কৰে। এই সূক্ষ্ম পাৰ্থক্য বুজাটো সহজ নহয়। আকাশৰ বজ্ৰই (thunder) যেনেকৈ অন্ধকাৰ আকাশক হঠাতে উদ্ভাসিত কৰি তোলে, সাধকৰ মনত তেনেদৰে হঠাতে জ্ঞান উদ্ভাসিত

হৈ সাধকে প্ৰজ্ঞা বা বোধি লাভ কৰে যিযে মনৰ সমস্ত অন্ধকাৰ বা সংস্কাৰ আঁতৰাই সাধকক বোধিচিত্ত দান কৰে। চিত্তগত ভাৱে তেওঁ বুদ্ধত্ব লাভ কৰে। পৰম্পৰাগত বুদ্ধ ধৰ্মৰ জন্ম-জন্মান্তৰ সৎ কৰ্মৰ সহায়ত নিৰ্বাণ প্ৰাপ্তিৰ প্ৰয়োজন সাধকৰ নহয় - সেযেহে এই পন্থা হ্ৰস্ব পথ (short path) বোলা হয়। এই নীতি মন্ত্ৰযান-বজ্ৰযানৰ আটাইকেইটা তন্ত্ৰ - ক্ৰিয়া, চৰ্য্যা, যোগাচাৰ, অনুত্তৰা আৰু মহা-অতি তন্ত্ৰই স্বীকাৰ কৰে।

বজ্ৰ শব্দৰ দ্বিতীয় অৰ্থ হীৰা বা হীৰক, ই বজ্ৰ সদৃশ কঠিন, অভঙ্গুৰ, অক্ষয়, পৰিবৰ্তনহীন আৰু বজ্ৰসদৃশ দ্যুতিময় (lusturous)। সেয়েহে বজ্ৰসিদ্ধি হ'ল তেনে সিদ্ধি যাৰ পৰিবৰ্তন নহয় (non reversible siddhi)। এজন ধৰ্মীয় সাধকে যেতিয়া পৰমজ্ঞান পায় (বা পোৱা বুলি ভাবে) তেখেতৰ মনত পৰম আনন্দৰ উদ্ভৱ হয়। সেই আনন্দই, অন্ধকাৰ বা অজ্ঞতাৰ ওপৰত বিজয়ে মন হৰ্ষিত কৰি ৰাখে। সিদ্ধাৰ্থ গৌতমে বুদ্ধত্ব পোৱাৰ পিছত গাইছে "I am the only one who is fully enlightened I am tranquillized I am now in Nirvana ' Dhammapada P 353 as quoted by Suzuki। সিদ্ধাৰ্থ গৌতমৰ জীৱনী পঢ়িলে দেখা যায় তেখেতক ধৰ্মীয় শিষ্য সকলৰ আৰু আত্মীয় স্বজনৰ কন্দলে জীৱনত কেবাবাৰো হতাশ, বিমৰ্ষ আনকি বিতস্পৃহ কৰি তুলিছিল। বৌদ্ধ তন্ত্ৰ সাধকসকলৰ আকাংক্ষা কেৱল বোধিচিত্ত লভিয়েই নহয়, সেই সিদ্ধি চিৰস্থায়ী (non reversible) হ'ব লাগিব যাতে সাধকৰ মনত আৰু দুশ্চিন্তা, অশান্তিৰ সৃষ্টি নহয়। এনে অক্ষয় অপৰিবৰ্তনীয় সুখ পাবলৈ অসফল হৈয়ে চৰ্যাগীত ৰচক সকলে গাইছে —"তব যে মুৰা উঞ্চল-পাঞ্চল" চৰ্যা ২১, "কাজ ণ কাৰণ সসহৰ টালিউ"- চৰ্যা-১৮, অৰুণাগৰণে কাহ্ন বিমন ভইঈলা"- চৰ্যা ৭ ইত্যাদি। বজ্ৰ সিদ্ধিৰ (non reversible sense of joy and tranquility) অভাৱ অৰ্থাৎ স্থায়ী আৰু অচঞ্চল সুখ আৰু উদ্বেগহীনতাৰ অভাৱ মহাসিদ্ধ সকলেও সময়ে সময়ে অনুভৱ কৰিছিল। জপ আৰু প্ৰাণায়ামৰ সাময়িক বিৰামেও সাধকক মানসিক ভাৱে চঞ্চল কৰি তুলিছিল (ডোম্বীএৰ সঙ্গে জো জোই ৰত্তো। খণহ্ ণ ছাড়অ সহজ উন্মত্তো-চৰ্যা-১৯)।

সহজযান, বজ্ৰযান, মন্ত্ৰযান ঃ

H V Guenther (2500 Yrs of Buddhism p 376-381) মহোদয়ে Mantrayana and Sahajayana লিখি সহজযান পন্থা বুলি আন এটি বৌদ্ধ তন্ত্ৰমতক স্বীকৃতি দিলে, এয়া বোধ হয় তেখেতৰ বঙ্গদেশৰ পণ্ডিত সকলৰ ৰচনা পঢ়াৰ ফল। প্ৰকৃততে সহজযান কোনো বৌদ্ধ পন্থা নহয়। 'সহজ'

যাৰ ইংৰাজী অনুবাদ coemergent হোৱা উচিত, সৰহভাগ বঙ্গ দেশৰ "সহজীযা চৰ্যা পণ্ডিত" সকলৰ মতে এক স্বাধীন সাধনা পন্থা। বাস্তবতে ই মাত্ৰ এটা সাধনা সিদ্ধিৰ অৱস্থা। গুন্থাৰ মহোদযে লিখিছে — ' What does Sahaja mean ? The literal meaning is to be born together, but what is it that is born together ? The classical answer has been given by Zla-od-gzhon-nu disciple of the Tibetan scholar and Saint Mi-La-raspa He explains that it is the ultimate in Mind (মানস) the Dharmakaya and ultimate Appearance (ৰূপ, প্ৰকাশ) or the light of the Dharmakaya which are born together Hence, the identity of Reality and Appearance can be realized and experienced only by intuitive processes "। এনে ধৰণৰ ভুল আধুনিক বৌদ্ধ দৰ্শনৰ পণ্ডিত সকলে সঘনে কৰে। তেখেত সকলে পাহৰি যায ধৰ্ম্মীয সন্ত সকলে সাধাৰণতে কেবল নিজৰ পন্থাৰ সংজ্ঞাটোহে প্ৰকাশ কৰে, সি সাৰ্বজনীন আৰু সৰ্বত্ৰ প্ৰযোজ্য সংজ্ঞা নহয। তিব্বতী সাধক Zla-od-gzhon - nu ৰ ধৰ্ম্ম গুৰু আছিল মিলেৰাপা। মিলেৰাপাৰ গুৰু আছিল মাৰপা। মাৰপাৰ গুৰু সিদ্ধ নৰোপা। নৰোপাৰ গুৰু আছিল আকৌ মহাসিদ্ধ তিৰোপা। তিৰোপা আছিল স্থাযী বাসস্থানহীন অবধূত। সাধনা পদ্ধতি আছিল মহা-অতি তন্ত্ৰ পদ্ধতি যি বজ্ৰযানৰ অঙ্গ। তেখেতৰ আৰাধ্যা বজ্ৰযোগিনী আৰু পন্থা " মহামুদ্ৰা" (সাধাৰণ ভাষাত যৌনাচাৰ যুক্ত তন্ত্ৰ সাধনা)। তিৰোপাৰ শিষ্য নৰোপা সেকোদ্দেশ টীকাৰ ৰচক। তেখেত আছিল (অন্ততঃ শেষ জীৱনত) মঠবাসী সন্যাসী শিক্ষক (বিক্ৰমশিলা বিদ্যালযৰ - p 229 - 2500 Yrs of Buddhism) । নৰোপা, অভযঙ্কৰ গুপ্ত, আৰ্য্যদেৱ আদিৰ সৈতে অনুত্তৰ তন্ত্ৰৰ অন্যতম প্ৰতিষ্ঠাপক। তিৰোপাই শূন্যতা ভাবক "বোধিচিত্ত" বুলি কৈছে Tilopa speaks of emptiness he talks of the luminous nature of mind because the unity of emptiness and luminosity that is the nature of mind is sponteneously present in all experience and need not be saught (p 267 Entering the stream - Random house) এযেই তিৰোপাৰ সহজ। নৰোপাৰ 'সহজ' আকৌ তথতা + মহাসুখ। মহাসুখ = শূন্যতা + কৰুণা। নৰোপাৰ শিষ্য মাৰপা বিবাহিত, সাংসাৰিক "লামা" অৰ্থাৎ শিক্ষক আছিল। মাৰপাই লুইপাৰ পৰম্পৰা উচ্চ ক্ৰিয়া তন্ত্ৰ সাধনা কৰিছিল। তেখেতৰ শিষ্য মিলেৰাপা সংসাৰ ত্যাগী যোগাচাৰী তন্ত্ৰৰ সাধক আছিল। আকৌ তাৰে শিষ্যই দিয়া সহজৰ সংজ্ঞা Guenther মহোদয়ে দিছে

- সুখপ্ৰভাস্বৰা নিৰ্ব্বিকল্প যাৰ অৰ্থ তেখেতে কৰিছে - happiness lusture and non dichotomizing thought

এইটো স্পষ্ট প্ৰতীযমান সহজৰ (coemergent) কোনো স্থায়ী সংজ্ঞা নাই। মোটা মুটি ভাবে বিভিন্ন তন্ত্ৰৰ সহজ অনুভূতিৰ সংজ্ঞা তলত দিয়া ধৰণৰ ঃ

ক্ৰিয়া তন্ত্ৰৰ, 'সহজ'= প্ৰজ্ঞা (তথতা জ্ঞান) + সুখ

চৰ্য্যা তন্ত্ৰৰ 'সহজ' = প্ৰশান্তি (ভক্তি জনিত) + সুখ

যোগাচাৰ তন্ত্ৰৰ 'সহজ' = সুখ + শূন্য (শূন্যতা বোধ তথতা উদ্ভুত)

অনুত্তৰ তন্ত্ৰৰ 'সহজ' = তথতা + মহাসুখ (মহাসুখ = শূন্যতা + করুণা)

মহা - অতিৰ 'সহজ' = সহজ অপ্ৰযোজনীয় যিহেতু বোধিচিত্ত অনুভূতি শূন্য।

বৈষ্ণবীয় সহজীয়া প্ৰেম আৰু বৌদ্ধ সহজৰ মাজত আকাশ-পাতাল পাৰ্থক্য তাক বলেৰে টানি নি লগ লগাব নোৱাৰি। বৈষ্ণৱ সহজীয়াৰ অৰ্থ প্ৰাকৃতিক, স্বাভাৱিক, নৈসৰ্গিক অথবা অনাযাসসিদ্ধ - বৌদ্ধ সহজ কষ্টাৰ্জ্জিত।

মহা-অতি আৰু অনুত্তৰ তন্ত্ৰ ঃ

বজ্ৰযান পন্থা মন্ত্ৰযানৰ এটা অঙ্গ। যৌনাচাৰ সমৰ্থন কৰা মন্ত্ৰযান তন্ত্ৰৰ পথেই বজ্ৰযান। বজ্ৰযানৰ দুটা শাখাৰ এটা মহা-অতি (কোনো পণ্ডিতৰ মতে মহা আৰু অতিৰ মাজত কিছু পাৰ্থক্য আছে), আনটো অনুত্তৰ তন্ত্ৰ। মহা-অতি তথাকথিত অতি গুহ্য তন্ত্ৰ। এই সাধনা শিক্ষা কেৱল মৌখিক ভাৱে শিষ্যক দিয়া হয়, (oral instruction), সেযেহে তাৰ লিখিত শাস্ত্ৰ দুষ্প্ৰাপ্য। মহাসিদ্ধ পদ্মসম্ভৱ (গুৰু ৰিন্‌পোচে), মহাসিদ্ধ তিৰোপা এই সাধনাত সিদ্ধি লভিছিল বুলি বিশ্বাস কৰা হয়। পদ্মসম্ভৱে তেখেতৰ সাধনা সঙ্গিনী চৌগীযাল খাৰচেনক দিয়া উপদেশ, তিৰোপাই শিষ্য নৰোপাক দিয়া উপদেশ আদিৰ অংশ বিশেষ মাত্ৰ লিখিত ভাবে পোৱা যায়। পদ্মসম্ভৱ আৰু বিমলমিত্ৰক এই পথৰ প্ৰতিষ্ঠাতা ৰূপে গণ্য কৰা হয়। মহা-অতি তন্ত্ৰত সিদ্ধ ব্যক্তিৰ বাবে ধ্যানমগ্ন আৰু ধ্যানহীন অৱস্থাৰ কোনো পাৰ্থক্য নাই তেখেতৰ জীৱনটোই সমস্ত কালতে ধ্যানপূৰ্ণ। অস্তিত্ব - অনস্তিত্ব, ধৰা আৰু এৰি দিয়াৰ মাজত কোনো পাৰ্থক্য নাই। শূন্যতা বোধ চিত্তত অনাৰ পিচত "It is a mistake to try to concentrate on emptiness and after meditation intellectually to regard everything as a mirage" (Jigme Lingpa p 287 Entering the stream -

Random House 1993) **"temporary realization is like a mist which will surely disappear" p 288** মহা-অতি তন্ত্ৰত যৌনাচাৰ সিদ্ধ, কিন্তু তাৰ প্ৰযোগ এনেদৰে গোপন কৰি ৰাখে যে বাহিৰৰ পৰা একো জানিব নোৱাৰি।

পদ্মসম্ভৱৰ ভাৰতবৰ্ষৰ পৰা তিব্বত গমন আৰু তিৰোপাৰ শিষ্য নৰোপাৰ অনুত্তৰ তন্ত্ৰ সাধনা পথ নিৰ্বাচন কৰাৰ পিছত ভাৰতবৰ্ষত বজ্ৰযান বুলিলে অনুত্তৰ তন্ত্ৰকেই বুজোৱা হ'ল। অনুত্তৰ তন্ত্ৰৰ মূল শাস্ত্ৰৰ ভিতৰত শ্ৰীসমাজ তন্ত্ৰ, পিচলৈ গুহ্যসমাজ তন্ত্ৰ, হেবজ্ৰতন্ত্ৰ, শেকোদ্দেশটীকা (নৰোপাৰ), অনুত্তৰ যোগ তন্ত্ৰ (বুদ্ধকল্পৰ) বজ্ৰ পঞ্জৰ, আৰ্য্যদেৱৰ প্ৰদীপোদ্যটন টীকা ভাষ্য আদি বহু তন্ত্ৰ শাস্ত্ৰ পোৱা যায় তাৰ সৰহ ভাগেই গুৰুৰ ব্যাখ্যা নহ'লে সাধাৰণ পাঠকৰ বাবে দুৰ্বোধ্য। F. D Lessing আৰু A Wayman ৰ মতে মহা (যোগ) তন্ত্ৰ অনুত্তৰ তন্ত্ৰৰে অংশ। কালচক্ৰ তন্ত্ৰ, হেবজ্ৰ তন্ত্ৰ, মঞ্জুশ্ৰী মুখ গাম আৰু চৰ্য্যামেলাপকপ্ৰদীপা (যি আৰ্য্যদেৱ লিখিত ভাষ্য) গ্ৰন্থ কেইখন দুযোটা শাখাৰ মৌলিক শাস্ত্ৰ। অনুত্তৰ তন্ত্ৰ বজ্ৰযানৰ মূল তন্ত্ৰ ৰূপে প্ৰতিষ্ঠিত হলেও প্ৰকৃততে ই "বেতুল্য" শাখাৰ উত্তৰাধিকাৰী, যি গৌতম বুদ্ধৰ মৃত্যুৰ দুশ বছৰৰ ভিতৰতে উত্তৰ শাখাক (উত্তৰ ভাৰতৰ বৌদ্ধ ভিক্ষু - পাঞ্জাব, কাশ্মীৰ, আফগানিস্থান) সকলৰ মাজত প্ৰাধান্য পাইছিল। অনুত্তৰ আৰু বেতুল্য নাম দুটাও সমাৰ্থক (বেতুল্য = যাৰ তুলনীয় নাই, অনুত্তৰ = যাৰ শ্ৰেষ্ঠ নাই)। বেতুল্য সকলৰ ধৰ্ম্মনীতি মতে **that sexual relations may be entered upon out of compassion, even in the case of recluse (p 119 2500 Yrs of Buddhism)**। এই এটা বাক্যতে অনুত্তৰ তন্ত্ৰৰ সমস্ত দৰ্শন লুকাই আছে। সাধকে যৌন সঙ্গমত লিপ্ত হ'ব পাৰে, কিন্তু তাৰ উৎস যৌনস্পৃহা নহয় - compassion অৰ্থাৎ কৰুণা হ'ব লাগিব।

অনুত্তৰ তন্ত্ৰৰ দৰ্শন জীৱনে শিকোৱা ফলিত দৰ্শন। বৌদ্ধ আৰু আন ধৰ্ম্ম সমূহতো য'ত সাধকৰ ব্ৰহ্মচৰ্য্যৰ ওপৰত অত্যধিক গুৰুত্ব দিয়া হয়, দেখা যায় একাংশ ব্ৰহ্মচাৰী সাধক অত্যন্ত ক্ৰূৰ, অধৈৰ্য্য, অসহিষ্ণু, সঙ্কীৰ্ণমনা হৈ উঠে। ইযাৰ লগতে যেতিয়া বৌদ্ধ অনাত্ম (no self) আৰু সৰ্ব্বশূন্যতাবোধ (everything is void or universal void) যোগ হয়, সাধকৰ মনত নৈৰাশ্য (despondency), নিৰৰ্থকতা, উদ্দেশ্যহীনতাই (aimlessness) গঢ় লয়। সাধকৰ জীৱন দৰ্শন নেতিসূচক আৰু ধ্বংসাত্মক হোৱাৰ (nihilistic) ভয় থাকে। কিছু সংখ্যক সাধকে এনে মানসিক অৱস্থাত সন্যাস ত্যাগ কৰে, অথবা আত্মহত্যা কৰাও দেখা যায়। শূন্য অনুভূত সাধকৰ মানসিক অৱস্থা বৰ্ণনা কৰি চৰ্য্যাগীত

ৰচক মহীধৰপাদে গাইছে (চৰ্যা নং ১৬) "খৰৰবি - কিৰণ- সন্তাপে ৰে গঅণাঙ্গ গই পইঠা।" ইযাত গঅণাঙ্গণ = গগন + অঙ্গন = শূন্যবোধৰ ভূমি। যাৰ অৰ্থ, শূন্যতা বোধে তীব্ৰ ৰবিৰ কিৰণৰ দৰে জ্বালাৰ সৃষ্টি কৰে। আৰ্য্যদেৱে (চৰ্যা নং ৩১) ৰচিছে "চান্দৰে চান্দকান্তি জিম পড়িভাসঅ। চিঅ বিকৰণে তহি টলি পইসই।।" অৰ্থাৎ চন্দ্ৰৰ চন্দ্ৰদ্যুতি প্ৰতিভাত হয়, চিত্ত ৰোগগ্ৰস্ত হৈ অস্থিৰতাত প্ৰবেশ কৰে। যাৰ ব্যৱহাৰিক অৰ্থ, চন্দ্ৰ মণ্ডলত প্ৰবিষ্ট (ধ্যানমগ্ন) চিত্তইও ৰোগগ্ৰস্ত অস্থিৰতা প্ৰকাশ কৰে। চিকিৎসা স্বৰূপে আৰ্য্যদেৱে উপদেশ দিছে — "ছাড়িঅ ভয ঘিণ লোআচাৰ। চাহন্তে চাহন্তে সুণ বিআৰ"।। — ভয়,ঘিণ, লোকাচাৰ এৰা আৰু শূন্যতা বোধৰ স্পৃহাও ত্যাগ কৰা। ইযাৰ নিহিত অৰ্থ — সম্পূৰ্ণ শূন্যতাবোধে সাধকৰ মনত সৃষ্টি কৰা মানসিক অশান্তি দূৰ কৰিবলৈ শূন্যতাবোধ ত্যাগ কৰি, ভয, ঘৃণা, লোকাচাৰ এৰি কৰ্ম্মমুদ্ৰা ধৰি যৌনাচাৰত অংশ গ্ৰহণ কৰিব লাগিব (চৰ্যাগীতৰ প্ৰায সকলো ভাষ্যকাৰে মহামুদ্ৰা বুলিলে যৌনাচাৰ বুজিছে। বাস্তৱতে 'মহামুদ্ৰা' হ'ল যৌনাচাৰ জনিত সহজজ্ঞান = প্ৰজ্ঞা + মহাসুখ। প্ৰকৃত যৌনাচাৰৰ তান্ত্ৰিক নাম কৰ্ম্মমুদ্ৰা — যি তৃতীয় স্তৰত অভিষেকান্তত প্ৰদৰ্শিত -এযা অনুত্তৰ তন্ত্ৰৰ সজ্ঞা)।

ইযাৰ বিপৰীতে সৰ্ব্বশূন্যতাবাদী যোগাচাৰী চৰ্যাগীত ৰচক সকলে কয যে শূন্যতাবাদৰ প্ৰকৃত অৰ্থ উপলব্ধি নকৰা সকলেহে শূন্যক দুঃখৰ উৎস বুলি ভাবে, শূন্যবোধ প্ৰকৃততে সুখৰ উৎস। সৰহপাদে (চৰ্য্য নং ৩৯) গাইছে, 'সুইণা অবিদাৰঅ ৰে নিঅ মণ তোহোৰে দোসেঁ।" যাৰ অৰ্থ-শূন্য যদি অবিদ্যা (অজ্ঞতা, দুখৰ উৎস) সি তোৰ (সাধকৰ) নিজৰ মনৰ দোষত। অথবা কাহ্নুপাদে ৰচিছে (চৰ্যা ৪২)"চিঅ সহজে শূণ সংপুন্না। কান্ধ বিযোএ মা হোহি বিসন্না।। যাৰ অৰ্থ, চিত্ত শূন্য আৰু সহজেৰে সম্পূৰ্ণ। স্কন্ধ (ইন্দ্ৰিযজাত অনুভূতি) লোপ পোৱা বাবে বিষণ্ণ নহবা। চৰ্যা ২৮ আৰু ৫০ এই দুটা গীত যোগাচাৰী সাধকে যৌনাচাৰ স্বীকাৰ কৰা অনুত্তৰ পন্থী সাধক সকলক উপহাস কৰি ৰচনা কৰিছে। যি কোনো ব্যঙ্গাত্মক অনুকৰণৰ দৰে (lampoon) এই দুটা গীতৰ অৰ্থোদ্ধাৰ কৰা আটাইতকৈ কঠিন।

কোনো কোনো চৰ্যা গীতত যেনে চৰ্যা নং ৩৩ আৰু ৩৭ ত যোগাচাৰীৰ, অনুত্তৰ পন্থীৰ প্ৰতি আক্ৰমণ লুক ঢাক নোহোৱা, পোনপটীয়া। চৰ্যা ৩৩ ত ঢেণ্ঢনপাদে ৰচিছে "বলদ বিআএল, গবিআ বাঁঝে।" যাৰ অৰ্থ, মাতৃতন্ত্ৰ (অনুত্তৰ তন্ত্ৰ), ক্ৰিযা তন্ত্ৰ নিষ্ফল,পিতৃতন্ত্ৰ (যোগাচাৰ তন্ত্ৰ) ফল দাযক। ইয়াত প্ৰশ্ন উঠিব ক্ৰিয়া আৰু অনুত্তৰ তন্ত্ৰক কিয় গবিআ (গাভী) আৰু যোগাচাৰ তন্ত্ৰক বলদ

বোলা হৈছে। যোগাচাৰ দেখ দেখ মন' কেৱলম্ (mind only) পিতৃ তন্ত্ৰ, অনুত্তৰ তন্ত্ৰ নিজক অদ্বৈত তন্ত্ৰ বোলে যদিও বাস্তৱতে মাতৃ তন্ত্ৰৰ প্ৰাধান্য অধিক। ক্ৰিয়া তন্ত্ৰ সম্পূৰ্ণ ভাৱে মাতৃ তন্ত্ৰ। চৰ্যা ৩৭ গীতত তাডকপাদে আৰু ৰূঢ় ভাবে কৈছে - "বাগু কুৰগু সন্তাৰে জাণী। বাকপথাতীত কাঁহি বখাণী।। ভণই তাডক এথু নাহিঁ অবকাশ। জো বুঝই তা গলেঁ গলপাস।।" ইযাৰ বিতং অৰ্থ গীতৰ লগতে দিয়া হৈছে। সংক্ষিপ্তভাবে, যৌনাচাৰৰ পৰা অবৰ্ণনীয আনন্দ পোৱা যায যদিও, সেই সুখৰ স্মৃতিযে সাধকৰ ডিঙিত ফাঁচৰ দৰে লাগি ধৰিব।

এনে ধৰণৰ যোগাচাৰ আৰু অনুত্তৰ তন্ত্ৰৰ অৰিযা অৰি ভিত্তিক চৰ্যা গীতৰ সংখ্যা কাৰিকৰী চৰ্যাগীতৰ পিচতে সৰ্ব্বাধিক।

কাৰিকৰী চৰ্যা ঃ

কাৰিকৰী চৰ্যা যেনে চৰ্যা ন. ৩,৪,৭,৮,৯ আদি চৰ্যাগীতে নিজৰ নিজৰ সাধনা পথৰ কাৰিকৰী দিশ বৰ্ণনা কৰিছে যিবোৰৰ অৰ্থ বহুসমযত ভাষা জ্ঞানৰ পাণ্ডিত্যৰে বুজাটো সম্ভব নহয। উদাৰণ স্বৰূপে চৰ্যা ন. ৪ গুণ্ডৰীপাদে লিখিছে - " মণিকুলে বহিআ ওডিআণে সমাঅ।" আদিভাষ্যকাৰ মুনিদত্তকে ধৰি বহু পণ্ডিতে তাক "শুদ্ধ" কৰি "মণিমূল" (মণিমূলাদূৰ্দ্ধং গত্বা গত্বা মহাসুখচক্ৰে অন্তৰ্ভবতীতি) কৰিছে। প্ৰকৃততে 'মণিকুল" সম্পদ কুলৰ (পৌষ্টিক কুলৰ) তন্ত্ৰৰ লৌকিক বা অধম তন্ত্ৰ, যাৰ সহাযত 'মণিভদ্ৰৰ" আশীৰ্বাদিত যাত্ৰাকাৰীৰ ধন সম্পত্তি আৰু পুত্ৰ সংখ্যা বৃদ্ধি হয়। এনে ধৰণৰ এশ এটা উদাহৰণ দিব পাৰি য'ত মুনিদত্ত আৰু তেখেতৰ অনুগামী পণ্ডিত সকলে চৰ্যাৰ প্ৰকৃত অৰ্থ নুবুজি নিজে বুজাকৈ 'শুদ্ধ' কৰি লৈছে। "চণ্ডালী", "ডোম্বী" আদিক দেবী (deity) বুলি কল্পনা তথা বৰ্ণনা কৰা হৈছে যদিও (The Indian Buddhist Iconography -B Bhattacharyab, সাধনমালা বি ভট্টাচাৰ্য্য সম্পাদিত) আচলতে এইবোৰ বিভিন্ন প্ৰাণাযামৰ নাম। এনে প্ৰাণাযামৰ সাধাৰণ চৰিত্ৰ বহু মানুহে জানিলেও তাৰ কাৰিকৰী দিশৰ জ্ঞান গুৰু-শিষ্য পৰম্পৰা মতেহে দিযা হয। চৰ্যা নং ৪৯ ৰ 'নিঅ ঘৰণী চণ্ডালী লেলী' ৰ অৰ্থ, কবি ভুসুকু পাদে চণ্ডাল নাৰী এজনীৰ সংসৰ্গ কৰিলে, এনে অৰ্থ কেবল তন্ত্ৰ সম্বন্ধে প্ৰাথমিক জ্ঞানো নথকা ব্যক্তি এজনে কৰিব। প্ৰকৃত অৰ্থ - গীত ৰচকে 'চণ্ড যোগ' অভ্যাস কৰিবলৈ ললে যাৰ বায়ুৰ নাম চণ্ডালী (হিঁ হিন্দু তন্ত্ৰৰ ভস্ত্ৰিকা আৰু তিব্বতীয গটুমো অভ্যাসৰ লগত একে)। এনে ধৰণৰ সকলো কাৰিকৰী শব্দ বৰ্ত্তমান লিখকেও সম্পূৰ্ণভাৱে নাজানে সেয়েহে তেনে অৰ্থকৰণত আসোঁৱাহৰ স্থূল ৰোৱাটো স্বাভাবিক। তথাপি আন এটি অধ্যাযত বৰ্ত্তমান লিখকৰ নিজ জ্ঞান -বুদ্ধি মতে বৌদ্ধ তন্ত্ৰৰ কাৰিকৰী দিশৰ থূল-মূল আভাস দিবলৈ চেষ্টা কৰা হৈছে। ❖❖

অধ্যায় চতুৰ্থ

চৰ্যাগীতত নিহিত বৌদ্ধ তন্ত্ৰৰ দৰ্শন

এজন সাধাৰণ শিক্ষিত ভাৰতীয় ব্যক্তিৰ ধাৰণা বৌদ্ধ, ধৰ্ম্ম হ'ল সিদ্ধাৰ্থ গৌতমে পৰমজ্ঞান পোৱাৰ পিছত প্ৰচাৰ কৰা ধৰ্ম্ম যাৰ মূল নীতি কেইটি সকলো জীৱৰ প্ৰতি অহিংসা , জীৱনত সৎ কৰ্ম্মৰ ফলৰ দ্বাৰা ক্ৰমশঃ উচ্চতৰ পুনৰ্জন্ম আৰু অৱশেষত নিৰ্বাণ প্ৰাপ্তি, আৰু অসৎ কৰ্ম্ম ফলৰ দ্বাৰা ক্ৰমশঃ নিম্নতৰ পুনৰ্জন্ম (শেষত কি হ'ব কোৱা নাই), এযা বুৰঞ্জীৰ পাঠ্য পুথিৰ পৰা পোৱা শিক্ষা। দৰ্শনৰ সাধাৰণ ছাত্ৰই জানে, সিদ্ধাৰ্থ গৌতমে প্ৰচাৰ কৰা ধৰ্ম্মৰ মূল নীতি আছিল — এই সংসাৰত কোনো বস্তু বিচৰাটো দুঃখজনক, তাক পাবলৈ চেষ্টা কৰাটো ক্লেশকৰ, পালে সাময়িক আনন্দ পোৱা যায় যদিও, যিহেতু প্ৰাপ্তি অস্থায়ী তাক হেৰুৱাই আকৌ দুঃখ পোৱা যায়। সকলো দুঃখৰে মূল বাসনা বা বাঞ্চা। বাসনাৰ হেতুকে জীৱই মৃত্যুৰ পিচত পুনৰজন্ম লৈ এই সংসাৰলৈ উভটি আহিব লগাত পৰে। সমস্ত বাসনা ত্যাগেই জন্ম -মৃত্যু-পুনৰ্জন্ম চক্ৰৰ পৰা মুক্তি পোৱাৰ একমাত্ৰ উপায়। সমস্ত বাসনা ত্যাগৰ এটাই পথ আছে, সেযা হ'ল ব্যক্তিয়ে একোকেই নিজৰ বুলি ভাবিব নালাগিব (জাসু ণাহি অপ্পা তাসু পৰেলা কাহি - চৰ্যা ৪৩), আনকি 'নিজ' বা 'আপোন' বুলি সত্তা এটাৰ অস্তিত্ব অস্বীকাৰ কৰিব লাগিব, ইয়াকেই আত্মহীনতা বা অনাত্মৰ (পালি ভাষাত অনাত্ত) দৰ্শন। অনাত্ম শব্দই পিচলৈ নৈৰাত্মা (চৰ্যাৰ ণইৰামণি?) হৈছে।

নিঃ (নাস্তি) + আত্ম → নিৰাত্ম
নিৰাত্মনঃ ভবঃ → নৈৰাত্ম্য + (স্ত্ৰী) আ
নৈৰাত্মা = আত্মহীনতা

এবাৰ নৈৰাত্মা উপলব্ধি কৰিব পাৰিলে কামনা - বাসনা স্বযংক্ৰিয়ভাৱে লোপ পাব। বৌদ্ধ দৰ্শনৰ নিষ্ঠাবান ছাত্ৰ সকলে জানে - সিদ্ধাৰ্থ গৌতমে 'বোধি' বা জ্ঞান পোৱাৰ পিচত প্ৰায় পযচল্লিশ বছৰ কাল পূৰ্ব্বভাৰতৰ গঙ্গা উপত্যকাত (বৰ্ত্তমানৰ বিহাৰ আৰু পূৰ্ব্ব-উত্তৰ প্ৰদেশ) নিজৰ শিষ্য সমন্বিতে পদব্ৰজে ভ্ৰমণ কৰি ধৰ্ম্ম প্ৰচাৰ কৰিছিল আৰু তেখেতৰ নিৰ্দ্দেশ আৰু উপদেশ সমূহ মৌখিক আছিল। সিদ্ধাৰ্থ গৌতমৰ মহাপৰিনিৰ্ব্বাণৰ (মৃত্যু) পিচত তেখেতৰ প্ৰধান শিষ্য সকলে, যাইকৈ আনন্দ, উপালি আৰু মহাকাশ্যপে নিজৰ স্মৃতি, অভিজ্ঞতা আৰু আন শ্ৰমণৰ মুখৰ কথা লিপিবদ্ধ কৰে। গৌতম বুদ্ধ জীয়াই থাকোতেই দেৱদত্তক

আদি কৰি এচাম তেওঁৰ অনুগামীয়ে 'বুদ্ধৰ কথাৰ স্থিৰতা নাই' বুলি আপত্তি কৰিছিল। সিদ্ধাৰ্থ গৌতমৰ নিৰ্বাণৰ পিচত প্ৰায় পাঁচ শ শিষ্যই যেতিয়া তেখেত সকলৰ স্মৃতি আৰু অভিজ্ঞতা ব্যক্ত কৰে, বযোজেষ্ঠ শ্ৰমণ 'পূৰাণা' গাভামপতি আদিয়ে "লিখিত অনুশাসন" তেখেত সকলৰ ব্যক্তিগত স্মৃতিৰ লগত নিমিলে বুলি আপত্তি দৰ্শাইছিল।

সিদ্ধাৰ্থ গৌতমে বোধি বৃক্ষৰ তলতেই পৰমজ্ঞান (প্ৰজ্ঞা) প্ৰাপ্তিৰ দাবী কৰে যদিও বাস্তবতে সিদ্ধাৰ্থই বযস আৰু জীৱনৰ অভিজ্ঞতা বঢ়াৰ লগে লগে নিজৰ মৌলিক দৰ্শন -অনাত্মা আৰু বাসনাহীনতাক বিভিন্ন ধৰণে ব্যাখ্যা আৰু স্পষ্টীকৰণৰ চেষ্টা কৰিছিল। তেনেদৰে অনাত্মা আৰু নিৰ্লিপ্তি প্ৰাপ্তিৰ উপায় সম্বন্ধে আলোচনা কৰিছিল। এনে মৌলিক উক্তি সমূহ শিষ্য সকলে নিজৰ স্মৃতিৰ পৰা আৰু নিজে যিদৰে বুজিছিল তাকে লিপিবদ্ধ কৰি প্ৰতিটো উক্তিকে একোটি সূত্ৰৰ (সুত্ত) তলত লিপিবদ্ধ কৰে। সিদ্ধাৰ্থ গৌতমৰ বযস আৰু অভিজ্ঞতাৰ বৃদ্ধিৰ লগে লগে সূত্ৰবোৰৰ চৰিত্ৰৰ পৰিবৰ্ত্তন হয। সিদ্ধাৰ্থৰ পঁযত্ৰিশ বছৰ বযসত গযাত প্ৰথম বোধি লাভৰ পৰা আশী বছৰ বযসত কুশীনাৰাত মহাপৰি-নিৰ্বাণলৈকে এই পযচল্লিশ বছৰ প্ৰাসঙ্গিক কালৰ ভিতৰত তেখেতৰ ধৰ্ম্মৰ মূল চৰিত্ৰ অপৰিবৰ্ত্তিত থাকিলেও গুৰুত্ব দোলকৰ দৰে পৰিবৰ্ত্তন হৈ আছিল যাক পাঁচটা 'বিভিন্ন দিশ' বুলি বৰ্ণনা কৰিব পাৰি।

১) প্ৰাথমিক বা আদি স্তৰ, যি স্তৰত গৌতম সিদ্ধাৰ্থই - বাসনাৰ ভিত্তিতে পুনৰ্জন্ম হয বুলি ঘোষণা কৰিছিল। এই কালৰ মুখ্য সূত্ৰ সমূহৰ ভিতৰত 'মালা-সূত্ৰ', বিজয সূত্ৰ/মহাবিজয সূত্ৰ। এই কালৰ গৌতম বুদ্ধৰ আনন্দৰ বিষয আছিল তেখেতৰ জন্ম - মৃত্যু পুনৰ্জন্ম চক্ৰৰ কাৰণ, জগতৰ বাস্তব ৰূপ (reality) বুজি পোৱাৰ বিশ্বাস। ব্যক্তিৰ ক্লেশৰ উৎস হৈছে বাসনাবদ্ধ হৈ এই জগতলৈ পুনৰ আগমন।

২) দ্বিতীয খণ্ড জীৱনত সৰহভাগ উক্তিযেই চাৰিটা শ্ৰেষ্ঠ সত্য সম্বন্ধীয (আৰ্য্য সত্য)।

ক) দুঃখ আৰু ক্লেশ সত্য। খ) ক্লেশৰ উৎপত্তি। গ) দুঃখৰ বিনাশৰ সম্ভাৱনা আৰু ঘ) দুঃখ-ক্লেশ বিনাশৰ উপায়। এই কালতে তেখেতে সমাজৰ মৌলিক উৎপাদনৰ গাঠনি নভঙাকৈ (সকলো ব্যক্তিকে শ্ৰমণ বা সন্ন্যাসী নকৰাকৈ) সংসাৰ ভাৱনাত ত্যাগ আৰু পৰিহাৰৰ দৰ্শন অন্তৰ্ভূক্ত কৰিবলৈ চেষ্টা কৰে। i) স্কন্ধৰ প্ৰতি অৰ্থাৎ ইন্দ্ৰিয জনিত জ্ঞানজাত সুখ-দুখ ভাৱৰ প্ৰতি আসক্তি। ii) বাসনাজনিত (তৃষ্ণা) দুঃখ। iii) জন্ম-মৃত্যু পুনৰ্জন্ম চক্ৰৰ (সংসাৰ) বান্ধোন।

IV) জন্ম চক্ৰ জাত কষ্টৰ (ক্লেশ) পৰা মুক্তিৰ উপায, তাকে আলোচনা কৰিযেই সৰ্ব্বাধিক উপদেশ দিছে।

৩) সন্যাসী জীৱনৰ তৃতীয খণ্ডত গৌতম বুদ্ধই নিজৰ শিষ্য সকলক, যাইবৈ যি সকলে নিজকে সিদ্ধিলাভ কৰা (অড়হৎ) বুলি গণ্য কৰিছিল, তেখেত সকলক উপদেশ দিছিলে যে নিজৰ নিৰ্ব্বাণলাভেই বৌদ্ধ ধৰ্ম্মৰ একমাত্ৰ লক্ষ্য নহয। সকলো জীৱৰ প্ৰতি দযা ভাব (কৰুণা) আৰু আধ্যাত্মিক নিম্ন স্তৰৰ ব্যক্তিৰ মুক্তিও বৌদ্ধ সাধকৰ জীৱনৰ উদ্দেশ্য হোৱা উচিত। আন জীৱৰ প্ৰতি কৰুণা আৰু আন ব্যক্তিৰ মুক্তি এই দুটা 'লঙ্কাবৰ্ত্তসূত্ৰ'ৰ মূল বক্তব্য আৰু তাকভিত্তি কৰিযে মহাযান পন্থাত বোধিসত্ব (বুদ্ধৰ কৰুণাময ৰূপ) আৰু কাৰুণ্য (compassion) দৰ্শনে মৌলিক দৰ্শনৰ ৰূপ পালে।

৪) সন্যাস জীৱনৰ চতুৰ্থ কালত, গৌতম বুদ্ধৰ প্ৰৌঢ়ত্ব প্ৰাপ্তিৰ লগে লগে জীৱন দৰ্শন নিৰাশাবাদ আৰু বিমৰ্ষতাৰ পিনে পুনৰ মোৰ ললে। এই কালতে তেখেতে নিৰ্ব্বাণ সূত্ৰ বা মহাপৰিনিৰ্ব্বাণ সূত্ৰ ঘোষণা কৰে। এই সূত্ৰানুসাৰে সমস্ত জগত নিৰৰ্থক আৰু বাস্তৱ অস্তিত্বহীন। শূন্যতা বাদৰ উদ্ভৱ এই কালতে হয। জগতৰ কোনো বিষয,আনকি ধৰ্ম্ম বাদৰ প্ৰতিও আকৰ্ষণ থকা অনুচিত। সাধকে যেতিযা " অনিত্ব" ৰ পূৰ্ণ উপলব্ধি কৰিব তেতিযাহে জগতৰ সত্যৰূপ (reality) উপলব্ধি কৰিব (পিচৰ কালত মধ্যমিকা সকলে আংশিকভাৱে আৰু যোগাচাৰী সকলে সম্পূৰ্ণ ভাৱে এই সূত্ৰক ভিত্তি কৰিযেই নিজৰ ধৰ্ম্ম দৰ্শন প্ৰতিষ্ঠা কৰিলে)।

৫) গৌতম বুদ্ধৰ বাৰ্দ্ধক্য কাল - পূৰ্ণশান্তিৰ কাল বুলিব পাৰি। বৃদ্ধ বয়সত তেখেতে অনুভৱ কৰিলে যে জগতৰ যি প্ৰকৃত ৰূপ অৰ্থাৎ জগত খন যিদৰে চলে সেযেহে সত্য (তথতা- as it is) । প্ৰতিজন ব্যক্তিযে জন্মতে এক শুদ্ধ আত্মা লৈ জন্ম গ্ৰহণ কৰে। জগতৰ অভিজ্ঞতাই মানুহক সুখ-দুখ, আনন্দ-নিৰানন্দৰ অনুভূতি শিকায (আলয - বিজ্ঞান)। চৰ্যাগীতত আমি ইয়াৰ প্ৰতিধ্বনি পাওঁ - "চিঅৰাজ সহাবে মুকল" - চৰ্যা ৩২। "ছড়গই সঅল সহাবে সুধ" - চৰ্যা ৯। আনৰ ক্ষতি নকৰাকৈ পালন কৰা সকলো ধৰ্ম্ম পথেই শুদ্ধ। এয়া "সূত্ৰ সৎ ধৰ্ম্ম পুণ্ডৰিকৰ" (পদ্ম সূত্ৰ) বক্তব্য বুলি সৰহভাগ পিচৰ যুগৰ মহাযান পন্থী বৌদ্ধ সন্ত সকলে ব্যাখ্যা কৰে। ফল স্বৰূপে কঠোৰ ব্ৰহ্মচৰ্য্য পালন কৰা বৌদ্ধ ধৰ্ম্মতো ধৰ্ম্মীয় যৌনাচাৰ সুমাই দিবলৈ সুৰুঙ্গা ওলাল। বৌদ্ধ তন্ত্ৰৰ দৰ্শন নামত বৌদ্ধ যদিও বাস্তৱতে সিদ্ধাৰ্থ গৌতমে প্ৰচাৰ কৰা মৌলিক বৌদ্ধ ধৰ্ম্মৰ দৰ্শনৰ লগত সাদৃশ্য নাই বুলিলেও হয়, আনকি তন্ত্ৰ শাস্ত্ৰত সিদ্ধাৰ্থ

গৌতমৰ সলনি শাক্যমুনি অথবা বুদ্ধ তথাগত নাম ব্যৱহাৰ হয়। বুদ্ধৰ সমানে প্ৰাধান্য পায় বিভিন্ন কাল্পনিক বোধিসত্ত্বই। সিদ্ধাৰ্থ গৌতমৰ পুত্ৰ ৰাহুলক বুদ্ধৰ মানস পুত্ৰ ৰূপে কল্পনা কৰি বুদ্ধ তথাগতৰ সমানেই গুৰুত্ব দিয়া হয় বৌদ্ধ তন্ত্ৰ শাস্ত্ৰ সমূহত। বৌদ্ধ তন্ত্ৰৰ দৰ্শন নুবুজাকৈ চৰ্যাগীতৰ অৰ্থ বুজাটো সম্ভব নহয়। বৌদ্ধ তন্ত্ৰ বহুধা বিভক্ত আৰু বহুমুখী, আনহাতে মুনিদত্তই তাক কেৱল মধ্যমিকা (উচ্চ ক্ৰিয়া) আৰু যোগাচাৰ তন্ত্ৰৰ দ্বাৰা ব্যাখ্যা কৰিব চেষ্টা কৰি বহু সময়ত অচল অৱস্থাৰ সৃষ্টি কৰিছে।

বৌদ্ধ তন্ত্ৰৰ দৰ্শন ঃ

পৰিহাসমূলক চৰ্যাগীতৰ বাদে আন চৰ্যাগীত সবৰ দৰ্শন বৌদ্ধতন্ত্ৰৰ দৰ্শনৰ ওপৰত প্ৰতিষ্ঠিত। বৌদ্ধ তন্ত্ৰ নামত বৌদ্ধ হ'লেও গৌতম বুদ্ধতকৈ বহু হাজাৰ বছৰৰ আগৰ পৰা মানৱ সমাজৰ পৰিচিত যাদুবিদ্যা (magic) যাদুকৰ ওজা (shamanism), প্ৰাণায়াম (breath control), ধ্যান (single point concentration), পূজা (devotion), মন্ত্ৰ উচ্চাৰণ (incantation), জপ (repeatitive muttering) তন্ত্ৰৰ দ্বাৰা ব্যৱহৃত সঁজুলি (instruments)। বৌদ্ধ তন্ত্ৰৰ, শাক্ত হিন্দু তন্ত্ৰ আৰু শৈৱ তন্ত্ৰৰ লগত সঁজুলিৰ পাৰ্থক্য হ'ল, শাক্ত তন্ত্ৰৰ মদ্য (সুৰা), মাংস আদি (নাৰী কেৱল এটা শাখাত ব্যৱহৃত), আৰু শৈৱ তন্ত্ৰৰ ভাং, গাঁজা আদি বৌদ্ধ তন্ত্ৰত নিষিদ্ধ। বৌদ্ধ আৰু হিন্দু তন্ত্ৰৰ মৌলিক পৃথকত্ব হ'ল তান্ত্ৰিকৰ উদ্দেশ্য বা লক্ষ্য। নিম্ন হিন্দু তন্ত্ৰৰ তান্ত্ৰিকৰ মূল লক্ষ্য হ'ল শক্তি (power) আৰু তাৰ আনুসঙ্গিক ধন, সম্পত্তি, নাৰী উপভোগ, সন্তান আদি। তাতোকৈ উচ্চ মাৰ্গৰ সাধকে তন্ত্ৰৰ দ্বাৰা মানসিক আৰু আধ্যাত্মিক শক্তি প্ৰাপ্তিৰ চেষ্টা কৰে 'কুল কুণ্ডলিনী শক্তি' জাগ্ৰত কৰি। এনে তন্ত্ৰক কৌলিণ বা কুলিণ তন্ত্ৰ বুলিছে চৰ্যা ৰচকে " অন্তে কুলিণ জণ মাঝেঁ কাবালী" (চৰ্যা নং ১৮)। ইয়াতকৈও উচ্চাভিলাষী হিন্দু তান্ত্ৰিকে প্ৰাপ্তিৰ চেষ্টা কৰে **অষ্ট মহাসিদ্ধি** (যাৰ বিতং বিৱৰণ চৰ্যা নং ১৩ ৰ টোকাৰ লগত দিয়া হৈছে) যি সিদ্ধি লাভ কৰিলে সাধকে 'চৰাইৰ দৰে উৰি ফুৰিব (খেচৰ সিদ্ধি), ঠাইতে নোহোৱা হোৱা (অন্তৰ্দ্ধান সিদ্ধি), চিৰযৌৱনপ্ৰাপ্তি (ৰসৰসায়ন সিদ্ধি) আদি স্বাভাৱিক মানুহৰ অসম্ভৱ কাৰ্য্য কৰিব পাৰে বুলি বিশ্বাস কৰিছিল। বৌদ্ধ তন্ত্ৰৰ সিদ্ধ সকলে পোনে পোনে এনে সিদ্ধি লাভ বাস্তৱ জীৱনত অসম্ভৱ বুলি নকলেও (কাৰণ বৌদ্ধ তন্ত্ৰৰ উপাখ্যান সমূহত, মহাসিদ্ধ পদ্মসম্ভৱ, তিৰোপা আদিয়ে এনে অসম্ভৱক সম্ভৱ কৰা বহু সাধু কথা আছে) তেখেত সকলৰ গুৰুত্বপূৰ্ণ শাস্ত্ৰ সমূহত এনে সিদ্ধিক " অষ্ট গৌণ সিদ্ধি" বুলি উল্লেখ কৰিছে। শ্ৰীসমাজ বা গুহ্যসমাজ তন্ত্ৰই কেৱল

তেনে সাধককে " ৰত্ন সদৃশ ব্যক্তিত্ব" সম্পন্ন বুলি কৈছে, যেয়ে অষ্ট সিদ্ধিৰ দ্বাৰা প্ৰাপ্ত গুণক উপেক্ষা কৰিব পাৰে। চৰ্যা গীত নং ১৩ ত কৃষ্ণপাদে গাইছে "তি শৰণ ণাবী কিঅ অঠকমাৰী।" (ত্ৰিশৰণ যান থাকোতে কিয় অষ্ট সিদ্ধিৰ আকাংক্ষা)। চৰ্যা নং ২২ ত সৰহপাদে ৰচিছে, " জা এথু জাম মৰণে বি সঙ্কা। সো কৰউ ৰস ৰসানেৰে কংখা।।" (যেযে জন্ম -মৰণৰ শঙ্কাগ্ৰস্ত সিয়েই অমৰত্ব আৰু চিৰ যৌবন দিয়া ৰস ৰসায়ন সিদ্ধিৰ আকাঙ্ক্ষা কৰে)।

সেই বুলি এইটো কলে অন্যায হ'ব, যে বৌদ্ধ তন্ত্ৰ জাগতিক লাভৰ প্ৰতি সম্পূৰ্ণ নিৰপেক্ষ। বৌদ্ধ তন্ত্ৰ দুভাগে বিভক্ত — লৌকিক আৰু লোকোত্তৰ। লৌকিক বা জাগতিক তন্ত্ৰৰ দ্বাৰা সাধকে জাগতিক উন্নতি কৰিব পাৰে। এইবোৰ তন্ত্ৰ পৌষ্টিক তন্ত্ৰৰ অন্তৰ্ভূক্ত। এনে তন্ত্ৰ পাঁচ বিধ যাক সমষ্টি কৰি পঞ্চককুল তন্ত্ৰ বোলা হয। মণিকুল তন্ত্ৰ (মণিকুলে বহিআ ওডিআণে সমাঅ, চৰ্যা -৪) যি পঞ্চকুলৰ অন্তৰ্ভূক্ত তাক মুনিদত্ত আৰু তেখেতৰ অনুগামী পণ্ডিত সকলে শুদ্ধ কৰি" মণিমূল কৰিছে। এনে তন্ত্ৰক দ্যুৎক্ৰীড়া তন্ত্ৰও বোলা হয। উচ্চতৰ মাৰ্গৰ বৌদ্ধতন্ত্ৰৰ সাধকক জাগতিক উন্নতিৰ লক্ষ্যক উপেক্ষা কৰিব উপদেশ দিছে চৰ্যা ৰচকে আৰু তাৰ উপাযো চৰ্যাগীতত দি গৈছে (চৰ্যা নং ১২, "গঅবৰেঁ তোলিআ পাঞ্চজণা ঘোলিউ) - চণ্ডালী প্ৰাণাযামৰ দ্বাৰা জাগতিক লোভ দমন কৰিবা মতে গঅবৰ = গজবৰ = অক্ষোভয = যোগতন্ত্ৰৰ চণ্ডালী প্ৰাণাযাম, আৰু পঞ্চজনা 'পঞ্চককুল' লৌকিক তন্ত্ৰ। আটাইবোৰ লৌকিক তন্ত্ৰ, নিম্ন ক্ৰিযাতন্ত্ৰৰ জাগতিক গোষ্ঠীৰ (mundane family) অন্তৰ্ভূক্ত। বিশেষ কৌতুহলী পাঠকসকলে 'মণিভদ্ৰ' আৰু 'জাম্ভালা' তন্ত্ৰত ইযাৰ বিস্তাৰিত বৰ্ণনা পাব। সাধাৰণ পাঠকৰ বাবে আমি ভাবো FD Lessing & A Wayman ৰ Introduction to the Buddhist Tantric System" পৃঃ ১২৭-১৩৫ যথেষ্ট। বৌদ্ধ তন্ত্ৰ আৰু হিন্দুতন্ত্ৰৰ প্ৰভেদ বিচাৰি উলিওৱা যিমান সহজ, শৈৱ তন্ত্ৰ (বিশেষকৈ নাথ সম্প্ৰদায) আৰু বৌদ্ধ তন্ত্ৰৰ পাৰ্থক্য বিচাৰি পোৱাটো সিমান সহজ নহয, যেতিযা আনকি দুযো তন্ত্ৰৰ বহু দেৱ-দেৱীৰ নাম পৰ্য্যন্ত একে (সাম্বাৰা = সাম্ভালা = শম্ভু, হেৰুকা = হৰ, চাণ্ডালী = চণ্ডী, মহাকাল= মহাকাল ইত্যাদি), সাধনা পন্থাও একে আৰু সাধনাৰ লক্ষ্যও একে (শূন্যৰ উপলব্ধি)। মৌলিক পাৰ্থক্য ওলাই পৰে দৰ্শনত। নাথ পন্থা অস্তিত্ববাদী। এক পৰম নাথ নিৰঞ্জন বৰ্ত্তমান। এই একনাথ ব্ৰহ্মাণ্ডৰ স্ৰষ্টা - ধৰ্ত্তা, নিৰ্গুণ, অলখ নিৰঞ্জন, যি থাকিও নাই নাথাকিও আছে - এক মহা শূন্য। এই 'এক নাথ' বেদৰ নৈষদীয় সুক্ত বা উপনিষদৰ নিৰাকাৰ 'ব্ৰহ্ম'ৰ সৈতে একে। এইটো দিশত নাথ সম্প্ৰদায়ৰ

দৰ্শন ঔপনিষদীয় হিন্দু ধৰ্ম্মৰ সৈতে একে। আনহাতে বৌদ্ধ মহাযান যোগাচাৰ পন্থাত 'শূন্য' এক " অস্তিত্বহীন শূন্য"। 'অস্তিত্বহীন শূন্য বা শূন্যতা- শূন্যতা যোগাচাৰতন্ত্ৰ অনুযায়ী সৰ্ব্ব শূন্য, আৰৌ মধ্যমিকা দৰ্শন অনুযায়ী শূন্যতা সম্পূৰ্ণ হ'ব নোৱাৰে, ই সৰ্ব্বদা আপেক্ষিক। তেনে স্থূলত মধ্যমিকা বৌদ্ধ দৰ্শন (অনুত্তৰ তন্ত্ৰৰ আধাৰ) হিন্দু নিৰাকাৰ নিৰঞ্জন ব্ৰহ্মাৰ কাষ চাপে— হিন্দু দৰ্শনৰ ব্ৰহ্মা নিৰঞ্জন, নিৰাকাৰ, নিৰ্ব্বিকল্প যি শূন্য হৈও অস্তিত্বপূৰ্ণ। নাথ সম্প্ৰদায়ৰ " নাথ নিৰঞ্জনকো" একে কেইটা গুণেৰে বিভূষিত কৰা হয়। বৌদ্ধ তান্ত্ৰিক দৰ্শনৰ মহাশূন্য বা সৰ্ব্বশূন্যতা নিৰঞ্জন, নিৰাকাৰ, নিৰ্ব্বিকল্প শূন্যতা, যি অস্তিত্বহীন। তিনিওটা পথৰ সাধাৰণ এটা চৰিত্ৰ হ'ল, এইব্ৰহ্মা, নাথ নিৰঞ্জন বা সৰ্ব্বশূন্যতা কোনো দ্বিতীয় ব্যক্তিয়ে শিকাব, বুজাব বা প্ৰদৰ্শন কৰিব নোৱাৰে, সাধকে নিজে তাক উপলব্ধি কৰিব লাগিব। গুৰুৱে কেৱল পথ হে দেখুৱাব পাৰে।

• উচ্চতম স্তৰত ঔপনিষদীয় হিন্দু ধৰ্ম্ম, নাথ পন্থা আৰু তান্ত্ৰিক বুদ্ধ ধৰ্ম্ম একে হৈ যায়। প্ৰথম দুটা ধৰ্ম্মত আত্মাই পৰমব্ৰহ্মা বা নাথ নিৰঞ্জনৰ লগত মিলিত হৈ যায়, আৰু বুদ্ধ ধৰ্ম্মত বোধিচিত্ত প্ৰাপ্ত হয়। তিনিওটা ধৰ্ম্ম পন্থাতে জীৱই আৰু পুনৰ্জন্ম লোৱাৰ প্ৰযোজন নহয়। হিন্দু আৰু নাথ পন্থাত জীৱাত্মা অৰ্থাৎ জীৱৰ আত্মা পৰমাত্মাৰ অংশ। সমস্যাৰ উদ্ভৱ হয় গৌতম সিদ্ধাৰ্থৰ "অনাত্তা" অৰ্থাৎ অনাত্ম দৰ্শনত যিযে নিজৰে অস্তিত্ব (self) অস্বীকাৰ কৰে। এই অসুবিধা দূৰ কৰিবলৈ কাশ্যপ পন্থী (Kasyapıya) আৰু পিচলৈ সৌতান্ত্ৰিক আৰু সমিতীয়া উপশাখা পুদ্‌গল আত্মৰ অস্তিত্ব স্বীকাৰ কৰে যি পৰিবৰ্ত্তনহীন, জন্ম জন্মান্তৰ কেৱল বাহিৰৰ আবৰণৰ পৰিবৰ্ত্তন হয় (ভগৱদ্ গীতাৰ ত্ৰয়োদশ অধ্যায়ৰ ক্ষেত্ৰ ক্ষেত্ৰজ্ঞ বিভাগৰ ক্ষেত্ৰজ্ঞ আৰু পুদ্‌গল আত্মৰ সাদৃশ্য মন কৰিব লগীয়া।) যোগাচাৰী তন্ত্ৰই কিন্তু পুদ্‌গল আত্মৰ অস্তিত্ব অস্বীকাৰ কৰে আৰু এয়েই হৈছে বহু চৰ্চিত পুদ্‌গল নৈৰাত্ম্য।

বৌদ্ধ তন্ত্ৰৰ দৰ্শন আৰু সহজযান বা সহজীয়া পন্থা ঃ

চৰ্যাগীতত নিহিত বৌদ্ধ দৰ্শন বুলিলেই আধুনিক "চৰ্যাবিদ" সকলে এটা শব্দই সমস্বৰে চিঞৰি উঠে "সহজ"। বৌদ্ধতন্ত্ৰৰ "সহজ" শব্দৰ অৰ্থ বুজিবলৈ বিন্দু মাত্ৰ প্ৰয়াস নকৰাকৈ -"সহজীয়া ধৰ্ম্ম" , "সহজীয়া পন্থা", "সহজযান" আদিৰ নিৰবচ্ছিন্ন প্ৰবাহ দেখা যায় তেখেত সকলৰ লিখনিত। এই অভাজনৰ বৌদ্ধ তন্ত্ৰৰ অত্যন্ত সীমিত মৌলিক তন্ত্ৰৰ পুস্তকৰ পঠন আৰু আলোচনাত সহজযান বা সহজ পন্থা কোনো দিন চকুত পৰা নাই। 2500 Years of Buddhism গ্ৰন্থত (Pub Govt of India pub div) পণ্ডিত H V

Guenther ডাঙৰীয়াই Mantravana and Sahajayana নামৰ এটি অধ্যায় লিখিছে। তেখেতে (পৃঃ ৩৭৬) লিখিছে "Mantravana and Sahajayana deal primarily with the psychologically effective aspects of spiritual development" সহজযানৰ (পৃঃ ৩৭৮) সংজ্ঞা তেখেতে দিয়া নাই, দিছে কেবল সহজ শব্দৰ সংজ্ঞা, তাকো তিব্বতী উচ্চ ক্ৰিয়া তন্ত্ৰৰ সাধক মিলেৰাপাৰ শিষ্যই দিয়া সংজ্ঞা —The literal meaning is to be born together ultimate in mind or the dharmakaya and the ultimate in Appearance or the light of the dharmakaya which are born together' (বিতণ্ডৰ বাবে দ্বিতীয় অধ্যায় চাওক)।

আমাৰ জ্ঞান বুদ্ধি মতে, সহজযান বোলা কোনো পন্থা বৌদ্ধ দৰ্শনত নাছিল। তাক কুৰি শতিকাৰ বঙ্গদেশৰ পণ্ডিত সকলে "বঙ্গীয় বৈষ্ণৱ সহজীয়া পথক" তুলি নি বৌদ্ধ চৰ্যাৰ দৰ্শনৰ ওপৰত গাৰ বলেৰে তুলি দিছে। জাহ্নৱী কুমাৰ চক্ৰবৰ্ত্তীৰ 'চৰ্যাগীতৰ ভূমিকা' গ্ৰন্থৰ সহজতত্ত্ব পঢ়িলে তাক কাম শাস্ত্ৰৰ লগত ভুল হোৱাৰ সম্ভাবনা আছে। তেখেতে আনকি সম্ভোগ কায়াত "সম্ভোগৰ" ছাঁ দেখিছে। সুকুমাৰ সেনে চৰ্যাগীতি পদাবলীত (পৃঃ ৩৬) লিখিছে, "সাধকেৰ কাম্য জন্ম মৃত্যুৰ অতীত যে অৱস্থা সে "সহজ" অৰ্থাৎ দ্বন্দ্বনিৰ্মুক্ত বা নিৰ্বিকল্প অৱস্থা, তাহাৰ প্ৰাপ্তি।"। পৰীক্ষিত হাজৰিকা দেৱৰ নিজ গ্ৰন্থ 'চৰ্য্যাপদ'ত (পৃঃ ১১৫) নাথ সম্প্ৰদায়ৰ দৰ্শন সম্বন্ধে লিখিছে, "সাধকৰ দৃষ্টিত চৰম আনন্দ-পূৰ্ণ নিশ্চল অৱস্থাই হ'ল পৰমপদ। এই স্তৰত যোগীয়ে শিৱৰ লগত একাত্ম হৈ পৰে। ইয়াকে " সহজাৱস্থা" বুলি কোৱা হয়।"

বৌদ্ধ তন্ত্ৰত সহজ কোনো ধৰ্ম্ম মাৰ্গ নহয়, কোনো লক্ষ্য নহয়, কোনো উপাস্য দেৱ নহয়—"সহজ" এটা মানসিক অৱস্থা। সহজ শব্দৰ মূল সংস্কৃত, সহ + জাত = সহজ, একত্ৰে উৎপত্তি প্ৰাপ্ত, যাৰ শুদ্ধ ইংৰাজী অনুবাদ coemergent অথবা যুগপৎ উৎপত্তি প্ৰাপ্ত (অনুভূতি)। যুগপৎ উপজিব লাগিলে ক্ৰমেও দুটাৰ প্ৰয়োজন। প্ৰতিটো বৌদ্ধ তন্ত্ৰৰ লক্ষ্যস্বৰূপে সিদ্ধি প্ৰাপ্ত চিত্ত হ'ল "বুদ্ধচিত্ত"। বৌদ্ধ চিত্তৰ এটা দিশ হ'ল "সুখ"। বৌদ্ধ তান্ত্ৰিক দৰ্শনৰ চৰম লক্ষ "সুখ", নিৰ্বাণ গৌণ। বৌদ্ধ তন্ত্ৰমতে পৰম জ্ঞানে সাধকক মোহমুক্ত কৰি নিৰ্বাণ দিয়াব পাৰে, কিন্তু যদি সাধকক সুখী কৰিব নোৱাৰে তেনে পৰমজ্ঞান নিৰৰ্থক। প্ৰজ্ঞা বিহনে প্ৰকৃত সুখ নাই, সেইদৰে সুখহীন প্ৰজ্ঞা মূল্যহীন। বৌদ্ধ তন্ত্ৰৰ সুখৰ অৰ্থ bliss সি pleasure নহয়।

বৌদ্ধ তন্ত্র সাধকৰ লক্ষ্য বজ্রসিদ্ধি (non reversible sense of bliss) য'ত পৰমজ্ঞান আৰু 'সুখ' যুগপৎ অনুভূত হ'ব লাগিব আৰু সেই যুগপৎ অনুভূতিৰ সৃষ্টিযে 'সহজানন্দ।" মৌলিক বুদ্ধ ধৰ্ম্মৰ নিৰ্ব্বাণ প্ৰাপ্তিৰ চালক শক্তি হ'ল "ক্লেশ-নিবাৰণ" - বৌদ্ধ তন্ত্ৰৰ "সুখ", এযেই পাৰ্থক্য। পূৰ্ব্বতেই উল্লেখ কৰা হৈছে " সহজৰ" সংজ্ঞা আটাই কেইটা বৌদ্ধ তন্ত্ৰৰ শাখাতে অভিন্ন হলেও, বাস্তবতে কোনটোনো অনুভূতিৰ সৃষ্টি হ'ব সেই সম্বন্ধে মতানৈক্য স্পষ্ট।

দেখা যায "সুখৰ লক্ষ্য" বৌদ্ধ তন্ত্ৰৰ সাধাৰণ চৰিত্ৰ (common denominator)। এই সুখ কেনেকৈ প্ৰাপ্ত হ'ব পাৰি আৰু তাতোকৈ ডাঙৰ কথা এবাৰ পাই নেহেৰুৱাকৈ থাকিব পাৰি সেযেই বৌদ্ধতন্ত্ৰৰ মুখ্য উদ্দেশ্য আৰু চৰ্যাগীত সমূহৰ (পৰিহাস বা নেতিবাচক চৰ্যাৰ বাদে) বিষয় বস্তু।

চৰ্যাগীত সমূহৰ বক্তব্যৰ পৰাই বুজা যায, বজ্ৰসিদ্ধি (adamantine success, non- reversible sense of bliss) মহাসিদ্ধ সকলেও সদায পোৱা নাছিল নহ'লে আৰ্য্যদেৱে (চৰ্যা ৩১) নিলিখিলেহেতেন " চিঅ বিকৰণে তহি টলি পইসই।।" অথবা ভাদেপাদে নৰচিলে হয, " গঅণসমুদে টলিআ পইঠা (চৰ্যা নং ৩৫)। আকৌ এনে ধৰণৰ চিত্তৰ বিপৰীত গমনৰ (সুখ পৰিত্যাগৰ) চিকিৎসা ব্যৱস্থাও চৰ্যাগীততে দিছে - " অৰণাগবণে কাহ্ন বিমন ভইঈলা।। হেৰি সে কাহ্নি নিঅডী জিনউৰ বট্টই (চৰ্যা নং ৭)। অথবা " আজি ভুসুকু বঙ্গালী ভইলী। ণিঅ ঘৰিণী চণ্ডালী লেলী (চৰ্যা নং ৪৯)।

পৰিহাস আৰু নেতি সূচক চৰ্যাগীতৰ বাদে বৰ্ত্তমান সংগ্ৰহৰ আন গীত সমূহ বৌদ্ধ তন্ত্ৰৰ সাধকে সিদ্ধি লাভাৰ্থে কি কৰা উচিত আৰু কি কৰা অনুচিত অৰ্থাৎ আচৰণীয আৰু অনাচাৰণীয় কৰ্ম্মৰ কাৰ্য্যবিধান (manual), সেযেহে এনে গীতৰ নাম চৰ্য্যা (আচৰণীয) গীত। চৰ্যাগীত, ভাষাতত্ত্বৰ বিদগ্ধ পণ্ডিত সকলেও বুজাটো উজু নহয, তাৰ বাবে কিঞ্চিৎ হলেও তন্ত্ৰৰ কাৰিকৰী জ্ঞান আৰু ফলিত প্ৰযোগৰ অভিজ্ঞতাৰ প্ৰযোজন, উদাহৰণ স্বৰূপে পৰীক্ষিত হাজৰিকা দেৱে (পৃঃ ১১২) "কুম্ভক মুদ্ৰাদি" লিখিছে। প্ৰাণাযামৰ অ আ জনা মানুহ এজনেও জানে "কুম্ভক" প্ৰাণাযামৰ শ্বাস ৰহিত অৱস্থা — সি মুদ্ৰা নহয। আমি এবাৰ লিখিছিলো - পৃথিবী বিখ্যাত তন্ত্ৰবিদ পণ্ডিত গুইচেপে টুচীয়ে তন্ত্ৰ সম্বন্ধে যি বোৰ কথা লিখিছে তাক পঢিব পোৱা হ'লে গুৰু নিশ্চয সন্তুষ্ট নহ'লহেতেন (গৰীয়সী, সপ্তম বছৰ, নৱম সংখ্যা জুন ২০০০ খৃঃ) ই টুচীৰ পাণ্ডিত্যক অপমান কৰিবলৈ লিখা কথা নহয। ইযাক উদাহৰণ স্বৰূপে দিযা হৈছে - অসম, বঙ্গ, বিহাৰৰ ভাষাবিদ সাহিত্যিক পণ্ডিত সকলে তন্ত্ৰ অভ্যাসৰ (practice) কাৰিকৰী ফলিত জ্ঞান

বিন্দু মাত্ৰ নোহোৱাকৈ কেনে সাহসেৰে চৰ্যা গীত ব্যাখ্যা কৰিছিল, সি ভাবি আচৰিত হ'ব লাগে। চাণ্ডালী, ডোম্বী আদি বিশেষ বিশেষ প্ৰাণায়ামৰ নাম, সি সাধকৰ প্ৰেয়সীৰ বৰ্ণৰ নাম নহয়। উড্ডিয়ান (ওডিআন), জালন্ধৰি (জালন্ধৰি পা) এইবোৰ প্ৰাণাযামৰ একোটা "বন্ধ" অৰ্থাৎ ভঙ্গী বা pause। মণিকুল, কমল, কুলিশ, পঞ্চজনা একোটা একোটা তন্ত্ৰ অভ্যাসৰ নাম। কোনো কোনো ক্ষেত্ৰত পণ্ডিত সকলে নিজৰ পাণ্ডিত্যত মৃগনাভী যুক্ত মৃগ সদৃশ মত্ত হৈ উঠা দেখা যায়, তেতিয়া যুক্তিযে আৰু কাম নকৰা হয়। চৰ্যা নং ১২ কৃষ্ণপাদে লিখিছে — কৰুণা পিহাডি খেলহুঁ নয-বল।" নয় শব্দৰ অৰ্থ অভিধানত স্পষ্টভাবে লিখা আছে 'দ্যূৎক্ৰীড়া বিশেষ' ('বাংলা শব্দবোধ' সুবল মিত্ৰ)। আদি ভাষ্যকাৰ মুনিদত্তই ভাষ্যত দিছে 'দ্যূতক্ৰীডা ধ্যানেন প্ৰকথয়ন্তি। গুটি কেইটা পিহিছেও (কৰুণা পিহাডি) তথাপি ব্যতিক্ৰমহীন ভাবে সমস্ত আধুনিক পণ্ডিতে কৃষ্ণপাদক পাশাখেলৰ পৰা একবাই নি দাবা খেলুবাইছে।

স্বাভাবিকতে ইয়াত প্ৰশ্ন উঠিব বৰ্ত্তমান লিখকে যে শব্দৰ শুদ্ধাৰ্থ কৰিছে তাৰেই বা প্ৰমাণ কি? উত্তৰত কব পৰা যায় যে বৌদ্ধ প্ৰামাণিক শাস্ত্ৰৰ আৰু গ্ৰন্থৰ উদ্ধৃতিৰ ভিত্তিতে শব্দৰ অৰ্থ কৰা হৈছে আমাৰ দ্বাৰা। ক্ষেত্ৰ বিশেষে নিজৰ কাৰিকৰী অভিজ্ঞতাৰ সহায়ও লোৱা হৈছে, কিন্তু বিভিন্ন কাৰণত বিতং বৰ্ণনাৰ পৰা বিৰত থকা হৈছে। যেনে,আমাৰ বক্তব্য, "চণ্ডালী" এবিধ প্ৰাণাযাম ধাৰা। Lessing & Wayman (পৃঃ ৩৬) ৰ মতে ই চণ্ডযোগ, তিব্বতীয ভাষাত gtum যাৰ সমৰ্থন আমি Magic & Mystery in Tibet -A Devid Neel গ্ৰন্থতো পাওঁ। এই যোগাভ্যাসৰ দ্বাৰা সাধকৰ দেহৰ উত্তাপ বৃদ্ধি হয আৰু চৰ্যাগীত ৰচক সিদ্ধ সকলৰ মতে সৰ্ব্ব অনুভূতি পুৰি ভস্ম হৈ শূন্যতা অনুভব হয- " সমতা-জোঁএ জলিঅ চণ্ডালী" (চৰ্যা ৪৭) । হিন্দু তন্ত্ৰমতে 'আদ্যাশক্তি' চণ্ডী ৰূপ লৈছিল মহাদেৱৰ গৰ্ব্বভাব পুৰি ভস্ম কৰিবলৈ আৰু দহোদিশ অগ্নি প্ৰজ্বলিত কৰি মহাদেৱৰ গৰ্ব্ব ভস্মীভূত কৰিছিল। সাহিত্য আৰু তন্ত্ৰৰ অত্যুক্তি অৱহেলা কৰিলেও ইয়াক এক গোপন ৰহস্যপূৰ্ণ তন্ত্ৰ ৰূপক যেন লাগে। বাস্তৱতে চণ্ডালী বায়ু , চণ্ডযোগ, টুমো, ভস্ত্ৰি বা ভস্ত্ৰিকা প্ৰাণাযাম একে, আৰু বৰ জটিল প্ৰাণাযামো নহয়। ইয়াৰ দ্বাৰা দেহৰ উত্তাপ বৃদ্ধি হয়। অতি শীততো সামান্য বস্ত্ৰেৰে থাকিব পাৰি (তিব্বতী সন্ত মিলেৰাপা এই প্ৰাণাযামত সিদ্ধ আছিল)। এই প্ৰাণাযামৰ অপব্যৱহাৰ হ'লে হৃৎপিণ্ডৰ কাৰ্য্য বন্ধ হোৱাৰ ভয় থাকে হেতুকে তাক জন সাধাৰণক শিকোৱা নাযায। David-Neel আৰু বৰ্ত্তমান লিখকৰো বাস্তৱ অভিজ্ঞতা, এই প্ৰাণায়ামৰ সিদ্ধ ব্যক্তি সকলোৰে আত্ম-গৰ্ব ধ্বংস নহয়। David Neel (ibid) বৰঞ্চ লিখিছে কিছুমান তিব্বতী সাধকে প্ৰতিযোগিতাত ভাগ লয, কিমান উত্তাপলৈ নিজৰ দেহা উত্তপ্ত কৰিবলৈ সক্ষম হয়।

এই প্ৰাণাযামৰ শাৰীৰ ক্ৰিযাত্মক (physiological) দিশটোও বৰ্ত্তমান বিজ্ঞানৰ জ্ঞাত।

বৌদ্ধতন্ত্ৰৰ সাধক সকলে মন্ত্ৰ উচ্চাৰণ (ধৰণী), বীজ মন্ত্ৰ জপ (muttering), পূজা (devotion) , প্ৰাণাযাম (breath regulation), ধ্যান (single point concentration) ,দেৱদৰ্শনৰ (visualization) দ্বাৰা নিজৰ মনটো (মানস) স্থিৰ কৰিবলৈ প্ৰযাস কৰে। এবাৰ মন স্থিৰ হ'লে মনৰ পৰা সমস্ত ভাৱ বহিষ্কাৰ কৰি মনলৈ শূন্যতা বোধ আনিবলৈ চেষ্টা কৰা হয। সাধকৰ মন যেতিযা সমস্ত সংস্কাৰৰ পৰা মুক্ত হ'ব তেতিযা হঠাৎ এদিনাখন তেখেতে উপলব্ধি কৰিব এই জগতৰ নশ্বৰতা, পৰিবৰ্ত্তনশীলতা আৰু নিজৰ (আত্ম) 'অস্তিত্বহীনতাৰ' কথা। এই জ্ঞানেই তথতা (reality or as it is)। জগতৰ নশ্বৰতা উপলব্ধি কৰাৰ লগে লগে সাধকৰ মন নিৰাশাৰে নহয - আনন্দ বা সুখেৰে ভৰি পৰিব লাগিব। এই জুগপৎ জাত জ্ঞান আৰু আনন্দই সহজানন্দ। এনে জ্ঞানৰ উৎস বুদ্ধি নহয, সাধকৰ অনুভূতি।

বাস্তৱ জীৱনত এনে অনুভূতি সাধকৰ মনত অত্যন্ত আনন্দ, জযোল্লাস আৰু হৰ্ষোন্মত্ততা (elation) আনি দিযে। সিদ্ধাৰ্থ গৌতমেও বুদ্ধত্ব প্ৰাপ্তিৰ পিচত জযোল্লাসত নিজকে সৰ্ব্বকালৰ সৰ্ব্বজ্ঞ, বিজেতা আৰু চিৰ প্ৰশান্তি প্ৰাপ্ত বুলি ঘোষণা কৰিছিল। (The Majhima Nikaya Oxford University Press The Vinaya I p 8) , কিন্তু দুখৰ কথা ভগবান বুদ্ধই কোৱাৰ দৰে জগতৰ সকলো কথাই অস্থাযী আৰু পৰিবৰ্ত্তনশীল, মনৰ প্ৰশান্তিও অস্থাযী আৰু পৰিবৰ্ত্তনশীল। সহজানন্দ প্ৰাপ্ত সাধকৰ মনতো নিৰানন্দ, নিৰাশা আৰু সন্দেহৰ ভাৱ ঘূৰি আহে তেতিযা 'সমস্যা আৰু জটিল হয'। চৰ্যাগীতৰ এটি বুজন অংশ তেনে 'পাইও হেৰুওৱা সাধকৰ' উদ্দেশ্যে ৰচনা কৰা। কোনোৱে কৈছে - পুনৰ গুৰিৰ পৰা আৰম্ভ কৰা (হেৰি সে কাহ্নি নিঅড়ী জিনউৰ বট্টই - চৰ্যা ৭), কোনোৱে উপদেশ দিছে - যৌনাচাৰত ভাগ লোৱা (ছাড়িঅ ভয ঘিণ লোআচাৰ। চাহন্তে চাহন্তে সুণ বিআৰ।। চৰ্যা ৩১), আনজনে ৰচিছে কোনো এটা বিশেষ পথৰ ওপৰত অত্যধিক গুৰুত্ব নিদিবা, বৰঞ্চ নিজৰ মোহ দূৰ কৰা (চৰ্যা নং ৫)।

উপহাস, প্ৰহসন আৰু আন পন্থাক নিন্দা কৰা চৰ্যাগীতৰ বাদে আন সৰহ ভাগ চৰ্যাই কাৰিকৰী জ্ঞান দিযা উপদেশ মূলক গীত বা বৌদ্ধ তন্ত্ৰ সাধনাৰ কাৰিকৰী নীতি (manual) । উপদেশ সমূহৰ লক্ষ্য নিৰ্দ্দিষ্ট আৰু তাক শ্ৰেণী বিভাগ কৰিব পাৰি। লক্ষ্য একে যদিও পথ সদায একে নহবও পাৰে, কাৰণ সি ৰচকৰ অভিজ্ঞতা আৰু নিজৰ পন্থাক সমৰ্থন দোষ যুক্ত।

লক্ষ্য	পথ	চৰ্যাগীত নম্বৰ
১। নিজৰ মনক স্থিৰ কৰা	প্ৰাণায়াম কৰা	১,৩,৪,১১,২০,২১,৩৬,৩৮
	ডোম্বী প্ৰাণায়াম কৰা	১৯, ৪৭
	চণ্ডালী প্ৰাণায়াম কৰা	৪৭,৪৯
২। মনলৈ শূন্যতা বোধ আনা	ভাব অভাব চিন্তা নানিবা	৯,১০,১৩,২২,৩০,৩৪
৩। কোনো এটা বিশেষ পদ্ধতিৰ ওপৰত অত্যধিক গুৰুত্ব নিদিবা	তিনিওটা তন্ত্ৰ সমানে অভ্যাস কৰিবা	৫,১৪,১৫,১৭,২৭,৩২
	প্ৰাণায়ামক অত্যধিক গুৰুত্ব নিদিবা	৮
৪। প্ৰাপ্ত মনঃ সুখ, শান্তি নষ্ট হ'লে কি কৰিবা ?	সাধনা পুনৰ গুৰিৰ পৰা আৰম্ভ কৰিবা	৭,১২,১৮
৫। মনলৈ অহা সৰ্ব্বশূন্য ভাবৰ ফলত যদি হতাশাগ্ৰস্ত হোৱা তেতিয়া কি কৰিবা?	(১) যৌনাচাৰ শূন্যতা ভাবৰ উপলব্ধিৰ পিচত্ৰহে সিদ্ধ	১৬,২৬,৩১
	(২) ভাবাভাব চিন্তা সম্পূৰ্ণ ত্যাগ কৰা। শূন্যতা-পূৰ্ণতাৰ মাজত পাৰ্থক্য নাই	৩৫,৩৯,৪১,৪২,৪৩,৪৪
৬। ক্ৰমাৎ যদি মোহ গ্ৰস্ত হৈ আহা কি কৰিবা ?	(১) বিবাহ নকৰিবা	২
	(২) মঠত নাথাকিবা	৬
	(৩) মোহৰ উৎস ত্যাগ কৰিবা	১১,৪৫,৩৬
৭। সহজানন্দৰ অভিজ্ঞতা শিষ্যক কি দৰে জনাবা?	নিজৰ জীৱন পদ্ধতিৰে	৪০

বিষযবস্তুৰ ভিত্তিত চৰ্যাগীত সংগ্ৰহৰ শ্ৰেণী বিভাজন কৰিলে দেখা যায়- চৰ্যা নং ২৮, ৩৩ আৰু ৫০ প্ৰকৃতাৰ্থত চৰ্যাগীত নহয় কাৰণ বচকৰ মূল উদ্দেশ্য বৌদ্ধ তন্ত্ৰ সম্বন্ধে কোনো জ্ঞান দান নহয। যোগাচাৰ তন্ত্ৰৰ সমৰ্থক গীত বচকে যৌনাচাৰ স্বীকাৰ কৰা অনুত্তৰ তন্ত্ৰৰ অনুগামী সকলক উপহাস কৰিছে যে, এনে সাধকে নিজৰ সাধাৰণ যৌনক্ষুধা তন্ত্ৰৰ নামেৰে সন্তুষ্ট কৰে। এনে সাধক বেশ্যাগামী আৰু তন্ত্ৰৰ সাধনা সঙ্গিনী চৰিত্ৰহীনা নাৰী। চৰ্যা ২২,২৩,২৬ আৰু ২৯ অতি উচ্চ দাৰ্শনিক মতদ্বৈধৰ অবতাৰণা কৰিছে - যি সাধাৰণ পাঠকৰ বোধাতীত মধ্যমিকা আৰু যোগাচাৰ দৰ্শনৰ আপেক্ষিক (realtive) আৰু পূৰ্ণতাৰ (absolute) মাজৰ দ্বন্দ্ব। চৰ্যা ২২ ত সৰহপাদে গাইছে "জামে কাম কি কামে

জাম। সৰহ ভণতি অচিন্ত সো ধাম।।" (জন্মই কৰ্ম নিয়ন্ত্ৰণ কৰে নে কৰ্মই পুনৰ্জন্ম নিয়ন্ত্ৰণ কৰে তাক কোনেও কব নোৱাৰে)। চৰ্যা ২৩ ত ভুসুকুপাদে ৰচিছে "মাআজাল পসৰিউ ৰে বাধেলি মাআহৰিণী" (জালো মায়াৰ বা অস্তিত্বহীন, তাত ধৰা পৰা হৰিণীও মায়া অৰ্থাৎ অস্তিত্বহীন)। প্ৰকৃতাৰ্থ — সাধনাও মনৰ ভ্ৰম আৰু তাত লভা সিদ্ধিও ভ্ৰম (illusion) । চৰ্যা নং ২৬ ত শান্তি পাদে যোগাচাৰ তন্ত্ৰক হেয় কৰি কৈছে - বিশ্লেষণৰ দ্বাৰা অৱশেষত সকলো নাইকিয়া কৰিব পাৰি। " কাজ ন কাৰণ জ এহু জুঅতি। সঁএঁসংবেঅনণ বোলথি সান্তি (চৰ্যা -২৬)।" সৰহপাদৰ (চৰ্যা ২২) প্ৰশ্নৰ উত্তৰে দিছে শান্তি পাদে- জন্ম, কৰ্মফল আৰু পুনৰ্জন্ম সমস্তই আপেক্ষিক, ই চিন্তাকাৰক বা মূল্যাঙ্কন কাৰকৰ মূল্যবোধৰ ওপৰত নিৰ্ভৰ কৰিব। ইন্দ্ৰিয়াতীত অনুভূতিও বাস্তৱতে সাধকৰ ৰূপান্তৰিত ইন্দ্ৰিয়লব্ধ অনুভূতি। এই এটা বাক্যই বৌদ্ধ তন্ত্ৰৰ এটা শাখা সম্পূৰ্ণ জাগতিক কৰি তুলিছে (materialistic) । ইয়াৰ ভিত্তি আমি বুজি পাম যেতিয়া বৌদ্ধ তন্ত্ৰৰ বিভিন্ন শাখাৰ সাধনাৰ কাৰিকৰী দিশৰ বৰ্ণনা কৰা হ'ব ইয়াৰ পিচৰ অধ্যায়ত। ❖❖

অধ্যায় পঞ্চম

বৌদ্ধতন্ত্ৰৰ কাৰিকৰী দিশ আৰু চৰ্যাগীতৰ অৰ্থ

১৯০৭ খ্ৰীঃ মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰী দ্বাৰা বৰ্তমান চৰ্যাগীত সংগ্ৰহৰ আৱিষ্কাৰৰ দিনাখনৰ পৰাই চৰ্যাগীতৰ শুদ্ধ পাঠোদ্ধাৰ আৰু অৰ্থবোধৰ প্ৰচেষ্টা চলি আছে । প্ৰতিজন পণ্ডিতেই নিজৰ জ্ঞান -বিদ্যা-বুদ্ধি অনুসৰি চৰ্যাগীত সমূহৰ অৰ্থ বুজিছে আৰু আনক বুজাবলৈ চেষ্টা কৰিছে। বিদ্যালয়ৰ অৰ্থকৰী পাঠ্যপুথি প্ৰণয়নকাৰী দুই চাৰিজনক বাদ দিলে আন ব্যক্তি সকল সৎ আৰু পাণ্ডিত্যৰ অধিকাৰী। মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰী, মহাপণ্ডিত ৰাহুল সাংকৃত্যায়ন আচাৰ্য্য সুনীতি কুমাৰ চট্টোপাধ্যায়, পণ্ডিত সুকুমাৰ সেন আদি ব্যক্তি বিশ্ববৰেণ্য পণ্ডিত। প্ৰবোধ চন্দ্ৰ বাগচী, মহম্মদ শহীদুল্লাহ, জাহ্নবী কুমাৰ চক্ৰবৰ্ত্তী, শশীভূষণ দাসগুপ্ত আদি বিদ্বান ব্যক্তি সকলে বৌদ্ধ ধৰ্ম আৰু বৌদ্ধতন্ত্ৰ সম্বন্ধে যথেষ্ট অধ্যয়ন কৰাৰ প্ৰমাণ আমি তেখেত সকলৰ লিখনিত পাওঁ, তেন্তে স্থূলত চৰ্যাগীতৰ অৰ্থোদ্ধাৰৰ ক্ষেত্ৰত এনে বিভ্ৰাট কিয় ? আমি আগেয়ে কৈ আহিছো আদি ভাষ্যকাৰ মুনিদত্তৰ চৰ্যা ভাষ্য অভ্ৰান্ত, ধ্ৰুব সত্য স্বৰূপে গ্ৰহণ কৰাৰ ফলতে এই কেনা

লাগিছে। চৰ্যা নং ৯ ৰ "এবংকাৰ দৃঢ় বাখোড মোড্ডিউ" বাক্যৰ "বংকাৰ" শব্দৰ অৰ্থ মুনিদত্তই লিখিছে। " একাৰঃ চন্দ্ৰপ্ৰভাসং বংকাৰঃ সূৰ্য্যমুভয়ং দিবাৰাত্ৰিজ্ঞাং ।" সুকুমাৰ সেনে তাৰে অৰ্থ কৰিলে, 'এবংকাৰ' পাৰিভাষিক শব্দ। অৰ্থ, দিবা-ৰাত্ৰি সদসৎ ইত্যাদি দ্বৈতবোধ। 'এবংকাৰ' শব্দৰ অৰ্থ চন্দ্ৰ-সূৰ্য্য, দিবা-ৰাত্ৰি এই অৰ্থ মুনিদত্তই কব পৰা পালে তাৰ উল্লেখ নাই। কোনো প্ৰামাণিক গ্ৰন্থ, পণ্ডিতৰ উদ্ধৃতি, স্মৃতি-শ্ৰুতি, অভিধানৰ উল্লেখ, শব্দৰ ব্যুৎপত্তি একোৱেই নাই। মুনিদত্তই লিখাটোৱে যথেষ্ট, মহাপণ্ডিত, মহামহোপাধ্যায়, মহাচাৰ্য্য সকলে নিৰ্ব্বিবাদে গ্ৰহণ কৰিলে। আচৰিত কথা এই উপৰোক্ত পণ্ডিত সকলে জীৱনত অন্ততঃ আৰু এবাৰ "বংকাৰ" শব্দটো পাই আহিছে, প্ৰামাণিক তন্ত্ৰ শাস্ত্ৰত। শ্ৰী বগলামুখী তন্ত্ৰ বা যি কোনো হিন্দু তন্ত্ৰৰ স্বাধিস্থান চক্ৰৰ বৰ্ণনা পঢ়িলে পাব—

"তস্যান্তৰে প্ৰবিলসদ্বিশদপ্ৰকাশ-মম্ভোজমলমথো বৰুণস্যতস্য। অৰ্দ্ধেন্দু-ৰূপলসিতং শৰদিন্দুশুভ্ৰং 'বং'-কাৰ বীজমমল, মকৰাধিৰূঢ়।। 'বং' ধ্বনি বৰুণৰ বীজ মন্ত্ৰ। শ্ৰী বগলা (বৌদ্ধ বোগদা ডাকিনী) তান্ত্ৰিক পূজাত বহোতে সাধকে চৌষষ্ঠি বাৰ 'বং' ধ্বনি জপ কৰি কুম্ভক অবস্থাত বৈ তাৰ পিছত পূজা আৰম্ভ কৰিব। জলঘটত (বৰুণৰ অবস্থান) দেবীক আহ্বান কৰি স্থিত হোৱাৰ পিছত পূজাৰ প্ৰতিটো কৰ্ম্মতে 'ওঁ' আৰু 'বং' ধ্বনিৰ উচ্চাৰণৰ দ্বাৰা কৰ্ম্ম আৰম্ভ কৰিব (ওঁ বং লড্ডুকায নমঃ, ওঁ ব, অৰ্ঘ্যায নমঃ ইত্যাদি)। তান্ত্ৰিক পূজাত ঘন্টা ধ্বনিৰ দৰে আদিৰ পৰা অন্তলৈ বং, বং ধ্বনি উচ্চাৰিতহৈ থাকিব। কাহ্নুপাদে যেতিয়া ৰচিছে (চৰ্যা নং ৯)"এবংকাৰ দৃঢ় বাখোড মোড্ডিউ।" বাখোড শব্দৰ অৰ্থ বা + খোট = সমুদায স্তম্ভ (পণ্ডিত সকলে তাক অনৰ্থক হাতী বন্ধা খুটা কৰিছে), মোড্ডিউ = মৰ্দ্দিত = চূৰ্ণ-বিচূৰ্ণ, দৃঢ়ঃ শব্দৰ অৰ্থ সৰ্ব্বজন জ্ঞাত অচল বা কঠিন। তেনে স্থলত পদৰ অৰ্থ হ'ব — 'পূজা ৰূপ দৃঢ় স্তম্ভ সমূহ চূৰ্ণ কৰা বা উভালি পেলোৱা। ইযাত দিন ৰাতি, চন্দ্ৰ সূৰ্য্যৰ কতো উল্লেখ নাই। প্ৰশ্ন উঠিব 'ব,কাৰ' শব্দৰ অৰ্থ মুনিদত্তই নাজানিলে কেনেকৈ? প্ৰথম সম্ভাবনা মুনিদত্ত স্বভাৱ অজ্ঞ হ'ব পাৰে, কিন্তু দ্বিতীয অধিক সম্ভাবনা উচ্চ ক্ৰিয়া তন্ত্ৰৰ সাধক ৰূপে মুনিদত্তই চৰ্য্যাতন্ত্ৰৰ বিধিগাত পূজাৰ নিযম, মন্ত্ৰ আদি নাজানিবও পাৰে। পিচৰ যুগৰ পণ্ডিত সকলৰ বহুতেই পাঠাগাৰত তন্ত্ৰ শাস্ত্ৰৰ ইংৰাজী অনুবাদ পঢ়ি হোৱা তন্ত্ৰবিদ। হৰপ্ৰসাদ শাস্ত্ৰীৰ নিচিনা প্ৰকৃত পণ্ডিতেও প্ৰয়োজনৰ সময়ত "হত বিদ্যা" হোৱাৰ উদাহৰণ দেখা যায (কাছ, ধৰ্ম্ম আৰু বৌদ্ধ শাস্ত্ৰৰ প্ৰতীক বুলি তেখেতে লিখিও "দুলি" আৰু বৌদ্ধ শাস্ত্ৰৰ সম্বন্ধ সময়ত তেখেতৰ মনত নেখেলাল। যাৰ উল্লেখ আমি চৰ্যা নং ২ ৰ টোকাত উল্লেখ কৰিছো)।

ওডিযাণে = উড্ডিযানে (প্ৰাণায়ামৰ উড্ডিযান বন্ধ), জালন্ধৰি পা এ (জালন্ধৰি প্ৰাণাযামৰ গুৰু, য'ত জালন্ধৰি বন্ধ " প্ৰাণাযামত এটা বহিবৰ বিশেষ ভঙ্গি), যি ব্যক্তিয়ে প্ৰাণাযামৰ অভ্যাস কৰে তেখেতে অৰ্থ বুজিবলৈ অভিধান চোবাৰ প্ৰযোজন নহয। চৰ্যা নং ৮ ৰ সোণে শব্দই প্ৰাণাযামৰ স্বৰ্ণাক্ষৰ দেৱতাৰ দ্বাৰা জপ-প্ৰাণাযাম আৰু "ৰূপা থোই নহিকে ঠাবী" বাক্যত "ৰূপা শব্দই ৰূপানুভূতি বা ৰূপ ধ্যানৰ দ্বাৰা চৰ্য্যা তন্ত্ৰৰ ইষ্ট দেৱৰ ৰূপ দৰ্শন বুজাইছে সি শুদ্ধ ভাষাবিদৰ বুজাৰ সাধ্যাতীত যদিহে তেখেতে বৌদ্ধ তন্ত্ৰৰ সম্যক অধ্যযন নকৰে। সেইদৰে বৌদ্ধতন্ত্ৰৰ দৰ্শন, লক্ষ্য আৰু কাৰিকৰী খুটি-নাটি পুংখানু পুংখ ৰূপে নাজানিলে, চৰ্যাকাৰ সকলে কি কৈছে বুজাটো সম্ভৱ নহয। বৰ্ত্তমান লিখকো বৌদ্ধ তন্ত্ৰৰ কোনো বিশেষজ্ঞ নহয। জপ, প্ৰাণাযাম আৰু ধ্যানৰ প্ৰাথমিক ফলিত জ্ঞান কিঞ্চিত ৰাখে যদিও তেখেতৰ নিজ জ্ঞান - অভিজ্ঞতাৰ (যি চৰ্যা গীত ৰচকৰ অভিজ্ঞতাৰ সৈতে একে নহবও পাৰে) ভাৰসা নাৰাখি মাত্ৰ এখন প্ৰামাণিক গ্ৰন্থৰ Introduction to the Buddhist Tantric system যি তিবৃতী ভাষাত লিখা বৌদ্ধতন্ত্ৰ বিশ্বকোষ MKHAS GRUB RJES গ্ৰন্থৰ ইংৰাজী অনুবাদ (Pub Motilal Banarsidass New Delhi) আৰু তাৰ টীকা ভাষ্য সমূহ প্ৰাথমিক ভিত্তি ৰূপে গ্ৰহণ কৰা হৈছে। অনুবাদক দ্বয F D Lessing আৰু A Wayman জগৎ বিখ্যাত বৌদ্ধ তন্ত্ৰবিদ। সহাযক গ্ৰন্থ স্বৰূপে The Buddhist Tantra – Allex Wayman- pub Samuel Weiser - Newyork, Light on Pranayama - B K S Iyengar - pub Harper Collins , শ্ৰীশ্ৰী বগলামুখী তন্ত্ৰম - ভৈৰব শাস্ত্ৰী, প্ৰশ্ন উঠিব পাৰে আন তন্ত্ৰ যেনে ভৈৰবী তন্ত্ৰ, যোগিনী তন্ত্ৰ, চণ্ডী আদি বাদ দি কিয শ্ৰীবগলা তন্ত্ৰ স্বীকাৰ কৰা হৈছে ? বগলা <বোগদা < বগদা ডাকিনী যাক বৌদ্ধ তন্ত্ৰত এক প্ৰধান দেৱী ৰূপে পূজা কৰা হয (Buddhism in Tibet p 249 E Schlagintweit Book Faith - India - Delhi) স্বাভাৱিকতে বৌদ্ধ তন্ত্ৰৰ বহু চৰিত্ৰ বৈ গৈছে, Buddhist Hybrid Sanskrit Grammer and Dictionary Franklin Edgerton Motilal Banarsidas, The Indian Buddhist Iconography B Bhattacharyya (Firma K L M Calcutta - 1987, সাধনমালা, বিনযতোষ ভট্টাচাৰ্য্য। এই খিনিতে প্ৰশ্ন উঠিব পাৰে - শশিভূষণ দাসগুপ্ত লিখিত "বৌদ্ধ ধৰ্ম্মও চৰ্যাগীতি" আৰু Obscure Religious Cults -1962 (Firma K L M Calcutta) যি দুখন গ্ৰন্থ প্ৰায সকলো চৰ্যাগীতি বিশেষজ্ঞই প্ৰামাণিক গ্ৰন্থৰূপে ব্যৱহাৰ কৰিছে তাৰ উল্লেখ

নাই কিয়? উত্তৰত কব পাৰি শশিভূষণ দাসগুপ্ত, সেইদৰে প্ৰবোধচন্দ্ৰ বাগচী (Dohakosa-pt I Calcutta Sanskrit Series No 25 C) মহোদয় দুয়ৰ চিন্তা মুনিদত্ত লিখিত চৰ্যাগীতৰ ভাষ্যৰ দ্বাৰা প্ৰভাৱিত সেয়েহে পক্ষপাত দুষ্ট। দাসগুপ্ত মহোদয়ে দিয়া "চণ্ডালীৰ" সংজ্ঞা দেখ দেখ মুনিদত্তৰ ভাষ্যৰ ইংৰাজী অনুবাদ। ড° প্ৰবোধ বাগচী সম্পাদিত চৰ্যাগীতৰ তিব্বতী ভাষাৰ পৰা কৰা সংস্কৃত অনুবাদ (Materials for a critical edition of the old Bengali Carya pada - J D L C U Vo XXX, জাহ্নবী চক্ৰবৰ্ত্তী দ্বাৰা তেখেতৰ গ্ৰন্থ "চৰ্যাগীতিৰ ভূমিকা" - পৃঃ ১৪-১৫) বাস্তবতে মুনিদত্তৰ ভাষ্যৰ সংস্কৃত কাব্যৰূপ, মৌলিক চৰ্যাগীতৰ তাত লেশ মাত্ৰও নাই।

দ্বিতীয় স্তৰত সমৰ্থক গ্ৰন্থস্বৰূপে আমি লোৱা গ্ৰন্থ সমূহ হ'ল — যোগিনী তন্ত্ৰম, ঘেৰণ্ড সংহিতা, সাম্ভাৰা তন্ত্ৰ, শ্ৰীসমাজতন্ত্ৰ বা গুহ্য সমাজ তন্ত্ৰ। (Eng edt Benoytosh Bhattacharya) হেবজ্ৰতন্ত্ৰ (tr edit by D L Snellgrove 1959 Oxford Univ Press), শেকোদ্দেশটীকা (Naropa edit E Carelli 1941, Baroda) প্ৰদীপোদ্যটন টিপ্পনী (অংশ বিশেষ অনুবাদ কৃত F D Lessing আৰু W Waymen,) বহু সময়ত মূল গ্ৰন্থৰ প্ৰাপ্তিৰ অভাৱত দ্বিতীয় লিখকৰ উদ্ধৃতি ব্যৱহাৰ কৰাৰ প্ৰয়োজন হৈছে, যি স্বাভাৱিকতে সদায় নিৰাপদ নহয়।

দীঘলীয়া ভণিতা লিখাৰ প্ৰয়োজন এইবাবেই হ'ল যে, সৰহভাগ পূৰ্বসুৰিয়ে চৰ্যাগীতৰ অৰ্থোদ্ধাৰৰ বাবে মুনিদত্তৰ ভাষ্যৰ ওপৰত নিৰ্ভৰ কৰিছে - য'ত মুনিদত্তই উচ্চ ক্ৰিয়াতন্ত্ৰৰ দৰ্শন আৰু কাৰিকৰী দিশ কেৱল জানিছিল। অথবা জাহ্নবী চক্ৰবৰ্ত্তী, শশিভূষণ দাসগুপ্তৰ দৰে হেবজ্ৰতন্ত্ৰ বা গুহ্যসমাজতন্ত্ৰৰ ওপৰত নিজৰ লিখনি ভিত্তি কৰিছে। অসুবিধা হ'ল — গুহ্যসমাজ তন্ত্ৰ আৰু হেবজ্ৰতন্ত্ৰ সম্পূৰ্ণ অনুত্তৰ তন্ত্ৰৰ ভিত্তি শাস্ত্ৰ তাত আন তন্ত্ৰ দৰ্শন আৰু কাৰিকৰী দিশৰ উল্লেখ নাই। আনহাতে বৰ্ত্তমান চৰ্যাগীত সংগ্ৰহৰ সৰহভাগ গীতেই যোগাচাৰ তন্ত্ৰৰ সাধকে নিজৰ তন্ত্ৰৰ সমৰ্থনত লিখা।

আগৰ অধ্যায়তে কোৱা হৈছে ভাৰতবৰ্ষত মহাযান পন্থাৰ অন্তৰ্গত মন্ত্ৰযান বৌদ্ধতন্ত্ৰ শাখাত ছয়টা প্ৰধান উপশাখা আছে ঃ

১) ক্ৰিয়া তন্ত্ৰ উচ্চ ক্ৰিয়াতন্ত্ৰ (লোকোত্তৰ ক্ৰিয়া তন্ত্ৰ)

নিম্ন ক্ৰিয়া তন্ত্ৰ (লৌকিক ক্ৰিয়া তন্ত্ৰ)

২) চৰ্য্যাতন্ত্ৰ পূজা, ভক্তি

৩) যোগাচাৰ তন্ত্ৰ ,উচ্চ যোগাচাৰ তন্ত্ৰ (ধ্যান + শূন্যতা)
নিম্ন যোগাচাৰ তন্ত্ৰ (ধ্যান + পূজা)

৪) অনুত্তৰ তন্ত্ৰ উচ্চ অনুত্তৰ তন্ত্ৰ (তথতা + মহাসুখ, কৰুণা)
নিম্ন অনুত্তৰ (তথতা + শূন্যতাবোধ)

৫) মহাযোগ তন্ত্ৰ মহামুদ্ৰা, সৰ্ব্বতিকাল সুখ

৬) অতিযোগ তন্ত্ৰ বোধিচিত্ত, সুখ - দুখ অনুভূতিৰ উৰ্দ্ধ

বহু বৌদ্ধ তন্ত্ৰ বিশাৰদে (Jigme Lingpa - Ati Innermost Essence p 283 Entering The stream Random House) মহা আৰু অতি তন্ত্ৰ একে তন্ত্ৰ ৰূপেই লয, কেবল সাধকৰ স্তৰ ভেদ সূচায। মহা আৰু অতি তন্ত্ৰত সিদ্ধি প্ৰাপ্ত সাধকক বজ্ৰসিদ্ধি প্ৰাপ্ত অনুত্তৰ তন্ত্ৰৰ অনুগামী ৰূপে ধৰা যায। বজ্ৰসিদ্ধি প্ৰাপ্ত ব্যক্তি যেয়ে বোধিচিত্ত প্ৰাপ্ত হৈছে, যাৰ চিত্ত কোনো কালতে কোনো সংঘটনতে বিচলিত নহয। তেখেতৰ মহাসুখ চিৰস্থাযী। মহাসিদ্ধ পদ্মসম্ভৱ, তিৰোপা, নৰোপা আদিক বজ্ৰসিদ্ধি প্ৰাপ্ত সাধক ৰূপে বিশ্বাস কৰা হয যাৰ বোধিচিত্ত মানসৰ হেতু তেখেত সকল সুখ - দুখৰ ওপৰত। মহা আৰু অতি তন্ত্ৰ জ্ঞান যিহেতু কেবল মৌখিক (orally transmitted), গুৰুই শিষ্যক দিযা জ্ঞান- ইযাৰ প্ৰামাণিক শাস্ত্ৰ নাই (অংশ বিশেষ সংৰক্ষিত, যেনে তিৰোপাই নৰোপাক দিযা উপদেশ, পদ্মসম্ভবে দিযা যেশে চোগীযালক দিবা উপদেশ)। চৰ্যাগীতৰ ৰচক সকলেও এই পৰম্পৰা ৰক্ষা কৰি মহা আৰু অতি তন্ত্ৰৰ ভিত্তিত কোনো চৰ্যাগীত ৰচা নাই।

বাকী চাৰিটা তন্ত্ৰ, ক্ৰিযা, চৰ্য্যা, যোগাচাৰ আৰু অনুত্তৰ তন্ত্ৰ বহু সমযত এনেভাৱে সানমিহলি হৈ যায যে পাৰ্থক্য বিচাৰি পোৱা টান। তদুপৰি গুৰুৰ অনুজ্ঞা অনুসৰি সাধকে একাধিক তন্ত্ৰৰ সাহায্য লব পাৰে। চাটিলে কৈছে (চৰ্যা নং ৫) "সাঙ্কমত চড়িলে দাহিন বাম মা হোহী" অৰ্থাৎ এবাৰ সাধনা আৰম্ভ কৰিলে মাতৃতন্ত্ৰ-পিতৃতন্ত্ৰ কোনো এটাত অত্যধিক গুৰুত্ব নিদিবা। বহু সাধকে আকৌ সিদ্ধি লাভত বিফল হৈ ইটো তন্ত্ৰৰ পৰা সিটো তন্ত্ৰলৈ নিজৰ আনুগত্য সলাই ফুৰিছিল, তাৰ প্ৰমাণ পাওঁ কাহ্নুপাদৰ বাক্যত (চৰ্যা নং ৭) "অৱণাগৱণে কাহ্ন বিমন ভইঈলা"। অথবা কুক্কুৰীপাদৰ পদ, " হাঁউ নিৰাসী খমণ ভতাৰে" (মই মোৰ বৌদ্ধ গুৰুত নিৰাশ হলো- চৰ্যা নং ২০)। প্ৰতিজন সাধকৰ লক্ষ্য চিৰস্থায়ী "সুখ" অনুভূতি। সেই সুখ আহিব লাগিব প্ৰজ্ঞাপৰমিতা বা পৰম জ্ঞানৰ লগত। নিৰ্ব্বাণ বা আত্মৰ লুপ্তি বৌদ্ধ তন্ত্ৰৰ লক্ষ্য নহয কাৰণ আত্ম নাই (নৈৰাত্ম)।

সংসাৰ পানীৰ টোপালত প্ৰতিফলিত চন্দ্ৰৰ দৰে আপেক্ষিক অস্তিত্ব যুক্ত আৰু আদিতে জগতৰ সৃষ্টিযে হোৱা নাই। 'আইএ অণুঅনা এ জগ ৰে ভাংতিএঁ সো পডিহাই' (চৰ্যা ৪১) যাৰ অৰ্থ - আদিতে অনুৎপন্ন জগৎ ভ্ৰমহেতু হে দৃষ্ট।

পূৰ্ব্বে কোৱা হৈছে ভাৰতবৰ্ষত প্ৰচলিত বৌদ্ধ তন্ত্ৰ সমূহৰ প্ৰতিটোৰে সিদ্ধিৰ লক্ষ্যৰ সহজ সুখ আৰু পৰম জ্ঞান হলেও তাৰ সংজ্ঞা ভিন্ন ভিন্ন

ক্ৰিয়া তন্ত্ৰ	ঃ	প্ৰজ্ঞা (তথতা জ্ঞান) + সুখ
চৰ্য্যা তন্ত্ৰ	ঃ	প্ৰশান্তি + সুখ
যোগ তন্ত্ৰ	ঃ	শূন্যতাবোধ + সুখ
অনুত্তৰ তন্ত্ৰ	ঃ	তথতা + মহাসুখ (শূন্য + কৰুণা)
মহা-অতি	ঃ	অপ্ৰযোজনীয় = সৰ্বৃতিকাল সুখ

এতিয়া চোৱা যাওক এই সুখ প্ৰাপ্তিৰ ব্যৱস্থা বৌদ্ধ তন্ত্ৰৰ প্ৰতিটো শাখাই কি দৰে কৰিছিল। দেখা যাব, সাধক সকলে নিজৰ নিজৰ ব্যক্তিগত অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰ কৰি যি কোনো এটা পদ্ধতিৰ ওপৰত গুৰুত্ব দিছিল। যেনে, লুইপাই (চৰ্যা ন, ১) ৰচিছে। 'প্ৰাণাযামেই সকলো' - এডিএড ছান্দক বান্ধ কৰণক পাটেৰ আস ধমণ চমণ বেণি পিণ্ডি বইঠা।" যাৰ অৰ্থ ক্ৰিয়া কাণ্ড (পূজা - পাট) চাতুৰ্য্যৰ আশা এৰি শ্বাস-প্ৰশ্বাস চক্ৰাকাৰে লোৱা (প্ৰাণাযাম), ই মই দৃঢ় ভাৱে জানো। আকৌ তাৰে বিপৰীতে কাহ্নুপাই গাইছে (চৰ্যা ৭) " আলিএঁ কালিএঁ বাট ৰুন্ধেলা।" যাৰ অৰ্থ, শ্বাস - প্ৰশ্বাসেই (প্ৰাণাযামে) মোৰ (সাধনাৰ) পথ ৰুদ্ধ কৰিলে।

আমি তলত দিয়া সাধনা প্ৰক্ৰিয়া এক আপেক্ষিক তালিকা আৰু ইয়াক Introduction to the Buddhist Tantric systems By F D Lessing আৰু A Wayman আৰু The Buddhist Tantra - Alex Wayman-Samuel Weiser গ্ৰন্থ দুখনৰ ভিত্তি যুগুতোৱা হৈছে ।বৰ্ত্তমান লিখকৰ ব্যক্তিগত অভিজ্ঞতা আৰু জ্ঞানৰ অভাৱত ইয়াৰ ভ্ৰান্তি নিৰ্ণয় কৰাটো সম্ভৱ নহয়।(সাৰণী১)।

স্থান আৰু জ্ঞান দুয়োটাৰ নাটনিৰ ফলত চৰ্যাগীতত বৌদ্ধ তন্ত্ৰত ব্যৱহৃত শব্দৰ প্ৰতিশব্দ আৰু সংজ্ঞা থূল-মূল ভাৱে হে দিব পৰা যাব। দ্বিতীয়তে এইটো মনত ৰখাৰ প্ৰয়োজন তন্ত্ৰ শাখা আৰু গ্ৰন্থ অনুযায়ী সংজ্ঞা ভিন্ন ভিন্ন। যেনে যোগাচাৰৰ কৰ্ম্মমুদ্ৰা আৰু মহামুদ্ৰা, অনুত্তৰ তন্ত্ৰৰ কৰ্ম্মমুদ্ৰা আৰু মহামুদ্ৰাৰ কোনো সাদৃশ্যই নাই। অনুত্তৰ তন্ত্ৰৰ মহামুদ্ৰা যৌনাচাৰ ক্ৰিয়া সমাপ্তিৰ পিচত সাধকৰ চিত্তত উদ্ভূত কৰুণা ভাব। আকৌ যোগাচাৰ তন্ত্ৰৰ মহামুদ্ৰা সাধকৰ

দ্বাৰা ইষ্টদেৱতাৰ কায়াৰ চাক্ষুষ দৰ্শন The Great Seal maha - mudra shows the nature of deities by images of their bodies - Avatara-Vakh*(as quoted by Lessing & Wayman p 228 ibid)। কোনো কোনো স্থলত সংজ্ঞা একেটাই, কিন্তু প্ৰযোগ ভিন্ন ভিন্ন-যেনে প্ৰাণায়াম শব্দই ক্ৰিয়াতন্ত্ৰত পূৰক-কুম্ভক -ৰেচক শ্বাস - প্ৰশ্বাস কাৰ্য্য সূচায, কিন্তু অনুত্তৰ তন্ত্ৰত প্ৰতিলোম প্ৰাণায়াম বুজায। তেনে স্থলত আমাৰ লিখনিয়ে কেবল এক সামূহিক চিত্ৰ দিবলৈ সক্ষম হ'ব।

সঙ্কল্প ঃ বৌদ্ধ তন্ত্ৰত এজন সাধকে কোনো এক বিশেষ তন্ত্ৰ আৰু গুৰুৰ প্ৰতি আনুগত্য প্ৰকাশ কৰি সিদ্ধি লাভৰ সঙ্কল্প লব লাগিব। সঙ্কল্পক **সময** (pledge), আৰু সঙ্কল্প গ্ৰহণকাৰীক **সাময়ীন** (pledge taker) বোলা হয। সঙ্কল্প, সাধনাৰ প্ৰতিটো স্তৰতে আৰু প্ৰতি কাৰ্য্যৰ আৰম্ভণিতে সাধকে মৌখিক ভাৱে ধৰণীৰ (মন্ত্ৰৰ) ৰূপত ঘোষণা কৰিব। এনে ধৰণীৰ সঙ্কল্প ক্ৰমান্বযে জটিলতৰ আৰু উচ্চতৰ আধ্যাত্মিক চৰিত্ৰৰ হৈ অৱশেষত বোধিচিত্ত প্ৰাপ্তিৰ সঙ্কল্প লৈ সাধক সিদ্ধ হোৱাটো আৱশ্যক।

ধৰণী বা মন্ত্ৰ ঃ ধৰণী বা মন্ত্ৰই বৌদ্ধ তান্ত্ৰিক সাধনাৰ মূল বাবেই ইযাৰ নাম ধৰণী (ধৃ) আৰু বৌদ্ধ তন্ত্ৰৰ এটা নাম মন্ত্ৰযান। সাধকে সাধনাৰ আৰম্ভ কৰাৰ পৰা সিদ্ধি লাভৰ শেষলৈ বিশেষ বিশেষ অৰ্থযুক্ত নিৰ্দ্দিষ্ট শব্দৰ শাৰি সুৰীয়া ভাৱে উচ্চাৰণ কৰি যাব, এযেই মন্ত্ৰ। সাধকে সাধনাত বহি নিজৰ সঙ্কল্প ঘোষণাৰ পৰা সিদ্ধি লাভৰ পিচত ধন্যবাদ দিযালৈ **নিৰ্দ্দিষ্ট শব্দৰ** শ্লোকবোৰ প্ৰামাণিক শাস্ত্ৰ আৰু গুৰুৰ মুখৰ পৰা শিকে। এনে মন্ত্ৰবোৰ সাধনা কাৰ্য্যৰ লক্ষ্য, স্তৰ আৰু পৰিণতিৰ প্ৰতিনিধিত্ব কৰে। কোনটো মন্ত্ৰ মাতিছে জানিলে কোনটো তন্ত্ৰৰ সাধনা, সাধনাৰ স্তৰ, কি সাধনা, সাধকৰ লক্ষ্য কি, সাধক সাধনাৰ কোনটো স্তৰ পাইছে বুজি পাব পাৰি। বহু মন্ত্ৰৰ নিজস্ব নাম আছে আৰু সেই মন্ত্ৰই সাধকৰ কাৰ্য্য আৰু সাধনাৰ স্তৰৰ প্ৰতিনিধিত্ব কৰে। চৰ্যা ৰচক সকলে এনে প্ৰখ্যাত ধৰণীৰ নাম চৰ্যাগীতত ব্যৱহাৰ কৰিছে সংক্ষেপে, নিজৰ উদ্দেশ্য বুজাবলৈ। যেনে - চৰ্যা নং ৩২, সৰহপাদে গাইছে ' হাথে ৰে কাঙ্কাণ মা লোউ দাপণ।" এই পদৰ অৰ্থ সৰহভাগ পণ্ডিতেই কৰিছে ' হাতৰ কঙ্কণ চাবলৈ দৰ্পণৰ প্ৰযোজন নাই (পোনে পোনে দেখা পায)। অসুবিধা হ'ল, বৌদ্ধ তান্ত্ৰিকে হাতত কঙ্কণো নিপিন্ধে, আৰ্চ্চিৰ নলয। তেনে স্থলত সৰহপাই এনে উপদেশ দিব কিয? বাস্তৱতে দাপণ = দৰ্পণ - "দৰ্পণ ধৰণী" বৌদ্ধতন্ত্ৰৰ সৰ্বজন জ্ঞাত মন্ত্ৰৰ নাম। ইয়াক উচ্চাৰণ কৰা হয় ইষ্টদেৱতাক আহ্বানৰ পিচত দৰ্পণত দেৱ প্ৰতিবিম্ব দৰ্শন

হোৱা বুলি সাধকে ঘোষণা কৰে (এই ব্যৱস্থা হিন্দু পূজাত দেৱী ঘটত প্ৰতিষ্ঠাৰ পিচত কৰা হয়)। "কঙ্কণ" আন এটি বৌদ্ধ ধৰণীৰ নাম যাৰ মূল হ'ল বুদ্ধ কঙ্কণ অৰ্থাৎ "ধৰ্ম্ম ধাতু প্ৰাপ্তিৰ ঘোষণা" (চৰ্যা নং ৩২ ৰ টোকাত দিও, লিখা হৈছে)। সৰহপাই কৈছে, য'ত ধৰ্ম্মধাতু প্ৰাপ্তি সম্ভৱ, তাত দেৱ দৰ্শনৰ (নিম্ন যোগাচাৰ,চৰ্য্যা আৰু ক্ৰিয়া তন্ত্ৰ) দৰে নিম্নতৰ সাধনা সঙ্কল্প নলবা। তাতকৈ শ্ৰেষ্ঠ " অপণে অপা বুঝ তু নিঅমণ।।" নিজৰ মন নিজেই বুজিবলৈচেষ্টা কৰা, অৰ্থাৎ আত্মবিশ্লেষণ কৰা (ভগৱৎগীতাৰ সাংখ্য অধ্যায়ৰ দৰ্শনৰ সৈতে সমদৰ্শন)।

জপ ঃ জপ হৈছে এটা বা একাধিক ধ্বনিৰ, এটা বা একাধিক শব্দৰ অবিৰাম পুনঃ পুনঃ উচ্চাৰণ বা স্মৰণ। জপ ধ্বনি যুক্ত (স্ফুট) অথবা ধ্বনিহীন (অস্ফুট), অৰ্থ যুক্ত (জপ মন্ত্ৰ) বা অৰ্থহীন ধ্বনি (বীজ মন্ত্ৰ) হ'ব পাৰে। জপ, শ্বাস নিযন্ত্ৰণৰ লগত (সপ্ৰাণায়াম) অথবা মুক্ত হব পাৰে। জপ বৌদ্ধ তন্ত্ৰৰ এক বিশিষ্ট অঙ্গ আৰু নিম্নক্ৰিয়া তন্ত্ৰৰ অজটিল সাধনাৰ পৰা মহা অতিৰ জটিলতম সাধনা প্ৰক্ৰিয়াত জপৰ ব্যৱহাৰ হয়। ঘাইকৈ নিম্ন ক্ৰিয়া তন্ত্ৰত বিশ্বাস কৰা হয় কেৱল মন্ত্ৰ জপৰ দ্বাৰাই বোধিচিত লাভ সম্ভৱ (বৌদ্ধ 'নামধাৰি, নেম্বুৎসু, হিন্দু 'বৈষ্ণৱৰ নাম ধৰ্ম্ম' এঁকে বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত)। জপ আৰু মন্ত্ৰৰ মাজত পাৰ্থক্য হ'ল জপ শব্দ পুনঃ পুনঃ উচ্চাৰণ বা স্মৰণ কৰিব লাগে, মন্ত্ৰ বিশেষ কাৰ্য্য বা অৱস্থাত স্মৰণীয়।

বৰ্ত্তমান চৰ্যাগীত সঙ্কলনত জপৰ পৰোক্ষ উল্লেখ থাকিলেও প্ৰত্যক্ষ উল্লেখ দেখা যায় কেৱল চৰ্যা নং ২ য ত য'ত ৰচকে নিম্ন ক্ৰিয়া তন্ত্ৰৰ সাধকক পৰিহাস কৰি কৈছে - 'ৰাতি পত্নীক কাৰত পালে গুৰুৱে কাণত দিয়া জপ মন্ত্ৰ কলৈ পলাব বিচাৰি নাপাবা'।

প্ৰাণায়াম ঃ প্ৰাণায়াম প্ৰক্ৰিয়া তন্ত্ৰৰ লগত অঙ্গা অঙ্গি জড়িত। প্ৰাণায়ামৰ ফলিত দিশ নুবুজিলে, নাজানিলে, তন্ত্ৰ আৰু তন্ত্ৰৰ কাৰিকৰি নিৰ্দ্দেশ স্বৰূপ চৰ্যাগীত সমূহ বুজাটো সম্ভৱ নহয়। বিৰুৱাপাদৰ চৰ্যা নং ৩, গুণ্ডৰীপাদৰ চৰ্যা নং ৪, কৃষ্ণাচাৰ্য্য পাদৰ চৰ্যা নং ১১ আদি সম্পূৰ্ণভাৱে বৌদ্ধ তন্ত্ৰ সাধনাৰ কাৰিকৰী নিৰ্দ্দেশ। ডোম্বী, চণ্ডালী যোগিনী আদি বহু পণ্ডিতে ভবাৰ দৰে সাধকৰ প্ৰেয়সীৰ নাম বা জাতি বিশেষ নহয় এইবোৰ একোটা প্ৰাণায়ামৰ নাম।

B K S Iyengar আধুনিক কালৰ প্ৰাণায়াম বিশেষজ্ঞই প্ৰাণায়াম শব্দৰ সংজ্ঞা দিছে (Light on Pranayama - Harpar Collins 1993)

Pranayama = prana + yama
Prana = breath, respiration, life, vitality, energy etc
yama = control (of breath)

ভিন্ন ভিন্ন বৌদ্ধ তন্ত্ৰৰ

ক্ৰিয়াতন্ত্ৰ	সঙ্কল্প	ধৰণী মন্ত্ৰ মণ্ডল	দেৱ আহ্বান কলশ	ধ্যান পূজা সেৱা	প্ৰভুৰূপত দেৱভক্তি	জপ	প্ৰাণায়াম
চৰ্য্যাতন্ত্ৰ	সঙ্কল্প	ধৰণী মন্ত্ৰ মণ্ডল	দেৱ আহ্বান কলশ	ধ্যান পূজা ভক্তি	দেৱৰ লগত একত্ৰি- ভবন	জপ	প্ৰাণায়াম
যোগাচাৰ তন্ত্ৰ	সঙ্কল্প	ধৰণী মন্ত্ৰ মণ্ডল	দেৱ আহ্বান কলশ	ধ্যান	দেৱৰ লগত একত্ৰি- ভবন	জপ	প্ৰাণায়াম
অনুত্তৰ তন্ত্ৰ	সঙ্কল্প	ধৰণী মন্ত্ৰ মণ্ডল	দেৱ আহ্বান কলশ	ধ্যান	দেৱৰ লগত একত্ৰি- ভবন	জপ	প্ৰাণায়াম
মহা-অতি তন্ত্ৰ	সঙ্কল্প	ধৰণী মন্ত্ৰ মণ্ডল	দেৱ আহ্বান কলশ	ধ্যান	দেৱৰ লগত একত্ৰি- ভবন	জপ	প্ৰাণায়াম

সাধনা কাৰ্য্য পদ্ধতি (সাৰণী-১)

প্ৰাণাযাম, জপ,	জগতৰ স্থাযিত্ব	তথতা জ্ঞান, তাৰ পৰাই বোধিচিত্ত
পূজা	অস্বীকাৰ	লাভ আৰু সহজানন্দ অনুভূতি।
	শূন্যতা ভাব	নিযমিত ধ্যান, প্ৰাণায়াম প্ৰয়োজন তথতা+সুখ

প্ৰাণাযাম জপ,	জগতৰ স্থায়িত্ব	বোধিচিত্ত লাভ
পূজা, ভক্তি	অস্বীকাৰ	ভক্তিজনিত প্ৰশান্তি আৰু তাৰ পৰাই সুখ।
	শূন্যতা ভাব	সহজানন্দ, প্ৰশান্তি + সুখ।
		নিয়মিত জপ, পূজা, প্ৰাণায়াম প্ৰয়োজন।

ধ্যান বিশ্লেষণ	আত্ম	জগতৰ	বোধিচিত্ত লাভ। সৰ্ব্বশূন্য জ্ঞানৰ পৰা
দ্বাৰা দেৰ	অস্তিত্ব	অস্তিত্ব	মনত সুখ।
অস্তিত্ব	অস্বীকাৰ	অস্বীকাৰ	সহজানন্দ = শূন্যতাবোধ + সুখ
লোপ	নৈৰাত্ম	সৰ্ব্বশূন্যভাৱ	নিয়মিত চণ্ডালী - ডোম্বী প্ৰাণায়ামৰ প্ৰয়োজন

ধ্যান বিশ্লেষণ	আত্ম	জগতৰ অস্তিত্ব	যৌনাচাৰ	যৌনাচাৰ	বজ্ৰস্বত্ব লাভ
দ্বাৰা দেৰ	অস্তিত্ব	অস্বীকাৰ	কৰ্ম্ম মুদ্ৰা	জনিত	সহজানন্দ
অস্তিত্ব লোপ	অস্বীকাৰ	সৰ্ব্বশূণ্য		কৰুণাৰ	তথতা +
	নৈৰাত্ম	ভাব		মহামুদ্ৰা	মহাসুখ (শূন্য + কৰুণা)
					নিয়মিত ডোম্বী প্ৰাণায়ামৰ প্ৰয়োজন

ধ্যান বিশ্লেষণ	আত্ম	জগতৰ অস্তিত্ব	যৌনাচাৰ	যৌনাচাৰ	গুৰুৰ বজ্ৰসিদ্ধি
দ্বাৰা দেৰ	অস্তিত্ব	অস্বীকাৰ	কৰ্ম্মমুদ্ৰা	জনিত	পৰা বজ্ৰস্বত্ব
অস্তিত্ব লোপ	অস্বীকাৰ	সৰ্ব্বশূন্য		কৰুণাৰ	মৈত্ৰিক লাভ
	নৈৰাত্ম	ভাব		উদ্ৰেক	জ্ঞান সমৃতিকাল
					লাভ অকিঞ্চিত।
					সুখ দুখ অনুভূতিৰ উৰ্দ্ধত।
					নিয়মিত ধ্যান প্ৰাণায়ামৰ প্ৰয়োজন নাই।

প্ৰাণাযাম অষ্টযোগৰ, আযাম, নিযম, আসন, প্ৰাণাযাম, প্ৰত্যাহাৰ, ধাৰণা, ধ্যান আৰু সমাধিৰ এটা অঙ্গ। বাস্তৱতে - প্ৰত্যাহাৰ, ধাৰণা, ধ্যান আৰু সমাধি প্ৰাণাযামৰ সাহায্য নোলোৱাকৈ কৰাটো টান। প্ৰাণাযাম বহুবিধৰ আছে, আৰু "গুৰু" সকলে নিজৰ নিজৰ পন্থাৰ আৰু ব্যক্তিগত অভিজ্ঞতালব্ধ জটিলতম, গূঢ়তম প্ৰাণাযাম পদ্ধতি স্বাভাৱিকতে মন্ত্ৰ শিষ্যৰ বাদে আন ৰাইজৰ আগত প্ৰকাশ কৰিবলৈ অনিচ্ছুক। প্ৰাণাযাম হ'ল উশাহৰ নিযন্ত্ৰণৰ দ্বাৰা নিজৰ মানস, চিত্ত আৰু দেহৰ কাৰ্য্যৰ ওপৰত নিযন্ত্ৰণ প্ৰাপ্তিৰ উপায। কিমান সময়ৰ বিৰতিৰ পিছত, কি পৰিমাণৰ অম্লজান ব্যক্তিৰ হাওঁ-ফাওঁত প্ৰবেশ কৰিব দিযা হ'ব, তাৰে ওপৰত নিৰ্ভৰ কৰিব তেজত অম্লজানৰ পৰিমাণ। আকৌ তেজৰ ৰখা অম্লজানৰ পৰিমাণৰ ওপৰত নিৰ্ভৰ কৰি মগজুৱে কেৱল দেহৰ জৈৱিক কাৰ্য্যই (metabolism) নহয, মগজুৰ নিজৰ কাৰ্য্যও নিযন্ত্ৰণ কৰিব। মস্তিষ্কলৈ তেজত অহা অম্লজানৰ পৰিমাণ একেবাৰে কমি গৈ কেৱল জৈৱিক প্ৰযোজনৰ মান (sustainable level) থাকিলে, মগজুৱে সকলো ব্যহ্যিক প্ৰান্তীয কাৰ্য্য (peripheral activities) বন্ধ কৰি অনুভূতিক এটা বিন্দু লৈ আনিব। তেনে অৱস্থাত সাধকে, দুশ্চিন্তা, চিত্তচাঞ্চল্য আৰু বেদনা বোধৰ পৰা (senses of worries and pain) আংশিকভাৱে (dulling) বা সম্পূৰ্ণ (fully) মুক্তি পাই সুখানুভৱ কৰিব। ব্যক্তিৰ মগজুৰ বিশ্লেষণাত্মক অংশ সামযিক ভাৱে নিষ্ক্ৰিয হোৱাৰ ফলত প্ৰত্যাহাৰ (ইন্দ্ৰিযানুভূতি হ্ৰাস), ধাৰণা (স্থিৰ চিত্ত), ধ্যান (দেৱ একাত্ম চিন্তা) আৰু সমাধি (নিৰ্দ্দিষ্ট বা সমাহিত চিত্ত) পাব পাৰি, যি আগলৈ আৰু বঢ়াই নিলে অৰ্থাৎ অম্লজানৰ পৰিমাণ আৰু কমাই আনিলে পোনতে **প্লাৱিনী** (অৰ্থাৎ সাধকে শূন্যত ওপঙি থকা যেন অনুভূতি) আৰু সৰ্ব্বশেষত **মূৰ্চ্ছা** স্তৰ অৰ্থাৎ অজ্ঞান হৈ পৰি যাব।

প্ৰাণাযামসিদ্ধ বৌদ্ধ তান্ত্ৰিকৰ প্ৰাণাযাম নিযোজিত মানসিক অৱস্থা চৰ্যা গীতৰ পদে পদে পোৱা যায - (চৰ্যা নং ৩৬) "ঘুমই ণ চেবই সপৰবিভাগা," যাৰ অৰ্থ, আপোন পৰ বিভাজন, আৱিষ্টাৱস্থাত বুজি নাপায। অথবা ভুসুকুপাই গাইছে (চৰ্যা ৪৯) "নিঅ ঘৰিণী চণ্ডালী লেলী সোণ ৰুঅ মোৰ কিম্পি ণ থাকিউ।।" অৰ্থাৎ চণ্ডালী প্ৰাণাযামৰ দ্বাৰা উচ্চতৰ সাধনা স্তৰ পোৱাৰ পিচত পূৰক - কুম্ভক -ৰেচক প্ৰাণাযাম (ক্ৰিযা তন্ত্ৰৰ "স্বৰ্ণাক্ষৰ") আৰু ধ্যানৰ দ্বাৰা ৰূপ দৰ্শনৰ (ৰুঅ) প্ৰযোজন নোহোৱা হ'ল।

আমি স্থানাভাৱ, জ্ঞানাভাৱ আৰু বিশেষ কাৰণত, মাত্ৰ কেইটিমান প্ৰাণাযামৰ সংক্ষিপ্ত বৰ্ণনা দিম যাৰ উল্লেখ চৰ্যাগীতত আছে। আমাৰ বৰ্ণনা নিৰ্ভুলবুলি দাবী কৰা হোৱা নাই, কাৰণ প্ৰতিটো শাখাতে তাক কিঞ্চিৎ ভিন্ন ভাৱে কৰা হয।

সাধাৰণ প্ৰাণাযাম : সাধাৰণ প্ৰাণাযামৰ বিতং বৰ্ণনা যি কোনো যোগ-প্ৰাণাযাম বা তন্ত্ৰৰ পুথিত পোৱা যায়। ইয়াৰ দ্বাৰা সাধকে এটা নিৰ্দ্দিষ্ট কাল দৈৰ্ঘ্য নাকেৰে শ্বাস (উশাহ) টানি হাওঁফাওঁ ভৰাব ইয়াক পূৰক বোলা হয়। হাওঁফাওঁত এটা নিৰ্দ্দিষ্ট কাল বতাহ থিনি ধৰি ৰাখিব, ইয়াক কুম্ভক বোলা হয়। তাৰ পিচত সাধকে এক নিৰ্দ্দিষ্ট কাল দৈৰ্ঘ্য প্ৰশ্বাস এৰি দিব ইয়াক ৰেচক বোলা হয়। উচ্চতৰ সাধকে উশাহ এৰাৰ পৰা নতুন উশাহ লোৱাৰ মাজত কাল বিৰতি দিব, ইয়াক শূন্য বোলে। উশাহ লোৱা, বায়ু হাওঁফাওঁত ৰাখি থোৱা, প্ৰশ্বাস এৰা কাল দৈৰ্ঘ্য, উশাহ নোলোৱাকৈ থকা অৱস্থাৰ কাল দৈৰ্ঘ্য আৰু প্ৰক্ৰিয়া পদ্ধতি ভিন্ন ভিন্ন প্ৰাণাযামত ভিন্ন।

বৌদ্ধ আৰু হিন্দু তন্ত্ৰৰ (বগলামুখী তন্ত্ৰ) কাল দৈৰ্ঘ্য সাধকে মনতে অক্ষৰ ধ্বনিৰ উচ্চাৰণৰ দ্বাৰা গণনা কৰে। কাল দৈৰ্ঘ্যৰ সাধাৰণ মান (standard times measurement) হ'ল - শ্বাস গ্ৰহণৰ (পূৰক) সময়ত ১৬টা অক্ষৰ ধ্বনি মনতে উচ্চাৰণ কৰিব। হাওঁফাওঁত বতাহ ৰাখি থোৱাৰ সময়ত ৬৪ টা অক্ষৰ মনলৈ আনিব এয়েই কুম্ভক। তাৰ পিচত (ৰেচক) প্ৰশ্বাস এৰাৰ সময়ত ৩২ টা অক্ষৰ ধ্বনি মনলৈ আনিব। লগে লগে উশাহ নলৈ উচ্চতৰ সাধকে ৩২ টা অক্ষৰ ধ্বনি উচ্চাৰণ কাল বায়ুশূন্য ভাৱে থাকিব এয়েই শূন্য। যদি প্ৰতিটো অক্ষৰ ধ্বনি কাল এক চেকেণ্ড বুলি ধৰা যায় তেনেহ'লে

পূৰক	চেকেণ্ড	১৬	
কুম্ভক	চেকেণ্ড	৬৪	
ৰেচক	চেকেণ্ড	৩২	
শূন্য	চেকেণ্ড	৩২	
	মুঠ	১৪৪	চেকেণ্ড

এশ চৌবাল্লিশ চেকেণ্ড বা দুই মিনিট চৌব্বিশচেকেণ্ড। এজন বিশ্ৰামৰত সাধাৰণ মানুহে মিনিটত গড়ে চাৰিবাৰ উশাহ লয় অৰ্থাৎ ১৫চেকেণ্ডত এবাৰ হাওঁফাওঁৰ বতাহ পৰিবৰ্ত্তন হয়। সাধাৰণ প্ৰাণাযামৰ কালত তেজত যোগোৱা অম্লজানৰ কাল (পৰিমাণ নহয়) ন ভাগৰ এভাগলৈ হ্ৰাস কৰা হয়। এই ১৬-৬৪-৩২-৩২ কাল পৰিমাণ গণনাত হিন্দু আৰু বৌদ্ধ তন্ত্ৰত দুখন বৰ্ণমালাৰ সহায় লোৱা হয়। ১৬ অক্ষৰৰ অ ফলা শ্বাস গ্ৰহণৰ সময়ত যাৰ উল্লেখ চৰ্যা নং ৭ ত 'আলি' আৰু ৩২ অক্ষৰৰ 'ক' ফলা বৰ্ণমালা যাৰ উল্লেখ একে চৰ্যাতে 'কালি' বুলি উল্লেখ কৰিছে (আলি এঁ কালি এঁ বাট ৰুন্ধেলা — প্ৰাণায়ামে সাধকৰ পথ ৰুদ্ধ কৰিছে) । প্ৰাণাযামত মনতে উচ্চাৰণ কৰিব লগা অক্ষৰ বোৰক আকাশত ভাহি থকা স্বৰ্ণাক্ষৰ ৰূপে (অক্ষৰ দেৱতা) কল্পনা কৰা হয়।

সাধকে শ্বাসৰ লগত এই স্বৰ্ণাক্ষৰ নিজৰ হৃদয়লৈ টানি আনি অক্ষৰ দেৱতাৰ একাত্মাভূত হয় আৰু প্ৰশ্বাসৰ লগত অক্ষৰ দেৱতা এৰি দিয়ে। এনে স্বৰ্ণাক্ষৰে তেনেক্ষেত্ৰত জপ প্ৰাণায়ামৰ প্ৰতিনিধিত্ব কৰে। কম্বলাম্বৰপাদে (চৰ্যা নং ৮) যেতিয়া অনুযোগ কৰিছে, সোণে ভৰিলী কৰুণা নাবী। ৰূপা থোই নহিকে ঠাৱী।। তাৰ অৰ্থ, অক্ষৰ জপ প্ৰাণায়ামৰ দ্বাৰাই সাধনা পূৰ্ণ কৰিলি, ধ্যানৰ (ৰূপ দৰ্শনৰ) বাবে আৰু হৃদয়ত স্থান নাৰাখিলি। সাধাৰণ ভাষাত - ক্ৰিয়া তন্ত্ৰৰ জপ প্ৰাণায়ামতে ব্যস্ত থাকিলি - উচ্চতৰ ধ্যানত মনোযোগ নিদিলি।

সাধাৰণ প্ৰাণায়াম দুবিধ - সহিত আৰু কেৱল। সহিত প্ৰাণায়াম যেতিয়া সাধকে স্বইচ্ছাৰে (দেহৰ ওপৰত বলপূৰ্ব্বক) পূৰক-কুম্ভক-ৰেচক - শূন্য শ্বাস প্ৰশ্বাস কৰে। কেৱল প্ৰাণায়মাত, দেহে বহু কাল অভ্যাসৰ ফলত স্বযংক্ৰিয ভাৱে পূৰক-কুম্ভক-ৰেচক-শূন্য শ্বাস-প্ৰশ্বাস লয। সেয়েহে কৃষ্ণাচাৰ্য্যপাদে গাইছে (চৰ্যা নং ১১) " আলি কালি ঘণ্টা নেউৰ চৰণে।' যাৰ অৰ্থ, প্ৰাণায়াম ভৰিৰ নুপুৰৰ দৰে (নিজে নিজেই বাজে, তাক বিশেষভাৱে বজোৱাৰ প্ৰযোজন নাই) সৰ্ব্বসময়ত কাৰ্যকৰ থাকে, (আমি বুজো) এযা **কেৱল** প্ৰাণায়াম।

হেবজ্ৰতন্ত্ৰত চাৰিবিধ যোগৰ (পাঁচ?) নাম উল্লেখ কৰিছে — পুক্কশী, ডোম্বী শবৰী, চণ্ডালী আৰু যোগিনী। বৰ্ত্তমান চৰ্যাগীত সঙ্কলনত পুক্কশী আৰু শবৰী প্ৰাণায়ামৰ উল্লেখ নাই, ডোম্বী, চণ্ডালী আৰু যোগিনীৰ উল্লেখ আছে। আমি পোনতে হেবজ্ৰতন্ত্ৰ আৰু পিচত আন বৌদ্ধ তন্ত্ৰ শাস্ত্ৰ মতে ডোম্বী, চণ্ডালীৰ চৰিত্ৰ অধ্যযন কৰিম। যি সকল ভাষাবিদে 'মুণ্ডিত মস্তক ব্ৰাহ্মণ যুৱকে ডোম্বিনী নাৰীৰ সঙ্গ সুখ বিচৰা (চৰ্যা নং ১০), কাহ্নুপাই ডোম্বী বিবাহ কৰা দেখি (চৰ্যা নং ১৯) বা ভুসুকুপাই চণ্ডালীক গিৰিণী কৰা দেখি (চৰ্যা ৪৯) আদি ৰসত পুলকিত হৈছিল তেখেত সকল স্বাভাৱিকতে নিৰাশ হ'ব।

হেবজ্ৰ তন্ত্ৰ ঃ

যোগ বা প্ৰাণায়াম	ধাতু	দেহৰ স্থান	কাৰ্য্য
যোগিনী	শূন্যতা	আজ্ঞাচক্ৰ দুই চেলাউৰিৰ মাজ	সম্পূৰ্ণ লোপ
চণ্ডালী	তেজস্ (অগ্নি)	কণ্ঠমূল সম্ভোগ চক্ৰ	দাহন
শবৰী	তোষা (জল)	হৃদয-অনাহত চক্ৰ	জল নিক্ষেপন
ডোম্বী	বায়ু (বতাহ)	নাভি মণ্ডল মণিপুৰ/নিৰ্মাণ চক্ৰ	পাচন/পচন
পুক্কশী	পৃথ্বী (মাটি)	লিঙ্গাগ্ৰ-লিঙ্গমূল স্বাধিস্থান-মূলাধাৰ	প্ৰোক্ষন পুতি ৰাখন

আন বৌদ্ধ তন্ত্ৰ মতে বিশেষকৈ চৰ্যাগীতে অনুসৰণ কৰা এই যোগ বোৰৰ স্থান হ'ল।

	পঞ্চনল	প্ৰাণায়াম	জ্ঞান	অনুভূতি
	সহজ উচ্চ	সহজা	আকাশ জ্ঞান	বোধিচিত্ত
অনুত্তৰতন্ত্ৰ	সহজ নিম্ন	যোগিনী	শূন্যতা	সুখ + শূন্য
যোগতন্ত্ৰ	ডোম্বী	ডোম্বী	বায়ুতত্ত্ব	আত্মবোধ লোপ
চৰ্য্যাতন্ত্ৰ	চণ্ডালী	চণ্ডালী	অগ্নিতত্ত্ব	আত্মবোধ ভস্মিভূত কৰা
	শবৰী	শবৰী	জলতত্ত্ব	আত্মবোধ দূৰীকৰণ
ক্ৰিয়াতন্ত্ৰ	পুক্কশী	পুক্কশী	পৃথীতত্ত্ব	আত্মবোধ ধাকি ধৰণ (অবৰণ)

প্ৰশ্ন উঠিব, যোগ- প্ৰাণায়ামৰ নাম বোৰ এনে মধ্যযুগৰ ভাৰতীয় জাতিবাচক ৰূপে কিয় দিয়া হৈছে ? বাস্তৱতে ডোম্বী, চণ্ডালী, শবৰী, পুক্কশী চাৰিওটা মধ্যযুগৰ ভাৰতৰ অন্ত্যজ জাতিৰ নাম আৰু কাৰ্য্য আছিল মৃত জীৱ জন্তু আৰু মানবৰ দেহৰ অন্ত্যেষ্টি কাৰ্য্য কৰণ। জাতিগত নামে সেই গোষ্ঠীৰ কাৰ্য্য আৰু সাধকৰ ব্যক্তিত্বৰ শেষ পৰিণাম সূচায়। ইয়াক বুজাটো বৰ জটিল নহয়।

জাতি	কাৰ্য্য	পৰিণাম	সাধকৰ ব্যক্তিত্ব
ডোম্ব	মৃতদেহ মুকলি স্থলত নিক্ষেপ	পচন-ধাতু বায়ু	অৱশিষ্ট, শূন্যতা আত্মৰেশ অৱশিষ্ট
চণ্ডাল	মৃতদেহ দাহন	দাহন-ধাতু অগ্নি	অৱশিষ্ট ভস্ম, আত্ম ৰেশ অৱশিষ্ট
শবৰ	মৃতদেহ জলত নিক্ষেপ	আন স্থল গমন, ধাতু জল	সাধকৰ আত্মবোধ সংৰক্ষিত
পুক্কশী	মৃতদেহ প্ৰোথন	স্থানতে অস্তিত্ব ধাতু পৃথী	আত্মবোধ লুক্কায়িত

অৰ্থাৎ উচ্চ অনুত্তৰ তন্ত্ৰৰ সমৰ্থক সকলে দাবী কৰে - ক্ৰিয়া তন্ত্ৰৰ পুক্কশী আৰু শবৰী প্ৰাণায়াম যোগেৰে সাধকৰ আত্মবোধ চেপি লুকাই ৰাখিব পাৰি, কিন্তু সি সময় সুবিধা পালে আকৌ নিজ ৰূপ দেখুৱাব (চৰ্যা নং ২) । চৰ্য্যাতন্ত্ৰ ব্যৱহৃত শবৰী আৰু চণ্ডালী প্ৰাণায়াম যোগেৰে সাধকৰ চিত্ত অসাধুৰ পৰা সাধু অথবা নীচৰ পৰা উচ্চ কৰিব পৰা যায় কিন্তু সাধকৰ আত্মবোধ থাকি যাব। চৰ্য্যা আৰু যোগ তন্ত্ৰৰ চণ্ডালী যোগ - প্ৰাণায়ামেৰে আত্মবোধ পুৰি পেলাব

পাৰি, কিন্তু ভস্ম ৰূপ তাৰ ৰেশ বৈ যাব অৰ্থাৎ আত্মবোধৰ সম্পূৰ্ণ ধ্বংস নহয়। ডোম্বী প্ৰাণাযাম -যোগ যাৰ ধাতু বায়ু, জীৱ - জন্তুৰ দেহ পচি অৱশেষত একো নথকাৰ দৰে সাধকৰ আত্মবোধ সমূহ ধ্বংস হ'ব আৰু নৈৰাত্ম ভাৱৰ সৃষ্টি হ'ব। যোগিনী প্ৰাণাযাম যোগ প্ৰতিলোম যোগ, তাৰ কথা পিচত আলোচনা কৰা হ'ব। চৰ্যাগীতত ব্যৱহৃত চণ্ডালী, ডোম্বী আৰু যোগিনী প্ৰাণাযাম যোগ বিশদ ভাৱে আলোচনা কৰা হ'ল।

ডোম্বী ঃ পঞ্চ ডাকামণ্ডল গ্ৰন্থ মতে ডোম্বী "গৌৰী" গোষ্ঠীৰ দেৱী। তেওঁ বিচিত্ৰ বৰ্ণা আৰু হাতত পতাকা লৈ ফুৰে (বায়ু ধাতুৰ চিহ্ন ৰূপে। "নৱঅ নাৰী মঝেঁ উভিল চীৰা - চৰ্যা নং ৪ য'ত চীৰা অৰ্থ পতাকা)। ডোম্বী নাসাৰন্ধ্ৰত আঙুলি ৰাখি শ্বাস নিযন্ত্ৰণ কৰা প্ৰাণাযাম (শীতকাৰি প্ৰাণাযাম?)। এই প্ৰাণাযামৰ দ্বাৰা দেহ তাপ নিম্ন হয। সাধক সংসাৰৰ পৰা মানসিকভাৱে বিচ্ছিন্ন হয। প্ৰশ্বাস মুখেৰে এৰে আৰু জিভা এক বিশেষ ভঙ্গীত ৰখা হয। চীন দেশীয তন্ত্ৰৰ 'চী' প্ৰাণাযামৰ লগত সাদৃশ্য আছে। তন্ত্ৰ গ্ৰন্থত ইযাৰ বাদে বিশেষ জনা নাযায।

চণ্ডালী ঃ চণ্ডালী প্ৰাণাযাম, তিব্বতী তন্ত্ৰৰ 'টুমো' আৰু হিন্দু তন্ত্ৰৰ ভস্ত্ৰি একে শ্ৰেণীৰ প্ৰাণাযাম। শ্বাস নাকেৰে লৈ প্ৰশ্বাস মুখেৰে এৰা যায। জিভা এক বিশেষ ভঙ্গীত ৰখা হয। শ্বাস-প্ৰশ্বাস সঘনে আৰু সজোৰে লোৱা যায। প্ৰাণায়ামৰত সাধকৰ দেহৰ উত্তাপ তীব্ৰভাৱে বাঢিব আৰম্ভ কৰে আৰু মানসিকভাৱে জ্বৰঘোৰাচ্ছন্ন যেন বোধ হয। অলীক দৃশ্য দৰ্শন, মানসিক বিভ্ৰম (hallucination) আদি হয। দুৰ্বল হৃৎপিণ্ড হঠাতে বন্ধ হৈ যাব পাৰে। তন্ত্ৰৰ মতে ব্যক্তিৰ আত্মবোধ আৰু গৰ্ব্ব পুৰি ছাই হৈ যায এই প্ৰাণাযামৰ দ্বাৰা। চণ্ডালীৰ পিচত ডোম্বী প্ৰাণাযাম কৰা হয (সমতা- জোঐঁ জলিঅ চণ্ডালী।। ডাহ ডোম্বী - ঘৰে লাগেলি আগি।। সসহৰ লই ষিঞ্চুহ পাণী।। (চৰ্যা নং ৪৭)। প্ৰাণাযামৰ মতে " সমতা জোএ জলিঅ - চণ্ডালী ডাহ। ডোম্বী, ঘৰে লাগেলি আগি।" হোৱা উচিত আছিল। কাৰণ ডোম্বীৰ ধাতু বায়ু। আনহাতে চণ্ডালী গৌৰী গোষ্ঠীৰ দেৱী—বৰ্ণনা "চণ্ডালী নীল বৰ্ণা হাতত অগ্নিৰ পাত্ৰ।" এযা পঞ্চ ডাকাৰ দেৱী বৰ্ণনা (p 312 The Indian Buddhist Iconography - B Bhattacharya গ্ৰন্থৰ পৰা ডোম্বী আৰু চণ্ডালীৰ বৰ্ণনা লোৱা হৈছে)।

যোগিনী ঃ যোগিনী প্ৰাণায়ামকেৱল অনুত্তৰ তন্ত্ৰত অভ্যাস কৰা হয়। ই প্ৰতিলোম প্ৰাণায়াম। F Lessing আৰু A Wayman এ লিখিছে - "The prana-ayama of the three lower Tantra divisions has different

occassions, requirements and method of contemplation from the pranayama explained in Anuttara (Tantra)" P 175। অতি উৎসাহী পাঠক সকলে কালচক্ৰতন্ত্ৰত ইযাৰ প্ৰয়োগ পঢ়ি চাব পাৰে। সাধাৰণ পাঠকৰ বাবে এইখিনি জানিলেই যথেষ্ট যে সাধাৰণ প্ৰাণায়ামত প্ৰাণ = চিত্ত, বায়ু, মন ইত্যাদি , আযাম = নিযন্ত্ৰণ, দমন। অনুত্তৰ তন্ত্ৰত প্ৰাণ = জীৱন, মন, চিত্ত ইত্যাদি কিন্তু আযাম = দূৰলৈ ক্ষেপণ, আত্মৰ পৰা দূৰ কৰণ (dispersal to a distance- Guhyasamaj Tantra)। ইয়াত দেখা যায় লক্ষ্যৰ পাৰ্থক্য। ক্ৰিযা, চৰ্য্যা আৰু নিম্ন যোগ তন্ত্ৰত সাধকক নিজৰ ইন্দ্ৰিয় আৰু লালসা দমন কৰি চিত্তনিবৃত্তি কৰাৰ উপায স্বৰূপে শ্বাসৰুদ্ধ হৈ থাকিব কোৱা হৈছে। উচ্চ যোগাচাৰ আৰু অনুত্তৰ তন্ত্ৰত প্ৰতিলোম প্ৰাণায়ামৰ দ্বাৰা সোঁ (right) আৰু বাওঁ নাসাৰন্ধ্ৰৰ (left) শ্বাস প্ৰশ্বাস মিহলি নোহোৱা কৈ প্ৰাণাযাম কৰিব উপদেশ দিযা হৈছে। দাৰ্শনিকভাৱে উচ্চ যোগতন্ত্ৰ আৰু অনুত্তৰ তন্ত্ৰই কয় ইন্দ্ৰিয দমন আৰু তাৰ ফল অৱশিষ্ট, ৰেশ বা কমেও অনুশোচনা বৈ যোৱাৰ সদায সম্ভাবনা থাকে যি ভৱিষ্যতে চিত্ত চাঞ্চল্যৰ সৃষ্টি কৰিব। আনহাতে ইন্দ্ৰিয লালসা বা প্ৰাপ্তি ইচ্ছা নিজৰ পৰা দূৰ কৰিলে তাৰ ৰেশ, অনুশোচনা একেবাৰেই বাকী নাথাকে আৰু সাধকে অবিচলিত মনঃ শান্তি প্ৰাপ্ত হ'ব। এঠাইত দমন আৰু আন ঠাইত দূৰিকৰণেই প্ৰকৃষ্ট উপায বুলিছে।

সাধাৰণ প্ৰাণায়াম - প্ৰাণাযাম → প্ৰত্যাহাৰ → ধাৰণা → ধ্যান → সমাধিত অন্ত হয, প্ৰতিলোম প্ৰাণায়াম - প্ৰাণাযাম → প্ৰত্যাহাৰ →ধাৰণা →ধ্যান → সমাধি → ধ্যান → ধাৰণা → প্ৰত্যাহাৰ → প্ৰাণায়ামত অন্ত হয । শৰীৰ বিজ্ঞানৰ ফালৰ পৰা, সাধাৰণ প্ৰাণাযামৰ দ্বাৰা মগজুৰ কাৰ্য্য আংশিকভাৱে বিকল কৰি এক তন্দ্ৰাচ্ছন্ন অৱস্থালৈ অনা যায য'ত " চেঅণ ণ বেঅণ ভৰ নিদ গেলা" (চৰ্যা নং ৩৬) । যাৰ অৰ্থ চেতনা আৰু বেদনা সম্পূৰ্ণ সুপ্ত নহ'ল। সাধাৰণ প্ৰাণায়ামে যি ঠাইত এক অৰ্দ্ধ নিদ্ৰাচ্ছন্ন ঘোৰ আনি দিযে- য'ত সুখ - দুখ, জন্ম - মৃত্যুৰ মাজৰ পাৰ্থক্য তীব্ৰভাৱে অনুভৱ নহয প্ৰতিলোম প্ৰাণাযামে অনুভূতিৰ তীব্ৰতা হ্ৰাস নকৰে কিন্তু সেই অনুভূতি নিজৰ বাবে বুলি স্বীকাৰ নকৰে — এৰেই কৰুণা যাৰ দ্বাৰা সাধকে ব্যক্তিগত ভাৱে নিৰ্ব্বিকাৰ (detached) থাকিও আনৰ সুখ-দুখৰ সমভাগী হ'ব পাৰে। ক্ৰিয়া, চৰ্য্যা আৰু যোগাচাৰ তন্ত্ৰৰ লগত অনুত্তৰ তন্ত্ৰৰ এই পাৰ্থক্য নুবুজাৰ বাবেই চৰ্যাগীতৰ গূঢ়াৰ্থ বিচাৰি মুৰ আফলিয়াব লগা হৈছে। পৰ্য্যায়ক্ৰমে চণ্ডালী প্ৰাণায়ামৰ পিছত ডোম্বী অমুজানৰ যোগান ধৰে। ফলত মগজুৰে উত্তেজিত (stimulated) আৰু সুস্থিৰ (relaxed) হয় পৰ্য্যায়ক্ৰমে।

মণ্ডল ঃ শ্ৰীবুদ্ধকপালতন্ত্ৰপঞ্জিকাজ্ঞানবতী গ্ৰন্থত সৰহপাদে মণ্ডল শব্দৰ সংজ্ঞা দিছে- মণ্ড = সাৰ, হৃদয়, ল = বোধগম্য ভবন। মণ্ডল শব্দৰ অৰ্থ সাৰাণুভূতি (enclosing the essence) , বিদ্যা - জ্ঞান - চক্ৰৰ প্ৰতিনিধিত্ব (Lessing & Wayman P 270)। দাৰ্শনিক অৰ্থ যিয়েই নহওক, মণ্ডলৰ ফলিত প্ৰযোগ বৌদ্ধ তন্ত্ৰত তলত লিখাৰ দৰে। বৌদ্ধ মঠ আৰু স্তূপ বোৰত পিচলৈ মূৰ্ত্তি ৰখা হৈছিল যদিও, সাধকে ব্যক্তিগতভাৱে ইষ্ট দেৱ বা দেৱীৰ চিত্ৰ মজিয়াত বা বেৰত অঙ্কিত কৰি লয। অথবা তেনে দেৱ-দেৱীৰ প্ৰতীক অঙ্কন কৰা হয। তেনে প্ৰতীক চিত্ৰক যন্ত্ৰ বোলা হয। এনে মণ্ডল কাযিক অৰ্থাৎ শাৰীৰিক ভাৱে ভূমিত অঙ্কিত অথবা মানসিক (মন কল্পিত) হ'ব পাৰে। মণ্ডল আৰু মণ্ডল চিত্ৰ সাধনাৰ আদি স্তৰৰ পৰা সিদ্ধি লাভলৈ পৰিবৰ্তনে হৈ থাকিব। বৌদ্ধ দোহা আৰু গীতত মণ্ডলৰ নাম সঘনে উল্লেখ থাকে যদিও বৰ্ত্তমান চৰ্যাগীত সঙ্কলনত মণ্ডলৰ এবাৰো উল্লেখ নথকাটো মন কৰিব লগীযা।

মুদ্ৰা ঃ 'মুদ্ৰা এনে এটা শব্দ যিযে বৌদ্ধ তন্ত্ৰ শাস্ত্ৰ পাঠকৰ মানসিক সমতা নষ্ট কৰি পেলায। মুদ্ৰাৰ অৰ্থ সংস্কৃত ভাষাত - ধাতু নিৰ্মিত ধন, ধন, নামাঙ্কিত মোহৰ, আঙ্গুলি দ্বাৰা প্ৰকাশিত যন্ত্ৰ, সঙ্কল্পিত কৰ্ম আৰু নিষ্পন্ন কৰ্ম প্ৰকাশাৰ্থে প্ৰদৰ্শিত হস্ত - অঙ্গুলি ভঙ্গী ইত্যাদি। বৌদ্ধ তন্ত্ৰত Lessing আৰু Wayman অনুবাদক দ্বযে মুদ্ৰাৰ ইংৰাজী অনুবাদ কৰিছে Seal শব্দৰ দ্বাৰা যাক আকৌ মুদ্ৰান্যাস - hand gesture বুলিছে, আকৌ মুদ্ৰা দেবতা (p 163) ৰূপেও স্বীকাৰ কৰিছে।

বৌদ্ধ তন্ত্ৰৰ দৰ্শনত মুদ্ৰা চাৰিবিধ **মহামুদ্ৰা** (Great Seal), **ধৰ্ম্ম মুদ্ৰা** (Law Seal), **সময মুদ্ৰা** (Symbolic seal) আৰু **জ্ঞান মুদ্ৰা** (Knowledge Seal)। ফলিত বৌদ্ধ তন্ত্ৰত মুদ্ৰা ব্যৱহাৰ হয মুদ্ৰাশনা (exhibition of seal) আৰু মুদ্ৰান্যাস (application of seal) । পিচলৈ অনুত্তৰ তন্ত্ৰত মহামুদ্ৰাৰ লগত আৰু এক মুদ্ৰা যোগ হয, কৰ্ম্মমুদ্ৰা (action seal) যি বাস্তবতে যৌনাচাৰ সম্পন্ন হোৱাটো সূচায়। অতএব দেখা যায় মুদ্ৰা শব্দই - সঙ্কল্প - জ্ঞান- কৰ্ম্ম - সিদ্ধি চাৰিটা অৱস্থা সূচাব পাৰে। সেইদৰে সাধকে সাধনাৰ সময়ত প্ৰকৃত বস্তু দেৱতাক আগবঢোৱাৰ সলনি তাৰ প্ৰতীক (মুদ্ৰা) চিহ্ন হাতেৰে দেখুৱাব পাৰে। স্ত্ৰী সূচাবলৈ যোনিমুদ্ৰা প্ৰদৰ্শন কৰা হয। দেৱতাক ফুলৰ সলনি পুষ্প মুদ্ৰা, শাস্ত্ৰৰ ঠাইত কৰ্ম্মমুদ্ৰা শত্ৰুক ধ্বংসৰ অনুৰোধ সৈতে দেৱতাক সংহাৰ মুদ্ৰা প্ৰদৰ্শন কৰিব পাৰে। তেনেস্থলত মুদ্ৰা শব্দ কোন শাস্ত্ৰত, কি অংশত, কি ৰূপত ব্যৱহাৰ হৈছে নজনাকৈ তাৰ অৰ্থ কৰিবলৈ যোৱাটো

বাতুলতা। যোনি মুদ্ৰাৰ দ্বাৰা স্ত্ৰী সূচায বুলিযেই মহামুদ্ৰা বুলিলে কেবল স্ত্ৰী বা সাধনা সঙ্গিনী বুজাব ই "পণ্ডিত" সকলৰ কল্পনা প্ৰসূত।

মহামুদ্ৰা ঃ মহামুদ্ৰা যাৰ ইংৰাজী প্ৰতিশব্দ Lessing আৰু Wayman অনুবাদক দ্বযে Great Seal কৰিছে - ক্ৰিয়া, চৰ্য্যা আৰু যোগাচাৰ তন্ত্ৰত ভিন্ন অৰ্থ, আৰু অনুত্তৰ তন্ত্ৰত ভিন্ন অৰ্থ। প্ৰথম তিনিটা তন্ত্ৰত মহামুদ্ৰা বুলিলে সাধকে "বজ্ৰসত্ব" দেৱতাৰ দেহ নিজৰ দেহৰ লগত একে বুলি অনুভৱ হ'ব আৰু "অহং বজ্ৰসত্ব" বুলি মহামুদ্ৰা অনুভূত হ'ব (হিন্দু দৰ্শনৰ ব্ৰহ্মাৰ লগত বিলীন হোৱা সৈতে একে)। অনুত্তৰ তন্ত্ৰত মহামুদ্ৰা অনুভূত হ'ব যেতিয়া বজ্ৰ সত্বৰ লগত বজ্ৰধাতেশ্বৰী ৰূপ 'বিদ্যা' সন্মিলিত হ'ব। হেবজ্ৰতন্ত্ৰ অনুসৰি উপায বা বজ্ৰধৰে ষোল্ল বছৰীযা প্ৰজ্ঞাক দুহাতে আলিঙ্গন কৰি - বজ্ৰ - পদ্মৰ মিলন ঘটাব তেতিযা মহামুদ্ৰা বোধ উন্মিলিত হ'ব। পিচলৈ ইযাক দুই স্তৰলৈ ভগা হয, প্ৰথম স্তৰত যৌনাচাৰ - কৰ্ম্মমুদ্ৰা, দ্বিতীয স্তৰত স্খলিত ৰেতঃ পুনঃ সাধকৰ কণ্ঠত স্থাপন কৰিব তেতিযা সাধকৰ মানসত পৰম সুখ উদ্ভব হ'ব যি কৰুণালৈ পৰ্য্যবসিত হয। তথতা আৰু মহাসুখ যুগ্ম (সহজ) অনুভূতিৰ দ্বাৰা সাধকে বজ্ৰস্বত্ব বোধিচিত্ত লাভ কৰিব। অৰ্থাৎ মন আৰু কোনোদিন বিচলিত নহয।

কলশ ঃ কলশ, সাধাৰণ অসমীযাত কলহ, যি হিন্দু পূজাৰ বা তন্ত্ৰৰ ঘটৰ দৰে অত্যাবশ্যকীয বস্তু। চৰ্যা নং ৩৩ ঢেণ্ঢনপাদে এই কলশকে উপলুঙা কৰি হাড়ী বুলি কৈছে। " হাড়ীত ভাত নাঁহি নিতি আবেশী" - যাৰ অৰ্থ, কলশৰ কোনো ভাত অৰ্থাৎ দ্যুতি বা কাৰ্যকৰতা নাই কিন্তু তাতেই (সকলো ব্যক্তি) নিত্য আবিষ্ট বা মোহগ্ৰস্ত। কলশৰ ব্যৱহাৰ ক্ৰিযা, চৰ্য্যা আৰু যোগাচাৰ তন্ত্ৰত হিন্দু পূজাৰ সৈতে একে। কলশত পানী ৰাখি তাত ইষ্ট দেৱতাক সাময়িক ভাৱে অধিষ্ঠিত কৰা হয। পূজা অৰ্চ্চনা, হোম আৰু ধ্যানৰ পিচত দেৱতাক বিসৰ্জন দিযা হয। অনুত্তৰ তন্ত্ৰত কলশ এক বিশেষ অৰ্থ যুক্ত। মহাসিদ্ধ নৰোপাৰ সেকোদ্দেশটীকা (edit M E Carelli, Baroda 1941) গ্ৰন্থত অভিষেক ক্ৰিযাৰ বিত্‌ বৰ্ণনা আছে। নৰোপাই কলশাভিষেকৰ উল্লেখ কৰিছে, যি অনুত্তৰ তন্ত্ৰৰ সৰ্ব্বোচ্চ স্তৰৰ অভিষেক বা সাধকক জ্ঞান দানৰ অনুষ্ঠান। সেকোদ্দেশ শাস্ত্ৰই পঞ্চ অভিষেক প্ৰয়োজন বুলি কয়, আনহাতে কালচক্ৰ তন্ত্ৰই জয়, বিজয় আৰু মহাবিজয তিনিটা কলশ স্বীকাৰ কৰে। Lessing আৰু Wayman ৰ ইংৰাজী অনুবাদ "The idea is that the Lord has entered the sameness of Father - mother union who fuse together by the fire of great passion (maharaga) and become indivisible from

the water of the flask (p 289 Introduction to the Buddhist Tantric Systems)।

কলশ বা “হাড়ী” সম্বন্ধে জনাৰ প্ৰয়োজন চৰ্যা নং ৩৩ বুজিবৰ হেতু। চৰ্যা ৰচক ঢেণ্ঢনপাদ দেখ দেখ যোগাচাৰ সমৰ্থক সাধক আছিল। ক্ৰিয়া আৰু চৰ্য্যা তন্ত্ৰত ব্যবহৃত পূজাৰ ঘট আৰু বিশেষকৈ অনুত্তৰ তন্ত্ৰত ব্যৱহৃত কলশাভিষেক যিয়ে এই তন্ত্ৰৰ যৌনাচাৰৰ প্ৰতিনিধিত্ব কৰে তাক উপহাস কৰি গীত ৰচিছে “হাড়ীত ভাত নাহি নিতি আবেশী।” আদি ভাষ্যকাৰ মুনিদত্তৰ “ হণ্ডীতি। স্বকাযাধাৰং। ভক্তং তস্য সংবৃত্তিবোধি চিত্র বিজ্ঞানাবিৰূপম।” ভাষ্যই মাত্ৰ প্ৰমাণ কৰে মুনিদত্তৰ **কলশ আৰু কলশাভিষেক সম্বন্ধে বিন্দু মাত্ৰ জ্ঞান নাছিল।**

ধ্যান ঃ ধ্যান শব্দৰ আভিধানিক অৰ্থ - অন্তৰেন্দ্ৰিয় দ্বাৰা একেটা বিষয়ৰ ওপৰত একাগ্ৰ চিন্তা, আত্মিক একাগ্ৰতা, ভাৱনা ইত্যাদি। Light on Pranayama গ্ৰন্থত B K S Iyengar মহোদয়ে ধ্যানৰ সংজ্ঞা লিখিছে ০ Meditation the seventh stage of Yoga mentioned by Patanjali (p 208)। বৌদ্ধ তন্ত্ৰ অনুসৰি ধ্যান হৈছে মানসক একাগ্ৰভাৱে নিবিষ্ট ৰখা কাৰ্য্য ধ্যানৰ বিষয়বস্তু অস্তিত্বযুক্ত হ'ব পাৰে কল্পনাপ্ৰসূতও হ'ব পাৰে - কিন্তু ধ্যানৰ কালত সেই বিষয় বস্তু ধ্যানকাৰীৰ বাবে সম্পূৰ্ণ সত্য হ'ব লাগিব অন্যথায় ধ্যান নিষ্ফল। উদাহৰণ স্বৰূপে কিছুমান হিন্দু তন্ত্ৰত (শ্ৰী বগলামুখী তন্ত্ৰত) দেবীক আহ্বান কৰাৰ আৰু ৰূপ ধ্যানৰ পিচত দেবী ৰূপ আইনাত (দৰ্পণ) চোৱা হয়, আৰু দেৱী বিসৰ্জনৰ কালত দেবীৰ পদ যুগল আৰ্চীত “দৰ্শন” কৰা হয়। ই অসম্পূৰ্ণ বা নিষ্ফল ধ্যান। সফল ধ্যানত দেবী ধ্যান মুৰ্ত্তি (শাস্ত্ৰ বিহিত নিৰ্দ্দিষ্ট ৰূপ) সহিত সাধকৰ সমুখত “উপস্থিত” হ'ব আৰু “বিসৰ্জন” পৰ্য্যন্ত সাধকৰ সহিত থাকিব। ধ্যানৰ গুৰুত্ব বৌদ্ধ তন্ত্ৰত প্ৰাণায়ামৰ পিচতে। ক্ৰিয়া, চৰ্য্যা, যোগাচাৰ আৰু অনুত্তৰ চাৰিওটা তন্ত্ৰতে ধ্যান তন্ত্ৰ প্ৰক্ৰিয়াৰ ভিত্তি স্তম্ভ। ধ্যানৰ ব্যৱহাৰ আমি সাধনা পদ্ধতিৰ লগত বিতংভাৱে আলোচনা কৰিম। বাস্তৱ জীৱনত, সাধকে প্ৰাণায়ামৰ দ্বাৰা নিজৰ মস্তিষ্কক এক তন্দ্ৰাগ্ৰস্ত বিশ্লেষণ শক্তি দুৰ্ব্বল অৱস্থালৈ লৈ আহে। তেনেস্থলত ইন্দ্ৰিয় সৃষ্ট বাহ্য অনুভূতি দুৰ্ব্বল মগজুৱে ধ্যানৰ বিষয় বস্তু নিৰ্ব্বিৰোধে সত্য বুলি গ্ৰহণ কৰে। যেতিয়া নকৰে তেতিয়া সাধকৰ সমস্যা উৎপন্ন হয়। কেবাটাও চৰ্যাগীতত মানসৰ এই অবিশ্বাসৰ প্ৰতিৰোধ ভঙাৰ উপায় বৰ্ণনা কৰা হৈছে' (চৰ্যা ১৯,৪,৭,৮ ইত্যাদি)।

বৌদ্ধ তন্ত্ৰত সাধনাৰ প্ৰক্ৰিয়া :

তিব্বতীয় বৌদ্ধ তন্ত্ৰ শাস্ত্ৰত এটি বাক্য প্ৰবাদৰ দৰে ব্যৱহাৰ হয় - "এটা গজহস্তীয়ে বৈ নিব পৰা সমস্ত চিঁএাহীৰে যিমান পুথি লিখিব পাৰি তাতোকৈ অধিক সংখ্যক বৌদ্ধ তন্ত্ৰ শাস্ত্ৰ আছে পৃথিবীত।' ইয়াৰ লগতে যোগ কৰি দিব পাৰি যে প্ৰায় প্ৰতিখনে কিঞ্চিৎ হলেও ভিন্ন সাধনা প্ৰক্ৰিয়া বৰ্ণনা কৰিছে।

বৰ্তমান চৰ্যাগীত সংগ্ৰহৰ এক বুজন অংশ গীতেই বৌদ্ধ তন্ত্ৰ সাধনাৰ কাৰিকৰী উপদেশ বা নিৰ্দ্দেশ য'ত অসংখ্য তান্ত্ৰিক পাৰিভাষিক শব্দ ব্যৱহাৰ হৈছে। এই শব্দ বোৰ কোনো সাঙ্কেতিক বা গূঢ়াৰ্থ যুক্ত শব্দ নহয়, এইবোৰ কাৰিকৰী শব্দ, যি বোৰ তন্ত্ৰ সাধকৰ কথাই নাই তন্ত্ৰ শাস্ত্ৰৰ অভিজ্ঞ পাঠক সকলেও বুজি পাব। মুনিদত্তৰে অনুগামী সবে এই শব্দ সমূহৰ অৰ্থ নাজানি তাৰ বিকৃতাৰ্থ কৰিছে। চৰ্যাগীত কোনো দিন বাউলৰ গীত, দেহবিচাৰৰ গীত বা উল্টাপুৰাণৰ গীতৰ সমশ্ৰেণীৰ নাছিল আৰু নহযো, এই সাধাৰণ সত্যও বুজা সম্ভৱ নহয় বৌদ্ধ তন্ত্ৰ সাধনাৰ পদ্ধতি নাজানিলে। আনহাতে জ্ঞানাভাৱ আৰু স্থানাভাৱৰ হেতুকে বৌদ্ধ সাধনাৰ বিতং বিবৰণ ইয়াত দিযাটোও আমাৰ দ্বাৰা সম্ভৱ নহয়। সেযেহে এটা থুল-মূল আভাস দিযাৰ হে চেষ্টা হৈছে, কিন্তু সাধাৰণ পাঠকৰ সুবিধাৰ্থে চৰ্যাগীতত ব্যৱহৃত কাৰিকৰী শব্দ সমূহৰ তন্ত্ৰত কি অৰ্থত ব্যৱহাৰ হয় তাক সম্ভৱপৰ বিতং ভাবে আলোচনা কৰা হব। বৰ্তমানৰ সমস্ত বৰ্ণনা কেৱল এখন গ্ৰন্থৰ (Introduction to the Buddhist Tantric systems - F D Lessing & A Wayman) ভিত্তিত দিযা হৈছে। শ্ৰীসমাজ তন্ত্ৰ / গুহ্যসমাজ তন্ত্ৰ, হেবজ্ৰতন্ত্ৰ, শিৱতন্ত্ৰ, শ্ৰীবগলামুখীতন্ত্ৰ, ঘেৰণ্ড তন্ত্ৰ, আদি তন্ত্ৰ শাস্ত্ৰ সহাযক গ্ৰন্থৰূপে ব্যৱহাৰ কৰা হৈছে।

ভাৰতবৰ্ষত প্ৰচলিত বৌদ্ধ তন্ত্ৰৰ ধাৰা কেইটি হ'ল - (১) ক্ৰিয়া তন্ত্ৰ, (২) চৰ্য্যা তন্ত্ৰ, (৩) যোগাচাৰ তন্ত্ৰ, (৪) অনুত্তৰ তন্ত্ৰ বা অনুত্তৰ - যোগ তন্ত্ৰ , আৰু (৫) মহা-অতি তন্ত্ৰ। যিহেতু মহা - অতি তন্ত্ৰ, অনুত্তৰ-যোগতন্ত্ৰ + গুৰু দত্ত মৌখিক জ্ঞান, স্বাভাৱিকতে মহা-অতি তন্ত্ৰ সম্বন্ধে লিখিত শাস্ত্ৰ নাই। এই তন্ত্ৰবোৰৰ ভিতৰত ক্ৰিয়া, চৰ্য্যা আৰু যোগাচাৰ তন্ত্ৰ, শুদ্ধ মন্ত্ৰযান, অনুত্তৰ আৰু মহা অতি বজ্ৰযান, আৰু ছয়োটি তন্ত্ৰতে সিদ্ধি সহজভাৱেৰে হয় যদিও, সহজযান বোলা কোনো পন্থাৰ উল্লেখ বৌদ্ধ মৌলিক শাস্ত্ৰত আমি পোৱা নাই। ছয়োটা তন্ত্ৰৰে সিদ্ধিৰ লক্ষ্য একেটি - অবিচলিত মনঃ প্ৰশান্তি আৰু অক্ষয় সুখ লাভ যাক বোধিচিত্ত বোলা হৈছে। দাৰ্শনিক পন্থাও প্ৰায় একে - এই জগৎ নশ্বৰ, চিৰ পৰিবৰ্ত্তনশীল, সংসাৰিক কামনা - বাসনা ত্যাগ কৰি জগতৰ সত্য ৰূপ

উপলব্ধি কৰিব পাৰিলেই অক্ষয়, অবিচলিত সুখোদয় হব মনত। বাস্তবতে কাৰ্য্যটো কিন্তু উজু নহয় - তথাকথিত বজ্র সিদ্ধি লভা মহাসিদ্ধৰ মনটো সন্দেহ, অবিশ্বাস ভয়, লোভ, ক্রোধ, আশা আদি সময়ে সময়ে মূৰ ডাঙি উঠে, তেতিয়াই আৰম্ভ হয় মনৰ চঞ্চলতা।

বৌদ্ধ মহাযান পন্থাৰ চাৰিটা তন্ত্র ক্রিয়া, চৰ্য্যা, যোগাচাৰ আৰু অনুৰে তন্ত্রৰ উদ্ভবৰ কাৰণ দর্শাই Lessing & Wayman এ লিখিছে (p 219 ibid) Now there are two methods laid down in the four Tantra divisions namely outer action (bahya -kriya) such as bathing cleaning etc - and inner yoga (adhyatma yoga) The Kriya Tantra was expressed for subduing the candidate (vineya) who delight in outer action, while the Carya Tantra was expressed for subduing the candidates who delight in practicing outer action and inner yoga in equal measure The Yoga Tantra was expressed for subduing the candidates who delight in the yoga of inner Samadhi, while Anuttara Yoga Tantra is the incomparable Tantra for subduing the candidates who delight in inner-yoga ' ইয়াৰ লগত আমাৰ ফালৰ পৰা যোগ কৰি দিব পাৰি Maha -Ati Tantras are Tantras which remove the necessities of subjugation of chitta

যিহেতু ক্রিয়াতন্ত্রৰ সাধনা অপেক্ষাকৃত সৰল আৰু চৰ্য্যা, যোগাচাৰ, অনুত্তৰ আৰু মহা -অতি ক্রমান্বয়ে জটিলতৰ, ক্রিয়াৰ পৰা মহা-অতি তন্ত্র সাধনা প্রক্রিয়া বর্ণনা কৰি গ'লে চৰ্যাগীতত বৰ্ণিত অধিকাংশ কাৰিকৰী শব্দ চৰ্যাগীতৰ দৰ্শন আৰু সাধনা প্রক্রিয়া পাঠকৰ বোধগম্য হ'ব।

ক্রিয়াতন্ত্র ঃ ক্রিয়াতন্ত্র দুটা স্তৰৰ নিম্ন আৰু উচ্চ, অথবা লৌকিক আৰু লোকোত্তৰ । সাধনাৰ এটা মানলৈ প্রক্রিয়া একে, তাৰে পিছ্‌ত ই পৃথক হৈ যায়। মনত ৰখা উচিত সৰ্বোচ্চ স্তৰত আটাইকেইটা বৌদ্ধ তন্ত্র প্রভেদহীন হৈ পৰে আৰু লক্ষ্য তথা সিদ্ধি ফলৰ মাজত পাৰ্থক্য নাথাকে।

ক্রিয়া তন্ত্রৰ সাধকে প্রোনতে সঙ্কল্প গ্রহণ, গুৰু নিৰ্বাচনৰ পিচত নিজকে সময়ীন (pledge giver) ঘোষণা কৰি, স্নান, আচমন আদি কৰি সাধনাত বহিব। সাধনা পথ মূলতঃ তিনিটা - (১) জপ - ধ্যান; (২) জপহীন ধ্যান , (৩) সেৱা দ্বাৰা সিদ্ধি লাভ।

ক্ৰিয়াতন্ত্ৰৰ সাধনা কাৰ্য্য (অনুষ্ঠান)

প্ৰাৰ্থমিক কাৰ্য্য জপৰ আগৰ	জপ সহিত কাৰ্য্য	সিদ্ধিলাভাৰ্থে কৰা কাৰ্য্য
১) মন্ত্ৰ (ধৰণী) দ্বাৰা দেৱ আহ্বান মণ্ডলত প্ৰতিষ্ঠা আৰু মুদ্ৰা	১) আত্মৰ সৃষ্টি আৰু আত্মোপলব্ধি	১) অঙ্গন্যাস
২) বুদ্ধ আৰু বোধিসত্ব প্ৰণাম, ভক্তি	ক) আত্মসত্যোপলব্ধি	২) প্ৰাৰ্থনা
৩) মানস আৰু চিত্তে আশ্ৰয় (ধ্যান)	খ) মানসৰ স্বাভাৱিক গুণহীনতা আৰু স্বভাৱ শূন্যতা উপলব্ধি।	৩) সেৱাৰ ভাৱত নিজকে সম্পূৰ্ণ সমৰ্পণ ইষ্ট দেৱৰ হাতত
৪) ধৰণী (মন্ত্ৰ) আৰু মুদ্ৰাৰ দ্বাৰা ৰক্ষাচক্ৰ সৃষ্টি	২) ভাৱনাৰ দ্বাৰা মানসত দেৱতাৰ সৃষ্টি দেৱোপলব্ধি দেৱতত্ব	৪) আপোনৰ (আত্ম) নিৰ্গুণতা উপলব্ধিৰ দ্বাৰা সংসাৰৰ শূন্যতা উপলব্ধি যি তথতা বা প্ৰজ্ঞা ইয়াৰ লগত ভক্তিজনিত সুখ এয়েই ক্ৰিয়া তন্ত্ৰৰ সহজ সিদ্ধি।
৫) আৰাধ্য দেৱ-দেৱীৰ আবাহন প্ৰাণপ্ৰতিষ্ঠা পাদ্য অৰ্ঘ্য আচমন স্নান আভৰণ পুষ্প দীপ নৈবেদ্য আদি হিন্দু দেৱ পূজা সদৃশ।	৩) প্ৰাণায়ামত দেৱৰ শূন্যতাৰ পৰা সাধকৰ দেহত প্ৰৱেশ স্থিতি আৰু নিৰ্গমন কৰে।	
৬) মনস্কামনা ব্যক্ত আশীৰ্ব্বাদ আদিৰ দ্বাৰা সিদ্ধি। দেৱ বিসৰ্জন (এই প্ৰক্ৰিয়া -চৰ্যা নং ৩২ ৰ উল্লেখিত দাপণ দৰ্পণ ধৰণী ৰূপত ব্যৱহাৰ হয়।)	৪) দেৱতাৰ ৰূপ দৰ্শন যি দেৱতাই সাধকৰ নৰকৰ পৰা ৰক্ষা আৰু পাপৰ পৰা মুক্ত কৰিব। দেৱক প্ৰভু আৰু নিজকে দাস ভাৱত ভক্তি।	
৭) লৌকিক সিদ্ধিৰ কামনা । এনে কামনা - ক) ধন, সম্পত্তি, পুত্ৰাদি পৌষ্টিক কুল ইয়াৰ পাঁচটা শাখা - পঞ্চককুল (পঞ্চজনা চৰ্যা নং ১২,১৩) খ) আহাৰ বস্ত্ৰৰ যোগান	৫) দেৱভাৱ (বোধিসত্বৰ) ভক্তিত সৰ্ব্বদা সমাহিত হৈ থাকি সুখ উপলব্ধি। সকলো কাৰ্য্য দায়িত্ব বোধিসত্বত অৰ্পণ (বৈষ্ণৱ দাস্যভাৱ আৰু নামধাৰীৰ লগত সাদৃশ্য প্ৰণিধান যোগ্য	

(মণিকুল চৰ্যা নং ৪) ভাগাৰ যোগা।)
পৰিবৰ্ত্তা দ্যুতক্ৰীড়া (ণয় বল চৰ্যা
নং ১২)। অষ্ট গৌণ সিদ্ধি, হিন্দু
তন্ত্ৰৰ অষ্ট মহাসিদ্ধি (অঠকমাৰী
চৰ্য্যা ১৩ ৰ টোকা চাওক)

দেখা যায বৌদ্ধ ক্ৰিযা তন্ত্ৰ আৰু সাধাৰণ বৈষ্ণৱ হিন্দু ধৰ্ম্মৰ মাজত পাৰ্থক্য বিশেষ নাই। জপ সহিত ক্ৰিযা তন্ত্ৰ, হিন্দু তন্ত্ৰ বা আচাৰগত পূজাৰ পৰা ভিন্ন নহয। জপ সহিত ক্ৰিযা তন্ত্ৰ ঘাইকৈ বৈষ্ণব সকলৰ নাম - জপ আৰু মহাপুৰুষীযা দাস্যভাৱ ভক্তিৰ মাজত পাৰ্থক্য নাই। বুদ্ধৰ বা বোধিসত্বৰ ঠাইত বিষ্ণুৰ নাম সুমাই দিলেই হ'ল। সাধনাৰ লক্ষ্য - ইষ্ট দেবতাত ভক্তিৰে লয আৰু তাৰ দ্বাৰাই নিজৰ অস্তিত্বহীনতা জ্ঞান, তথা সুখ লাভ। নিম্ন ক্ৰিযাতন্ত্ৰ পৰম্পৰাগত হিন্দু পূজা - সেৱা, আৰু উচ্চ ক্ৰিযা তন্ত্ৰ ভগৱৎগীতাৰ হিন্দু ধৰ্ম্ম আৰু সৰ্ব্বোচ্চ স্তৰত ঔপনিষদীয হিন্দু ধৰ্ম্মৰ সৈতে সমচৰিত্ৰৰ।

ক্ৰিযা তন্ত্ৰৰ প্ৰাণাযাম ঃ

ক্ৰিযা তন্ত্ৰত ব্যৱহৃত প্ৰাণাযাম পূৰ্ব্বতে কোৱাৰ দৰে পূৰক -কুম্ভক - ৰেচক- শূন্য প্ৰাণাযাম। এই প্ৰাণাযামৰ উল্লেখ আছে চৰ্য্যা ন‌ং ১, ৩, ৭, ৮, ১১, ১৭, ১৯, ২১, ৩৬, ৪৯ গীতত। ক্ৰিযাতন্ত্ৰৰ প্ৰাণাযাম বুদ্ধগুহ্যভাষ্যকৃত 'ভৈৰোচন তন্ত্ৰ' অনুসাৰে কৰা হয। কাৰিকাৰ দিশ সম্বন্ধে Lessing আৰু Wayman এ তিব্বতী গ্ৰন্থৰ অনুবাদ ৰূপে লিখিছে - 'Upper vital air and lower vital air (Urdha and Adhása vayu) are drawn upto navel holding there when the mind is fixed solely upon the deity Then fixing the mind on deity, air is slowly emitted। ক্ৰিযাতন্ত্ৰৰ প্ৰাণাযামৰ উদ্দেশ্য শ্বাস - প্ৰশ্বাসৰ নিযন্ত্ৰণৰ দ্বাৰা বিক্ষিপ্ত চিন্তাৰ নিবৃত্তি। ইযাত উৰ্দ্ধ বাযু তললৈ আৰু নিম্ন বাযু (প্ৰাণ) ওপৰলৈ তুলি আনি দেহৰ নাভী অঞ্চলত আবদ্ধ ৰাখি মনঃ বিক্ষিপ্তি উৎপাদক কাৰ্য্য, চিন্তা (ব্যসন) ধ্বংস কৰি অকল শুভ আবেগ অনুভূতি হৃদযলৈ যাবলৈ দিযা উচিত। এই প্ৰক্ৰিযা চৰ্যা ন‌ং ৩ বিৰুৱাপাদে সম্পূৰ্ণ বৰ্ণনা কৰিছে।

প্ৰকৃত প্ৰাণায়াম কাৰ্য্য ঃ

মূলাধাৰ বন্ধ কৰি নাকেৰে শ্বাস টানিব সাধকে 'অ ফলাৰ' অক্ষৰ ধ্বনি স্ফুট বা অস্ফুট ধ্বনিৰে। শ্বাসৰ পূৰকৰ পিচত ক ফলা' দুইবাৰ উচ্চাৰণ কৰি

চৌষষ্ঠি ধ্বনি স্মৰণ কৰি কুম্ভক কৰি ৰ'ব। কুম্ভক কালত নিজকে অক্ষৰ দেৱৰ লগত একাত্ম বোধ কৰি আত্মতত্ব অনুভৱ আৰু আত্মলোপ কৰিব। ইয়াৰ পিচত 'ক ফলা' দ্বিতীয় বাৰ স্ফুট বা অস্ফুট ভাৱে এবাৰ স্মৰণ কৰি নাকেৰে প্ৰশ্বাস এৰিব। অক্ষৰ দেবতা শূন্যত বিলীন হ'ব কিন্তু 'বৈৰোচন' আত্মৰ লগত থাকিব। শ্বাস ত্যাগৰ পিছত উড্ডযন আৰু মুলাধাৰ দুযোটা বন্ধ কৰি সাধকে নিজৰ মাজত শূন্য অনুভূত হ'ব। সাধকৰ এই অৱস্থা বৰ্ণনা কৰিছে চৰ্যা নং ৪ ত "সাসু ঘৰেঁ ঘালি কোঞ্চা তাল"। এইদৰে ক্ৰমাং সাধকে নিজৰ অস্তিত্ব পাহৰি 'দেৱ'ৰ অস্তিত্বৰ লগত বিলীন হৈ শূন্যতা আৰু সুখ দুযোটা অনুভৱ কৰিব। এই প্ৰাণাযামৰ দ্বাৰা সাধকে এক তন্দ্ৰালু, আবেশগ্ৰস্ত সুখ অনুভৱ কৰে যিয়ে মনত শান্তি আৰু আলস্য আনে।

চৰ্য্যাতিন্ত্ৰ এইটো উল্লেখনীয, যদিও বৰ্তমান গীত সংগ্ৰহৰ নাম চৰ্যাগীতৰ সঙ্কলন, ইযাত চৰ্য্যাতন্ত্ৰৰ সমৰ্থনত লিখা এটাও গীত নাই। আনহাতে চৰ্য্যাতন্ত্ৰ নুবুজিলে ইযাৰ পিচৰ যোগাচাৰ তন্ত্ৰ আৰু তাৰ সমৰ্থনত লিখা চৰ্যাগীত সমূহ বুজাটো কঠিন। চৰ্য্যাতন্ত্ৰৰ মূল শাস্ত্ৰ মহাবৈৰোচন অভিসম্বোধী তন্ত্ৰ আৰু বজ্ৰপাণি অভিষেক তন্ত্ৰ। চৰ্য্যাতন্ত্ৰৰ তিনিটা 'কুল' আছে - তথাগত, পদ্ম আৰু বজ্ৰ। তথাগতই আত্ম, পদ্মকুলে বিভ্ৰম/মাযা আৰু বজ্ৰকুলৰ যোগে হিংসা/দ্বেষ লোপ কৰে। ইযাৰ পৰোক্ষ উল্লেখ আছে চৰ্যাগীত নং ৪ "কমল কুলিশ ঘাণ্টে কৰহুঁ বিআলী"।

চৰ্য্যাতন্ত্ৰ সাধনা দুইধৰণে কৰিব পাৰি - (১) সন্নিমিত্ত, যত দেৱ মূৰ্ত্তি ধ্যান কৰা যায অথবা (২) অনিমিত্ত যত শূন্যজ্ঞানক লক্ষ্য ৰূপে লোৱা হয।

সন্নিমিত্ত চৰ্য্যাতন্ত্ৰ ঃ ইযাৰ দুটা অংশ - জপ বহিঃপ্ৰযোগ আৰু জপ অন্তঃপ্ৰযোগ। জপ বহিঃপ্ৰযোগ চাৰিবিধ— (ক) আত্মতত্ত্ব-মানস স্বভাৱে গুণহীন। (খ) দেৱতত্ত্ব - দেৱ স্বভাৱে গুণহীন বা গুণশূন্য। (গ) ওঁ ধ্বনি সাকাৰ ই স্ব ধ্বনি, চন্দ্ৰৰ মণ্ডলত স্থিতি কল্পনা। (ঘ) তথাগতৰ ওপৰত একাগ্ৰ ধ্যান য'ত চন্দ্ৰ মণ্ডলত স্থিত তথাগত সাধকৰ সৈতে একাত্ম হৈ সাধকে নিজৰ অস্তিত্ব লোপ কৰিব । প্ৰাণাযামৰ দ্বাৰা চিত্তক শান্ত কৰি নিজকে তথাগতৰ লগত একে স্বত্ব বুলি মন্ত্ৰোচ্চাৰণ কৰিব। জপ অন্তঃপ্ৰযোগে, ক) অ আ আদি অক্ষৰ দেৱতা সৃষ্টি কৰিব মানসত। খ) আত্মৰ ওপৰত ধ্যান কৰি আত্মলোপ কৰি দেৱতাৰ দেহ ধাৰণ কৰিব। গ) নিজৰ হৃদযত বৈৰোচনক আসীন অনুভৱ কৰিব। ঘ) বৈৰোচনৰ হৃদযত নিজকে দেখি বৈৰোচনৰ লগত লীন হৈ যাব।

অনিমিত্ত চৰ্য্যা তন্ত্ৰ ঃ ই যোগাচাৰ তন্ত্ৰৰ লগত প্ৰায একে। ক) সাধকে

জপৰ লগতে "সৰ্ব্বধৰ্ম্ম শূন্য" ধ্যান কৰিব। স্বাভাৱিক ধৰ্ম্মৰ কোনো গুণ নাই ই স্বভাবশূন্য। খ) সাধকে দেৱতাক মানসকৃত কিন্তু অস্তিত্বপূৰ্ণ শূন্যতা বুলি ধাৰণা কৰিব। যোগাচাৰত "দেৱ" ক মধ্যস্তৰত বিসৰ্জন দিয়া যায়, কিন্তু চৰ্য্যাতন্ত্ৰত ইষ্টদেৱক অন্তলৈ বিসৰ্জন দিয়া নাযায় – ই সাধকৰ সৈতে একাত্ম হৈ থাকে। ক্ৰিয়া তন্ত্ৰত 'দেৱক' প্ৰভু বুলি স্বীকাৰ, কৰে, চৰ্য্যাত 'দেৱক' 'মিত্ৰ' বা স্ব বুলি গ্ৰহণ কৰে। অৰ্থাৎ ক্ৰিযাতন্ত্ৰত দাস্যভাব, আৰু চৰ্য্যাতন্ত্ৰত সখাভাৱ আৰু "অয়ব্ৰহ্ম দৰ্শনেৰে" সাধনা কৰে। চৰ্য্যাতন্ত্ৰৰ প্ৰাণাযাম ক্ৰিযাতন্ত্ৰ সদৃশ, কেৱল উচ্চ চৰ্য্যাত চণ্ডালী প্ৰাণাযাম কৰা হয়।

যোগাচাৰ তন্ত্ৰ ঃ বৰ্ত্তমান চৰ্যাগীত সঙ্কলনৰ বুজন সংখ্যাই যোগাচাৰ তন্ত্ৰৰ সমৰ্থনত লিখা, অথবা যোগাচাৰী সাধকে অনুত্তৰ তন্ত্ৰৰ সাধনা পদ্ধতি তথা সাধকক উপলুঙ্গা কৰি লিখা গীত। যোগাচাৰ তন্ত্ৰৰ দৰ্শন আৰু সাধনা পদ্ধতিৰ খুটি- নাটি বিতংভাৱে নাজানিলে এইবোৰ গীত বুজা সম্ভৱ নহয়। যোগাচাৰ তন্ত্ৰৰ দৰ্শনৰ উদ্ভৱ হৈছে বৌদ্ধ মধ্যমিকা দৰ্শনৰ পৰা ফালৰি কাটি অহা শাখা স্বৰূপে, যি আজিৰ বিশ্বত চীন দেশৰ "চান" বা জাপানৰ "জেন" নামত অধিক খ্যাত। এই তন্ত্ৰৰ মূল মাত্ৰ এটা শব্দ "শূন্য"। মধ্যমিকাৰ লগত ইযাৰ পাৰ্থক্য হ'ল – মধ্যমিকাৰ 'শূন্য' আপেক্ষিক (relative), ই সংবৃত্তি। যোগাচাৰৰ শূন্য ই সৰ্ব্বাত্মক - পৰমাৰ্থ "transcendental realm of prajna institute"(D T Suzuki-Mysticism Christian and Buddhist p 37)। যোগাচাৰ তন্ত্ৰ যদিও গৌতম বুদ্ধৰ মৃত্যুৰ বহু পিচত আসঙ্গ, বুদ্ধগুহ্য, শাক্যমিত্ৰ, আদি দাৰ্শনিকৰ দ্বাৰা প্ৰতিষ্ঠিত আৰু বজ্ৰশেখৰ, তত্ত্বসংগ্ৰহ আদি গ্ৰন্থ মূল শাস্ত্ৰ - এখেত সকলে যোগাচাৰ তন্ত্ৰৰ দৰ্শন বুদ্ধৰ মহাপৰিনিৰ্ব্বাণ সূত্ৰ, লঙ্কা-বৰ্ত্ত সূত্ৰ আৰু আংশিকভাৱে "সৎধৰ্ম্ম পুণ্ডৰিক সূত্ৰৰ" ওপৰত প্ৰতিষ্ঠিত বুলি দাবী কৰে। বুদ্ধৰ 'জগত নশ্বৰ, পৰিবৰ্ত্তনশীল আৰু মূলতঃ সাৰশূন্য। ব্যক্তিৰ নিজৰ যেতিয়া অস্তিত্ব নাই (অনাত্তা) তাৰ অনুভূতিৰ কেনেকৈ অস্তিত্ব থাকিব পাৰে? যোগাচাৰী তন্ত্ৰৰ দাৰ্শনিকে শূন্যতা বাদকে বিস্তাৰ কৰি শূন্যৰ বোল্লটা স্তৰ কৰিলে -উষ্ণীষবজ্ৰনামাধৰণীকল্প গ্ৰন্থৰ ঃ

১) অধ্যাত্মা শূন্যত (আভ্যন্তৰীণ)
২) বাহিৰৰ শূন্যতা (বাহ্যিক বা বহিৰ্দ্ধা)
৩) বাহিৰ আৰু ভিতৰৰ (আধ্যাত্মা বহিৰ্দ্ধা)
৪) শূন্যভাৱৰ নিৰৰ্থকতা (শূন্যত শূন্যতা)
৫) পৰম লক্ষ্যৰ শূন্যতা(পৰমাৰ্থ শূন্যতা)
৯) অনৱস্থিতিৰ শূন্যতা (অনবক্ৰ শূন্যতা)।
১০) চৰিত্ৰৰ ভিত্তি শূন্যতা (প্ৰকৃতি শূন্যতা)
১১) মৌল বা ভূতৰ শূন্যতা (সৰ্ব্বধৰ্ম্ম শূন্যতা)
১২) আত্ম চৰিত্ৰ শূন্যতা (স্বলক্ষণ শূন্যতা)
১৩) ভিত্তি শূন্যতা (অনুপলব্ধ শূন্যতা)

৬) সংস্কাৰৰ অৰ্থহীনতা (শূন্য সংস্কাৰ) ১৪) অনস্তিত্বৰ শূন্যতা (অভাব শূন্যতা)
৭) সংস্কাৰহীনতাৰ নিৰৰ্থকত্ৰ (অসংস্কাৰ শূন্যত্ৰ) ১৫) ভিত্তিচৰিত্ৰ শূন্যত্ৰ (স্বভাৱ শূন্যত্ৰ)
৮) ভূত-ভৱিষ্যতৰ শূন্যতা (অনবৰগ্ৰ শূন্যতা) ১৬) অস্তিত্ব অনস্তিত্ব শূন্যতা।
(অভাৱ-স্বভাৱ শূন্যত্ৰ)

এই যোল্ল বিধ শূন্যতা বুজাটো বাস্তবতে বৰ জটিল নহয় আৰু ইয়াৰ ভিত্তি গৌতম বুদ্ধ ঘোষিত, জগত অস্থায়ী আৰু আত্মৰ অনস্তিত্বৰ ওপৰত প্ৰতিষ্ঠিত। অনুত্তৰ তন্ত্ৰত এই যোল্ল বিধ শূন্যক মাত্ৰ চাৰিটা শ্ৰেণীৰ বুলি কৈছে- শূন্য, অতি শূন্য, মহাশূন্য, প্ৰভাস্বৰ শূন্য বা সৰ্ব্বশূন্য। ভাদে পাদে চৰ্যা নং ৩৫ ত গাইছে - 'পেখমি দহদিহ সৰ্ব্বই শূন। চিঅ বিহুন্নে ন পাপ ন পুন্ন। ইয়াত আত্ম চৰিত্ৰ শূন্যতা (স্বলক্ষন শূন্যতা), অৰ্থাৎ নিজৰ চিত্তত কোনো প্ৰভাৱ নাথাকিলে ব্যক্তিৰ সমস্ত জগত শূন্য পৰিলক্ষিত হ'ব।

যোগাচাৰ তন্ত্ৰৰ লক্ষ্য, আন বৌদ্ধ তন্ত্ৰৰ দৰেই সাধকৰ মনলৈ অবিচলিত শান্তি আৰু অক্ষয় সুখ অনুভূত কৰোবাটো। এই সুখৰ উৎস, মানস + পৰমাৰ্থ। মানস বা মন সুখেৰে ভৰি পৰিব যদি সি সুখ + শূন্য হয়, অৰ্থাৎ মানসে কেৱল শূন্য উপলব্ধিৰ পৰাই সুখ পাব লাগিব। এযা প্ৰাপ্তিৰ পথ আটাইতকৈ কঠিন সাধনা, কাৰণ এনে সুখ সাধকৰ দৰ্শন মতেই " ভিত্তিহীনঃ" অনুপলব্ধ শূন্যতা - even bliss is illusory

চৰ্যাগীতৰ তান্ত্ৰ দাৰ্শনিক অৰ্থ বুজিবলৈ যোগাচাৰ সাধনাৰ প্ৰতিটো পদক্ষেপ সম্পূৰ্ণভাবে জানিব লাগিব অন্যথায় ভাষা শব্দৰ দ্বাৰা বুজাটো অসম্ভৱ। সাধকে পোনতে নিজৰ মনৰ লালসা (লোভ), কামনা (ৰাগ), হিংসা (দ্বেষ), ভ্ৰমযুক্ত আকৰ্ষণ (মোহ) অসূয়া (মাৎসৰ্য্য) আৰু ভ্ৰান্ত দৰ্শন (মিথ্যা দৃষ্টি) বিসৰ্জন দিব লাগিব। এইটো স্তৰৰ বৰ্ণনা চৰ্যা নং ৪ ত পায— "কমল কুলিশ ঘান্টে কৰহুঁ বিআলী" যাৰ অৰ্থ সন্ধিযা পদ্ম (মোহ বিক্ষেপণ) আৰু কুলিশ (বজ্ৰ-দ্বেষ বিক্ষেপণ) ধ্যানত বহোঁ। ধ্যান বিশ্লেষণ আৰু সাধাৰণ প্ৰাণাযামৰ দ্বাৰা এই স্তৰ অতিক্ৰম কৰাৰ পিচত সাধকে (১) চিত্ত প্ৰতিবেধ চিত্ত বিদ্ধি বিশ্লেষণত ব্যস্ত হ'ব যাৰ দ্বাৰা যোল্লটা শূন্যভাৱ অনুভৱ কৰিব চেষ্টা কৰিব। ইয়াৰ ফলত চিত্তই ধৰ্ম্ম শূন্যতা বুজি পাব আৰু আদৰ্শ জ্ঞান দৰ্পণ সদৃশ চিত্ত-জ্ঞান পাব। উজু অৰ্থ, জগৎ খন বাস্তবতে যেনে, তেনেকৈয়ে দেখিব। নিজৰ চিত্তৰ মালিন্যই যাতে জগত খন কলুষিত নকৰে (a smudge on the mirror face will deform the image)। (২) অন্তৰত জ্ঞান প্ৰদীপ জলিলে সাধকে সমতা জ্ঞান পাব, যাৰ সহায়ত বুজিব সুখ-দুখ, অস্তিত্ব-অনস্তিত্ব, প্ৰাপ্তি -ক্ষতি বাস্তবতে সমান সমান।

সাধকে কোন দৃষ্টিভঙ্গীৰে চায তাৰে ওপৰতে তাৰ তাৎপৰ্য্য নিৰ্ভৰ কৰিব। 'সমতা -জোএঁ জলিঅ চণ্ডালী" চৰ্যা ৪৭ পদে কেৱল সমতা যোগৰ কথাই উল্লেখ কৰা নাই, এই স্তৰৰ সাধনাত সাধকে চণ্ডালী প্ৰাণাযামৰ ব্যৱহাৰ কৰে তাকো স্পষ্টভাৱে বৰ্ণনা কৰিছে। (৩) তৃতীয স্তৰত সাধকে বিশ্লেষণ জনিত জ্ঞান প্ৰত্যবেকষণা জ্ঞান (discriminative knowledge) যাৰ ধাৰক অমিতাভ বোধিসত্ব, প্ৰাপ্ত হয আৰু সাধক 'বুদ্ধ অভিবুদ্ধৰ' পৰা 'বুদ্ধ-ভিবুদ্ধ' স্তৰলৈ উন্নীত হয। (৪) চতুৰ্থ স্তৰত সাধকে মযেই বজ্ৰ (বজ্ৰাত্মাকো অহং - অথবা অহং বজ্ৰ) ধ্যান কৰিব। সাধনাৰ সিদ্ধিত নিজৰ হৃদযত পঞ্চ মুখ বজ্ৰ দৃষ্ট হ'ব। মহাভৈৰোচনৰ লগত একাত্মীভূত হৈ কাযা-বজ্ৰ ধাতু আৰু চিত্ত বজ্ৰ ধাতু প্ৰাপ্ত হ'ব। (৫) ইযাৰ পিচত সাধক বজ্ৰসত্ব বজ্ৰধাতুৰ সৈতে একে অনুভূত হৈ সৰ্ব্বতথাগত হৈ নিজ হৃদযত চন্দ্ৰ আৰু বজ্ৰ দৃষ্ট হ'ব, আৰু ধৰ্ম্ম ধাতু জ্ঞান পাই মহাভৈৰোচনৰ সৈতে একাত্ম হ'ব এযেই যোগাচাৰৰ মহামুদ্ৰা। ইযাৰ পিচত সাধকৰ 'দেৱ' ৰ প্ৰযোজন নোহোৱা হ'ব আৰু ধৰ্ম্মধাতু বা পৰামাৰ্থ জ্ঞান লাভ কৰিব। ধৰ্ম্মধাতুৰ প্ৰতীক হ'ল — বুদ্ধ কঙ্কণ। চৰ্যা নং ৩২ "হাথে ৰে কাঙ্কাণ মা লোউ দাপণ" পদত কৈছে দেৱ পূজা আৰু ভক্তি লৈযে সন্তুষ্ট নাথাকিবা য'ত কঙ্কণ শব্দই যোগাচাৰৰ ধৰ্ম্মধাতু আৰু দাপণ শব্দই ক্ৰিযা তন্ত্ৰৰ দৰ্পণ ধৰণী অৰ্থাৎ পূজাৰ প্ৰতীক স্বৰূপে ব্যৱহৃত।

যোগতন্ত্ৰত জ্ঞান চাৰিবিধ - আদৰ্শ, সমতা, প্ৰত্যবেক্ষণ (discriminative) আৰু ক্ৰীত্যানুস্থান (procedure of duty) । সেইদৰে প্ৰতিটো অভিসম্বোধি (উচ্চ জ্ঞানৰ) পিছুত প্ৰদৰ্শিত মুদ্ৰাৰ নাম, লক্ষণ আৰু প্ৰতীক ভিন্ন ভিন্ন। উচ্চ জ্ঞান— বোধিচিত্ত (mind of enlightenment), দানপৰমিতা (perfection in giving), প্ৰজ্ঞা পৰমিতা (perfection in insight) আৰু বীৰ্য্য পৰমিতা। যোগাচাৰ তন্ত্ৰৰ প্ৰধান মুদ্ৰা কেইটি

১) মহামুদ্ৰা (Great Seal) -ফল - ইষ্ট দেৱক নিজৰ মূৰ্ত্তিমান ৰূপত দেখাৰ সক্ষমতা।

২) সময মুদ্ৰা (Symbolic Seal)-ফল-মানসৰ সংস্কাৰৰ পৰা মুক্তি।

৩) ধৰ্ম্ম মুদ্ৰা (Law Seal) ফল-দেৱৰ (শাস্ত্ৰৰ) বাক্যৰ সত্যতা উপলব্ধি

৪) কৰ্ম্ম মুদ্ৰা (Action Seal) ফল - দেৱৰ স্বাভাৱিক গুণ আৰু পৰম বোধি উপলব্ধি।

অনুত্তৰ তন্ত্ৰ অধ্যযন কালত দেখা যাব, এই কেইটি নামেই ভিন্ন অৰ্থতো ব্যৱহৃত। সেযেহে চৰ্যাকাৰৰ তন্ত্ৰগত আনুগত্য নাজানিলে চৰ্যা গীতৰ অশুদ্ধ অৰ্থ কৰাৰ সম্ভাৱনা থাকে - চৰ্যা নং ৩৭ ৰ " তা মহামুদেৰী টুটি গেলি কংথা।"

ৰ মহামুদেৰি বা মহামুদ্ৰা শব্দৰ অৰ্থ সুকুমাৰ সেন মহোদযে "স্ত্ৰী ' লিখিছে যদিও বৰ্ত্তমান চৰ্যাগীত যোগাচাৰ তন্ত্ৰৰ সমৰ্থক হেতু ইযাত মহামুদ্ৰা শব্দই দেৱদৰ্শন বা দেৱউপলব্ধি সূচায।

যোগাচাৰ তন্ত্ৰত ব্যৱহৃত প্ৰাণাযাম ঃ যোগাচাৰ তন্ত্ৰ শূন্যতাবাদৰ ওপৰত প্ৰতিষ্ঠিত। এই তন্ত্ৰৰ সাধকে সম্পূৰ্ণ বিশ্লেষণ আৰু ধ্যানৰ দ্বাৰা এই তত্তত উপনীত হ'ব লাগে, আৰু যিহেতু সাধকে মানসিক বা আধ্যাত্মিক ভাবে ভগবান বা ভক্তিৰ ওপৰত ভেঁহা দিব নোৱাৰে, স্বাভাৱিকতে সাধকৰ মনত হতাশা আৰু ৰিক্ততাই চিত্ত চাঞ্চল্যৰ সৃষ্টি কৰে। দেখাত সাধকে মহাবৈৰোচনৰ লগত একত্ব অনুভৱ কৰিলেও সৰ্ব্ব ধৰ্ম্ম শূন্যতাৰ হেতু এই জ্ঞান থাকে যে 'দেৱ'ও সাধকৰ মনঃ সৃষ্ট। যোগাচাৰ সম্পূৰ্ণ 'উপায' ভিত্তিক পিতৃতন্ত্ৰ বুলি ঘোষণা কৰিলেও মাতৃতন্ত্ৰৰ অঙ্গ প্ৰাণাযাম আৰু জপ ইযাৰ এব মুখ্য ভূমিকা লয।

যোগাচাৰ তন্ত্ৰত ব্যৱহৃত প্ৰাণাযাম সমূহ হ'ল মুখ্যতঃ সাধাৰণ পূৰক -কুম্ভক-ৰেচক-শূন্য প্ৰাণাযাম, চণ্ডালী প্ৰাণাযাম আৰু ডোম্বী প্ৰাণাযাম। যোগিনী বা সহজ প্ৰাণাযাম যোগাচাৰত ব্যৱহাৰ নহয। চৰ্যাগীত সমূহত ব্যৱহৃত যোইণি (চৰ্যা নং৪), 'যোইণী' (চৰ্যা নং ২৭), শব্দই যোগিনী প্ৰাণাযাম বুজোৱা নাই। ইযাত যোগাচাৰক স্ত্ৰী লিঙ্গ ৰূপত যোগিনী তন্ত্ৰ বা ' যোইণী' কৰা হৈছে।

অনুত্তৰ তন্ত্ৰ ঃ অনুত্তৰ শব্দৰ অৰ্থ ইযাৰ সমকক্ষ বা শ্ৰেষ্ঠ এব কোনো নাই , অথবা ইযাক অনুসৰণ, প্ৰতিষ্ঠাপিত বা প্ৰতিদ্বন্দ্বিতা কৰিব পৰা কোনো নাই। দুযোটা অৰ্থতে অনুত্তৰ তন্ত্ৰই নিজকে সৰ্ব্বশ্ৰেষ্ঠ বৌদ্ধ তন্ত্ৰ পথ বুলি মুকলিভাৱে ঘোষণা কৰিছে। বৌদ্ধ তন্ত্ৰ শাস্ত্ৰ সমূহত অনুত্তৰ তন্ত্ৰ আৰু কেবা নামত পোৱা যায- অনুত্তৰযোগ তন্ত্ৰ, মহা যোগতন্ত্ৰ, আৰু অতিযোগ তন্ত্ৰ। অতএব দেখা যায অনুত্তৰ তন্ত্ৰ যোগাচাৰ তন্ত্ৰৰ লগত ওতঃপ্ৰোতঃ ভাৱে জড়িত। মহা-অতি তন্ত্ৰ আৰু অনুত্তৰ তন্ত্ৰৰ মাজৰ পাৰ্থক্য ইমান সূক্ষ্ম যে তাক সাধাৰণ পাঠকক বুজোৱা কঠিন।

অনুত্তৰ তন্ত্ৰৰ শিপা প্ৰাকবৌদ্ধ তন্ত্ৰত প্ৰোথিত। গৌতম বুদ্ধৰ মৃত্যুৰ দুশ বছৰৰ ভিতৰতে 'কঠোৰ ব্ৰহ্মচৰ্য্য পালন কৰিব লগা' বৌদ্ধ শ্ৰমণ সকলৰ এটি ক্ষুদ্ৰ অংশই মহাসাংঘিকাৰ আৰত 'উত্তৰপথী' সকলে ধৰ্ম্মীয কাৰ্য্যৰ নামত যৌনাচাৰত লিপ্ত হৈছিল। এই কাৰ্য্য মানবীয দযাৰ (কৰুণা) নামত কৰা হৈছিল যদিও এনে কাৰ্য্যৰ দাৰ্শনিক ভিত্তি আৰ্য্য নাগাৰ্জ্জুনৰ মাধ্যমিক দৰ্শনৰ আপেক্ষিক শূন্যতাবাদৰ ওপৰত প্ৰতিষ্ঠিত হয আৰু এযেই অধিকাংশ পণ্ডিতৰ 'অবোধগম্য বজ্ৰযান পন্থা'।

আমাৰ নিজৰ ব্যক্তিগত অভিজ্ঞতাও এই দিশত বৰ সুখকৰ নহয়। মৌখিকভাৱে বুজাব গলেও কঠিন, লিখিত ভাৱে অসম্ভৱ। বৌদ্ধতন্ত্ৰৰ বজ্ৰযান, হিন্দু লৌকিক তন্ত্ৰ আৰু কৌলিক তন্ত্ৰ (কুল কুণ্ডলিনী জাগ্ৰত কৰণ), শক্তিতন্ত্ৰত সাধকে সাধনা সঙ্গিনীৰ লগত ধৰ্ম্মীয় যৌনাচাৰত লিপ্ত হয়। আন তন্ত্ৰবোৰ কঠোৰভাৱে ব্ৰহ্মচৰ্য্য ব্ৰতাবলম্বী। শক্তিতন্ত্ৰ আৰু বজ্ৰযান সমৰ্থিত তন্ত্ৰৰ মাজৰ প্ৰধান পাৰ্থক্য হ'ল - লক্ষ্য । যিহেতু হৰপ্ৰসাদ শাস্ত্ৰী আৱিষ্কৃত চৰ্যাগীত সংগ্ৰহৰ অধিকাংশ গীতেই হয় যোগাচাৰ তন্ত্ৰৰ সমৰ্থনত লিখা নহলে অনুত্তৰ তন্ত্ৰৰ সমৰ্থনত লিখা আৰু আটাইতকৈ "ৰহস্যপূৰ্ণ বা গূঢ় অৰ্থযুক্তগীত" যেনে নং ২৮,৩৩, ৫০ আদি যোগাচাৰী তান্ত্ৰিকে অনুত্তৰ তন্ত্ৰৰ দৰ্শন আৰু কাৰ্য্যক পৰিহাস কৰি ৰচিছে, **অনুত্তৰ তন্ত্ৰৰ দৰ্শন আৰু সাধনা নাজানিলে, বুজি নাপালে এই চৰ্যাগীতবোৰৰ অৰ্থ বুজাটো অসম্ভৱ।** বিশ্ববিদ্যালয়ৰ উপাধিয়ে তাত বিশেষ সহায় আগ"নবঢায়। " বলদ বিআএল গবিআ বাঝোঁ (চৰ্যা ৩৩) যাৰ আক্ষৰিক অৰ্থ "বলদে প্ৰসব কৰিলে গাই জনী বন্ধ্যা" বাস্তৱতে সূচাইছে পিতৃতন্ত্ৰ (বলদ) সফল, মাতৃতন্ত্ৰ (গাই) নিষ্ফল। চৰ্যাৰ এইটো পদ বুজাটো সম্ভৱ, যেতিয়া কেৱল অনুত্তৰ তন্ত্ৰ, যোগ তন্ত্ৰৰ "পিতৃ-মাতৃৰ" সংজ্ঞা বুজি পাব। সেইদৰে চৰ্যা ন২ ২০ ৰ " ফেটলিউ গো মাএ অন্তউডি চাহি। জা এথু চাহাম সো এথু নাহি।।" পদৰ আক্ষৰিক অৰ্থ - " মা ৰ গৰ্ভলৈ বিচাৰি চাইছো, মই যি বিচাৰিছো এযা সেযা নহয়।" বাস্তৱ অৰ্থ, মই মাতৃতন্ত্ৰৰ গভীৰতালৈ সোমাই চাইছো কিন্তু মই বিচৰা জ্ঞান/উপলব্ধি তাত নাই।

মাতৃতন্ত্ৰ - পিতৃতন্ত্ৰ : মাতৃতন্ত্ৰ - পিতৃতন্ত্ৰৰ সংজ্ঞা আৰু সংঘাতৰ বিবৰণ বৌদ্ধ তন্ত্ৰ শাস্ত্ৰত অজস্ৰ। উৎসাহী পাঠকক F D Lessing আৰু A Wayman অনুদিত Introduction to the Buddhist Tantric Systems গ্ৰন্থৰ পৃঃ ২৫১-২৫৯ পঢ়িবলৈ অনুৰোধ কৰা হ'ল। এই বিভাজন এফালে যেনেকৈ জটিল আনহাতে তেনে সৰল, ইয়াতো বুজাতকৈ উপলব্ধিৰ অধিক প্ৰযোজন । বৌদ্ধতন্ত্ৰ ভিত্তিস্তৰত দুটা দিশত কাম কৰে - পিতৃ (উপায়) আৰু মাতৃ (প্ৰজ্ঞা)। ক্ৰিয়া আৰু চৰ্য্যা তন্ত্ৰই প্ৰজ্ঞা (মাতৃ) আৰু যোগাচাৰ তন্ত্ৰই উপায়ৰ (পিতৃ) ওপৰত অধিক গুৰুত্ব দিয়ে। অনুত্তৰ তন্ত্ৰ অদ্বৈত, ইয়াত পিতৃ আৰু মাতৃতন্ত্ৰ দুয়োটাৰ ওপৰত সমান গুৰুত্ব দিয়া হয়। সেযেহে চৰ্যা নং ৫ চাটিল্লপাদে নিজকে অনুত্তৰসামী (অনুত্তৰ তন্ত্ৰত সিদ্ধ) বুলি ঘোষণা কৰি কৈছে "সাঙ্কমত চডিলে দাহিণ বাম মা হোহী।" যাৰ অৰ্থ সাঁকোত (সাধনা পথত) উঠিলে দাহিণ (পিতৃ তন্ত্ৰ) বাম (মাতৃতন্ত্ৰ) নহবা। শান্তিপাদে (চৰ্যা নং ১৫)গাইছে, "বাম দাহিন দো বাটা চ্ছাডী।"

সাধনা প্ৰক্ৰিয়াৰ অংশ স্বৰূপে অনুত্তৰ, মহা আৰু অতি তন্ত্ৰই যৌনাচাৰৰ অনুমতি দিযে। হিন্দু তন্ত্ৰৰ 'শক্তি সাধনাযো" যৌনাচাৰ অনুমতি, দিযে কিন্তু যৌনাচাৰ থাকিলেই সি মাতৃ তন্ত্ৰ নহয, আৰু ব্ৰহ্মাচৰ্য্য পালন কৰিলেই সেই তন্ত্ৰ পিতৃ তন্ত্ৰ নহয। ক্ৰিযা তন্ত্ৰ আৰু চৰ্য্যা তন্ত্ৰত যৌনাচাৰ নাই, কিন্তু ঘাইকৈ মাতৃ তন্ত্ৰ। যোগাচাৰ তন্ত্ৰ সম্পূৰ্ণ ব্ৰহ্মাচৰ্য্য পালন কৰা পিতৃতন্ত্ৰ। অনুত্তৰ যৌনাচাৰ ৰাখিও পিতৃ আৰু মাতৃ তন্ত্ৰৰ সংমিশ্ৰণ।

সম্ভৰোদযা, বজ্ৰপাঞ্জৰ আৰু বুদ্ধকপাল আদি অনুত্তৰ তন্ত্ৰৰ শাস্ত্ৰই অনুত্তৰ তন্ত্ৰক মহা যোগতন্ত্ৰ (পিতৃ) আৰু যোগিনীতন্ত্ৰত (মাতৃ) বিভাগ কৰিছে। কালচক্ৰ তন্ত্ৰই উপায (পিতৃ) আৰু প্ৰজ্ঞা (মাতৃ) বিভাজন আনিছে। বজ্ৰপাযলংকাৰ গ্ৰন্থই ডাক (পিতৃ) আৰু ডাকিনী (মাতৃ) তন্ত্ৰ নাম দিছে। পুৰুষ আৰু স্ত্ৰী তন্ত্ৰ চিনাক্তকৰণৰ বহু উপায দি টীকাকাৰ তিবৃতী পণ্ডিতে কৈছে যে এইবোৰে সাধকক কেবল বিভ্ৰান্ত কৰিব। কাৰণ এনে সংজ্ঞা মতে গুহ্যসমাজতন্ত্ৰ আৰু হেবজ্ৰতন্ত্ৰ পিতৃতন্ত্ৰ আৰু সাম্ভাৰাতন্ত্ৰ অদ্বৈত তন্ত্ৰ বুলি পৰিগণিত হ'ব, যি হাস্যকৰ। কোনো কোনো বৌদ্ধ তন্ত্ৰ শাস্ত্ৰমতে পুৰুষ ইষ্টদেৱৰ পূজক সকল পিতৃতন্ত্ৰ সমৰ্থক আৰু দেৱীপূজক সকল মাতৃতন্ত্ৰ সাধক। মণ্ডলত মূৰ্ত্তিৰ অৱযবৰ ওপৰত ভিত্তি কৰিও পিতৃতন্ত্ৰ মাতৃতন্ত্ৰ পৃথক কৰা হয। এজন পাঠকে যিমানে অধিক শাস্ত্ৰৰ পাত লুটিযাব সিমানেই বিভ্ৰান্ত হ'ব। নিষ্পন্ন কৰ্ম্ম মাতৃ তন্ত্ৰ - বিন্দু আৰু সূক্ষ্ম যোগ পিতৃ তন্ত্ৰ। অনুত্তৰ তন্ত্ৰ অনুসৰি স্কন্ধ, ধাতু আৰু আযতন (senses) পিতৃ তন্ত্ৰ, আকৌ নাডী নিযন্ত্ৰণ মাতৃ তন্ত্ৰ। কালচক্ৰ তন্ত্ৰ আৰু য'ত যোগিনী (নাডী) সক্ৰিয আৰু জ্ঞানসত্ব নিষ্ক্ৰিয় সেযা মাতৃ তন্ত্ৰ। পিতৃ আৰু মাতৃ য'ত সক্ৰিয হৈ সমন্বয বিচাৰি পাব সেযাই অনুত্তৰ তন্ত্ৰ। উপায (means) আৰু প্ৰজ্ঞাৰ (insight) সমন্বয ঘটিলে তত্ব (reality or fundamental truth) অনুভূত হয়। তেতিয়াই মনত মহাসুখ আৰু পৰম জ্ঞান প্ৰজ্ঞাপৰমিতা, সহজ (co-emerged) ভাবত উদয হ'ব আৰু সেযেই সিদ্ধি অনুত্তৰ তন্ত্ৰৰ।

আমি আমাৰ অত্যন্ত সীমিত জ্ঞানবুদ্ধিৰে ইযাৰ ব্যাখ্যা কৰিব চেষ্টা কৰিম, অসফল বা ভ্ৰান্তিযুক্ত হলেও লজ্জাকৰ বিশেষ নহয কাৰণ আমাৰ আগতেও বহুতে অসফল হৈছে।

অনুত্তৰ তন্ত্ৰ দৰ্শন নিঃসন্দেহে পৃথিবীৰ অন্যতম সূক্ষ্ম আৰু যুক্তিপূৰ্ণ ধৰ্ম্মীয দৰ্শন। ইযাৰ দৰে ব্যবহাৰিক জ্ঞান সম্পন্ন আৰু অকাট্য দৰ্শন (অনুত্তৰ) পৃথিৱীত দ্বিতীয নাই। ইহুদী ধৰ্ম্মৰ পৰা উদ্ভৱ হোৱা ধৰ্ম্মৰ কথাই নাই, ঔপনিষদীয দৰ্শন এই দৰ্শনৰ আগত লৰা ধেমালি যেন লাগে। অনুত্তৰ তন্ত্ৰৰ পিতৃতন্ত্ৰৰ সৰ্ব্বোচ্চ স্তৰৰ বৰ্ণনা কৰিছে গুহ্যসমাজ তন্ত্ৰই যি উৎপত্তি কৰ্ম্ম, নিষ্পন্ন

কৰ্ম্ম আৰু ক্ৰিয়া কাণ্ডৰ ফল আলোচনা কৰিছে। সেইদৰে মাতৃতন্ত্ৰৰ সৰ্ব্বশ্ৰেষ্ঠ নিদৰ্শন পোৱা যায় সাম্ভাৰা তন্ত্ৰত (সম্ভু তন্ত্ৰ?)", এই মন্তব্য Lessing আৰু Wayman অনুবাদক দ্বয়ৰ।

অনুত্তৰ তন্ত্ৰৰ উৎপত্তি প্ৰাকবৌদ্ধ কালৰ। হাজাৰ হাজাৰ বছৰ ধৰি মানুহৰ স্বভাৱ আৰু ব্যৱহাৰ অধ্যযন কৰি কৰি এচাম দাৰ্শনিক পণ্ডিতে লাহে লাহে উপলব্ধি কৰিলে - মানুহৰ স্বভাৱ আৰু ব্যৱহাৰ দুই স্তৰীয - **এটা জন্মগত যাক স্বভাৱ বা intrinsic/intuitive,** এই চৰিত্ৰ উত্তৰাধিকাৰী সূত্ৰে পায নে পূৰ্ব্বজন্মৰ কৰ্ম্মফলৰ পৰা আহে পণ্ডিত সকলে নাজানে ("জামে কাম কি কামে জাম। সৰহ ভণতি অচিন্ত সো ধাম।।" চৰ্যা নং ২২ । জন্মৰ পৰা কৰ্ম্ম নে কৰ্ম্মৰ পৰা জন্ম সি অচিন্তণীয)। সেই inherent, intrinsic, inborn চৰিত্ৰই **প্ৰজ্ঞা**। আনহাতে প্ৰতিজন ব্যক্তিৰ আন এটা দিশ থাকে যিযে ব্যক্তিৰ স্বভাব, জ্ঞান, কৰ্ম্ম, লক্ষ্য সমস্তৰে নিজৰ কৰ্ম্ম আৰু চিন্তাৰ দ্বাৰা পৰিবৰ্ত্তন ঘটাব পাৰে এযেই **উপায**। প্ৰজ্ঞা মাতৃ ধৰ্ম্মী আৰু উপায পিতৃ ধৰ্ম্মী। মাতৃৰ প্ৰধান সঁজুলি বিশ্বাস আৰু পিতৃতন্ত্ৰৰ প্ৰধান অস্ত্ৰ বিশ্লেষণ। জপ আৰু ধ্যান মাতৃ আৰু পিতৃ তন্ত্ৰ দুযোটাতে সমানে প্ৰযোজন। মাতৃতন্ত্ৰৰ ধ্যান ৰূপ দৰ্শন, আনহাতে পিতৃতন্ত্ৰৰ ধ্যান ঘুমণি বা বিশ্লেষণ। আধুনিক মনোবিজ্ঞান অনুসৰি পিতৃতন্ত্ৰ analytical mind বা rational mind আৰু মাতৃতন্ত্ৰ instinctive বা intrinsic mind সাধকে কিহৰ ওপৰত অধিক গুৰুত্ব দিযে, সেযেই নিৰ্ণয কৰিব তন্ত্ৰৰ ৰূপ।

বৌদ্ধ তন্ত্ৰৰ আটাইকেইটা মূল তন্ত্ৰৰে লক্ষ্য **সুখ আৰু সম্ভব হ'লে সেই সুখ চিৰস্থাযী আৰু অবিচলিত হোৱা প্ৰযোজন**। তেনে সুখৰ উৎস সত্যজ্ঞান **তথতা বা তত্ত্ব**, কিন্তু সুখ আৰু জ্ঞান যুগপৎ উদয হ'ব লাগিব। দেখা যায ভিন্ন ভিন্ন শাখাৰ মাজৰ পাৰ্থক্য কেৱল মাৰ্গৰ বা সাধনা পথৰ, লক্ষ্যৰ নহয।

তন্ত্ৰ	**লক্ষ্য**	**সাধনা মাৰ্গ**	**উপায**
ক্ৰিযা তন্ত্ৰ	তথতা + সুখ	পূজা+সেৱা+ভক্তি	পূজা+জপ + প্ৰাণাযাম
চৰ্য্যাতন্ত্ৰ	প্ৰশান্তি+ সুখ	ভক্তি +ধ্যান+দেৱএকাত্ম	পূজা, জপ, প্ৰাণাযাম, ধ্যান বিশ্লেষণ
যোগাচাৰ তন্ত্ৰ	শূন্যতাবোধ+সুখ	দেৱ একাত্ম বোধ + দেৱতাৰ পৰা মুক্তি	পূজা, জপ, প্ৰাণাযাম, ধ্যান বিশ্লেষণ
অনুত্তৰ তন্ত্ৰ	প্ৰজ্ঞাপৰমিতা + মহাসুখ	শূন্যতাবোধ আৰু দেৱতাৰ পৰা মুক্তি + কৰুণা	পূজা, জপ, প্ৰাণায়াম, ধ্যান, বিশ্লেষণ, যৌনাচাৰ।

শ্ৰীশঙ্কৰদেৱৰ প্ৰচাৰিত মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্ম্মৰ "বিশ্বাসে মিলয় হৰি তৰ্কে বহু দূৰ" বাক্য মাতৃতন্ত্ৰ সমৰ্থক বাক্য, কাৰণ বিশ্লেষণহীন বিশ্বাস স্বভাৱজাত বা intrinsic, তাক বিশ্লেষণ নকৰিবলৈ কোৱা হৈছে। বৈষ্ণৱ " দাস্যভাৱ" বৌদ্ধ তন্ত্ৰৰ "সেৱাৰ" সমকক্ষ। যোগাচাৰ তন্ত্ৰৰ দৰ্শনৰ ভিত্তি হৈছে মানুহৰ স্বভাৱ জন্মৰ সময়ত গুণহীন। ই সংস্কাৰ বা অভিজ্ঞতাৰ ভিত্তিত ভাল-বেয়া, সুখ-দুখ বিচাৰ কৰিব আৰম্ভ কৰে (চিঅৰাজ সহাৱে মুকল - চৰ্যা নং ৩২, যাৰ অৰ্থ চিত্তৰ ৰাজ্য স্বভাবতে মুক্ত) অতএব মনেই সকলো। মনে যদি এবাৰ স্বীকাৰ কৰে যে জগৎ অসাৰ, অস্থায়ী আৰু চিৰপৰিবৰ্ত্তনশীল তেনেহ'লে সাধকে বুজিব সমস্ত জগতেই এক সৰ্ব্বশূন্য - ইয়াত প্ৰাপ্তি -অভাৱ, সুখ দুখ সমস্ত অস্থায়ী আৰু অসাৰ আৰু এই জ্ঞানৰ পৰাই সাধকে সুখ অনুভৱ কৰিব পাৰিব লাগিব। কিন্তু শূন্যৰ শ্ৰেণীভেদ আছে। তদুপৰি যোগাচাৰ তন্ত্ৰ আৰু অনুত্তৰ তন্ত্ৰৰ শূন্য শ্ৰেণীভেদ একে নহয়।

	যোগাচাৰ তন্ত্ৰ	অনুত্তৰ তন্ত্ৰ
শূন্য	আনন্দ	আনন্দ
অতিশূন্য	পৰমানন্দ	পৰমানন্দ
মহাশূন্য	বিৰামানন্দ-মহামুদ্ৰা →	বিৰামানন্দ
সৰ্ব্বশূন্য	সহজানন্দ	অবিদ্যা → কৰ্ম্মমুদ্ৰা→ মহামুদ্ৰা→ সহজানন্দ

চৰ্যাগীতবোৰত অতিসূক্ষ্ম বিতৰ্কৰ স্ৰোত বৈ আছে - (১) বিশ্বাস আৰু ভক্তিৰ দ্বাৰা স্থায়ী সুখ (মাতৃতন্ত্ৰ) পোৱা যায় নে বিশ্লেষণ আৰু ধ্যানৰ দ্বাৰা পোৱা সুখ স্থায়ী (পিতৃ তন্ত্ৰ)। (২) স্বভাৱজাত চৰিত্ৰৰ ওপৰত গুৰুত্ব দিলে শীঘ্ৰে সুফল পোৱা যাব নে বিচাৰ বুদ্ধিৰ ওপৰত গুৰুত্ব দিলে শূন্যতা উপলব্ধ হ'ব। (উল্লেখনীয় শ্ৰীভগৱদ্‌গীতাতো একে সমস্যাৰ উত্থাপন কৰি 'ধীমান' সকলক দ্বিতীয় অধ্যায়ৰ সাংখ্য যোগ (পিতৃ তন্ত্ৰ) আৰু সাধাৰণ লোকক ১৮ অধ্যায়ৰ - "সৰ্ব্বধৰ্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ" (মাতৃতন্ত্ৰ) অনুসৰণ কৰিব উপদেশ দিছে)। অনুত্তৰ তন্ত্ৰই যোগাচাৰৰ (আধুনিক ধ্যান বা জেন) সৰ্ব্বশূন্যতা বোধক অবিদ্যা বা মিথ্যা বিদ্যা বুলিছে। অনুত্তৰৰ সাধক দাৰ্শনিক সকলে কয় - স্বভাৱ নিৰ্গুণ নহয় আৰু স্বভাৱজ গুণ আৰু স্বাভাবিক প্ৰবৃত্তিৰ সমস্ত মূলোৎপাটন উচিত নহয় (সুন তৰুবৰ গঅণ কুঠাৰ। ছেবহ সো তৰু মূল ন ডাল ।। চৰ্যা

৪৫,যোগাচাৰৰ উপদেশ)। অনুত্তৰ তন্ত্ৰ সমৰ্থকে কয - যোগাচাৰীৰ এই সৰ্ব্বশূন্য এবিধ ভাও - সি লোক দেখুওৱা ভঙ্গী - (পুন লইআঁ অপণা চটাৰিউ" চৰ্যা ২৬) ব্যক্তিৰ জন্মগত জৈব আৰু উত্তৰাধিকাৰীসূত্ৰে পোৱা গুণ আৰু চৰিত্ৰ অধিক গুৰুত্বপূৰ্ণ নে ব্যক্তিৰ বিচাৰ বুদ্ধি ভিত্তিক সিদ্ধান্ত অধিক গুৰুত্বপূৰ্ণ, তদুপৰি কোনটো সিদ্ধান্ত অবিচলিত চিৰস্থায়ী এযাই " বাম আৰু দাহিন," মাতৃ আৰু পিতৃ তন্ত্ৰৰ মাজৰ মতানৈক্যৰ ভিত্তি। ক্ৰিয়া আৰু চৰ্য্যা তন্ত্ৰ ব্যক্তিৰ স্বাভাবিক প্ৰবৃত্তি, আনহাতে যোগাচাৰ তন্ত্ৰই বিশ্লেষণাত্মক চিন্তাৰ ওপৰত নিজৰ দৰ্শন ভিত্তি কৰিছে। অনুত্তৰ তন্ত্ৰই সাধকক স্বাভাৱিক প্ৰবৃত্তি আৰু বিশ্লেষণাত্মক চিন্তা দুযোটা সমানে ব্যৱহাৰ কৰিবলৈ কয মানসিক স্থৈৰ্য্যৰ বাবে। সেযেহে ই অদ্বৈত তন্ত্ৰ। শান্তিপাদে গাইছে - "বহন বট দুই মাৰ নদিশঅ। সান্তি ভণই বালাগ নপইসই - চৰ্যা ২৬।

পিতৃতন্ত্ৰ	অদ্বৈত তন্ত্ৰ	মাতৃ তন্ত্ৰ
যোগাচাৰ	**অনুত্তৰ তন্ত্ৰ**	**ক্ৰিয়া আৰু চৰ্য্যা তন্ত্ৰ**
বক্তব্য-মই শুনিছো, মই	বুজিছো+ অনুভৱ কৰিছো,	মই অনুভৱ কৰিছো
বুজিছো। তথাগত পুৰুষ-	পুৰুষ + নাৰী	তথাগত নাৰী বজ্ৰবৰাহী।
বজ্ৰসত্ব। উৎপতি কৰ্ম্ম	উৎপত্তি কৰ্ম্ম + নিষ্পন্ন কৰ্ম্ম	নিষ্পন্ন কৰ্ম্ম
সুক্ষ্মতাৰ প্ৰতীক	পদ্ম + বজ্ৰ, ধাতু+ক্ষেত্ৰ	পদ্ম, নাড়ী, নাড়ী শুদ্ধি
স্বৰূপ বিন্দু, বজ্ৰ, স্কন্ধ	স্কন্ধ, ধাতু, চৈতন্য, আৰু	
ধাতু আৰু চৈতন্য শুদ্ধি	নাড়ী শুদ্ধি	

অতএব দেখা যায অনুত্তৰ তন্ত্ৰই যোগাচাৰ তন্ত্ৰৰ মহাশূন্য অৱস্থালৈ বৈধ বুলি স্বীকাৰ কৰে, কিন্তু সৰ্ব্বশূন্য ভাৱক অবিদ্যা বুলি কয। অনুত্তৰ তন্ত্ৰই কয, সৰ্ব্বশূন্য ভাবে সাধকৰ মনত এক নেতিসূচক, ধ্বংসাত্মক অনুভূতিৰ সৃষ্টি কৰে, যিযে সাধকক অসহনশীল,কন্দলমুখী আৰু আনৰ দোষ-গুণৰ প্ৰতি অত্যধিক মনোযোগী কৰি তোলে যাৰ ফলত মানসিক স্থৈৰ্য্য আৰু শান্তি নষ্ট হয। শূন্যভাব যাৰ প্ৰতীক "গগণ" তাৰ কথা মহীধৰপাদে লিখিছে -" খৰৰবি কিৰণ-সন্তাপে ৰে গঅণাঙ্গন গই পইঠা।" চৰ্যা নং ১৬ , অথবা "গঅণ সমুদে টলিআ পইঠা পেখমি দহদিহ সৰ্ব্বহি শূন" (চৰ্যা - ৩৫)। এনে সৰ্ব্বশূন্য ভাৱক অতিক্ৰম কৰিবলৈ অনুত্তৰ তন্ত্ৰ সমৰ্থকে সাধনাত যৌনাচাৰ প্ৰবিষ্ট কৰায "ছাডিঅ ভয ঘিণ লোআচাৰ। চাহন্তে চাহন্তে সুণ বিআৰ (চৰ্যা ৩১)। ইযাৰ উত্তৰ স্বৰূপে যোগাচাৰী সাধকে গাইছে — "সুইণাহ অবিদাৰ অৰে ণিঅ মণ তোহোৰেঁ দোসেঁ" (চৰ্যা-৩৯), যাৰ অৰ্থ "শূন্য যদি অবিদ্যা সি তোৰ নিজৰ মনৰ দোষত"। অথবা চৰ্যা ৪১ "আইএ অণুঅনা এ জগ ৰে ভাংতিএঁ সো পডিহাই" যাৰ অৰ্থ "আদিতেই অনুৎপন্ন জগৎ ভ্ৰান্তি ক্ষণতঃ হে পৰিলক্ষিত হয।" একে সময়তে যৌনাচাৰৰ বিৰোধিতা কৰি গীত ৰচিছে - চৰ্যা ৩৭

বাগু কুৰগু সন্তাৰে জাণী।
বাক্‌পথাতীত কাঁহি বখাণী।।
ভণই তাডক এথু নাহিঁ অবকাশ।
জো বুঝই তা গলেঁ গলপাস।।

যাৰ অৰ্থ-যৌন অভিজ্ঞতাৰ সুখ এবাৰ পালে সি ডিঙিত ফাঁচৰ দৰে লাগি ধৰিব। অথবা চৰ্যা ৩৩ ত "বেগ সংসাৰ বড়হিল্‌ জাঅ"। যাৰ অৰ্থ, 'বেগ বা স্পৃহা সংসাৰত বাঢ়িহে যায।'

অনুৰে সাধকৰ সাধনা পদ্ধতি বা প্ৰক্ৰিযা বিতংভাৱে নাজানিলে এই দাৰ্শনিক বাদানুবাদ বোধগম্য নহয। আকৌ সাধনা পদ্ধতি বুজিবলৈ জনাৰ প্ৰযোজন বৌদ্ধ তন্ত্ৰৰ মানৱ দেহ আৰু সাধনা পদ্ধতিৰ সম্পৰ্ক সম্বন্ধে থকা ধাৰণা।

বৌদ্ধ আৰু হিন্দু তন্ত্ৰ এনেভাবে সাল সলনি হৈ আছে যে ইটোৰ পৰা সিটো পৃথক কৰা অসম্ভব। বৌদ্ধ তন্ত্ৰ গুহ্যসমাজ আৰু সাম্ভাৰা (শম্ভু তন্ত্ৰ?) আৰু হিন্দুৰ শ্ৰীবগলামুখী তন্ত্ৰ আৰু ঘেৰণ্ড সংহিতাক ভিত্তি কৰি আমি তলত দিযা ফলি খন লিখা হৈছে। ইযাৰ প্ৰতিটো শব্দ, ব্যৱহাৰ আৰু প্ৰতীক চৰ্যাগীতৰ পাঠকে মনত ৰাখিব লাগিব। দেহ চক্ৰবোৰৰ নাম, কাৰ্য্য, ধাতু, বৰ্ণ, পদ্মৰ পাহিৰ সংখ্যা, সাধকৰ দেহত অৱস্থান, নাডীৰ গতি, মণ্ডল, প্ৰতিটো কথাই কণ্ঠস্থ নহ'লে চৰ্যাগীত বুজা সম্ভৱ নহয কাৰণ গীত ৰচক সকলে বহু স্থলত মূলৰ সলনি প্ৰতীক ব্যৱহাৰ কৰিছে। যেনে—

চৰ্যা ২ কুম্ভীৰ = মগৰ-বৰুণৰ বাহন - বৰুণৰ বাসস্থান হ'ল লিঙ্গাগ্ৰৰ স্বাধিস্থান চক্ৰ
অতএব কুম্ভীৰ = যৌন স্পৃহা (মদনৰ নাম মকৰ কেতন)।
চৰ্যা ১৬ - কসণ = কৃষ্ণবৰ্ণ-অনাহত চক্ৰৰ বৰ্ণ - হৃদযত অৱস্থিত অনাহত চক্ৰ।
চৰ্যা-৪৭,৩০ - গঅন = গগন - আকাশ - কণ্ঠত বিশুদ্ধ চক্ৰৰ অৱস্থান যিযে শূন্য ভাৱৰ সৃষ্টি কৰে, তাৰ ধাতু আকাশ।
অতএব গগন = শূন্যভাৱ
চৰ্যা ১৬ গঅণন্ত =গগন অন্ত - য'ত শূন্য শেষ হৈ প্ৰজ্ঞাপৰমিতা উদ্ভূত হয় - আজ্ঞা চক্ৰ
চৰ্যা ১০ মোলান = মৃণাল- পদ্মৰ শিপা - সৰোবৰত উৎপত্তি - সৰোবৰ স্বাধিস্থান চক্ৰত যৌন স্পৃহাৰ আৰু কাৰ্য্যৰ মূল।

বৰ্ত্তমান তালিকাত আমাৰ দ্বাৰা হিন্দু আৰু বৌদ্ধ দুযো তন্ত্ৰকে সামৰা হৈছে। যিহেতু তন্ত্ৰ গ্ৰন্থ অনুযাযী কিঞ্চিৎ পাৰ্থক্য বা প্ৰভেদ পৰিলক্ষিত হয় আমাৰ তালিকা খন যতদূৰ সম্ভৱ সাৰ্বজনীন কৰিবলৈ চেষ্টা কৰা হৈছে।

দেহ চক্ৰ তালিকা আৰু

হিন্দু তন্ত্ৰ- শ্ৰীবগলামুখী, সম্ভু, ঘেৰণ্ড সংহিতা

চক্ৰৰ নাম আৰু কাৰ্য্য	সাধকৰ দেহত স্থিতি	চক্ৰৰ বৰ্ণ	পদ্মৰ বৰ্ণ	পদ্মপাহিৰ সংখ্যা	স্থিতি
সহস্ৰাৰ ব্ৰহ্মউপলব্ধি	মস্তক শীৰ্য/ ব্ৰহ্ম তালু	বৰ্ণহীন	বিচিত্ৰবৰ্ণ	সহস্ৰ দল হাজাৰ পাহি	ব্ৰহ্মালোক
আজ্ঞা চক্ৰ আত্মোপলব্ধি	দুই চেলাউৰিৰ মধ্য আগ কপাল	শ্বেত বৰ্ণ অথবা বৰ্ণহীন	মিশ্ৰ বৰ্ণ	দুই	চন্দ্ৰ মণ্ডলৰ উৰ্দ্ধত গগনান্ত
বিশুদ্ধ চক্ৰ মনত শূন্যভাব সৃষ্টি কৰে	কণ্ঠমূল	ধূম্ৰ, শ্বেত	ঈষৎ ৰক্ত বৰ্ণ	ষোড়শ দল অফলাৰ ১৬ ধ্বনি ধ্বনি	আকাশ মণ্ডল গগন
অনাহত চক্ৰ শিৰত সূক্ষ্ম ছিদ্ৰ আছে কামনা, মোহ, ক্ৰোধ আদি ধ্বংস কৰে	হৃদয়	কৃষ্ণ বৰ্ণ ধূম্ৰ বৰ্ণ	সিন্দুৰ বৰ্ণ	দ্বাদশ দল ক-ঠ বাৰটি ধ্বনি অধোদেশত অষ্টদল কমল	বায়ু
মণিপুৰ চক্ৰ ক্ষমতা লোভ জয় কৰে ত্ৰৈলোক্য বিজয়	নাভি মণ্ডল	সমুদ্ৰ বৰ্ণ	নীল বৰ্ণ	দশ দল	অগ্নি
স্বাধিষ্ঠান অহংভাব আৰু যৌন কামনা দমন কৰে	লিঙ্গমূল লিঙ্গাগ্ৰ	বিদ্যুৎ বৰ্ণ	ৰক্তিম সিন্দুৰ	ষষ্ঠ দল ব-ল ধ্বনি	সৰোবৰজল

সাধনা কাৰ্য্য পদ্ধতি (সাৰণী - ২)

বৌদ্ধ তন্ত্ৰ সাম্ভাৰা, গুহ্যসমাজ, হেবজ্ৰতন্ত্ৰ

তন্ত্ৰ অধিষ্ঠাত্ৰী	মণ্ডল দেৱ	বীজ মন্ত্ৰ	কৰ্ম্ম আৰু চক্ৰৰ নাম	দেহত স্থিতি	পত্ৰৰ পাহিৰ সংখ্যা দিশ	প্ৰাণায়াম
চতুৰ্ভুজা কমলা			সোম/চন্দ্ৰ ঃ উষ্ণীষবৌদ্ধ	মস্তিষ্ক	চাৰি ৪	সহজা
হাকিনী ষষ্ঠ মুখ	স্ফুলিঙ্গ	সূক্ষ্ম চিত্ত	আজ্ঞা চক্ৰ তত্ত্ব +সুখ শূণ্যাত্তিত	দুই চেলাউৰিৰ মাজ	বত্ৰিশ নিম্ন ৩২	যোগিনী ডোম্বী
চতুৰ্ভুজা শাকিনী	অৰ্দ্ধনাৰীশ্বৰ	হং	সম্ভোগ চক্ৰ শূন্যতা বোধ	কণ্ঠ মূল	ষোল্ল উৰ্দ্ধ ১৬	ডোম্বী চণ্ডালী
কাকিনী চতুৰ্ভুজা	ঈশ/দ্বিভুজ বান লিঙ্গ পতাকা		ধৰ্ম্ম চত্ৰ অনাহত চক্ৰ অনুভূতি নিয়ন্ত্ৰণ বায়ু	হৃদয়	অষ্ট/ দ্বাদশ নিম্ন ১২	চণ্ডালী শবৰী পূৰক-কুম্ভক ৰেচক-শূন্য
লাকিনী লাকিনী	মেষ বাহ	[illegible]	নিৰ্মাণ চক্ৰ ব্যসন নিয়ন্ত্ৰণ পাচন ক্ৰিয়া	নাভি মণ্ডল	চৌষষ্ঠি, উৰ্দ্ধ ৬৪	পূৰক কুম্ভক ৰেচক
চতুৰ্ভুজা ৰাকিনী	মকৰ অধিষ্ঠিত বৰুণ	বং	স্বাধিষ্ঠান মূলাধাৰ বাৰটা উপচক্ৰ	লিঙ্গমূল	চাৰি, উৰ্দ্ধ ৪	পূৰুণী

দেখা যায় যে চৰ্যাগীতৰ ৰচক সকলে নিৰ্ব্বিবাদে হিন্দু তন্ত্ৰৰ শব্দ গীতত ব্যৱহাৰ কৰিছে। হৃদচক্ৰ যি অনাহত চক্ৰ নামে খ্যাত তাৰ আন এটা নাম অনাহত ডম্বৰু, কাৰণ ব্যক্তিৰ হৃৎপিণ্ড আঘাত নকৰিলেও ডম্বৰুৰ দৰে ধ্বনিত হয়। চৰ্যাগীতত হিন্দু তন্ত্ৰ, বৌদ্ধ তন্ত্ৰৰ শব্দ সান মিহলি হৈ গৈছে যদিও বাস্তৱতে হিন্দু আৰু বৌদ্ধতন্ত্ৰৰ বহুতো পাৰ্থক্য আছে, বিশেষকৈ লক্ষ্য আৰু উদ্দেশ্যৰ।

হিন্দু তন্ত্ৰ ঘাইকৈ দুবিধ - কৌলিক/কৌল আৰু শক্তিতন্ত্ৰ। কৌলিক তন্ত্ৰত স্বাধিস্থানৰ পৰা মূলাধাৰলৈ শক্তি টানি আনি মূলাধাৰৰ পৰা সুপ্ত কুলকুণ্ডলিনী জাগ্ৰত কৰা হয়। কুণ্ডলিনী - মণিপুৰ -অনাহত -বিশুদ্ধ - আজ্ঞা চক্ৰ বিদ্ধ কৰি অৱশেষত মস্তক শীৰ্ষৰ সহস্ৰাৰ চক্ৰ পাব আৰু/অথবা সাধকে পূজা - জপ-প্ৰাণাযাম-বলি বিধান আৰু অৱশেষত নাৰী সঙ্গম সাধনাৰ দ্বাৰা ধন, ঐশ্বৰ্য্য, ক্ষমতাৰ উপৰি অষ্ট মহাসিদ্ধি লাভ কৰি অতিমানবীয ক্ষমতাৰ অধিকাৰী হ'ব- এযেই লক্ষ্য।

বৌদ্ধ তন্ত্ৰই হিন্দু শক্তিতন্ত্ৰৰ অষ্টমহাসিদ্ধিক অষ্টগৌণ নাম দিছে আৰু ধন সম্পদ আদি প্ৰাপ্তিৰ বাবে কৰা তন্ত্ৰক লৌকিক, পঞ্চককুল, পৌষ্টিক, দ্যুৎক্ৰীড়া (game of a dice) আদি উপেক্ষা সূচক নাম দি সাধকক তাৰ লোভ এৰিব উপদেশ দিছে। -"তিশৰণ ণাবী কিঅ অঠকমাৰী" (চৰ্যা ১৩) যাৰ অৰ্থ, ধৰ্ম্ম, সংঘ আৰু বুদ্ধৰ শৰণ থাকোতে কিয অষ্ট সিদ্ধিলৈ হেপাহ কৰিব লাগে?

বৌদ্ধতন্ত্ৰৰ সাধনা মাৰ্গ আৰু উপাসনা ভিত্তি ঃ

বিৰুৱাপাদৰ (চৰ্যা নং ৩) চৰ্যাগীতে থূন-মূলকৈ সমস্ত বৌদ্ধ সাধনা পদ্ধতি (উচ্চ ক্ৰিযাতন্ত্ৰলৈ) বৰ্ণনা কৰিছে য'ত সাধনাৰ ভিত্তিও উনুকিযাইছে। বৌদ্ধ তন্ত্ৰৰ মতে —

১) সাধকৰ তথা সকলো মানবৰ দেহা এখন নগৰৰ দৰে (নগৰ বাহিৰিৰে ডোম্বি তোহোৰি কুডিআ (চৰ্যা ১০) , দেহ নঅৰী বিহৰএ একাৰেঁ (চৰ্যা ১১)।

২) স্বাধিস্থান, মূলাধাৰ, নিৰ্ম্মাণ চক্ৰ - সূৰ্য্য মণ্ডলত পৰে য'ত দৈহিক শক্তি, জৈৱিক কাৰ্য্য আৰু কামনা-বাসনাৰ উৎপত্তি হয়। অনাহত, বিশুদ্ধ আৰু আজ্ঞা চক্ৰ চন্দ্ৰ মণ্ডলত পৰে, যি ব্যক্তিৰ উচ্চতৰ চিন্তা, বুদ্ধি, ধৰ্ম্ম আৰু বিবেকক নিযন্ত্ৰণ কৰে।

৩) ব্যক্তিৰ দুটা মুখ্য কোষ - অনাময (অন্নজাত) আৰু মনোময (মানসিক)। অন্ন মুখৰ যোগেৰে গ্ৰহণ কৰি পাকস্থলীত পাচন হৈ শক্তি উৎপন্ন হয়, যি সূৰ্য্য মণ্ডলৰ কাৰ্য্যৰ অন্তৰ্গত। এই শক্তিৰ আপেক্ষিকভাৱে এটি ক্ষুদ্ৰ অংশৰ স্বাভাৱিক ভাবেই দেহৰ উৰ্দ্ধাংশ লৈ বৈ গৈ ব্যক্তিৰ মানসিক কাৰ্য্য সঞ্চালন কৰিব। আন মুখ্য অংশ সূৰ্য্য মণ্ডলতে অধিকাংশ ব্যয় হ'ব। শক্তি দুটা পথেৰে দুটা দিশত গতি কৰে বাবে বিৰুৱাপাদে (চৰ্যা নং ৩) লিখিছে "এক সে শুণ্ডিনী দুই ঘৰে সান্ধঅ"। এই কাৰ্য্য স্বাভাৱিক আৰু সাধকৰ মনোময কোষৰ কাৰ্য্যৰ বাহিৰত। কিন্তু অন্ন পাচনৰ বাবে প্ৰযোজন বায়ুৰ (আধুনিক মতে অম্লজান)। প্ৰাচীন কালতো লক্ষ্য কৰিছিল যে জীৱৰ মৃত্যুৰ অন্যতম প্ৰধান লক্ষণ শ্বাস-প্ৰশ্বাসৰ সমাপ্তি - অতএব - বায়ুৱেই প্ৰাণ - "প্ৰাণ বায়ু"। তেখেত সকলৰ ধাৰণা আছিল জীবাত্মা দেহত আৰু প্ৰাণবায়ু দেহৰ বাহিৰত অবস্থিত (নগৰ বাহিৰিৰে ডোম্বি তোহোৰি কুডিআ। চৰ্যা ন, ১০)। এই বায়ু বা প্ৰাণ দেহত প্ৰবেশ কৰে দহোখন/নখন দুৱাৰেৰে বা প্ৰবেশ পথেৰে - নামতঃ দুই চকু , দুখন কাণ, নাকৰ দুটা শ্বাসৰন্ধ্ৰ, মুখ, মূত্ৰ/যৌনদ্বাৰ, গুহ্য দ্বাৰ , গাৰ ৰোম কূপ/মূৰৰ ওপৰৰ ব্ৰহ্মৰন্ধ্ৰ। প্ৰাণবায়ু শূন্য বা আকাশতত্বৰ পৰা স্বাভাবিকতে ব্যক্তিৰ দেহত প্ৰবেশ বৰে আটাইকেইখন দ্বাৰেৰে (দশমি দুআৰত চিহ্ন দেখইআ। আইল গৰাহক অপণে বহিআ - চৰ্যা ৩)। এই প্ৰাণ বায়ুৰ প্ৰবেশ অনিযন্ত্ৰিত, তাক সাধকে নিয়ন্ত্ৰণ কৰে প্ৰাণাযামৰ দ্বাৰা (প্ৰাণ = বায়ু , আযাম = নিযন্ত্ৰণ)। অনিয়ন্ত্ৰিত বায়ুৰ দ্বাৰা সৃষ্ট শক্তি, নিৰ্ম্মাণ চক্ৰৰ চৌষষ্টি পদ্মদল যি চৌষষ্টি ব্যসন অৰ্থাৎ আধ্যাত্মিক লাভহীন কৰ্ম্মৰ প্ৰতিনিধিত্ব কৰে তাত ব্যয় হ'ব আৰু বাকী অংশ মূলাধাৰ স্বাধিস্থান চক্ৰেৰে নিম্নগমন কৰি যৌন কাৰ্য্যত ব্যয় হ'ব। সাধকে প্ৰাণক নিয়ন্ত্ৰণ কৰি চৌষষ্টি ব্যসনৰ পৰা শক্তিক আতৰাই আনিব লাগিব (চউশঠী ঘডিয়ে দেট পসাৰা চৰ্যা ৩ , এক সো পদমা চৌসডী পাখুডী। তাহঁ চডি নাচঅ ডোম্বী বাপুডী - চৰ্যা ১০)।

ব্যক্তিৰ দেহত ৰক্ত, শ্বাস, বীৰ্য্য, ওজঃ, স্নায়ু, সকলো পৰিবহন, শক্তি আৰু জ্ঞান/অনুভূতি সঞ্চাৰৰ পথকে থোৰতে "নাডী" বুলি কোৱা হয়। সৰ্ব্বমুঠ ৭২,০০০ ডাল নাডী দেহত কাৰ্য্যকৰ অৱস্থাত থাকে বুলি বুদ্ধতন্ত্ৰত বিশ্বাস কৰা হয়, তাৰে ১০১ ডাল প্ৰধান নাডী, বত্ৰিশ ডাল সৰ্ব্বপ্ৰধান, তাৰে ভিতৰত তিনিডাল নাডী প্ৰাণাযাম কাৰ্য্যত ঘাইকৈ ব্যবহৃত।

সুষুন্না/অৱধুতীকা/ব্ৰাহ্মী/ ব্ৰাহ্মণী নাডী /সৰস্বতী/মধ্যনাড়ী ঃ ই মেৰুদণ্ডৰ নিম্ন অন্তৰ পৰা ইযাৰ মাজেদি উৰ্দ্ধমুখী হৈ মস্তকশীৰ্ষৰ ব্ৰহ্মৰন্ধ্ৰত অন্ত হয় /

চন্দ্ৰমণ্ডলত অন্ত হয। তাৰ এটা খণ্ড বিচ্ছিন্ন হৈ চিত্ৰা নাম লৈ লিঙ্গাগ্ৰৰ স্বাধিস্থান চক্ৰত অন্ত হয। সৰস্বতী এক সমান্তৰাল নাড়ী।

ঈড়া/বামনাড়ী/গঙ্গা/ললনা/চন্দ্ৰনাড়ী : নাসাৰ বাম ৰন্ধ্ৰত আৰম্ভ হৈ নিম্নমুখী মূলাধাৰ আৰু উৰ্দ্ধমুখী চন্দ্ৰমণ্ডললৈ গতি কৰে সেযেহে ইযাৰ এটা নাম চন্দ্ৰনাডী।

পিঙ্গলা/দক্ষিণ নাডী/যমুনা/ ৰসনা/সূৰ্য্যনাডী : নাসাৰ দক্ষিণ ৰন্ধ্ৰত আৰম্ভ হৈ নিম্নমুখী মূলাধাৰ আৰু উৰ্দ্ধমুখী ব্ৰহ্ম ৰন্ধ্ৰত অন্ত হয। ইযাৰ আন এটা নাম সূৰ্য্যনাডী যি হেতু এই শক্তি সাধাৰণতে সূৰ্য্যমণ্ডলৰ ব্যসনত ব্যয হয।

প্ৰাণাযাম প্ৰক্ৰিযা : সাধকে স্নান, আচমন, পূজা আদি সমাপ্ত কৰি আসনত প্ৰাণাযাম কৰিবলৈ লয। প্ৰাথমিক প্ৰক্ৰিযাত ললনা-ৰসনাৰে শ্বাস লৈ বাযু নাভি অঞ্চলত (ওপৰ পেট) বন্ধ কৰা যায (কুম্ভক)। দেহৰ দহোটা দ্বাৰ বন্ধ কৰি (বাস্তবতে মূলাধাৰ বন্ধ কৰি sphincter আৰু erectile পেশী দৃঢ কৰি, চকু, মুখ জপাই বাহিৰৰ ধ্বনিৰ প্ৰতি মনোযোগ নিদি) উড্ডযন বন্ধ কৰি diaphragm ভিতৰলৈ টানি আনি - (হাওঁফাওঁ ভৰি থাকিলে এইটো টান কাম) চৌষষ্টিটা অক্ষৰ ধ্বনি কাল - প্ৰায চৌষষ্ঠি চেকেণ্ড কাল শ্বাস বন্ধ কৰি চৌষষ্ঠি ব্যসন পৰিভ্ৰমণ কৰি তাক ধ্বংস কৰিব (চৰ্যা ৩, চৰ্যা ১০)। শ্বাস বন্ধ অৱস্থা চৰ্যা ৪ ত বৰ্ণনা কৰিছে -"সাসু ঘৰে ঘালি কোঞ্চা তাল"- যাৰ অৰ্থ শ্বাসক দেহত তলা- চাবি মাৰি বন্ধ কৰি নাশ কৰা। শ্বাস ৰুদ্ধৰ পিচত বত্ৰিশ অক্ষৰ ধ্বনি কাল প্ৰশ্বাস এৰিব (ৰেচক) দেহৰ পৰা অক্ষৰ দেৱতা মুক্তি পোৱাৰ ৰূপত চিন্তা কৰি। তাৰ পিছত বত্ৰিশ অক্ষৰ ধ্বনি উচ্চাৰণ কাল ইষ্ট দেৱতাক "শূন্য" ৰূপত ধ্যান কৰিব। সেই কালত হাওঁ-ফাওত বাযু নাথাকে।

চৌষষ্ঠি ব্যসনত প্ৰাণ - বাযু প্ৰবাহে পিচত জৈৱ শক্তি ভাৱ বা অনুভূতি লৈ পৰিবৰ্ত্তিত হৈ হৃৎচক্ৰ বা অনাহত চক্ৰত সোমাব। কাম, ক্ৰোধ, লোভ, স্নেহ, দযা আদি বাৰটা অনুভূতি হৃদযত অৱস্থিত। হৃদচক্ৰৰ ওপৰ অন্তত মাত্ৰ এটা ক্ষুদ্ৰ ছিদ্ৰ থকা বুলি কল্পনা কৰা হয (এক ঘড়ুলী সৰুই নাল - চৰ্যা ৩)। ইযাৰ বাস্তৱ অৰ্থ প্ৰতিজন ব্যক্তিৰে মাত্ৰ এটা অনুভূতিযেই জীৱনৰ মুখ্য অনুভূতি ৰূপে ধৰা যায। কোনোবাজন ক্ৰোধী, কোনোবা লোভী, কোনোজন গৰ্ব্বী ইত্যাদি। সাধকে মাত্ৰ এটা শুভ অনুভূতি জীৱনত মুখ্য অনুভূতি ৰূপে মস্তিষ্কলৈ (চন্দ্ৰ মণ্ডল) প্ৰবেশাধিকাৰ দিযা উচিত (চৰ্যা-৩)

অনাহত বা হৃদয চক্ৰৰ পৰা এটা বা একাধিক অনুভূতি কণ্ঠমূলত অৱস্থিত

সম্ভোগ বা বিশুদ্ধ চক্ৰত প্ৰবেশ কৰিব। ইযাত শ্বাসৰ লগত উচ্চাৰিত (পূৰক) বোল্লটা অক্ষৰ ধ্বনি (অ ফলা, চৰ্যাৰ 'আলি' চৰ্যা -৭, ১১, ১৭) সাধকৰ আন অনুভূতি ধ্বংস কৰি মনলৈ শূন্যতা অনুভূতি আনি দিব। এই শূন্যতা ভাব যেতিয়া দুই চেলাউৰিৰ মাজৰ আজ্ঞাচক্ৰ পাবগৈ তেতিয়া সাধকৰ মানসৰ শূন্য ভাৱৰ উপৰি চিত্তত তথতা (reality) উপলব্ধ হ'ব। শূন্যতা আৰু তথতা যুগপৎ উদয় হ'লে সাধকৰ সহজানন্দ অনুভূত হয। সাধকে কোনটো প্ৰাণাযাম আগতে কোনটো পিচত কৰিব সি তন্ত্ৰৰ পদ্ধতি, গুৰুৰ অভিজ্ঞতা আৰু বিচাৰ, তথা সাধকৰ মানসিকতাৰ ওপৰত নিৰ্ভৰ কৰিব।

লুই পা (চৰ্যা ১, ২৯) বা তেখেতৰ অনুগামী (চৰ্যা ৩৪, ৩৬) সকলে কয সাধাৰণ পূৰক - কুম্ভক - ৰেচক - শূন্য প্ৰাণাযাম অনিৰ্দ্দিষ্ট দীৰ্ঘ কাললৈ কৰি থাকিলে সিযেই এক সপোনো নহয দিঠকো নহয অৱস্থা সাধকৰ মানসলৈ আনি দিব। " চেঅণ ণ বেঅণ ভৰ নিদ গেলা স্বপণে মই দেখিল তিহুবণ সুণ" (চৰ্যা - ৩৬) , অনুৰে তন্ত্ৰ (শেকোদ্দেশ টীকাভাষ্য) অনুযাযী পুক্কশী, শবৰী, চণ্ডালী, ডোম্বী, যোগিনী/সহজ অনুক্ৰমত প্ৰাণাযাম কৰা যায। লুই পাই চণ্ডালীৰ প্ৰযোজনো নেদেখে। বিৰুৱাপাদে (চৰ্যা নম্বৰ ৩) নিৰ্ম্মাণ চক্ৰৰ প্ৰাণাযামৰ নাম কোৱা নাই কিন্তু চৰ্যা ১০ ত স্পষ্টভাৱে কৈছে - "এক সো পদমা চৌসঠী পাখুড়ী। তাহঁ চড়ি নাচঅ ডোম্বী বাপুড়ী '। ভুসুকুপাদে আকৌ চৰ্যা ৪৯ ত "নিঅ ঘৰিণী চণ্ডালী লেলী' বুলি কৈছে। চৰ্যা ১০ ৰ প্ৰথম পদ " নগৰ বাহিৰিৰে ডোম্বি তোহোৰি কুড়িআ। ছোই ছোই জাই সো বাহ্মণ নাড়িআ।।' সম্পূৰ্ণ প্ৰাণাযামৰ বাক্য। ডোম্বী প্ৰাণ বাযু মানব দেহৰ বাহিৰত থাকে। তাক ললনাৰে আনি ৰসনাৰে বহিষ্কাৰ হৈ যায অথবা ৰসনাৰে আহি ললনাৰে বাজ হয (প্ৰতিলোম)। আনহাতে সাধকে এই বাযু অবধূতীকা বা ব্ৰাহ্মণ নাড়ীৰে প্ৰবেশ কৰাই চন্দ্ৰমণ্ডললৈ প্ৰেৰণ কৰা উচিত। কিন্তু তাত চৰ্যাৰ সাধক সফল হোৱা নাছিল। তেখেতৰ ডোম্বীযে ব্ৰাহ্মণ নাড়ী স্পৰ্শহে কৰে প্ৰবেশ নকৰে এযেই গীত ৰচকৰ অভিযোগ।

অনুত্তৰ তন্ত্ৰৰ প্ৰাণাযাম :

পুক্কশী আৰু শবৰী প্ৰাণাযামৰ পিছত সাধকে চণ্ডালী প্ৰাণাযামৰ অভ্যাস কৰে। বৌদ্ধ তন্ত্ৰৰ বিশ্বাস চণ্ডালী প্ৰাণাযামে, যি দেহ উত্তাপ বৃদ্ধি কৰে তাৰ দ্বাৰা সাধকৰ লোভ-মোহ-ভ্ৰান্তি-হিংসা ক্ৰোধ আদি সমস্ত পুৰি ভস্ম হৈ যায- " নিঅ ঘৰিণী চণ্ডালী লেলী।।ডহি জো পঞ্চ পাটন ইন্দি বিসআ ণঠা " (চৰ্যা ৪৯)।" অথৱা " সমতা - জোএঁ জলিঅ চণ্ডালী (চৰ্যা ৪৭) ।" চণ্ডালী যোগত সিদ্ধ হোৱাৰ পিচত

সাধকে ডোম্বী প্ৰাণাযাম কৰিব। ডোম্বী চন্দ্ৰ মণ্ডলত উদ্ভূত শীতল কাৰক প্ৰাণাযাম বুলি ধৰা হয়। চণ্ডালী প্ৰাণাযামৰ দ্বাৰা যি শূন্যতা উপলব্ধি হয় সি সন্তাপ বা উদ্বেগ সৃষ্টিকাৰী। কিন্তু ডোম্বীৰ অগ্নি " নউ খৰ জালা ধূম ণ দিশই।" (চৰ্য্যা ৪৭) । এই স্তৰলৈ যোগাচাৰ আৰু অনুত্তৰ তন্ত্ৰৰ প্ৰাণাযাম পদ্ধতি একে। **ডোম্বীৰ শীতল প্ৰাণাযামৰ দ্বাৰা যোগাচাৰী সাধকে সুখ -শূন্য অনুভৱ কৰে।** অনুত্তৰ তন্ত্ৰৰ সাধকে কয় সৰ্ব্বশূন্যভাৱ যি সাধাৰণতে **গগন বা আকাশ নামেৰে কণ্ঠৰ বিশুদ্ধ চক্ৰৰ প্ৰতিনিধিত্ব** কৰে সি সাধকৰ মানসৰ বাবে অতি ক্ৰুৰ, আৰু সাধক দয়া মায়াহীন ক্ৰুৰ ব্যক্তিত পৰিণত হয়। এনে অমানুষ নিস্পৃহ ভাৱ গুচাবৰ বাবে সাধকক অবৰোহী বা প্ৰতিলোম প্ৰাণাযাম কৰিবলৈ দিয়া হয়। যোগিনী বা সহজ প্ৰাণাযাম প্ৰতিলোম প্ৰাণাযাম। তাত্বিক মতে ইয়াৰ দ্বাৰা ললনা/ঈড়া আৰু ৰসনা/পিঙ্গলা নাড়ীত বায়ু প্ৰবেশ ৰুদ্ধ কৰি ৰখা হয়। Lessing & Wayman - p 172 লিখিছে ॰ "The Anuttara pranayma means the abolition of the coursing into the right and left channels, the present pranayama (Kriya Tantra) means the abolition of the coming and going of the wind (v ayu) riding on discursive thought (vikalpa) as well as the inner containment (of the wind) আকৌ প্ৰাণাযাম সম্বন্ধে লিখিছে - p 173 "Controlling the vital centres of the body one draws the vital air (urdvavayu) inside to the navel, pressing it down , and draws of the lower vital air (adhas - vayu) up to the navel, holding it there The mind is solely fixed upon the god "

বাস্তবতে যি সকলে এই প্ৰাণাযাম প্ৰক্ৰিয়াকেইটা জানে লগে লগে বুজি পায় ইয়াত তিনিবিধ শ্বাস - নিশ্বাস প্ৰক্ৰিয়া কাৰ্য্যকৰ কৰা হয় (১) শ্বাসৰুদ্ধ, যাৰ দ্বাৰা মস্তিষ্কলৈ অম্লজান যোগান ক্ৰমাৎ কমাই আনি এক আচ্ছন্ন বা জঠৰতা ভাব দেহ আৰু মনলৈ অনা যায়। (২) শ্বাস আৰু অম্লজানৰ পৰিমাণ বৃদ্ধি কৰি হৃৎপিণ্ডৰ কাৰ্য্য দ্ৰুত কৰি আৰু দেহ উত্তাপ বৃদ্ধি দ্বাৰা মগজুক কঠিন শাৰীৰিক কাৰ্য্য কৰাৰ অনুভূতি দিয়া হয়-ফলত মন পোনতে উৎফুল্ল তাৰ পিচত উদ্বিগ্ন আৰু শেষত "ভাগৰত" আচ্ছন্ন ভাব সৃষ্টি হয়। (৩) পৰ্য্যায়ক্ৰমে শ্বাস মন্দ আৰু দ্ৰুত কৰি। মগজুৰ অম্লজান যোগান পৰ্য্যায়ক্ৰমে ৰোধ আৰু বৃদ্ধি কৰি সাধকক সংসাৰৰ প্ৰতি পৰ্য্যায়ক্ৰমে নিস্পৃহ আৰু লিপ্ত কৰিব, যি মধ্যমিকা দৰ্শনৰ আপেক্ষিক অৱস্থিতি নীতি উপলব্ধি কৰাত সহায় কৰিব সাধকক।

অনুত্তৰ সাধনা পদ্ধতি : সাধকে সাধনাৰম্ভৰ পৰা কেবাটাও

স্তৰত উন্নীত হৈ "নিজৰ নিষ্ঠা, সাধনা, বিশ্বাস আৰু গুৰুৰ কৃপাত সিদ্ধি লাভ কৰে"। আমি স্তৰ আৰু পদ্ধতি যতদূৰ সম্ভব চমুকৈ বৰ্ণনা কৰিবলৈ চেষ্টা কৰিম।

১) ক) সাধনাৰম্ভ - মণ্ডলত প্ৰবেশ অৰ্থাৎ ইষ্টদেৱ গুৰু নিৰ্ব্বাচন।

খ) ইষ্টদেৱ তন্ত্ৰপথ আৰু গুৰুৰ প্ৰতি আনুগত্য আৰু নিষ্ঠাৰ শপত গ্ৰহণ (সামযীন)।

২) প্ৰাথমিক দীক্ষা দান নিৰ্ব্বাচিত তন্ত্ৰ (অনুত্তৰ) স্তৰ সম্বন্ধে তথ্য দান, কলশ (ঘট - পূজা) গুহ্য, প্ৰজ্ঞা - জ্ঞান, তূৰ্য্য অভিষেক।

৩) শিষ্যৰ নিষ্ঠা, জ্ঞান বুদ্ধিৰ ওপৰত নিৰ্ভৰ কৰি গুৰুৱে চাৰিটা স্তৰত জ্ঞান দিব পাৰে।

ক) সাধাৰণ, খ) বজ্ৰ শিষ্য অভিষেক গ) অসাধাৰণ আৰু, সৰ্ব্বোচ্চ ঘ) বজ্ৰাচাৰ্য্য অভিষেক।

চৰ্যাগীতৰ সাধাৰণ পাঠকৰ সুবিধাৰ্থে অনুত্তৰ তন্ত্ৰৰ বিভিন্ন স্তৰৰ সাধনাৰ পথবোৰ আলোচনা নকৰি বজ্ৰাচাৰ্য্য অৰ্থাৎ বোধিচিত্ত প্ৰাপ্ত বজ্ৰসিদ্ধি যুক্ত সাধকৰ সাধনা পথ অত্যন্ত চমুভাৱে বৰ্ণোৱা হ'ল।

১) প্ৰথম স্তৰত সাধকে স্নান, আচমন আদি কৰি শুদ্ধ হৈ মণ্ডলত অধিস্থিত ইষ্ট দেৱক ক্ৰিয়া তন্ত্ৰৰ নীতি অনুসৰি পূজা, সেৱা, ভক্তি আৰু জপ দ্বাৰা ইষ্টদেৱক প্ৰতিষ্ঠা কৰিব। পূৰক - কুম্ভক-ৰেচক শূন্য প্ৰাণাযাম কৰি অক্ষৰ দেৱতা আকাশত কল্পনা কৰিব। এই স্তৰত দেৱতাই প্ৰত্যক্ষ ভক্তক চাব।

২) দ্বিতীয় স্তৰত সাধকে দেৱতাক/দেৱীক পূজা মণ্ডলৰ পৰা নি চন্দ্ৰমণ্ডলত প্ৰতিষ্ঠা আৰু দৰ্শন কৰিব। ই চৰ্য্যা তন্ত্ৰৰ প্ৰাথমিক স্তৰ। ইযাত পূৰ্ব্বে উচ্চাৰিত জপ আৰু মন্ত্ৰ অনুচ্চাৰিত ৰ'ব। ইষ্টদেৱক চন্দ্ৰ মণ্ডলৰ পৰা আনি হৃদযত প্ৰতিষ্ঠা কৰা হয। এই স্তৰত দেৱতাই হাঁহিব। চৰ্য্যাৰ দ্বিতীয় স্তৰত দেৱতা হৃদযত স্থিত হ'লে সাধক আৰু দেৱতা একে হৈ যাব। ই উচ্চ চৰ্য্যাতন্ত্ৰৰ সিদ্ধি।

৩) তৃতীয় স্তৰ অৰ্থাৎ উচ্চ চৰ্য্যা আৰু নিম্ন যোগাচাৰ প্ৰায সমপৰ্য্যাযৰ, দেৱতা সাধকৰ হৃদযৰ লগত এক হৈ যাব (বিলীন হ'ব)। এই স্তৰত দেৱতাই সাধকক আলিঙ্গন কৰিব। তৃতীয় স্তৰৰ শেষত সাধকে দেৱতাক ত্যাগ কৰিব। চণ্ডালী প্ৰাণাযামৰ দ্বাৰা সমস্ত কামনা, বাসনা আনকি দেৱতাৰ আলিঙ্গনৰ কামনাও ত্যাগ কৰিব। হৃদযৰ পৰা দেৱতা লোপ পোৱাৰ লগে লগে সাধকৰ শূন্যতাবোধৰ উপলব্ধি আহিব। এযা নিম্নযোগাচাৰৰ স্তৰ, ইযাত সাধকে সৰ্ব্বশূন্যতা

আনৰ দ্বাৰা সাধক সন্তপ্ত হ'ব আৰু মন নিৰাশাৰে ভৰি পৰিব। তেতিয়া সাধকে ডোম্বী বা শীতল প্ৰাণাযামৰ সহাযত উপলব্ধি কৰিব যে এই চৰম শূন্যতাই সুখৰ উৎস। সাধকৰ কোনো কামনা, বাসনা, আশা, নিৰাশা, প্ৰাপ্তি আকাঙ্ক্ষা, পাই হেৰুওৱাৰ ভয, কোনো সুখ-দুখ নাথাকিব। আনকি দেৱতা বা ভগৱানৰ কৃপাৰ পৰা বঞ্চিত হোৱা ভয বা আশঙ্কাও নাথাকিব। এযা উচ্চ যোগ বা মহাযোগাচাৰৰ সিদ্ধ সাধকৰ মনৰ অৱস্থা।

৪) অনুত্তৰ তন্ত্ৰ সাধক সকলে কয এই সৰ্বশূন্য আৰু তাৰ দ্বাৰা জাগ্ৰত সুখানুভূতি সম্পূৰ্ণ সাময়িক। সৰ্বশূন্য ভাৱৰ দ্বাৰা সাধকে আধ্যাত্মিক দিকভ্ৰষ্ট হৈ পৰে। সাধকৰ জীযাই থাকিবৰ ইচ্ছা আৰু কাৰণ নোহোৱা হৈ যায আৰু সাধক সকল গৰ্বী (চটক), আনৰ দোষ খোচৰা আৰু আনৰ দোষৰ প্ৰতি অসহিষ্ণু হৈ পৰে ফলত মানসিক সুখ শান্তি নোহোৱা হয। অনুত্তৰ তন্ত্ৰৰ সাধকে এবাৰ সৰ্বশূন্য অনুভূত হোৱাৰ পিচত গুৰুৱে উচিত বিবেচনা কৰিলে শিষ্যক ধৰ্ম্মীয যৌনাচাৰত অংশ লোৱাৰ অনুমতি দিব আৰু এই অনুষ্ঠানৰ হোতা হ'ব।

গুৰুৰ উপস্থিতিত আৰু অনুমতি প্ৰাপ্ত হৈ সাধকে সাধনা সঙ্গিনীৰ লগত যৌনাচাৰত মিলিত হ'ব। এযেই পদ্ম আৰু বজ্ৰৰ মিলন আৰু অনুত্তৰ তন্ত্ৰমতে ই **কৰ্ম্মমুদ্ৰা**। ৰেতঃ স্খলনৰ পিছত সেই ৰেতঃ গুৰুৱে সাধকৰ কণ্ঠত স্থাপন কৰিব। এযেই অনুত্তৰ তন্ত্ৰৰ **মহামুদ্ৰা**। প্ৰতিলোম প্ৰাণাযামৰ (সহজ বা যোগিনী) দ্বাৰা "প্ৰাণ" আজ্ঞা চক্ৰৰ পৰা বিশুদ্ধ চক্ৰ হৈ পুনৰ অনাহত চক্ৰ পাব। অৰ্থাৎ সাধকৰ মনত পুনৰ অনুভূতিৰ সৃষ্টি হ'ব, কিন্তু সেই অনুভূতি হ'ব লাগিব কেবল কৰুণা। অনুত্তৰ তন্ত্ৰত সিদ্ধ সাধক এতিয়া বজ্ৰাচাৰ্য্য সিদ্ধ হৈ, বজ্ৰধৰ গুণ পাই, বোধিচিত্ত প্ৰাপ্ত হ'ব, নিজৰ প্ৰতি নিস্পৃহ কিন্তু জগতৰ প্ৰতি কৰুণাময হৈ উঠিব। এক বুজন অংশ চৰ্যাগীত যোগাচাৰী সকলে ৰচনা কৰা, যৌনাচাৰৰ বিৰুদ্ধে পোনপটীয়া বা বক্ৰ আক্ৰমণাত্মক গীত। অনুত্তৰ সাধকক বেশ্যাগামী আৰু সাধনা সঙ্গিনী দ্বিচাৰিণী বা বেশ্যা বুলিছে (চৰ্য্য ২৮) , যৌনাচাৰক সাধাৰণ কাম সন্তুষ্টি বুলি বৰ্ণাইছে (চৰ্যা ৫০) , এবাৰ আৰম্ভ কৰিলে তাৰ অন্ত নাই বুলিও কৈছে (চৰ্যা ৩৩), সাধনা সঙ্গিনী আনৰ লগত গলে সাধনাও শেষ বুলি সাৱধান কৰি দিছে (চৰ্যা ৪৯)। অনুত্তৰ তন্ত্ৰৰ সাধনাৰ সিদ্ধ সকলেও অত্যন্ত সাৱধানতাৰে যৌনাচাৰত লিপ্ত হ'ব উপদেশ দিছে। মনলৈ সম্পূৰ্ণ শূন্যভাৱ নহালৈকে যৌনাচাৰত লিপ্ত হ'লে কেৱল কুফল পোৱাৰ হে সম্ভাৱনা আছে বুলি সকিযাইছে (চৰ্যা ১৬)।

বিন্দু শুক্ৰ বা ওজঃ সাধকৰ সমস্ত পুৰুষাৰ্থৰ প্ৰতীক (উপায) বুলি

ধৰা হয়। বিন্দু যেতিয়া ক্ষেত্ৰ বা পদ্মৰ (প্ৰজ্ঞা) যাৰ বাস্তৱ অৰ্থ যোনিত প্ৰবিষ্ট হ'ব, সাধকে শূন্যৰ শূন্যতা (voidness of void) উপলব্ধ হ'ব। মূলাধাৰৰ পৰা উন্নীত কৰা ওজঃ নিৰ্ম্মাণ, অনাহত, বিশুদ্ধ চক্ৰ ভেদ কৰি আজ্ঞা চক্ৰ পোৱাৰ পিচত, প্ৰতিলোম গতিৰে অংশ বিশেষ নামি আহি স্বাধিস্থান চক্ৰৰে বহিৰ্ভূত হ'ব আৰু তাৰদ্বাৰা সাধকে মহাসুখ অনুভূত হ'ব, এয়া কৰ্ম্ম মুদ্ৰাৰ অন্তৰ স্তৰ, কিন্তু এযেই সৰ্বোচ্চ সিদ্ধি নহয়। স্খলিত বীৰ্য্য যেতিয়া সাধকৰ জিহ্বামূলত স্থাপিত হ'ব তেতিয়া সাধকৰ হৃদয় কৰুণাৰে ভৰি পৰিব আৰু এয়েই মহামুদ্ৰা অনুভৰো তন্ত্ৰৰ। সাধকৰ চিত্তত তত্ব আৰু কৰুণাৰ যুগপৎ উৎপত্তিয়েই সহজানন্দ। সৰ্ব্বশূন্য বা নিৰ্ব্বাণৰ পৰা কৰুণাৰ হেতুকে এই জগতলৈ আকৌ উভটি অহা বাবেই বুদ্ধ "তথাগত"। ❖❖

অধ্যায় ষষ্ঠ

আধুনিক বিজ্ঞান, বৌদ্ধ তন্ত্ৰ আৰু চ গাত

বৰ্ত্তমান গ্ৰন্থৰ পাঠক সকলে নিশ্চয় হৃদয়ঙ্গম কৰিছে যে বৌদ্ধ তন্ত্ৰৰ দৰ্শন আপাততঃ ভাৱে ইচলাম বা খ্ৰীষ্টধৰ্ম্মৰ কথাই নাই, বৈদিক সনাতন হিন্দু, ঔপনিষদীয় হিন্দু, শাক্ত তান্ত্ৰিক হিন্দু, আনকি মৌলিক বৌদ্ধ ধৰ্ম্মতকৈও সম্পূৰ্ণ পৃথক। বৌদ্ধ তন্ত্ৰৰ কেৱল লক্ষ্য পৃথক নহয়, তাৰ প্ৰাপ্তিৰ পথও (সাধনা মাৰ্গ) ভিন্ন। বৈদিক হিন্দু, শাক্ত তন্ত্ৰ, ইচলাম আৰু খ্ৰীষ্ট ধৰ্ম্মৰ নিম্ন স্তৰত, ধন, ঐশ্বৰ্য্য, বিজয়, আৰোগ্য, কৃতকাৰ্য্যতা আদিৰ বাবে ইষ্ট দেৱতাৰ ওচৰত প্ৰাৰ্থনা কৰা যায়। এই স্তৰ বৌদ্ধ তন্ত্ৰৰ নিম্ন ক্ৰিয়া তন্ত্ৰৰ পৌষ্টিক যোগ, মণিকুল, পঞ্চ লৌকিক তন্ত্ৰৰ স্তৰ। চৰ্যাগীত ৰচক সকলে সাধকক অতি সাৱধানে এই লোভ পৰিহাৰ কৰিবলৈ উপদেশ দিছে। " মণিকুলে বহিয়া ওড়িআনে সমাঅ" (প্ৰাণায়ামৰ উড্ডিয়ন বন্ধ কালত মনে ভাত - কাপোৰৰ চিন্তা কৰে)। তাৰে চিকিৎসা ৰূপে গুণ্ডৰীপাদে (চৰ্যা ৪) প্ৰস্তাৱ কৰিছে " সাসু ঘৰে ঘালি কোঞ্চা তাল।।" (দেহৰ ভিতৰত শ্বাস তলা-চাবি দিয়াৰ নিচিনাকৈ বন্ধ কৰি ৰাখিবা)। চৰ্যা ১২ ত কৃষ্ণপাদে বাট দেখুৱাইছে "গঅবৰেঁ তোলিআ পাঞ্চজণা ঘালিউ" যাৰ অৰ্থ-অক্ষোভয় তথাগত যি শূন্যৰ অধিষ্ঠাতা তেখেতৰ সহায়ত পঞ্চককুল যোগ, যি ধন ঐশ্বৰ্য্য দিব তাৰ লোভ দমন কৰা।

দ্বিতীয় স্তৰত ধাৰ্ম্মিক ব্যক্তিয়ে ধন - ঐশ্বৰ্য্য, খ্যাতি আদিৰ আশা আৰু যাজ্ঞা নকৰাকৈ ভগৱান বা ইষ্ট দেৱতাক ভক্তি কৰে। বৈষ্ণৱ সকলৰ দাস্য ভাব আৰু ভগৱদ গীতাৰ নিষ্কাম ভক্তিৰ পৰ্য্যায - ই উচ্চ ক্ৰিয়া আৰু নিম্ন চৰ্য্যাতন্ত্ৰৰ স্তৰ। উচ্চ চৰ্য্যা তন্ত্ৰত ইষ্ট দেৱক মিত্ৰ ৰূপত গণ্য হয যি ভগৱদগীতাৰ অৰ্জ্জুনৰ সখা বা মিত্ৰভাব। সৰ্ব্বোচ্চ চৰ্য্যা আৰু নিম্ন যোগাচাৰ তন্ত্ৰত সাধক আৰু ইষ্টদেৱতা (ভৈৰোচন) ইজনে-সিজনত বিলীন হৈ যাব। হিন্দু ঔপনিষদীয, সাংখ্য আৰু যোগ দৰ্শন মতে এযা সাধকৰ সৰ্ব্বোচ্চ ব্ৰহ্মোপলব্ধি স্তৰ য'ত ব্যক্তি আৰু ব্ৰহ্মৰ মাজত পাৰ্থক্য নাথাকে - "অযং ব্ৰহ্ম।" পৰম্পৰাগত বৌদ্ধ ধৰ্ম্ম মতে পুনৰ্জ্জন্মহীনতাই নিৰ্ব্বাণ। বৌদ্ধ যোগাচাৰ তন্ত্ৰৰ মতে ভৈৰোচন আৰু সাধকৰ অস্তিত্বৰ পাৰ্থক্যহীনতাই মহামুদ্ৰা কিন্তু সহজানন্দ হৈছে সুখশূন্যতা।

এইটো অৱস্থাৰ পৰা বৌদ্ধ তন্ত্ৰৰ দৰ্শন পৃথিবীৰ আন সমস্ত ধৰ্ম্মীয দৰ্শনৰ পৰা ফাঁলৰি কাটি গ'ল। অনুত্তৰ তন্ত্ৰৰ মহাসিদ্ধ শান্তিপাদে ৰচিলে (চৰ্যা নং ২৬) "সঁএঁসংবেঅণ বোলথি সান্তি।" ই এক অত্যন্ত গুৰুত্বপূৰ্ণ ঘোষণা - সমস্তই সংবেদনা, সকলো অনুভূতিযেই অনুভব। সংবেদনা বা অনুভব জন্মগত, বা ইন্দ্ৰিযলব্ধ জাগতিক অভিজ্ঞতা উদ্ভূতও হ'ব পাৰে। "সমস্তই অনুভৱ" মধ্যমিকা দৰ্শন - সাধকে ঈশ্বৰ বা ইষ্টদেৱতা আছে বুলিলে আছে, নাই বুলিলে নাই, সি সম্পূৰ্ণ সাধকৰ মানসৰ ওপৰত নিৰ্ভৰ কৰিব। যোগাচাৰী সকল ঈশ্বৰ বা ইষ্টদেৱ 'নাই' বোলাত অধিক স্পষ্ট - " অপণে নাহিঁ মো কাহেৰি সঙ্কা। তা মহামুদেৰী টুটি গেলি কংখা।।" (চৰ্যা ৩৭)। যাৰ অৰ্থ "নিজেই (নআত্ম) নাই বুলি যেযে বুজে তাৰ কিহৰ আশঙ্কা? মহামুদ্ৰা অৰ্থাৎ ঈশ্বৰৰ লগত একে হোৱাৰ আকাঙ্ক্ষাও সেই সাধকৰ নাথাকে।" ঈশ্বৰ বা ইষ্টদেৱ সাধকৰ কল্পনাপ্ৰসূত আৰু সমস্ত জগতৰ দৰেই ইযো নিজৰ মনৰ দ্বাৰাই সৃষ্ট - " আইএ অণুঅনা এ জগ ৰে ভাংতি এঁ সো পডিহাই" (চৰ্যা ৪১) যাৰ অৰ্থ, আদিতে অনুৎপন্ন জগৎ ভ্ৰান্তি হেতুহে প্ৰতিভাত হয়।

আধুনিক মনস্তত্ত্ব আৰু শৰীৰতত্ত্বৰ (psychology and physiology) পৰিপ্ৰেক্ষিত জ্ঞানৰ পৃষ্ঠভূমিত চৰ্যাগীতৰ পটভূমি বুজিবলৈ পোনতে জানিব লাগিব তন্ত্ৰ বাস্তৱতে কি। অতি বজৰুৱা যেন লাগিলেও তন্ত্ৰৰ উৎকৃষ্ট উদাহৰণ হ'ল স্বমেহন। শাৰীৰিক কৰ্ম্মৰ লগতে কৰ্ত্তাই মানসত এক কামোদ্দীপক চিত্ৰ কল্পনা কৰি লয আৰু তাৰ ফল স্বৰূপে কামশীৰ্ষত উপনীত হৈ দেহ সুখ অনুভূত হয। তন্ত্ৰত, জপ আৰু ধ্যান- ধাৰণাৰ দ্বাৰা মনক এটা বিশেষ দিশত সঞ্চালিত কৰা হয আৰু অৱশেষত সাধকে কেৱল ইষ্ট দেৱতাৰ দৰ্শনেই নহয় ইষ্ট দেৱতাৰ

লগত এক হৈ মিলিযোৱাৰ সুখ অনুভৱ কৰে। স্বমেহনৰ কামশীৰ্ষ সুখ সাময়িক আৰু ইযাৰ প্ৰাপ্তিৰ পিচত কৰ্ত্তাৰ দেহ-মনত অৱসাদ নামি আহে। আনহাতে বৌদ্ধ তন্ত্ৰ বজ্ৰসিদ্ধিৰ আকাঙ্ক্ষাকাৰী, যি সুখ তেখেত সকলৰ মতে অব্যয, অক্ষয। এই চিৰসুখ প্ৰাপ্তি বাস্তৱ জীৱনত প্ৰায অসম্ভৱ আৰু সিদ্ধ সাধক সকলেও পুনঃ পুনঃ সুখ স্খলিত হয আৰু এই সম্বন্ধেই অনুযোগ আনিছে চৰ্যা নং ৭,১৯,৩১,৩৬,৪২,৪৬,৪৯। সাধকৰ চিত্তত সুখ চিৰস্থাযী কৰিবলৈ লিখা উপদেশমূলক গীতৰ সংগ্ৰহেই বৰ্ত্তমান চৰ্যাগীত সঙ্কলন। চৰ্যাৰ কেইটিমান উপদেশ আটাইকেইটা বৌদ্ধতন্ত্ৰৰ বাবে সাধাৰণ বা সাৰ্বজনীন (common)ঃ

১) তথতা, বা তত্ব জানি লোৱা আৰু উপলব্ধি কৰা যে জগতৰ সকলো অনিত্য আৰু পৰিবৰ্ত্তনশীল। একোকে খামোচ মাৰি ধৰি নাথাকিবা।

২) বিবাহ নকৰিবা। কেৱল নিম্ন ক্ৰিযাতন্ত্ৰৰ সাধনাত বিবাহ অনুমোদিত, কিন্তু চৰ্যা ন২ ২ ত বিবাহিত ব্যক্তিৰ সাধনা নিষ্ফল বুলি গীত ৰচিছে।

৩) ধন সম্পত্তিৰ কথাই নাই, সাধাৰণ ভাত কাপোৰৰ চিন্তাও মনলৈ নানিবা (চৰ্যা ন২ ১২, ৪), (মাৰিহ সে পঞ্চজণা - চৰ্যা ২৩)। তন্ত্ৰৰ দ্বাৰা লভিব পৰা বুলি বিশ্বাস কৰা অষ্ট মহাসিদ্ধিৰ (গৌণ সিদ্ধি) আকাঙ্ক্ষা নকৰিবা (চৰ্যা ১৩ "তিশৰণ ণাবী কিঅ অঠকমাৰী।"))।

৪) প্ৰাণাযাম কৰা। সাধাৰণ প্ৰাণাযাম পদ্ধতি বিৰুৱাপাদে চৰ্যা ৩ ৰ যোগে বৰ্ণাইছে।

৫) কোনো স্থাযী আশ্ৰযৰ আশা কৰি মঠত নাথাকিবা - চৰ্যা ৬।

এই পাচটা সাধাৰণ নিযমৰ পিচতে বৌদ্ধ তন্ত্ৰৰ নিজৰ নিজৰ পদ্ধতি অনুযাযী ভিন ভিন উপদেশ দিছে।

ক্ৰিযা তন্ত্ৰ ঃ (ক) এনে ভাৱে প্ৰাণাযাম কৰা যাতে সাধক সপোন আৰু দিঠকৰ মাজত থাকে (চৰ্যা ১, ২৯), এই অৱস্থাত শূন্য অনুভূতি অনাযাসে উৎপন্ন হয (স্বপনে মই দেখিল তিহুৱন সুণ- চৰ্যা ৩৬)। খ) প্ৰাণাযামৰ লগতে জপ কৰা।

চৰ্য্যা তন্ত্ৰ ঃ বৰ্ত্তমান গীত স২গ্ৰহত পোনপটীযা শুদ্ধ চৰ্য্যা তন্ত্ৰৰ সমৰ্থনত ৰচা চৰ্যাগীত অনুপস্থিত। কেৱল চৰ্যা নং ৮ ৰ "সোণে ভৰিলী কৰুণা নাৱী। ৰূপা থোই নাহী কে ঠাবী।" অভিযোগ আনিছে কেৱল জপ আৰু প্ৰাণায়ামৰ দ্বাৰা (প্ৰাণাযামৰ স্বৰ্ণাক্ষৰ) সাধনা পূৰ্ণ কৰিব চেষ্টা কৰিলে ইষ্টদেৱৰ ৰূপ ধাৰণৰ (ধ্যান -ধাৰণা - চৰ্য্যাতন্ত্ৰ) বাবে মানসত ঠাই নোহোৱা হ'ব।

যোগাচাৰ তন্ত্ৰ ঃ যোগাচাৰ তন্ত্ৰৰ সাধক সকলে সৰ্বশূন্যতা উপলব্ধি কৰি সমস্ত জাগতিক বিষযৰ পৰা বিচ্ছিন্ন হৈ সুখ শূন্য অনুভৱ কৰা উচিত, কিন্তু চৰ্যাগীতৰ বৰ্তমান সংগ্ৰহ পঢ়ি দেখা যায় -যোগাচাৰী সিদ্ধ সকল প্ৰাযশঃ খিট্‌খিটীয়া, কন্দলপ্ৰিয অসহিষ্ণু, আনৰ তন্ত্ৰক হেয কৰি চোৱা, আৰু উপহাসপ্ৰিয আছিল। এই আসোঁৱাহৰ ভিত্তি কেইবাটাও যাক যৌন আৰু অযৌন দুভাগত ভগাব পাৰি। বিশ্লেষণ ভিত্তিক 'সৰ্বশূন্যৰ' ওপৰত প্ৰতিষ্ঠিত ৰূপে যোগাচাৰ দৰ্শন নিস্পৃহ হোৱা উচিত আছিল যদিও সৰহ ভাগ যোগাচাৰী চৰ্যাই হয আনৰ তন্ত্ৰক হেয প্ৰতিপন্ন অথবা নিজৰ তন্ত্ৰক সৰ্বশ্ৰেষ্ঠ প্ৰতিপন্ন কৰিবৰ চেষ্টা কৰিছে। কুক্কুৰীপাদ (চৰ্যা ২) আৰু ঢেণ্ঢনপাদে (চৰ্যা ৩৩) গীতৰ শেষত ৰীতিমত নিজৰ বুদ্ধি সম্বন্ধে গৰ্ব প্ৰকাশ কৰিছে যি তন্ত্ৰসিদ্ধৰ মুখত শোভা নাপায। যোগাচাৰী সকলৰ আসোঁৱাহ-আপত্তিৰ ভিত্তি এনে ধৰণৰ – ১) ক) অত্যধিক জপ - প্ৰাণাযামে সাধনাত ব্যাঘাত ওপজায (আলিএঁ কালিএ বাট ৰুন্ধেলা। চৰ্যা -৭)। খ) মাতৃতন্ত্ৰ (জপ - প্ৰাণাযাম) নিষ্ফল (চৰ্যা - ২০, চৰ্যা - ৩৩ বলদ বিআএল গবিযা বাঁঝে)। ২) অনুত্তৰ তন্ত্ৰৰ যৌনাচাৰ, ব্যক্তিৰ সাধাৰণ কাম-স্পৃহা চৰিতাৰ্থ কৰাৰ বাবে ব্যৱহৃত ধৰ্ম্মীয মুখা, কাৰণ ঃ ক) এবাৰ তন্ত্ৰ সাধকে যৌন অভিজ্ঞতা পালে সাধকৰ চিত্ত তাতেই লিপ্ত হৈ থাকিব (চৰ্যা ৩৩, ৩৭) আৰু ই ডিঙিৰ ফাঁচৰ দৰে লাগি ধৰিব। খ) অনুত্তৰ তন্ত্ৰৰ সাধক বেশ্যাগামী আৰু সাধনা সঙ্গিনী সাধাৰণ ব্যভিচাৰিণী নাৰী (চৰ্যা ২৮, ৫০)। গ) সাধনা সঙ্গিনী নোহোৱা হ'লে সাধনাৰো মুদা মৰিব (চৰ্যা ৪৯)।

যোগাচাৰী চৰ্যা গীত ৰচকে, অনুত্তৰ তন্ত্ৰৰ সাধকে অনা অভিযোগ - শূন্যতাবাদে মনলৈ অৱসাদ আনি দিযে, সুখশূন্য অনুভূতি অল্পক্ষণ স্থাযী আদিৰ উত্তৰ স্বৰূপে কৈছে, ক) শূন্যই যদি কষ্ট দিযে, সি সাধকৰ নিজ মনৰ দোষত (সুইণা হ অবিদাৰঅ ৰে নিঅ মণ তোহোৰে দোসেঁ। (চৰ্যা - ৩৯) । খ) মন যদি চঞ্চল হয, সাধনা পুনৰ গুৰিৰ পৰা আৰম্ভ কৰা (চৰ্যা ৭)। গ) চিত্ত যদি বিচলিত হৈছে প্ৰাণাযাম কৰা। কাৰোমতে ডোম্বী, কাৰোমতে চণ্ডালী আৰো কাৰোমতে যোগিনী প্ৰাণাযামে চিত্তত সুখশূন্য ভাব স্থাযী কৰিব। যোগাচাৰ তন্ত্ৰৰ মতে 'মনেই সকলো'। নিজ মন স্থিৰ ৰাখিলে বাকি সকলো স্থিৰ থাকিব, আৰু বিশ্লেষণ ইযাৰ প্ৰধান সজুলি।

অনুত্তৰ তন্ত্ৰ ঃ অনুত্তৰ তন্ত্ৰৰ মতে ব্যক্তিৰ জীৱনত মনৰ প্ৰভাব প্ৰবল কিন্তু ই সৰ্বাত্মক নহয। বিচাৰ-বুদ্ধি আৰু প্ৰাপ্ত জ্ঞানে (analysis and aquired knowledge) জন্মগত প্ৰবৃত্তি আৰু গুণ (intrinsic characters) সমূহ দবাই

ৰাখিব পাৰে (suppresed) কিন্তু সেইবোৰ নোহোৱা হৈ নাযায। সাধকে মনলৈ শূন্যতাভাব আৰু সুখ আনিবলৈ মনৰ যোগেৰে কৰিব পৰা কাৰ্য্য (উপায় action) আৰু জন্মজাত প্ৰবৃত্তিৰ (প্ৰজ্ঞা instinct) সমন্বয় আনিব লাগিব। কেবল উপায় (পিতৃ বা দক্ষিণ) অথবা প্ৰজ্ঞাৰ (মাতৃ বা বাম) ওপৰত নিৰ্ভৰ কৰিলে সাধনা নিষ্ফল হ'ব ("সাঙ্কমত চডিলে দাহিন বাম মা হোহী" - চৰ্যা ৩২)। সুখশূন্য অনুভূতি স্থায়ী কৰিবলৈ দেহ আৰু মন (প্ৰজ্ঞা আৰু উপায় instinct & action of body & mind) দুয়োটাকে সমানে সঞ্চালিত কৰিব লাগিব। অনুত্তৰ তন্ত্ৰ মতে শূন্যতা বোধ হৈছে তথতা বা তত্ত্ব কিন্তু তাৰ পৰা উৎপন্ন সুখ, চিৰস্থায়ী মহাসুখ নহয়। মহাসুখৰ ভিত্তি হ'ল কৰুণা সি আন জীৱৰ প্ৰতি নিৰ্দেশিত, নিজৰ প্ৰতি নহয়। যোগাচাৰ তন্ত্ৰৰ সাধকে জগতৰ অস্তিত্বই স্বীকাৰ নকৰে তেওঁ আপোন পৰা কাৰো প্ৰতিযেই আগ্ৰহ নেদেখুৱায় - "জাসু ণাহি অপ্পা তাসু পৰেলা কাহি" চৰ্যা - ৪৩। অনুত্তৰ তন্ত্ৰই কয় - 'নিজৰ প্ৰতি নিস্পৃহ হবা কিন্তু আনৰ প্ৰতি কৰুণা ৰাখিবা তেতিয়াহে স্থায়ী বোধিচিত্ত পাবা'।

বজ্ৰসিদ্ধি লাভ কৰি বজ্ৰাচাৰ্য্য হোৱাৰ বাবে ' কলশ অভিষেকৰ অঙ্গ ৰূপে আয়োজিত হয় যৌনাচাৰ (যি বাস্তবতে সাধনাৰ এটি নাতিবৃহৎ অংশ, কিন্তু বঙ্গদেশৰ বহু চৰ্যাবিদে বিশেষকৈ জাহ্নবী চক্ৰবৰ্তীয়ে তাকেই সমস্ত চৰ্যাগীতৰ মূল বুলি ভ্ৰান্ত ধাৰণা লৈ আছিল)। তন্ত্ৰ শাস্ত্ৰ মতে জৈব শক্তি পঞ্চনলেৰে, পুকশী (পৃথ্বী), শবৰী (তোয়া), চণ্ডালী (অগ্নি), ডোম্বী (বায়ু), যোগিনী (শূন্য) স্বাধিষ্ঠান চক্ৰৰ পৰা মূলাধাৰ, নিৰ্ম্মাণ, অনাহত , সম্ভোগ চক্ৰ হৈ আজ্ঞা চক্ৰত প্ৰবেশ কৰিব। অবধূতীকা আজ্ঞা চক্ৰ পোৱাৰ লগে লগে সাধকে চিত্তত আনন্দ অনুভৱ কৰিব। জৈৱ শক্তিৰ এটা অংশ চিত্ৰা নাড়ীৰে প্ৰতিলোম ক্ৰিয়াৰ দ্বাৰা নামি আহি সম্ভোগ চক্ৰ পালে সাধকে মহানন্দ, নিৰ্ম্মাণ চক্ৰ পালে বিৰামানন্দ, আৰু স্বাধিষ্ঠান চক্ৰ পালে সহজানন্দ অনুভৱ কৰিব - এয়া মহামুদ্ৰা, আৰু তেতিয়াহে তত্ত্ব + মহাসুখ সহজ ৰূপত উদ্ভূত হ'ব আৰু সাধকে বজ্ৰসিদ্ধি লভিব।

আধুনিক যৌন বিজ্ঞান বিশাৰদা Nancy Friday লিখিছে "Sex haters are generally meanminded, sneaking, cantankerous people"। এয়া বৰ্ত্তমান সত্য, আৰু হাজাৰ, দুহাজাৰ বছৰ আগতেও ই সত্য আছিল। অনুত্তৰ তন্ত্ৰৰ সাধকক আজীৱন ব্ৰহ্মাচৰ্য্যৰ কঠোৰ নিয়ম নীতিৰ পিচত সম্পূৰ্ণ নিয়ন্ত্ৰিত (controlled) অৱস্থাত গুৰুৰ উপস্থিতিত যৌনাচাৰত অংশ গ্ৰহণ কৰিব দিয়া কাৰ্য্যৰ অনাচাৰত কৈ ধৰ্ম্মীয় গুৰুত্ব অধিক। প্ৰথম যৌন সঙ্গমৰ অনুভূতি এক

অভূতপূৰ্ব্ব আৰু চিৰস্মৰণীয অনুভূতি। বাৰ্কলে কেলিফোৰ্নিযা বিশ্ববিদ্যালযৰ যৌন মনস্তত্ব বিভাগৰ অধ্যাপক Marc Breedlove মহোদযে নিগনিৰ ওপৰত কৰা পৰীক্ষাৰ পৰা পাইছে "These findings give us proof for what we theoratically know to be the case - that sexual experience can alter the structure of the brain just as genes can alter it" (Nature, as quoted in The Asian age- Oct 25th 1997) তিব্বতী তন্ত্ৰতো দেখা যায় যেনে ঃ A sexual act in proper circumstance may change lifes philosophy as seen in Gandapa - Darima legend (Buddhism in Tibet E Schlagintweit Book Faith India)

অতএব আমি কব পাৰো যৌনাচাৰ, অনুত্তৰ তন্ত্ৰৰ সাধাৰণ সাধকৰ বাবে 'জীৱনত একবাৰ' (once in a life time) অভিজ্ঞতা। অন্ততঃ বৌদ্ধ তন্ত্ৰ অনুসৰি "কলশ অভিষেক" দ্বিতীয বাৰ কৰা নহ্য। মহাসিদ্ধ সকল, যেনে পদ্মসম্ভৱ এনে আইনৰ বহিৰ্ভূত বুলি কোৱা হৈছিল, কাৰণ মহাসিদ্ধ সুখ-দুখ, ভাল - বেযা সামাজিক আইনৰ উৰ্দ্ধত। ভুসুকু পা যি জনাই যোগাচাৰৰ পৰা অনুত্তৰ তন্ত্ৰ সাধনা কৰি পুনৰ যোগাচাৰলৈ ফিৰি আহিছিল। তেখেতে চৰ্যা - ৬ ত সাধনা সঙ্গিনীক 'হৰিণী' বুলি উল্লেখ কৰিছে, আকৌ চৰ্যা ৪৯ত(সঙ্গিনী হেৰুবাই?) অদ্বৈত তন্ত্ৰই (অনুত্তৰ তন্ত্ৰই) তেখেতক নিঃস্ব কৰিলে বুলি অভিযোগ তুলি পুনৰ নিম্ন যোগাচাৰৰ চণ্ডালী প্ৰাণাযাম কৰিবলৈ ললে।

আধুনিক বিজ্ঞানৰ দ্বাৰা স্বীকৃত যে জীৱৰ মানসিকতা দুবিধ — জন্মগত, যাক intrinsic বা instinctiveবোলা হয আৰু শিক্ষাগত aquired। অনুত্তৰ তন্ত্ৰৰ মনস্তাত্বিক সকলে প্ৰথমটো প্ৰজ্ঞা আৰু দ্বিতীযটোক উপায বুলিছে। প্ৰজ্ঞা পূৰ্ব্বসংস্কাৰ আৰু উপায হৈছে সংস্কাৰ। জীৱৰ বা সাধকৰ ব্যক্তিগত অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰ কৰি সংগৃহীত জ্ঞান হ'ল সংস্কাৰ। নিৰ্ব্বিবাদ ভক্তি, বিশ্লেষণহীন বিশ্বাস এইবোৰ পূৰ্ব্বসংস্কাৰ বা সাধাৰণ প্ৰবৃত্তি। সেযেহে ভক্তিমূলক ধৰ্ম্ম, ক্ৰিযাতন্ত্ৰ আদিত নিৰ্ব্বিবাদ ঈশ্বৰ বিশ্বাস আৰু ভক্তিৰ ওপৰত সৰ্ব্বাধিক গুৰুত্ব দিছে। কিন্তু বিচাৰ বুদ্ধি সম্পন্ন ব্যক্তিযে এনে যুক্তিহীন বিশ্বাস গ্ৰহণ কৰিবলৈ অসন্মত হয (যাৰ ফলত হিন্দু ধৰ্ম্মত বেদৰ পৰা বেদান্তৰ সৃষ্টি হৈছে)। ক্ৰিয়াতন্ত্ৰৰ সমৰ্থকে কয, সন্দেহ আৰু দ্বিধা অধিক হ'লে প্ৰাণাযামৰ দ্বাৰা মগজুলৈ অম্লজানৰ যোগান কমাই দিবা - দেখিবা তোমাৰ সন্দেহ নিৰসন হৈছে - " স্বপনে মই দেখিল তিহুবন সুন" (চৰ্যা ৩৬)। জালন্ধৰিপা সাক্ষী হোৱাৰ অৰ্থ, বচকে জলন্ধৰি আসনত বহি প্ৰাণাযাম কৰিছে। চৰ্য্যাতন্ত্ৰৰ সাধকে ইষ্টদেৱ ভৈৰোচনৰ লগত একে হৈ

যোৱাৰ আনন্দত এনে বিভোৰ (সৰহ ভাগ হিন্দু ঋষি আৰু সিদ্ধ ব্যক্তিয়ে এই তন্ত্ৰকে শ্ৰেষ্ঠ বুলি মানে - য'ত ব্ৰহ্মাতে বিলীন হৈ ব্ৰহ্মানন্দ উপভোগ কৰে) যে চৰ্যাগীত ৰচনা কৰিবলৈ লোৱা নাই।

যোগাচাৰী তান্ত্ৰিক সাধকে বিশ্লেষণ আৰু নিজৰ মনৰ নিয়ন্ত্ৰণৰ ওপৰত সৰ্ব্বাধিক গুৰুত্ব দিয়ে (mind only) যাৰ আধুনিক বৌদ্ধ শাখা সমূহ ধ্যান, চেন, জেন। মনৰ দ্বাৰা সাধকে হাওঁ-ফাওঁ, পাকস্থলী-হৃৎপিণ্ডৰ কাৰ্য্য, গতি বেগ পৰিবৰ্ত্তন বা আনকি কাৰ্য্য সম্পূৰ্ণ বন্ধ কৰি দিব পাৰে তাক আধুনিক বিজ্ঞানে স্বীকাৰ কৰে। বৌদ্ধতন্ত্ৰত সাধাৰণ সাধকৰ বাবে তেনে জটিল হঠযোগ কৰিবলৈ বাধা আৰোপ কৰিছে। যোগ - প্ৰাণায়ামৰ দ্বাৰা পাব পৰা অতিমানবীয় আঠটা গুণক " অষ্টমহাসিদ্ধিৰ" ঠাইত "অষ্ট সাধাৰণ সিদ্ধি" নাম দি তাৰ লোভ পৰিহাৰ কৰণীয় বুলিছে।

পাচন, ৰক্তসঞ্চালন, শ্বাস - প্ৰশ্বাস আৰু চিন্তা এই চাৰিটা জৈৱ প্ৰক্ৰিয়াৰ ভিতৰত বৌদ্ধ তন্ত্ৰৰ মতে শ্বাস - প্ৰশ্বাস নিযন্ত্ৰণ আটাইতকৈ উজু আৰু চিন্তা নিযন্ত্ৰণ কৰাটো সবাতোকৈ টান (প্ৰবাদ আছে - আকাশত উৰিব পৰাতকৈ উৰিব পৰা গুণ আনক দেখুওৱাৰ লোভ সম্বৰণ কৰা অধিক কঠিন)। এতেকে শ্বাস-প্ৰশ্বাস নিযন্ত্ৰণৰ যোগেৰে (প্ৰাণাযাম) ক্ৰমশঃ মনক নিযন্ত্ৰণলৈ অনাটোৱে বৌদ্ধ তন্ত্ৰৰ সাধনা পথ।

অস্বাস্থ্যকৰ উত্তৰাধিকাৰিত্ব (heredity), অসৎ-ক্ৰুৰ চিন্তা, অস্বাস্থ্যকৰ খাদ্য আৰু স্বভাৱে ব্যক্তি এজনক পোনতে মানসিকভাৱে অস্থিৰ তাৰ পিচত ৰোগী আৰু শেষত চিৰৰোগী আৰু অসুখী কৰি তুলিব। সেইদৰে স্বাস্থ্যকৰ খাদ্য তথা স্বভাৱে ব্যক্তিৰ চিন্তা স্থিৰ, দেহা স্বাস্থ্যবান আৰু মন চিৰ সুখী কৰি তুলিব এযা আধুনিক বিজ্ঞানেও স্বীকাৰ কৰে। বিজ্ঞানে এতিযাও নিশ্চিতভাৱে নাজানে প্ৰাণাযাম আৰু ধ্যানৰ হেতু মানুহৰ মস্তিষ্কই Serotonin Dopamine আদি আনন্দদাযক euphoric, কষ্ট নিৰামযক ৰসাযন analgesic সৃষ্টি কৰে নে নাই। এইটো নিশ্চিত যে অত্যধিক প্ৰাণাযাম বিশেষকৈ পূৰক -কুম্ভক - ৰেচক - শূন্য প্ৰাণাযামে তেজত পোনতে কাৰ্বন ডাইঅকসাইড্ (CO_2) আৰু পিচত কাৰ্বন মনক্সাইড (CO) পৰিমাণ অত্যধিক কৰি মস্তিষ্কক আচ্ছন্ন (stupor) কৰি ৰাখিব যাৰ বৰ্ণনা কৃষ্ণাচাৰ্য্য পাদে বৰ্ণাইছে চৰ্যাগীত ৩৬ ত " ঘুমই ণ চেবই সপৰবিভাগা। সহজ নিদালু কাহ্নিলা লাঙ্গা।। " প্ৰাণাযাম, অভ্যাস সৃষ্টিকাৰী (habit forming), নিত্য নিযমিত কালত কৰিবৰ ইচ্ছা যোৱা (triggered),

কৰিলে দেহ-মন ভাল লগা (pleasure giving), আৰু নকৰিলে দেহ - মন বেযা লগা বুলি সৰ্বজন জ্ঞাত , কিন্তু সুদীৰ্ঘকাল প্ৰাণাযামৰ দ্বাৰা দেহ মনৰ কি জৈৱ ৰাসাযনিক পৰিৱৰ্তন হয সেই সম্বন্ধে কোনো ধৰণৰ বৈজ্ঞানিক অনুসন্ধান নাই বুলিলেই হয। তথাকথিত বিজ্ঞানী সকলে "ধৰ্ম্মৰ গোন্ধ" পালেই বিষযটো উপেক্ষা কৰে, আনহাতে প্ৰাণাযামকাৰী সকলে "পৰমাত্মাত বিভোৰ হৈ" বৈজ্ঞানিক অনুসন্ধানত সহযোগিতা কৰিবলৈ নিবিচাৰে। মহৰ্ষী মহেশ যোগীৰ "আন্তৰ্জাতিক বিশ্ববিদ্যালযে" জপৰ (Transcndental meditation) প্ৰভাব জপকৰ্ত্তাৰ শৰীৰ, মন, বিশেষকৈ মস্তিষ্কৰ কৰ্ম্মৰ ওপৰত কিছু অধ্যযন কৰি ফল প্ৰকাশ কৰিছে, কিন্তু মহেশ যোগীৰ অনুষ্ঠান ব্যৱসাযী প্ৰতিষ্ঠান হেতুকে বহুতেই এই গৱেষণাৰ ফল গ্ৰহণ কৰিবলৈ অনিচ্ছুক। এইটো সৰ্বজন স্বীকাৰ্য্য যে ব্যক্তি সুস্থিৰ ভাৱে বহি কোনো ধ্বনি, দেৱতা অথবা অনুভ্জেক কিন্তু মন ভাল লগা (pleasant) কথা গভীৰভাৱে চিন্তা কৰিলে, মনৰ অস্থিৰতা (shooting of brain neurons) কমি যায, ৰক্তচাপ হ্ৰাস হয, অধিক কাল কৰিলে তন্দ্ৰা ভাব আহে আৰু এনে ঘুমনিৰ পৰা উঠিলে দেহ আৰু মন সতেজ অনুভৱ কৰে। এনে ব্যক্তিৰ জৈৱ ৰাসাযনিক পৰীক্ষাই বিভিন্ন পৰিবৰ্তনে প্ৰদৰ্শন কৰিব যাৰ তালিকা মহেশ যোগী প্ৰকাশনত পোৱা যায।

এনে ধৰণৰ বিজ্ঞানাগাৰৰ পৰীক্ষাৰ ফল প্ৰকৃত সাধকৰ ক্ষেত্ৰত প্ৰযোজ্য নহয, কাৰণ সাধকৰ মনত যি 'বিশ্বাস থাকে সি বিজ্ঞানাগাৰত পৰীক্ষা কৰা ব্যক্তিৰ নাথাকে। প্ৰেক্ষাগৃহৰ চিনেমাৰ পৰ্দাত প্ৰেত বা ভূত দেখা দৰ্শকৰ মনতো ভয আৰু উত্তেজনাৰ সৃষ্টি হয - যাক ৰক্তচাপ বৃদ্ধি, দেহ উত্তাপ বৃদ্ধি, শ্বাসৰ দ্ৰুততা এঙ্গাৰ গেছ বৃদ্ধি, মস্তিষ্কৰ তৰঙ্গ দ্ৰুততা আদি ৰূপত অধ্যযন কৰিব পাৰি, কিন্তু সেই একেজন দৰ্শকৰ ৰাতি আন্ধাৰত, অকলে, আলিবাটত "প্ৰেত দৰ্শন হ'লে" যি উত্তেজনাৰ সৃষ্টি হ'ব তাক চিনেমা ঘৰৰ প্ৰেত দৰ্শনৰ লগত ৰিজাব নোৱাৰি। দৰ্শক দ্বিতীয ক্ষেত্ৰত, ভযত, উত্তেজনাত পেপুৱা লাগিব। তন্ত্ৰ সাধকে যেতিযা জপ কৰে সি মনস্থৈৰ্য্যৰ বাবে নহয দেৱ'দৰ্শনৰ বাবে , প্ৰাণায়াম কৰে শূন্যতা অনুভৱ কৰিবলৈ ইষ্ট দেৱতা যেতিযা দৰ্শন হয় - সি বাস্তৱতে ভগৱান বা বৈৰোচন, নিজৰ মনৰ সৃষ্ট "ভ্ৰান্তি" (hallucination) নহয। ভগৱান বা ইষ্টদেৱ দৰ্শনৰ পিচত সৰহভাগ "সিদ্ধ যোগী" সন্তুষ্ট হৈ ৰৈ যায, কিন্তু একাংশ সাধকৰ মনত সন্দেহ জাগে, তেতিযাই সৃষ্টি হয "ভাবাভাব দ্বন্দ্ব" (চৰ্যা-৩০)। ইযাৰ প্ৰতিকাৰ স্বৰূপে কৃষ্ণাচাৰ্য্যপাদে উপদেশ দিছে - পুনৰ জপ-প্ৰাণায়াম গুৰিৰ পৰা আৰম্ভ কৰা। শান্তিপাদে কৈছে , সকলোৱে সংবেদনা, তুমি ঈশ্বৰ থকা বুলিলে আছে, নাই বুলিলে নাই'।

প্ৰাণায়াম বা তৎসদৃশ শ্বাস - প্ৰশ্বাসৰ ব্যায়াম চীন দেশীয় যোদ্ধা আৰু সমুদ্ৰ তলিত বুৰমৰা কৰ্ম্মী সকলেও কৰে, তেখেত সকলৰ শাৰীৰ অধ্যয়নে প্ৰাণায়ামৰ ফল সম্বন্ধে কিঞ্চিৎ আভাস দিব পাৰে। তাতোকৈ অধিক তথ্য পাব পাৰি তিমি মাছ চীল, পেঙ্গুইন আদি অম্লজান গ্ৰহণকাৰী জীৱ যিয়ে দীৰ্ঘকাল সমুদ্ৰ গৰ্ভত বায়ুহীন অৱস্থাত বুৰ মাৰি কাৰ্য্য কৰিব পাৰে। দীৰ্ঘকালিন প্ৰাণায়ামৰ ফল মোটা মুটি তলত দিয়া ধৰণৰ ঃ

(১) ক) অম্লজানৰ যোগান ক্ৰমশঃ কমাই আনিলে মগজুৱে পাৰিপাৰ্শ্বিক কাৰ্য্য (peripheral) বন্ধ কৰি দিয়াৰ ফলত মগজুৰ অস্থিৰ ভাব হ্ৰাস হয়। খ) ব্যক্তিৰ তন্দ্ৰা আৰু চেতনা দুয়োটা একে লগে কাম কৰে (নিদ্ৰাতকৈ পৃথক, য'ত চেতন ভাব সুপ্ত হয়)। অবচেতন মনৰ বহু কথা চেতন মনলৈ আহে। কিছুমান সমস্যাৰ সমাধান বিচাৰি পায়। গ) মগজুৱে পূৰ্ব্বানুভূতিক (premonition) সত্যৰূপে গ্ৰহণ কৰে (সাধক ত্ৰিকালদৰ্শী হয়?) ঘ) ব্যক্তি ভাবত বিভোৰ হয় (autosuggestion is accepted as truth) ।

২) শাৰীৰিক ভাৱে দীৰ্ঘকাল প্ৰাণায়ামে ব্যক্তিৰ haemoglobin/ myoglobin অনুপাতৰ পৰিবৰ্ত্তন ঘটাই myoglobin আধিক্য হয়।এনে পৰিবৰ্ত্তনৰ ফল বিশেষকৈ হাওঁফাওঁৰে বায়ু গ্ৰহণ কৰা জলচৰ জীৱৰ নিৰীক্ষণ কৰা হৈছে। ক) অম্লজান, তেজৰ উপৰিও পেশীৰ কলা বোৰেও সংৰক্ষণ কৰে ফলত দীৰ্ঘকাল শ্বাস নোলোৱাকৈ থাকিব পাৰে। খ) সাধাৰণ গ্লুকোচ দাহনৰ দ্বাৰা পোৱা শক্তিৰ সলনি পেশীয়ে adenosine phosphate ৰ লগত আবদ্ধ হৈ গ্লুকোচ দাহনৰ পৰা হঠাতে অত্যধিক শক্তিৰ উৎপন্ন কৰিব পাৰে (যি দ্বন্দ্ব যুদ্ধত প্ৰযোজন)। গ) মগজুত অতি অল্প পৰিমানৰ অম্লজান যোগানৰ হেতু চিন্তাৰ বিক্ষিপ্তি হ্ৰাস হয়। ঘ) মাইওগ্লোবিন পেশীত সঞ্চিত হেতু জীৱই দীৰ্ঘকাল খাদ্যহীন থকা অৱস্থাতো শক্তি energy হ্ৰাস নহয়। উৎসাহী পাঠকক - The Challanges of Diving to Depth (G L Kooyman - A M. Scientist - Vol 86 No 6 Nov De 1997) চাবলৈ কোৱা হ'ল।

তন্ত্ৰ সাধকৰ শাৰীৰিক আৰু মানসিক পৰিবৰ্ত্তনৰ সম্পূৰ্ণ অধ্যয়ন বিজ্ঞানাগাৰত কৰাটো সম্ভৱ নহয়। তাৰ সমান্তৰাল উদাহৰণ, সামুদ্ৰিক চীল বা পেঙ্গুইনক বুৰ মাৰিব বাধ্য কৰিলে তেজত দুগ্ধ অম্লৰ (lactic acid) পৰিমাণ বাঢ়ি যায, অম্লজানৰ ব্যয় বৃদ্ধি হয় আৰু সাধাৰণ অভ্যাসৰ আধা কালতে নতুন অম্লজানৰ যোগানৰ প্ৰয়োজন হয়। ভক্ত আৰু বিশ্বাসী তন্ত্ৰ সাধকৰ শাৰীৰিক পৰিবৰ্ত্তন, বিজ্ঞানাগাৰত দেখা বিশ্বাস আৰু ভক্তিহীন ব্যক্তিৰ শাৰীৰিক পৰিবৰ্ত্তনৰ লগত একে নহয়। অতএব বৌদ্ধতন্ত্ৰৰ সত্যৰ অন্বেষণকাৰী চৰ্যাগীতৰ পাঠকে মানি লব বাধ্য সৰহপাদে কোৱা কথা - "জামে কাম কি কামে জাম, সৰহ

ভণতি অচিন্ত সো ধাম।।" (চৰ্যা ২২) যাৰ অৰ্থ (পূৰ্বজন্মৰ) কৰ্ম্মফলৰ হেতু এই জন্মৰ কৰ্ম্ম নে কৰ্ম্মৰ হেতু জন্ম সি অন্তৰ্হীন চিন্তা। অথবা স্বীকাৰ কৰিব লাগিব শান্তি পাদৰ গীত - "কাজ ন কাৰণ জ এহু জুঅতি। সঁএঁসংবেঅণ বোলথি সান্তি।।" (চৰ্যা -২৬) কৰ্ম্মৰ পৰা কৰ্ম্মফল নে (পূৰ্বজন্মৰ) কৰ্ম্মফলৰ পৰা (ইহ জীৱনৰ) কৰ্ম্ম সমস্তই অনুভৱৰ ওপৰত নিৰ্ভৰশীল।

বৰ্ত্তমান চৰ্যাগীতৰ অধ্যয়নৰ পৰা ধাৰণা হয় চৰ্যাগীত ৰচক যোগাচাৰী তান্ত্ৰিক সিদ্ধ সকল অসহিষ্ণু, অহঙ্কাৰী, নিজৰ তন্ত্ৰক শ্ৰেষ্ঠ আৰু আন তন্ত্ৰক হেয় প্ৰতিপন্ন কৰিব চেষ্টা কৰা আৰু উপহাসপ্ৰিয় ব্যক্তি আছিল। অনুত্তৰ তন্ত্ৰৰ সাধক ক্ষমাশীল, সকলো ধৰ্ম্মৰ বিশ্বাস আৰু অভিজ্ঞতা ঘটিব পৰা বুলি স্বীকাৰ কৰা ("আজদেৱেঁ সঅল বিহৰিউ। ভয় ঘিণ দুৰ নিবাৰিউ।।" চৰ্যা-৩১) সমস্ত জগতৰ প্ৰতি কৰুণা লৈ থাকিব উপদেশ দিছে। "ৰিসঅ বিশুদ্ধি মই বুজঝিঅ আনন্দে" (চৰ্যা ৩০)। এই পদ ভুসুকুপাযে অনুত্তৰ তন্ত্ৰ সাধনা কৰা সময়ত ৰচিত। ক্ৰিয়া তন্ত্ৰৰ সাধক যেনে লুইপাদে প্ৰাণায়ামত বিভোৰ হৈ, "উদক চান্দ জিম সাচ ন মিচ্ছা" (চৰ্যা - ২৯)। অৰ্থাৎ জগৎ খন জল বিন্দুত প্ৰতিফলিত চন্দ্ৰৰ দৰে বুলি কৈছে। দৰ্শকৰ বাবে চন্দ্ৰ জল বিন্দুত অৱস্থিত কিন্তু বাস্তৱতে সি মাত্ৰ প্ৰতিফলন বুলি আপেক্ষিক শূন্যতাবাদ অনুভৱ কৰিবলৈ কৈছে। চৰ্য্যা তন্ত্ৰৰ সাধক সকলে ৰচিত গীত এই সংগ্ৰহত কিয় স্থান পোৱা নাই তাৰ কাৰণ জনা নাযায়।

বৌদ্ধ তন্ত্ৰ যি মহাযান পন্থাৰ মন্ত্ৰযান আৰু বজ্ৰযান উপমাৰ্গৰ ওপৰত সৃষ্ট সি মূলতঃ আৰ্য্য নাগাৰ্জ্জুনৰ মধ্যমিকা দৰ্শনৰ ওপৰত প্ৰতিষ্ঠিত, তাৰ মতে বিশ্বৰ সকলো বিচাৰ্য্য বস্তুই আপেক্ষিক - কোনো মিমাংসা বা সিদ্ধান্ত সম্পূৰ্ণ শুদ্ধ নহয়, সম্পূৰ্ণ অশুদ্ধও নহয়। অতএৱ বৰ্ত্তমান গ্ৰন্থকাৰে চৰ্যাগীত যিদৰে বুজিছে সিও কেৱল আপেক্ষিক ভাৱে শুদ্ধ। গ্ৰন্থৰ পাঠকে তাক আনভাৱে বুজাৰ সম্পূৰ্ণ স্বাধীনতা আছে। ❖❖

অধ্যায় সপ্তম

১

ৰাগ - পটমঞ্জৰী ঃ লুইপাদানাম্

মূলপাঠ	আধুনিক ভাষান্তৰ/অৰ্থ
কাআ তৰুবৰ পঞ্চ বি ডাল।	দেহবৃক্ষৰ পঞ্চ শাখা (পঞ্চ চেতনা)
চঞ্চল চীএ পইঠো কাল।।	চঞ্চল-চিত্তত কালৰ (মৃত্যু) ভয় সোমায়।

দিঢ় কৰিঅ মহাসুহ পৰিমাণ।	মহাসুখ সম্বন্ধে দৃঢ়জ্ঞান হোৱা।
লুই ভণই গুৰু পুচ্ছিঅ জাণ।।	লুই কয় গুৰুক সুধি জ্ঞান লভা
সঅল সমাহিঅ কাহি কৰিঅই।	সমাধি অৱস্থা কিদৰে পায়।
সুখ-দুখেতেঁ নিচিত মৰিআই।।	আনন্দ-নিৰানন্দ চেতনা নিশ্চিত ধ্বংস কৰা।
এড়িএউ ছন্দক বান্ধ কৰণক পাটেৰ আস।	বাসনাবদ্ধ ক্রিয়া কাণ্ড চাতুৰ্য্যৰ আশা এৰা
সুন্নপাখ ভিড়ি লাহুৰে পাস।।	শূন্যক পক্ষ (আবৰণ) স্বৰূপ কাষত লোৱা।
ভণই লুই আমহে ঝাণে দিঠা।	লুইয়ে কয় মই দৃঢ়ভাৱে জানো
ধমণ চমণ বেণি পাণ্ডি বইঠা।।	শ্বাস-প্রশ্বাস দুই (ভনী) নাভিচক্র সদৃশ পাকখাই থাকে ।

পাণ্ডি = পিণ্ডি, মণীন্দ্রমোহন বসু, যি বৰ্ত্তমান চৰ্যাৰ ক্ষেত্রত প্রযোজ্য। বইঠা = বইণ, শ্রাস্ত্রী।

টিপ্পনী ঃ হৰপ্ৰসাদ শাস্ত্ৰীদেৱে সংগ্ৰহ কৰা চৰ্যাগীত মালাৰ প্ৰথম গীতটোৱেই সবাতোকৈ সহজবোধ্য আৰু সৰলতাই ইযাৰ সৌন্দৰ্য্য। লুইপাদ বা লৌহিত্যপাদক প্ৰায় সকলো পণ্ডিতে বজ্ৰযান পন্থাৰ অন্যতম হোতা (আদি সিদ্ধ) ৰূপে স্বীকাৰ কৰে, কিন্তু বৰ্ত্তমান চৰ্যাগীত দেখ দেখ মন্ত্ৰযানৰ উচ্চ ক্ৰিযাতন্ত্ৰৰ সমৰ্থনত লিখা। ইযাক নিম্ন যোগতন্ত্ৰলৈ টানি নিব পাৰি, কাৰণ উচ্চ ক্ৰিযা তন্ত্ৰৰ আপেক্ষিক শূন্যতা বাদ আৰু নিম্নযোগৰ শূন্যতাৰ মাজত দাৰ্শনিক প্ৰভেদ এটা স্তৰৰ পিচত নোহোৱা হৈ যায। উচ্চ ক্ৰিযা তন্ত্ৰৰ সুখৰ উৎস, শূন্যতা জ্ঞান + নিৰ্ব্বিকল্প সমাধি। সহজানন্দৰ বাবে প্ৰযোজন সুখ + তথতা জ্ঞান। সুখৰ উৎস শূন্যতা জ্ঞান, শূন্যতা সৃষ্টি হয প্ৰাণাযামৰ দ্বাৰা এযাই লুইপাদৰ বক্তব্য। ধমণ-চমণ অৰ্থাৎ প্ৰাণায়াম, কিন্তু প্ৰাণাযামৰ শ্ৰেণী ভেদৰ (ডোম্বী, চণ্ডালী, যোগিনী) উল্লেখ নাই গীতত। তেনেদৰে জপৰো নামোল্লেখ নাই। যিয়ে সকিযাই দিযে এইটো অন্যতম প্ৰাচীন গীত যেতিযা সম্ভৱতঃ মন্ত্ৰযানৰ পৰা বজ্ৰযান পৃথক হোৱা নাছিল, অন্ততঃ ভিন্ন পন্থা স্বৰূপে।

কাআ তৰুবৰ পঞ্চ বি ডাল দেহ বৃক্ষৰ পাঁচ শাখা (চেতনা)

কাআ<কাযা	= দেহ, শৰীৰ
তৰুবৰ	= বৃহৎ বৃক্ষ, ডাঙৰ গছ
পঞ্চ	= পাঁচ
বি	= অৰ্থহীন অলঙ্কাৰ, নিদৰ্শক প্ৰত্যয়
ডাল	= শাখা

টিপ্পনী ঃ মানবদেহক বৃক্ষ এডালৰ লগত তুলনা কৰি এই তৰুৰ পাঁচোটা শাখা বুলি কোৱা হৈছে। আদি ভাষ্যকাৰ মুনিদত্তৰ মতে দেহৰ পঞ্চডাল হ'ল পঞ্চ স্কন্ধ। বুদ্ধঘোষৰ "বিশুদ্ধি মাগ্গো" গ্ৰন্থ অনুযায়ী - পঞ্চ স্কন্ধ = ৰূপ (form), বেদনা (sensation), সংজ্ঞা (perception), সংস্কাৰ (mental formation) আৰু বিজ্ঞান (consciousness)। পিচৰ কালত আৰু দুটা স্কন্ধ বৌদ্ধতন্ত্ৰশাস্ত্ৰত পোৱা যায়, জ্ঞান স্কন্ধ (knowledge) আৰু ধৰ্ম্মধাতু (element of Dharma) যি পদ্ম-বজ্ৰই যোগ কৰে। লুই পা উল্লেখিত পঞ্চ শাখা আৰু দুই ধৰণে ব্যাখ্যা কৰিব পাৰি।

১) পঞ্চ শাখা = পাঁচ চেতনা অঙ্গ - অক্ষি, কৰ্ণ, নাসিকা, জিহ্বা, স্পৰ্শ (চৰ্ম্ম)।

২) পঞ্চ কৰ্ম্মাঙ্গ - বাক, হস্ত, পদ, যৌনাঙ্গ, পায়ু।

চঞ্চল চীএ পইঠো কাল চঞ্চল চিত্তত কালৰ (মৃত্যু) ভয় সোমায

চঞ্চল = অস্থিৰ
চীএ< চিত্ত এ = চিত্তত, অন্তৰত, ভাৱত
পইঠো < প্ৰবিষ্ট = সোমায
কাল = সময়, ৰূপকাৰ্থত মৃত্যু বা মৃত্যু ভয়

কালক্ষয়ৰ চিন্তা অৰ্থাৎ মৃত্যুভয় মনত সোমায।

দিঢ় কৰিঅ মহাসুহ পৰিমাণ মহাসুখ সম্বন্ধে দৃঢজ্ঞান হোৱা

দিঢ < দৃঢ = অচঞ্চল, স্থিৰ
কৰিঅ< ক্ৰি = কৰা, কৰিবা (অনুজ্ঞা শব্দ)
মহাসুহ <মহাসুখ = অত্যন্ত সুখ, পৰম সুখ, বিনন্দীয়া সুখ
পৰিমাণ (অনুজ্ঞা) = প্ৰমাণ কৰ, নিৰ্ণয় কৰ

টিপ্পনী ঃ মহাসুখৰ অস্তিত্ব সম্বন্ধে দৃঢজ্ঞান হোৱা। মৃত্যুভয়জনিত চিত্ত চাঞ্চল্যৰ বিকল্প স্বৰূপ মহাসুখৰ অস্তিত্ব লুইপাই প্ৰস্তাৱ কৰিছে। তেনে বিনন্দীয়া সুখ প্ৰাপ্তিৰ পথ চৰ্যাত জনাইছে।

লুই ভণই গুৰু পুচ্ছিঅ জান লুয়ে কয় গুৰুক সুধি জ্ঞান লভা

লুই ভণই = লুয়ে কয়
পুচ্ছিঅ< পৃচ্ছিত<পৃচ্ছা = জিজ্ঞাসা কৰা, সোধা

জান = জ্ঞাত হোৱা, জানা

লুই পা বৌদ্ধতন্ত্ৰত গুৰুৰ মাহাত্ম্য সম্বন্ধে সূচাইছে। নিজে চিন্তা কৰি উৱাদিহ নাপাবা - সৎ গুৰুক জিজ্ঞাসা কৰি জ্ঞান লভা।

সঅল সমাহিঅ কাহি কৰিঅই সর্ব্ব (complete) সমাধি কেনেকৈ পায

সঅল<সকল = সর্ব্ব, সকলো পূর্ণ

সমাহিঅ<সমাধিত<সমাহিতা = সমাধিযুক্তঅবস্থা, সমাহিতাবস্থা

কাহি = কেনেকৈ, কিদৰে

কৰিঅই< ক্রি = ক্রিয়া (উপায), কৰে

টিপ্পনী ঃ লুই পাই ইযাতে পূর্ণ সমাধি বা যোগীৰ পূর্ণ সমাহিত অবস্থা সূচাইছে। নির্ব্বিকল্প সমাধি অবস্থাত সাধক বাহ্যজ্ঞানহীন অবস্থাত থাকে। স্বাভাবিকতে এনে অৱস্থাত মৃত্যুভয বা চিত্ত চাঞ্চল্য নাথাকে।

সুখ দুখেতেঁ নিচিত মৰিআই আনন্দ নিৰানন্দ চেতনা সম্পূর্ণ ধ্বংস কৰা

সুখ দুখেতেঁ = আনন্দ নিৰানন্দ, সুখ-দুখ অনুভৱ

নিচিত < নিশ্চিত = সম্পূর্ণ, অবিকল্পভাবে

মৰিআই = মাৰি পেলোৱা, ধ্বংস কৰা

মনৰ পৰা সুখ দুখ অনুভূতি সম্পূর্ণ আঁতৰ কৰা।

এডিএউ ছান্দক বান্ধ কৰণক পাটেৰ আস বাসনাযুক্ত পৰিকল্পনাৰ বান্ধোন ক্রিযাকাণ্ড আৰু চাতুর্য্যৰ আশা ত্যাগ কৰা।

এডিএউ = এৰ, ত্যাগ কৰ

ছান্দক = বাসনাযুক্ত পৰিকল্পনা (চান্দ = to seek an opportunity, to deliberate হেমকোষ)।

বান্ধ < বন্ধন = বান্ধোন

কৰণক <কৰণ = যৌগিক আসন, সাধন কার্য্য

পাটেৰ< পাটৱ = পটুতাৰ, সক্ষমতাৰ

আস< আশা = আশা, সম্ভাৱনা

টিপ্পনী ঃ যৌগিক চাতুর্য্য (অষ্ট সিদ্ধি?) বা তন্ত্র পটুতাৰ ওপৰত আশা ৰাখিব বাৰণ কৰিছে লুই পাই। 'কৰণ' শব্দই তন্ত্রশাস্ত্রত "লঘুসিদ্ধিৰ" ব্যৱহাৰিক

প্ৰযোগ সূচায। মাৰণ, বশীকৰণ, উচাটন স্তম্ভন আদি 'কৰণ' কাৰ্য্য যিযে সাধকৰ মনৰ অস্থিৰতা দূৰ নকৰে।

সুন্নপাখ ভিডি লাহুৰে পাস শূন্যতাজ্ঞানক ভিত্তি কৰি কাষত ৰাখা

সুন্নপাখ< শূন্য পক্ষ = যি শূন্যতা পাখী স্বৰূপ আবৰি থাকে

ভিডি< ভিতি< ভিত্তি = ধৰণী, মূল

লাহু ৰে < লহ হে = লোৱা, গ্ৰহণ কৰা (কাষলৈ) আনা

পাস< পাৰ্শ্ব = কাষলৈ ওচৰলৈ

যাদু মন্ত্ৰ, তন্ত্ৰ বা ক্ৰিয়া কাণ্ডলৈ আশা নাৰাখি, (যিযে মনস্থৈৰ্য্য দিবলৈ অক্ষম) লুইপা সাধকক শূন্যতা বোধেৰে নিজকে আবৰি লবলৈ উপদেশ দিছে।

ভণই লুই আম্হে ঝাণে দিঠা কয় লুইযে মই দৃঢভাৱে জানো।

ভণই লুই = কয় লুইযে

আমহে< অহম = মই

ঝাণে< জ্ঞানে< জ্ঞাত = জানো, জ্ঞাত

দিঠ< দৃঢ = দৃঢ ভাৱে, নিশ্চিত ভাৱে

লুইপাদে নিজকে সুনিশ্চিত আৰু অবিকল্পভাবে জানো বুলি কৈছে।

ধমণ চমণ বেণি পাণ্ডি/পিণ্ডি বইণ শ্বাস-প্ৰশ্বাস নাভি চক্ৰৰ দুই ভনী সদৃশ

ধমণ = শ্বাস উশাহ, শ্বাস গ্ৰহণ

চমণ = প্ৰশ্বাস, নিশাহ, নিশ্বাস ত্যাগ

বেণি< দ্বীনি = দুই দুটা

পিণ্ডি = চক্ৰৰ নাভি, চকাৰ কেন্দ্ৰ

বইণ< বহিন = ভগ্নী, ভনী

টিপ্পনী : চৰ্যাগীতৰ ভাষ্যকাৰ বুজন অংশই বইণ শব্দৰ অৰ্থ উপবিষ্ট ৰূপে বুজি পাই তাৰ পিচৰ শব্দটো পাতি (সুকুমাৰ সেন) বা পাণ্ডি (পৰীক্ষিত হাজৰিকা, শাস্ত্ৰী) পাইছে - কাৰণ বহিবই যেতিয়া, আসনৰ প্ৰযোজন হ'ব। মণিন্দ্ৰমোহন আৰু শহীদুল্লাহ দুযোজনে 'পিণ্ডি' পঢিছে। গীতৰ পদৰ অৰ্থ অনুযায়ী "পিণ্ডি" শুদ্ধ পাঠ। হিন্দু তন্ত্ৰৰ প্ৰাণাযামত ঈডা আৰু পিঙ্গলা, বৌদ্ধ তন্ত্ৰত ললনা -ৰসনা, কেন্দ্ৰ নাডী সুষুম্না বা অবধূতীকাৰ দুযোপাৰ্শ্বে পাক খাই খাই গৈছে যি দেখাত ৰোমান দেৱাত মাৰ্কুৰীৰ হাতৰ দণ্ড সদৃশ (caduceus)।

শ্বাস আৰু প্ৰশ্বাস নিৰ্মাণ চক্ৰত পাক খাই খাই অবধূতীকাত স্থিৰ হব। আমাৰ বিশ্বাস 'বইণ" আধুনিক হিন্দী ভাষাৰ "বহীন" অৰ্থত ব্যৱহৃত যাৰ মানে ভনীযেক (sister)। শ্বাস আৰু প্ৰশ্বাস দুজনী ভনীযেক পাক খাই খাই থাকে। এই অৰ্থ তন্ত্ৰৰ প্ৰাণাযামৰ ক্ষেত্ৰত অধিক প্ৰযোজ্য।

টীকা ঃ মহাপণ্ডিত ৰাহুল সাংকৃত্যাযনৰ মতে গীতৰ ৰচক লুইপা শবৰপাদৰ শিষ্য। শবৰপাদ আকৌ আছিল সৰহপাদৰ শিষ্য। লুই পা ৰচিত বৰ্ত্তমান গীত আৰু চৰ্যা নং ২৯ দুযোটাই উচ্চ ক্ৰিযাতন্ত্ৰৰ দৰ্শন সমৰ্থনত ৰচা। "মণ্ডল বিধিৰ" ৰচক শবৰপা ক্ৰিযাতন্ত্ৰৰ অন্যতম প্ৰধান হোতা। লুইপাই শাস্ত্ৰ জ্ঞান আৰু ক্ৰিয়া কাণ্ডৰ ওপৰত ভাৰসা ৰাখিব হাক দিছে (এডিএউ ছান্দক বান্ধ কৰণক পাটেৰ আস)। আনহাতে 'কৰণ' বা 'কৰণক' নিম্ন ক্ৰিযাতন্ত্ৰৰ আন এটা নাম। লুইপাই শাস্ত্ৰ পাঠ (ছান্দ), বিশ্লেষণ আৰু ক্ৰিযা কাণ্ডৰ ওপৰত ভাৰসা নাৰাখি কেৱল প্ৰাণাযাম আৰু শূন্যতা বোধৰ ওপৰত নিৰ্ভৰ কৰি মহাসুখ আৰু মনস্থৈৰ্য্য প্ৰাপ্তিসাধ্য বুলি কৈ দেখ দেখ মহাযান পন্থাৰ মধ্যমিকা দৰ্শনৰ উচ্চ ক্ৰিযা তন্ত্ৰৰ উপধাৰাক সমৰ্থন কৰিছে। ❖❖

২

ৰাগ-গৱড়া ঃ কুক্কুৰীপাদানাম্

মূলপাঠ	আধুনিক ভাষান্তৰ য় অৰ্থ
দুলি দুহি পিটা ধৰণ নজাই।	ধৰ্ম্মশাস্ত্ৰ অধ্যযন দ্বাৰা জগতৰ স্বৰূপ ধৰিব নোৱাৰি।
ৰুখেৰ তেন্তলি কুম্ভীৰে খাঅ।।	মন্ত্ৰ জপৰ সুফল যৌনস্পৃহাই ধ্বংস কৰে।
আঙ্গণ ঘৰপণ সুন ভো বিআতী।	শুনা, হেৰা বিবাহিত গৃহস্থ ব্যক্তি,
কানেট চৌৰি নিল অধৰাতী।।	মাজনিশা কাণৰ মন্ত্ৰ অপহৃত হ'ল।
সুসুৰা নিদ গেল বহুড়ী জাগঅ।	সুচেতনা সুপ্ত হ'ল, অবদমিত (স্পৃহা) জাগিল।
কানেট চোৰে নিল কা গই মাগঅ।।	জপমন্ত্ৰ অপহৃত হ'ল, কলৈ বিচাৰি, যাবা ?
দিৱসই বহুড়ী কাউই ডৰে ভাঅ।।	দিনত অবদমিত যৌনস্পৃহা বন্ধন ভয ভীত
ৰাতি ভইলে কামৰু জাঅ।।	ৰাতি হ'লে (স্পৃহা) নাৰী যোনি লোলুপ।
চৰ্যা কুক্কুৰীপাএঁ গাইউ।	এনেকুৱা চৰ্যা কুক্কুৰীপাদে গায
কোড়ি মঝেঁ একু হিআহি সমাইউ।।	কৌটিৰ মাজৰ এজনৰ অন্তৰত সোমায়।

টিপ্পনী ঃ বৰ্ত্তমান গীতৰ তৃতীয় পংক্তি " আঙ্গণ ঘৰপণ সুন ভো বিয়াতী" যাৰ অৰ্থ "শুনা হে আঙ্গন গৃহবাসী বিবাহিত (বেইতা) ব্যক্তি", স্পষ্টভাৱে জনায় যে এই গীত কোনো গূঢ় তান্ত্ৰিক মন্ত্ৰ হব নোৱাৰে — অন্যথায় ঘৰ গৃহস্থালি

কৰা মানুহক সম্বোধন কৰি এই গীত ৰচা নহ'লহেঁতেন। নিম্ন ক্রিযাতন্ত্ৰৰ 'নামধেয উপশাখা' য'ত ঘৰ গৃহস্থালি চলাই থকা গৃহস্থাশ্ৰমী ব্যক্তি এজনে কেবল মন্ত্ৰ জপৰ সহাযত মুক্তি পাবৰ উপযুক্ত হব (বৌদ্ধ নামধেয - নামতে ধ্যান কৰা, জাপানৰ নেম্বুৎসু, চীনৰ পবিত্ৰভূমি, ভাৰতৰ বৈষ্ণৱ নামধৰ্ম্মী, যাক মহাপুৰুষীযাৰ লগত তুলনা সম্ভৱ) কিন্তু সাধকে ঘৰ গৃহস্থালি নেৰিলেও স্ত্রী সঙ্গম পৰিত্যাগ কৰিব লাগিব। নিম্ন ক্রিযাতন্ত্ৰৰ 'নামধেয' সকলক পৰিহাস কৰি কুক্কুৰীপাদে এই গীতটি ৰচিছে। তেখেতে গাইছে -ধৰ্ম্মশাস্ত্ৰ পটি জগতৰ স্বৰূপ ধৰিব নোৱাৰি (তথতা উপলব্ধি নকৰে) যি ক্রিযা তন্ত্ৰৰ অন্যতম প্রধান লক্ষ্য। মন্ত্র জপৰ সুফল কামস্পৃহাই, ধ্বংস কৰি পেলাব। ৰাতি পত্নীক যেতিয়া কাষত পাবা গুৰুৱে কাণে কাণে দিযা জপমন্ত্র কলৈ পলাব বিচাৰি নাপাবা। ৰাতি শুভবুদ্ধি নিদ্রা যাব (অকৰ্ম্মক হ'ব) আৰু যৌনস্পৃহা, যি দিবা ভাগত সুৰতবন্ধ সঙ্কল্পৰ ভযত টেপা হৈ থাকে ৰাতি সিযেই নাৰীৰ যোনিলৈ (কামৰূ) হেঁপাহ কৰিব। সেই সময়ত জপ মন্ত্র নোহোৱা হ'ব। অতএব নিজকে প্ৰতাৰণা নকৰিবা - ঘৰ গৃহস্থালি চলাই পত্নীক কাষত ৰাখি মুক্তি লভাৰ আশা এৰা। এনে এটা চৰ্যাগীত কুক্কুৰীপাদে ৰচিছে যি কৌটিৰ মাজত এজনৰহে অন্তৰত সোমাব।

দুলি দুহি পিটা ধৰণ নজাই ধৰ্ম্মশাস্ত্ৰ অধ্যযন দ্বাৰা জগতৰ স্বৰূপ ধৰিব নোৱাৰি।
দুলি = দুলা শব্দৰ স্ত্রী লিঙ্গ।

টিপ্পনী ঃ দুলা = দুৰা= tortoise – দুলি শব্দৰ অৰ্থ অধিকভাগ বঙালী ভাষ্যকাৰে "মাদী কচ্ছপ", লিখিছে আৰু তাকে দেখি পৰীক্ষিত হাজৰিকাই "সাধাৰণ অৰ্থত মাইকী কাছ" (পৃঃ ১৯৩ চৰ্য্যাপদ) কৰিছে। দুলা বা দুৰা, কাছ turtle নহয, tortoise Tortoise বৌদ্ধ শাস্ত্ৰত মঞ্জুশ্ৰীৰ প্ৰতিনিধিত্ব কৰে — 'Universal Tortoise - a fierce manifestation of Manjusri (Thanka Tibetan Medical & Astro Institute - Dharmasala India) বোধিসত্ব মঞ্জুশ্রী হ'ল আকৌ A Bodhisattva, a buddha of tenth stage bodhisattva of wisdom and scriptures "

বৰ্ত্তমান চৰ্যাগীত সংগ্ৰহৰ আবিষ্কাৰক হৰপ্ৰসাদ শাস্ত্ৰী মহোদযে কৈছিল- বৌদ্ধ স্তূপ যি দেখাত কাছটোৰ দৰে আকাৰৰ, কালত ধৰ্ম্মৰ প্ৰতিকৃতি ৰূপে স্বীকৃত হ'ল। স্তূপ, ধৰ্ম্ম আৰু কাছৰ আকাৰ তিনিওটাই একে হৈ গ'ল। ধৰ্ম্ম বুলিলে গ্ৰন্থাৱলী বুজাইছিল (হিন্দুদেৰ দেবদেবী - হংসনাৰাযণ ভট্টাচাৰ্য্য, তৃতীয় খণ্ড - পৃঃ ৩৯৮ ফাৰ্মা কে, এল, এম কলিকতা)। ভগবদগীতাটো কুৰ্ম্মই ধ্যান আৰু যোগৰ প্ৰতিনিধিত্ব কৰে (২/৫৮ কুৰ্মোহঙ্গানীৱ সৰ্বশঃ)।

দুহি = দোহন কৰি

পিটা [illegible] = [illegible]

ধৰণ নজাই = ধৰিব নোৱাৰি, অনুভূত নহয়।

ৰোগ ধৰিব নোৱাৰি পৰ্য্যায়ৰ।

ৰুখেৰ তেন্তলি কুম্ভীৰে খাঅ মন্ত্ৰ জপৰ সুফল যৌনস্পৃহাই ধ্বংস কৰে

ৰুখেৰ বৃক্ষৰ = বৃক্ষৰ, গছৰ

তেন্তলিৰতিন্তিড়ী = তেঁতেলী, জপমালাৰ বীজ

টিপ্পনী ঃ- বিভিন্ন তন্ত্ৰত বিশেষকৈ যোগিনী তন্ত্ৰত কামাখ্যা দেৱীৰ জপমালা মায়াবীজেৰে গাঁঠিব দিছে। এই মায়া বীজ তেঁতেলীৰ গুটিৰ বাদে আন একো নহয়। যোগিনী তন্ত্ৰত কৈছে — ‘মায়া বীজেন দেৱেশি অষ্টম্যাং প্ৰতিপূজয়েৎ। আৰু তাৰ পিচতে লিখিছে [illegible] কল্পবৃক্ষং ততো গত্বা তিন্তিড়ী সংজ্ঞকং তৰুং।” (যোগিনী তন্ত্ৰে সপ্তম পটল ১১৮ ১১৯)। তেঁতেলী আৰু মায়াবীজৰ সম্বন্ধ ইয়াত স্পষ্ট নহয়। এই সম্বন্ধ স্পষ্ট অষ্টম পটলত ঃ ২৬-২৮-শ্লোক। সংযোজন কৰাণনে — তিন্তিড়ীকায় বৈ নমঃ।। মন্ত্ৰ জপৰ বাবে প্ৰস্তুত বীজমালা [illegible] বীজেৰে প্ৰস্তুত তাক গোপনে ৰাখিবলৈ কোৱা হৈছে যদিও তেঁতেলী বা তেন্তলিৰ প্ৰয়োগ প্ৰকাশ পায় তাৰ সংস্কৃত ভাষাৰ আনটো নামত - [illegible] এটাৰ নাম চণ্ডযোগ আৰু [illegible] প্ৰাণায়াম চণ্ডালী প্ৰাণায়াম। তৃতীয়তে তিব্বতী বৌদ্ধ সাধকে জপত বহাৰ আগতে হিন্দু সাধকে চন্দন কাঠ জ্বলোৱাৰ দৰে তেঁতেলী গছৰ কাঠ এটুকুৰা জ্বলায় (Buddhism in Tibet - E Schlagintweit - P 228 Book Faith India) তিনিটো অৰ্থই বৰ্তমান ক্ষেত্ৰত দেখুৱাইছে যে তেন্তলি ইয়াত বীজমন্ত্ৰ জপ বা মন্ত্ৰজপৰ সুফল সূচাইছে।

কুম্ভীৰ = মগৰ, মকৰ = যৌন স্পৃহা, মদন।

টিপ্পনী ঃ কুম্ভীৰ, যাৰ আন এটা নাম মকৰ বা মগৰ, হিন্দু তন্ত্ৰ মতে বৰুণৰ বাহন, তেওঁৰ বাসস্থান মনুষ্য দেহৰ স্বাধিষ্ঠান চক্ৰত। এই চক্ৰৰ বৰ্ণনা শ্ৰীবগলামুখী তন্ত্ৰ মতে “ [illegible] অৰ্দ্ধেন্দুৰূপলসিতং শৰদিন্দু শুভ্ৰং বং-কাৰ বীজমমলং মকৰাধিৰূঢ়।।” স্বাধিষ্ঠান চক্ৰ আকৌ তন্ত্ৰ অনুযায়ী লিঙ্গাগ্ৰ

(বগলামুখী তন্ত্ৰ) অথবা লিঙ্গমূলত (মূলাধাৰ?) অৱস্থিত। লিঙ্গাগ্ৰই হওক বা লিঙ্গমূলেই হওক স্বাধিস্থান চক্ৰ আৰু তাত বাস কৰা বৰুণৰ বাহন মকৰে পুৰুষৰ যৌনস্পৃহা নিয়ন্ত্ৰণ কৰে বুলি তন্ত্ৰত বিশ্বাস। সেযেহে কামদেৱ বা মদনৰ আন এটি নাম **মকৰকেতন**। 'কপিধ্বজে' অৰ্জ্জুনক সূচোৱাৰ দৰে বৰ্ত্তমান গীতত কুম্ভীৰে মকৰ আৰু তাৰ যোগে মদনদেৱ আৰু কামস্পৃহাক সূচাইছে।

খাঅ = খায় ধ্বংস কৰে

আঙ্গণ ঘৰপণ সুন ভো বিআতী শুনা হেৰা ঘৰ চোতালবাসী বিবাহিত ব্যক্তি

আঙ্গণ<অঙ্গন = চোতাল
ঘৰপণ< ঘৰ + পণ = ঘৰ, আত্মাৰ নিবাস স্থল, দেহা।
পণ = গৃহ
সুন = শ্ৰবণ কৰা
বিআতী = বিবাহিত (তুলনা বেইতা)

কানেট চৌৰি নিল অধৰাতী কৰ্ণমন্ত্ৰ অপহৃত হ'ল মাজনিশা

কানেট<কৰ্ণস্থ = কৰ্ণালঙ্কাৰ, যিযে কাণৰ শোভা বৰ্দ্ধন কৰে। বৰ্ত্তমান ক্ষেত্ৰত গুৰুৱে কাণত কোৱা গোপন জপ মন্ত্ৰ
চৌৰি<চৌৰ = অপহৰণকৰ্ত্তা
নিল = লৈ গ'ল
অধৰাতী<অৰ্দ্ধৰাত্ৰি = মাজ নিশা, আধাৰাতিস

সুৰা নিদ গেল বহুডী জাগঅ সুচেতনা সুপ্ত হ'ল অৱদমিত চেতনা জাগে

সুসুৰা<শ্বশুৰ = শ্ব + শু (আনত) + অশ্- উৰণ, যিযে শুভ ভাব আনযন কৰে = সুচেতনা, সুভাব।

নিদ গেল = নিদ্ৰা গ'ল, সুপ্ত হ'ল

বহুডী< বধু (বন্ধ + উ) = গৃহস্থৰ সবাতোকৈ অবদমিত ব্যক্তি ৰূপে বধু বা বোৱাৰীযে অৱদমিত স্পৃহা আৰু চেতনাক প্ৰতিনিধিত্ব কৰে।

জাগঅ = জাগ্ৰত হ'ল, জাগে, জাগি থাকে

কানেট চোৰে নিল কাগই মাগঅ জপমন্ত্ৰ অপহৃত হ'ল কলৈ গৈ বিচাৰিবা?

কানেট	=	কৰ্ণ মন্ত্ৰ, জপমন্ত্ৰ
চোৰে নিল	=	অপহৃত হ'ল, চোৰে নিলে
কাগই	=	কলৈ গৈ
মাগঅ<মার্গতি	=	খুজিবি, বিচাৰিবি

যৌন স্পৃহাৰ তাড়নাত জপমন্ত্ৰ এবাৰ পাহৰিলে তাক আৰু পুনৰ ঘিৰাই নাপাবা অৰ্থাৎ মনলৈ নাহে।

দিৱসই বহুড়ী কাউই ডৰে ভাঅ দিনত অৱদমিত চেতনা সুৰতবন্ধ সঙ্কল্পভীত হয়।

দিৱসই	=	দিবাভাগত, দিনৰ বেলাত
বহুড়ী	=	বধু, অৱদমিত স্পৃহা
কাউই<কাৰব	=	কাউৰী (হিন্দী কাউৱা),
ডৰে	=	ভয়ত, ভীত হৈ
ভাঅ<ভব	=	থাকে, হয়।

টিপ্পনী ঃ কাউই শব্দ 'কাকৰ' বিকল্প স্বৰূপ ব্যৱহাৰ হৈছে। কাক শব্দৰ আন এটা অৰ্থ হ'ল সাঁফৰ, যিযে বন্ধ কৰে। তন্ত্ৰত 'কাক' শব্দই 'সুৰতবন্ধ' সঙ্কল্প বুজায় (বাংলা শব্দবোধ, সুবল মিত্ৰ), যাৰ অৰ্থ, সাধকে সুৰতকাৰ্য্য মানে যৌনকাৰ্য্য নিবৃত্তিৰ সঙ্কল্প। বৰ্ত্তমান গীতত, সাধকে গুৰুৰ কৰ্ণ মন্ত্ৰ লোৱাৰ আগতে যৌন কাৰ্য্য ত্যাগৰ প্ৰতিজ্ঞা লয় যাৰ ভয়ত দিবা কালত যৌনস্পৃহা অৱদমিত হৈ ৰয়।

ৰাতি ভইলে কামৰু জাঅ ৰাতি হ'লে (মন) নাৰী যোনি লৈ যায়।

ৰাতি	=	ৰাত্ৰি
ভইলে<ভব	=	হলে
কামৰু<কামৰূপ	=	যোনি
জাঅ	=	যায়, গমন কৰে।

টিপ্পনী ঃ ৰতি শাস্ত্ৰ অনুযায়ী "কামৰূপ" নাৰীৰ জঘনৰ পৰা কঁকাললৈ এই অংশ। শ্ৰীযোগিনী তন্ত্ৰম অনুযায়ী কামৰূপ সেই স্থল য'ত যোনি পিঠ অৱস্থিত। যোনিৰ পৰা ভৰিলৈকে কামৰূপে চিন্তা কৰিব (যোগিনী তন্ত্ৰম, চক্ৰেশ্বৰ ভট্টাচাৰ্য্য অনুবাদ - পৃঃ ৮০ , দত্ত বৰুৱা)

টীকা ঃ এই পদৰ অনুবাদ সৰহভাগ ভাষ্যকাৰে কৰিছে 'বোৱাৰীৰ মন ৰাতি' যোনি স্থললৈ গমন কৰে' - যি যৌন বিকৃতিৰ প্ৰমাণ হব। আমি ভাবো,

দিব্সত সুচেতনা (সুসুৰা) জাগ্ৰত থাকে, তদুপৰি ই সুৰতবন্ধ প্ৰতিজ্ঞা (কাউই) ভীত, কিন্তু ৰাত্ৰি অৱদমিত চেতনাই (বহুড়ী) মূৰ ডাঙি উঠে আৰু ই স্বাভাবিক যৌন অভিলাষী হয়। মুনিদত্তই বহুড়ীক নিজজ্ঞানে অৱধূতীকা কৰিছে। তেখেতৰ মতে শ্বাস যেতিয়া সুপ্ত হয় প্ৰকৃতি পৰিশুদ্ধা অৱধূতীৰূপে যোগিনী সকল অহর্নিশা জাগি থাকে (প্ৰকৃতিপৰিশুদ্ধাবধূতীৰূপেন যোগিন্যোহপ্যহর্নিশং জাগৰণং কুৰ্বন্তি)। 'অৱধূতীকা ৰাতি যোনি স্থললৈ যাব' এই অৰ্থ কিমানদূৰ গ্ৰহণযোগ্য তাক চৰ্যা পণ্ডিত সকলেহে জানে।

টিপ্পনী ঃ কামৰূপা শব্দৰ ঠাইত 'কামৰু' ব্যৱহাৰ আৰু কামাখ্যাদেৱীৰ বীজমালা তেঁতেলীৰ উল্লেখে এই গীতটি অপেক্ষাকৃত অৰ্বাচীন আৰু কামাখ্যাৰ উপাসনাপ্ৰধান পূৰ্বভাৰতত ৰচিত বুলি চিহ্নিত কৰে।

অইসন চৰ্যা কুক্কুৰীপাএঁ গাইউ এনে চৰ্যা কুক্কুৰীপাদে গায

অইসন = এনে (প্ৰাচীন কামৰূপী শব্দাৰ্থ)
চৰ্যা = চৰ্যাগীত
কুক্কুৰী পাএঁ = কুক্কুৰীপাদে
গাইউ = গায, গোৱা হ'ল

কোড়ি মঝেঁ একু হিআহিঁ সমাইউ কৌটিৰ মাজৰ এজনৰ হৃদযত সোমায

কোড়ি<কোটি = কৌটিৰ
মঝেঁ<মধ্যে = মাজত, মধ্যত
একু<এক = এজনৰ, একৰ
হিআহিঁ<হৃদয = অন্তৰত, হৃদযত, বুকুত
সমাইউ<সমাইউ = সোমায, অন্তৰস্থ, হয।

টিপ্পনী ঃ বৰ্ত্তমান চৰ্যাগীতত গুৰুৱে অৰ্থ নুবুজালে বুজিব নোৱাৰা এনে কোনো সাঙ্কেতিক শব্দ (code word) ব্যৱহাৰ হোৱা নাই। ভব্যকীৰ্ত্তিযে সংজ্ঞা দিযা 'সন্ধি' শব্দৰ ব্যৱহাৰ ইযাত নাই। মুনিদত্ত আৰু তেখেতৰ পদানুগামী সবে 'সন্ধ্যা ভাষাৰ' আশ্ৰয় ল'ব লগা হ'ল নিজৰ অজ্ঞতাৰ দাবীত। ন্যেয (purported) অৰ্থৰ ব্যৱহাৰ প্ৰচুৰ। বুদ্ধগুহ্যৰ সংজ্ঞা 'সমযীন' (symbolic or temporary meaning) শব্দৰ ব্যৱহাৰ বহু সমযত 'ন্যেয' অৰ্থ ঢাকি ৰাখি তাক 'ন জথাৰীত' সদৃশ কৰি তোলে। ❖❖

ৰাগ গৱড়া ঃ বিৰুৱাপাদানাম্

মূলপাঠ	আধুনিক ভাষান্তৰ/অৰ্থ
এক সে শুণ্ডিণী দুই ঘাৰে সান্ধঅ।	এটা বকযন্ত্ৰ (সুৰা) দুই দেহৰ সৃষ্ট।
চীঅণ বাকলঅ বাৰুণি বান্ধঅ।।	চিকুণ দেহত শক্তি আবৃত থাকে।
সহজে থিৰ কৰী বাৰুণি সান্ধে।	সুখ প্ৰজ্ঞা স্থিৰ কৰি শক্তি সঞ্চাৰ কৰা।
জেঁ অজৰামৰ হোই দিট কান্ধং ।।	অজৰ-অমৰ অভিলাষী হৈ দৃঢ়স্কন্ধ হোৱা।
দশমি দুআৰত চিহ্ন দেখঅইআ।	মানৱ দেহৰ দশ দুৱাৰ দেখি
আইল গৰাহক অপণে বহিআ।।	গ্ৰহণকৰ্ত্তা (প্ৰাণ) নিজেই বৈ আছে।
চউশঠী ঘডিয়ে দেট পসাৰা।	চৌষষ্ঠি ব্যসনে নিজকে বিক্ৰয় কৰে।
পইঠেল গৰাহক নাহি নিসাৰা।।	সোমোৱা গ্ৰাহক তাতেই নিঃসাৰ নহয়।
এক ঘড়ুলী সৰু ই নাল।	এটা ঘটৰ সূক্ষ্ম নালী
ভণন্তি বিৰুআ থিৰ কৰি চাল।।	কিদৰে চলিব স্থিৰ কৰি বিৰুৱাই কৈছে।

টীকা ঃ বিৰুৱাপাদৰ বৰ্ত্তমান চৰ্যাগীত যাক চৰ্যাসংগ্ৰহৰ তৃতীয় স্থানত ৰখা হৈছে এক সম্পূৰ্ণ কাৰিকৰী ব্যৱস্থাৰ তন্ত্ৰগীত। ইয়াৰ মূল উপদেশ এটাই - "সহজ থিৰ কৰী বাৰুণি সান্ধে," যাৰ অৰ্থ সহজ, সহজাত প্ৰজ্ঞা + সুখক লক্ষ্য ৰাখি জৈৱশক্তি আৰু অনুভূতিক পৰিচালনা কৰিবা। ক্ৰিয়াতন্ত্ৰত প্ৰজ্ঞাৰ সংজ্ঞা, তথতা + শূন্যতা বোধ।

বৰ্তমান চৰ্যাগীতৰ পূৰ্ববৰ্ত্তী টীকা ভাষ্যকাৰ সবে এই চৰ্যাৰ গূঢ়াৰ্থ উন্মোচনৰ বাবে এনেভাৱে মত্ত হৈ উঠিছিল যে শব্দবিজ্ঞান, ব্যাকৰণৰ কথাই নাই, সাধাৰণ জ্ঞানৰো উৰ্দ্ধলৈ উঠি গৈছিল। বৰ্ত্তমান গীতৰ দ্বিতীয় বাক্যৰ অৰ্থ এনে দৰে কৰিছে।

চিয়ান-বাকড মদ বাঁধে - সুকুমাৰ সেন- চৰ্যাগীতি পদাবলী
চিকণ বাকলে বাৰুণী বাঁধে - সৌম্যেন্দ্ৰ সৰকাৰ - চৰ্যাগীতি কোষ
চিযান বাকড়ে (মদ চেতাইবাৰ গাঁজ) মদ বাধে - জাহ্নবী চক্ৰবৰ্ত্তী-চৰ্যাগীতি ভূমিকা
অবিদ্যাক প্ৰভাস্বৰ শূন্যতাই বান্ধিছে - পবীক্ষিত হাজৰিকা-চৰ্য্যাপদ

শুনিবলৈ সুৱলা যদিও চতুৰ্থ বাক্যটোৰ কোনো অৰ্থ নাই, আৰু আগৰ তিনিটা বাক্যাৰ্থ গ্ৰহণ অসম্ভৱ। সুৰা বাকলিবে বান্ধি ৰাখিব পাৰি নেকি, বা তেনে কোনো ব্যৱস্থা -পৰম্পৰা আছিল নেকি? আদি ভাষ্যকাৰ মুনিদত্তই অৰ্থ

তেনে কোনো ব্যৱস্থা -পৰম্পৰা আছিল নেকি? আদি ভাষ্যকাৰ মুনিদত্তই অৰ্থ বুজি নাপাই 'চিঅণ বাকল' সযত্নে পৰিহাৰ কৰিছে। যিহেতু 'চৰ্যা' আধ্যাত্মভাৱৰ গীত, আধ্যাত্ম সাহিত্যত 'ভেল', 'ঘৰ', 'বাকলি' আদি শব্দই মানৱৰ নশ্বৰ দেহাটোক বুজায় যেযে 'আত্মাক' আবৰি ৰাখে, সেযেহে বাকলিক ইযাত 'চিযান' বা চিকুণ বিশেষণ দিযা হৈছে। চিক্কন দেহাই, সাৰ বস্তু (বাৰুণী সুৰা) আত্মাক বান্ধি ৰাখিছে।

বৰ্ত্তমান চৰ্যাগীতটিৰ অৰ্থ বুজাৰ চাবি কাঠি দুটা শব্দ 'দশ' আৰু 'চৌষষ্ঠি' (চউশঠী)। দহখন দুৱাৰ আৰু চৌষষ্ঠিটা ঘট (চউশঠী ঘডিযে দেট পসাৰা)। হিন্দু ধৰ্ম্মগ্ৰন্থত মানৱ দেহক ন খন দুৱাৰ থকা গৃহ বোলা হয (শ্ৰী ভগৱদগীতা)। ইযাত দহখন দুৱাৰ বোলা হৈছে, যিযে প্ৰমাণ কৰে, ই অপেক্ষাকৃত পিছৰ যুগৰ গীত (নাক -১, কাণ -২, চকু -২, মুখ -১, মূত্ৰদ্বাৰ -১, মলদ্বাৰ -১, শুক্ৰ দ্বাৰ/ ৰোমকূপ -১, = ৯ + ব্ৰহ্মৰন্ধ্ৰ = ১০)। ব্ৰহ্মৰন্ধ্ৰৰ অন্তৰ্ভূক্তিযে, তিব্বতীয বজ্ৰযানৰ প্ৰভাব দেখুৱায, য'ত ব্ৰহ্মৰন্ধ্ৰ অৰ্থাৎ মাজমূৰত থকা কৰোটিৰ ছিদ্ৰক সৰ্ব্বাধিক আধ্যাত্মিক গুৰুত্ব দিযা হয।

চৌষষ্ঠি সংখ্যাৰ আছে - চৌষষ্ঠি কলা, চৌষষ্ঠি ব্যসন, প্ৰাণাযামৰ কুম্ভকৰ চৌষষ্ঠি অক্ষৰ ধ্বনি, যোগিনী তন্ত্ৰৰ চৌষষ্ঠি যোগিনী, আৰু বৌদ্ধতন্ত্ৰৰ নিৰ্ম্মাণ চক্ৰৰ চৌষষ্ঠি পাহি থকা পদ্ম। নিৰ্ম্মাণ চক্ৰৰ, হিন্দু তন্ত্ৰৰ মণিপুৰ চক্ৰৰ সৈতে একে স্থান অৰ্থাৎ নাভি মণ্ডলত অৱস্থিত যি সূৰ্য্য মণ্ডলৰ অন্তৰ্গত। মণিপুৰ চক্ৰৰ পদ্মৰ পাহিৰ সংখ্যা দহ- চৌষষ্ঠি নহয। বিৰুৱাপাদ বৰ্ণিত তন্ত্ৰ প্ৰাণাযাম পদ্ধতি বুজিবলৈ সাম্বাৰা তন্ত্ৰ (শম্ভুতন্ত্ৰ= শিৱতন্ত্ৰ), ক্ৰিযাতন্ত্ৰৰ মৌলিক ৰূপ, আৰু আনুসঙ্গিক হিন্দু-বৌদ্ধ তন্ত্ৰ যেনে, মহাতাৰা তন্ত্ৰ, শ্ৰী বগলামুখী তন্ত্ৰ, আৰু হিন্দু-বৌদ্ধ প্ৰাণাযামৰ (কৌলিন তন্ত্ৰ যিবোৰে কুল কুণ্ডলিনী জাগ্ৰত কৰাত গুৰুত্ব দিযে) মৌলিক তত্ত্ব জানিব লাগিব।

যি কোনো কৰ্ম্ম সাধনৰ বাবে দেহ আৰু মনৰ কাৰ্য্যৰ সমন্বয ঘটাই ক্ৰমশঃ অগ্ৰসৰ হোৱা কাৰ্য্যই তন্ত্ৰ। বৰ্ত্তমান গীতত তন্ত্ৰৰ লক্ষ শূন্য আৰু প্ৰজ্ঞাৰ উপলব্ধি সহজ অৱস্থাত (সহজ থিৰ কৰী)। সহজ ইযাত যুগপৎ জাত প্ৰজ্ঞা + সুখ (চৰ্যা ৯ ৰ সহজৰ বিতং টীকা চাওক)।

সাম্বাৰা বা শম্ভুতন্ত্ৰ অনুসৰি মানৱ দেহা দুটা মূল খণ্ডত বিভক্ত, সূৰ্য্যমণ্ডল আৰু চন্দ্ৰমণ্ডল। সূৰ্য্যমণ্ডল স্বাধিষ্ঠানৰ পৰা অনাহত চক্ৰৰ স্থান হৃৎপিণ্ডলৈ বিস্তৃত (চক্ৰৰ ওপৰত টীকা চৰ্যা ১০ ৰ লগত চাওক)। কণ্ঠমূল (বিশুদ্ধ বা সম্ভোগ চক্ৰ), চেলাউৰিৰ মাজ (আজ্ঞা চক্ৰ), আৰু ব্ৰহ্মতালু (সহস্ৰাৰ চক্ৰ) চন্দ্ৰ মণ্ডলত

পৰে। হিন্দু / বৌদ্ধ তন্ত্ৰ আৰু ভাৰতীয় জ্যোতিষেও স্বীকাৰ কৰে সূৰ্য্যই দেহ, স্বাস্থ্য আৰু আত্ম, আনহাতে চন্দ্ৰই মনক নিয়ন্ত্ৰণ কৰে। "সূৰ্য্য মণ্ডলে" ব্যক্তিৰ স্বাস্থ্য, পৰিপাক কাৰ্য্য আৰু জৈৱশক্তিৰ উৎস ইযাৰ মূলচক্ৰ নিৰ্মাণ/ মণিপুৰ চক্ৰ যি উদৰত অৱস্থিত। চন্দ্ৰ মণ্ডল যি হৃদযৰ পৰা মস্তিষ্কলৈ বিস্তৃত, মানুহৰ চিন্তা, আধ্যাত্মিক ভাৱ, মনোযোগ আৰু মানসিক অৱস্থা নিয়ন্ত্ৰণ কৰে।

বৌদ্ধ তন্ত্ৰৰ মতানুসৰি মানৱ দেহ এখন নগৰ, তাৰ দহখন দুৱাৰ, কিন্তু শক্তিৰ উৎস খাদ্য - পানীয়, আৰু এই ইন্ধন জ্বলাবলৈ প্ৰয়োজনীয় 'বায়ু' নগৰৰ বাহিৰৰ পৰা আহে (নগৰ বাহিৰিৰে ডোম্বি তোহোৰি কুড়িআ" - চৰ্যা নং ১০)। আহাৰ আৰু পানী সূৰ্য্য মণ্ডলৰ মণিপুৰ বা নিৰ্মাণ চক্ৰলৈ আহি বায়ুৰ সহাযত পৰিপাক হৈ জৈৱ শক্তিত পৰিণত হয (জীৰ্ণ বা হজম হয়)। তন্ত্ৰ অনুযায়ী জৈৱ শক্তি ব্যক্তিৰ দুটা কাযা বা দেহত সোমায - ৰূপকায়া বা শাৰীৰিক দেহত, যি শক্তি জৈৱকাৰ্য্যৰ বাবে প্ৰযোজনীয। আন অংশ ধৰ্ম্মকায়া অৰ্থাৎ মানসিক কাৰ্যৰ বাবে লগা প্ৰযোজনীয শক্তিৰ যোগান ধৰে। সেয়েহে বৰ্ত্তমান চৰ্যাত - "এক সে শুণ্ডিনী দুই ঘৰে সান্ধ অ।" শুণ্ডিনী দ্ব্যৰ্থক শব্দ। প্ৰথম অৰ্থ মদবিক্ৰেতা নাৰী, দ্বিতীয অৰ্থ—"চোলাইগেৰ বক-যন্ত্ৰ" (পৃঃ ১২৭, চৰ্যাগীতি পদাৱলী - সুকুমাৰ সেন), ইযাত দ্বিতীয অৰ্থ ব্যৱহৃত। " দুই ঘৰে সান্ধ অ"। দুটা ঘৰ = দুটা দেহা = ৰূপ কাযা আৰু ধৰ্ম্মকাযাত সোমায এই জৈৱশক্তি বা বাৰুণি।

ৰূপকাযা, যাৰ গুৰুত্ব সাধাৰণ ব্যক্তিৰ বাবে সৰ্বাধিক, এই শক্তি ৰূপকাযাত ব্যয হয চৌষষ্ঠি ব্যসনত। নিৰ্ম্মাণ চক্ৰৰ চৌষষ্ঠি অক্ষৰ ধ্বনিযে এটাকে ব্যসন নিযন্ত্ৰণলৈ আনি শূন্যভাৱৰ আধাৰ সৃষ্টি কৰে। চৌষষ্ঠিটা ঘট লৈ ৰখি আছে- "চউশঠী ঘড়িযে দেট পসাৰা" (অথবা - এক সো পদমা চউসঠী পাখুড়ী - চৰ্যা নং ১০)। প্ৰতিটো ব্যসনে পসাৰ (পণ্য দ্ৰব্য) লৈ ৰখি আছে - আনন্দৰ সলনি জৈৱ শক্তি কাঢ়ি লব। চৌষষ্টি ব্যসন বা যোগিনীয়ে সমস্ত শক্তি নিঃশেষ নকৰে - শক্তিৰ এটা অংশ তললৈ নামি আহি স্বাধিষ্ঠান (লিঙ্গাগ্ৰ) অথবা মণিমূল/মূলাধাৰ চক্ৰত (লিঙ্গমূল) স্থিত হৈ যৌন কামনাৰ সৃষ্টি কৰিব। এইখিনিলৈ ব্যক্তিৰ চন্দ্ৰমণ্ডলৰ বা মনৰ কৰিব লগা একো নাই। পাশৱিক জৈৱ তাড়নাত সি স্বাভাৱিক ভাবেই হব - " আইল গৰাহক অপনে বহিআ"। তাৰ পিচত - "পইঠেল গৰাহক নাহি নিসাৰা" (নিঃসাৰ নাই, তাতেই শেষ হ'ব নিদিবা)।

শক্তিৰ এটা অংশ এতিযা মানসিক কাৰণত জৈৱ তাড়ণাৰ পৰা ওপৰলৈ উঠি যাব হৃদযলৈ য'ত অনাহত চক্ৰ অৱস্থিত (বৌদ্ধ, ধৰ্ম্ম চক্ৰ)। হিন্দু তন্ত্ৰ

অনুযায়ী অনাহত চক্ৰৰ পদ্মত ১২ আৰু বৌদ্ধ মতে ৮ টা পাহি থাকে - প্ৰতিটো পাহিয়ে একোটা অনুভূতি - লোভ, ক্ৰোধ, দ্বেষ, হিংসা, প্ৰীতি, শোক আদি আঠ বা বাৰটা অনুভূতি যেতিয়া কণ্ঠমূল পাব য'ত হিন্দুতন্ত্ৰমতে বিশুদ্ধ আৰু বৌদ্ধমতে সম্ভোগ চক্ৰ ১৬টা পাহিৰ পদ্মৰ ৰূপত অৱস্থিত। প্ৰাণাযাম, যাক চৰ্যাগীতত ধমণ - চমণ (চৰ্যা ১) বা আলি-কালি (চৰ্যা ১১) বোলা হৈছে, তাৰ সহায়ত অনুভূতি বোৰ এটা এটাকৈ দমন কৰি কেৱল শূন্যতা (sense of void) চেলাউৰিৰ মাজত অৱস্থিত আজ্ঞা (হিন্দু) বা উষ্ণীষ চক্ৰ (বৌদ্ধ) পোৱাকৈ পঠিয়াব লাগিব, য'ত শূন্যতাই তথতাৰ (reality - as it is) লগলাগি প্ৰজ্ঞাৰ (realization) ৰূপ লব। শূন্যতাৰ আৰু তথতাৰ যুগপৎ সৃষ্টিয়ে 'সহজ' আৰু সিয়েই প্ৰজ্ঞাপৰমিতা বা বুদ্ধভাৱ (ক্ৰিয়া তন্ত্ৰত্। অনুত্বৰ তন্ত্ৰত প্ৰজ্ঞা = মাতৃতন্ত্ৰ । কৰুণা + মহাসুখ = সহজানন্দ)।

বৌদ্ধ তন্ত্ৰৰ মতে নাভি চক্ৰ - যাৰ নাম নিৰ্ম্মাণ চক্ৰ তাৰ 'পদ্মৰ' ৬৪ টা পাহি আছে। পোনতে শ্বাসৰ লগত 'বায়ু' আহি এই চৌষষ্ঠি পাহিৰ মাজেৰে বৈ গৈ চৌষষ্ঠি ব্যসন অনুভৱ কৰি অনুভূতি লৈ পৰিবৰ্ত্তিত্তহৈ হৃদযৰ অনাহত চক্ৰ পাবগৈ। অনাহত চক্ৰৰ মাত্ৰ এটা মূল অনুভূতি কণ্ঠৰ বিষুদ্ধ চক্ৰত (বৌদ্ধ, সম্ভোগ চক্ৰ) ১৬ পাহিৰ পদ্মৰ প্ৰাণাযামৰ ১৬ অক্ষৰ ধ্বনিৰ সহায়ত শূন্যলৈ পৰ্য্যবসিত হব । শূন্য অনুভূতি আজ্ঞাচক্ৰ (হিন্দু) বা উষ্ণীষ চক্ৰত (বৌদ্ধ) প্ৰজ্ঞালৈ পৰিবৰ্ত্তিত হব। বগলামুখী তন্ত্ৰ বৰ্ণিত অনাহত চক্ৰৰ বৰ্ণনা এনেধৰণৰ - "তাৰ শিৰে সূক্ষ্ম ছিদ্ৰ আছে। তাৰ নীচে নিশ্চল দীপকলিকাকাৰ হংসৰূপী জীবাত্মা" (অনুবাদক শ্ৰী ভৈৰৱ শাস্ত্ৰী- ৰাজেন্দ্ৰ লাইব্ৰেৰী- কলিকতা)। বিৰুবাপাদে গাইছে 'এক ঘড়ুলী সৰুই নাল'। অৰ্থাত সকলো বিধৰ অনুভূতি চন্দ্ৰমণ্ডলত (মগজুত) সোমাবলৈ দিব নালাগে। সেযেহে "সহজে থিৰ কৰী বাৰুণি সান্ধে।"

প্ৰশ্ন উঠিব পাৰে, শ্ৰীবগলামুখী তন্ত্ৰ বৌদ্ধচৰ্যাত কিমান দূৰ গ্ৰাহ্য। হিন্দুতন্ত্ৰৰ, দশ মহাবিদ্যাৰ বগলামুখী-বাস্তবতে সৰ্ব্ববুদ্ধ ডাকিনী-বগড়া ডাকিনী- আৰু তিব্বতত বগড়া অৰ্থ divine nature (P 249 Buddhism in Tibet, - E Schlagintweit - 1999, Book Faith India)। তিব্বতীয় বগড়া = বাক + দা = সৰস্বতী = ব্ৰাহ্মী = ব্ৰাহ্মাণী।

বিৰুবাপাদৰ চৰ্যা (নং ৩) এক সম্পূৰ্ণ কাৰিকৰী ব্যৱস্থাৰ তন্ত্ৰগীত ৰচিত কেৱল এটা মূল উপদেশেৰে সৈতে - সহজ, প্ৰজ্ঞা + সুখ লক্ষ্য কৰি জৈব শক্তি নিযন্ত্ৰণ কৰা আৰু তথতা + শূন্যতা বোধ সৃষ্টি কৰিব পৰা অনুভূতিৰ বাদে আন অনুভূতি হৃদয়ৰ পৰা মনলৈ (চন্দ্ৰ মণ্ডললৈ) যাব নিদিবা।

বৰ্ত্তমান চৰ্যাগীতত শুণ্ডিনিণী = শুণ্ডিনী = সুৰা প্ৰস্তুতিৰ বক যন্ত্ৰ = জৈৱ শক্তি সৃষ্টি কৰা নিৰ্ম্মাণ চক্ৰ, চউশঠী ঘড়িযে = চৌষষ্ঠি ঘটে = চৌষষ্ঠি ব্যসনে (যোগিনী তন্ত্ৰৰ চৌষষ্ঠি যোগিনী যিযে চৌষষ্ঠি বিদ্যা বা ডাকিনীৰ প্ৰতিনিধিত্ব কৰে - চৌষষ্ঠিটা সৰু সৰু ঘটত পূজা লয়), ঘড়ুলীৰ সৰুই নাল = অনাহত চক্ৰৰ শিৰৰ ক্ষুদ্ৰ ছিদ্ৰ , দুই ঘৰ = ৰূপ কাষা, ধৰ্ম্ম কাযা।

এক সে শুণ্ডিনিণী দুই ঘৰে সান্ধঅ এটা পাতন যন্ত্ৰ, (সুৰা) দুই দেহত (সোমায)

এক সে	=	এক, এটা
শুণ্ডিনিণী< শুণ্ডিণী	=	সুৰা পাতনৰ বক যন্ত্ৰ , জৈৱ শক্তি উৎপন্ন কৰা নিৰ্ম্মাণ চক্ৰ
দুই ঘৰে	=	দুই দেহ - নিৰ্ম্মাণ কাযা + ধৰ্ম্ম কাযা
সান্ধঅ<সন্ধান	=	মদ্য প্ৰস্তুতি (সান্ধিক মদ প্ৰস্তুত কাৰক), মদ্য পাতন কাৰ্য্য। শক্তি দেহত সৃষ্ট। দেহৰ শক্তি ৰূপকাযা আৰু ধৰ্ম্মকায়া হেতুকে সৃষ্ট।

চীঅণ বাকলঅ বাৰুণি বান্ধঅ চিকুণ দেহত শক্তি আবদ্ধ থাকে।

চীঅণ< চিক্কন	=	চিকুণ
বাকলঅ<বল্কল	=	বাকলি, আবৰণ, মনুষ্য দেহা
বাৰুণি (সুৰা)	=	জৈৱ শক্তি
বান্ধঅ< বন্ধ	=	আবদ্ধ থাকে, ঘেৰি থাকে।

সহজে স্থিৰ কৰী বাৰুণি সান্ধে শূন্যতা প্ৰজ্ঞা স্থিৰ কৰি শক্তি সঞ্চাৰ কৰা

সহজ	=	যুগপৎ জাত অনুভূতি, ইয়াত তথতা + সুখ
স্থিৰ কৰী	=	উদ্দেশ্য কৰি, লক্ষ ৰাখি
বাৰুণি সান্ধে	=	শক্তি প্ৰবেশ কৰে, শক্তি সঞ্চাৰ হয়

বাক্যৰ অৰ্থ — দেহৰ জৈৱ শক্তি সহজানন্দক লক্ষ্য ৰূপে ৰাখি সঞ্চলিত কৰা উচিত।

জেঁ অজৰামৰ হোই দিট কান্ধঃ অজৰ-অমৰ অভিলাষী হৈ দৃঢ় স্কন্ধহোৱা

জেঁ অজৰামৰ হোই	=	যাৰ অজৰ-অমৰ হোৱাৰ উদ্দেশ্য

অজৰামৰ শব্দই ইয়াত তাও পন্থী সকলৰ immortal অৰ্থ সূচাইছে -

নহয়। জৰা - মৃত্যুৰ ভয় জয় কৰিব বিচৰা জনে —

দিঢ় কান্ধ< দৃঢ়স্কন্ধ = দৃঢ় জ্ঞান যুক্ত (পঞ্চ স্কন্ধ)

দশমি দুআৰত চিহ্ন দেখইআ মানব দেহৰ দশদুৱাৰ দেখি

দশমি দুৱাৰ অৰ্থাৎ দশখন দুৱাৰৰ ওপৰত টোকা চাওক।

আইল গৰাহক অপণে বহিআ গ্ৰহণ কৰ্ত্তা (প্ৰাণ) নিজেই বৈ আছে।

ওপৰত টোকা চাওক "প্ৰাণ বায়ু" সম্বন্ধে। বায়ু নিজেই দেহত আহি সোমায়

চউশঠী ঘড়িয়ে দেট পসাৰা চৌষষ্ঠি ব্যসনে নিজকে বিক্ৰয় কৰে

চউশঠী ঘডিযে	=	চৌষষ্ঠি ঘটে।
দেট<দা	=	দিযে
পসাৰা<পসাৰ	=	পণ্য দ্ৰব্য বিক্ৰয় কৰে

চৌষষ্ঠি ঘটে চৌষষ্ঠি ব্যসন বুজায়। বিতং অৰ্থৰ বাবে পূৰ্ব্বৰ টোকা চাওক।

পইঠেল গৰাহক নাহি নিসাৰা সোমোৱা বায়ু তাতেই নিঃসাৰ নহয়

প্ৰাণ শক্তি সৰহাংশ তাতেই ব্যয় হয়, কিন্তু নিঃসাৰ নহয়।

পইঠেল	=	প্ৰবিষ্ট, সোমোৱা
গৰাহক<গ্ৰাহক	=	(প্ৰবিষ্ট) বায়ু
নাহি	=	নাই
নিসাৰা<নিঃসাৰ	=	বহিৰ্গমন

টিপ্পনী : 'বায়ুৰ বহিৰ্গমন নাইৰ' অৰ্থ 'কুম্ভক' অবস্থা। আন অৰ্থ হ'ল, জৈৱশক্তি চৌষষ্ঠি ব্যসনত শক্তি ব্যয় কৰি নিঃসাৰ হয়, তাক হবলৈ দিবলৈ বাৰণ কৰিছে।

এক ঘড়ুলী সৰুই নাল এটা ঘট (ব্যসন) তাৰ ক্ষুদ্ৰ নলী

এক	=	এটা
ঘড়ুলী	=	ঘট, পদ্মদল, ব্যসন
সৰুই	=	ক্ষুদ্ৰ
নাল	=	নলী

টিপ্পনী : এটা ঘটৰ সৰু নলীৰ অৰ্থ হিন্দুতন্ত্ৰমতে বুজা সহজ। হৃৎপিণ্ডৰ অনাহত চক্ৰৰ ওপৰত সূক্ষ্ম ছিদ্ৰ থকা বুলি কল্পিত। বাস্তৱতে, মানৱৰ হৃদয়ত বহু আবেগ থাকে যদিও জীৱনত সাধাৰণতে এটা আবেগেই প্ৰাধান্য পায় —

কোনোবা জন লোভী, কোনোবা ক্ৰোধী, কোনোবা হিংসাপৰায়ণ আৰু সেযেই ব্যক্তিজনৰ মূল চৰিত্ৰ। বিৰুৱাপাদে কৈছে আবেগৰ সূক্ষ্ম নলীৰে কেবল এনে আবেগ হে সম্ভোগ চক্ৰ বা বিশুদ্ধ চক্ৰত (কণ্ঠ চক্ৰ) প্ৰৱেশ কৰিবলৈ দিবা যাক সমস্যাহীন ভাৱে শূন্যতালৈ পৰিবৰ্ত্তন কৰিব পাৰি।

ভণন্তি বিৰুৱা থিৰ কৰি চাল কি দৰে চলিব স্থিৰ কৰি বিৰুৱাপাদে চৰ্যা ৰচিছে।

ভণন্তি	=	কয, ভণে, ৰচে
বিৰুৱা	=	বিৰুৱাপাদে
থিৰ কৰি	=	স্থিৰ কৰি, সুনিৰ্দ্দিষ্ট কৰি
চাল	=	চলন, কি দৰে চলিব লাগে। ❖❖

৪

ৰাগ অৰু ঃ গুণ্ডৰীপাদানাম্

মূলপাঠ	আধুনিক ভাষান্তৰ/অৰ্থ
তিঅড্ডা চাপী জোইণি দে অঙ্কৱালী।	তিনিটি পথেৰে চাপি পৰমশান্তিআবেঁৱালি ল।
কমল কুলিশ ঘান্টে কৰহুঁ বিআলী।।	মাযা-দ্বেষ নিষ্পেষণ কৰো যে সন্ধিযা ।
যোইণি তঁই বিণু খনহিঁ ন জীৱমি।	প্ৰশান্তি অবিহনে মই ক্ষণমাত্ৰ নিজিয়োঁ।
তো মুহ চুম্বী কমলৰস পীবমি।।	তোমাৰ মুখ চুমি মই পদ্মৰস পান কৰিম।
খেপহুঁ জোইণি লেপ নজায।	ইযাক পৰিত্যাগ কৰিব নোৱাৰি, ঢাকিবও নোৱাৰি
মণিকুলে বহিআ ওড়িআণে সমাঅ।।	প্ৰাণাযামত বহিলে (মন) ভাত-কাপোৰৰ চিন্তাত সোমায।
সাসু ঘৰেঁ ঘালি কোঞ্চা তাল।	আলোড়িত শ্বাসক তলা -চাবিৰ দৰে বন্ধ কৰা।
চান্দ সূজ বেণি পখা ফাল।।	চৰ্য্যা-ক্ৰিয়া তন্ত্ৰ দুয়ো পাখি মেলি আছে।
ভণই গুড্ডৰী অহ্মে কুন্দুৰে বীৰা।	কৈছে গুড্ডৰীপাই মই কুন্দুৰ তন্ত্ৰত পটু
নৰঅ নাৰী মঝেঁ উভিল চীৰা।।	নৰ নাৰীৰ মাজত পতাকা (ডোঙী) উৰিল (জয় হ'ল)।

টিপ্পনী ঃ গুণ্ডৰীপাদৰ চৰ্যাগীতৰ প্ৰথম বাক্যটোৱেই সাক্ষ্য বহন কৰে যে ই যোগতন্ত্ৰৰ সমৰ্থনত লিখা গীত। " তিঅড্ডা চাপী জোইণি দে অঙ্কৱালী" অৰ্থ — তিনিটা পথেৰে কাষচাপি যোগিনীক আলিঙ্গন দিবলৈ আহ্বান কৰিছে গীতৰ ৰচকে। যোগতন্ত্ৰৰ সিদ্ধি পথ তিনিটা — জপ, ভক্তি আৰু শূন্যতা বোধ (যাগ বা ধ্যান)। তিনিটা পথৰ সমন্বয়ত সৃষ্টি হৈছে যোগতন্ত্ৰ। যৌনাচাৰৰ ইঙ্গিতৰ অনুপস্থিতিয়ে ইযাক অনুত্তৰ তন্ত্ৰৰ চৰ্যাগীত হোৱাৰ সম্ভাৱনা নুই কৰিছে। ইযাত তান্ত্ৰিক পৰিভাষা যোগতন্ত্ৰৰ শাস্ত্ৰ অনুযায়ী বুজিব লাগিব।

তিঅড্ডা চাপী জোইণি দে অঙ্কৱালী ত্ৰি পথেৰে চাপি পৰমশান্তি আলিঙ্গন দে।

তি অড্ডা< ত্ৰি+ অট্ট্যা	=	তিনি ভ্ৰমণ, ত্ৰি ভ্ৰমণ পথ
চাপী< চাপযিত্বা	=	কাষ চাপি, ওচৰলৈ আহি
জোইণি< যোগিনী	=	মানস + ধৰ্ম্ম ধাতু = মনৰ নিস্পন্দতা।
দে <দেহ	=	দান কৰ, দিয়া
অঙ্কৱালী <আকোঁৱালী	=	আকোঁৱাল, আলিঙ্গন

কমল কুলিশ ঘান্টে কৰহুঁ বিআলী আবেলি মোহ আৰু দ্বেষ বিক্ষেপণ ধ্যান কৰো।

কমল	= পদ্ম, মোহ বিক্ষেপণ ধ্যান, যাৰ কুলপতি অমিতাভ
কুলিশ	= বজ্ৰ, দ্বেষ বিক্ষেপণ ধ্যান, যাৰ কুলপতি অক্ষোভয
ঘান্টে<ঘট্টন	= বিমৰ্দ্দন, নিষ্পেষণ, অবদমন
কৰহু<ক্ৰি	= কৰো
বিআলী<বিযলি	= আবেলি, সন্ধিযা।

টিপ্পনী ঃ যোগতন্ত্ৰৰ মূল নীতি, মনৰ নীচ অভিলাষ আৰু অনুভূতি যেনে, কাম, দ্বেষ, হিংসা, লোভ, মোহ উৎপাটন কৰি মনলৈ শূন্যভাৱ অনাৰ প্ৰযোজন। বৌদ্ধ যোগাচাৰী আনন্দগৰ্ভই তেখেতৰ 'শ্ৰীপৰমাদ্যাটিকাত' মনৰ চাৰিটা প্ৰধান বিষ চিনাক্ত কৰিছে- ৰাগ, দ্বেষ, মোহ (মিথ্যা দৃষ্টি) আৰু মাৎসৰ্য্য। ইযাক দমন কৰিব পাৰি কেৱল একাগ্ৰ চিন্তাৰ (one point concentration) দ্বাৰা (Lessing & Wayman - p 221)। পদ্ম আৰু কুলিশ বৰ্ত্তমান গীতত ক্ৰমান্বযে মোহ আৰু দ্বেষ দূৰ কৰা দুটা ধ্যান প্ৰাণাযামৰ নাম যি যোগতন্ত্ৰত ব্যৱহৃত। অনুত্তৰে তন্ত্ৰ শাস্ত্ৰনুযাযী পদ্ম = যোনি, কুলিশ= বজ্ৰ = লিঙ্গ (হেবজ্ৰ তন্ত্ৰ)। পূৰ্ব্বভাষ্যকাৰ সবে যোগতন্ত্ৰৰ অৰ্থ অবজ্ঞা কৰি অশুদ্ধ অৰ্থ কৰিছে। পদ্মকুল যাৰ অধিপতি অমিতাভ আৰু কাৰ্য্য মোহ বিক্ষেপণ, আৰু বজ্ৰকুল

(কুলিশ) যাৰ অধিপতি অক্ষোভয, কাৰ্য্য দ্বেষ বিক্ষপণ।

যোইনি তঁই বিণু খনহি ন জীবমি প্ৰশান্তিহীন মই ক্ষণমাত্ৰও জীয়াই নাথাকো

যোইনি<যোগিনী	=	মনৰ নিস্পন্দতা। যোগিনী প্ৰাণায়ামৰ দ্বাৰা প্ৰাপ্ত ঃ
তঁই<তয়ু	=	তুমি, তই
বিণু<বিনা	=	অবিহনে
খনহি<ক্ষণহি	=	ক্ষণমাত্ৰ, এখন্তেকও
ন	=	নহয, নেতি
জীবমি	=	জীয়াই থাকিম

তো মুহ চুম্বী কমলৰস পীবমি তোৰ মুখ চুমি মই পদ্ম ৰস পি খাম

তো<তব	=	তোৰ
মুহ<মুখ	=	অধৰ, মুখ
চুম্বী<চুম্বন কৰি	=	চুমি
কমলৰস	=	পদ্ম ধ্যানলব্ধ ৰস
পীবমি	=	পান কৰিম

টিপ্পনী ঃ ইযাত গুণ্ডৰীপাদে প্ৰাণাযাম ধ্যানৰ এটি কাৰিকৰী দিশ অবতাৰণা কৰিছে। কোনো কোনো প্ৰাণাযামত নিশ্বাস এৰাৰ সময়ত (ৰেচক) জিভাখন ওভটাই আলজিভাত লগাই লোৱা হয। দীৰ্ঘকাল তেনে প্ৰাণাযামৰ পিচত জিহ্বা মূলত মধু বা অমৃত বিন্দু বিন্দু ৰূপে ক্ষৰিত হয বুলি বিশ্বাস (চিনীয প্ৰাণাযামৰ - " চী" সৃষ্টিৰ দৰে)। পদ্মকুলৰ ধ্যান প্ৰাণাযাম পদ্ধতি যি কোনো বৌদ্ধ যোগতন্ত্ৰ শাস্ত্ৰ পোৱা যায।

খেপহুঁ জোইণি লেপ নজায় প্ৰশান্তি (যোগিনী) পৰিত্যাগ কৰিব নোৱাৰি ঢাকিবও নোৱাৰি

খেপহুঁ <ক্ষেপণ	=	পৰিত্যাগ কৰোঁ, ক্ষেপণ কৰো
জোইণি	=	যোগিনী, মনঃস্থৈৰ্য্য, প্ৰশান্তি
লেপ<লেপন	=	আবৃত কৰণ, বিলেপন
নজায	=	নাযায, সম্ভৱ নহয়

মণিকুলে বহিআ ওড়িআনে সমাঅ প্ৰাণাযাম কালত (মনত) ভাত কাপোৰৰ চিন্তা সোমায়

মণিকুল	=	লৌকিক তন্ত্ৰৰ, পৌষ্টিক কুলৰ, ভাত-কাপোৰৰ যোগান ধৰা সম্ভৱ বুলি বিশ্বাস কৰা যোগৰ নাম
বহিআ<বাহিত	=	বৈ আহি (flow)

ওডিআনে<উডিযান	=	উড্ডিযন (বন্ধ), প্ৰাণাযামৰ কুম্ভক কাৰ্য্যৰ এটি অংশ
সমাঅ	=	সোমায, অন্তৰ্বিষ্ট হয

টি প্পনী ঃ অধিকা ংশ ভাষ্যকাৰে বৰ্ত্তমান পদৰ "মণিকুল" শব্দটো 'মণিমূল' শব্দলৈ পৰিবৰ্ত্তন কৰি 'শুদ্ধ' কৰি দিছে (মুনিদত্ত, শহীদুল্লাহ, সৌম্যেন্দ্ৰ ইত্যাদি)। বাস্তবতে ই মুনিদত্তৰ অজ্ঞতাৰ অন্যতম চানেকি। 'মণিকুল' 'পৌষ্টিক গোষ্ঠিৰ' লৌকিক (নিম্নাচাৰ বা অধমাচাৰ) তন্ত্ৰ বিশেষ। ইযাত সিদ্ধিৰ ফল স্বৰূপে সাধকে জীৱনত ভাত-কাপোৰৰ অভাৱত নপৰে। ভাত - কাপোৰৰ চিন্তা সাধকৰ মনঃশান্তিৰ প্ৰধান অন্তৰায। সেযেহে মনে ভাত-কাপোৰ চিন্তা, ৰূপক প্ৰযোগত "মণিকুল সাধনাত সিদ্ধি লাভৰ" প্ৰযাস ত্যাগ কৰিব লাগিব, অন্যথায উচ্চ আচাৰৰ লোকোত্তৰ তন্ত্ৰত সিদ্ধি লাভৰ আশা নাথাকে (The wealthy family Mani-Kula means the dispelling of the evil of poverty among sentient beings by Sri Manibhadra and others - p 102 Lessing & Wayman)। যিহেতু পৌষ্টিক কুল আৰু লৌকিক কুল দুযোটা পদ্ম - বজ্ৰ কুলৰ অন্তৰ্গত যিযে মোহ আৰু দ্বেষ অবদমিত কৰে, গুণ্ডৰীপাদে অভিযোগ আনিছে তেখেতে সন্ধিযাৰ প্ৰাণাযামত বহি উড্ডিযন বন্ধ কৰিলে মন মোহ-দ্বেষ ধ্বংস কৰাতকৈ ভাত-কাপোৰৰ চিন্তাত হে নিমগ্ন হয (বিতং বৰ্ণনাৰ বাবে চৰ্যা ১২ ৰ টীকা টিপ্পনী চাওক) । জাপানৰ বৌদ্ধ সন্ত ডাইসোনিন নিখাৰনেও আসোঁৱাহ তুলিছিল যে শিষ্য সবে নিৰ্ব্বাণতকৈ ভাত-কাপোৰৰ চিন্তাত হে অধিক মগ্ন।

সাসু ঘৰেঁ ঘালি কোঞ্চা তাল — শ্বাস দেহত তলা চাবি মৰাৰ দৰে বন্ধ কৰি

সাসু	=	শ্বাস, প্ৰাণাযামৰ শ্বাস-নিশ্বাস
ঘৰেঁ	=	আত্মাৰ দেহা, মানৱ দেহা
ঘালি	=	আহত কৰি, ধ্বংস কৰি, বন্ধ কৰি (কুম্ভক)
কোঞ্চা	=	চাবি
তাল	=	তলা

চান্দ সুজ বেণি পখা ফাল — পূজা (চান্দ - চৰ্য্যা), জপ (সূৰ্য্য ক্ৰিযা) দুই পাখি মেলি আছে

চান্দ	=	চন্দ্ৰ, চন্দ্ৰ মণ্ডল, পূজা-ধ্যান,চৰ্য্যাতন্ত্ৰ
সুজ	=	সূৰ্য্য, সূৰ্য্য মণ্ডল, জপ-প্ৰাণাযাম, ক্ৰিযাতন্ত্ৰ
বেণি< দ্বিনি	=	দুই, দুটা

পখা<পক্ষ	=	পাখি, আবৃত কৰি ৰখা আছ
ফাল<স্ফাৰিত	=	মেলি

টিপ্পনী : যিহেতু গীতৰ প্ৰথম বাক্যত তিনিটা পথৰ উল্লেখ আছে, ক্ৰিয়া তন্ত্ৰৰ মহাসিদ্ধ বুদ্ধগুহ্যক সূৰ্য্য আৰু চৰ্য্যাতন্ত্ৰৰ অন্যতম হোতা মহাসিদ্ধ বৰাহবোধীক চন্দ্ৰ বোলা হৈছে।

ভণই গুড়ডৰী অহমে কুন্দুৰে বীৰা কয় গুড্ডৰীয়ে মই চণ্ডযোগত সিদ্ধ

ভণই	=	কয
গুড্ডৰী	=	গুণ্ডৰীপাদ (গীতৰ ৰচক)
অহ্মে<অহম	=	মই, স্ব
কুন্দুৰে<কুন্দৰু	=	চণ্ডযোগত, অগ্নি যোগত
বীৰা	=	সিদ্ধ, পটু,

টিপ্পনী : 'কুন্দুৰে' শব্দৰ অৰ্থ বুজি নাপাই ভাষ্যকাৰ সকলে হয় তাক অবজ্ঞা কৰিছে (পৰীক্ষিত হাজৰিকা, সুকুমাৰ সেন) অথবা অৰ্থ 'সুৰত', দ্বিইন্দ্ৰিয যোগ (সৌম্যেন্দ্ৰ, জাহ্নবী চক্ৰবৰ্তী) কৰিছে। কুন্দুৰে<কুন্দৰু শব্দৰ মূল কুণ্ড, যিযে যজ্ঞৰ অগ্নি কুণ্ডও সূচায। যোগতন্ত্ৰৰ উচ্চ স্তৰত চণ্ডযোগৰ দ্বাৰা সমস্ত চণ্ডালী শ্বাসেৰে জ্বলাই দি শূন্যতা অনুভূত হ'ব লাগে। চণ্ডৰ অৰ্থ অগ্নি। কুন্দুৰে বীৰাৰ অৰ্থ চণ্ডযোগত সিদ্ধ ব্যক্তি যাৰ মনৰ বাসনা, দ্বেষ, লোভ আদি ভস্ম হৈ কেৱল শূন্য বোধ অৱশিষ্ট (কুন্দুৰে শব্দৰ অৰ্থ পাব Buddhist Hybrid Sanskrit Grammar & Dictionary - Franklin Edgerton - Motilal Banarsidass।)

নৱঅ নাৰী মঝেঁ উভিল চীৰা পুৰুষ স্ত্ৰীৰ মাজত পতাকা উৰিল

নৱঅ নাৰী	=	নৱ নাৰী, পুৰুষ-স্ত্ৰী, বাইজ, জনতা
মঝেঁ<মধ্য	=	মাজত
উভিল<উড্ডিয়ন	=	উৰিল, উঠিল
চীৰা<চীৰ	=	বস্ত্ৰ, পতাকা

টিপ্পনী : চীৰ বা পতাকা ডোম্বী প্ৰাণাযামৰ চিহ্ন ("Dombi visvavarna mahadhavja patakam dhatte" - Panchadaka Mandala)।

টীকা : বৰ্ত্তমান চৰ্যাগীতৰ ভাবাৰ্থ হ'ল, নিজৰ মনৰ পৰা মোহ আৰু দ্বেষ আতৰাবলৈ সন্ধিযা যেতিয়া গুণ্ডৰীপাদে 'পদ্ম- বজ্ৰ' ধ্যানত ৰহে, কি খাব,

কি পিন্ধিব চিন্তাত মনটো নিজে নিজেই মণিকুল ধ্যানত সোমায, তাৰ হেতুকে সাধকৰ মনৰ শান্তি ধ্বংস হয আৰু জীযাই থাকিবলৈ অনিচ্ছা হয।

মনৰ প্ৰশান্তি ফিৰাই পাবলৈ গুণ্ডৰী পাদে ব্যৱস্থা দিছে -শ্বাস-প্ৰশ্বাস দেহৰ ভিতৰতে বন্ধ কৰি ৰখা তলা চাবি দিযাৰ দৰে (কুম্ভক আৰু শূন্য)। তেখেতে নিজে চণ্ডযোগ আৰু চণ্ডালী প্ৰাণাযামত পটু (কুন্দুৰে বীৰা)। তেখেতৰ খ্যাতি ৰাইজৰ মাজত উজ্জ্বল। দ্বিতীয অৰ্থ হ'ব পাৰে যিহেতু ডোম্বী প্ৰাণাযাম উচ্চ যোগাচাৰ আৰু নিম্ন অনুত্তৰ তন্ত্ৰত ব্যৱহৃত, ডোম্বীত সফল হ'লে, পুৰুষ-স্ত্ৰীৰ যৌনাচাৰৰ প্ৰযোজন নাই। শুদ্ধ উত্তৰ কেৱল গুণ্ডৰীপাদে দিব পাৰিব। ❖❖

৫

ৰাগ গুৰ্জৰী ঃ চাটিল্লপাদানাম্

মূলপাঠ	আধুনিক ভাষান্তৰ অৰ্থ
ভৱণই গহণ গম্ভীৰ বেগেঁ বাহী।	জগৎ দুৰ্গম্য খৰস্ৰোতা নৈৰ দৰে
দুআন্তে চিখিল মাঝেঁ ন থাহী।।	দুপাৰে বোকা, মাজত অতল গভীৰতা।
ধামাৰ্থে চাটিল সাঙ্কম গঢ়ই।	ধৰ্ম্মৰ হেতু চাটিলে সেতু বান্ধিলে
পাৰগামি লোঅ নিভৰ তৰই।।	পাৰগামীলোকে নিৰ্ভৰ কৰি পাৰ হয়।
ফাড্ডিঅ মোহতৰু পাটি জোড়িঅ।	মোহতৰু ফালি পাটবোৰ সংযোজিত কৰা
আদঅ দিঢ় টাঙ্গী নিবাণে কোড়িঅ।।	অদ্বযৰ দৃঢ় টাঙ্গিৰে নিৰ্বাণৰ বাট খান্দা।
সাঙ্কমত চড়িলে দাহিণ বাম মা হোহী।	সাঁকোত উঠিলে সোঁ-বাওঁ নহবা।
নিঅড্ডী বোহি দূৰ মা জাহী।।	বুদ্ধজ্ঞান নিকটত দূৰ ভ্ৰমণলৈ নাযাবা।
জই তুম্হে লোঅ হে হোইব পাৰগামী।	তোমালোকে যেযে পাৰ [illegible]বিছ্ছ
পুচ্ছতু চাটিল অনুত্তৰ সামী।।	অনুত্তৰতন্ত্ৰস্বামী চাটিল্লক সৌ[illegible]।

টীকা ঃ বৰ্ত্তমান চৰ্যাগীত নিঃসন্দেহে অনুত্তৰ তন্ত্ৰৰ সমৰ্থনত ৰচা গীত। গীতৰ শেষ শাৰী বাক্যত "চাটিল অনুত্তৰ সামী" অৰ্থাৎ অনুত্তৰ তন্ত্ৰৰ অধিকাৰী বুলি অভিহিত কৰিছে। দ্বিতীয বাক্যত "দুআন্তে চিখিল মাঝেঁ নথাহী," ইঙ্গিত দিছে যে গীত ৰচকে বৌদ্ধতন্ত্ৰৰ প্ৰথম তিনিটা পথ - ক্ৰিযা, চৰ্য্যা আৰু যোগতন্ত্ৰক সমৰ্থন নকৰে তিনিওটা লগ লগাই চতুৰ্থ 'আদঅ" (অদ্বয) তন্ত্ৰ সৃষ্টিৰ কথা কৈছে। ভৱনদী আৰু বৌদ্ধ তন্ত্ৰক এক বেগৱতী গহন গম্ভীৰ নদীৰ লগত তুলনা কৰি কৈছে দুই পাৰত (অন্তত) বোকা (চিখিল), মাজত অথৈ গভীৰতা (ন থাহী) যাৰ প্ৰকৃত অৰ্থ, ক্ৰিযাতন্ত্ৰ (জপ-প্ৰাণাযামত গুৰুত্ব) আৰু চৰ্য্যা তন্ত্ৰ (পূজা-ভক্তি)

দুইপাৰৰ বোকা, মাজৰ যোগতন্ত্র (ধ্যান -শূন্যতা) এনে গভীৰ যে সাধকে তলি নাপাব। অতএব এই তিনিটা সন্মিলিত কৰি সাঁকো সৃষ্টি কৰা যি অদ্বয় (non dual) তন্ত্র বা অনুত্তৰ তন্ত্র। অনুত্তৰ তন্ত্রই হে সাধকক নিৰ্ব্বাণ পথত আগুৱাই নিব।

ভবণই গহণ গম্ভীৰ বেগেঁ বাহী জগৎ দুৰ্গম্য গভীৰ খৰস্রোতা (নৈ সদৃশ)

ভবণই< ভব নদী	=	জগৎ (নদী)
গহণ	=	কষ্টগম্য, দুৰ্গম্য, দুৰ্গম
গম্ভীৰ	=	গহীন, দ, গভীৰ
বেগেঁ বাহী	=	বেগেৰে বোৱা, খৰস্রোতা

দুআন্তে চিখিল মাঝেঁ ন থাহী দুপাৰত বোকা মাজত অতল গভীৰতা

দুআন্তে< দুই অন্তত	=	দুই পাৰত, দুই পাৰে
চিখিল < চিখিল্ল	=	বোকা, কৰ্দ্দম
মাঝে < মধ্য	=	মাজত, মধ্যত
ন	=	নাই, নেতি
থাহী< স্থাঘিক	=	থানি, তলি, (বঙালীত থৈ)

টিপ্পনী ঃ প্রথম দৃষ্টিত ভবনদীৰ দুটা বোকাময় পাৰ আৰু মাজত অতল গভীৰতা য'ত পাৰত উঠিব খুজিলে বোকাত পোত যাবা, মাজেৰে গলে অথৈ গভীৰতাত বুৰ যাবা বুলি চাটিলে কোৱা যেন লাগিলেও, বাস্তৱতে ভবনদী পাৰ হোৱাৰ বৌদ্ধতন্ত্রত যি তিনিটা ধাৰা - দক্ষিণ, ক্রিযাতন্ত্র য'ত মন্ত্র জপ আৰু প্রাণাযামক অধিক গুৰুত্ব দিযে, বাম - চৰ্য্যা তন্ত্র য'ত ভক্তি আৰু পূজাক অধিক গুৰুত্ব দিযে তাক সাধক আধ্যাত্মিক ভাবে লাগি ধৰা পল বোকা বুলিছে। মধ্যৰ যোগতন্ত্র, য'ত পূজা-জপতকৈ ধ্যান-বিশ্লেষণক সৰ্ব্বাধিক গুৰুত্ব দি মনলৈ শূন্যতা ভাব আনি তথতা (reality) উপলব্ধি কৰাই লক্ষ্য, তাক অথৈ গভীৰ বুলি কৈছে। চাটিলৰ মতে সাধকে হয পূজা -সেৱাত লিপ্ত হৈ থাকে অথবা যোগাচাৰ তন্ত্রৰ গভীৰ দৰ্শনত উৱাদিহ নোপোৱা হৈ উটি যায।

ধামাৰ্থে চাটিল সাঙ্কম গঢ়ই ধৰ্ম্মাৰ্থে চাটিল্লই সাঁকো বান্ধিলে

ধামাৰ্থে< ধৰ্ম্মাৰ্থে	=	ধৰ্ম্মৰ হেতু, ধৰ্ম্মৰ বাবে
চাটিল	=	চাটিল্ল পাদ (গীতৰ ৰচক)
সাঙ্কম< সংক্রম	=	সাঁকো, দলং,
গঢ়ই < গ্রথতি	=	বান্ধে, গঢ়ে

টিপ্পনী ঃ সাঙ্কম বা সাঁকোই পাৰ গমন বা উত্তীৰ্ণ হোৱাৰ পথ সূচাইছে।

পাৰগামি লোঅ নিভৰ তৰই পাৰলৈ যোৱা লোকে নিশ্চিতে পাৰ হয়।

পাৰগামি< পাৰগামী = পাৰলৈ যোৱা, উত্তীৰ্ণ হোৱা
লোঅ< লোক = ব্যক্তি, মানুহ
নিভৰ< নিৰ্ভৰ = ভাৰসা, আশ্বাস। নিভৰ = নিৰ্ভয়,
তৰই< তৰিত = উত্তীৰ্ণ, পাৰ হয়।

ফাড্ডিঅ মোহতৰু পটি জোড়িঅ মোহতৰু ফালি পাটবোৰ সংযোজিত কৰা

ফাড্ডিঅ = ফাড়িঅ, ফাল (cleave)
মোহতৰু <মোহ তৰু = মোহ বা অবিদ্যা বৃক্ষ স্বৰূপ
পটি< পট্টি< পাটিক = পাট, তক্তা
জোডিঅ = জোৰা লগা, সংযোজিত কৰ

আঁদঅ দিঢ় টাঙ্গী নিবাণে কোডিঅ অদ্বয় টাঙ্গিৰে নিৰ্ব্বাণলৈ বাট খান্দা

আদঅ<অদ্বয় = অদ্বৈত, দ্বিতীয়হীন (পিতৃতন্ত্ৰ + মাতৃতন্ত্ৰ)
দিঢ়<দৃঢ় = স্থিৰ, দৃঢ়
টাঙ্গী = কুঠাৰ সদৃশ অস্ত্ৰ বিশেষ, টাঙ্গি
কোডিঅ = খনন কৰ বান্ধ (make a channel)

টিপ্পনী ঃ অদয় বা অদ্বয় তন্ত্ৰ অনুত্তৰ তন্ত্ৰৰ আন এটি নাম, কাৰণ এই তন্ত্ৰই পিতৃতন্ত্ৰ আৰু মাতৃতন্ত্ৰ (উপায় + প্ৰজ্ঞা) ভিন্নভাৱে প্ৰয়োগ নকৰে। দুয়োটাৰ সমন্বয় ঘটাই অদ্বয় তন্ত্ৰৰ সৃষ্টি।

সাঙ্কমত চড়িলে দাহিণ বাম মা হোহী সাঁকোত উঠি সোঁ-বাওঁ নহ'বা

সাঙ্কমত = সাঁকোত, দলঙত
চডিলে = উঠিলে
দাহিণ<দক্ষিণ = সোঁ (পিতৃতন্ত্ৰ)
বাম = বাওঁ (মাতৃতন্ত্ৰ)
মা হোহী = নহ'বা

নিঅড্ডী বোহি দূৰ মা জাহী ওচৰতে বুদ্ধজ্ঞান দূৰলৈ নাযাবা

নিঅড্ডী<নি + অট্ট্যা = নাই ভ্ৰমণ (দূৰত্ব)
বোহি<বোধি = বুদ্ধজ্ঞান, বুদ্ধচিত্ত

দূৰ	=	অনিকট
মা জাহী	=	নাযাবা

জই তুম্হে লোঅ হে হোইব পাৰগামী তোমালোকে যেয়ে পাৰ হব বিচাৰিছা

জই	=	যি, যি জন
তুম্হে	=	তোমালোকে
লোঅ<লোক	=	ব্যক্তি
হে	=	ৰে
হইব< ভব	=	হ'ব, হব (খুজিছে)
পাৰগামী	=	পাৰ গমনেচ্ছুক

পুচ্ছতু চাটিল অনুত্তৰ সামী অনুত্তৰ (তন্ত্ৰৰ) অধিকাৰী চাটিল্লক সোধা

পুচ্ছতু< পুচ্ছহ + তু	=	জিজ্ঞাসা কৰা, সোধা (তুমি)
চাটিল	=	চাটিল্ল পাদ
অনুত্তৰ	=	অনুত্তৰ তন্ত্ৰ
সামী<স্বামী	=	অধিকাৰী, গুৰু, সিদ্ধ ব্যক্তি

টিপ্পনী ঃ বৰ্ত্তমান চৰ্যাগীত চাটিল্লপাদ দ্বাৰা ৰচিত বুলি আদি ভাষ্যকাৰে জনালেও, তাৰ বাস্তৱ প্ৰমাণ নাই। চাটিল্লপাদ ইয়াত তৃতীয় পুৰুষ ৰূপে উল্লেখ কৰা হৈছে। 'অনুত্তৰ' শব্দই ইয়াত সৰ্ব্বশ্ৰেষ্ঠ বা তুলনাহীন বুজোৱা নাই। বৌদ্ধ মহাসিদ্ধই নিজকে সৰ্ব্বোত্তম বুলি ঘোষণা নকৰে। তেনে ঘোষণাই তেখেতৰ সমতা জ্ঞানৰ অভাৱ সূচাব। ইয়াত চাটিল্লপাদৰ কোনো ভক্ত শিষ্যই অনুত্তৰ তন্ত্ৰ তথা নিজৰ গুৰুৰ গুণ বৰ্ণাই এই গীতটি ৰচিছে তাৰে সম্ভাৱনাই অধিক। ❖❖

৬

ৰাগ - পটমঞ্জৰী ঃ ভুসুকুপাদানাম্

মূলপাঠ	আধুনিক ভাৱান্তৰ/অৰ্থ
কাহেৰি ঘিণি মেলি অচ্ছহু কীস।	কাৰপ্ৰতি সদয়হৈ কেনেই ইয়াত আছ?
বেঢ়িল হাক পড়অ চৌদীস।।	চৌদিশে প্ৰতিবেধে বেঢ়ি ধৰিছে।
অপণা মাংসেঁ হৰিণা বৈৰী।	নিজৰ মঙহেই হৰিণাৰ বৈৰী।
খনহ ন ছাড়অ ভুসুকু অহেৰী।।	ব্যাধে ভুসুকুক ক্ষন্তেকৰ বাবেও নেৰে।

তিণ নচ্ছুই হৰিণা পিবই ন পাণী।	হৰিণাই ঘাঁহ নুছুৱে পানী নাখায়।
হৰিণা হৰিণিৰ নিলঅ নজাণী।।	হৰিণাই হৰিণীৰ বাস ক'ত নাজানে।
হৰিণী বোলঅ হৰিণা সুণ হৰিআ তো।	হৰিণীয়ে কয়, শুনা হেৰা হৰিণ
এ বণ ছাড়ী হোহ ভান্তো।।	এই স্থান এৰি প্ৰব্ৰজনশীল হোৱা।
তৰঙ্গতে হৰিণাৰ খুৰ ন দীসঅ।	মুহূৰ্ত্ততে হৰিণৰ খুৰাও দেখা নাযায।
ভুসুকু ভণই মূঢ়া হিঅহি ণ পইসঈ।।	ভুসুকে কয (কিন্তু) মূৰ্খৰ হৃদয়ত নোসোমায।

টিপ্পনী : বৌদ্ধ তান্ত্ৰিক পথাবলম্বনকাৰী সকলৰ চৌদ্ধতা ভিত্তিগত (fundamental) দোষ বা অপৰাধ হ'ব পাৰে। অশ্বঘোষৰ 'মূলপত্তি সংগ্ৰহত' ইযাৰ তালিকা পোৱা যায (Lessing & Wayman p 328-329)। ইযাৰ উপৰিও আঠোটা স্থূল অপৰাধ সম্ভৱ। মূলগত অপৰাধত সাধনা সঙ্গিনীৰ (নং ১৪) উল্লেখ আছে, যিযে সূচায এই অপৰাধ অনুত্তৰ তন্ত্ৰৰ পথানুগামীৰ বাবে মাত্ৰ প্ৰযোজ্য। বৰ্ত্তমান চৰ্যা গীতত হৰিণ-হৰিণীৰ উল্লেখ আছে যি সাধক আৰু সাধনা সঙ্গিনীক বুজাইছে। অনুত্তৰ তন্ত্ৰৰ সাধকৰ দ্বাৰা সংঘটন সম্ভৱ আঠোটা স্থূল দোষৰ ভিতৰত, ছয নম্বৰ অপৰাধ বৌদ্ধ তান্ত্ৰিকৰ, শ্ৰাবক অৰ্থাৎ মঠবাসী বৌদ্ধ ভিক্ষুৰ লগত সাদিনৰ অধিক নিবাস (to stay seven days among the sravakas)

কোনো প্ৰখ্যাত "সাধু মহাত্মা" আহি মঠত আশ্ৰয ললে, স্বাভাৱিকতে সাধাৰণ বাইজৰ মাজত কৌতূহল, উৎসাহ আৰু ভক্তি জাগে। সাধাৰণ ভক্তৰ সেই কেইদিন মঠলৈ ধাৰ ধৰে আৰু তেনে ভক্তৰ দান বৰঙনিৰে মঠৰ ভৰাল পুষ্ট হোৱাৰ উপৰিও সাধাৰণ ভিক্ষু সকলেও উচ্চ মানৰ আহাৰ পায। সেযেহে মঠৰ মহন্তৰ পৰা সাধাৰণ ভিক্ষুলৈ আটাযে চেষ্টা কৰে যাতে " মহাত্মা" আৰু কিছুকাল মঠত বাস কৰে। তেনে এটা অবস্থাক ভেঁটি কৰিযে ভুসুকুপাদে এই গীতটি ৰচিছে - মঠত বাস কৰা কালত মহাসিদ্ধ মহাত্মা জনে আহাৰ পানীয আন ঠাইৰ দৰেই পাব, কিন্তু তাৰ বিনিময়ত তেওঁ মঠৰ নিযম - কানুন, নিষেধাজ্ঞা মানি চলিব লাগিব। আনহাতে লাভপ্ৰাপ্ত মঠৰ কৰ্মকৰ্ত্তা সকলে তেওঁক চিকাৰীৰ দৰে বেঢি ৰাখে।

মহাসিদ্ধ নৰোপাই তেখেতৰ গুৰু মহাসিদ্ধ তিৰোপাক প্ৰথম লগ পোৱাৰ সময়ত তিৰোপাই মাছ খাই আছিল - যি খাদ্য নিৰামিষাহাৰী বৌদ্ধ মঠত নিষিদ্ধ। মঠৰ মহন্তৰ দ্বাৰা তিৰস্কৃত হৈ তিৰোপাই মঠ ত্যাগ কৰি পৰিব্ৰজন আৰম্ভ কৰে। ভুসুকুপাই এই গীতটি ৰচনা কৰিছিল তেখেতে অনুত্তৰ তন্ত্ৰৰ সাধক থকা অবস্থাত, পিচলৈ তেখেত যোগতন্ত্ৰৰ সাধক হয (চৰ্যা নং ৪৯ চাওক)।

কাহ্নেৰি ঘিণি মেলি অচ্ছহু কীস কাৰ প্ৰতি সদয়হৈ কেনেকৈ ইয়াত আছ?

কাহ্নেৰি<কাহাৰ (প্ৰাকৃত)< কস্য	=	কাৰ
ঘিণি<ঘৃণী (ঘৃণা + ইন্)	=	করুণা, সদয, দযাপৰবশ
মেলি< মিল (প্ৰাকৃত)	=	সম্প্ৰীতি, বন্ধুত্ব
অচ্ছহু<অচ্ছ (প্ৰাকৃত)<অস্তি	=	আছ, থাক
কীস<কি দৃশ	=	কি ৰূপ, কেনেকৈ

টীকা ঃ "ঘিণি" শব্দৰ অৰ্থ অধিকাংশ ভাষ্যকাৰে 'ঘৃণিত' বুলি ভুল কৰিছে অথবা 'গৃহীতা বা গৃহীত্বা' বুলি কৈছে। 'ঘিণি' ইয়াত "ঘৃণীৰ" অপভ্ৰংশ যাৰ অৰ্থ 'সদয' আৰু এই অৰ্থই ইয়াত প্ৰযোজ্য।

বেঢিল হাক পডঅ চৌদীস চৌদিশে প্ৰতিষেধে ঘেৰি ধৰিলে

বেঢিল<বেষ্টিত	=	ঘেৰি ধৰিলে
হাক<হক্কা (প্ৰাকৃত)	=	বাধা, হাক, নিষেধাজ্ঞা (হকা-বধা)
পডঅ<পতিত	=	পৰিল, উপস্থিত হ'ল
চৌদীস< চতুৰ্দ্দিশ	=	চাৰিওপিনে, চৌদিশে

অপনা মাংসেঁ হৰিণা বৈৰী নিজৰ মঙহেই হৰিণাৰ বৈৰী

অপনা< আপনা<আত্মন	=	নিজৰ
মাংসেঁ	=	মঙহ (বৰ্ত্তমান ক্ষেত্ৰত যশ)
হৰিণা	=	মৃগ (বৰ্ত্তমান ক্ষেত্ৰত সাধক)
বৈৰী	=	শত্ৰু

খনহ নছাডঅ ভুসুকু অহেৰী ক্ষন্তেকৰ বাবেও ব্যাধে ভুসুকুক নেৰে

খনহ < ক্ষণহ	=	ক্ষণমাত্ৰ, এক্ষন্তেকও
নছাডঅ< ন + ছাডয	=	এৰি নিদিয়ে,
ভুসুকু	=	ভুসুকুপাদ, গীতৰ ৰচক,
অহেৰী< আখেটিক	=	চিকাৰী। আহীৰী = দোহনকাৰী

টিপ্পনী ঃ সৰহভাগ ভাষ্যকাৰৰ স্বীকৃত, 'চিকাৰী' অৰ্থ সম্ভৱ যদিও, আমি ভাবো অহেৰী ইয়াত 'আহীৰী' শব্দৰ পৰা উদ্ভৱ যাৰ অৰ্থ দোহনকৰ্ত্তা। অৰ্থাৎ মঠবাসী ভীক্ষুই সাধকৰ উপস্থিতিৰ পৰা লাভবান হয়।

তিণ নছুপই হৰিণা পিবই ন পাণী ঘাঁহ নোছোৱে হৰিণাই পানী নাখায

তিণ<তৃণ	=	ঘাঁহ

নছুপই <ন + ছুপই = ন স্পৰ্শই = নোছোৱে, স্পৰ্শ নকৰে
হৰিণা = মৃগ (ভুসুকু, সাধক)
পিবই = পান কৰে, খায,
ন = নহয, নেতি
পাণী = জল, পানী

হৰিণা হৰিণিৰ নিলয় নজাণী হৰিণা (সাধক) হৰিণিৰ (সাধনা সঙ্গিনীৰ) আবাস নাজানে

হৰিণা = মৃগ (সাধক)
হৰিণিৰ = মৃগীৰ (সাধনা সঙ্গিনীৰ)
নিলয = আলয, বাসস্থান
নজাণী = নাজানে

টিপ্পনী ঃ বৌদ্ধ ভীক্ষু মঠত স্ত্ৰীৰ প্ৰবেশ তথা বাস নিষিদ্ধ, সেযেহে বৌদ্ধ তান্ত্ৰিক বাস কৰিব পাৰিলেও, সাধনা সঙ্গিনী মঠৰ বাহিৰত বাস কৰিব বাধ্য যি বাসস্থান সাধকৰ অজ্ঞাত।

হৰিণী বোলঅ হৰিণা সুণ হৰিণা তো হৰিণীযে কয হৰিণা শুনা হৰিণা

হৰিণী = মৃগী (সাধনা সঙ্গিনী)
বোলঅ<বোলয = কয
হৰিণা = মৃগ (সাধক)
সুণ< শৃণু = শ্ৰবণ কৰা, শুনা
হৰিণা = মৃগ
তো = তই

এ বণ ছাড়ী হোহু ভান্তো এই বন (মঠ) এৰি পৰিব্ৰাজনশীল হোৱা

এ<এতৎ = এই
বণ = অৰণ্য (ৰূপকাৰ্থত মঠ)
ছাডী = এৰি, ত্যাগ কৰি
হোহু< ভবহি = হোৱা
ভান্তো<ভ্ৰান্ত = ভ্ৰমণশীল (পৰিব্ৰাজনশীল)

তৰসন্তে হৰিণাৰ খুৰ ন দীসঅ মুহূৰ্ততে হৰিণৰ খুৰাও দেখা নাযায

তৰসন্তে <তৰস + অন্ত (তৃ + অস + অন্ত) = তীব্ৰ বেগে, শীঘ্ৰে

হৰিণাৰ	=	মৃগৰ
খুৰ	=	পদ অন্ত
ন	=	নহয়, নেতি
দীসঅ দৃশ্যতি		দেখা যায়

টীকা ঃ খুৰাও দেখা নাপাযৰ অৰ্থ শীঘ্ৰে তাৰ পৰা ধাবমান হ'ল অৰ্থাৎ পলাল।

ভুসুকু ভণই মূঢা হিঅহি ণ পইসঈ ভুসুকে কয় মূঢ়ৰ অন্তৰত নোসোমায

ভুসুকু	=	ভুসুকুপাদ
ভণই	=	কয়
মূঢা	=	মূঢ়ৰ, মূৰ্খৰ
হিঅহি<হৃদযত	=	অন্তৰত
ণ পইসঈ<ন প্ৰবেশ্যন্তি	=	নোসোমায

টীকা ° পইসঈৰ আন মূল পশ্য' হ'ব পাৰে তেতিয়া ণপইসইৰ অৰ্থ হ'ব, 'নেদেখে'। ❖❖

৭

ৰাগ- পটমঞ্জৰী ঃ কাহ্নপাদানাম

মূলপাঠ	আধুনিক ভাষান্তৰ / অৰ্থ
আলিএঁ কালিএঁ বাট ৰুন্ধেলা।	অফলা কফলাই(প্ৰাণায়ামে) পথ বন্ধ কৰিলে
তা দেখি কাহ্ন বিমণ ভইলা।।	তাকে দেখি কাহ্নু ব্যাকু... ।।
কাহ্নু কহিঁ গই কৰিব নিবাস।	কাহ্নু কোন আবাস (তন্ত্ৰধাৰা) বিচাৰি যাব
জো মণগোঅৰ সো উআস।।	যি মনৰ গোচৰ সি নিৰাশাজনক
তে তিনি তে তিনি তিনি হো ভিন্না।	সেই তিনি তিনিটা পৃথক।
ভণই কাহ্ন ভৱ পৰিচ্ছিন্না।।	কাহ্নুই কয় (তন্ত্ৰ) জগৎ খণ্ডত বিভক্ত।
জে জে আইলা তে তে গেলা।	যি আহিছিল সিও নোহোৰা হ'ল,
অৱাগৱণে কাহ্ন বিমণ ভইলা।।	আগমন - নিৰ্গমনে কাহ্নক ব্যাকুল কৰিলে।
হেৰি সে কাহ্নি নিঅডী জিনউৰ বট্টই।	তাকে দেখি কাহ্নুই বাটৰ (বোধিসত্বৰ) শিৰনি ওঁঠিলে।
ভণই কাহ্ন মো হিঅহি নপইসই।।	কাহ্নুই কয় মোহিত জনে নবুজে।

টিপ্পনী ঃ কৃষ্ণাপাদাচাৰ্য্য, কাহ্নুপা, কাহ্নি, কাহ্ন, আদি নামৰ একাধিক চৰ্যাগীত ৰচক আছিল। কৃষ্ণাপাদাচাৰ্য্যৰ একাধিক, যোগতন্ত্ৰ সমৰ্থক চৰ্যাগীত আছে। বৰ্তমান চৰ্যাগীত স্পষ্টভাৱে অনুত্তৰ তন্ত্ৰৰ সমৰ্থনত ৰচনা কৰা। এই গীতত ক্ৰিয়া তন্ত্ৰৰ অন্যতম ভিত্তি, প্ৰাণাযামক (আলি - কালি) সাধনাৰ পথ ৰুদ্ধ কৰা বুলি অভিযোগ আনিছে। ক্ৰিয়া তন্ত্ৰৰ জপ-প্ৰাণাযাম, চৰ্য্যাতন্ত্ৰৰ ভক্তি - ধ্যান, আৰু যোগতন্ত্ৰৰ ধ্যান-বিশ্লেষণক তিনিটা ভিন্ন পথ বুলিছে - "তে তিনি তে তিনি তিনি হো ভিন্না"। এইটো এটা অপেক্ষাকৃত সহজবোধ্য চৰ্যাগীত, যত ৰচকে কৈছে তিনিটা পথৰ সমন্বয ঘটোৱা, অন্যথায যি আহিছে (সাধনা সিদ্ধি) সিও নোহোৱা হব। তেনে অৱস্থাপালে পুনৰ গুৰিৰ পৰা সাধনা আৰম্ভ কৰিবা।

আলিএঁ কালিএঁ বাট ৰুন্ধেলা অফলা কফলাই পথ ৰুদ্ধ কৰিলে

আলি = অ ৰ পৰা ঃ লৈ অক্ষৰ ধ্বনি (যি প্ৰাণাযামত ব্যৱহৃত)
কালি = ক ৰ পৰা ক্ষলৈ অক্ষৰ ধ্বনি (প্ৰাণাযামত ব্যৱহৃত)
বাট<বৰ্ত্ম = পথ, সিদ্ধিৰ উপায
ৰুন্ধেলা<ৰুন্ধিল্ল (প্ৰাকৃত)<ৰুদ্ধকৃত = বন্ধ কৰিলে

টীকা ঃ আলি, অ-ফলা বৰ্ণমালা আৰু কালি, ক-ফলা বৰ্ণমালা প্ৰাণাযাম কাৰ্য্যত কাল গণনাৰ বাবে ব্যৱহৃত। অ-ফলাৰ ষোল্লটা অক্ষৰ ধ্বনি শ্বাস গ্ৰহণৰ (পূৰক) সময়ত উচ্চাৰণ কৰিব লাগে (প্ৰায ষোল্ল চেকেণ্ড কাল) আৰু অক্ষৰ বোৰ সোণৰ আখৰৰ ৰূপত দেহত প্ৰবেশ কল্পনা কৰাৰ প্ৰযোজন। ক-ফলাৰ বৰ্ণমালাৰ বত্ৰিশটা আখৰ শ্বাস এৰাৰ সময়ত স্বৰ্ণাক্ষৰ ৰূপত দেহৰ পৰা ওলাই যোৱা কল্পনা কৰে প্ৰাণায়ামকাৰীযে। 'অ-ফলা, ক ফলাই পথৰুদ্ধ কৰিছে বাক্যৰ দ্বাৰা গীত ৰচকে বুজাইছে অত্যধিব প্ৰাণাযামে সাধনাৰ পথত অন্তৰায হয, যি ক্ৰিযাতন্ত্ৰৰ মূল নীতিৰ পৰিপন্থী য'ত প্ৰাণাযামক সৰ্ব্বাধিক গুৰুত্ব দিযা হয।

তা দেখি কাহ্ন বিমণ ভইলা তাকে দেখি কাহ্নু ব্যাকুল হ'ল

তা দেখি = তাকে দেখি
কাহ্ন = কাহ্নুপা গীত ৰচক
বিমণ<বিমনা = ব্যাকুল, উদ্বিগ্ন বিষণ্ন
ভইলা<ভব = হ'ল

কাহ্নু কহিঁগই কৰিব নিবাস কাহ্নু কোন আবাস (তন্ত্ৰ) বিচাৰি যাব?

কাহ্নু = কাহ্নুপাদ
কহিঁ<কধি (প্ৰাকৃত)<কুত্ৰ = কলৈ

গই<গম = গমন কৰি, গৈ
কৰিব<কৰিতব্য = কৰা হ'ব
নিবাস = বাসস্থান

জো মণগোঅৰ সো উআস যি (মনৰ) চকুত পৰে সেয়া নিৰাশাজনক

জো<জং = যি
মণগোঅৰ<মনগোচৰ = মনৰ চকুত পৰে
সো = সেয়া
উআস<উদাস (উৎ + অস ঘঞ) = নিৰাশাজনক

তে তিনি তে তিনি তিনি হো ভিন্না সেই তিনি, তিনিটা পৃথক

ভণই কাহ্ন ভব পৰিচ্ছিন্না কাহ্নুপাই কয় (তন্ত্ৰ) জগৎ খণ্ড খণ্ড বিভক্ত

ভব = জগৎ, সংসাৰ (তন্ত্ৰ জগৎ)
পৰিচ্ছিন্না<পৰিচ্ছিন্ন (পৰি + ছিদ-ক্ত) = নিৰ্ণীত, সীমাবদ্ধ

টিপ্পনী : তন্ত্ৰ জগতক পৰিচ্ছিন্না বা সীমাবদ্ধ বোলাৰ কাৰণ, ই কাহ্নুৰ মতে অনবচ্ছিন্ন হোৱা উচিত। ক্ৰিয়া, চৰ্য্যা আৰু যোগাচাৰ, অথবা জপ-প্ৰাণায়াম, পূজা ভক্তি আৰু ধ্যান-বিশ্লেষণক পৃথক পৃথক সংজ্ঞা দি সীমাবদ্ধ কৰা হৈছে যেযে কাহ্নুপাদক নিৰাশ কৰি তুলিছে।

জে জে আইলা তে তে গেলা যি যি আহিছিল সিও নোহোৱা হ'ল (গেলা)

টিপ্পনী : এযা তন্ত্ৰ সাধনাৰ এক জটিল সমস্যা যাক সাধাৰণ পাঠকক বুজোৱা কঠিন। নামত বজ্ৰসিদ্ধি (non reversible achievements) হলেও বাস্তবতে সাধকে সাধনাৰ পথত দুখোজ আগুৱালে এখোজ পিচুৱাই আহে। মানসিক স্থৈৰ্য্য বা প্ৰশান্তি বাদেই, প্ৰাণায়াম, ধ্যান-ধাৰণাও স্থায়ী নহয়। তান্ত্ৰিকে পুনৰ একে মানসিক অৱস্থালৈ ঘূৰি আহে। কাহ্নুপাই দুখ কৰিছে তেখেতে লভা সিদ্ধি বোৰো এটা এটাকৈ যাব ধৰিছে (নোহোৱা হ'ব ধৰিছে) যেয়ে কাহ্নুপাক ব্যাকুল কৰি তুলিলে।

অৱণাগৱণে কাহ্ন বিমণ ভইলা আগমন নিৰ্গমনে কাহ্নক ব্যাকুল কৰিলে

আৱণাগৱণ<আগমন+ গমন = অহা যোৱা
কাহ্ন = কাহ্নুপা
বিমণ<বিমনাঃ = বিমৰ্ষ, ব্যাকুল
ভইলা<ভব = হ'ল

টিপ্পনী : সাধনাত এনেই আংশিক সিদ্ধি আকৌ তাৰ ক্ষয়ে কাহ্নুপাক বিমৰ্ষ কৰি তুলিলে আৰু তাৰ প্ৰতিকাৰ স্বৰূপে —

হেৰি সে কাহ্নি ণিঅডী জিনউৰ বট্টই তাকে দেখি কাহ্নুই বাহুলৰ শিকলি গুঠিলে

হেৰি সে	=	তাকে দেখি
কাহ্নি	=	কাহ্নু পা
ণিঅডী<নিগডী<নিগড (নি+ গড় + অচ)	=	শিকলি
জিনউৰ<জিনউৰস<জিনঔৰস্য	=	জিন বা জেতাৰ ঔৰসজাত পুত্ৰ বোধিসত্ব বাহুল
বট্টই	=	পকাই সৃষ্টি কৰে, বটে

টিপ্পনী : 'জিনউৰ' শব্দটো সৰহ ভাগ ভাষ্যকাৰে আদি ভাষ্যকাৰ মুনিদত্তৰ "পূনৰ্জিনপুৰং মহাসুখপুৰং" অৰ্থ গ্ৰহণ কৰি বৌদ্ধ তন্ত্ৰৰ প্ৰাথমিক জ্ঞানৰো অভাব সূচাইছে।

প্ৰথমতঃ, বৌদ্ধতন্ত্ৰত সিদ্ধাৰ্থ গৌতম বুদ্ধ আৰু বৌদ্ধতন্ত্ৰৰ প্ৰধান বুদ্ধ 'শাক্যমুনি' দাৰ্শনিকভাৱে একেজন ব্যক্তি নহয়। সেইদৰে ঐতিহাসিক গৌতম বুদ্ধৰ পুত্ৰ বাহুল, বৌদ্ধতন্ত্ৰৰ বাহুল নহয়। মহাযোগতন্ত্ৰ গ্ৰন্থ অনুসৰি বুদ্ধ গৌতমে সিদ্ধি লাভ কৰি অৰ্থাৎ জয়ী হৈ 'জেতা' (জীন্) নাম পায়। জীনৰ পুত্ৰ বাহুল বৌদ্ধতন্ত্ৰৰ সৰ্ব্বোচ্চ স্থান অধিকাৰ কৰি বজ্ৰসত্ব ভৈৰোচন নাম পায়। প্ৰতিজন বোধিসত্বই বুদ্ধৰ মানস পুত্ৰ ৰূপে একোটা কুলৰ অধিপতি, কিন্তু বাহুলে ঔৰসজাত পুত্ৰ ৰূপে উচ্চতম (বজ্ৰসত্ব ভৈৰোচন) সিদ্ধি বজ্ৰসিদ্ধি দিবলৈ সক্ষম। বজ্ৰসিদ্ধি এবাৰ প্ৰাপ্ত হ'লে মন আৰু বিচলিত নহয়।

'নিঅডী' শব্দ নিগডী বা নিগড শব্দৰ অপভ্ৰংশ। চৰ্যাগীতৰ ভাষাত শব্দৰ দ্বিতীয় ধ্বনি যদি 'গ' হয়, তেনেহলে বহুক্ষেত্ৰত 'গ' ধ্বনি লোপ হৈ 'অ ধ্বনিয়ে তাৰ স্থান লয়—যেনে 'গগন' গঅণ' হয়। (চৰ্যা ৮, ১৪, ১৬ আদি), নগৰী নঅৰী হয় (চৰ্যা ১১)। 'তাকে দেখি কাহ্নুই বাহুলৰ (বোধিসত্বৰ) শিকলি গুঠিলে', বাক্যৰ অৰ্থ বুজিবলৈ বৌদ্ধ তন্ত্ৰৰ সাধনা প্ৰক্ৰিয়া জানিব লাগিব। তান্ত্ৰিক সাধকে আসন লোৱাৰ পৰা প্ৰতিটো কৰ্ম্মই সঙ্কল্প, কাৰ্য্য, আৰু নিষ্পন্ন কৰ্ম্ম ভাগত ভাগ কৰা হয়। যিহেতু সাধকে মুখেৰে জপধ্বনি বা মন্ত্ৰোচ্চাৰণ কৰে, প্ৰতিটো নিষ্পন্ন কৰ্ম্মই অঙ্গসঞ্চালনৰ দ্বাৰা প্ৰকাশ কৰে, তাকে বোলে মুদ্ৰা। যিহেতু কৰ্ম্ম এটাৰ পিচত এটাকৈ হৈ থাকে, মুদ্ৰাবো পৰিবৰ্ত্তন হয়, আৰু শেষত সি এডাল শিকলি স্বৰূপ হয় (a chain of mudras)। কাহ্নুপাই ইয়াত তথাগত কুলৰ বজ্ৰসত্ব পাবলৈ কৰা কৰ্ম্মৰ তালিকাৰ আদিৰ পৰা অন্তলৈ

এটা এটাকে কৰি যাৰবলে নির্দ্দেশ দিছে - যাৰ ভিতৰত জপ-প্ৰাণায়াম (ক্ৰিয়া), পূজা -ধ্যান (চৰ্য্যা) আৰু যোগতন্ত্ৰৰ ধ্যান-বিশ্লেষণ কৰিবলৈ কৈছে। সৰ্ব্ব শেষত অনুত্তৰ তন্ত্ৰৰ কৰ্ম্মমুদ্ৰা আৰু মহামুদ্ৰা সমাপ্ত কৰি প্ৰতিজন কুলপতিৰ প্ৰাৰব্ধ কৰ্ম্ম নিষ্পন্ন কৰি আটাইবোৰ মুদ্ৰা প্ৰদৰ্শন কৰি বাহুলৰ (বজ্ৰসত্ব) মুদ্ৰাৰ শিকলি সমাপ্ত কৰিব। সহজ ভাষাত, মন বিচলিত হ'লে সাধনা প্ৰক্ৰিয়া পুনৰ আগৰ পৰা শুৰিলেকে কৰিবলৈ কাহ্নুপাদে উপদেশ দিছে। "শিঅড় জিনউৰ" খণ্ড বাক্য কৃষ্ণপাদে চৰ্যাগীত ১২ তো একে অৰ্থতে ব্যৱহাৰ কৰিছে।

ভণই কাহ্ন মোহিঅহি নপইসই — কাহ্নুৰ কথা মোহিত জনৰ অন্তৰত নোসোমায়

ভণই কাহ্ন	=	কাহ্নুপাই কয়
মোহিঅহি	=	মুগ্ধ, মোহগ্ৰস্তজন
ন	=	নহয়, নেতি
পইসই<প্ৰবেশ্যন্তি	=	সোমায়। পশ্যতি<নেদেখে ❖❖

৮

ৰাগ - দেৱক্ৰী ঃ কম্বলাম্বৰপাদানাম্

মূলপাঠ	আধুনিক ভাষান্তৰ/অৰ্থ
সোনে ভৰিলী কৰুণা নাৱী।	চিত্ত জপেৰে (স্বৰ্ণাক্ষৰ) পূৰ্ণ কৰিলি
ৰূপা থোই নহিকে ঠাৱী।।	ৰূপ ধাৰণৰ (ৰূপ ধ্যান) স্থান নাই।
বাহ তু কামলি গঅণ উৱেসেঁ।	কামলি তই শূন্যভাৱলৈ বাই নে
গেলী জাম বহুডই কইসেঁ।।	জন্মৰ গমনাগমন কেনেকৈ?
খুন্টি উপাড়ী মেলিলি কাচ্ছী।	খুটি উভালি, জৰীৰ গাঁঠি খুলি
বাহতু কামলি সদ্‌গুৰু পুচ্ছী ।।	সৎগুৰুক সুধি কামলি বাই যা।
মাঙ্গত চড়্‌হিলে চউদিস চাহঅ।	বাটত উঠিলে চাৰিও দিশে চাবি।
কেড়ুআল নাহি কেঁ কি বাহৱকে পাৰঅ।।	কাণ্ডাৰী নাই কোনে পাৰলৈ নিব?
বাম দাহিণ চাপী মিলি মিলি মাগা।	বাওঁ আৰু সোঁ লগালাগি পথ হয়।
বাটত মিলিল মহাসুহ সুঙ্গা।।	বাটত পোৱা গ'ল মহাসুখৰ সঙ্গ।

টীকা ঃ কম্বলাম্বৰপাদৰ চৰ্যাগীতৰ প্ৰথম অস্বাভাৱিকতা যিটো চকুত পৰে, সেয়া হৈছে গীত ৰচকে অনুযোগ কৰিছে - কৰুণা নাওঁ সোণেৰে ভৰাই পেলালি,

ৰূপ থবলৈ ঠাই নোহোৱা কৰিলি। ই এক দেখ দেখ ব্যত্যয় বা বিলোম উক্তি - যি হেতু স্বৰ্ণৰ মূল্য বজাৰত ৰূপতকৈ অধিক, স্বাভাৱিকতে সোণ ভৰাব পাৰিলে, ৰূপলৈ ঠাই নাৰাখে। বাস্তৱতে ইযাত কৰি কম্বলাম্বৰপাদে মূল্যবান ধাতু স্বৰ্ণ ৰজতৰ কথা কোৱা নাই। 'সোনে' শব্দই প্ৰাণায়ামৰ স্বৰ্ণাক্ষৰ ধ্বনি আৰু "ৰূপা" শব্দই ধ্যান-ধাৰণাৰে ইষ্টদেৱতাৰ 'ৰূপ দৰ্শনৰ' কথা উল্লেখ কৰিছে। জপ-প্ৰাণাযামৰ (ক্ৰিযা তন্ত্ৰৰ) ছযটা স্তৰ বা পৰ্য্যায় আছে। জপত বহি তৃতীয পৰ্য্যাযত "তৃতীয দেৱ" সাধকৰ চিত্ত, চন্দ্ৰ মণ্ডললৈ ৰূপান্তৰিত হ্য। চন্দ্ৰ মণ্ডলত ইষ্ট দেৱতাৰ অৱস্থান কল্পনা কৰা হয সোণৰ অক্ষৰৰ ৰূপত (The contemplation of its aspect as the aspect of the letters of liquid gold p 161 Lessing & Wayman)। আন তন্ত্ৰ সমূহত প্ৰাণাযামৰ সমযত অ-ফলা, ক-ফলাৰ (আলি - কালি চৰ্যা নং ৭) অক্ষৰ বোৰ সোণৰ অক্ষৰ ৰূপত (স্বৰ্ণাক্ষৰ) শূন্যত ভাহি থাকে - শ্বাসৰ লগত অ-ফলা সাধকৰ দেহত সোমায আৰু প্ৰশ্বাসৰ লগত ক-ফলাৰ অক্ষৰ ওলাই যায। দুযোটা অৰ্থ তে কম্বলাম্বৰপাদৰ 'সোনে' স্বৰ্ণাক্ষৰ আৰু জপ কাৰ্য্য বুজাইছে।

ধ্যান - ধাৰণ চতুৰ্থ পৰ্য্যায বা চতুৰ্থ দেৱ স্তৰ। অক্ষৰ দেৱতা অত্যন্ত বগা উজ্জ্বল পোহৰেৰে টৌৱাই পেলায। অক্ষৰ দেৱতা "হুং" বজ্ৰসত্ব বজ্ৰধৰ ৰূপ লয (Words of Perfect Teacher - Patrul Rinpoche - p 267)। ৰূপোৱালী পোহৰে - সংবেদনা, অজ্ঞতা, দুখ, পাপ, দ্বেষ আদি আঁতৰাই সাধকৰ মনত বুদ্ধ আৰু বোধিসত্বৰ আনন্দ সঞ্চাৰিত কৰে। লাহে লাহে আলোক আৰু দেৱতা অক্ষৰত স্থিত হয। অক্ষৰ আৰু চন্দ্ৰমণ্ডল ৰূপান্তৰিত হৈ নিখুঁত ইষ্ট বোধিসত্বৰ ৰূপ লয (যেনে, বজ্ৰযান পন্থাত - বজ্ৰধৰ বজ্ৰসত্ব)। এই ধ্যান প্ৰক্ৰিযাক ৰূপধ্যান বোলা হয (letters emanate innumerable rays then the rays, together with the letters transform itself into perfect body of the god contemplated This is the Form God, rupa devata - P 161 Lessing & Wayman)।

তন্ত্ৰ হৈছে দেহ আৰু মনৰ কাৰ্য্যৰ সমন্বয। প্ৰাণাযাম আৰু জপ দৈহিক কাৰ্য্য (mechanical) আনহাতে দেৱতাৰ ৰূপ দৰ্শন মানসিক (mental) কাৰ্য্য। কম্বলাম্বৰপাদে অনুযোগ আনিছে - "সোনে ভৰিলী কৰুণা নাৱী। ৰূপা থোই নহিকে ঠাৱী।।" যাৰ অৰ্থ জপ — প্ৰাণাযাম আদি শাৰীৰিক কাৰ্য্যতে শক্তি ক্ষয় কৰিলি, ৰূপ ধ্যানৰ বাবে সময - শক্তি নাৰাখিলি যিযে অৱশেষত মহাসুখৰ সঙ্গ দিব।

সোনে ভৰিলী কৰুণা নাৱী **কৰুণাৰ বাহন (চিত্ত) জপেৰে পূৰ্ণ কৰিলি**

সোনে	=	স্বৰ্ণ। স্বৰ্ণাক্ষৰ দেৱতা, জপ-প্ৰাণায়াম
ভৰিলী	=	পূৰ্ণ কৰিলি
কৰুণা নাৱী	=	কৰুণাৰ বাহন স্বৰূপ নাৱ = চিত্ত

ৰূপা থোই নহিকে ঠাৱী **ৰূপ ধাৰণৰ স্থান নাই**

ৰূপা	=	ইষ্টদেৱৰ ৰূপ দৰ্শন, ধ্যান- ধাৰণা
থোই<স্থপিত	=	ৰাখিবৰ, থবৰ
নহিকে	=	নাই, অনুপস্থিত
ঠাৱী<স্থান	=	ঠাই

বাহতু কামলি গঅণ উৱেসেঁ **কামলি তই শূন্য ভাবলৈ বাইনে**

বাহ	=	বাহিত কৰ, বাই নে
তু	=	তই
কামলি	=	কম্বলাম্বৰপাদ, গীত ৰচক
গঅণ<গগন	=	শূন্যতাভাব (আকাশ ধাতু), বিশুদ্ধ চক্ৰ
উৱেসেঁ<উদ্দেশ্য	=	লক্ষ্য কৰি

গেলী জাম বহুড়ই কইসেঁ **জন্মৰ গমনা গমন কেনেকৈ**

গেলী<গেল<গম	=	গমন (movement)
জাম<জন্ম	=	জন্ম, জীৱন
বহুডই<বাহুড<ব্যাঘুটতি	=	প্ৰত্যাবৃত্ত, ঘূৰি আহে
কইসে<কতিদৃশ	=	কেনেকৈ (আধুনিক হিন্দী, কৈইসে)

টিপ্পনী ঃ জীৱনৰ গমন - প্ৰত্যাগমন অৰ্থাৎ পুনৰ্জন্ম চক্ৰ কেনেকৈ হয়? অথবা জন্ম চক্ৰ কিদৰে বন্ধ কৰিব পাৰি? দ্বিতীয় অৰ্থ অধিক প্ৰযোজ্য কাৰণ ইযাৰ পিচত কৈছে -

খুন্টি উপাড়ী মেলি লি কাচ্ছী **খুটি উভালি, জৰীৰ গাঁঠি খুলি**

খুন্টি<খুটি (প্ৰাকৃত)	=	খুঁটি, খুটা, সৰু স্তম্ভ
উপাড়ী<উৎপাটন	=	উভালি, উঘালি, উৎপাটিত
মেলিলি<মেল	=	খুলি, বন্ধনমুক্ত কৰি
কাচ্ছী (প্ৰাকৃত)'	=	শকত জৰী (নাওঁ বন্ধা)

বাহতু কামলি সদ্‌গুৰু পুচ্ছী **সদগুৰুক সুধি কামলি তই বাই যা**

পুচ্ছী<পৃচ্ছ = সুধি, জিজ্ঞাসা কৰি

মাঙ্গত চডহিলে চউদিস চাহঅ বাটত উঠিলে চৌদিশে চাবি

মাঙ্গত<মার্গত = পথত (সাধনা মার্গত)
চডহিলে<চড = উঠা, আৰোহণ কৰা
চউদিসে<চতুর্দিশে = চাৰিওপিনে, সকলোদিশত
চাহঅ<চাহ = চাবা

টিপ্পনী : সাধনা একমুখী নকৰিবা আটাইকেইটা দিশলৈ মনোযোগ দিবা।

কেডুআল নাহি কেঁ কি বাহবকে পাৰঅ কাণ্ডাৰী নাই কোনে পাৰলৈ বাই নিব

কেডুআল = কাণ্ডাৰী, গুৰিধৰা ব্যক্তি (গুৰু বা বোধিসত্ত্ব)
নাহি = নাই, অনুপস্থিত
কেঁ কি = কোনে, কেনেকৈ
বাহবকে<বাহব + কে = কোনে বাই নিব
পাৰ অ = পাৰলৈ, তীৰলৈ

টিপ্পনী : গুৰুহীন ভাৱে সাধনাৰ সিদ্ধি নহয়।

বাম দাহিণ চাপী মিলি মিলি মাগা বাওঁ-সোঁ লগলাগিযে পথ হয

বাম = বাওঁফাল, (তন্ত্রত) মাতৃতন্ত্র, দেহৰ প্ৰাধান্য
দাহিন<দক্ষিণ = সোঁফাল, (তন্ত্রত) পিতৃতন্ত্র, মনৰ প্ৰাধান্য
চাপী<চাপ = সন্নিকট আগমন, কাষলৈ অহা
মিলি মিলি = মিলিত হৈ
মাগা<মার্গ = (সাধনাৰ) পথ

টিপ্পনী : মাতৃ আৰু পিতৃতন্ত্র, দেহ আৰু মনৰ যথোচিত ব্যৱহাৰেই তন্ত্রৰ পথ।

বাটত মিলিল মহাসুহ সুঙ্গা মাৰ্গত পোৱা গ'ল মহাসুখৰ সঙ্গ

মহাসুহ = মহাসুখ
সঙ্গা = সঙ্গ

টিপ্পনী : কম্বলাম্বৰপাদে পিতৃতন্ত্র (যোগাচাৰ) আৰু মাতৃতন্ত্র (ক্রিয়া-

চৰ্য্যা তন্ত্ৰ) দুয়োটা লগ লগাই (অদ্বয় -অনুত্তৰ তন্ত্ৰ) সাধনাৰ মাৰ্গ সৃষ্টি কৰিবলৈ সাধকক উপদেশ দিছে এই চৰ্যাগীতটিৰ দ্বাৰা। তেতিযাহে মহাসুখ উপলব্ধ হ'ব আৰু অবিচলিত মহাসুখেই বজ্ৰসিদ্ধি। ❖❖

৯

ৰাগ - পটমঞ্জৰী ঃ কাহ্নপাদনাম্

মূলপাঠ	আধুনিক ভাষান্তৰ/অৰ্থ
এবংকাৰ দৃঢ় বাখোড মোড্ডিউ।	পূজা-মন্ত্ৰৰ দৃঢ় স্তম্ভ মথিমূৰ কৰা
বিবিহ বিআপক বান্ধণ তোড়িউ।।	বিবিধ ব্যাপক বন্ধন ভাঙি পেলোৱা।
কাহ্ন বিলসঅ আসব মাতা।	কাহ্নুৱে মদ (তাড়ি) পানৰ দৰে মত্ত হৈছে
সহজ নলিনীবণ পইসি নিবিতা।।	সহজ দেহত প্ৰবেশ কৰি নিবৃত্ত হৈছে।
জিম জিম কৰিণা কৰিণিৰেঁ বিসঅ।	যিদৰে পুৰুষ হস্তী মাইকী হস্তীৰে আক্ৰান্ত হয়
তিম তিম তথতা মঅগল বৰিসঅ।।	তেনেদৰে তথতা মদজল সদৃশ বৰ্ষণ হয়।
ছড়গই সঅল সহাবে সুধ।	ছয়গতি যুক্ত আটায়ে স্বভাৱতে পবিত্ৰ।
ভাবাভাব বলাগ ন ছুধ।।	অস্তিত্ব -নাস্তিত্বৰ মাজত বিন্দিতপাৰ্থক্য নাই।
দশবল ৰঅণ হৰিঅ দশদিসেঁ।	দশদিশত দশ বুদ্ধ দৃষ্ট হ'ল (চোৰা)।
(অ) বিদ্যা কৰি দমকুঁ অকিলেসে।।	(অ) বিদ্যা (সৰ্ব্বশূন্য) অক্লেশে দমন হ'ল।

টিপ্পনী ঃ বৰ্ত্তমান চৰ্যাগীত কাহ্নুপাই 'ওঁং কাৰেৰে' আৰম্ভ কৰা হেতেন কোনো হিন্দু পণ্ডিতৰে বুজাত অসুবিধা নহ'লহেতেন। 'এবংকাৰ' - এ + বংকাৰ বুলি কৈ আটাইকে হাঁহাকাৰত পেলাইছে। আদি ভাষ্যকাৰ মুনিদত্তই লিখিছে - "এবংকাৰেত্যাদি। একাৰঃ চন্দ্ৰপ্ৰভাসং বংকাৰঃ সূৰ্য্যমুভযং দিবাৰাত্ৰিজ্ঞাং"। অৰ্থাৎ এবংকাৰ শব্দৰ 'এ' ধ্বনিযে চন্দ্ৰ আৰু বংকাৰে সূৰ্যালোক সূচাইছে যিয়ে দিবা ৰাত্ৰিৰ জ্ঞান দিযে। তেখেতে এই অৰ্থ কিহৰ ভিত্তিত নিৰ্ণয কৰিলে তাক জনোৱা নাই।

শ্ৰীশ্ৰী বগলামুখী তন্ত্ৰত দেবী পূজাৰ আদিতেই ঘটত পানী ৰাখি দেবীক আহ্বান কৰা যায় ঘটত অধিষ্ঠিত হবলৈ। জলৰ অধিপতি বৰুণৰ বীজ মন্ত্ৰ "বং" অতএব দেবীৰ লগত বৰুণৰ বীজমন্ত্ৰ বং ওতঃপ্ৰোতঃভাৱে জড়িত হৈ পৰে। পূজা পূৰ্ব্বৰ 'ভূতশুদ্ধি' কাৰ্য্যত " বং এই বৰুণবীজ ৬৪ বাৰ জপে কুম্ভক কৰিয়া ললাটে চন্দ্ৰ আনয়নপূৰ্ব্বক চন্দ্ৰ বিগলিত মাতৃকাবৰ্ণাত্মিকা সুধা দ্বাৰা সমস্ত দেহ

পুনৰায় ৰচনা কৰিবেন" - (শ্রীশ্রী বগলামুখী তন্ত্রম - ভৈৰৱ শাস্ত্রী পৃঃ ১৭)। দেৱীৰ মূল পূজাত -আসন, পাদ্য, অৰ্ঘ্য, আচমন, স্নান, বস্ত্র, লড্ডু আদি দানৰ সময়ত বৰুণ বীজমন্ত্র 'বং' উচ্চাৰণীয। যেনে — ওঁ বং বস্ত্রায নমঃ, ওঁ বং লড্ডুকায নমঃ ইত্যাদি। স্বাধিষ্ঠান চক্রৰ বর্ণনাতো আছে - শৰদিন্দুশুভ্রং **বং-কাৰ** বীজমমলং মকৰাধিৰূঢ।

অতএব দেখা যায 'বংকাৰ' শব্দই বৰুণ আৰু বৰুণৰ যোগেৰে বৌদ্ধ তন্ত্রৰ "তোযা অভিষেক অভিক্রিযা" সূচায, এৰা প্ৰাথমিক অভিক্রিযা য'ত সাধকে পূজা আৰু জপৰ ওপৰত কেৱল গুৰুত্ব দিযে। ক্রিযা তন্ত্রৰ সর্ব্ব কার্য্যই জপ-প্রাণাযাম আৰু চর্য্যাতন্ত্রৰ আদি ভাগ জপ-প্রাণাযাম - পূজাৰ ওপৰত প্রতিষ্ঠিত। কাহ্নুপাই বংকাৰৰ দৃঢ স্তম্ভ ভাঙিবলৈ কৈ জপ আৰু পূজাসর্ব্বস্ব তন্ত্রক ত্যাগ কৰিবলৈ উপদেশ দিছে। দ্বিতীয বাক্যত কৈছে সকলো বন্ধন ছিঙি পেলোৱা।

এবংকাৰ দৃঢ বাখোড মোড্ডিউ পূজা মন্ত্রৰ দৃঢ স্তম্ভ মষিমূৰ কৰা

এবংকাৰ<এ + বংকাৰ	=	এই বংকাৰ ধ্বনি (পূজা + মন্ত্র)
দৃঢ	=	দৃঢ, সুদৃঢ
বাখোড<বা + খোট	=	সমুদায স্তম্ভ (সাধাৰণতে হাতী বন্ধা)
মোড্ডিউ< মর্দ্দিতম	=	ভাঙি পেলোৱা, মষিমূৰ কৰা।

বিবিহ বিআপক বান্ধণ তোডিউ বিবিধ ব্যাপক বন্ধন ছিঙি পেলোৱা

কাহ্ন বিলসঅ আসৱ মাতা কাহ্নুৱে আসৱ পানৰ (তাডি) দৰে সুখমত্ত হৈছে

কাহ্ন	=	কাহ্নুপাদ
বিলসঅ< বিলসন্তি	=	উপভোগ কৰে
আসৱ মাতা< আসৱ মত্ত	=	তাডি খোৱাৰ দৰে মত্ত

টীকা ঃ আসৱ, তালগছৰ ৰসেৰে প্রস্তুত মদ্য। আসবদ্রু = তালগছ

সহজ নলিনীবণ পইসি নিবিতা সহজ দেহত প্ৰবেশ কৰি নিবৃত্ত হৈছে

সহজ<সহজাত	=	যুগপৎ প্ৰাপ্ত উপলব্ধি
নলিনীবণ	=	পদুমৰ বন - মনুষ্যদেহ য'ত একাধিক পদ্ম চক্র বর্ত্তমান
পইসি< প্রবিষ্ট	=	সোমাই
নিবিতা<নিবৃত্ত	=	ক্ষান্ত, নিষ্পন্ন

টীকা ঃ সহজ সম্বন্ধে পূর্ব্বতে বিতং ভাবে আলোচনা কৰা হৈছে। বৌদ্ধ

তন্ত্ৰত সহজ শব্দই দুটা উপলব্ধি সাধকৰ মনত যুগপৎ উদয় হোৱা, [illegible] বিশুদ্ধ উপলব্ধি দুটাৰ কোনো স্থিৰ সংজ্ঞা নাই। প্ৰতিটো তন্ত্ৰ ধাৰাতে উপলব্ধি ভিন্ন ভিন্ন। বৌদ্ধ তন্ত্ৰৰ প্ৰধান ধাৰা কেইটা হ'ল ক্ৰিয়া চৰ্যা। যোগাচাৰ অনুসৰে, মহা আৰু অতি তন্ত্ৰ। অতি আৰু মহা তন্ত্ৰই নিজকে সৰ্ব্বোচ্চ ঘোষণা কৰি কয় যে এই স্তৰত কোনো সহজ উপলব্ধি নাই সাধকৰ ব্যক্তিগত উপলব্ধি নাথাকে যিহেতু তেখেতে বোধিচিত্ত পাইছে। অনুত্তৰ তন্ত্ৰত সহজ তথতা আৰু মহাসুখ যি কৰুণা উদ্ভূত। যোগাচাৰ তন্ত্ৰত সহজ শূন্যতা জ্ঞান জাত সুখ , চৰ্য্যাতন্ত্ৰই সহজ বোধ আনে ভক্তি আৰু তথতা জ্ঞানেৰে। ক্ৰিয়াতন্ত্ৰৰ মতে সহজ জ্ঞান প্ৰজ্ঞা + সুখ। প্ৰজ্ঞা হ'ল ক্ৰিয়া তন্ত্ৰৰ তথতা (reality)।

চৰ্যাগীতৰ বহুভাষ্যকাৰে বিশেষকৈ পশ্চিমবঙ্গৰ পণ্ডিতৰ মতে (জাহ্নবী কুমাৰ চক্ৰৱৰ্ত্তী, সৌম্যেন্দ্ৰ সৰকাৰ আদি) বৌদ্ধ "সহজক" বঙ্গদেশৰ "সহজীয়া বৈষ্ণৱ , বাউল আদিৰ লগত সানি পুৰ্টকি একে কৰি দিছে। সহজীয়া বৈষ্ণৱ ধাৰা এক অৱক্ষয়িত বৌদ্ধ - হিন্দু তন্ত্ৰ আৰু নবউন্মেষিত ভক্তিবাদ কৃষ্ণ ৰাধাৰ প্ৰেমৰ ওপৰত প্ৰতিষ্ঠিত। চৰ্যাৰ 'সহজৰ' লগত সহজীয়া বৈষ্ণৱ ধৰ্ম্মৰ কোনো প্ৰত্যক্ষ সম্বন্ধ নাই। তাতোকৈ হাস্যকৰ, এজন বিদগ্ধ পণ্ডিতে সহজ শব্দত প্ৰচলিত অৰ্থ 'উজু' (not difficult) বিচাৰি পালে। চৰ্যা গীতত অকঠিন বুজাবলৈ 'উজু' শব্দ ব্যৱহাৰ হয়, সহজ নহয় (চৰ্যা ১৫,৩২)।

বৰ্ত্তমান চৰ্যা গীতত সহজ শব্দই তথতা কৰুণা অথবা শূন্য সুখ বুজাইছে।

জিম জিম্ কৰিণা কৰিণিৰেঁ ৰিসঅ যিদৰে পুৰুষ হস্তী মাইকী হাতী লৈ ৰসগ্ৰস্ত হয়।

জিম জিম< যিমত যিমত	=	যি দৰে যি দৰে
কৰিণা	=	কৰি, পুৰুষ হাতী
কৰিণিৰে<কৰিণি + ৰে	=	মাইকী হাতী লৈ
ৰিসঅ< ৰস + অ	=	ৰসগ্ৰস্ত হয়, কামেচ্ছুক হয়

টিপ্পনী ঃ সাধাৰণ ভাৰতীয় ব্যক্তিৰ এক ভ্ৰান্ত বিশ্বাস আছে যে, পুৰুষ হস্তী যৌনভাৱে উত্তেজিত হলে কপালৰ কুমৰ গ্ৰন্থিৰ পৰা ৰসক্ষৰণ হয়, যি ৰস 'মদ' নামে খ্যাত। বাস্তৱতে পুৰুষ হস্তীৰ সময়ে সময়ে যৌনগ্ৰন্থি প্ৰদাহগ্ৰস্ত হয়। সেই কালত পুৰুষ হস্তীৰ যৌনোত্তেজনা বৃদ্ধি পোৱাৰ লগতে মানসিক ভাবে অপ্ৰকৃতিষ্ঠ হয়। হাতীৰ স্বাভাৱিক যৌনোত্তেজনা বা সঙ্গমৰ সময়ত এনে প্ৰদাহগ্ৰস্ত অৱস্থাৰ প্ৰয়োজন নাই। হাতীৰ কুমৰ পৰা বোৱা জলীয় পদাৰ্থ লসিকা গ্ৰন্থীৰ ৰস, কিন্তু কাহ্নু-পাদেও তাক সাধাৰণ বিশ্বাসমতে কাম ৰস বুলি মানি

লৈছেঁ, যি হস্তীৰ হস্তিনীৰ প্ৰতি আকৰ্ষিত হোৱাৰ ফলত প্ৰবাহিত বুলি তেখেতৰ ধাৰণা।

তিম তিম তথতা মঅগল বৰিসঅ তেনেদৰে তথতা মদজল সদৃশ বৰ্ষণ হয়

তিম তিম < তেমত তেমত	=	তেনেদৰে
তথতা< তথাত্ব	=	যেনে আছে তেনে, বাস্তব ৰূপ
মঅগল <মদ জল	=	হস্তীৰ ক্ষৰিত ৰস
বৰিসঅ<বৰ্ষন্তি	=	বৈ পৰে

টীকা ঃ "তথতা" শব্দ গৌতম বুদ্ধই ব্যৱহাৰ কৰিছিল কিন্তু তাৰ স্পষ্ট সংজ্ঞা দিয়া নাছিল। আনৰ দ্বাৰা দিয়া সংজ্ঞা তেখেতে 'ন তে, ন তে' বুলি অগ্ৰাহ্য কৰাৰ কথা বৌদ্ধ শাস্ত্ৰত আছে (Daihatsu Suzuki) ।

সাধাৰণভাৱে, বৌদ্ধ ধৰ্ম্ম মতে জগৎ অনিত্য, সদা পৰিবৰ্ত্তনশীল আৰু পূৰ্ব্বাবস্থা কেতিযাও ফিৰি নোপোৱা বুলি মানি লোৱা হয়। থেৰাবাদী বা হীনযান পন্থাত এই অনিত্যতাৰ হেতুকেই ব্যক্তিক সংসাৰ পৰিত্যাগৰ উপদেশ দিয়া হয়। মন্ত্ৰযান, বিশেষকৈ যোগাচাৰ তন্ত্ৰত শূন্যতা বোধক ইতিবাচক আৰু সুখদায়ক বুলি ধৰা হয়। অনুত্তৰ তন্ত্ৰৰ সমৰ্থনত লিখা বৰ্ত্তমান গীতত 'তথতাৰ' দ্বাৰা কৰুণাৰ হেতুকে শূন্যতাৰ পৰা উভটি অহা বুজাইছে বা তথতাই (reality) বুজাইছে, জগৎখন নশ্বৰ, সদা পৰিবৰ্ত্তশীল, সকলো ইন্দ্ৰিয়লব্ধ জ্ঞানৰ মূল্য শূন্য, কিন্তু পৃথিবীৰ প্ৰায় সকলো জীৱেই ইয়াক উপলব্ধি নকৰি সাধাৰণ জীৱন যাপন কৰে। অনুত্তৰ তন্ত্ৰৰ সিদ্ধ সাধকে নিজে শূন্যতাবোধ উপলব্ধিৰ পিচত, নিৰ্ব্বাণ পাবৰ যোগ্য হোৱাৰ পিচতো আন জীৱৰ প্ৰতি কৰুণা বশতঃ সংসাৰত থাকি এনে জীৱৰ মুক্তিৰ উপায় দিব লাগে, যি কাম গৌতম বুদ্ধই কৰিছিল হেতুকে তেওঁৰ এটা নাম তথাগত = সেই ৰূপে অহা। অনুত্তৰ তন্ত্ৰৰ তথতা হ'ল শূন্যতাজ্ঞানজাত কৰুণা যাৰ পৰা সাধক সৰ্ব্বদা মহাসুখ উপলব্ধি কৰিব পাৰে। হস্তীৰ মদজলৰ দৰে কৰুণা সিঞ্চিত হ'ব লাগিব। ইয়াত যৌন সম্বন্ধ আৰু কৰুণাৰ সম্পৰ্ক স্পষ্ট।

ছড়গই সঅল সহাৱে সুধ ছয়গতি যুক্ত সকলোৱে স্বভাৱতে পবিত্ৰ

ছড়গই< ষড়গতি	=	ছয়গতি (যুক্ত)
সঅল<সকল	=	সকলো, আটাই
সহাৱে< স্বভাৱজাত	=	স্বভাৱজাত ভাৱে, প্ৰকৃতিতে
সুধ<শুদ্ধ	=	পবিত্ৰ

টীকা ঃ ছয়গতি (যুক্ত) শব্দৰ দ্বাৰা কাহ্নুপাই কি বুজাব খুজিছিল কোৱা

টান। সুকুমাৰ সেনৰ (চৰ্যাগীতি পদাৱলী) মতানুযায়ী জীৱৰ ছয় জাতি - 'অণ্ডজা, জৰায়ুজা, উপপাদুকা, সংবেদতা, দেৱসুৰাদি, প্ৰকৃতিকা।" এই অৰ্থ কিমান দূৰ গ্ৰহণযোগ্য পাঠকে নিজে ভাবি চাব, কিন্তু এই অৰ্থ গ্ৰহণ কৰিলে ইয়াৰ পিচৰ বাক্য অৰ্থহীন হ'ব। যোগৰ ছয়টা গমন পথ — প্ৰত্যাহাৰা, ধ্যান, প্ৰাণায়াম, ধাৰণা, অনুস্মৃতি আৰু সমাধি সূচাব পাৰে। সেইদৰে ছয়টা বৌদ্ধ তন্ত্ৰ, ক্ৰিয়া, চৰ্য্যা, যোগাচাৰ, অনুত্তৰ, মহা আৰু অতি তন্ত্ৰও সূচাব পাৰে।

ভাৱাভাৱ বলাগ ন ছুধ — অস্তিত্ব নাস্তিত্বৰ মাজত (চুলিৰ আগৰ সমানো) পাৰ্থক্য নাই

ভাৱাভাৱ<ভাৱ + অভাৱ	=	অস্তিত্ব + অস্তিত্বহীনতা
বলাগ<বেলেগ (প্ৰাকৃত)	=	পৃথক কৰণ, পাৰ্থক্য
ন	=	নহয়
ছুধ<চ্যুত	=	পতিত, অপবিত্ৰ। ছুধ = শুদ্ধ

টীকা ঃ বৰ্তমান বাক্যৰ আক্ষৰিক অৰ্থ হ'ব, অস্তিত্ব আৰু অস্তিত্বহীনতাৰ মাজত প্ৰভেদ অনাটো অশুদ্ধ নহয়, যি সমস্ত বৌদ্ধ তন্ত্ৰৰ মূল দৰ্শনৰ পৰিপন্থী। শূন্যতা জ্ঞানৰ আধাৰত বৌদ্ধ তন্ত্ৰই অস্তিত্ব - নাস্তিত্ব, জীৱন-মৰণৰ মাজত পাৰ্থক্য নেদেখে। জাহ্নবী চক্ৰবৰ্তীয়ে (চৰ্যাগীতিৰ ভূমিকা পৃ০ ২৩৮) "ন অছুধ" লিখিছে যাৰ দুটা নেতি বাচক শব্দ ব্যৱহাৰৰ দ্বাৰা ইতি বাচক অৰ্থ হয়। পৰীক্ষিত হাজৰিকাই (চৰ্য্যাপদ পৃ০ ২২০) ন ছুধ = চ্যুত নহয় পবিত্ৰ নহয়, লিখিছে যি দেখ দেখ অশুদ্ধ। চ্যুত শব্দৰ আভিধানিক অৰ্থ ভ্ৰষ্ট পতিত, স্খলিত আদি। চ্যুত পবিত্ৰ হ'লে, অচ্যুত অপবিত্ৰ হ'ব।

"বলাগ" শব্দৰ ব্যুৎপত্তি সম্ভৱতঃ সংস্কৃত শব্দ বালাগ্ৰমপি -চুলিৰ আগ এডালৰ সমান বুলি কৈছে হাজৰিকা দেৱে। এই প্ৰয়োগ সম্ভৱ "বালাগ্ৰমপি চ্যুত — যাৰ অৰ্থ অস্তিত্ব নাস্তিত্বৰ মাজত চুলি এডালৰ মানো পাৰ্থক্য নাই, বৌদ্ধ তন্ত্ৰৰ দৰ্শনৰ লগত খাপ খায়। অথবা অস্তিত্ব অনস্তিত্বৰ পাৰ্থক্য আনয়ন শুদ্ধ নহয়।

দশবল ৰঅণ হৰিঅ দশদিসেঁ — দহদিশত দশ বুদ্ধ দৃষ্ট হ'ল (চোৰা)

দশবল<দশবল	=	দশ শক্তি/দশ শ্ৰেষ্ঠ
ৰঅণ<ৰত্ন	=	বুদ্ধ বুদ্ধ ৰত্ন
হৰিঅ<আহৃত	=	সংগ্ৰহ হ'ল, এঠাইত হ'ল। হৰিঅ<হেৰিঅ, দৃষ্ট হ'ল, চোৰা
দশদিশে	=	দহ দিশত

(অ) বিদ্যা কৰি দমকুঁ অকিলেসেঁ অবিদ্যা অক্লেশে দমন হ'ল

(অ) বিদ্যা	=	মিথ্যা বিদ্যা
কৰি<কৃ	=	কৰি
দমকুঁ<দমন	=	নিযন্ত্ৰণ, দমন
অকিলেসেঁ<অক্লেশে	=	কষ্টহীনভাৱে, অনায়াসে

টিপ্পনী ঃ অবিদ্যা যাৰ অৰ্থ মিথ্যাজ্ঞান বা অনিষ্টকাৰী জ্ঞান, বৌদ্ধ তন্ত্ৰৰ প্ৰতিটো শাখাযে ভিন্নভাৱে বুজে। গৌতম বুদ্ধই নিজৰ ধৰ্ম্মপ্ৰচাৰৰ দ্বিতীয় পৰ্য্যাযত 'নিৰ্ব্বাণ সূত্ৰত' পোন প্ৰথমে নিৰাত্ম আৰু শূন্যতাৰ সংজ্ঞা দিযে — যাৰ মূল, সমস্ত জগৎ আৰু ব্যক্তি নিজেও নশ্বৰ আৰু পৰিবৰ্ত্তনশীল বাবে নিজৰ বুলিবলৈ একো নাই, নিজেও বাস্তবতে নাই বুলিযে ধৰিব পাৰি। এই দৰ্শনক পালি ভাষাত অনাত্তা (অনাত্মা) বা non self দৰ্শন বোলা হয। সংস্কৃত ভাষাত, নাই + নিজ, নিঃ + আত্ম = নিৰাত্ম + ষ্ণ = নৈৰাত্ম, স্ত্ৰী লিঙ্গৰ নৈৰাত্মা হ'ব। সংস্কৃত ভাষাত নিজে নাই আৰু আত্মা নাই (no soul) একে শব্দই বুজোৱা হেতুকে বৌদ্ধ ধৰ্ম্মত আত্মাৰ অস্তিত্ব নাই এনে ধাৰণাৰ সৃষ্টি হ'ল। গৌতম বুদ্ধই আত্মা সম্বন্ধে কোনো মন্তব্য দিযা নাছিল, কৈছিল - "নিজে নাই"। জপ আৰু প্ৰাণাযামৰ দ্বাৰা বিশুদ্ধ বা সম্ভোগ চক্ৰত, যি কণ্ঠমূলত অৱস্থিত ব্যক্তিৰ সমস্ত অনুভূতি ধ্বংস কৰি ১৬ বিধ শূন্যতা জ্ঞান অনুভূত হয (Lessing & Wayman p 28) । যোগাচাৰ তন্ত্ৰত এই শূন্যতা বোধক সৰ্ব্বাধিক গুৰুত্ব দিযা হয আৰু সমস্ত জগত মানসিক অনুভূতিৰ প্ৰতিবিম্ব বুলি ধৰা হয (mind only school)। অতএব শূন্যতা জ্ঞানেই তথতা (reality) । মন্ত্ৰযান আৰু বজ্ৰযানে চাৰিবিধ শূন্যজ্ঞান স্বীকাৰ কৰে শূন্য (void), অতিশূন্য (great void)। মহাশূন্য (extreme void), আৰু সৰ্ব্বশূন্য (universal void) । যোগাচাৰৰ বাদে আন বৌদ্ধ তন্ত্ৰত শূন্যতা = চিৎ, অতিশূন্য = চৈত্য মহাশূন্য আৰু সৰ্ব্বশূন্য হ'ল অবিদ্যা। কাহ্নুপাদে অবিদ্যা শব্দৰ দ্বাৰা মহাশূন্য আৰু সৰ্ব্বশূন্যক বুজাইছে যাক অনাযাসে দমন কৰিব পাৰি, যদি অস্তিত্ব নাস্তিত্বৰ মাজৰ পাৰ্থক্য মনৰ পৰা লোপ কৰা যায। কাহ্নুপা কথিত দাৰ্শনিক তত্ত্ব বুজিবলৈ জানিব লাগিব অনুত্তৰ তন্ত্ৰৰ সাধকে জপ (ক্ৰিযা) পূজা (চৰ্যা) ধ্যান বিশ্লেষণৰ (যোগাচাৰ) সহাযত পোনতে মনলৈ সৰ্ব্বশূন্য ভাৱ আনিব লাগিব। সৰ্ব্বশূন্য নেতি বাচক দৰ্শন অতএব ই অবিদ্যা। সাধকে কৰ্ম্মমুদ্ৰা আৰু মহামুদ্ৰাৰ (যৌনাচাৰ) সহাযত প্ৰতিলোম যোগেৰে জগতলৈ ফিৰি আহিব কৰুণাৰ আধাৰ। অৰ্থাৎ নিজে সমস্ত জগৎ শূন্য বুলি উপলব্ধি কৰিও মানৱ প্ৰতি কৰুণা লৈ জগতত থাকিব।

১০

ৰাগ - দেশাখ ঃ কাহ্নুপাদানাম

মূলপাঠ	আধুনিক ভাষান্তৰ/অৰ্থ
নগৰ বাহিৰি ৰে ডোম্বি তোহোৰি কুড়িআ।	দেহনগৰীৰ বাহিৰত ডোম্বী বায়ুৰ অৱস্থান
ছুই ছোই জাই সো বাহ্ম নাড়িআ।।	সি অৱধূতীকা নাড়ী স্পৰ্শ কৰি যায়।
আলো ডোম্বি তোএ সম কৰিবে ম সাঙ্গ।	হে ডোম্বী তোৰ লগত মই সংসৰ্গ কৰিম।
নিঘিণ কাহ্ন কাপালি জোই লাঙ্গ।।	উলঙ্গ কাহ্নু কাপালিকক নিঘিণাবি।
এক সো পদমা চৌসঠ্‌ঠী পাখুড়ী।	এটা পদ্ম তাৰ চৌষষ্টিটা পাহি (নিৰ্মাণ চক্ৰ)
তহিঁ চড়ি নাচঅ ডোম্বী বাপুড়ী।।	তাত উঠি নৃত্য কৰ ডোম্বী আইটী।
হালো ডোম্বী তো পুছমি সদভাৱে।	হে ডোম্বী মই তোৰ লগত সদ্ভাৱে সুধিছোঁ
অইসসি জাসি ডোম্বী কাহ্‌ৰি নাৱেঁ।।	অহাযোৱা কৰ তই কাৰ দেহত?
তান্তি বিকণঅ ডোম্বী অৱৰণা চঙ্গতা।	তন্ত্ৰই আবৰণ গুচালে ডোম্বী চন্দ্ৰলৈ যায।
তোহোৰ অন্তৰে ছাড়ি নডএড়া।।	তোৰ অন্তত এৰো, নট সজ্জা
তু লো ডোম্বী হাঁউ কপালী।	মোক কাপালিকক গ্ৰহণ কৰ।
তোহোৰ অন্তৰে মোএ ঘলিল হাড়েৰ মালী।।	তোৰ অন্তত মই হাড়ৰ মালা ভাঙিলো
সৰৱৰ ভাঞ্জীঅ ডোম্বী খাঅ মোলাণ।	যৌনবন্ধন ভাঙি মই মূল উপভোগ কৰিলো।
মাৰমি ডোম্বী লেমি পৰাণ।।	মৰমৰ ডোম্বী মই জীৱনক গ্ৰহণ কৰিলো।

টিপ্পনী ঃ কাহ্নুপাদৰ বৰ্তমান চৰ্যাগীত পণ্ডিত সকলৰ দ্বাৰা "মধ্যযুগৰ পূৰ্বভাৰতৰ সামাজিক চিত্ৰাঙ্কন, 'প্ৰহেলিকাময় চৰ্যা,' 'অবৈধ প্ৰণয়ৰ চৰ্য্যা' আদি বিভিন্ন ৰূপত বৰ্ণিত তথা বিশ্লেষিত হৈছে। টীকা ভাষ্যকাৰ সকলে কাহ্নুপাদতকৈ এশ খোজ আগবাঢ়িছে। এইটো এটা গূঢ়াৰ্থহীন চৰ্যাগীত যʼত অনুত্তৰ তন্ত্ৰৰ কাৰিকৰী দিশ আৰু সিদ্ধি ফলৰ বৰ্ণনা কৰিছে। সাধকে প্ৰাণায়াম যোগে সৰ্ব্ব শূন্যতা বোধ কৰি, পিচত উলঙ্গ কাপালিকৰ নাটকীয় হাড়ৰ মালা ত্যাগ কৰি পুনৰ জীৱনলৈ উভতি আহিছে।

নগৰ বাহিৰি ৰে ডোম্বি তোহোৰি কুড়িআ দেহনগৰৰ বাহিৰত ডোম্বী তোৰ অৱস্থান

নগৰ	=	দেহ নগৰ (চৰ্যা ১১ চাওক)
বাহিৰি ৰে	=	বাহিৰত হে, বাজত
ডোম্বি<ডোম্বী	=	ডোম্বী প্ৰাণায়ামৰ বায়ুৰ নাম

তোহোৰি<তোহাৰ<তৱ = তোমাৰ, তোৰ

কুড়িআ< কুড়< কুটিৰ = পৰ্ণ গৃহ, পঁজা ঘৰ

টীকা ঃ একাধিক ভাষাবাৰে "ডোম্বি" শব্দৰ দ্বাৰা ডোম্ব জাতিৰ স্ত্ৰী 'ডোম্বী' বুলি ধৰি ললেও, বৰ্তমান চৰ্যাত 'ডোম্বি' শব্দই সাধনমালাৰ, পঞ্চডাক মণ্ডলৰ, "গৌৰী গোষ্ঠী'ৰ ডাকিনী 'ডোম্বীক' সূচাইছে - যিযে ডোম্বী প্ৰাণাযমৰ বায়ুক প্ৰতিনিধিত্ব কৰে। আন কেইগৰাকী সঙ্গিনী ডাকিনী হ'ল - গৌৰী, চাউৰী, বেতালী, ঘাসমাৰী, পুক্কশী, শৱৰী, চণ্ডালী (The Indian Buddhist Ioconography - B Bhattacharya - Firma KLM P 310-12)। মহাসিদ্ধ নৰোপাৰ সেকোদ্দেশটীকা যি অনুত্তৰ তন্ত্ৰৰ অন্যতম মৌলিক গ্ৰন্থ, প্ৰাণাযাম বায়ুৰ প্ৰযোগ বৌদ্ধ তন্ত্ৰত নিম্ন লিখিত ধৰণৰ ঃ

সহজ	-	শূন্য	
ডোম্বী	-	বায়ু	অনুত্তৰ তন্ত্ৰ
চণ্ডালী	-	অগ্নি	যোগাচাৰ তন্ত্ৰ
শবৰী	-	জল	চৰ্য্যাতন্ত্ৰ
পুক্কশী	-	ভূমি	ক্ৰিযাতন্ত্ৰ

আন বৌদ্ধতন্ত্ৰ গ্ৰন্থৰ যেনে হেবজ্ৰতন্ত্ৰ আৰু শ্ৰীসমাজ (গুহ্য সমাজ) তন্ত্ৰত এই ক্ৰমৰ অলপ পৰিবৰ্ত্তন হয

নাম	ধাতু	দেহৰঅঙ্গাৱস্থান	চিহ্ন	কাৰ্য্য
পুক্কশী	ভূমি	যৌনাঙ্গ		প্ৰোথন, পুতি ৰাখন
ডোম্বী	বায়ু	উদৰ	পতাকা	পাচন/পচন
শবৰী	জল	হৃদয	মেৰু	জলক্ষেপন
চণ্ডালী	অগ্নি	কণ্ঠমূল	অগ্নিপাত্ৰ	দাহ
যোগিনী	শূন্য	দুই চেলাউৰিৰ মাজ	আকাশ	অস্তিত্বহীন কৰণ

মধ্যযুগৰ ভাৰতৰ অন্ত্যজ জাতিবোৰৰ বৰ্ণগত কাৰ্য্যৰূপে পুক্কশীযে মৃতদেহ পোতে, ডোম্বীয়ে শব নি পেলাই দিযে (ভাগাড), শবৰীযে নৈত ভহাই দিযে, চণ্ডালীয়ে অগ্নিত দাহ কৰে, যোগিনীযে মৃত্যুৰ অস্তিত্ব স্বীকাৰ নকৰে। ইযাৰ দাৰ্শনিক অৰ্থ - পুক্কশীৰ দ্বাৰা শূন্যভাব আনিলে কামনা অবদমিত চিত্তত পোত খায কিন্তু য'ৰ বস্তু ততেই থাকে কেবল দৃষ্টি অগোচৰ হয়। ডোম্বীযে পাচন কৰি মূল কামনা ধ্বংস কৰিলেও কামনাৰ উপাদান সমূহ মনত ৰৈ যায়। শবৰীযে কামনা এটা ঘাটৰ পৰা আন এটা ঘাটলৈ নিযে অৰ্থাৎ কামনাৰ কেবল ৰূপান্তৰ হয়। চণ্ডালীয়ে কামনা দাহ কৰি ভস্ম কৰিলেও আক্ৰোশৰ ভস্ম ৰৈ যায়। যোগিনীয়ে কেবল পূৰ্ণ অনাত্মা বোধ উৎপন্ন কৰিবলৈ সক্ষম।

আন প্ৰাণাযাম বায়ুৰ দৰে ডোম্বী বায়ুও দেহৰ বাহিৰত অৱস্থান কৰে বুলি বিশ্বাস যাক দেহৰ ভিতৰলৈ টানি আনিব লাগে শ্বাসৰ যোগেৰে।

ছুই ছোই জাই সো বাহ্ম নাড়িআ — সি অবধূতীকা (ব্ৰাহ্ম) নাডী স্পৰ্শ কৰি যায়।

ছুই ছোই	=	ছুই ছুই, স্পৰ্শ কৰি
জাই<জাহি<গম	=	যায
সো	=	সেই
বাহ্ম<ব্ৰাহ্ম	=	ব্ৰাহ্মণ, স্ত্ৰী - ব্ৰাহ্মণী = সৰস্বতী = সুষুম্না = অৱধূতীকা
নাডিআ	=	নাডী

টীকা ঃ বৌদ্ধ তন্ত্ৰত উল্লেখিত অসংখ্য নাডী বা পথৰ ভিতৰত তিনিদাল প্ৰধান নাডী হ'ল ললনা, ৰসনা আৰু অবধূতীকা।

ললনা	=	বাম নাড়ী = ঈডা নাড়ী = গঙ্গা
ৰসনা	=	দক্ষিণ নাড়ী= পিঙ্গলা নাডী = যমুনা নাড়ী
অবধূতীকা	=	মধ্যনাডী = সুষুম্না = সৰস্বতী নাডী

প্ৰণিধানযোগ্য -হিন্দু প্ৰাণায়াম তন্ত্ৰত 'সৰস্বতী' আকৌ এডাল বিশেষ নাডী। সুষুম্নাৰ আন এটা নাম ব্ৰাহ্মণী বা ব্ৰাহ্ম নাডী। কিন্তু গঙ্গা - জমুনা-সৰস্বতী বুলিলে সৰস্বতী ব্ৰাহ্মণী নাডী। ব্ৰাহ্মণী যে সৰস্বতী তাৰ প্ৰমাণ "ওঁ ব্ৰাহ্মী৲ হংসসমাৰূঢা স্বৰ্ণবৰ্ণাং চতুৰ্ভুজাম।" হংসসমাৰূঢা শব্দই হিন্দুৰ সৰস্বতী দেবী সূচায। ব্ৰাহ্মণী নাডীযে মধ্যনাড়ী (সৰস্বতী) অবধূতীকা সূচায়। ডোম্বী বায়ু দেহ নগৰীৰ বাজত থাকে, তাক প্ৰাণায়ামকাৰী দেহলৈ টানি আনে। ললনা-ৰসনাৰে গমন কৰিলেও সাধকে ডোম্বী বায়ুক অবধূতীকাত প্ৰবেশ কৰাই নিশ্চল কৰাব লাগে। এই কাৰ্য্যত কাহ্নুপা সফল হোৱা নাই। তেখেতৰ ডোম্বী বায়ু অবধূতীকাক স্পৰ্শ হে কৰি যায়, প্ৰবেশ কৰাবলৈ তেখেত সক্ষম হোৱা নাই।

আলো ডোম্বি তোএ সম কৰিব ম সাঙ্গ — হে ডোম্বী মই তোমাৰ সঙ্গ লম

আলো	=	হে
ডোম্বি	=	ডোম্বী প্ৰাণায়াম, ডোম্বী বায়ু
তোএ<তোহাৰ	=	তোৰ, তোমাৰ
সম<সমম্	=	লগত, সহিত
কৰিব<কৃ	=	কৰিম

ম/স<স্ব	=	নিজে
সাঙ্গ<সঙ্গ	=	সম্বন্ধ, সংসৰ্গ

নিঘিণ কাহ্ন কাপালি জোই লাঙ্গ উলঙ্গ কাপালিক কাহ্নুক ঘৃণা নকৰ

নিঘিণ<নি + ঘৃণা	=	ঘৃণাহীন, কৰুণা কৰ (চৰ্যা ৬ চাওক)
কাহ্ন<কাহ্নু	=	কাহ্নুপাদ
কাপালি<কাপালিক	=	বামাচাৰী তান্ত্ৰিক
জোই	=	যি জনা
লাঙ্গ<উলঙ্গ	=	নঙঠা, ব্যৱহাৰিক অৰ্থ দৰিদ্ৰ

টীকা ঃ কাপালিক শব্দ হিন্দু বামাচাৰী তান্ত্ৰিক, নাথ, অঘোৰপন্থী আৰু অৱধূত তান্ত্ৰিক বুজাবলৈ ব্যৱহাৰ কৰা হয়, যিযে মৃত্যুক অৱজ্ঞা সূচাবলৈ মানুহৰ কৰোটিৰে প্ৰস্তুত হাড়ৰ পাত্ৰ মাত্ৰ ব্যৱহাৰ কৰে। কাহ্নুপাই বৌদ্ধতান্ত্ৰিক ৰূপে নিজকে কাপালিক বুলিছে। তিবৃতীয বৌদ্ধ তান্ত্ৰিকে মানুহৰ মূৰৰ খোলা পাত্ৰ ৰূপে ব্যৱহাৰ কৰে, ভাৰতৰ বৌদ্ধ তান্ত্ৰিকৰ মাজত ইয়াৰ পাত্ৰ ৰূপে প্ৰচলনৰ উল্লেখ বৰ্ত্তমান লিখকে পোৱা নাই যদিও অনুত্তৰ তন্ত্ৰৰ কলশ অভিষেকত, মানুহৰ মূৰৰ খোলা দেৱতা আহ্বানৰ উদ্দেশ্যে ঘট আৰু শঙ্খৰ লগত ব্যৱহাৰ হয়।

এক সো পদমা চৌসঠ্ঠী পাখুডী এটা পদুম ফুল তাৰ চৌষষ্ঠি পাহি

এক সো	=	এক যে, এটা
পদমা<পদ্ম	=	পদ্ম চক্ৰ, দেহ চক্ৰ
চৌসঠ্ঠী	=	চৌষষ্ঠি
পাখুডী<পক্ষপুট	=	পাহি, দল, পাপৰি

টিপ্পনী ঃ বৰ্ত্তমান গীতটিৰ তৃতীয চৰ্যাগীতৰ লগত সাদৃশ্য আছে যʼত বৌদ্ধমতে সূৰ্য্যমণ্ডলত অৱস্থিত নাভি পদ্ম নিৰ্মাণ চক্ৰত চৌষষ্ঠিটা পাহিযে ৬৪ ব্যসনৰ প্ৰতিনিধিত্ব কৰে। কেৱল পূৰ্ব্ব চৰ্যাত ৬৪ ঘড়িয়ে (ঘট) বুলি উল্লেখ কৰা হৈছে। এই "পাহি" বোৰৰ সংখ্যা হিন্দু আৰু বৌদ্ধ তন্ত্ৰ, তদুপৰি গ্ৰন্থ অনুযাযী ভিন্ন যাৰ সম্বন্ধে বিতং আলোচনা চতুৰ্থ অধ্যাযত কৰা হৈছে। বৰ্ত্তমান চৰ্যাগীতত লোম বা সাধাৰণ প্ৰাণাযামৰ বৰ্ণনা কৰা হৈছে (চৰ্যা ৩ ৰ সৈতে একে) যʼত জৈৱ ৰস সূৰ্য্য মণ্ডলৰ পৰা চন্দ্ৰমণ্ডললৈ উত্থিত কৰাৰ চেষ্টা কৰা হয়। চন্দ্ৰমণ্ডলৰ আজ্ঞাচক্ৰ প্ৰাপ্তিৰ পিচত অনুত্তৰ তন্ত্ৰত প্ৰতিলোম যোগ আৰু যোগিনী প্ৰাণায়ামৰ দ্বাৰা তাক পুনৰ চিত্ৰা নাড়ীৰে নমাই অনা হয় যি নামি আহি ঃ

সম্ভোগ চক্ৰ	কণ্ঠ পালে	সাধকে অনুভৱ কৰে	আনন্দ
ধৰ্ম্ম চক্ৰ	হৃদয পালে	" " "	পৰমানন্দ
নিৰ্ম্মাণ চক্ৰ	নাভি পালে	" " "	বিৰামানন্দ
স্বাধিস্থান চক্ৰ	লিঙ্গাগ্ৰ পালে	" " "	সহজানন্দ

শেষৰ অংশ বৰ্ত্তমান গীতত পৰোক্ষভাৱে উল্লিখিত।

শূন্যতা অনুভূতিৰ সৃষ্টিৰ বাবে ডোম্বী বায়ুক চৌষষ্ঠি পাহিত উঠি নাচিব কৈছে নিৰ্ম্মাণ চক্ৰত। নিৰ্ম্মাণ চক্ৰৰ ধাতু অগ্নি আৰু ডোম্বীয়ে এই অগ্নি জ্বলাই ৰাখে কাৰণ তাৰ কাৰ্য্য পাচন।

তহিঁ / তাহঁ চডি নাচঅ ডোম্বী বাপুড়ী তাত উঠি নাচ ডোম্বী আইটী

তহিঁ/তাঁহ < তৎ	=	তাত, সেই ঠাইত
চডি<চড	=	উঠ, উঠি
নাচঅ	=	নাচ, নৃত্য কৰ
ডোম্বী	=	ডোম্বী বায়ু
বাপুডী<বপুং	=	অনিৰ্দিষ্ট ব্যক্তি (সম্বোধন)

হালো ডোম্বী তো পুছমি সদভাৱে হে ডোম্বী তোমাক সদভাৱে সুধিছোঁ।

হালো/আলো	=	হে
ডোম্বী	=	ডোম্বী বায়ু
তো	=	তোক, তোমাক
পুছমি<পৃচ্ছ	=	সুধিছো, জিজ্ঞাসা কৰিছোঁ
সদভাৱে	=	সত্যভাৱে

অইসসি জাসি ডোম্বী কাহৰি নাবেঁ আহিছ্‌ গৈছ ডোম্বী তই কাৰ নাৱত (দেহত)

অইসসি	=	আগমন, অহা
জাসি	=	গমন, যোৱা
ডোম্বী	=	ডোম্বী বায়ু
কাহৰি<কস্য	=	কাৰ
নাবেঁ	=	নাওঁ (দেহা - কৰুণাৰ বাহন)

তান্তি বিকণঅ ডোম্বী অবৰণা চঙ্গতা তন্ত্ৰই আবৰণ দূৰ কৰিলে ডোম্বী চন্দ্ৰলৈ যায়

তান্তি<তান্ত্ৰি<তন্ত্ৰ	=	তন্ত্ৰ
বিকণঅ<বিক্ৰময় (বি+ক্ৰময)	=	পাৰ হয, অতিক্ৰম কৰে

ডোম্বী	=	ডোম্বী বায়ু
চঙ্গতা<চন্দ্রম গতা	=	চন্দ্ৰলৈ যায, চন্দ্র মণ্ডললৈ যায

টিপ্পনী ঃ এই বাক্যটোৰ অৰ্থ পুৰ্ব্বভাষ্যকাৰ সকলে ইজনতকৈ সিজনে হাস্যকৰ ভাবে কৰিছে। মুনিদত্তই লিখিছে - "তন্ত্ৰীতি ভগং পদ্মস্থানং অবিদ্যা ৰূপং ।" সুকুমাৰ সেনৰ অৰ্থ – "তাঁত বেচা হয, ডোমনী। আৰ তো চাঙ্গৰি।" জাহ্নবী চক্রবর্ত্তীৰ ডোমনীযে – "ডোমনি তুই তন্ত্রী চাঙ্গৰি বিক্রয কৰিস।" পৰীক্ষিত হাজৰিকাৰ ডোম্বীযে —'হে তাঁত বিক্রীকাৰিণী ডোম্বী তুমি নানা আৱৰণেৰে পৰিভূষিতা।" (পৃঃ ২২৩ চর্য্যাপদ)। ডোম্বীযে তাঁত বিক্রয কৰাৰ উল্লেখ ভাৰতৰ সমাজ বিজ্ঞানৰ কৰবাত আছে নেকি ? হিন্দু তন্ত্র সম্বন্ধে কণা মাত্র জ্ঞান থকা জনেও জানে সাধনাত বহিলে পোনতে " আবৰণ দেৱতা" (যি প্রেতে মানসিক আৱৰণ বা অজ্ঞতাৰ সৃষ্টি কৰে) সকলক পূজা কৰি আঁতৰি যাবলৈ প্রার্থনা কৰা হয়। আবৰণ হ'ল আচ্ছাদন বা বাধা। এই বাক্যটো বোধ হয় পোনে পোনে হিন্দু তন্ত্ৰৰ সংস্কৃত বাক্যৰ পৰা তুলি লোৱা অথবা তাৰ অপভ্রংশ — "তন্ত্র বিক্রময আবৰণ, ডোম্বী চন্দ্রমগতা" অপভ্রংশ হৈ "তান্তি বিকণঅ ডোম্বী অবকণা চঙ্গতা" হৈছে।

তোহোৰ অন্তৰে ছাড়ি নড়এড্ডা তোৰ অন্তত এৰি নট সজ্জা

তোহোৰ	=	তোৰ
অন্তৰে	=	অন্তত, শেষত
ছাড়ি	=	এৰি
নডএড্ডা< নৰ + এড্ডা	=	নৈৰাড্ডা ? নট সজ্জা

টিপ্পনী ঃ নৰএড্ডা শব্দ মুনিদত্তই "নটবৎ সংসাৰ পেটকং" বুলি বুজিছে। পৰীক্ষিত হাজৰিকাই মঞ্চ সদৃশ সংসাৰ ত্যাগৰ কথা কৈছে। সুকুমাৰ সেনেও নট সজ্জা ত্যাগ কৰা বুলি স্বীকাৰ কৰিছে। এই গীতৰ দ্বাদশ শাৰীত হাড়ৰ মালা ভঙা বুলি কৈছে - যাৰ অৰ্থ কাহ্নুপাই কাপালিকৰ ভেশ এৰিলে (চতুৰ্থ শাৰী), যাক তেখেতে নাটকৰ ভাৱৰীযাৰ ভেশ সদৃশ বুলি কলে এই বাক্যৰ দ্বাৰা। কাপালিকৰ দৰ্শন 'জগৎ সৰ্ব্বমিথ্যা কেৱল মৃত্যু সত্য', অৰ্থাৎ সৰ্ব্বশূন্য দৰ্শন। অনুত্তৰ-তন্ত্ৰত মহাশূন্য আৰু সৰ্ব্ব শূন্যক 'অবিদ্যা' (চৰ্যা ৯) বোধ কৰি তাৰ পৰা উভতি আহিবলৈ কোৱা হয। কাহ্নুপাই সৰ্ব্বশূন্য অবিদ্যা বুলি বুজি পাই কাপালিকৰ চিহ্ন মানুহৰ অস্থিৰ মালা (হাডেৰ মালী) ভাঙি পেল্যালে আৰু কাপালিক বসন - ভূষণ অভিনেতাৰ বেশ যেন ভাবি তাক ত্যাগ কৰিলে।

তু লো ডোম্বী হাঁউ কপালী   তই মোক কাপালিকক গ্ৰহণ কৰ ডোম্বী

তু<ত্বম	=	তই
লো<লহ	=	গ্ৰহণ কৰ, ল
ডোম্বী	=	ডোম্বী বায়ু
হাঁউ<অহম	=	মোক
কপালী	=	কাপালিক

তোহোৰ অন্তৰে মোএ ঘালিলি হাডেৰ মালী তোৰ অন্তত মই হাড়ৰ মালা ভাঙিলো

তোহোৰ	=	তোৰ
অন্তৰে	=	শেষত, অন্তত
মোএ	=	মই
ঘালিলি<ঘালি<ঘা	=	ক্ষত=ভাঙিলি, ভাঙিলো
হাডেৰ	=	অস্থিৰ
মালী	=	মালা

সৰবৰ ভাঞ্জীঅ ডোম্বী খাঅ মোলাণ   যৌন বন্ধন ভাঙি মই মূল উপভোগ কৰিলো।

সৰবৰ	=	সৰোবৰ
ভাঞ্জীঅ<ভাঙ্গিঅ<ভঙ্গকৃত	=	ভাঙি
ডোম্বী	=	ডোম্বী বায়ু
খাঅ	=	উপভোগ কৰ, গ্ৰহণ কৰ
মোলাণ<মৃণাল	=	পদুমৰ মূল

টিপ্পনী ঃ এই বাক্যত কাহ্নুপাদে ন্যেয অৰ্থৰ সাহায্য লৈছে। সৰোবৰ = জলাশয। লিঙ্গাগ্ৰত অবস্থিত স্বাধিষ্ঠান চক্ৰ শ্ৰীবগলামুখী তন্ত্ৰমতে এটা সিন্দুৰ ৰঙা পদ্ম। এই পদ্মৰ অভ্যন্তৰত পদ্মাকাৰ জল মণ্ডল কল্পনা কৰিব লাগিব। ইয়াতেই মকৰ বাহন বৰুণ দেৱ অধিষ্ঠিত - যি জনে আন গুণৰ লগতে যৌনস্পৃহা নিযন্ত্ৰণ কৰে (চৰ্যা ২ চাওক)। সৰোবৰৰ পাৰ ভাঙি বৰুণ আৰু মকৰক স্বাধীনতা দিব লাগিব। স্বাধিষ্ঠান চক্ৰৰ পদ্মৰ মূল - যৌনস্পৃহাৰ (খাঅ) অভিজ্ঞতা পালেহে সৰ্ব্বশূন্য কাপালিক ভেশ এৰিব পাৰিব। এইটো এটা দেখ দেখ অনুত্তৰ তন্ত্ৰ সমৰ্থক চৰ্যাগীত য'ত কাহ্নু লাঙ্গই কাপালিকৰ নটসজ্জা আৰু হাড়ৰ মালা ভাঙি কৰুণাৰ ৰাজ্যলৈ উভতি আহিছে — কিন্তু সেয়া কৰাৰ আগতে ডোম্বী প্ৰাণায়ামৰ দ্বাৰা পোনতে চৌষষ্ঠি ব্যসন ধ্বংস কৰি (কুম্ভকৰ দ্বাৰা), তন্ত্ৰৰ সহায়ত আৱৰণ গুচাই প্ৰাণ বায়ু বা অমৃতক চন্দ্ৰ মণ্ডললৈ পঠাবলৈ সক্ষম হৈছে।

মাৰমি ডোম্বী লেমি পৰাণ মৰমৰ ডোম্বী মই জীৱনক গ্ৰহণ কৰিলো

মাৰমি<মাৰযামি	=	উত্তম। মাৰমি< মৰ্ম্ম = প্ৰিয়, অন্তৰৰ
ডোম্বী	=	ডোম্বী প্ৰাণাযাম বায়ু
লেমি<লয হামি	=	মই লও, (লই আমি- বঙালী) গ্ৰহণ কৰো
পৰাণ<প্ৰাণ	=	জীৱন

টীকা ঃ মৰমৰ ডোম্বী মই জীৱনক গ্ৰহণ কৰিলো বা পুনৰ জীৱনলৈ উভতি আহিলো বাক্যৰ দ্বাৰা বুজাইছে, সৰ্ব্বশূন্য অনুভূতি প্ৰাপ্তিৰ পিচত যেতিয়া যৌন অভিজ্ঞতা প্ৰাপ্ত হ'ল, হাড়ৰ মালা ভাঙি কাপালিকৰ ভেশ এৰি পুনৰ কৰুণাময স্বাভাবিক জীৱনলৈ উভতি আহিল কাহ্নুপাদে। ❖❖

১১

।। ৰাগ পটমঞ্জৰীঃ কৃষ্ণাচাৰ্য্যপাদানাম্।।

মূলপাঠ	আধুনিক ভাৰান্তৰ/অৰ্থ
নাড়ী-শক্তি দিঢ ধৰিঅ খট্রে।	সাধনাৰ আসনত জৈৱশক্তি অবিচল ৰাখা।
অনহ্ন ডমৰু বাজএ বীৰনাদে।।	হৃদযত শক্তিশালী অনুভূতিৰ সৃষ্টি হয়,
কাহ্ন কাপালী যোগী পইঠ অচাৰেঁ।	কাহ্নু কাপালিক যেতিয়া যোগ নিবিষ্ট হয়
দেহ-নঅৰী বিহৰএ একাৰেঁ।।	দেহত সকলো শক্তি সান-মিহলি হয়।
আলি-কালি ঘণ্টা নেউৰ চৰণে।	প্ৰাণাযামৰ অক্ষৰ ধ্বনি অবিৰাম হৈ থাকে।
ৰবি শশী কুণ্ডল কিউ আভৰণে।।	দেহ, মন, বিচাৰ বুদ্ধি কিয আচ্ছন্ন?
ৰাগ দেশ মোহ লাইঅ ছাৰ।	প্ৰীতি, দ্বেষ মোহ ভস্মৰূপত গ্ৰহণ কৰা।
পৰম মোখ লৱএ মুত্তিহাৰ।।	পৰম নিৰ্ব্বাণক মুক্তাহাৰ স্বৰূপে লোৱা
মাৰিঅ সাসু নণন্দ ঘৰে সালী।	নিজৰ ভিতৰতে শুভ ভাব, নিৰানন্দ আৰু শোভন - অশোভন চিন্তা ধ্বংস কৰা।
মাঅ মাৰিআ কাহ্ন ভইঅ কবালী।।	মাযা ধ্বংস কৰি কাহ্নু কাপালিক হ'ল।

টিপ্পনী ঃ বৰ্ত্তমান চৰ্যাগীতৰ ৰচনাৰ শৈলী পূৰ্ব্বৰ গীতৰ (নং ১০) দৰে, ইয়াতো ৰচক কাহ্নুৱে বৌদ্ধ যৌগিক সাধনাৰ পথৰ বৰ্ণনা দিছে আৰু একেদৰেই নিজকে কাপালিক বুলি কৈছে, কিন্তু ইয়াত সকিযাই দিছে, মুক্তিৰ (নিৰ্ব্বাণ) বাবে প্ৰাণাযাম আৰু জপেই যথেষ্ট নহয়। প্ৰাণাযামত বহাৰ আগতে মনৰ পৰা মায়া,

শুভাৰ, নিৰানন্দ আৰু মানুহে ভাল বুলিব -বেয়া বুলিব চিন্তা আঁতৰ কৰিব লাগিব।

নাড়ী শক্তি দিঢ় ধৰিঅ খট্টে সাধনাৰ আসনত জৈৱ শক্তিক অবিচল ৰাখা

নাড়ী = প্ৰাণাযাম বা কৌলিক তন্ত্ৰত কল্পিত শক্তি পথ, যাৰ মাজেৰে দেহত জৈৱ শক্তি সঞ্চাৰিত হয় (চৰ্যা ১০চাওক)

শক্তি = নাড়ীত সঞ্চাৰিত জৈৱ শক্তি

দিঢ<দৃঢ = অবিচল, স্থিৰ

খট্টে<খট্ট = খাট, আসন। বৰ্ত্তমান ক্ষেত্ৰত সাধনাৰ বাবে বহা সাধকৰ আসন বা সাধনা প্ৰক্ৰিয়া

অনহা ডমৰু বাজএ বীৰনাদে হৃদযত শক্তিশালী অনুভূতিৰ সৃষ্টি হয।

অনহা ডমৰু<অনাহত ডম্বৰু = হৃৎপিণ্ড, যি আঘাত নকৰিলেও শব্দ কৰে, অৰ্থাৎ হৃদয চক্ৰ য'ত অনুভূতিৰ সৃষ্টি হয়।

বাজএ বীৰনাদে = স্পষ্ট শব্দ কৰে (কবিৰ অলঙ্কাৰ)

টিপ্পনী ঃ অনাহত বা হৃদয চক্ৰত যেতিযা অনুভূতিৰ সৃষ্টি হয বাজএ বীৰনাদে অৰ্থ, শক্তিশালী অনুভূতিৰ সৃষ্টি হয।

কাহ্ন কাপালী যোগী পইঠ অচাৰে কাহ্নু কাপালিক যেতিযা যৌগিক কৰ্ম্ম নিবিষ্ট হয।

কাহ্ন = কাহ্নুপাদ, গীতৰ ৰচক

কাপালী = কাপালিক সন্যাসী

যোগী = যোগাচাৰী

পইঠ<প্ৰবিষ্ট = সোমায, নিমগ্ন হয, নিবিষ্ট হয

অচাৰে<আচাৰ<আচৰণ = কৰ্ম্মত, কাৰ্য্যত

দেহ-নঅৰী বিহৰএ একাৰেঁ দেহত সকলো শক্তি সান-মিহলি হয

দেহ নঅৰী<দেহ + নগৰী = সাধকৰ দেহ, যাক নগৰৰ লগত তুলনা কৰা হৈছে।

বিহৰএ<বিহৰ = সঞ্চাৰিত হয়, অহা যোৱা কৰে

একাৰেঁ<একাকাৰে<এক আকাৰে = সকলো এক হৈ, সানমিহলি হৈ, বেমেজালি।

টিপ্পনী ঃ সাধনাত বহিলে কাহ্নু কাপালিকৰ জৈৱ শক্তি (চিন্তা) দেহত খেলি - মেলি বা বেমেজালিৰ সৃষ্টি কৰে = মন একাগ্ৰ ভাৱে নিবিষ্ট হ'ব

নোৱাৰে।

আলি-কালি ঘণ্টা নেউৰ চৰণে প্ৰাণায়ামৰ অক্ষৰ ধ্বনি অবিৰাম হৈ থাকে

আলি- কালি	=	অফলা-কফলা প্ৰাণায়ামৰ অ ফলা ধ্বনি আৰু ক ফলা ধ্বনি, বাস্তবতে শ্বাস-নিশ্বাস।
ঘণ্টা	=	বাদ্য যন্ত্ৰ বিশেষ, বৰ্ত্তমান ক্ষেত্ৰত প্ৰাণায়ামৰ অ-ফলা ক-ফলা উচ্চাৰণৰ নিৰবচ্ছিন্ন ঘণ্টা ধ্বনি সদৃশ ধ্বনি
নেউৰ<নুপুৰ	=	ভৰিত পিন্ধা অলঙ্কাৰ বিশেষ যেয়ে ঘণ্টা সদৃশ শব্দ কৰে।
চৰণে	=	ভৰিত

প্ৰাণাযামৰ অক্ষৰ ধ্বনিযে ভৰিৰ নেপুৰৰ দৰে নিৰবচ্ছিন্ন ধ্বনি কৰে ।

ৰবি শশী কুণ্ডল কিউ আভৰণে দেহ, মন, বিচাৰ বুদ্ধি কিয আচ্ছন্ন

ৰবি = সূৰ্য্য = ক্ৰিযাতন্ত্ৰ বা জপ কাৰ্য্য, (শাৰীৰিক কাৰ্য্য) দেহক

শশী = চন্দ্ৰ = চৰ্য্যা তন্ত্ৰ বা পূজা বা ৰূপ দৰ্শন, (মানসিক কাৰ্য্য) মন।

কুণ্ডল = কৰ্ণৰ অলঙ্কাৰ বিশেষ, বুদ্ধ কুণ্ডল - (হেবজ্ৰতন্ত্ৰ মতে) বিচাৰ বুদ্ধি

কিউ = কিয (বৰ্ত্তমান হিন্দী ভাষাত ব্যৱহৃত)

আভৰণে= আবৃত (চৰ্যা ১০ অবৰণ চাওক) আচ্ছন্ন।

ৰাগ দেশ মোহ লাইঅ ছাৰ প্ৰীতি, দ্বেষ, মোহ ভস্ম ৰূপে গ্ৰহণ কৰা

ৰাগ	=	অনুৰাগ, প্ৰীতি
দেশ<দ্বেষ	=	অপ্ৰীতি, ক্ৰোধ, হিংসা
মোহ	=	ভ্ৰান্ত ধাৰণা, অজ্ঞতা, মায়াজনিত ভ্ৰান্তি
লাইঅ<লহ	=	ল, গ্ৰহণ কৰ,
ছাৰ<ক্ষাৰ	=	ছাই, ভস্ম

পৰম মোখ লৱএ মুত্তিহাৰ পৰম নিৰ্ব্বাণক মুক্তাহাৰ স্বৰূপে লোৱা

পৰম	=	সৰ্ব্বোচ্চ, সৰ্ব্বশ্ৰেষ্ঠ
মোখ<মোক্ষ	=	মুক্তি, নিৰ্ব্বাণ
লবএ	=	গ্ৰহণ কৰ, গ্ৰহণ কৰে

মুত্তিহাৰ<মুক্তিহাৰ অথবা মুক্তাহাৰ = নিৰ্ব্বাণক শ্ৰেষ্ঠ মুক্তাৰ হাৰৰ লগত তুলনা কৰা হৈছে।

মাৰিঅ সাসু নণন্দ ঘৰে সালী — নিজৰ ভিতৰতে শুভ, নিৰানন্দ আৰু শোভা পায নাপায চিন্তা ধ্বংস কৰা

মাৰিঅ = ধ্বংস কৰা

সাসু<শ্বশ্ৰূ = শাহুৰী (শাহু অসমীয়াত) শ্বশুৰ শব্দৰ স্ত্ৰীলিঙ্গ।

শ্বশুৰ = শ্ব+ শু (আনত) অশ + উৰণ = শুভ আনযন কৰ্ত্তা, শুভতাৰ

নণন্দ<ন + নন্দ = আনন্দহীনতা, নিৰানন্দ

ঘৰে = গৃহ, মনুষ্যৰ দেহাত (আত্মাৰ গৃহ)

সালী<শালী = ভাৰ্য্যাৰ ভগিনী। প্ৰযোজ্য অৰ্থ শালী = শীল + ইন
= শোভা (শোভা পায নাপায় চিন্তা।)

মাঅ মাৰিআ কাহ্ন ভইঅ কবালী — মাযা ধ্বংস কৰি কাহ্নু কাপালিক হ'ল।

মাঅ<মায়া = অবিদ্যা জনিত ভ্ৰান্তি, বিভ্ৰম

মাৰিআ<মাৰিয়া = ধ্বংস কৰি

কাহ্ন = কাহ্নু

ভইঅ<ভব = হ, হ'ল

কবালী = কাপালিক, সৰ্ব্বস্বত্যাগী সন্যাসী

টিপ্পনী ঃ চৰ্যা নম্বৰ ১১ দেখ দেখ চৰ্যাগীত ১০ তকৈ আগৰ, কাৰণ ইযাত কাহ্নুৱে নিজকে কাপালিক (কবালী) হোৱা বুলি কৈছে, আনহাতে চৰ্যা ১০ ত তেখেতে কাপালিক ভেশ ত্যাগ কৰিছে। সাধনাৰ ক্ষেত্ৰতো চৰ্যা ১১ত মায়ামোহ, দ্বেষ, আনন্দ-নিৰানন্দ ত্যাগ কৰি শূন্যতাক আকোৱালি লব দিছে প্ৰাণাযামৰ যোগেৰে। চৰ্যা ১০ ত চন্দ্ৰ মণ্ডলত গমনৰ কথা কৈছে প্ৰাণ শক্তিৰ। চৰ্যা নং ৯ তাতোকৈও পিচৰ আৰু সাধন মাৰ্গৰ উচ্চতৰ স্তৰৰ ৰ'ত সাধনা সিদ্ধি, সহজ প্ৰজ্ঞা + মহাসুখ, কৰুণা আৰু বুদ্ধজ্ঞান প্ৰাপ্তি আলোচনা কৰিছে।❖❖

১২

ৰাগ - ভৈৰৱী ঃ কৃষ্ণপাদানাম্

মূলপাঠ	আধুনিক ভাষান্তৰ/অৰ্থ
কৰুণা পিহাড়ি খেলহুঁ নয়বল।	কৰুণা মৰ্দন কৰি পাশা খেলা (সাধনা) হৈছে
সদ্গুৰু বোহেঁ জিতেল ভববল।।	সংগুৰুৰ জ্ঞানেৰে জাগতিক আকৰ্ষা জিনিলো।
ফীটউ দুআ মাদেসি ৰে ঠাকুৰ।	কৌলিক প্ৰভুৰ ধ্বংস কৰাত দুৱাৰ খোল খালে।
উআৰি উএসঁ কাহ্নু ণিঅড জিনউৰ।।	তেখেতৰ উপদেশত কাহ্নুৱে বোধিসত্বৰ (ৰাহুলৰ) শিকলি গাঠিলে।
পহিলেঁ তোড়িআ বৰিআ মৰাড়িউ।	পোনতে ধ্বংস কৰা ভূতাখণ্ডৰ সাধনা (ইচ্ছা)
গঅৱৰেঁ তোলিআ পাঞ্চজণা ঘোলিউ।।	অক্ষোভ্যৰ সহ্যত পঞ্চকুল সাধনাক ধ্বংস কৰা।
মতিএঁ ঠাকুৰক পৰিনিৱিত্তা।	মন্ত্ৰই (উপাস্য) দেবতাক নিবৃত্ত কৰিলে
অৱস কৰিআ ভববল জিতা।।	জাগতিৰ স্পৃহা দুৰ্বল কৰিযে জয়ী হলো।
ভণই কাহ্নু আম্মে ভলি দান দেহুঁ।	কাহ্নুই কয় মই ভাল চাল খেলো
চউষঠ্‌ঠী কোঠা গুণিআ লেহু।।	চৌষষ্ঠি কোঠলী মইগণি গণি লওঁ (জয় কৰো)।

টিপ্পনী ঃ বৰ্ত্তমান চৰ্যাগীত যি কাহ্নুপাদ বিৰচিত আৰু হৰপ্ৰসাদ শাস্ত্ৰী আবিষ্কৃত গীত মালাৰ ক্ৰমিক স্থান ১২, ব্যতিক্ৰমহীন ভাবে সকলো টীকা ভাষ্যকাৰ আৰু অনুবাদকে দাবা খেলৰ (a game of chess) বুলিযেই বুজিছে যি গ্ৰহণ কৰিবলৈ টান। গীতৰ প্ৰথম বাক্যতে লিখিছে " কৰুণা পিহাড়ি"। পিহাড়ি< পিষ = মৰ্দন কাৰ্য্য। দাবা খেলত গুটি নিপিহে — পাশা খেলত হে গুটি পিহি বা মোহাৰি লৈ দলিযাই পেলায বা মাৰে। দ্বিতীযতে দাবা খেলৰ উল্লেখ বৌদ্ধ তন্ত্ৰ শাস্ত্ৰত নাই, পাশা খেলৰ আছে "The prospertity Family (পৌষ্টিক কুল) is the playing by five because it is associated with five hundred gems and shows the play by five with dice It is a term for making successful the prosperity rites which brings issue of sons and increase of wealth (P 103 F D Lessing & A Wayman)। মণিকুল তন্ত্ৰ আকৌ ঐশ্বৰ্য্য বা ৰত্ন পৰিযালত (family) পৰিব।

ক্ৰিযা আৰু চৰ্যা তন্ত্ৰত সমস্ত যোগ পদ্ধতিক পাঁচটি কুলত ভাগ কৰা হৈছে - তাৰ কুলেশ বা কুলপিতৃ বৈৰচন, জেতা বা জীন (তাৰপৰাই জিনউৰ

বা জীনৰ পুত্ৰ) যাৰ পৰা পাঁচোটা কুলৰ উদ্ভৱ হৈছে—তথাগত, ৰত্ন পদ্ম, কৰ্ম্ম আৰু বজ্ৰ।

ক্ৰিয়া- চৰ্য্যা তন্ত্ৰ

লৌকিক — পঞ্চকুল, মণিকুল, লৌকিক কুল

লোকোত্তৰ — তথাগত, পদ্ম, বজ্ৰ

লৌকিক তন্ত্ৰই সাংসাৰিক সুখ সুবিধা ঐশ্বৰ্য্য আৰু অষ্ট সিদ্ধি দিয়ে আৰু সাধকক ভাগ্য নিৰ্ভৰশীল কৰে বাবে - পাশা খেলৰ যোগ (a game of dice) বোলা হয়। এই অষ্ট সিদ্ধিক " সাধাৰণ সিদ্ধি" বোলা হয় বৌদ্ধ তন্ত্ৰত, আৰু "মহাসিদ্ধি নাম" পাইছে হিন্দু তন্ত্ৰত।

অষ্টসিদ্ধি — (বিতং চৰ্যা ১৩ চাওক)।

খৰ্গ	—	অস্ত্ৰই আঘাত নকৰে
অঞ্জন	—	অদৃশ্য বস্তু দেখা পায
পদলেপ	—	ত্বৰিত গমন
অন্তৰ্দ্ধান	—	অদৃশ্য ভবন
ৰসৰসায়ন	—	অজৰ - অমৰ কৰা ঔষধ (চৰ্যা ২২ চাওক)
খেচৰ	—	উৰিব পৰা গুণ
ভূচৰ	—	দেহাবযবৰ পৰিবৰ্ত্তন
পাতাল সিদ্ধি	—	প্ৰেত সিদ্ধি, বেতাল সিদ্ধি

[illegible]

লোভ ত্যাগ কৰি ভববল জিনিবৰ বাবে উপায় জনাইছে শ্ৰোতা সকলক।

কৰুণা পিহাড়ি খেলহুঁ নয়বল কৰুণা মৰ্দ্দন কৰি পাশা খেলা হৈছে

কৰুণা	=	দয়া ভাব (compassion), অনুত্ত্বৰাতন্ত্ৰৰ সহজ অনুভূতিৰ এটা গুণ
পিহাড়ি<পিষ	=	পিহি, মোহাৰি
খেলহু	=	খেলিছোঁ
নযবল	=	নয +বল = পাশা খেল + শ্ৰেণী (নয = দ্যূত ক্ৰীড়া)

টিপ্পনী ঃ ব্যতিক্ৰমহীন ভাৱে পূৰ্ব্বৰ টীকা ভাষ্যকাৰ সকলে 'নয়বল' দাবা খেলৰ নটা বল বা শক্তিৰ কথা উল্লেখ কৰিছে। দাবা খেলত ন টা শক্তি নাথাকে,

দানো নিদিয়ে আৰু চউষঠ্‌ঠী কোঠা ইযাত দাবাৰ ঘৰ বুজোৱা নাই - নির্ম্মাণ চক্ৰৰ চৌষষ্ঠি পাহিৰ পদুম আৰু চৌষষ্ঠি ব্যসন বুজাইছে -কাৰণ নির্ম্মাণ চক্ৰতে চৌষষ্ঠি ব্যসন জনিত লোভ ধ্বংস কৰিব লাগিব। চৌষষ্ঠি ব্যসন জনিত লোভ ভস্ম হলেহে সাধকে লৌকিক তন্ত্ৰৰ সাধনাৰ দ্বাৰা পাব পৰা সাংসাৰিক লক্ষ্য পৰিহাৰ কৰি নির্ব্বাণৰ উদ্দেশ্যে লোকোত্তৰ উচ্চ তন্ত্ৰৰ সাধনা সক্ষম হ'ব।

পাশা খেল - বৰ্ত্তমান প্ৰযোগ লৌকিক তন্ত্ৰ যাৰ নাম দ্যুতক্ৰীডা (a game of dice) যি পৌষ্টিক কুলত অন্তৰ্ভুক্ত আৰু সফল সাধনাত পুত্ৰ আৰু সম্পত্তি দিযে বুলি বিশ্বাস (চর্যা ৪ৰ মণিকুলৰ টীকা চাওক)।

বৰ্ত্তমান বাক্যৰ অৰ্থ কৰুণা, যি অনুত্তৰ তন্ত্ৰৰ মূল লক্ষ, তাক মৰ্দ্দন কৰি, অৰ্থাৎ ধ্বংস বা উপেক্ষা কৰি ধন-পুত্ৰক উদ্দেশ্য কৰি তন্ত্ৰ সাধনা কৰিছোঁ (যি ভুল পথ)।

সদগুৰু বোহেঁ জিতেল ভৱবল সংগুৰুৰ জ্ঞানেৰে জগতৰ আকৰ্ষণ জয কৰিলোঁ

সদগুৰু	=	সংগুৰু, শুভগুৰু
বোহেঁ<বোধ	=	শুভ জ্ঞান
জিতেল	=	জযী হ'ল, জযী হলো
ভৱবল<ভৱ+বল	=	জগতৰ শক্তি, জগতৰ আকৰ্ষণ

ফীটউ দুআ মাদেসি ৰে ঠাকুৰ কৌলিক প্ৰভুক ধ্বংস কৰাত দুৱাৰ খোল খালে

ফীটউ<স্ফুটিত	=	মেল খালে, খোল খালে
দুআ<দ্বাৰ	=	দুৱাৰ, পথ
মাদেসি ৰে<মৰ্দ্দসি ৰে	=	ধ্বংস কৰা হ'ল, পিহি নিয়া হ'ল।
ঠাকুৰ	=	দেৱতা, পঞ্চক কুলৰ অধিস্থাতা কৌলিক প্ৰভু (ৰত্নসম্ভব?)

উআৰি উএসঁ কাহ্ন নিঅড় জিনউৰ তেখেতৰ উপদেশত কাহ্নুৱে বোধিসত্ব শিকলী গাঠিলে

উআৰি<উহাৰি	=	তাৰ (সদ গুৰুৰ)
উএসঁ<উপদেশ	=	উপায় বুধি, শিক্ষা
কাহ্ন	=	কাহ্নুপা
নিঅড়<নিগড়	=	শিকলি

জিনউৰ<জিনঔৰস = বুদ্ধপুত্ৰ বোধিসত্ব, যাইঁকে তথাগত বাহুল্য যাৰ লৌকিক তন্ত্ৰত অধিকাৰ নাই

টিপ্পনী ঃ নিঅড জিনউৰৰ বাবে চৰ্যা নং ৭ ৰ "নিঅড়ী জিনউৰৰ টীকা চাওক। উআঁৰি বা উহাৰ শব্দই ইয়াত সংগুপ্তক বুজাইছে।

পহিলেঁ তোড়িআ বড়িআ মৰাড়িইউ পোনতে ধ্বংসকৰা ভৃত্যখণ্ড (যোগ) সাধনা

পহিলেঁ = প্ৰথমে, পহিলে (প্ৰাকৃত)

তোডিআ<ত্ৰোটিত = ভঙ্গ কৰি, ধ্বংস কৰি

বডিআ<বটিকা ? = প্ৰথম অৰ্থৎ পাশা খেলৰ গুটি হ'ব পাৰে, তদুপৰি বৈৰ ভাব অৰ্থাৎ দ্বেষ। পাশাৰ বোড বা গুটি সৰ্ব্ব নিম্ন শ্ৰেণীৰ। পঞ্চককুল সাধনা পদ্ম কুলৰ ভৃত্য খণ্ডত পৰে (p 129 Lessing & Wayman) অতএৱ বডিআ মৰাডিইউৰ দ্বাৰা ভৃত্যখণ্ডৰ সাধনাৰ পৰা হোৱা লাভৰ আশা ধ্বংস কৰিব কৈছে।

মৰাডিইউ<মৰ্দ্দিত = ধ্বংস কৰা

গঅৱৰেঁ তোলিআ পাঞ্চজণা ঘোলিউ অক্ষোভযৰ সহাযত পঞ্চকবুল (যোগক) আঘাত কৰা

গঅবৰে<গজবৰে = গজ + বৰে = বৃহৎ হস্তীৰে = অক্ষোভ্য বোধিসত্বৰে। যোগতন্ত্ৰৰ চণ্ডালী বাযুৰে

তোলিযা = তুলি

পাঞ্চজণা = পঞ্চক কুল তন্ত্ৰ

ঘোলিউ<ঘালিউ = আঘাত কৰা

টীকা ঃ বৰ্ত্তমান বাক্যৰ অৰ্থ বুজিবলৈ বৌদ্ধ তন্ত্ৰৰ শ্ৰেণীভেদ আৰু বৌদ্ধ তন্ত্ৰৰ উপাখ্যান সমূহ জানিব লাগিব। গজবৰ যাৰ অৰ্থ বৃহৎ হস্তী, মোটা মুটিভাৱে সকলো বোধিসত্বকে বুজায়, যি সকলে বুদ্ধত্ব পোৱাৰ আগতে গজহস্তীৰ ৰূপত জন্ম গ্ৰহণ কৰিছিল।

বোধিসত্ব অক্ষোভ্যক বিশেষভাৱে সূচায় যিহেতু শাক্যমুনি বুদ্ধ (ঐতিহাসিক বুদ্ধ) বুদ্ধত পোৱাৰ আগতে মেৰু পৰ্ব্বতৰ যি খন সিংহাসনত বহি

অভিসম্বোধি প্ৰাপ্ত হৈছিল সেই সিংহাসন খন অক্ষোভয়ে গজহস্তীৰ ৰূপত ধাৰণ কৰি আছিল বুলি তন্ত্ৰৰ উপাখ্যানে কয়। বোধিসত্ব অক্ষোভয বজ্র কুলৰ 'ত্ৰৈলক্য বিজয' খণ্ডৰ অধিপতি আৰু যোগতন্ত্ৰৰ অধিস্থাতা বোধিসত্ব। অক্ষোভয নামেই সূচায, অক্ষোভয = অ + ক্ষোভয় - যাৰ ক্ষোভ অৰ্থাৎ মনস্তাপ, চিত্ত চাঞ্চল্য নাই।

'পাঞ্চজনা'-পঞ্চককুলৰ পাচটা সাধনা যি " হীন বা গৌণ" সাধনা, লৌকিক সাধনাৰ ভিতৰত পৰে। পঞ্চককুল সাধনা সৰ্বনিম্ন "ভৃত্য শাখাৰ" অন্তৰ্গত, ই ধন-পুত্ৰ দান কৰে। ইযাৰ দ্বাৰা পাব পৰা যোগসুফলৰ লোভ অক্ষোভয অৰ্থাৎ চিত্তচাঞ্চল্যহীনতাৰ দ্বাৰা আঘাত কৰি (ঘোলিউ) জয় কৰা। বাস্তব বৌদ্ধ তান্ত্ৰিক তাৎপৰ্য্য, ক্ৰিযা আৰু চৰ্য্যা অৰ্থাৎ জপ-পূজাৰ দ্বাৰা প্ৰাৰ্থনা কৰা জাগতিক বস্তুৰ আশা-লোভ যোগতন্ত্ৰৰ দ্বাৰা, চণ্ডালী প্ৰাণাযামৰ দ্বাৰা জয কৰি মনলৈ শূন্যতা ভাঁৱ আনা।

মতিএঁ ঠাকুৰক পৰিনিৰিত্তা মন্ত্ৰই উপাস্যদেৱতাক দমন কৰিলে

মতিএঁ<মন্ত্ৰি<মন্ত্ৰ	=	মন্ত্ৰৰ দ্বাৰা, মন্ত্ৰই। মন্ত্ৰণাই, উপদেশ
ঠাকুৰক	=	প্ৰভু, দেৱতা, ৰজা
পৰিনিবিত্তা<পৰিনিবৃত্ত	=	অবদমিত, পূৰ্ণ নিযন্ত্ৰিত

টিপ্পনী : বৰ্ত্তমান বাক্যৰ অৰ্থ "মন্ত্ৰীযে ৰজাক নিযন্ত্ৰণলৈ আনিলে" বুলি কৰিব পাৰি যদিও ই কষ্টকল্পিত। প্ৰকৃত অৰ্থ, মন্ত্ৰই উপাসিত দেৱতাক নিযন্ত্ৰণলৈ আনি ৰুদ্ধ কৰিলে (পৰিনিবৃত্ত)। কাহ্নুপাদে কৈছে মন্ত্ৰ বা ধৰণী যি তন্ত্ৰৰ মূল, চৰ্য্যা তন্ত্ৰৰ (ঘাইকৈ পূজা-ভক্তি) দ্বাৰা সৃষ্ট উপাস্য দেৱতাক আৰু মনত স্থিত হ'ব নিদিযে। দেৱতাক আৰু দেৱতা পূজাৰ দ্বাৰা পাব পৰা বস্তুৰ লোভ মন্ত্ৰই নিযন্ত্ৰণ কৰিব। দ্বিতীয অৰ্থ গুৰুৰ উপদেশ হ'ব পাৰে।

অৱস কৰিযা ভৱবল জিতা জাগতিক স্পৃহা দুৰ্ব্বল কৰিয়ে জযী হলো

অৱস<অৱসন্ন	=	দুৰ্ব্বল, শ্ৰান্ত
কৰিযা<ক্ৰিযতে	=	কৰি
ভৱবল<ভৱ + বল	=	সংসাৰৰ শক্তি, জাগতিক প্ৰযোজনীয়তা
জিতা	=	জযী হলো

ভণই কাহ্ন আম্হে ভলি দান দেহু কাহ্নুই কয় মই ভাল চাল খেলো

ভণই কাহ্ন	=	কাহ্নুৱে কয়
আম্মে<অহম	=	মই
ভলি<ভাল	=	শ্ৰেষ্ঠ
দান দেহু	=	চাল খেলো

চউষঠ্‌ঠী কোঠা গুণিআ লেহুঁ চৌষষ্টি খোটালী মই গণি গণি লওঁ (জয় কৰো)

চৌউষঠ্‌ঠী	=	চৌষষ্ঠি
কোঠা<কোষ্ঠ	=	কক্ষ
গুণিযা	-	গণনা কৰি
লেহু	-	লওঁ, গ্ৰহণ কৰো

টিপ্পনী ঃ চৌষষ্ঠি কক্ষ ইয়াত নিৰ্ম্মাণ চক্ৰত উৎপন্ন চৌষষ্ঠি ব্যসনৰ কথা কৈছে, যিযে অনাহত চক্ৰলৈ গৈ অনুভূতিলৈ পৰিবৰ্ত্তিত হ'ব। কাহ্নুপাদে, সৎগুৰুৰ উপদেশ মতে প্ৰতিজন বোধিসত্বৰ নিৰ্দ্দিষ্ট কাৰ্য্য প্ৰাণায়াম জপ পূজা ধ্যান দ্বাৰা অন্তৰৰ পৰা লোভ ভাব উঘালি পেলাইছে। চৰ্যাৰ শেষ যোগতন্ত্ৰৰে কৰিছে যদিও প্ৰথম বাক্য— "কৰুণা পিহাড়ি খেলহু নযবল" দ্বাৰা আক্ষেপ কৰিছে, অনুত্তৰ তন্ত্ৰৰ লক্ষ্য 'কৰুণাক' উপেক্ষা কৰি (পিহাড়ি= মৰ্দ্দন) সাধকে নিম্ন শ্ৰেণীৰ সাধনা দ্যুৎক্ৰীডা সদৃশ লৌকিক সাধনাত মগ্ন। ✣✣

ৰাগ- কামোদ ঃ কৃষ্ণাচাৰ্য্যপাদানাম্

মূলপাঠ	আধুনিক ভাষান্তৰ/অৰ্থ
তিশৰণ ণাৱী কিঅ অঠক মাৰী।	তিনিটা শৰণস্থল থাকোতে কিয় অষ্ট সিদ্ধিৰ লোভ?
নিঅ দেহ কৰুণা শূনমে হেৰী।।	কৰুণা নিজ দেহতে, শূন্যতা তাৰ দ্বাৰপাল।
তৰিত্তা ভৱজলধি জিম কৰি মাঅ সুইনা।	সিদৰে ভৱসাগৰ পাৰ হোৱা মায়া শূন্য হৈ
মঝ বেণী তৰঙ্গম মুনিআ।।	দুই তৰঙ্গৰ মাজলৈ লক্ষ কৰিবা।
পঞ্চ তথাগত কিঅ কেডুআল।	পঞ্চ তথাগত থাকোতে কিয় আন কাণ্ডাৰী (ৰ প্ৰয়োজন)?
বাহঅ কাঅ কাহ্নিল মাআজাল।।	কাহ্নু দেহক মায়াজালৰ (মাজেৰে) বাই নে?
গন্ধপৰসৰ জইসোঁ তইসোঁ।	গন্ধ-স্পৰ্শ (ইন্দ্ৰিয়ানুভূতি) যেনে তেনে।
নিন্দ বিহুনে সুইনা জইসো।।	জাগ্ৰত অৱস্থাত স্বপ্ন (শূন্য) দৰ্শন যেন।
চিঅ কণ্ণহাৰ সুণত মাঙ্গে।	চিত্তই শূন্যতাক কাণ্ডাৰী ৰূপে বিচাৰে।
চলিল কাহ্ন মহাসুহ সাঙ্গে।।	কাহ্নুই মহাসুখৰ সঙ্গ লভিলে।

টিপ্পনী ঃ প্ৰথম দৃষ্টিত অতি সৰল যেন লগা বৰ্ত্তমান চৰ্যাগীত বাস্তৱতে যথেষ্ট জটিল, ইয়াৰ কাৰণ, বাক্য সমূহৰ একাধিক অৰ্থ কৰিব পাৰি যি শাব্দিক আৰু ব্যাকৰণগত ভাৱে শুদ্ধ। তদুপৰি বহু বক্তব্যই কৃষ্ণাচাৰ্য্যই মাত্ৰ দহ শাৰী বাক্যৰ দ্বাৰা প্ৰকাশ কৰিব চেষ্টা কৰিছে।

তিশৰণ ণাৱী কিঅ অঠক মাৰী বুদ্ধ,ধৰ্ম আৰু সংঘই যেতিয়া আশ্ৰয়, কিয় অষ্ট গৌণ সিদ্ধিৰ লোভ?

তিশৰণ<ত্ৰিশৰণ	=	তিনিটা আশ্ৰয় - (বুদ্ধ, ধৰ্ম্ম আৰু সংঘ এই তিনিটাই আশ্ৰয়।)
ণাৱী<নোবা	=	নাও, বাহন, দেহা (চৰ্যা ৮ নাৱী চাওক)
কিঅ<কিম	=	কি কাৰণে, কি নিমিত্তে
অঠকমাৰী<অঠ+কমাৰী	=	অষ্ট কক্ষ সিদ্ধি (যি লৌকিক তন্ত্ৰৰ অন্তৰ্গত)।

টিপ্পনী ঃ হিন্দু তন্ত্ৰ মতে গুৰুত্বপূৰ্ণ মহাসিদ্ধি কিন্তু বৌদ্ধ তন্ত্ৰমতে অষ্ট গৌণ সিদ্ধি যি তন্ত্ৰ সাধনাৰ দ্বাৰা পাব পাৰি বুলি বহুলোকে বিশ্বাস কৰে সেই কেইটা হ'ল (সাধনা মালা)

সিদ্ধি	ফল
খৰ্গ সিদ্ধি	অস্ত্ৰৰে আঘাত কৰিব নোৱাৰি
অঞ্জন সিদ্ধি	আনৰ অদৃশ্য বস্তু, দেৱ-গন্ধৰ্ব আদিও দৃশ্য হয
পদলেপ সিদ্ধি	দ্ৰুত গতিত এঠাইৰ পৰা আনঠাইলৈ যাব পাৰি
অন্তৰ্দ্ধান সিদ্ধি	লোকৰ দৃষ্টিৰ অগোচৰ হ'ব পাৰি
ৰস ৰসায়ন	চিৰ যৌৱন ৰক্ষা কৰি মৃত্যুহীন হৈ থকা ঔষধাদি
খেচৰ সিদ্ধি	আকাশত খোজ কাঢ়ি বা উৰি যাব পাৰি
ভূচৰ সিদ্ধি	পৃথিবীৰ যি কোনো ঠাইলৈ যি কোনো ক্ষণত যাব পাৰি
পাতাল সিদ্ধি	প্ৰেত সিদ্ধি বা বেতাল সিদ্ধি, য'ত প্ৰেত সকলে আজ্ঞা মানি চলে বুলি বিশ্বাস

(P 221 Lessing & Wayman) (ইযাৰ কোনো কোনো সিদ্ধি বাস্তৱ জীৱনত আংশিক ভাৱে সত্য, বাকি খিনি কল্পনা - প্ৰণৱ ডেকা)।

নিঅ দেহ করুণা শূনমে হেৰী/শূন মেহেলী করুণা নিজ দেহতে (আছে) শূন্যতা তাৰ দ্বাৰপাল

নিঅ = নিজ, স্ব
দেহ = দেহ, দেহা
করুণা = কারুণ্য, দয়া

টীকা ঃ শূনমে হেৰী/শূন মেহেলী - ইযাত শূনমে হেৰী শুদ্ধ পাঠ নে শূন মেহেলী শুদ্ধ পাঠ তাত মতানৈক্য আছে। শবৰপাদৰ চৰ্যাত (চৰ্যা ৫০) "সুণ মেহেলী" আছে। শূনমে হেৰীৰ অৰ্থ শূন্যত দেখি, বা দেখিবা। আনহাতে শূণ মেহেলীৰ অৰ্থ শূন+মেহেলী<মেহাল্লী/মেহল্লিক = দ্বাৰ পাল। তেনে ক্ষেত্ৰত এই বাক্যৰ অৰ্থ হ'ব করুণা নিজ দেহতে আছে/পাবা (আৰু) শূন্যতা তাৰ দ্বাৰ পাল। এই একে অৰ্থ ব্যৱহাৰ কৰিছে শবৰ পাই নিজৰ চৰ্যা গীতত (চৰ্যা ৫০)।

তৰিত্তা ভৱজলধি জিম কৰি মাঅ সুইনা যিদৰে ভৱসাগৰ পাৰ হোৱা মায়া শূন্য হৈ

তৰিত্তা<তৰয়ন্তি = ভৱসমুদ্ৰ, সাগৰ সদৃশ জগত
জিম< জিমত = যেনে দৰে, যি দৰে
কৰি< কৃত = কাৰ্য্য দ্বাৰা
মাঅ < মায়া = মায়া, অজ্ঞতাজনিত বিভ্ৰান্তি, বিভ্ৰম
সুইনা = শূন্য

মঝ বেণী তৰঙ্গম মুনিআ — **দুটাৰ মাজৰ তৰঙ্গলৈ লক্ষ ৰাখিবা**

মঝ<মধ্য	=	মাজৰ
বেণী<দ্বিনী	=	দুই
তৰঙ্গম	=	ঢৌ<উৰ্ম্মী
মুনিআ<মননিত	=	দেখি, লক্ষ কৰি (আধুনিক অসমীয়া মনি, মনন কৰি)

টিপ্পনী ঃ বৰ্ত্তমান বাক্যত প্ৰাণাযামৰ কালত ললনা আৰু ৰসনা দুটাৰ মাজৰ অবধূতীকাত যাতে তৰঙ্গৰ সৃষ্টি নহয় তালৈ লক্ষ্য ৰাখিব উপদেশ দিছে। 'অবধূতীকাত তৰঙ্গই' মানসিক অশান্তি সূচায। শ্বাস অবধূতীকাত স্থিৰ বা নিশ্চল হ'ব লাগে।

পঞ্চ তথাগত কিঅ কেড়ুআল — **পঞ্চ তথাগত থকাত কিয আন কাণ্ডাৰীৰ প্ৰযোজন?**

পঞ্চ	=	পাঁচ
তথাগত	=	কুলৰ অধিপতি বোধিসত্ব পাঁচজন - অক্ষোভয, ৰত্নসম্ভৱ, অমিতাভ, অমোঘসিদ্ধি আৰু বৈৰচন।
কিঅ	=	কিয, কেলেই
কেড়ুবাল<কাণ্ডাৰী	=	গুৰি ধৰা মানুহ। কডিযাল = অৰ্থবান ব্যক্তি

টীকা ঃ কাহ্নুপাই সুধিছে, পাঁচ জন কুলাধিপতি যুক্ত বৌদ্ধ তন্ত্ৰ থকাৰ পিচত কিয আন কাণ্ডাৰী লব লাগে, অথবা ঐশ্বৰ্য্য যোগৰ কুলাধিপতিৰ কি প্ৰয়োজন?

বাহঅ কাঅ কাহ্নিল মাআজাল — **কাহ্নু দেহক মাযাজালৰ মাজেৰে বাই নে**

বাহঅ<বাহ	=	বাই নে, চলাই নে
কাঅ<কাযা	=	দেহ
কাহ্নিল	=	কাহ্নুপাদ
মাআজাল<মায়াজাল	=	বিভ্ৰান্তিৰ জাল

টিপ্পনী ঃ এইটো অনুত্তৰ তন্ত্ৰৰ মাতৃতন্ত্ৰ অংশৰ উপদেশ। মনৰ মায়াজাল পোনতে দেহৰ কাৰ্য্যৰ দ্বাৰা ছিন্ন কৰিব লাগিব - অৰ্থাৎ জপ আৰু প্ৰাণায়ামৰ প্ৰযোগৰ প্ৰযোজন।

গন্ধ পৰসৰ জইসোঁ তইসোঁ গন্ধ স্পৰ্শ (ইন্দ্ৰিয়ানুভূতি) যেনে তেনে

গন্ধ = বাস, ঘ্ৰাণ
পৰসৰ< স্পৰ্শ = চুই চোৱা অনুভূতি, দেহস্পৰ্শানুভূতি
জইসো<জদ্রিস্ম = যেনে
তইসো<তদ্রিস্ম = তেনে

টীকা ঃ গন্ধ, স্পৰ্শ আদি অনুভূতিযে মনক যেনেকৈ তেনেকৈ অৰ্থাৎ বিভিন্ন পথত চালিত কৰি উদ্‌ভ্ৰান্ত কৰে।

নিন্দ বিহুনেঁ সুইনা জইসো জাগ্ৰত অৱস্থাত স্বপ্ন (শূন্য) দৰ্শন যেন

নিন্দ<নিদ্রা = টোপনী
বিহুনেঁ<বিহনে = বিনা, অনুপস্থিতি
সুইনা<শূন্য = শূন্য
জইসো<জদ্রিস্ম = যেন, যিৰূপ

টিপ্পনী ঃ প্ৰাণাযামৰ শ্বাস-প্ৰশ্বাস নিযন্ত্ৰণ আৰু ধ্যানৰ দ্বাৰা এক নিস্পন্দ অৱস্থা পোৱা যায যাক শাস্ত্ৰত 'সমাধি' বোলে — এনে অৱস্থাত ব্যক্তিজন সচেতন অৱস্থাতো নিদ্ৰা আৰু স্বপ্ন দৰ্শন সদৃশ অনুভূতি হয। সকলো সত্য আৰু একে সমযতে সকলো মিথ্যা। আকৰ্ষণ আৰু ঔদাস্য ভাৱ একে সমযতে উদয হয মনত। বৌদ্ধ তান্ত্ৰিক সকলে বুজিছিল যে মনৰ এনে অৱস্থা, সাধকে উশাহ নিযন্ত্ৰণ আৰু জপ-ধ্যানৰ দ্বাৰা নিজেই সৃষ্টি কৰা অৱস্থা। এই অৱস্থাত সাধকে জগতৰ প্ৰকৃত ৰূপ (নশ্বৰতা) উপলব্ধি কৰে আৰু তাকেই "তথতা" (as it is) বোলা হয।

চিঅ কণ্ণহাৰ সুণত মাঙ্গে চিত্তই শূন্যতাবোধক কাণ্ডাৰী ৰূপত বিচাৰে

চিঅ<চিত্ত = মন, চিত্ত
কণ্ণহাৰ<কৰ্ণধাৰ = কাণ্ডাৰী, গুৰিযাল
সুণত<শূন্য = শূন্যতা বোধ
মাঙ্গে<মোগ = খোজে, বিচাৰে। মাঙ্গ = মাৰ্গ

চলিল কাহ্ন মহাসুহ সাঙ্গ কাহ্নুপাদে মহাসুখৰ সঙ্গ লভিলে

চলিল = গ'ল, ভ্ৰমণ কৰিলে
কাহ্ন = কাহ্নুপাদ
মহাসুহ<মহাসুখ = প্ৰজ্ঞা + শূন্যতাবোধ, মহাসুখ
সাঙ্গ<সঙ্গ = লগ, সাহচৰ্য্য

টিপ্পনী ঃ বৰ্ত্তমান চৰ্যা গীতত কাহ্নুপাযে গাইছে সাধকক উদ্দেশ্য কৰি- তন্ত্ৰ সাধনাক সাধাৰণ অষ্ট সিদ্ধি অথবা সাংসাৰিক জাগিতক লাভৰ হেতু প্ৰযোগ নকৰিবা। প্ৰাণাযাম জপৰ দ্বাৰা নিজ দেহত শূন্যতা বোধ আনি সমাধি অৱস্থা প্ৰাপ্ত হোৱা। ইন্দ্ৰিয সচেতনতাৰ উৰ্দ্ধত উঠি বাস্তব - অবাস্তবৰ সীমা যেতিযা চেৰাব পাৰিবা তেতিযা হে মহাসুখে সঙ্গ দিব। ◆◆

১৪

ৰাগ ধনসী ঃ ডোম্বীপাদানাম্

মূলপাঠ	আধুনিক ভাষান্তৰ/অৰ্থ
গঙ্গা জউনা মাঝেঁৰে বহই নাই।	ললনা ৰসনা, মাজত (অৱধূতীকাত) স্ৰোত নাই।
তহিঁ চুড়িলী মাতঙ্গি পোইআ লীলে পাৰ কৰেই।।	নিযন্ত্ৰণ কঠিন চণ্ডালী (বাযু) তযেই অনাযাসে পাৰ কৰ।
বাহতু ডোম্বী বাহ লো ডোম্বী বাটত ভইল উছাৰা।	বাই নে ডোম্বী বাযু (পৰিবহন), পথতে ডোম্বী নষ্ট হ'ল।
সদ্গুৰু পাঅপএঁ জাইব পুণু জিণউৰা।।	সদগুৰুৰ অনুগ্ৰহত পুনৰ আদিৰ পৰা সাধনা আৰম্ভ কৰিম।
পাঞ্চ কেডুআল পডন্তেঁ মাঙ্গে পিটত কাচ্ছী বান্ধী।	পাঁচজন কুলপতি পিঠিত জৰী বান্ধি বাটত হাউলি (বেঁকা হৈ) টানিছে।
গঅণ-দুখোলেঁ সিঞ্চহুঁ পাণী নপইসই সান্ধী।	সম্ভোগ চক্ৰ উদ্দেশ্যে জৈৱশক্তি প্ৰেৰণ কৰো - ই ব্যসন আৰু অনুভূতিত আবদ্ধ।
চন্দ সূজ্জ দুই চকা সিঠি সংহাৰ পুলিন্দা।	পূজা - জপৰ ফল তন্ত্ৰ চক্ৰৰ চণ্ডালী বাযুৱে ধ্বংস কৰে।
বাম দাহিণ দুই মাগ ন ৰেবই বাহতু চ্ছন্দা।।	মাতৃ-পিতৃ কোনোটোতে বাটত নৰৈ সচ্ছন্দে বাইনে।
কৱডী নলেই বোডী নলেই সুচ্ছডে পাৰ কৰেই।	কপৰ্দ্দক নলৈও স্বইচ্ছাৰে (ভৱসমুদ্ৰ) পাৰ কৰায়।
জো ৰথে চডিলা বাহবা ণ জাই কুলেঁ কুল বুডই।।	সাধনা মাৰ্গ লৈছে কিন্তু সাধনা পথ নাজানে সি পাৰতেই বুৰে।

টিপ্পনী ঃ 'ডোম্বীপাদ' গীত ৰচকৰ নামেই সাধকক ডোম্বী প্ৰাণাযাম যি উচ্চ যোগতন্ত্ৰ আৰু নিম্ন অনুত্তৰ তন্ত্ৰত প্ৰযোগ হয় তাৰ সিদ্ধ তান্ত্ৰিক বুলি ঘোষণা কৰিছে। অৰ্থৰ ফালৰ পৰা এইগীত কাহ্নুপাদৰ চৰ্যা নম্বৰ ৭ ৰ লগত প্ৰায় সমাৰ্থক। ডোম্বীপাদেও গাইছে সাধনাৰ পথত যদি মন বিভ্ৰান্ত হয় (বাটত ভইলা উছাৰা) কাহ্নুপাদে কোৱাৰ দৰে (কাহ্নি নিঅড়ী জিণউৰ বট্টই - চৰ্যা ৭) তন্ত্ৰ সাধকে পুনৰ গুৰিৰ পৰা সাধনা আৰম্ভ কৰিব (জাইব পুণু জিণউৰা)। ক্ৰিয়া, চৰ্য্যা আৰু যোগ তন্ত্ৰৰ তিনিওটাই আচৰিবা, কিন্তু এটাটো বৈ নাযাবা, তেতিযাহে সাধনাৰ নাও স্বচ্ছন্দে বাব পাৰিবা আৰু উজুভাৱে ভব সাগৰ তৰিবা। সাধন পথত কোনো এটা দিশত মাত্ৰ গুৰুত্ব দিলে সাধনা মাৰ্গ ৰুদ্ধ হৈ সাধনা ফল আৰম্ভতেই নষ্ট হ'ব।

গঙ্গা জউনা মাঝেঁৰে বহই নাই ললনা ৰসনা মাজত স্ৰোত নাই (অৱধূতীকা)।

গঙ্গা	=	ললনা, ঈড়া
জউনা<যমুনা	=	ৰসনা, পিঙ্গলা
মাঝেঁৰেঁ<মধ্য	=	মাজেৰে, কেন্দ্ৰেৰে, অৱধূতীকাৰে
বহই<বহতি	=	বৈ যায, স্ৰোতবতী হয
নাই<নাহি	=	অনুপস্থিত।

টিপ্পনী ঃ 'নাই সৰহভাগ ভাষ্যকাৰে নাড়ী বা নদী অৰ্থ গ্ৰহণ কৰিছে। দুযোটা অৰ্থতে অৱধূতীকা, সুষুম্না বা ব্ৰাহ্মণী নাড়ী সূচাইছে। আমি "অনুপস্থিত" অৰ্থ গ্ৰহণ কৰাৰ কাৰণ অৱধূতীকাত শ্বাস ৰুদ্ধ হয় তাত স্ৰোত নাথাকে।

তহিঁ চুড়িলী মাতঙ্গি পোইআ লীলে পাৰ কৰেই নিযন্ত্ৰণ কঠিন চণ্ডালী তযেই অনাযাসে পাৰ কৰ।

তহিঁ<ত্বা	=	তই
চুড়িলী<চণ্ডালী	=	চণ্ডালী প্ৰাণাযাম যি যোগতন্ত্ৰৰ মুখ্য বাযু আৰু সকলো পুৰি ভস্ম কৰি (চণ্ড—তীব্ৰ অগ্নি) শূন্যতাৰ সৃষ্টি কৰে (চৰ্যা ১০ ৰ চণ্ডালীৰ টীকা চাওক)।
মাতঙ্গি<প্ৰমত্তাঙ্গী	=	যাক সহজে নিযন্ত্ৰণ কৰিব নোৱাৰি (দশমহাবিদ্যাৰ এগৰাকী, আন অৰ্থ

চণ্ডালী, কাৰণ মাতঙ্গ = চণ্ডাল। স্ত্ৰীলিঙ্গ চণ্ডালী।
পোইআ/জোইয়া = মনীন্দ্ৰ মোহন বসুৰ পাঠ শুদ্ধ হ'লে জোইয়া = যোগিনী।

টিপ্পনী ঃ যিহেতু যোগিনী তন্ত্ৰৰ মূল প্ৰাণায়াম (তিব্বতী, টুমো?) চণ্ডালী, জোইআ পাঠ শুদ্ধ আমাৰ মতে।

লীলে<অৱলীলা ক্ৰমে = উজুভাৱে, অনাযাসে
পাৰ কৰই = উত্তীৰ্ণ কৰে

বাহতু ডোম্বী বাহ লো ডোম্বী বাটত ভইল উছাৰা বাইনে ডোম্বী (পৰিবহন) পথত ডোম্বী নষ্ট হ'ল (বিক্ষিপ্ত)

বাহতু<বাহযতু = বাই নে
ডোম্বী = ডোম্বী প্ৰাণাযাম (যোগাচাৰ, অনুত্তৰ তন্ত্ৰৰ বায়ু)
বাহ লো = বাই নে
ডোম্বী = ডোম্বী বায়ু
বাটত<বৰ্ত্ম = পথত
ভইল<ভব = হ'ল
উছাৰা<উৎসন্ন = হত, নষ্ট

টিপ্পনী ঃ ডোম্বী প্ৰাণাযামে বাঞ্চিত সুফল নিদি নিজেই বিভ্ৰান্ত বা ভ্ৰষ্ট হ'ল।

সদগুৰু পাঅপএঁ জাইব পুণু জিণউৰা সংগুৰুৰ অনুগ্ৰহত পুনৰ আদিৰ পৰা সাধনা আৰম্ভ কৰিম।

সদগুৰু = শুভ গুৰু, সৎগুৰু
পাঅপএঁ<পাদপদেন = চৰণ অনুগ্ৰহত, ভৰিত পৰি
জাইব<গম = যাম, চলিত হম
পুণু = পুনৰ
জিনউৰা<জিণঔৰষ = বোধিসত্ব সকল, সমস্ত বৌদ্ধ তন্ত্ৰ

(চৰ্যা ৭ চাওক)

পাঞ্চ কেডুআল পড়ন্তেঁ মাঙ্গে পিটত কাচ্ছী বান্ধী পাঁচজন কুলপতি পিঠিত জৰী বান্ধি হাউলি টানিছে

পাঞ্চ কেড়ুআল	=	পঞ্চ কাণ্ডাৰী = পাঁচ জন তন্ত্র কুলপতি বোধিসত্ত্ব (চৰ্যা ১৩ পঞ্চ তথাগত)
পড়ন্তে<পতন্তেনো	=	পৰি যায় (বেঁকা হয়)
মাঙ্গে<মাৰ্গ	=	পথত, বাটত
পিটত<পৃষ্ঠ	=	পিঠি
কাচ্ছী<কাছী (প্ৰাকৃত)	=	শকত জৰী
বান্ধী<বন্ধন	=	বান্ধি

টিপ্পনী ঃ ডোম্বী পাদে 'পাঞ্চ কেড়ুৱাল' ব্যৱহাৰ কৰিছে যাৰ আক্ষৰিক অৰ্থ পাঁচজন কাণ্ডাৰী বা নাৱৰ গুৰিধৰা ব্যক্তি যি নোয় অৰ্থমতে পাঁচ জন বোধিসত্ত্ব বুজাব। কিন্তু ডোম্বীপাদে ' ন যথাৰ্থ' প্ৰযোগ কৰিছে (শব্দৰ ভুল প্ৰযোগ), বুজাব খুজিছে নাৱঁৰ গুণ টনা মানুহ কেড়ুৱাল শব্দৰ দ্বাৰা। গুণ টনা মানুহে কেৱল পিঠিত জৰী বান্ধি কুঁজা হৈ নাৱ টানে। ইযাত ডোম্বীপাদে জনাইছে বোধিসত্ত্বৰ আশ্ৰয় লালে তেখেত সকলে তন্ত্ৰৰ (কাচ্ছী) দ্বাৰা তোমাৰ সাধনাৰ নাওঁ টানি নিব। বাস্তৱজীৱনত কেড়ুৱালে গুণ নাটানে।

গঅণ- দুখোলেঁ সিঞ্চহুঁ পাণী নপইসই সান্ধী সম্ভোগ চক্ৰ উদ্দেশ্যে জৈৱ শক্তি প্ৰেৰণ কৰো, ই ব্যসন আৰু অনুভূতিতে আবদ্ধ থাকে।

গঅণ<গগন	=	আকাশ। বৌদ্ধ তন্ত্ৰৰ সম্ভোগ চক্ৰ হিন্দুতন্ত্ৰৰ বিশুদ্ধ চক্ৰ যাৰ ধাতু গগন আৰু ইযাত অনুভূতি ৰূপান্তৰিত হৈ শূন্যভাৱ হয়।
দুখোলে	=	দুটা খোলা, দুটা পাত্ৰ = দুটা কাযা-ৰূপ কায়া আৰু ধৰ্ম্ম কাযা (চৰ্যা ৩, দুই ঘৰে সান্ধঅ' ৰ টীকা চাওক।)
সিঞ্চহুঁ<সিঞ্চন	=	সিচোঁ, চটিযাও (চৰ্যা ৩ ৰ ভাষ্য চাওক)
পাণী	=	অমৃত, জৈৱ শক্তি (চৰ্যা ৩ চাওক)
নপইসই<ন পসাতি	=	দেখা নাপায। দ্বিতীয় অৰ্থ সম্ভৱ নপ্ৰৱেশ্যাতি নোসোমায।
সান্ধী<সন্ধি	=	ফাট, জোৰা

টিপ্পনী ঃ ন পইসই শব্দৰ যিটো অৰ্থই গ্ৰহণ কৰা নহক কিয, বাক্যটোৰ অৰ্থ এৱে থাকে - সম্ভোগ চক্ৰৰ উদ্দেশ্যে জৈৱ শক্তি প্ৰেৰণ কৰিলেও সি ৰূপ কাযা (ব্যসন) আৰু ধৰ্ম্মকায়াতে (অনুভূতিতে) আবদ্ধ হৈ থাকে, শূন্যতা (সম্ভোগ চক্ৰ) নাপায়গৈ যেতিযালৈকে অনুভূতি ধ্বংস নহয়।

চন্দ সূজ্জ দুই চকা সিঠি সংহাৰ পুলিন্দা পূজা জপৰ ফল তন্ত্ৰ চক্ৰৰ চণ্ডালীয়ে ধ্বংস কৰে

চন্দ<চন্দ্ৰ = চৰ্য্যা তন্ত্ৰ (চৰ্যা ৪ ৰ টীকা ভাষা চাওক) পূজা-ভক্তি

সূজ্জ<সূৰ্যা = ক্ৰিয়া তন্ত্ৰ (চৰ্যা ৪ চান্দ-সূজৰ টীকা চাওক), জপ-প্ৰাণাযাম

দুই<দ্বি = দুটা

চকা<চক্ৰ = তন্ত্ৰ চক্ৰ

সিঠি<সৃষ্টি = সৃষ্টি

সংহাৰ = ধ্বংস

পুলিন্দা< পুলিন্দৰ স্ত্ৰী লিঙ্গ = চণ্ডালী (পুলিন্দ চণ্ডাল জাতি বিশেষ)

টিপ্পনী ঃ এই বাক্যৰ আক্ষৰিক অৰ্থৰ বৌদ্ধ তান্ত্ৰিক তাৎপৰ্য হ'ল - চণ্ডালী বায়ুৱে পূজা (চৰ্য্যা তন্ত্ৰ) আৰু জপৰ (ক্ৰিয়া তন্ত্ৰ) ফল ধ্বংস কৰিব, যি প্ৰথম দৃষ্টিত অদ্ভুত যেন লাগিব, কেলেই সাধকে কষ্টাৰ্জ্জিত পূজা - জপৰ সাধনাৰ ফল নিজেই ধ্বংস কৰি পেলায়।

ইয়াক বুজিবলৈ অনুত্তৰ তন্ত্ৰৰ দৰ্শন উপলব্ধি কৰিব লাগিব। অনুত্তৰ অনুগামী সবৰ মতে ঃ

ক্ৰিয়া তন্ত্ৰ	-	বাহ্য ক্ৰিয়া-জপ-পূজা
চৰ্য্যা তন্ত্ৰ		বাহ্য, আভ্যন্তৰীণ-জপ-পূজা-ধ্যান
যোগ তন্ত্ৰ	-	আভ্যন্তৰীণ-ধ্যান-সমাধি
অনুত্তৰ	-	আভ্যন্তৰীণ, বাহ্য-শূন্যতা-কৰুণা।

এই দৰ্শন বুজাটো টান, বুজোৱাটো আৰু টান। সাধাৰণ ব্যক্তি বা সাধক এজনে নিয়মিত পূজা - জপ আৰু ইষ্টদেৱৰ নাম লৈয়ে সন্তুষ্ট থাকে আৰু ইষ্টদেৱৰ পৰা সাংসাৰিক সুখ, শান্তি, পুত্ৰ, ঐশ্বৰ্য্যাদি বিচাৰে। চৰ্য্যা স্তৰত সাংসাৰিক লাভতকৈ দৈৱভক্তিৰ প্ৰতি আকৰ্ষণ অধিক হয়। ধৰ্ম্মীয় উৎকৰ্ষ বা সৰ্ব্বাধিক পুনৰ্জন্মৰ পৰা মুক্তি বিচাৰে। ইষ্টদেৱতাৰ কৃপা বিচাৰি বিচলিত হয় (ভক্তি যোগ)। যোগ তন্ত্ৰত চণ্ডযোগৰ চণ্ডালী বায়ুৰ দ্বাৰা ইষ্ট দেৱতাৰ ওপৰত নিৰ্ভৰশীলতা শূন্যলৈ পৰ্য্যবসিত কৰি কেৱল যোগ সমাধিৰ আনন্দত সাধক বিভোৰ হৈ থাকে। অনুত্তৰ তন্ত্ৰৰ মতে এই সমাধিৰ আনন্দ কৃত্ৰিম, সৰ্বশূন্য বাস্তৱতে অবিদ্যা। সাধকে এই সংসাৰত থাকি শূন্যতা অনুভৱ কৰিও সংসাৰৰ আন জীৱৰ প্ৰতি কৰুণা বহন কৰি জাগতিক জীৱন যাপন কৰিব লাগিব।

ডোম্বীপাদে এই বাক্যৰ দ্বাৰা কৈছে চণ্ডালী বায়ুৰ (পুলিন্দা) দ্বাৰা ক্রিয়া আৰু চৰ্য্যা তন্ত্ৰৰ (জপ - পূজা) পৰা পোৱা লাভ ধ্বংস কৰি শূন্যতা অনুভৱ কৰা।

বাম দাহিণ দুই মাগ ন ৰেবই বাহতু ছন্দা পিতৃ মাতৃ তন্ত্ৰত নৰৈ স্বচ্ছন্দে বাই যা

বাম=বাওঁফাল = শৰীৰ, মাতৃতন্ত্ৰ (য'ত শাৰীৰিক কাৰ্য্যত প্ৰাধান্য দিয়া হয়, যেনে জপ-প্ৰাণায়াম)।

দাহিন<দক্ষিণ = সোঁ ফাল, পিতৃতন্ত্ৰ (য'ত মানসিক কাৰ্য্য যথা ৰূপ দৰ্শন, ধ্যান বিশ্লেষণৰ ওপৰত প্ৰাধান্য দিয়া হয়)।

দুই মাগ = দুই মাৰ্গ, দুই পথ (বৰ্ত্তমান ক্ষেত্ৰত মাতৃ - পিতৃ তন্ত্ৰ।)

ন ৰেবই<ন ৰৱ<ন ৰোধ = ক্ষান্তি হীন, নোৰোৱাকৈ

বাহতু<বাহ = বাই নে

ছন্দা<স্বচ্ছন্দে = অনাযাসে

টিপ্পনী ঃ মাতৃ বা পিতৃতন্ত্ৰ কোনো এটাতে বৈ নগৈ অৰ্থাৎ জপ - প্ৰাণাযাম অথবা পূজা - ধ্যান কোনো এটাত মাত্ৰ ক্ষান্ত নাথাকি, (দুযোটা প্ৰযোগ কৰি) সাধনা পথত আগুৱাই যাবা।

কবডী নলেই বোডী নলেই সুচ্ছড়ে পাৰ কৰেই কপৰ্দ্দক (ক্ষুদ্ৰ মুদ্ৰা) নলৈও স্বইচ্ছাৰে (ভৱ সমুদ্ৰ) পাৰ কৰায

কবডী<কৌড়ি (প্ৰাকৃত)<কপৰ্দ্দক	= ধনৰূপে ব্যৱহৃত শামুকৰ খোলা, কড়ি
নলেই	= নলয়, গ্ৰহণ নকৰে
বোডী<বোড্ৰী	= পাঁচ গণ্ডা পৰিমাণৰ ধন
নলেই	= নলয়, গ্ৰহণ নকৰে।
সুচ্ছৰে<স্বইচ্ছাৰে	= নিজ ইচ্ছাৰে
পাৰ কৰেই	= উত্তীৰ্ণ কৰে, পাৰ কৰায।

টিপ্পনী ঃ ইযাত ডোম্বীপাদে কৈছে, সংগুৰু, বোধিসত্ত্ব আৰু তন্ত্ৰই ধন সম্পত্তি দাবী নকৰে। এই তিনিও সাধকক স্বইচ্ছাৰে উদ্ধাৰ কৰে।

জো ৰথে চড়িলা বাহবা ণ জাই কুলে কুল বুড়ই যি সাধকে সাধনা মাৰ্গ লৈছে কিন্তু সাধনা পথ নাজানে সি আৱৰ্ত্ততেই নষ্ট হয়।

জো ৰথে চড়িলা = যি জনে সাধনাৰ ৰথত উঠিল অৰ্থাৎ সাধনা মাৰ্গত গ'ল
বাহবা<বাহিত = বাব, বাই নিব
ণ জাই<ন যাতি = সম্পন্ন নহয, নোৱাৰে
কূলে কুল = পাৰৰ ওচৰ
বুঢ়ই<বুড্ড = ডুবে, বুৰ যায। ◆◆

১৫

ৰাগ - ৰামক্ৰী ঃ শান্তিপাদানাম্

মূলপাঠ **আধুনিক ভাষান্তৰ/অৰ্থ**

সঅ সম্বেঅণ সৰুঅ বিআৰেঁতে অলক্‌খ লক্‌খণ নজাই।।
ইন্দ্ৰিযচেতনাৰে তথতা অন্বেষণ কৰিলে অলক্ষণীয অনুভূত নহয।
জে জে উজু বাটে গেলা অনাবাটা ভইলা সোঈ।।
উজুবাটে যোৱা সকল বিপথগামী হ'ল।
কূলেঁ কূল মা হোই ৰে মূঢ়া উজূ বাট সংসাৰা।
হে মূঢ় সাধনাৰ পথ পৰিবৰ্তনে কৰি নাথাকিবা সংসাৰ পথ অজটিল।
বাল তিল একু বাঙ্ক ণ ভূলহ ৰাজপথ কণ্ঢাৰা।।
সাধন মাৰ্গৰ পৰা তিলমাত্ৰও বিচলিত নহবা।
মাআমোহা সমুদা ৰে অন্ত ন বুঝসি থাহা।
মাযামোহৰ সমুদ্ৰত, অন্তত নিজৰ স্থান বুজি নাপাবা।
অগে নাৱ ন ভেলা দীসঅ ভন্তি ন পুছসি নাহা।।
আগত নাৱ ভুৰ নাই, ভ্ৰান্ত নহৈ গুৰুক দিশ সোধা।
সুনা পান্তৰ উহ ন দিসই ভান্তি ন বাসসি জাংতে/জান্তে।
শূন্যৰ প্ৰান্তৰ সিটো, দিক্‌ভ্ৰান্ত নহবা সাধনা পথত।
এবা অট মহাসিদ্ধি সিঝএ উজুবাট জাঅন্তে।
উজুবাটে গলে অষ্ট মহাসিদ্ধি প্ৰাপ্ত হয।
বাম দাহিণ দো বাটা চ্ছাড়ী সান্তি বুলথেউ সংকেলিউ।

শান্তি কয মাতৃতন্ত্ৰ, পিতৃতন্ত্ৰ, কোনোটোতে নৰ্হই হুস্ব পথে (বজ্ৰযান)
ঘাট ন গুমা খড়তড়ি নো হোহ্ আখি বুজিঅ বাট জাইউ।
পাৰঘাটত গাৰ্ত-তৰ ঘাঁহ্ - বন নাই, চকুমুদি (নিৰ্ভযে) বাটেৰে যোবা।।

টিপ্পনী ঃ শান্তি পাদ ৰচিত বৰ্ত্তমান চৰ্য্যাগীতৰ (নং ১৫) পূৰ্ব্ববৰ্তী ডোম্বী পাদৰ চৰ্যাৰ লগত ৰচনা শৈলী আৰু বক্তব্যৰ সম্পূৰ্ণ সাদৃশ্য আছে। দুয়োটা গীততে সাধনাক ভূমি মাৰ্গ আৰু জল মাৰ্গৰ লগত তুলনা কৰা হৈছে। চৰ্যা ১৩ ৰ নিচিনাকৈ অষ্ট গৌণ সিদ্ধিৰ লোভ পৰিহাৰ কৰি মাতৃ বা পিতৃ তন্ত্ৰ কোনোটোতে মাত্ৰাধিক গুৰুত্ব নিদিযাকৈ সাধনাৰ পথত আগবাটিলে সাধনাই অল্প আযাসতে সিদ্ধি দিব। আনহাতে, প্ৰথম দৃষ্টিত অজটিল যেন লগা লৌকিক তন্ত্ৰই সাধকক অবাটে নিব।

সঅ সম্বেঅণ সৰুঅ বিআৰেঁতে অলক্‌খ লক্‌খণ নজাই
ইন্দ্ৰিযচেতনাৰে তথতা অন্বেষণ কৰিলে অলক্ষ্যনীয (তথতা)অনুভূত নহয।

সঅ সম্বেঅন<স্ব সংবেদন	= নিজৰ অনুভূতি, স্বইন্দ্ৰিযানুভূতি,
সৰুঅ<স্বৰূপ	= প্ৰকৃত ৰূপ, তথতা
বিআৰেঁতে<বিচাৰোতে	= অন্বেষণ কৰোতে, বিচাৰ কৰোতে
অলক্‌খ<অলক্ষ্য	= যি দৃষ্ট বা অনুভূত নহয
লকখ্‌ণ<লক্ষ্য	= দৃষ্ট, অনুভূত
নজাই<ন+জাই	= নাযায, নহয।

টিপ্পনী ঃ স্ব ইন্দ্ৰায়ানুভূতিৰ আলম লৈ জগতৰ স্বৰূপ অৰ্থাৎ তথতা বিচাৰিব গ'লে যি অলক্ষ্য বা অদৃষ্ট, সি অনুভূত বা দৃষ্ট নহয। বৌদ্ধ দৰ্শন অনুসৰি বিশ্বৰ প্ৰকৃত ৰূপ নশ্বৰতা আৰু চিৰপৰিবৰ্ত্তনশীলতা তাক স্বতঃস্ফূৰ্ত্ত ভাবে অনুভৱ কৰিব লাগিব। শাস্ত্ৰ অধ্যযন, বিচাৰ বুদ্ধি বিশ্লেষণ আৰু ইন্দ্ৰিযানুভূতিৰ দ্বাৰা প্ৰাপ্ত হ'লে সি প্ৰকৃত জ্ঞান নহয। প্ৰকৃত তথতা জ্ঞান বাক বিশ্লেষণৰ অতীত, সি আভ্যন্তৰিণ জ্ঞানৰ পৰা উদ্ভূত।

জে জে উজুবাটে গেলা অনাৰাটা ভইলা সোই উজুবাটে যোৱা সকল বিপথগামী হ'ল

জে জে<যেভিঃ যেভিঃ	= যি সকলে
উজুবাটে<ঋজু বাটে	= পোন বাটে, সহজসাধ্য বাটে, অনায়াস পথে

গেলা<গম = গ'ল, চলিল
অনাবাটা = অবাট, প্ৰকৃত পথৰ পৰা বিচলিত, বিপথ
ভইলা<ভব = হ'ল
সেই<সং = সেই জন

কূলেঁ কূল মা হোই ৰে মূঢ়া উজুবাট সংসাৰা হে মূৰ্খ, সাধনাৰ পথ পৰিবৰ্ত্তন কৰি নাথাকিবা। সংসাৰ পথ অজটিল।

টিপ্পনী : কূলেঁ কূল - ই কূলৰ পৰা সি কূল, ইপাৰৰ পৰা সিপাৰ হৈ। বাস্তব অৰ্থ, সাধনা পদ্ধতিক নদীৰ পাৰৰ লগত তুলনা কৰিছে - মাতৃ তন্ত্ৰ (শৰীৰ ক্ৰিয়া) এটা পাৰ আৰু পিতৃ তন্ত্ৰ (মন -যোগ তন্ত্ৰ) আনটো পাৰ। ইটোৰ পৰা সিটোলৈ গুৰুত্ব পৰিবৰ্ত্তন কৰিবলৈ নিষেধ কৰিছে কবিয়ে।

মা হোই = নহবা
মূঢ়া <মূঢ় = বুদ্ধিহীন, মূৰ্খ
উজুবাট = অজটিল পথ
সংসাৰা = সংসাৰৰ

টিপ্পনী : ইপাৰ - সিপাৰ কৰি নাথাকিলে, অৰ্থাৎ সাধনা মাৰ্গৰ দিক পৰিবৰ্ত্তন কৰি নাথাকিলে সাধন মাৰ্গ ঋজু আৰু সহজ অতিক্ৰম্য।

বাল তিল একু বাঙ্ক ণ ভূলহ ৰাজপথ কণ্টাৰা সাধনা মাৰ্গৰ নিৰ্দ্দিষ্ট পথৰ (ৰাজপথ কণ্‌টাৰা) পৰা তিলমাত্ৰ বা চুলি এডালৰ সমানো বিচলিত নহবা।

বাল = চুলি
তিল = তিল পৰিমাণ, অলপ
বাঙ্ক< বক্ৰ = ভাঁজ, কেঁকুৰি
ণ ভূলহ = ভুল নকৰিবা, এৰি নাযাবা।
ৰাজ পথ = ঘাই আলি
কণ্টাৰা<কাণ্ডাৰা = ৰাজপথৰ বা ৰাজহুৱা বাটৰ চিহ্ন স্বৰূপ বাটৰ দুকাষত ৰখা বা বান্ধা জৰী, দণ্ড আদি।

মাআমোহা সমুদা ৰে অন্ত ন বুঝসি থাহা মাযামোহৰ সমুদ্ৰত শেষত নিজৰ স্থল বুজি নাপাবা (you will loose your orientation)

মাআমোহা = মাযা মোহ

সমুদা ৰে = সমুদ্ৰ হে। দ্বিতীয় সম্ভৱপৰ অৰ্থ - সমুদয় হে, সৰ্ব্বস্ব
অন্ত = শেষ
ন বুঝসি = বুজা নাই
থাহা<স্থান = ঠাই, অৱস্থান স্থল

আগে নাৱ ন ভেলা দীসঅ ভন্তি ন পুচ্ছসি নাহা সন্মুখত নাৱ ভেল (পথ প্ৰদৰ্শক) নাই। ভ্ৰান্ত নহে গুৰুক দিশ সোধা।

আগে<অগ্ৰে = সন্মুখত, আগত, পথ প্ৰদৰ্শক স্বৰূপ
নাৱ = নাওঁ
ন = নহয়, নাই
ভেলা = ভেল, ভুৰ
দীসঅ< দৃশ্যতি = দেখা পায়। দীসঅ = দিশ, নিৰ্দ্দেশ
ভন্তি<ভ্ৰান্তি = ভুল। ভন্তি <ভৱন্তি = হ্য
পুচ্ছসি<পৃচ্ছ = সোধা, জিজ্ঞাসা কৰা
নাথা<নাথ = প্ৰভু, গুৰু, বোধিসত্ব (কুলপতি)

সুনা পান্তৰ উহ ন দিসই ভান্তি ন বাসসি জাংতে শূন্যৰ প্ৰান্তৰ সিটো, দিকভ্ৰান্ত নহবা গমন (সাধনা) পথত।

সুনা<শূন্য = শূন্য
পান্তৰ< প্ৰান্তৰ = ডাঙৰ শূন্য পথাৰ বা ক্ষেত্ৰ
উহ <উহা = তাতে, তাত
ন দিসই <ন দৃশ্যতি = নেদেখিবা, নাচাবা
ভান্তি< ভ্ৰান্ত = বিভ্ৰান্তি, ভ্ৰম
ন বাসসি<বাস = অনুভৱ নকৰিবা
জাংতে< জাঅন্তে = গমন পথত, গমন কালত

টিপ্পনী ঃ বৰ্ত্তমান পংক্তি অৰ্থ অনুসৰী পঞ্চম শব্দত শেষ হৈছে (সুনা পান্তৰ উহ ন দিসই ভান্তি), যাৰ অৰ্থ হ'ব শূন্যৰ প্ৰান্তৰলৈ আহি ভ্ৰম দৃষ্ট নহবা (যোগতন্ত্ৰৰ বিৰুদ্ধে সঁকিয়াই দিছে।) দিসসি শব্দৰ অৰ্থ দিক বুলি ধৰিলে বাক্যৰ অৰ্থ হ'ব শূন্য প্ৰান্তৰত দিক ভ্ৰষ্ট নহবা। "গমন পথত অনুভৱ নকৰিবা" উপদেশ ইযাৰ পিচৰ বাক্যৰ অংশ হ্ব পাৰে।

এষা অট মহাসিদ্ধি সিঝএ উজুবাট জাঅন্তে উজুবাটে গ'লে অষ্ট শক্তিৰে [illegible] মহাসিদ্ধি প্ৰাপ্ত হয় (লৌকিক অৰ্থ)

এবা<এৰ্ষাং	=	এই
অট মহাসিদ্ধি	=	অষ্ট মহাসিদ্ধি (চৰ্যা নং ১৩ অঠকমাৰী চাওক)
সিঝএ<সিদ্ধ	=	সিজে, সিদ্ধ হয়, সফল হয
উজুবাটে	=	সহজসাধ্য বাটেৰে
জাঅন্তে	=	যাওঁতে, গমন কালত

বাম দাহিণ দো বাটা চ্ছাডী সান্তি বুলথেউ সংকেলিউ মাতৃতন্ত্ৰ, পিতৃতন্ত্ৰ কোনোটোতে নহৈ শান্তিযে কয হ্ৰস্বপথেৰে (অদ্বৈত) আগবাঢ়া।

বাম	= বাওঁফাল, মাতৃতন্ত্ৰ = শৰীৰ, ক্ৰিযাতন্ত্ৰ কাৰ্য্য (জপ, প্ৰাণাযাম)
দাহিন	= দক্ষিণ দিশ - পিতৃতন্ত্ৰ = মন, যোগতন্ত্ৰৰ কাৰ্য্য
দো বাটা	= দুই বাট, দুটা পথ
চ্ছাডী<ছৰ্দিত	= ত্যাগ কৰি
শান্তি	= শান্তি পাদ
বুলথেউ<বোলতেহু	= কওঁ। বুলথেউ = খোজকাঢ়ো (বুল-খোজ)
সংকেলিউ<সঙ্কেত + সঙ্কলিতা	= সংক্ষেপে সংক্ৰমেন = পাৰ হয

টিপ্পনী ঃ শৰীৰ বা মনৰ ওপৰত অত্যধিক গুৰুত্ব দিযা দুযোটা তন্ত্ৰই ত্যাগ কৰি শান্তিপাদে চুটি বাটেৰে অতিক্ৰম কৰিলে। সংক্ষিপ্ত বাট বোলাৰ এটা কাৰণ হ'ব পাৰে বজ্ৰযান পথ বৌদ্ধ তন্ত্ৰত হ্ৰস্ব পথ (short path) নামেৰে খ্যাত।

ঘাট না গুমা খডতডি নো হোই আখি বুজিঅ বাট জাইউ পাৰঘাটত গাঁত-তৰ, ঘাঁহ-বন নাই চকুমুদি (নিৰ্ভযে) বাটেৰে যোৱা।

ঘাট	=	নাৱ পাৰ লগা ঠাই, নদী ঘাট
না	=	নাই, অনুপস্থিত
গুমা<গুল্ম	=	জোপোহা
খডতডি<খদ+তৰ	=	গৰ্ত্ত + উচ্চ ভূমি = ওখ চাপৰ
নো হোই	=	নাই অনুপস্থিত
আখি	=	অক্ষি
বুজিঅ	=	বন্ধ কৰি
বাট জাইউ	=	বাটেৰে যায বা যাবা ◆◆

১৬

।। ৰাগ ভৈৰৱীঃ মহীধৰ পাদানাং ।।

মূলপাঠ	আধুনিক ভাষান্তৰ/অৰ্থ
তিনিএঁ পাটেঁ লাগেলি ৰে অণহ কসণ ঘণ গাজ্জই।	তিনিটা সাধনাৰ সংযোগত অনাহত চক্ৰই কাংসবাদ্যৰ দৰে ধ্বনি কৰে।
তা সুনি মাৰ ভয়ঙ্কৰ ৰে সঅ মণ্ডল সএল ভাজ্জই ।।	তাকে শুনি ভয়ঙ্কৰ 'মাৰে' নিজেই সকলো বেষ্টনী ভাঙি দিয়ে।
'মাতেল চীঅ গঅন্দা ধাৱই।	নিয়ন্ত্ৰণহীন চিত্তই গগনান্তৰ (আজ্ঞা চক্ৰৰ) উদ্দেশ্যে ধাবন কৰে।
নিৰন্তৰ গঅণন্ত তুসেঁ ঘোলই।।	আজ্ঞা চক্ৰত তাক (চিত্তক) নিৰন্তৰ মন্থন কৰে।
পাপ পুণ্য বেণি তিডিঅ সিকল মোড়িঅ খম্ভা ঠাণা।	পাপ-পুণ্যৰ দুই শিকলি চিঙি স্তম্ভ ঠাইতে চূৰ্ণ কৰে।
গঅণ টাকলি লাগি ৰে চিত্ত পইঠ ণিবাণা।।	গগন (সম্ভোগ চক্ৰ) তালু স্পৰ্শ কৰিলে চিত্ত নিৰ্ব্বাণ (প্ৰশান্তি) পালে।
মহাৰস পানে মাতেল ৰে তিহুঅণ সএল উএখী।	ত্ৰিভূবনৰ সকলো উপেক্ষি চিত্ত অমৃত পানৰ বাবে উন্মত্ত হয়
পঞ্চ বিষঅ ৰে নায়ক ৰে বিপখ কোৱী ন দেখী।।	পঞ্চ বোধি সত্বই গুৰু, বিকল্প পথ নেদেখো।
খৰৰবি- কিৰণ-সন্তাপে ৰে গঅণাঙ্গণ গই পইঠা।	সৰ্ব্বশূন্যতা বোধে প্ৰখৰ সূৰ্য্যৰ দৰে (চিত্তক) কষ্ট দিয়ে।
ভণন্তি মহিত্তা মই এথু বুড়ন্তে কিম্পি ন দিঠা।	মহীধৰপাদে কয় এবাৰ (সাধনাত) নিমগ্ন হ'লে আৰু একো নেদেখা।

টিপ্পনী ঃ মহীধৰ পাদৰ বৰ্ত্তমান চৰ্যা অতি জটিল তন্ত্ৰৰ ব্যৱস্থা বিধি

বা নিবন্ধ গীত য'ত অনুত্তৰ তন্ত্ৰ সাধনাৰ পথৰ উপৰিও সাধকৰ সম্ভৱপৰ মানসিক বিপৰ্য্যযৰ কথা আলোচনা কৰিছে। সাধনাৰ প্ৰতিটো খোজ সন্তৰ্পণে নিদিলে, অথবা মাজতে এটা পৰ্য্যায বাদ দিলে সাধনা বিফল হ'ব আৰু নিৰ্ব্বাণৰ ঠাইত সাধক দৈহিক সুখত মত্ত হ'ব।

তিনিএঁ পাটেঁ লাগেলি ৰে অণহ কসণ ঘণ গাজই

তিনিটা সাধনাৰ সংযোগত অনাহত
চক্ৰ কাংস্য বাদ্য সদৃশ ধ্বনি কৰে।

তিনিএঁ = ত্ৰি, তিনিটা
পাটেঁ<পট্ট = পাট পীঠ। বৰ্ত্তমান ক্ষেত্ৰত সাধকৰ আসন। তিনিটা সাধন পীঠৰ দ্বাৰা ক্ৰিযা, চৰ্য্যা আৰু যোগ তন্ত্ৰ সূচাইছে
লাগেলি<লগ্ন = লগ লাগিল, সংযোজিত হ'ল। নিন্ন অনুত্তৰ তন্ত্ৰত ক্ৰিযা, চৰ্য্যা আৰু যোগতন্ত্ৰৰ সাধনা পদ্ধতি সংযোজিতভাৱে ব্যৱহৃত।
ৰে = হে
অণহ<অণাহত= অণাহত চক্ৰ, হৃদয় চক্ৰ। প্ৰণিধানযোগ্য মহীধৰপাদে বৌদ্ধ তন্ত্ৰৰ 'ধৰ্ম্ম চক্ৰৰ' ঠাইত হিন্দু তন্ত্ৰ শাস্ত্ৰৰ 'অণাহত' শব্দ ব্যৱহাৰ কৰিছে।
কসণ<কৃষ্ণ = ক'লা বা ঘননীল। হিন্দু তন্ত্ৰ (বগলামুখী) অনুসৰি অনাহত চক্ৰৰ স্থান কৃষ্ণসাৰ বৰ্ণৰ, নাগাৰ্জ্জুনৰ (বৌদ্ধ) মতে ঘন নীল।
ঘণ<ঘন = কাঁহ, তাল আদি বাদ্য
গাজই = গৰ্জন কৰে, শব্দ কৰে

তা সুনি মাৰ ভয়ঙ্কৰ ৰে সঅ মণ্ডল সএল ভাজই

তাকে শুনি ভযঙ্কৰ মাৰে নিজেই সকলো বেষ্টন ভাঙি দিযে।

তা সুনি = তাকে শুনি
মাৰ = বৌদ্ধ সকলৰ "চযতান" সদৃশ পাপ কৰ্ম্মৰ উদ্যোক্তা
ভযঙ্কৰ ৰে = ভযাবহ, ভয উদ্ৰেককাৰী
সঅ<স্বযং = নিজেই
মণ্ডল = বেষ্টন, চক্ৰ
সএল<সকল= সৰ্ব্ব
ভাজই<ভঞ্জ= ভাঙে, ধ্বংস কৰে।

টিপ্পনী ঃ বৌদ্ধ তন্ত্র মতে, প্ৰাণাযাম কালত জৈৱশক্তি, নিৰ্ম্মাণ চক্ৰৰ চৌষষ্ঠি ব্যসন পাৰ হৈ অনুভূতি ৰূপত হৃদয বা অনাহত চক্ৰলৈ যায। তাৰে পৰা মাত্র এটা-দুটা প্রধান অনুভূতি কণ্ঠৰ সম্ভোগ বা বিশুদ্ধ চক্ৰলৈ যায় (চৰ্যা ১০ৰ টীকা চাওক)। আন অনুভূতি সমূহ হৃদয় চক্ৰতে ধ্বংস কৰিব লাগে - যেন মাৰে (বৌদ্ধ চযতান) নিজেই আন অনুভূতি ধ্বংস কৰি এটা বা দুটা অনুভূতিক বেষ্টন ভাঙি সম্ভোগ চক্ৰলৈ যাব দিছে।

মাতেল চীঅ গঅন্দা ধাবই মত্ত চিত্তই গগনান্তৰ (আজ্ঞা চক্ৰ) পিনে ধাবন কৰে।

মাতেল<মাতাল<মত্ত = হৃষ্ট, উন্মত্ত, নিয়ন্ত্ৰণহীন
চীঅ = চিত্ত
গঅন্দা<গগণ অন্ত = গগনান্ত, আকাশৰ শেষ, শূন্য, আজ্ঞা চক্ৰ
ধাবই<ধাবন = দৌৰ মাৰে, ধাবন কৰে

টিপ্পনী ঃ ইযাত এটা কথা প্ৰণিধানযোগ্য —বৌদ্ধ সাধনা তন্ত্র মতে নিযন্ত্রিত চিত্ত অনাহত চক্ৰৰ পৰা সম্ভোগ চক্ৰলৈ যাব লাগিছিল, যাৰ ধাতু গগন। কিন্তু অনিযন্ত্রিত চিত্তই অনাহত চক্ৰৰ পৰা পোনে পোনে আজ্ঞা চক্ৰলৈ যায সম্ভোগ চক্ৰক এৰি। তাৰ কুফল পিচৰ শাৰীত বৰ্ণাইছে মহীধৰপাদে।

নিৰন্তৰ গঅণন্ত তুসেঁ ঘোলই আজ্ঞা চক্ৰত চিত্তক নিৰন্তৰ মন্থন কৰে।

নিৰন্তৰ = সৰ্ব্বদা, নিৰবকাস, বিৰামহীন
গঅণন্ত<গগনান্ত = আজ্ঞা চক্ৰ
তুসেঁ = তাক
ঘোলই<ঘোলা<ঘোল = মন্থিত হয, পাক খুৱায

টিপ্পনী ঃ কণ্ঠৰ সম্ভোগ বা বিশুদ্ধ চক্ৰ বৰ্জন কৰি অনাহত চক্ৰৰ পৰা পোনে পোনে আজ্ঞা চক্ৰলৈ অহা চিত্ত নিৰন্তৰ মন্থিত হয়, অৰ্থাৎ চিত্ত চাঞ্চল্য নুগুচে কাৰণ তেনে চিত্তত শূন্যতা বোধ নাথাকে।

পাপ পুণ্য বেণি তিড়িঅ সিকল মোড়িঅ খম্ভা ঠাণা
পাপ পুণ্যভাবৰ দুই শিকলি চিঙি স্তম্ভ ঠাইতে চূৰ্ণ কৰা।

পাপ পুণ্য = পাপ-পুণ্য, ভাল-বেয়া ভাব
বেণি<দ্বিণি = দুটা
তিড়িঅ<তোড়িঅ = ধ্বংস কৰা, চিঙা
সিকল<শিকল = শৃঙ্খল, শিকলি
মোড়িঅ< মৰ্দ্দিত কৰ = চূৰ্ণ কৰ, ভাঙি গুড়ি কৰ
খম্ভা<খাম্বা<স্তম্ভ = খুটা, স্তম্ভ
ঠাণা< স্থান = ঠাই, স্থান

টীকা ঃ পাপ-পুণ্য, ভাল-বেযা অনুভূতিৰ শিকলি চিঙি স্তম্ভ ভাঙি চূৰ্ণ কৰা। বাক্যৰ শেষৰ সমাৰ্থক অনুজ্ঞা পাওঁ কাহ্নুপাদৰ চৰ্যা ৯ ত —বাখোড মোড়িড়উ।

গঅণ টাকলী লাগি ৰে চিত্তা পইঠ নিবাণা গগন (সম্ভোগ চক্ৰ) তালু স্পৰ্শ কৰিলে চিত্ত নিৰ্ব্বাণ (প্ৰশান্তি) পালে

গঅণ<গগন = আকাশ। আকাশক কণ্ঠস্থিত সম্ভোগ চক্ৰ বা বিশুদ্ধ চক্ৰৰ ধাতু ৰূপে স্বীকাৰ কৰা হয। বৰ্ত্তমান ক্ষেত্ৰত "আকাশ" সম্ভোগ চক্ৰক সূচাইছে য'ত অক্ষৰ দেৱতাৰ ধ্বনিৰ সহাযত আবেগ, শূন্যলৈ পৰ্য্যবসিত হয।

টাকলী = টকালী, য'ত জিভা তালু স্পৰ্শ কৰে।

টিপ্পনী ঃ প্ৰাণাযামৰ নিযম অনুসৰি ৰেচকৰ আৰু কুম্ভকৰ সমযত জিভাৰ নিম্ন ফাল (জিভা ওভতাই) তালু স্পৰ্শ কৰি থাকিব লাগে বিশেষ প্ৰাণাযামত।

লাগি ৰে	=	লাগিল, স্পৰ্শ কৰিলে
চিত্তা	=	চিত্ত
পইঠা<প্ৰবিষ্ট	=	সোমাল, প্ৰবেশ কৰিলে
ণিবানা	=	নিৰ্ব্বাণ, প্ৰশান্তি

টিপ্পনী ঃ চিত্ত অনাহত চক্ৰ এৰি যেতিযা সম্ভোগ / বিশুদ্ধ চক্ৰত সোমাল আৰু প্ৰাণাযামৰ দ্বাৰা (কুম্ভক - ৰেচক) শূন্যভাৱৰ সৃষ্টি হ'ল তেতিযাহে চিত্তই নিৰ্ব্বাণ অৰ্থাৎ প্ৰশান্তি পালে। চিত্তক অনাহতৰ পৰা পোনে পোনে আজ্ঞা চক্ৰ 'গগণান্তলৈ' নিযা অনুচিত কাৰণ সাধকে শূন্যতা অনুভূত নোহোৱা হেতু যৌনাচাৰৰ শাৰীৰিক সুখ খিনিহে অনুভৱ কৰিব।

মহাৰস পালে মাতেল ৰে তিহুঅণ সএল উএখী ত্ৰিভূবনৰ সকলো উপেক্ষা কৰি (চিত্ত) অমৃতপানৰ বাবে উন্মত্ত হৈ উঠে।

মহাৰস	=	অমৃত। অনুৰে তন্ত্ৰ মতে মহামুদ্ৰা অৰ্থাৎ যৌন সম্ভোগ ৰস, বগলামুখী তন্ত্ৰ অনুযায়ী ৰেতঃ
পানে	=	পি খাবলৈ, গ্ৰহণ কৰিবলৈ
মাতেল	=	মত্ত, উন্মত্ত, অত্যন্ত আগ্ৰহান্বিত
তিহুঅণ<ত্ৰিভূবন	=	ত্ৰি জগতৰ সমস্ত বস্তু

সঅল<সকল	=	সকলো, সৰ্ব্ব
উঅখী<উপেক্ষি	=	উপেক্ষা কৰি।

টিপ্পনী ঃ অনুত্তৰ তন্ত্ৰৰ সাধনা পথ অনুযায়ী সম্ভোগ চক্ৰত শূন্য-অতিশূন্য অনুভৱ কৰি সাধকৰ মনত যেতিয়া মহাশূন্য বা সৰ্ব্বশূন্য ভাৱৰ উদয় হ'ব, তেতিয়া বজ্ৰ, পদ্ম সংযোগ অৰ্থাৎ যৌনাচাৰৰ পিচত প্ৰতিলোম যোগৰ সহায়ত কৰুণা উপলব্ধি কৰিব আৰু তেতিয়াহে 'সহজ', প্ৰজ্ঞা+মহাসুখ অনুভৱ কৰিব। শূন্যভাৱৰ ওপৰত পূৰ্ণ নিয়ন্ত্ৰণ পোৱাৰ আগতে যৌন আচাৰত লিপ্ত হ'লে সি লালসাত পৰ্য্যবসিত হ'ব।

পঞ্চ বিষঅৰে নাযক ৰে বিপখ কোৱী ন দেখী — পঞ্চ বোধিসত্ত্বই গুৰু, আন কোনো পথ নেদেখো

পঞ্চ	=	পাঁচ
বিষঅ ৰে<বিষযৰে	=	ঐশ্বৰ্য্য, পদাৰ্থ
নাযক	=	তন্ত্ৰৰ কুলপতি বোধিসত্ব সমূহ
ৰে	=	হে
বিপখ<বিপথ	=	বিপৰীত পথ, অন্যপথ, বিপক্ষ
কোৱী<কোই	=	কোনো
ন দেখী	=	নেদেখো

টিপ্পনী ঃ ইযাত অনুত্তৰ তন্ত্ৰৰ মূলমন্ত্ৰ পুনৰ দোহাৰিছে ,আটাইকেইটা সাধনা পদ্ধতিযে কম - বেছি ব্যৱহাৰ কৰিব লাগিব, সেযেহে পঞ্চ বিষয়ৰ পঞ্চ নাযকৰ বাদে বিকল্প পথ নাই।

খৰৰবি-কিৰণ-সন্তাপে ৰে গঅণাঙ্গণ পইঠা — সৰ্ব্ব শূন্যতা বোধে উগ্ৰ সূৰ্য্যতাপৰ দৰে (চিত্তক) কষ্ট দিয়ে।

খৰৰবি<খৰ + ৰবি	=	উগ্ৰ সূৰ্য্য
কিৰণ	=	দ্যুতি, ৰশ্মি
সন্তাপে ৰে	=	সন্তপ্ত কৰে, কষ্ট দিয়ে
গঅণাঙ্গণ<গগন + অঙ্গন	=	বিশুদ্ধ বা সম্ভোগ চক্ৰ য'ত শূন্যতা বোধ সৃষ্টি হয়
পইঠা<প্ৰবেশ্যন্তি	=	সোমাই

টিপ্পনী ঃ মহাশূন্য বা সৰ্ব্বশূন্য অনুভূতিযে চিত্তক উগ্ৰ সূৰ্য্যতাপৰ দৰে কষ্ট দিয়ে। ইয়াৰ দাৰ্শনিক অৰ্থ - যোগ তন্ত্ৰৰ (আধুনিক, জেন) ধ্যান ভাৱে মনৰ পৰা কৰুণা ভাৱ অপসৃত কৰে ফলত জীৱন কাঠ-কঠুৱা হৈ উঠে।

ভণন্তি মহিত্তা মই এথু বুড়ন্তে কিম্পি ন দিঠা	মহীধৰ পাদে কয় মই এবাৰ নিমগ্ন (সাধনাত) হ'লে আৰু একো নেদেখো

ভণন্তি<ভন	=	কয
মহিত্তা	=	মহীধৰপাদ
মই	=	নিজে, মই
এথু<এতত	=	এইটো
বুড়ন্তে	=	ডুবি, বুৰ গৈ, নিমগ্ন হৈ
কিম্পি<কিম্‌অপি	=	অলপো
ন দিঠা< ন দৃষ্ট	=	একো নেদেখো

টিপ্পনী ঃ মহীধৰ পাদৰ বৰ্ত্তমান চৰ্যাগীতটিত নতুনত্ব বিশেষ নাই, তেখেতে কেবল এটাই উপদেশ দিছে। মনলৈ শূন্যতা ভাব নহালে, অৰ্থাৎ শূন্যতা উপলব্ধি নকৰালেকে তান্ত্ৰিকক যৌনাচাৰৰ অভিজ্ঞতা লবলৈ নিষেধ কৰিছে, অন্যথায " নিৰন্তৰ গঅণন্ত তুসেঁ ঘোলই", সৰ্ব্বদাই অস্থিৰ চিত্ত হৈ থাকিবা। সাধনাত নিমগ্ন হ'লে আন অনুভূতি লোপ পায়। ◆◆

১৭

ৰাগ - পটমঞ্জৰী ঃ বীণাপাদানাম্‌

মূলপাঠ	আধুনিক ভাষান্তৰ/অৰ্থ
সুজ লাউ সসি লাগেলি তান্তী।	দেহ মন লাউৰ খোলৰ দৰে, নাড়ী দ্বাৰা সংযোজিত।
অণহা দাণ্ডী চাকি কিঅত অবধূতী।।	অবধূতীকাই অনাহত দণ্ড চক্ৰত ক্ৰীড়া কৰে।
বাজই অলো সহি হেৰুঅ বীণা।	হেৰা সখি বাজিছে হেৰুকৰ বীণা।
সুন তান্তি ধনি বিলসই ৰুণা।।	শুনা, তন্ত্ৰ সাধনাৰ দ্বাৰা কৰুণাই বিলাস কৰে
আলি-কালি বেণি সাৰি সুণেআ।	অকাৰা ককাৰাৰ পংক্তিবদ্ধ উচ্চাৰণে শূন্য-তাৰ সৃষ্টি কৰে।
গঅবৰ সমৰস সান্ধি গুণিআ।।	যোগাভ্যাসে (গঅবৰে) সামৰস্যৰ প্ৰতিষ্ঠা কৰে।
জবে কৰহা কৰহকলে পিচিউ।	যেতিয়া হাতৰ কাবে বীণাৰ তন্ত্ৰী চেপি ধৰে

বত্তিস তান্তি-ধনি সএল ব্যাপিউ।।	বত্রিশ নাড়ীতে অন্তসুখ ব্যাপ্ত হ'ল (হয়)
নাচন্তি বাজিল গান্তি দেবী।	স্ত্রী শক্তি নাচি - গাই উঠে।
বুদ্ধ-নাটক বিসমা হোই।।	বৌদ্ধতন্ত্র অতুলনীয় (অনুত্তৰ) হ'ল।

টিপ্পনী ঃ বৰ্ত্তমান চৰ্যাগীত বীণাপাদে লিখা বুলি সৰ্বজন স্বীকৃত হলেও বাস্তবতে কোনো ৰচকৰ নাম গীতটিত উল্লেখিত হোৱা নাই। কবিয়ে কেৱল তন্ত্ৰ সাধনাৰ পথক এটা বীণা বাদ্যযন্ত্ৰৰ লগত তুলনা কৰিছে। ইষ্টদেৱ হেৰুক আৰু কণাই (চতুৰ্থ শাৰী, যাৰ অৰ্থ কৰুণা) সাব্যস্ত কৰে গীতৰ ৰচক অনুত্তৰ তন্ত্ৰৰ সাধক। গীতত হেৰুকৰ উল্লেখ আছে- যি জনা শৈৱ শাস্ত্ৰমতে মহাৰ্ণৱ শিৱৰ অনুচৰ কিন্তু বৌদ্ধ তন্ত্ৰ অনুসৰি হেৰুক বজ্ৰধৰ-বজ্ৰসত্ব বজ্ৰপাণিৰ এটা ৰূপ। হেৰুক শব্দৰ মূল 'হৰ', আৰু হেৰুকৰ যোগ তন্ত্ৰ বৰ্ণনা হিন্দু 'ভৈৰৱৰ' বৰ্ণনাৰ লগত একে। বোধিসত্ব ত্ৰৈলক্য বিজয়ক সাময়িক ভাৱে শৈৱ ধৰ্ম্মৰ পৰা আতৰাই নিলেও, কালিকা পুৰাণে তাক আকৌ শিৱ লিঙ্গৰ এটা ভেদ বুলি হেৰুকক হিন্দু দেৱতাৰ মাজত সাঙুৰি থলে। একেগীততে হেৰুক আৰু অক্ষোভযৰ উল্লেখৰ পৰা এই চৰ্যাগীত অপেক্ষাকৃত পিচৰ যুগৰ 'বজ্ৰযানী' গীত বুলি অনুমান কৰিব পাৰি। হেৰুক পুৰুষ আৰু শক্তিৰ সংযোজনৰ ৰূপ অনুত্তৰ তন্ত্ৰ মতে (অৰ্দ্ধনাৰীশ্বৰ সদৃশ)।

সুজ লাউ সসি লাগেলি তান্তী	দেহ-মন (বীণাৰ) লাউৰ খোলৰ দৰে নাড়ীৰ দ্বাৰা সংযোজিত

সুজ<সূৰ্য্য	=	ক্ৰিয়া তন্ত্ৰ, জপ-প্ৰাণায়াম
লাউ<অলাবু	=	বীণাৰ খোল; যি শুকান লাউৰে প্ৰস্তুত
সসি< শশী	=	চৰ্য্যা তন্ত্ৰ, মন, ধ্যান, (চৰ্যা ১৪ চন্দ সুজ্জ চাওক)
লাগেলি< লগ্নিত	=	সংযোজিত হ'ল
তান্তী< তন্ত্ৰী	=	তন্ত্ৰ, নাড়ী, স্নায়ু

টিপ্পনী ঃ সূৰ্য্য আৰু চন্দ্ৰ, দেহ আৰু মন বীণাৰ দুটা মূৰৰ লাউৰ খোল দুটাৰ দৰে আৰু তাক দেহৰ নাড়ী সমূহে সংযোজিত কৰে বুলি কবিয়ে গাইছে।

অণহা দাণ্ডী চাকি কিঅত অৱধূতী	অৱধূতীকাই অনাহত দণ্ড চক্ৰত ক্ৰীড়া কৰে

অণহা<অণাহত	=	অনাহত চক্ৰ বা হৃদ চক্ৰ
দাণ্ডী<দণ্ড	=	তাৰৰ বাদ্য যন্ত্ৰৰ চোৱাৰী বা সংযোগ দণ্ড
চাকি	=	চক্ৰ

কিঅত<ক্ৰীড়ত = ক্ৰীড়া কৰে
অৱধূতী = অৱধূতীকা, মূল নাড়ী

বাজই অলো সহি হেৰুঅ বীণা - হেৰা সখী বাজিছে হেৰুকৰ বীণা

বাজই = বজায, বাদন কৰে
অলো = হেৰা (প্ৰাকৃত)
সহি = সখী
হেৰুঅ = হেৰুক বজ্ৰধৰ
বীণা = তাঁৰৰ বাদ্যযন্ত্ৰ বিশেষ, বীণা

টীকা ঃ হেৰুক মূলতঃ হৰৰ অনুচৰ বিশেষ আছিল যদিও, বৌদ্ধতন্ত্ৰত হেৰুক শম্ভৰ (শম্ভু) আৰু বজ্ৰ বৰাহীৰ যুগ্ম ৰূপ হ'ল, যি পিতৃ-মাতৃ তন্ত্ৰৰ সংযোগৰ প্ৰতিনিধিত্ব কৰে। অনুত্তৰ বা আন যৌন সঙ্গম স্বীকৃত তন্ত্ৰত হেৰুক পুঁৰুষ - প্ৰকৃতিৰ সঙ্গমৰত ৰূপত কল্পনা কৰা হয (Yab-Yum)। অযৌন তন্ত্ৰত হেৰুক বজ্ৰধৰ ভৈৰৱৰে এটা ৰূপ।

সুন তান্তি ধনি বিলসই ৰুণা শুনা তন্ত্ৰ সাধনৰ দ্বাৰাই কৰুণাই বিলাস কৰে

সুন<শৃণু = শ্ৰৱণ কৰা, শুনা
তান্তি ধনি = তন্ত্ৰ ধ্বনি
বিলসই<বিলসতি = বিলাস কৰে, আমোদ কৰে
ৰুণা<কৰুণা = জীৱৰ প্ৰতি দযাভাৱ যি অনুত্তৰ তন্ত্ৰৰ অন্যতম লক্ষ্য

আলি কালি বেণি সাৰি সুণেআ অফলা কফলাৰ পংক্তিবদ্ধ উচ্চাৰণে শূন্য ভাৱৰ (উদ্ৰেক কৰে)

আলি-কালি = অফলা-কফলা প্ৰাণাযামৰ ধ্বনি (চৰ্যা ৭ চাওক)
বেণি<দ্বিনী = দুটা
সাৰি <শাৰী = পংক্তি
সুনেআ<শূনিযা<শূন্য = শূন্যভাৱ

টিপ্পনী ঃ বৌদ্ধ তন্ত্ৰত বিশ্বাস কৰা হয কণ্ঠৰ সম্ভোগ চক্ৰত প্ৰাণাযামৰ সময়ত অফলা কফলা অক্ষৰ পংক্তিৰ উচ্চাৰণৰ ফলত অন্তৰত শূন্যভাৱৰ সৃষ্টি হয।

গঅবৰ সমৰস সান্ধি ৎণিআ (যোগাভ্যাসে (গঅবৰে) সুচিন্তাৰে সামাভাৱ প্ৰবিষ্ট কৰে।

গঅবৰ<গঅবৰ - অক্ষোভ্য যোগতন্ত্ৰৰ কুলপতি (চৰ্যা ১২ চাওক)
সমৰস<সমৰস [illegible] [illegible] সমাগম
সান্ধি সোমায়, সৃষ্টি কৰে (চৰ্যা ৩ চাওক)
ৎণিআ <তণ+আন৩ = চিন্তা কৰি

টীকা ঃ গঅবৰ অক্ষোভ্য অৰ্থাৎ যোগতন্ত্ৰই চিন্তাৰ সমন্বয় আনে। যাৰ দাৰ্শনিক প্ৰয়োগ যোগতন্ত্ৰৰ মূল লক্ষ্য। শূন্যতাভাৱে সাধকৰ মনলৈ সামাভাব সৃষ্টি কৰি ক্ষতি দূৰ কৰে।

ডবে কৰহা কৰডলেঁ পিচিউ যেতিয়া হাতৰ পাশ্বৰ্ত বীণাৰ তাঁ চাপ দি ৰাজে

ডবে [illegible] যেতিয়া
[illegible]
কৰহ [illegible] স[illegible] [illegible] শব্দৰ সৰা আহে। [illegible] সেইটো অংশ যি হাতেৰে চাপ দি ৰখা যায়।
পিচউ প্ৰবিষ্ট চেপি যায়

টিপ্পনী ঃ দাৰ্শনিক অৰ্থ যেতিয়া সকলো নাড়ী [illegible] [illegible] ৰখা যায়।

বতিস তান্তি ধনি সএল ব্যাপিউ সকলো বাৰেশ [illegible] সুখ বিন্দু হয়।

বতিস - বত্ৰিশ (তন্ত্ৰৰ বত্ৰিশ নাড়ী)
তান্তি ধনি তন্ত্ৰী ধ্বনি। নাড়ী নিয়ন্ত্ৰণৰ ফল
সএল সকল = সৰ্ব্ব দিশ
ব্যাপিউ ব্যাপ্ত = বিয়পি পৰে।

টিপ্পনী ঃ তান্ত্ৰিক সাধনা যেতিয়া সম্পূৰ্ণ নিয়ন্ত্ৰণত থাকে তেতিয়া সমস্ত বত্ৰিশ নাড়ী [illegible] দিশ। [illegible] কৰুনা অৱধূতীকা এই তিনি সৰ্ব্ব প্ৰধান নাড়ীৰ পিচত বত্ৰিশ [illegible] নাড়ী থাকে বুলি বিশ্বাস কৰা হয়।

নাচন্তি বাজিল গান্তি দেবী [illegible] নাচি [illegible]

- [illegible]

টিপ্পনী - [illegible]

উল্লেখৰপৰা বুজিব পাৰি (বসন্ত তিলক) ইযাত অনুত্তৰ তন্ত্ৰৰ "তিলোত্তমাৰ" কথা কোৱা হৈছে। তিলোত্তমা - নিৰ্মাণ ৰতি ৰূপবজ্ৰ গুহ্যসমাজতন্ত্ৰ মতে। স্ত্ৰী শক্তি হিন্দু তন্ত্ৰৰ 'কুলশক্তি' সম, কিন্তু কুলকুণ্ডলিনী 'শক্তি'ৰ লগত সমাৰ্থ নহয বৰঞ্চ বিপৰীত। কবিয়ে পৰোক্ষভাৱে সাধনাত স্ত্ৰী শক্তি (সাধনা সঙ্গিনী) প্ৰযোগৰ কথা উল্লেখ কৰিছে।

বুদ্ধ নাটক বিসমা হোই বৌদ্ধ তন্ত্ৰ অতুলনীয (অনুত্তৰ) তন্ত্ৰ হ'ল/হয।

বুদ্ধ নাটক	=	বৌদ্ধ তন্ত্ৰৰ সাধনা পথ
বিসমা< বি+ সম	=	সমান নাই, শ্ৰেষ্ঠ = অনুত্তৰ

টিপ্পনী ঃ "বুদ্ধ নাটক বিসমা হোই" বাক্যৰ দ্বাৰা কবিযে বুজাইছে যে বৌদ্ধ তন্ত্ৰ অতুলনীয, অনুত্তৰ বা অনুত্তৰ তন্ত্ৰ হ'ল। ◆◆

১৮

ৰাগ - গউড়া ঃ কৃষ্ণবজ্ৰপাদানাম্

মূলপাঠ	আধুনিক ভাষান্তৰ/অৰ্থ
তিণি ভুঅণ মই বাহিঅ হেলেঁ।	তিনিটা সাধনা মাৰ্গ মই অনাযাসে উত্তীৰ্ণ হলো
হাঁউ সুতেলি মহাসুহ-লীলেঁ।।	মই অনায়াসে মহাসুখ অনুভূত হলো।
কইসণি হালো ডোম্বী তোহোৰি ভাভৰিআলী।	হে ডোম্বী তোৰ কিয় এনে প্ৰবঞ্চনা?
অন্তে কুলিণজণ মাঝে কবালী।।	কঠোৰ কৌল ত
তঁই লো ডোম্বী সঅল বিটলিউ।	হেৰ ডোম্বী তই সৰ্ব্ব ক্ষেত্ৰত প্ৰবঞ্চনা কৰিলি
কাজ ণ কাৰণ সসহৰ টালিউ।।	কাজ নাই কাৰণ নাই, মন চঞ্চল হৈ উঠে।
কেহো কেহো তোহোৰে বিৰুআ বোলই।	কোনো কোনো জনে তোক বিৰূপা (দুৰাশক্ত) বোলে।
বিদুজণ লোঅ তোৰেঁ কণ্ঠ ণমেলঈ।।	বিদ্বানজনে তোক কণ্ঠৰ পৰা যাব নিদিযে।
কাহে গাইতু কাম চণ্ডালী।	কাহ্নুৰে গায় তই সৰ্ব্ব কামনা ভস্ম কৰ
ডোম্বিত আগলি ণাহি ছিণালী।।	ডোম্বীতকৈ অধিক চঞ্চলা (প্ৰাণায়াম) নাই।

টিপ্পনী ঃ কৃষ্ণবজ্ৰপাদ অথবা কাহ্নুৰ বৰ্ত্তমান চৰ্যাগীত আগৰ গীত কেইটিৰ দৰেই বাস্তবতে অনুত্তৰ তন্ত্ৰ সাধনাৰ কাৰিকৰী বা দিশ নিৰ্দ্দেশক গীত।

মহীধৰ পাদৰ চৰ্যা গীত ১৬ দৰেই ইযাতো কাহ্নুপাই গাইছে মনেৰে শূন্যতাভাব উপলব্ধি নকৰালৈকে উচ্চতৰ সাধনাৰ্গে যোবাটো নিষ্ফল। ডোম্বী প্ৰাণায়ামে বা বায়ুই প্ৰবঞ্চনা (ভাভৰিআলী) কৰিছে, অৰ্থাৎ মনস্থৈৰ্য্য আনিব পৰা নাই - তাৰ কাৰণ কাহ্নুপাই কৈছে " কাম চণ্ডালী" কাৰ্য্যকৰ হোৱা নাই। কাম = কামনা, পাবৰ ইচ্ছা, চণ্ডালী = চণ্ডযোগ বা অগ্নি যোগ সি সকলো পুৰি ভস্ম কৰে। কামনা বাসনা মনৰ পৰা আঁতৰা নাই বাবেই মনস্থৈৰ্য্য অহা নাই আৰু ডোম্বীৰ সহাযত কৰা উচ্চতৰ সাধনা ফলপ্ৰসু হোৱা নাই।

তিনি ভুঅণ মই বাহিঅ হেলেঁ ত্ৰি সাধনা মাৰ্গ মই অনায়াসে উত্তীৰ্ণ হলো

তিনি	=	ত্ৰি
ভুঅণ< ভূবন	=	জগৎ। বৰ্ত্তমান প্ৰযোগ ক্ৰিযা, চৰ্য্যা আৰু যোগতন্ত্ৰ সাধনা মাৰ্গ
মই<অহম্	=	স্ব, মই
বাহিঅ<বাহিত	=	বাই (row) পাৰ হোৱা, উত্তীৰ্ণ হোৱা
হেলে<অৱহেলে	=	অনাযাসে, উজুভাবে।

টীকা ঃ সৰহ ভাগ টীকা ভাষ্যকাৰে মূল ভাষ্যকাৰ মুনিদত্তৰ ব্যাখ্যা " ত্ৰিভুবনং কাযবাক্ চিত্তং" অৰ্থাৎ কৃষ্ণপাদৰ "তিনি ভুঅণ" কায (দেহ), বাক্য (কথা), চিত্ত (মন) বুলি নিজে বুজি পাইছে আৰু আনক বুজাইছে। বৌদ্ধ তন্ত্ৰৰ মতে কায, বাক্য আৰু চিত্ত এই তিনিটা ৰহস্য। কায়া = মুদ্ৰা, বাক্য = মন্ত্ৰ আৰু চিত্ত = সমাধি, এই তিনিটাৰ ওপৰত নিয়ন্ত্ৰণ পোৱাৰ পিচত সাধকৰ আৰু বিচাৰিব লগা একো নাই (The Buddhist Tantras - p 31, Alex Wayman - Samuel Weiser New-york) তেনেক্ষেত্ৰত কাহ্নুপাই কেনেই কব "তিনি ভুঅণ মই বাহিঅ হেলেঁ" ৰ পিচত ডোম্বীয়ে প্ৰতাৰণা কৰিলে বুলি। বাস্তৱতে মুনিদত্তই বুজা নাছিল, ত্ৰিভূবনৰ দ্বাৰা কাহ্নুপাই ক্ৰিযা, চৰ্য্যা আৰু যোগ তন্ত্ৰৰ সাধনা পথৰ কথা কৈছে। চণ্ডালী বায়ু নিম্ন যোগ তন্ত্ৰ আৰু ডোম্বী উচ্চ যোগ আৰু নিম্ন অনুত্তৰ তন্ত্ৰৰ প্ৰাণাযামাভ্যাস। কাহ্নুপাই চণ্ডালীত সিদ্ধ হৈছে কিন্তু ডোম্বী আয়ত্ব কৰিব পৰা নাই। (চৰ্যা ১০ ৰ টীকাত শেকোদেষ্ট তন্ত্ৰ চাওক)

হাঁউ সুতেলি মহাসুহ লীলেঁ মই অনায়াসে মহাসুখ অনুভূত হলো

হাঁউ<হামি<অহম্= মই

সুতেলি<সুপ্তিল = শয়ন ৰত হলো, শুলো
মহাসুহ = মহাসুখ। অনুত্তৰ তন্ত্ৰৰ মহাসুখ কৰুণা- তথতা
লীলেঁ<লীলায = অৱলীলা ক্ৰমে

টিপ্পনী ঃ ইয়াত কাহ্নুপাই এটা সমস্যাৰ সৃষ্টি কৰিছে । শূন্যতা অনুভৱ নোহোৱাকৈ 'তথতা' নুবুজি। কাহ্নুপাই মহামুদ্ৰাৰ সহায়ত যৌন মহাসুখ অনুভৱ কৰিলেও, শূন্যতা অনুভূতিহীন ভাবে এই সুখ সহজানন্দ নহয়। সেয়েহে এনে মহাসুখ ক্ষণস্থায়ী।

কইসণি হালো ডোম্বী তোহোৰি ভাভৰিআলী ডোম্বী হে তোৰ কিয় এনে প্ৰবঞ্চনা।

কইসণি< কতিদৃশ্ন = কেনেকৈ, কিদৰে, কেলেই
হালো = হেৰা, হে
ডোম্বী = ডোম্বী প্ৰাণায়াম
তোহোৰি = তোৰ
ভাভৰি আলী<ভা ভডকালী<ভডক + আলী = ধূৰ্ত্ততা, প্ৰবঞ্চনে (প্ৰাকৃত)

টিপ্পনী ঃ মহাসুখৰ পিচত কেলেই ডোম্বীয়ে প্ৰবঞ্চনা কৰিলে তাক কাহ্নুপাই প্ৰশ্ন কৰিছে। ডোম্বীৰ প্ৰবঞ্চনা অৰ্থ চিত্ত চাঞ্চল্য পুনৰ সৃষ্টি হ'ল। "নিৰন্তৰ গঅণন্ত তুসেঁ ঘোলই"

চৰ্যা ১৬ ত মহীধৰ পাদে একে সমস্যাৰ আলোচনা কৰিছে।

অন্তে কুলিণজন মাঝে কাবালী কঠোৰ কৌলিক তন্ত্ৰৰ মাজত ৰিক্ত কাপালিক

অন্তে = মূৰত, শেষত
কুলিণজন< কুলিন জন = কুণ্ডলিনী জাগ্ৰত কৰা সাধনা তন্ত্ৰ
মাঝে = মধ্যত
কাবালী< কাপালিক = কাপালিক তান্ত্ৰিক, ৰিক্ত দৰিদ্ৰ ব্যক্তি

টিপ্পনী ঃ মূলভাষ্যকাৰ মুনিদত্তই "কুলিণজনৰ" প্ৰয়োগ বুজিবলৈ টান পাই সন্তৰ্পণে শব্দটো এৰাই গৈছে। সুকুমাৰ সেনৰ মতে - "এক পাশে কুলীন জন মাঝে কাবাড়ি।" পৰীক্ষিত হাজৰিকাই অভিমত দিছে বজ্ৰবাদী সকল কুলীন আৰু পঞ্চ কুলৰ (বজ্ৰ, পদ্ম, কৰ্ম, তথাগত, ৰত্ন) অধিকাৰী সকলকো কুলীন বোলা হয় (পৃষ্ঠা

২৫৩ - চৰ্য্যাপদ)। বঙ্গীয় অভিধানৰ মতে কুলীনৰ এটি অৰ্থ শক্তি উপাসক। The Buddhist Tantra (A Wayman - p 169) গ্ৰন্থ অনুসৰি কুল-কুণ্ডলিনী শক্তি জাগ্ৰত কৰা সকলো তন্ত্ৰই কুলীন নামে খ্যাত। এনে তন্ত্ৰ অতি কৃচ্ছ্ৰসাধ্য বা কঠোৰ বাবেই কাহ্নুপাই তাক 'অন্ত' (extreme) বুলি কৈছে। কঠোৰ কুণ্ডলিনী তন্ত্ৰৰ (ক্ৰিয়া-চৰ্য্যা) মাজত ৰিক্ত কাপালিক কাহ্নুপা।

তই লো ডোম্বী সঅল বিটালিউ — হেৰ ডোম্বী তই সৰ্ব্ব ক্ষেত্ৰত প্ৰবঞ্চনা কৰিলি।

তই	=	তই, তুমি
লো	=	হেৰা, হেৰ
ডোম্বী	=	ডোম্বী প্ৰাণাযাম বায়ু
সঅল< সকল	=	সৰ্ব্ব
বিটালিউ< বিট্টাল	=	প্ৰবঞ্চনা কৃত (বিটল = প্ৰতাৰক)

টিপ্পনী ঃ সাধকে ডোম্বী প্ৰাণাযামৰ দ্বাৰা প্ৰতাৰিত অনুভৱ কৰিলে। অৰ্থাৎ ডোম্বীৰ সুফল ক্ৰমশঃ লোপ পালে আৰু মনৰ অস্থিৰতা বাঢ়িল।

কাজ ণ কাৰণ সসহৰ টালিউ — কাজ নাই কাৰণ নাই মন চঞ্চল হৈ উঠে

কাজ<কাৰ্য্য	=	সংঘটিত ঘটনা
ণ	=	নাই
কাৰণ	=	হেতু, নিমিত্ত
সসহৰ<শশধৰ	=	চন্দ্ৰ। মন, চিত্ত যিহেতু চন্দ্ৰ মনৰ অধিপতি
টালিউ<টলিট	=	দ্বিধাগ্ৰস্ত, চঞ্চল, প্ৰবঞ্চিত

টিপ্পনী ঃ "কাজ নাই কাৰণ নাই" সঘনে ব্যৱহৃত খণ্ড বাক্য, যাৰ অৰ্থ বক্তাই দৃষ্টফলৰ কাৰক উৎস বিচাৰি পোৱা নাই। বৰ্ত্তমান বাক্যত কাহ্নুপাই কৈছে " বিনা কাৰণেই তেখেতৰ মন চঞ্চল হৈ উঠিল।" এযা হোৱা সম্ভৱ যদি কেৱল ডোম্বীযে শাস্ত্ৰোক্তৰূপে কাৰ্য্য কৰা নাই বা সুফল দিযা নাই।

কেহো কেহো তোহোৰে বিৰুআ বোলই — কোনো কোনোজনে তোক দুৰ্বালভা বোলে

কেহ কেহ	=	কোনোবাই কোনোবাই
তোহোৰে	=	তোক
বিৰুআ<বিৰূপা	=	(১) কুদৰ্শনা। (২) দুৰ্বালভা লতা।
বোলই <বোল<বদ	=	কয়, বোলে

টিপ্পনী ঃ বিৰুৱা বোলই''ৰ অৰ্থ পৰিক্ষীত হাজৰিকাদেৱে মুনিদত্তক অনুসৰণ কৰি বিৰুদ্ধ মন্তব্য কৰে' বুলি লিখিছে।

সুকুমাৰ সেনে -বিৰুৱাক বিৰূপাক্ষ গুণি চৰ্যা কৰ্ত্তা কাহ্নুপাদৰ বিকল্প নাম বলি দিছে। আন টীকা ভাষ্যকাৰ সৱে বিৰূপ বুলি ধৰি লৈছে। বিৰুৱা যদি বিৰূপাক্ষ হ'লাহেতেন, তেনেহ'লে ইয়াৰ অৰ্থ, বিৰূপাক্ষ = ভয়ানক অক্ষি, ত্ৰিলোচন মহাদেৱ। বিৰূপাক্ষ নামৰ সিদ্ধ আছে, আকৌ মহাদেৱৰ ভৈৰৱ ৰূপৰ এটা নামো বিৰূপাক্ষ মহাদেৱ। বৰ্তমান ক্ষেত্ৰত 'বিৰুআ' বিৰূপা দুৰালভা লতা অথবা কুৰূপা সূচাব যিহেতু স্ত্ৰী লিঙ্গৰ বিশেষণ ভিত্তিক নাম ৰূপে ব্যৱহৃত (বোলই)। দুৰালভা অৰ্থ " যাহাদুঃখে স্পৰ্শ কৰা যায, স্বনাম খ্যাত কণ্টকান্বিত ক্ষুদ্ৰবৃক্ষ (লাংকী লতা?)। ডোম্বীক বিৰূআ বা বিৰূপা বোলাৰ কাৰণ ইযাৰ স্পৰ্শই দুখ হৰণ কৰে - যি অৰ্থ ইযাৰ পিচৰ বাক্যই সমৰ্থন কৰে। সেযেহে

বিদুজণ লোঅ তোৰেঁ কণ্ঠ ণ মেলঈ — বিদ্বান জনে তোক কণ্ঠৰ পৰা যাব নিদিযে

বিদুজণ<বিদ্বজন	=	জ্ঞানী জন, বিদ্বান জন
লোঅ<লোক	=	ব্যক্তি
তোৰে	=	তোক
কণ্ঠ	=	ডিণ্ডি, সম্ভোগ বা বিশুদ্ধ চক্ৰ য'ত শূন্য ভাব সৃষ্টি হয।
ণ মেলঈ	=	নকৰে ত্যাগ

টিপ্পনী ঃ 'মেলই' ত্যাগ অৰ্থত ব্যৱহাৰ হয — যেনে মেলানি = বিদায, নাং মেলিনি। জ্ঞানী জনে ডোম্বীক কণ্ঠৰ পৰা ত্যাগ নকৰে - অৰ্থাৎ অহৰহ কণ্ঠত ডোম্বী প্ৰাণাযাম আৰু জপ কৰি থাকে যিযে চিত্ত চাঞ্চল্য ৰোধ কৰে।

কাহ্নে গাইতু কামচণ্ডালী — কাহ্নুৱে গায তই কামনা ভস্ম কৰ

কাহ্নে<কাহ্নু	=	কাহ্নুপাদ
গাইতু<গায়+ তু	=	গায, গান কৰে + তই
কাম চণ্ডালী<কাম + চণ্ডালী	=	বাসনা + চণ্ডালী, অগ্নি শব্দৰ স্ত্ৰী লিঙ্গ যি সৰ্ব্ব ভস্ম কৰে

টিপ্পনী ঃ কাহ্নুই গাইছে ডোম্বী, কামনাৰ বাবে চণ্ডালী স্বৰূপা। চণ্ডালী, চণ্ড অৰ্থাৎ অগ্নি শব্দৰে স্ত্ৰী লিঙ্গ। ইযাত কাহ্নুপাই যোগতন্ত্ৰৰ "চণ্ডালী"

প্ৰাণাযামৰ কথা কোৱা নাই কাৰণ তেখেতে যোগতন্ত্ৰত সিদ্ধি লাভ কৰা বুলি আগতেই দাবী কৰিছে (তিনি ভুঅণ মই বাহিঅ হেলেঁ।)

ডোম্বিত আগলি ণাহি চ্ছিণালী ডোম্বীতকৈ অধিক চঞ্চলা নাই

ডোম্বিত	=	ডোম্বী প্ৰাণাযামৰ
আগলি<আগলী	=	অগ্ৰগামী, অধিক
নাহি	=	নাই, অনুপস্থিত, অবৰ্ত্তমান
চ্ছিণালী	=	ভ্ৰষ্টা, বিশ্বাস অযোগ্য, চঞ্চলা

টিপ্পনী : বিদ্বজনে জানে, ডোম্বীতকৈ চঞ্চলা কোনো নাই বাবেই ৰাতি-দিন ডোম্বীক কণ্ঠৰ পৰা ত্যাগ নকৰে। অৰ্থাৎ, অহৰহ ডোম্বী জপ কৰি থাকে কাৰণ ডোম্বী চঞ্চলা, আৰু ডোম্বী অবিহনে যি কোনো মুহূৰ্ত্তত মনত উৎকণ্ঠা জাগি উঠিব পাৰে। এই চৰ্যাৰ উক্তি কাহ্নুপাই, নিজৰ জীৱন অভিজ্ঞতাৰ পৰা লিখিছে যদিও ই বজ্ৰযানৰ ভিত্তি দৰ্শনৰ বিৰোধিতা কৰিছে। বজ্ৰযানৰ মতে মহামুদ্ৰাৰ (যৌন আচাৰ) দ্বাৰা বজ্ৰ সিদ্ধি লাভ হয। বজ্ৰসিদ্ধি (adamantine success) কেতিযাও শিথিল নহয - সি প্ৰতিলোম গতি নকৰে (non reversible)। আনহাতে কাহ্নুপাই পাইছে মহাসুখৰ পিচতো ডোম্বী প্ৰাণাযাম সাধকে অবজ্ঞা কৰিবনোৱাৰে তাক সাধকৰ কণ্ঠ ত্যাগ কৰিব দিব নোৱাৰি।

◆◆

১৯

ৰাগ-ভৈৰবী ঃ কৃষ্ণপাদানাম্

মূলপাঠ	আধুনিক ভাষান্তৰ/অৰ্থ
ভব নিৰ্ব্বাণে পড়হ মাদলা।	নিৰ্ব্বাণৰ জগতত ঢোল মৃদঙ্গ বাজি
মণ পৱণ বেণি কৰণ্ড-কসালা।।	চিত্ত-প্ৰাণায়াম দুটি, টকা - ভোৰতাল।
জঅ জঅ দুন্দুহি সাদু উছলিআঁ।	দুন্দুভিত যেতিয়া ধ্বনি উদগত হ'ল
কাহ্ন ডোম্বি - বিৱাহে চলিলা।।	কাহ্নু ডোম্বী প্ৰাণায়ামত ৰত হ'ল।
ডোম্বি বিৱাহিআ অহাৰিউ জাম।	ডোম্বী মিলিত হৈ বিৱজা কুলনাৰী প্ৰাপ্ত হ'ল

জউতুকে কিঅ আণুতু ধাম।।	যৌতুক ৰূপত পালে অনন্ত ধাম।
অহণিসি সুৰঅ পসংগে জাঅ।	ৰাতি দিন ৰতি ক্ৰিযাতে যায।
জোইণিজালে ৰএণি পোহাঅ।।	সাধনা সঙ্গিনীৰ মোহতে ৰাতি কাটে।
ডোম্বীএৰ সঙ্গে জো জোই ৰত্তো।	ডোম্বী প্ৰাণাযামত যি সকল ৰত হয
খণহ ণ ছাডঅ সহজ উন্মত্তো।।	মূহুৰ্ত্তৰ বাবেও নেৰিবা নহ'লে সহজ বিক্ষিপ্ত হ'ব।

টিপ্পনী ঃ বৰ্ত্তমান চৰ্যাগীতৰ, কৃষ্ণপাদৰ পূৰ্ববৰ্তী (নং ১৮) গীততকৈ কোনো ধৰণৰ তাৎপৰ্য্যৰ পাৰ্থক্য নাই। ৰচকে ইযাতো 'ডোম্বী' প্ৰাণাযামৰ গুণ গান কৰি কৈছে ডোম্বীৰ লগত মিলিত হ'লে যৌতুকত অনন্তধাম (স্বৰ্গসুখ) পাবা, ৰাতি দিন সুৰত প্ৰসঙ্গত অতিবাহিত হ'ব কিন্তু ক্ষণিকৰ বাবে ডোম্বী সঙ্গ এৰিলেই 'সহজ' যি অনুৰো তন্ত্ৰমতে তথতা + মহাসুখ, উন্মত্ত হ'ব অৰ্থাৎ সাধকৰ মন নিযন্ত্ৰণৰ বাহিৰ হৈ যাব। সাধাৰণ মানুহৰ ভাষাত, কৃষ্ণপাদে কৈছে - তন্ত্ৰত যৌনাচাৰে স্বৰ্গসুখ দিব কিন্তু মুহূৰ্ত্তৰ বাবেও যদি তুমি শূন্যতা ভাবৰ পৰা আঁতৰি যোৱা সাধকৰ নওৰ নাগতি হ'ব। অৰ্থাৎ ডোম্বী (যোগতন্ত্ৰ) ত্যাগ কৰি যৌনাচাৰলৈ যাবলৈ বাৰণ কৰিছে। ইযাত সহজ, শূন্যতা + তথতা, অনুত্তৰাৰ প্ৰজ্ঞা-কৰুণা নহয।

ভৱ নিৰ্ব্বাণে পডহ মাদলা নিৰ্ব্বাণৰ জগতত ঢোল মৃদঙ্গ বাজি উঠিল

ভৱ = জগৎ, ভুবন, সংসাৰ
নিৰ্ব্বাণে = মুক্তি
পডহ<পটহ = এযালে ছাল লগোৱা সৰু ঢোল
মাদলা<মাদল<মৰ্দ্দল = মৃদঙ্গ বিশেষ

টিপ্পনী ঃ কৃষ্ণপাদে ইযাতে নবজালেও শব্দ কৰা ঢোল হৃৎপিণ্ড, অৰ্থাৎ হৃদয চক্ৰ বা অনাহত চক্ৰৰ কথা উল্লেখ কৰিছে য'ত সৰ্ব্ব অনুভূতি এটা বা দুটা মুখ্য অনুভূতিলৈ পৰিবৰ্ত্তিত হয (চৰ্যা - ৩ ৰ টীকা ভাষ্য চাওক)।

মণ পবণ বেণি কৰণ্ড কসালা চিত্ত আৰু প্ৰাণাযাম কৰতাল ভোৰতাল

মণ = চিত্ত, ভাৱ
পবণ = বাযু। বৰ্তমান ক্ষেত্ৰত প্ৰাণাযামৰ বাযু
বেণি<দ্বীণি = দুই
কৰণ্ড = বাঁহৰ বাদ্য যন্ত্ৰ

কসালা<কাংস্যতাল = কাঁহৰ তাল ভোৰ তাল।

টীকা ঃ প্ৰাণায়ামৰ দ্বাৰা ছিদ্ৰ নিয়ন্ত্ৰণ কৰাত সম্ভোগ চক্ৰ - ভোৰতালৰ দ্বাৰ বাক্তি উঠিল - কাৰণ কণ্ঠত অহৰহ মন্ত্ৰৰ দেৱতা (আলি - কালি) উচ্চাৰিত হ'ল সাধকৰ জপৰ হেতু।

জঅ জঅ দুদুহি সাদু উছলিলা দুন্দুভিত জয় ধ্বনি উদ্গত হ'ল।

জঅ জঅ< জয় জয়	=	জয় ধ্বনি। জব জব = যেতিয়া
দুদুহি< দুন্দুভি	=	সঙ্কৰ্ণ ঢোল বিশেষ
সাদু<শব্দ	=	ধ্বনি
উছলিলা<উচ্ছলিলা	=	উদগত উৎক্ষিপ্ত হ'ল।

টিপ্পনী ঃ দুন্দুভিত জয়ধ্বনি উদ্গত হ'ল অথবা যেতিয়া দুন্দুভি ধ্বনি উদগত হ'ল। আমি ভাবো দ্বিতীয় অৰ্থ অধিক প্ৰযোজ্য কাৰণ কৰণ্ড-কসালা দুটা ধ্বনি যেতিয়া এটা ধ্বনি (দুন্দুভি) লৈ পৰ্যবসিত হ'ল — ধ্যান আৰু জপ মন আৰু দেহাৰ সমন্বয় ঘটিল তেতিয়াহে কাহ্নুপাই ডোম্বী প্ৰাণায়াম আৰম্ভ কৰিলে — 'ডোম্বী বিবাহে চলিলা।'

কাহ্ন ডোম্বি বিবাহে চলিলা কাহ্নু ডোম্বী প্ৰাণায়মত ৰত হ'ল

কাহ্ন	=	কাহ্নুপাদ
ডোম্বি	=	ডোম্বী প্ৰাণায়াম
বিবাহে	=	মিলন, সংযোগ
চলিলা	=	গ'ল

ডোম্বি বিবাহিআ অহাৰিউ জাম ডোম্বী মিলিত হৈ বিশ্বস্ত কুলনাৰী প্ৰাপ্ত হ'ল

ডোম্বি	=	ডোম্বী প্ৰাণায়াম
বিবাহিআ<বিবাহিত	=	মিলিত হৈ
অহাৰিউ<আহৃত	=	সংগৃহিত, প্ৰাপ্ত
জাম<জামী	=	বিশ্বস্ত স্ত্ৰী, কুলনাৰী

টিপ্পনী ঃ জামি বা জামী শব্দৰ অৰ্থ বিশ্বস্ত পত্নী। মূল শব্দ যতদূৰ সম্ভৱ "জাম", ইয়াৰ পৰাই জামাই, জামিত্ৰ আদি শব্দ উদ্ভৱ।

জউতুকে কিঅ আণুতু ধাম যৌতুকত কৰা (পোৱা) হ'ল অনন্ত ধাম।

জউতুকে	=	যৌতুকে, যৌতুক ৰূপত, স্ত্ৰী ধন ৰূপত

কিঅ<কৃত = কৰা হ'ল, পোৱা হ'ল
আগুতু ধাম = অনন্ত ধাম, স্বৰ্গ, নিৰ্ব্বাণ

অহনিসি সুৰঅ পসঙ্গে জাঅ ৰাতি দিন ৰতি ক্ৰীড়াতে যায

অহনিসি<অহৰ্নিশ = দিবাৰাত্ৰ, অষ্টপ্ৰহৰ
সুৰঅ পসঙ্গে<সুৰত প্ৰসঙ্গ = কাম -কেলি, যৌনাচাৰ
জাঅ = যায

টিপ্পনী : ইয়াত কাহ্নু-পাই কৰ্ম্মমুদ্ৰা, বজ্ৰ- পদ্ম আদি নামেৰে খ্যাত অনুত্তৰ তন্ত্ৰৰ সৰ্ব্বোচ্চ অভিসম্বোধিক সুৰত প্ৰসঙ্গ বা ৰতি ক্ৰীড়া, তাকো ৰাতি দিন বোলাৰ কাৰণ হ'ল, সাধনাত পবিত্ৰভাৱ আৰু সময় সঙ্কল্প নাথাকিলে তন্ত্ৰৰ যৌনাচাৰ আৰু সাধাৰণ ৰতি ক্ৰীড়াৰ মাজত কোনো পাৰ্থক্য নাথাকে। সুৰত শব্দৰ আন অৰ্থ অনুৰক্তি।

জোইণি জালে ৰএণি পোহাঅ সাধনাসঙ্গিনীৰ মায়া জালত ৰাতি পুৱায

জোইণি জালে<যোগিনী জালে = সাধনা সঙ্গিনীৰ মোহ
ৰএণি<ৰজনী = ৰাত্ৰি
পোহাঅ<পোহায<প্ৰত্যুশ = পুৱা হয, প্ৰভাত হয

টীকা : জোইণি শব্দই যোগকাৰিণী নাৰী অথবা আদ্যাশক্তিৰ ৬৪ টা ৰূপৰ যি কোনো এটা বুজায়। তন্ত্ৰ সাধনাৰ যৌনাচাৰ কালত সাধনা সঙ্গিনীক আদ্যা শক্তিৰ ৰূপ বুলি ধৰি লোৱা হয - অতএৱ এনে নাৰী যোগিনী। কাহ্নুপাই কৈছে - নামত যোগিনী যদিও কামত কামনাসক্তা নাৰী। ফলত সাধক নিৰ্ব্বাণৰ সলনি মায়াজালত হে আবদ্ধ হৈ পৰে এনে আচাৰৰ পৰা। যদি —

ডোম্বীএৰ সঙ্গে জো জোই ৰত্তো যি সকলে ডোম্বীৰ সঙ্গকৰে (যোগতন্ত্ৰ)

ডোম্বীএৰ = ডোম্বীৰ
সঙ্গে = সঙ্গত, লগত
জো জোই = যি সকল। যি যোগী, সাধক
ৰত্তো<ৰত = আসক্ত, ব্যস্ত

টিপ্পনী : কাহ্নুপাই ৰত্তো শব্দ ব্যৱহাৰ কৰিছে - যাৰ সমাৰ্থ শব্দ 'ৰত'। ৰমণ বা সুৰত ক্ৰিয়াকো 'ৰত' বোলা হয়। কাহ্নুপাৰ গীতৰ অৰ্থ যি সকল সাধক সাধিকাত ৰ'ত, আৰু যি সকল ডোম্বীত ৰ'ত একে ব্যক্তি নহয়।

খণহ ণছাড়অ সহজ উন্মত্তো ক্ষন্তেকো (ডোম্বীৰ সঙ্গ) নেৰিবা নহলে সহজ বিক্ষিপ্ত হ'ব।

খণহ<ক্ষণহ = ক্ষণ মাত্ৰ, এখন্তেকও

ণ ছাডঅ = নেৰিবা

সহজ = শূন্য + সুখ

উন্মত্তো<উন্মত্ত =

টীকা ঃ ইযাত এটা ডাঙৰ সমস্যা হ'ল, কাহ্নুপাই সাধনা সঙ্গিনী লৈ কৰা আচাৰক সাধাৰণ ৰতি ক্ৰীড়া আৰু “যোগিনীক” মায়াজাল বুলিছে। দেখ দেখ তেখেত অনুত্তৰ তন্ত্ৰৰ যৌনাচাৰৰ বিৰোধী। দ্বিতীয়তে ডোম্বীৰ প্ৰাণাযামৰ সঙ্গ এখন্তেকো এৰিব বাৰণ কৰিছে - কিন্তু সেকোদ্দিষ্ট তন্ত্ৰ মতে অনুত্তৰ ‘মহামুদ্ৰা মহাভিষেকৰ’ সমযত সাধকে ডোম্বী এৰি সহজাৰ আশ্ৰয লয়। যিহেতু ডোম্বী প্ৰাণাযাম যোগ সাধকে এক মুহূৰ্ত্তও নেৰে বৰ্ত্তমান চৰ্যা যোগতন্ত্ৰৰ সমৰ্থনত লিখা চৰ্যাগীত। এই কৃষ্ণপাদ অনুত্তৰ তন্ত্ৰৰ সমৰ্থক মহাসিদ্ধ কাহ্নুপা নহয। বৰ্ত্তমান চৰ্যাগীতৰ অৰ্থ শবৰ পাদৰ চৰ্যা নং ২৮ ৰ লগত ভালেখিনি সাদৃশ্য আছে। ◆◆

২০

ৰাগ-পটমঞ্জৰী ঃ কুক্কুৰীপাদানাম্

মূলপাঠ	আধুনিক ভাবান্তৰ/অৰ্থ
হাঁউ নিৰাসী খমণ ভতাৰে।	মই নিবাশ মোৰ শুন্যৰ পৰা
মোহোৰ বিগোআ কহণ নজাই।।	মোৰ মানসিক সংঘাত অবৰ্ণনীয়।
ফেটলিউ গো মাএ অন্তউডি চাহি।	বিচৰা মাতৃৰ (তন্ত্ৰৰ) গূঢ় তত্ব উন্মুক্ত হ'ল
জা এথু চাহাম সো এথু নাহি।।	যি ইয়াত বিচাৰিছিলো সি এয়া নহয়।
পহিল বিআণ মোৰ বাসনপূড়া।	ব্ৰহ্মমুহূৰ্ত্তত মোৰ বাসনা পূৰ্ণ হ'ল
নাডি বিআৰন্তে সেৰ বাপুডা।।	স্নায়ু ক্ৰীডাৰ অন্তত কেবল।
জাণ জৌবণ মোৰ ভইলেসি পূৰা।	মোৰ জীৱন-যৌৱন (ইহ জীৱন) সাৰ্থক হ'ল।
মূল নখলি বাপ সংঘাৰা।।	গুৰি উভালিলো, ইষ্টদেৱ সংহাৰিলো।
ভণথি কুক্কুৰিপা এ ভৱ থিৰা।	কুক্কুৰীপাই কয় এই জগত সুস্থিৰ
জো এথু বুঝএ সো এথু বীৰা।।	যেয়ে এয়া বুজে তেওঁয়েই প্ৰকৃত বীৰ।

টিপ্পনী ঃ কুক্কুৰীপাদৰ দ্বাৰা ৰচিত চৰ্যাগীত সমূহ বুজিবলৈ সদায়ে টান (চৰ্যা -২), কিন্তু সেই বুলি বৰ্ত্তমান চৰ্যাৰ পূৰ্ব্বভাষ্যকাৰ সকলৰ দ্বাৰা, যিমান বিকৃত, অযথাৰ্থ আৰু অসম্ভৱ অৰ্থ কৰা হৈছে তাক তেখেত সকলৰ অত্যন্ত উৰ্ব্বৰ মস্তিষ্কযো কেনেকৈ ভাবি উলিয়ালে চিন্তি আচৰিত হ'ব লাগে। মুনিদত্তই লিখিছে "খমণেতি সৰ্ব্বশূন্যং মনঃস্বামী অস্য সুৰতাভিষ্ব্ঙ্গেণ মম বিশিষ্টসংযোগাক্ষৰসুখানুভবঃ কস্মিন্নপি কথাবেদ্যো ণ ভৱতীতি।" যাৰ অসমীয়া ভাষাত অনুবাদ কৰিলে মুনিদত্তৰ মস্তিষ্কৰ সুস্থিৰতা সম্বন্ধে সন্দেহ হ'ব। সুকুমাৰ সেনে লিখিছে —" মৃতবৎসা চৰ্যা। পতিপৰিত্যক্ত তৰুণীৰ প্ৰথম প্ৰসব গৰ্ভপাতে পৰ্যবসিত।" প্ৰথম বাক্য দুটাৰ অৰ্থ তেখেতে পাইছে — "আমি নিৰাশী, ভৰ্তা ক্ষপণক। আমাৰ পতিসঙ্গসুখ অবৰ্ণনীয় ইত্যাদি ইত্যাদি (সুকুমাৰ সেন—চৰ্যাগীতি পদাবলী - পৃঃ ১৩৭)। পৰীক্ষিত হাজৰিকাই পাইছে "ভিক্ষুৰ স্ত্ৰী।" বৌদ্ধ ভিক্ষুৰ পত্নী থাকে নেকি? এনে টীকা ভাষ্য পটি যদি পাঠকে ধৰি লয় বৌদ্ধ তান্ত্ৰিক সাধক সকল যৌনবিকাৰগ্ৰস্ত আছিল তাৰ দোষ আমাৰ পণ্ডিত টীকা - ভাষ্যকাৰ সকলৰ, কুক্কুৰীপাদৰ নহয়।

মহাসিদ্ধ কুক্কুৰীপাদে গাইছে পূৰ্ব্বৰ গুৰুৰ আশ্ৰয়ত নিৰাশ হ'ল, তেখেতৰ মনঃ সংঘাত (বিগ্ৰহ) অবৰ্ণনীয়। যি বিচাৰিছিলে মাতৃতন্ত্ৰত নাপালে, পিতৃতন্ত্ৰতো তেখেতৰ সাধনাৰ বাসনা পূৰ্ণ নহ'ল। যেতিয়া নাড়ীক উত্তেজিত কৰা হ'ল তেতিয়াহে সাধকে সিদ্ধি লভিলে। এয়া অনুত্তৰ তন্ত্ৰৰ চৰ্যা হ'ব পাৰে, কিন্তু অধিকতৰ সম্ভৱ ই যোগ বা উচ্চ ক্ৰিয়া তন্ত্ৰৰ চৰ্যা কাৰণ অনুত্তৰ তন্ত্ৰৰ যৌন আচাৰ সম্বন্ধে ইয়াত কোনো স্পষ্ট ইঙ্গিত নাই। দ্বিতীয়তঃ চৰ্যা নং ২ৰ পৰা বুজিব পাৰি কুক্কুৰীপাদ ব্যক্তিৰ যৌন জীৱনৰ কট্টৰ বিৰোধী।

হাউ নিৰাসী খমণ ভতাৰে মই নিৰাশ মোৰ গুৰুৰ পৰা

হাউ<হম্<অহম্	=	মই
নিৰাসী<নিৰাশ	=	হতাশ, আশাভঙ্গ
খমণ<ক্ষপণক	=	বৌদ্ধ তান্ত্ৰিক। দ্বিতীয় সম্ভৱ অৰ্থ খ+মন শূন্যবাদী (যোগতন্ত্ৰচাৰী)
ভতাৰে<ভৰ্ত্তা	=	প্ৰভু, গুৰু, পতি

টিপ্পনী ঃ বৰ্ত্তমান বাক্যৰ অৰ্থ "মই মোৰ শূন্যবাদী গুৰুৰ পৰা নিৰাশ হলো", অথবা "মই মোৰ বৌদ্ধ তান্ত্ৰিক গুৰুৰ ওচৰত নিৰাশ হলো" দুযোটি বাক্যাৰ্থই শুদ্ধ। যিহেতু কুক্কুৰীপাদে একাধিক সাধনা পথৰ কথা উল্লেখ কৰিছে খমণ - ক্ষপণক হোৱাৰ সম্ভাৱনাই অধিক। আনহাতে 'খ' ৰ অৰ্থ আকাশ বা শূন্য। যাৰ মন 'খ' তেখেতো খমণ হ'ব পাৰে।

মোহোৰ বিগোআ কহণ নজাই মোৰ মানসিক সংঘাত অবৰ্ণনীয়।

মোহোৰ<মম	=	মোৰ, স্ব
বিগোআ<বিগ্ৰহ	=	সংগ্ৰাম strife অৰ্থত, মনদ্বন্দ্ব
কহণ নজাই	=	কব নোৱাৰি, অবৰ্ণনীয়

ফেটলিউ গো মাএ অন্তউড়ি চাহি বিচৰা মাতৃৰ (তন্ত্ৰৰ) গূঢ় তত্ত্ব উন্মুক্ত হ'ল

ফেটলিউ< স্ফুটি ত	=	খোল খালে, উন্মুক্ত হ'ল।
গো	=	হে
মাএ<মায়েৰ	=	মাতৃৰ
অন্তউড়ি<অন্ত্ৰপুটিত	=	অন্ত্ৰত আবৃত, ভিতৰত থকা, গূঢ় ।
চাহি< চক্ষিত	=	বিচৰা (to search for)

টিপ্পনী ঃ কুক্কুৰীপাদে জনাইছে মাতৃতন্ত্ৰৰ (ঘাইকৈ ক্ৰিয়া তন্ত্ৰ) গূঢ় তত্ত্ব যি 'অন্ত্ৰত আবৃতৰ' দৰে লুকাই থাকে, তাক সাধনাৰ দ্বাৰা তেখেতে উন্মুক্ত কৰিলে বা বুজি পালে।

জা এথু চাহাম সো এথু নাহি যি ইয়াত বিচাৰিছো সেয়া এয়া নহয়।

জা<যো<যৎ	=	যি
এথু<অত্ৰ	=	ইয়াত (সৰ্ব্বনাম)
চাহাম< চাহ (প্ৰাকৃত)	=	বিচাৰিম, বিচাৰিছো (চাহি / চাই)
সো	=	সেয়া
এথু	=	এয়া (সৰ্ব্বনাম)
নাহি	=	নহয়

টিপ্পনী ঃ মাতৃতন্ত্ৰৰ গূঢ় সত্য কুক্কুৰীপাই বিচৰা বস্তুটো নহয়। সি আন কিবা।

পহিল বিআণ মোৰ বাসনপূড়া প্ৰথম প্ৰত্যূষত মোৰ বাসনা পূৰ্ণ হ'ল

পহিল<প্ৰথিল্ল	=	প্ৰথম
বিআণ<বিহ্ন	=	অবিহ্ন। ব্যবহৃত অৰ্থ, ৰাতি বিহান অৰ্থাৎ উষা, প্ৰত্যূষ (dawn)
মোৰ<মম	=	নিজৰ
বাসন পূড়া<বাসনা পূৰ্ণ	=	মনঃ বাসনা সিদ্ধ

টিপ্পনী ঃ দ্ৰষ্টব্য, বৌদ্ধ তন্ত্ৰত শাক্যমুনি বুদ্ধৰ তথতা অনুভৱৰ দৰে

সকলো পূৰ্ণজ্ঞান বা উপলব্ধি ব্ৰহ্মমুহূৰ্ত্তত হয়। কুক্কুৰীপাৰ এই উপলব্ধি কেনেকৈ আহিল তাক কৈছে পিচৰ শাৰীৰ বাক্যত।

নাড়ি বিআৰন্তে সেৰ বাপুড়া স্নায়ু ক্ৰীড়াৰ নাড়ী সোধন প্ৰাণায়াম অন্তত কেৱল

নাড়ি = স্নায়ু, তন্ত্ৰৰ বিভিন্ন পথ বা নালী
বিআৰন্তে< বিহাৰন্তে<বিহাৰ অন্তে = ক্ৰীড়াৰ অন্তত, অথবা ক্ৰীড়া কৰোতে
সেৰ<সেও = সি কেৱল
বাপুড়া = অনিৰ্দ্দিষ্ট ব্যক্তি, যাক অৰ্থহীনভাৱে ব্যৱহৃত ।

টিপ্পনী : এই বাক্যটোৰ ইংৰাজী অৰ্থ হ'ব - that too after coursing the nervers কুক্কুৰীপাই কোন নাড়ীসোধন প্ৰাণাযাম আচাৰৰ দ্বাৰা স্নায়ু উত্তেজিত কৰিছিল তাক স্পষ্ট ভাৱে বৰ্ণনা কৰা নাই কিন্তু পৰোক্ষভাৱে উল্লেখ কৰিছে ইযাৰ পিচৰ দুই শাৰী পদত। নাড়ী সোধন প্ৰাণাযামে সাধকৰ ধ্যান আৰু প্ৰত্যাহাৰ কাৰ্য্য সম্ভৱ কৰে।

জাণ জৌৱণ মোৰ ভইলেসি পূৰা মোৰ ইহ জীৱন সাৰ্থক হ'ল

জাণ<জীৱন = বৰ্ত্তমান জীৱন
জৌৱণ = যৌৱন
মোৰ<মম = নিজস্ব, স্ব
ভইলেসি<ভব = হ'ল
পূৰা<পূৰ্ণ = সম্পূৰ্ণ, সফল

টিপ্পনী : মোৰ জীৱন - যৌৱন সফল হ'লৰ ব্যৱহাৰিক অৰ্থ, মোৰ ইহ জীৱন সাৰ্থক হ'ল।

মূল নখলি বাপ সংঘাৰা গুৰি উভালিলো, ইষ্টদেৱ ধ্বংসিলো

মূল = শিপা, গুৰি
নখলি<নেখনত্ৰ = খান্দি উলিযালো
বাপ = পিতৃ, ইষ্ট দেৱতা, কুলপিতৃ
সংঘাৰা<সংহাৰা<সংহাৰ = ধ্বংস কৰিলো

টিপ্পনী : এই বাক্যত যোগতন্ত্ৰৰ এটা ভিত্তি সূত্ৰ বৰ্ণিত হৈছে। ক্ৰিযা তন্ত্ৰত প্ৰাণাযাম-জপ আৰু চৰ্য্যাতন্ত্ৰত পূজাৰ (ভক্তি) দ্বাৰা ইষ্টদেৱক আৰাধনা কৰিব লাগে। চৰ্য্যা আৰু নিম্ন যোগতন্ত্ৰত নিজকে ইষ্টদেৱ ৰূপত কল্পনা কৰিব

লাগে (হিন্দুৰ 'অযং ব্ৰহ্ম' বা গীতাৰ আত্মত পৰমাত্মা উপলব্ধি কৰিব লাগে)। উচ্চ যোগ তন্ত্ৰত ইষ্টদেৱতাক স্বীয কল্পনা সৃষ্ট বুলি স্বীকাৰ কৰি কেৱল আত্ম সমাধি বা নিৰ্বিকল্প সমাধিত লীন হৈ সৰ্বশূন্যক তথতা বুলি গ্ৰহণ কৰি সুখ প্ৰাপ্ত হ'ব লাগে। এয়াই যোগতন্ত্ৰৰ সৰ্বোচ্চ সিদ্ধি।

কুক্কুৰীপাই মানসিক অশান্তিৰ মূল "ইষ্টদেৱতা" ধ্বংস কৰি যোগতন্ত্ৰ সাধনাত সিদ্ধি লভিলে বুলি দাবী কৰিছে এই পংক্তিৰ দ্বাৰা।

ভণথি কুক্কুৰীপা এ ভৱ থিৰা	**কুক্কুৰীপাই কয় এই জগত সুস্থিৰ**
জো এথু বুঝএ সো এথু বীৰা	যেয়ে এয়া **উপলব্ধি কৰে তেওঁযেই প্ৰকৃত বীৰ**

টীকা ঃ এই দুটা বাক্যৰ বিকল্প অৰ্থ হ'ব পাৰে - কুক্কুৰীপাই দৃঢ ভাবে এযা কয, আৰু যিযে তাকে বুজে তেওঁৱেই সফল সাধক। ◆◆

২১

ৰাগ - বৰাডী ঃ ভুসুকুপাদানাম্

মূলপাঠ	আধুনিক ভাষান্তৰ/অৰ্থ
নিসিঅ অন্ধাৰী মুসা চটাৰা/চাৰা।	ৰাতিৰ আন্ধাৰত মনঃবিক্ষিপ্ত পুষ্ট হয (হৈ)
অমিঅ ভখঅ মুসা কৰঅ আহাৰা।।	মানসিক বিক্ষিপ্তিয়ে জৈৱশক্তি অপহৰণ কৰে।
মাৰ ৰে জোইআ মুসা পৱণা।	হে সাধক মনঃবিক্ষিপ্তি প্ৰাণায়মৰ দ্বাৰা ৰোধ কৰা।
জেঁণ তুটঅ অৱণা-গৱণা।।	যেন মনৰ গমন-আগমন (বিক্ষিপ্ত) ধ্বংস হয়।
ভৱ বিন্দাৰঅ মুসা খণঅ গাতী।	সাধনাৰ জাত মনঃবিক্ষিপ্তিয়ে ছিদ্ৰ কৰি ধ্বংস কৰে।
চঞ্চল মুসা কলিআঁ নাশক থাতী।।	অস্থিৰ বিক্ষিপ্ত মন কৃষ্ণ মূল (হৃৎচক্ৰ) ধ্বংস কৰে।
কলা মুষা উহ ণ বাণ।	কৃষ্ণ বৰ্ণ মনঃ বিক্ষিপ্ত (যেতিয়া) উৎসন্বেণহীন হয
গঅণে উঠি চৰঅ অমণ ধাণ।।	সম্ভোগ চক্ৰত উঠি নিশ্চিন্ত ধ্যানত সমাহিত হয়।
তব সে মুষা উঞ্চল-পাঞ্চল।	তেতিয়া (৫ যদি) মন উদ্বাউল বিক্ষিপ্ত
সদ্‌গুৰু-বোহে কৰিহ সো নিচ্চল।।	সংগুৰুৰ জ্ঞানেৰে তাক সুস্থিৰ কৰা।

জবেঁ মুষা এৰ অচাৰ তুটঅ। **যেতিয়া মনৰ বিক্ষিপ্তি, অস্থিৰতা শেষ হয়**

ভূসুকু ভণঅ তবেঁ বান্ধন ফিটঅ।। **ভূসুকে কয় তেতিয়াহে বন্ধন খোল খায়।**

টিপ্পনী ঃ ভূসুকুপাদৰ বৰ্ত্তমান চৰ্যাগীত, যি হৰ প্ৰসাদ শাস্ত্ৰীৰ আবিষ্কৃত সংগহত নম্বৰ ২১বুলি চিহ্নিত, আৰু মুঠতে ৫৫ টা শব্দ ধাৰণ কৰে, তাৰে ২১ টা শব্দৰে লিপিৰ যথাৰ্থতা সম্বন্ধে 'চৰ্যা-পণ্ডিত' সকলে সন্দেহ প্ৰকাশ কৰিছে (চৰ্যাগীতি কোষ - পৃঃ ৩৫১ সৌম্যেন্দ্ৰ সৰকাৰ)। যিটো গীতৰ শতকৰা প্ৰায পঞ্চাশ ভাগ শব্দই প্ৰকৃততাৰ সন্দেহৰ ছাঁৰ তলত, স্বাভাবিকতে তাৰ অনুবাদ বা ভাষ্যইও সন্দেহৰ অগ্নি এৰাই যাব নোৱাৰে।

নিসিঅ অন্ধাৰী মুসা চটাৰা/অচাৰা ৰাতিৰ আন্ধাৰত মনঃবিক্ষিপ্তি পুষ্ট হয

নিসিঅ<নিশি = ৰাত্ৰি
অন্ধাৰী<অন্ধকাৰ = আলোকহীনতা, গোপন, গুহ্য, অজ্ঞতা
মুসা<মূষিক = ইন্দুৰ, চৌৰ, স্বৰ্ণ গলোৱা পাত্ৰ, মনঃবিক্ষিপ্তি
চটাৰা<চৰা<চৰহ = চৰিছিল, আহাৰ গ্ৰহণ কৰিছিল (forage)

টিপ্পনী ঃ এই বাক্যৰ দ্বাৰা ভূসুকুপাদে আহাৰ বিচাৰি, ৰাতি নিগনিৰ ইফাল - সিফাল গমনৰ উদাহৰণেৰে মানসিক অস্থিৰতাৰ বা মনঃবিক্ষিপ্তিৰ কথা বুজাইছে (mental distraction)। নিগনি ওৰফে মুসা ইযাত চৌৰ বা তস্কৰ যি জৈবশক্তি অপহৰণ কৰে। সেইটো স্পষ্ট হয ইযাৰ পিচৰ বাক্যত—

অমিঅ ভখঅ মুসা কৰঅ আহাৰা মানসিক বিক্ষিপ্তিয়ে জৈব শক্তি অপহৰণ কৰে

অমিঅ<অমৃত = জৈব শক্তি, যৌন শক্তি পূজাৰ উপাচাৰ
ভখঅ<ভক্ষয = গ্ৰহণ কৰে, ধ্বংস কৰে
মুসা<মূষিক = নিগনি, বাস্তব অৰ্থ মানসিক বিক্ষিপ্তি যি 'চৌৰ'।
কৰঅ<ক্ৰি = কৰে
আহাৰা<আহাৰ = ভোজন কৰে, সংগ্ৰহ কৰে (আহৃত)

টিপ্পনী ঃ হৰপ্ৰসাদ শাস্ত্ৰী আবিষ্কৃত চৰ্যা সংগ্ৰহৰ সাতোটা গীতেই ভূসুকুপাদ ৰচিত। তাৰে চাৰিটা ২১, ২৩, ২৭, আৰু ৪১ নম্বৰ গীতৰ অৰ্থ অনুধাবন কৰিলে ভূসুকুপাদক উচ্চ ক্ৰিযা তন্ত্ৰৰ সাধক যেন অনুভৱ হয, কিন্তু চৰ্যা নং ৪৯ ত তেখেতে স্পষ্টভাৱে কৈছে— " নিঅ ঘৰিণী চণ্ডালী লেলী।" চণ্ডালী - চণ্ডযোগ যাক হিন্দু প্ৰাণাযামে ভস্ত্ৰা বা ভস্ত্ৰিকা, আৰু তিব্বতী সকলে টুমো বা টোমো বোলে (?) (প্ৰশ্নবোধক চিহ্ন দিযাৰ কাৰণ, ই তন্ত্ৰ সাধনা

নকৰা কাকতী পণ্ডিত বা এটা মাত্র পথভ সাধনা কৰা পণ্ডিত সকলে লিখা। কোনোবাই ভস্ত্রিকা কৰিছে, টুমো কৰা নাই, কোনোবাই চণ্ড কৰিছে ভস্ত্রিকা কৰা নাই ইত্যাদি। এই প্ৰাণায়ামৰ ফলত সাধকৰ দেহৰ উত্তাপ অস্বাভাৱিক ভাবে বৃদ্ধি পায যাক নিৰূপণ কৰিব পাৰি, আৰু মনত শূন্যতাভাৱ উদয় হয় যাৰ নিৰূপণ দুঃসাধ্য। বাস্তৱতে এই প্ৰাণাযাম কঠিন নহয, কিন্তু অভিজ্ঞ গুৰুৰ তত্বাবধানত নকৰিলে হঠাতে হৃৎস্পন্দন বন্ধ হোৱাৰ ভয় থাকে)। ভুসুকুপাদে আকৌ এঠাইত (চৰ্যা ৪৯) কৈছে — "জীৱন্তে মইলেঁ নাহি বিশেষ," যি যোগতন্ত্ৰৰ. অন্যতম মূলনীতি। সেই কালৰ পৰা চাব গ'লে ভুসুকুপাদে যোগতন্ত্ৰৰ অমৃতৰ কথাই বৰ্ণাব, য'ত প্ৰাণাযামৰ সহায়ত জৈব ৰস ললনা ৰসনাৰ যোগে চন্দ্ৰমণ্ডললৈ প্ৰেৰণ কৰা হয আৰু অমৃতৰ অৰ্থাৎ মানসিক প্ৰশান্তিৰ ৰূপত ফিৰি আহে। সেই মানসিক প্ৰশান্তি ধ্বংস কৰে 'মূসা' বা মানসিক বিক্ষিপ্তিযে । ৰাতিৰ অন্ধকাৰ বোলাৰ কাৰণ নিদ্ৰাহীনতা তন্ত্ৰ সাধকৰ অতি সাধাৰণ বিকাৰ, আৰু মন সেই কালতে ঘাইকৈ বিক্ষিপ্ত হয়।

মাৰ ৰে জোইআ মূসা পৱণা হে সাধক মনঃবিক্ষিপ্তি প্ৰাণায়ামৰ দ্বাৰা ৰোধ কৰা।

মাৰ ৰে	=	হত্যা কৰ, ধ্বংস কৰ
জোইআ<যোগী	=	তন্ত্ৰ সাধক
মূসা<মূষিক	=	চৌৰ, বিক্ষিপ্তি
পৱণা<পৱণ	=	বায়ু, প্ৰাণাযামৰ শ্বাস নিযন্ত্ৰণ

জেঁণ তুটঅ অৱণা-গৱণা যেনেকৈ মানসিক বিক্ষিপ্তি ধ্বংস হয

জেঁণ	=	যেনেকৈ, যিদৰে
তুটঅ	=	ভাঙি পৰে, ধ্বংস হয
অৱণা-গৱণা<আগমন-গমন	=	অহা যোৱা, বিক্ষিপ্তি।

টিপ্পনী ঃ ইযাত প্ৰাণাযামৰ কুম্ভক আৰু শূন্যৰ দ্বাৰা মনঃস্থৈৰ্য্য পাবলৈ কৈছে।

ভৱ বিন্দাৰঅ মূসা খণঅ গাতী মনঃ বিক্ষিপ্তি সাধনাৰ জগত খান্দি ছিদ্ৰকৰে, (ধ্বংস কৰে)।

ভৱ	=	জগৎ, পৃথিৱী
বিন্দাৰঅ<বিদীৰ্ণ ক্ৰি	=	ভাঙে, ফাট মেলায়
মূসা<মূষিক	=	মানসিক, বিক্ষিপ্তি
খণঅ<খনন	=	খনন কৰে, খান্দে
গাতী<গৰ্ত	=	ছিদ্ৰ, গাঁত,

টিপ্পনী ঃ সাধকৰ সাধনাৰ জগৎখন মনঃবিক্ষিপ্তি ছিদ্ৰ কৰি কৰি বিদীৰ্ণ কৰে।

চঞ্চল মূসা কলিআঁ নাশক থাতী অস্থিৰ বিক্ষিপ্ত মন কৃষ্ণস্থল (হৃৎচক্ৰ) নাশ কৰে।

চঞ্চল = অস্থিৰ, স্থিৰতাহীন
মূসা = মনঃবিক্ষিপ্তি
কলিআঁ<কলিত = গণনা কৰা, হিচাব কৰা।
কলিআঁ<ক'লা (প্ৰাকৃত)= কৃষ্ণ। হৃদচক্ৰ বা অনাহত চক্ৰ (চৰ্যা ১০ চাওক)।
নাশক<নাশ = ধ্বংস কৰে
থাতী<স্থান = ঠাই, স্থান

টিপ্পনী ঃ যদিও অধিকাংশ টীকা ভাষ্যকাৰে 'কলিআ' শব্দৰ মূল কলিত বুলি গ্ৰহণ কৰিছে, যাৰ অৰ্থ —বুজি, জানি, শূন্যতা আদি বিভিন্ন ভাৱে কৰা হৈছে। আমি ভাবো 'কলিআঁ' ইযাত থাতী বা স্থানৰ বিশেষণ ৰূপে ব্যৱহৃত। চঞ্চল মনঃবিক্ষিপ্তি কৃষ্ণবৰ্ণস্থান নাশ কৰে। "কৃষ্ণবৰ্ণ' স্থান বৌদ্ধতন্ত্ৰত অনাহত চক্ৰ (চৰ্যা ১০ ৰ টীকা ভাষ্য চাওক) য'ত জৈৱ শক্তিৰ পৰা অনুভূতিৰ সৃষ্টি হয, আৰু সেই আবেগৰ সৰহভাগকে ধ্বংস কৰি সম্ভোগ চক্ৰলৈ শূন্যতা জ্ঞান প্ৰাপ্তিৰ অভিপ্ৰাযত প্ৰেৰণ কৰা হয। ভুসুকুপাই গাইছে মনঃবিক্ষিপ্তি আবেগক চঞ্চল কৰে আৰু সু আবেগৰ স্থলত ক্ষতিকৰ আবেগৰ সৃষ্টি হয।

কলা মুষা উহ ণ বাণ কৃষ্ণবৰ্ণ মনঃবিক্ষিপ্তি উৎসতে বৰ্ণহীন (হয)।

কলা< কৃষ্ণ = কৃষ্ণ বৰ্ণ, কলা ৰঙৰ
মুষা< মূষিক = মণঃ বিক্ষিপ্তি
উহ< উৎস = উৎপত্তি স্থল
ণ = নহয, অনুপস্থিত
বাণ< বৰ্ণ = ৰং, বৰ্ণ

টিপ্পনী ঃ বাক্যটোৰ অৰ্থ, 'কৃষ্ণবৰ্ণ মনঃ বিক্ষিপ্তি (যেতিযা) উৎসতে বা উৎপত্তি স্থলতে বৰ্ণহীন"। অনাহত চক্ৰৰ বৰ্ণ কৃষ্ণ, ইযাত সকলো আবেগৰ উৎপত্তি আৰু আবেগ সমূহৰ মন্থন হয। শুভ্ৰ, কৃষ্ণ সকলো আবেগ আলোডিত হৈ এটি বা দুটি প্ৰধান আবেগ কণ্ঠত স্থিত সম্ভোগ চক্ৰ (বৌদ্ধ) বা বিশুদ্ধ চক্ৰ (হিন্দু) পাযগৈ। বিশুদ্ধ চক্ৰৰ বৰ্ণ বগা (বৰ্ণহীন)। ভুসুকুপাদই কৈছে, "উৎসতে 'মুষা' অৰ্থাৎ মনঃবিক্ষিপ্ত কৰা চিন্তা বোৰ বৰ্ণহীন কৰা।" একেটা উপদেশ বিৰুৱাপাদে দিছে চৰ্যাগীত নম্বৰ তিনিত।

গঅণে উঠি চৰঅ অমণ ধাণ সম্ভোগ চক্রত উঠি নিশ্চিন্ত ধ্যানত সমাহিত হয়

গঅণে< গগণে= আকাশত। কণ্ঠৰ সম্ভোগ চক্র
উঠি = আৰোহন কৰি
চৰঅ<চৰয = ব্ৰজন কৰে
অমণ<অ+মন = মনহীন, নিশ্চিন্ত
ধাণ<ধ্যান = অন্তৰেন্দ্রিয় চিন্তা, সমাধি

টিপ্পনী ঃ যোগতন্ত্ৰৰ সাধনাৰ লক্ষ্য হ'ল নিৰ্ব্বিকল্প সমাধি, য'ত বিক্ষিপ্ত মনক সাধকে বাৰে বাৰে নিয়ন্ত্ৰণলৈ আনি ধ্যানত নিযুক্ত কৰিব লাগে। ভুসুকুপাই কৈছে, উৎসতে যদি কু (কৃষ্ণ) আবেগ নিযন্ত্ৰণ কৰি সু (বৰ্ণহীন) আবেগ সম্ভোগ চক্রলৈ আৰোহন কৰাব পাৰি সাধকৰ ধ্যান নিৰ্ব্বিকল্প (বাহ্যিক চিন্তাহীন "অমন") হ'ব।

তব সে মুষা উঞ্চল - পাঞ্চল তেতিয়া সেই আলোড়িত মনঃ বিক্ষিপ্তি

তব = তেতিয়া
সে = সেই
মুষা = মনঃ বিক্ষিপ্তি
উঞ্চল -পাঞ্চল< উত্তল পাতাল = আন্দোলিত, উদ্বাউল, আলোড়িত, ওপৰ তল

সদগুৰু বোহে কৰিহ সে নিচ্চল সংগুৰুৰ জ্ঞানেৰে তাক নিশ্চল কৰা

সদগুৰু বোহে<সংগুৰু + বোধি যোগে=সৎ গুৰুৰ জ্ঞানেৰে
কৰিহ<কৰহ = কৰা
সো = তাক
নিচ্চল<নিশ্চল = স্থিৰ

টিপ্পনী ঃ চৰ্যাগীতৰ নবম আৰু দশম শাৰী একেলগে পঢ়াৰ প্ৰয়োজন। সপ্তম - অষ্টম শাৰীৰ অৰ্থ, - উৎসতে আবেগ বৰ্ণহীন হ'লে নিৰ্ব্বিকল্প সমাধি সম্ভৱ। নৱম-দশমত কৈছে, (যদি) তেতিয়াও মন বিক্ষিপ্ত বা আলোড়িত, সংগুৰুৰ জ্ঞানেৰে বা বোধেৰে মনক সুস্থিৰ কৰা - কেৱল সাধকৰ নিজৰ জ্ঞান বুদ্ধিৰে ই সম্ভৱ নহ'ব।

জবেঁ মুষা এৰ চাৰ তুটঅ যেতিয়া মনঃবিক্ষিপ্তি (বা) অস্থিৰতা অন্ত হয়

জবেঁ = যেতিয়া

মুষাএৰ	=	মনঃবিক্ষিপ্তিৰ
চাৰ<চাৰণ	=	আগমন - গমন, অহা যোৱা, অস্থিৰতা
তুটঅ	=	ধ্বংস হয, শেষ হয।

ভুসুকু ভণঅ তবেঁ বান্ধন ফিটঅ ভুসুকে কয ভব বন্ধন মুক্ত হয।

ভুসুকু ভণঅ	=	ভুসুকে কয়
তবেঁ	=	তেতিয়া
বান্ধন	=	বন্ধন, ভব বন্ধন
ফিটঅ<স্ফুটিত	=	মেল খায, খোল খায

টিপ্পনী ঃ চৰ্যাগীতটিৰ অৰ্থ মনঃবিক্ষিপ্তি ৰোধৰ বাবে আবেগ সমূহ নিযন্ত্রণ কৰি সাধক কেৱল সৎ আবেগৰ দ্বাৰা পৰিচালিত হোৱা উচিত। এই কাৰ্য্যত সহায়ক প্ৰাণায়াম। সাধক যদি মন সুস্থিৰ কৰিবলৈ সক্ষম নহয গুৰুৰ উপদেশ অনুসৰি কাৰ্য্য কৰি নিজৰ মন নিযন্ত্রণলৈ আনিলে হে সকলো বন্ধন চিঙি মুক্তি পাব। ◆◆

২২

ৰাগ-গুঞ্জৰী সৰহপাদানাম্

মূলপাঠ	আধুনিক ভাষান্তৰ/অৰ্থ
অপণে ৰচি ৰচি ভৱ নিৰ্বাণা।	এই জগতৰ পৰাই নিজৰ নিৰ্ব্বাণ সৃষ্টি কৰা।
মিছেঁ লোঅ বন্ধাৱএ অপণা।	অকাৰণে ব্যক্তিয়ে নিজকে বন্ধনাবদ্ধ কৰে।
অম্ভে নজাণহুঁ অচিন্ত জোই।	যি অবোধগম্য তাক মই নাজানো
জ্বাম মৰণ ভব কইসণ হোই।।	জন্ম মৃত্যু সংসাৰত কিৰূপে হয়।
জইসো জাম মৰণ বি তইসো।	যেনেকৈ জন্ম, মৰণো তেনেকৈয়ে
জীৱন্তে মঅলেঁ নাহি বিশেসো।।	জীৱন্ত (আৰু) মৃত্যুৰ পাৰ্থক্য নাই।
জা এথু জাম মৰণে বি সঙ্কা।	যি জন্ম-মৃত্যু ভীত
সো কৰউ ৰস ৰসাণেৰে কঙ্খা।।	তেৱেঁই কৰিব ৰস ৰসায়নৰ আকাঙ্ক্ষা।
জে সচৰাচৰ তিঅস ভমন্তি।	যেযে সংসাৰত তৃষ্ণালৈ বিচৰণ কৰে
তে অজৰামৰ কিম্পি ন হোন্তি।।	তেওঁ কেনেকৈ (কোনোৰেকমে) অজৰ অমৰ নহয়।
জামে কাম কি কামে জাম।	জন্মৰপৰা কৰ্ম্ম নে কৰ্ম্মৰ পৰা জন্ম
সৰহ ভণতি অচিন্ত সো ধাম।।	সৰহে কয অবোধগম্য সেই জগত।

টিপ্পনী ঃ সৰহপাদৰ বৰ্ত্তমান চৰ্যাগীত হৰপ্ৰসাদ শাস্ত্ৰী আৱিষ্কৃত চৰ্যাগীত মালাৰ সম্ভৱতঃ সবাতোকৈ উজু আৰু সুবোধ্য গাথা। ইয়াত কোনো জটিল বৌদ্ধ তন্ত্ৰ সাধনা পদ্ধতি বৰ্ণোৱা নাই, ন্যেয বা অযথাৰ্থ শব্দৰ ব্যৱহাৰ কৰা নাই এক সৰল বৌদ্ধ দৰ্শনৰ ওপৰত ৰচিত এই কবিতা।

অপণে ৰচি ৰচি ভৱ নিৰ্বাণা এই জগতৰ পৰাই নিজৰ নিৰ্ব্বাণ সৃষ্টি কৰা

অপণে<আত্মনা = মই, নিজে, স্বয়ং
ৰচি<ৰচ = সৃষ্টি কৰ
ৰচি = সৃষ্টি কৰ
ভৱ = জগৎ
নিৰ্বাণা = নিৰ্ব্বাণ, মুক্তি

মিছেঁ লোঅ বন্ধাৱএ অপণা বৃথাই ব্যক্তিযে নিজকে বন্ধনত আবদ্ধ কৰে

মিছেঁ<মিথ্যা = অকাৰণে, বৃথাই
লোঅ<লোক = ব্যক্তিযে
বন্ধাৱএ<বন্ধন = বান্ধ খায, বন্ধনত আবদ্ধ কৰে
অপণা<আত্মনা = নিজে, নিজকে

অম্ভে ন জাণহুঁ অচিন্ত জোই যি অবোধগম্য তাক মই নাজানো

অম্ভে<অহম্ = মই, স্ব
ন জাণহুঁ< ন জানন্তি = নাজানো, অজ্ঞ
অচিন্ত<অচিন্তনীয = অকল্পনীয, অবোধগম্য
জোই = যি

জাম মৰণ ভৱ কইসণ হোই জন্ম মৃত্যু সংসাৰত কি ৰূপে হয

জাম<জন্ম = জনম, সংসাৰত আগমন
মৰণ = মৃত্যু
ভৱ = জগতত
কইসণ<কতিদৃশ = কেনেকৈ, কি দৰে, কি ৰূপে
হোই = হয

জইসো জাম মৰণ বি তইসো যেনেকৈ জন্ম, মৃত্যুও তেনেকৈয়ে

জইসো = যেনেকৈ
জাম = জন্ম

মৰণ = মৃত্যু
বি = ও
তইসো = তেনে

জীবন্তে মঅলেঁ নাহি বিশেসো — জীবিত মৃতাবস্থাৰ প্ৰভেদ নাই

জীবন্তে = জীবিত অবস্থাত
মঅলেঁ<মৰণে = মৃতাবস্থাৰ, মৰণত
নাহি = অনুপস্থিত, নাই
বিশেসো = প্ৰভেদ, পাৰ্থক্য

জা এথু জাম মৰণে বি সঙ্কা — যেযে এই জন্ম মৃত্যু ভয ভীত

জা = যি, যেযে
এথু = এযা, এই
জাম = জন্ম
মৰণে = মৃত্যু
বি = ও
সঙ্কা = শঙ্কা, ভয

সো কৰউ ৰস ৰসাণেৰে কঙ্খা — তেওঁ কৰিব ৰস-ৰসাযনৰ আকাঙ্ক্ষা

সো = তেওঁ
কৰউ< ক্রি = কৰে
ৰস = পাৰা ধাতু, যাৰ সহাযত আযুৰ্ব্বেদত বিভিন্ন ঔষধ প্ৰস্তুত হয
ৰসাণেৰে< ৰসাযন = ঔষধ প্ৰস্তুতিৰ জ্ঞান আৰু কাৰ্য্য
কঙ্খা< আকাঙ্ক্ষা = পাবলৈ হেঁপাহ।

টিপ্পনী ঃ ভাৰতীয আযুৰ্ব্বেদৰ বিশ্বাস ৰস ভিত্তিক ঔষধৰ সুপ্ৰযোগৰ দ্বাৰা ব্যক্তিৰ জীৱন যৌৱন কাল সুদীৰ্ঘ কৰিব পাৰি, আনহাতে হিন্দু আৰু বৌদ্ধ তন্ত্ৰৰ বিশ্বাস অষ্ট গৌণ সিদ্ধিৰ অন্যতম, ৰস ৰসাযন যাৰ দ্বাৰা তান্ত্ৰিক সাধকে জৰা মৃত্যুহীন ভাবে থাকিব পাৰে। সৰহপাদে গাইছে যেযে জন্ম-মৃত্যু ভয ভীত তেওঁহে ৰসৰসাযন সিদ্ধি বা প্ৰযোগৰ আকাঙ্ক্ষা কৰিব।

জে সচৰাচৰ তিঅস ভমন্তি — যি জনে জগতত (সাধাৰণতে) তৃষ্ণাৰে বিচৰণ কৰে

জে = যেযে, যি জনে

সচৰাচৰ	=	সাধাৰণ জগত। ব্যৱহাৰিক অৰ্থ, সাধাৰণতে (usually)
তিঅস<তিস<তৃষ্ণা	=	হেঁপাহ, পাবলৈ ইচ্ছা
ভমন্তি<ভ্ৰমন্তি	=	ঘূৰি ফুৰে, বিচৰণ কৰে

তে অজৰামৰ কিম্পি ন হোন্তি তেওঁ কেনেকৈ জৰা-মৃত্যুহীন হ'ব

তে	=	তেওঁ
অজৰামৰ	=	জৰামৃত্যুহীন
কিম্পি<কিম+অপি	=	কি আৰু কেনেকৈ
ন হোন্তি< ন + হোন্তি	=	নহয়

টিপ্পনী ঃ সৰহপাদে নবম আৰু দশম শাৰী বাক্যদ্বয়ৰ দ্বাৰা বুজাব খুজিছে জগতত যেযে তৃষ্ণা (তিষা) অৰ্থাৎ বাঞ্চালে ফুৰে যাক বুদ্ধগৌতমে সকলো অনৰ্থৰ মূল বুলিছে "তেওঁ কেনেকৈ জৰা মৃত্যুহীন নহয়?" যাৰ মানে, ভৱতৃষ্ণাৰ্ত জনৰ জৰা মৃত্যু হ'ব। সাধাৰণ ভাষাত, হেঁপাহ ৰখা ব্যক্তি জন জন্ম - মৃত্যু চক্ৰৰ পৰা মুক্তি নাপায়। চৰ্যাত সংস্কৃত জ্ঞানৰ দুৰ্ব্বলতা প্ৰকাশ পাইছে। কিম্পি ইয়াত "ন যথাৰ্থ" অৰ্থাৎ অশুদ্ধ প্ৰযোগ হৈছে।

জামে কাম কি কামে জাম জন্মৰ পৰা কৰ্ম্ম নে কৰ্ম্মৰ পৰা জন্ম

জামে<জন্ম	=	জন্মৰ পৰা
কাম< কৰ্ম্ম	=	ভৱ কৰ্ম্ম
কি	=	নে
কামে<কৰ্ম্ম	=	কৰ্ম্মৰ পৰা
জাম	=	জন্ম

সৰহ ভণতি অচিন্ত সো ধাম সৰহপাদে কয় অবোধগম্য সেই জগত

সৰহ	=	সৰহপাদে
ভণতি	=	কয়
অচিন্ত<অচিন্ত্য<অচিন্তনীয়	=	অকল্পনীয়, অবোধগম্য
ধাম	=	জগত

টিপ্পনী ঃ পূৰ্ব্ব জন্মৰ কৰ্ম্মফলৰ হেতুকে এই জন্মৰ কাৰ্য্য-ভাগ্য নিয়ন্ত্ৰিত হয়, এয়া বৌদ্ধ ধৰ্ম্মৰ এক মৌলিক বিশ্বাস। এই জন্মৰ কৰ্ম্মই যদি ভৱিষ্যত জন্মৰ কৰ্ম্ম নিযন্ত্ৰণ কৰে আৰু এই জন্মৰ কৰ্ম্ম-ভাগ্য যদি ব্যক্তিৰ পূৰ্ব্ব জন্মই স্থিৰ কৰিছে তেনেহ'লে —জন্মৰ পৰা কৰ্ম্ম নে কৰ্ম্মৰ পৰা জন্ম কোনে স্থিৰ

কৰিব? সৰহপাদে কৈছে এইটো প্ৰশ্ন 'অচিন্ত' - অচিন্তনীয (অবোধগম্য)। তেখেতে পূৰ্ব্বতেই কৈছে "অন্তে ন জাণহু অচিন্ত জোই। জাম মৰণ ভৱ কইসণ হোই।"

প্ৰকৃত বৌদ্ধ মহাসিদ্ধ সন্তৰ শোভা পোৱা বিনয় প্ৰকাশ কৰিছে আৰু বুদ্ধৰ মতকে দোহাৰিছে - হেঁপাহৰ পৰাই পুনৰ্জন্ম। ◆◆

২৩

।। ৰাগ - বডাৰীঃ ভুসুকুপাদানাম্।।

মূলপাঠ — আধুনিক ভাষান্তৰ/অৰ্থ

জই তুম্হে ভুসুকু অহেৰি জাইবেঁ মাৰিহ সে পঞ্চজণা।

যেতিয়া ভুসুকু তুমি সাধানাত অৱতীৰ্ণ হবা, পোনতে
পঞ্চককুল সাধনা ফলৰ লোভ ধ্বংস কৰিবা।

নলণীবন পইসন্তে হোহিসি একুমণা।

সাধনাৰ আৰম্ভতেই একাগ্ৰচিত্ত হবা।

জীৱন্তে ভেলা বিহণি মঅেল ৰঅণি।

প্ৰতুষ জ্ঞান জীৱিত, আৰু ৰাত্ৰিৰ অজ্ঞতাৰ মৃত্যু হ'ল।

হণ বিণু মাঁসে ভুসুকু পদ্মবণ পইসহি ণি।।

তেজ মঙহৰ দেহাৰে মৃত্যুহীনভাৱে ভুসুকুই
পদ্মবনত স্বৰ্গ সুখ অনুভৱ কৰিছে।

মাআজাল পসৰিউ ৰে বাধেলি মাআহৰিণী।

বিস্তৃত মাযাজালত মাযা হৰিণী ধৰিলি।

সদগুৰু বোহেঁ বুঝি ৰে কাসু কদিনি।।

সৎগুৰুৰ বোধেৰে বুজিলো কাৰ বিনাশন।

শেষৰ চাৰি শাৰী মূল পাঠত অসম্পূৰ্ণ।

টিপ্পনী ঃ বৰ্ত্তমানৰ চৰ্যাগীতটিৰ শেষ পদ দুটি অসম্পূৰ্ণভাৱে পোৱা গৈছে

সেযেহে তাৰ অৰ্থোদ্ধাৰ অসম্ভৱ। আদিৰ তিনিটি পদৰ পৰা বুজা যায ভুসুকুপাদে ইযাত জটিল তন্ত্ৰ সাধনাৰ পথ বৰ্ণনা কৰিছে, সাধাৰণ বৌদ্ধ দৰ্শনৰ মূল নীতি আৰু মাযাৰ প্ৰভাব আলচিছে সম্পূৰ্ণ ভাৱে যোগতন্ত্ৰৰ দৰ্শন অনুসৰি।

জই তুম্হে ভুসুকু অহেৰি জাইবেঁ মাৰিহ সে পঞ্চজণা যেতিয়া সাধনা মাৰ্গত যাবা পোনতে পঞ্চককুল সাধনা ফলৰ লোভ ধ্বংস কৰিবা

জই	=	যেতিয়া
ভুসুকু	=	চৰ্যা ৰচকৰ নাম, ভুসুকু পা
অহেৰি	=	চিকাৰ (চৰ্যা - ৬ চাওক)
জাইবেঁ	=	যাবা, গমন কৰিবা
মাৰিহ	=	মাৰিবা, ধ্বংস কৰিবা
সে	=	সেই
পঞ্চজণা	=	পাঁচজনক

টিপ্পনী ঃ ভুসুকুপাদে মৃগযালৈ ওলালে 'পঞ্চজনাক ধ্বংস কৰিব উপদেশ দিছে। ইযাত 'অহেৰি' বা চিকাৰে সাধনা মাৰ্গ সূচাইছে। পঞ্চজনা - সৰহভাগ টীকা ভাষ্যকাৰে পঞ্চস্কন্ধ বুলি বুজিছে। আনে তাক পঞ্চেন্দ্ৰিয বৃত্তি ৰূপে ধৰি লৈছে। বাস্তবতে, বৌদ্ধ ধৰ্ম্মত আৰু বৌদ্ধ তন্ত্ৰত পঞ্চস্কন্ধ অথবা পঞ্চেন্দ্ৰিয দ্বাৰা প্ৰাপ্ত অনুভূতিক অবজ্ঞা কৰিব কৈছে, ধ্বংস কৰিব কোৱা নাই। পঞ্চজনা ইযাত পঞ্চককুল সাধনা যাৰ সম্বন্ধে চৰ্যা ১২ ৰ টীকা-ভাষ্যত উল্লেখ কৰা হৈছে। পঞ্চককুল তন্ত্ৰ সাধনাই সাংসাৰিক সুখ, ঐশ্বৰ্য্য অথবা অষ্ট সাধাৰণ সিদ্ধি দিব পাৰে বুলি বিশ্বাস। ভুসুকুপাদে সাধনাৰ আদিতে সাধকক জাগতিক সুখ- সুবিধাৰ প্ৰতি লোভ নাশ কৰিব উপদেশ দিছে।

নলণীবন পইসন্তে হোহিসি একুমণা সাধনাৰ আৰম্ভতেই একাগ্ৰচিত্ত হবা।

নলণীবন<নলিণীবন	–	পদ্মবন = মনুষ্যৰ দেহা
পইসন্তে<প্ৰবেশ্যতি	=	সোমায, প্ৰৱেশ কৰে
হোহিসি<ভবিষ্যসি	=	হবা
একুমণা<একমন	=	একাগ্ৰ চিত্ত

টিপ্পনী ঃ নলণীবন - অথবা নলিণী বনৰ দ্বাৰা ভুসুকুৱে সাধকৰ দেহৰ কথা উল্লেখ কৰিছে। দেহত প্ৰবেশ কৰা অৰ্থ তন্ত্ৰ সাধনাৰ আৰম্ভ (জপ - প্ৰাণাযাম)। দেহ চক্ৰবোৰ পদ্মৰূপত কল্পনা কৰা হয। সেযেহে মানুহৰ দেহ পদ্মবন বা নলিণীবন (চৰ্যা ৯ ৰ টীকা ভাষ্য চাওক)।

জীৱন্তে ভেলা বিহণি মএল ৰঅণি/ণঅণি প্ৰত্যুষ জ্ঞান জীৱিত আৰু ৰাত্ৰিৰ অজ্ঞতাৰ মৃত্যু হ'ল।

জীৱন্তে	=	জীৱিত অৱস্থাত
ভেলা<ভৈলা<ভবন্তি	=	হ'ল
বিহণি<বিহনে<অবিহনে	=	অনুপস্থিতিত, অন্তত (ৰাতি বিহনে= প্ৰত্যুষ)
মএল<মৰিল	=	মৃত্যু
ণ অনি<ৰঅণি<ৰজনী	=	ৰাত্ৰি

টিপ্পনী ঃ বৰ্তমান বাক্যৰ অৰ্থ কুক্কুৰীপাৰ চৰ্যা নং ২০ ৰ "পহিল বিআণ মোৰ বাসনপুড়া" বাক্যৰ সৈতে একে। ' ৰাতিৰ মৃত্যু হ'ল, দিবসৰ জন্ম হ'ল' - অৰ্থ, অন্ধকাৰ অজ্ঞতাৰ নাশ হ'ল দিবসৰ জ্ঞানৰ আলোকৰ সম্ভেদ সাধকে পালে।

হণ বিণু মাঁসে ভুসুকু পদ্মবণ পইসহি ণি তেজমণ্ডহৰ দেহাৰে মৃত্যুহীন ভাৱেই ভুসুকু পদ্মবনৰ সুখ অনুভৱ কৰিছে।

হণ< হনন	=	হত্যা, মাৰণ
বিণু<বিনা	=	মৃত্যু
মাঁসে	=	সমাংসে, তেজ মঙহেৰে, জীৱিত অৱস্থাত
ভুসুকু	=	চৰ্যা ৰচনা কৰ্ত্তা, ভুসুকুপাদ
পদ্মবণ	=	পদ্ম চক্ৰ, মনুষ্যৰ দেহা
পইসহিণি<প্ৰবিশ্যতি	=	সোমাইছে

টিপ্পনী ঃ ইযাত পদ্মবন দ্বিতীয শাৰীৰ "নলণীবনৰ" লগত সম্পূৰ্ণ সমাৰ্থত ব্যৱহাৰ হোৱা নাই। কৌলিক তন্ত্ৰ বা কুলশক্তি জাগ্ৰত কৰা তন্ত্ৰ সাধক সকলে কয, যেতিযা কুলশক্তি জাগ্ৰত হয আৰু আটাইকেইটা পদ্ম চক্ৰ সক্ৰিয হৈ উঠে, দেহত এক অবৰ্ণনীয সুখ অনুভূত হয যাক বহুতে স্বৰ্গ সুখৰ লগত তুলনা কৰে। ভুসুকুৱে কৈছে - কাযিক সাধনাৰ দ্বাৰা তেওঁ মৃত্যু নোহোৱাকৈও স্বৰ্গসুখ অনুভৱ কৰিলে। উচ্চ বৌদ্ধ তন্ত্ৰ সাধনাত তন্ত্ৰযোগে (হঠ যোগ?) এনে সুখ ভোগ হেযজ্ঞান কৰা হয, কাৰণ প্ৰথমতঃ এনে কাযিক সুখাভিলাষ আধ্যাত্মিক উন্নতিৰ পথত বাধা স্বৰূপ। দ্বিতীযতে সাধকৰ এনে স্নায়ু সুখভোগ কুঅভ্যাসত পৰিণত হয (চৰ্যা ২০ ৰ কুক্কুৰীপাৰ "নাড়ি বিআৰন্তে")। গীত

ৰচকে কৰ, এনে স্নায়বিক সুখভোগও এক প্ৰকাৰৰ বিভ্ৰম বা মায়া যি সাময়িক। ভূসুকুপাই ইয়াত অনুত্তৰ তন্ত্ৰৰ পন্থ - বজ্ৰ যোগ অৰ্থাৎ যৌন আচাৰকো উপহাস কৰিব পাৰে।

মাআজাল পসৰিউ ৰে বাধেলি মাআহৰিণী বিস্তৃত মায়াজালত মায়াহৰিণী ধৰিলি

মাআজাল<মাযাজাল	=	জাল সদৃশ বিস্তৃত মায়া
পসৰিউ<প্ৰসাৰিত	=	বিস্তৃত
ৰে	=	হে
বাধেলি<বন্ধন	=	ধৰিলি
মাআহৰিণী	=	মায়াহৰিণী

টীকা ঃ ইযাত ভূসুকুপাই ৰামাযণৰ মাৰীচৰ স্বৰ্ণমৃগৰ উদাহৰণ দিছে, যি বাস্তবতে মাযা মৃগ। মাযাৰ জালত অসাৰ মাযামৃগই মাথো ধৰা পৰে।

সদগুৰু -বোহেঁ বুঝিৰে কাসু কদিনি সংগুৰুৰ বোধেৰে বুজিলো কাৰ বিনাশন।

সদগুৰু<সংগুৰু	=	শুভগুৰু
বোহে<বোধে	=	জ্ঞানেৰে
বুঝিৰে<বুধ্যিল্ল	=	বুজি পালো
কাসু<কস্য	=	কাৰ
কদিনি<কন্দন	=	বিনাশন, মাৰণ

টিপ্পনী ঃ বৰ্ত্তমান চৰ্যাগীতত ভূসুকুপাদে এনে এক জটিল সাধনা, দাৰ্শনিক আৰু ধৰ্মীয সমস্যাৰ উল্লেখ কৰিছে যাক বাস্তবতে শব্দ বা বাক্যৰে বুজোৱাটো বৰ টান। যদি পাঠকে বুজি পায়, আজন্ম বিশ্বাস আৰু পৰম্পৰাত এনেভাৱে মূলোৎপাটক টান পৰিব যে পাঠকে সভয়ে তাক ত্যাগ কৰিব বা অস্বীকাৰ কৰিব।

তন্ত্ৰ সাধনাৰ আৰম্ভতেই বহু সাধকে কিছুমান বহুল প্ৰচলিত প্ৰাণাযাম আৰু ধ্যান ধাৰণা শিকি লয যিবোৰ অভ্যাস কৰিলে, বিশেষকৈ কৰি থকা অবস্থাত সাধকে অভূতপূৰ্ব্ব শাৰীৰিক সুখ আৰু মানসিক প্ৰশান্তি অনুভব কৰে। পৃথিৱীৰ সৰহ ভাগ সন্ত (saint) 'সিদ্ধ যোগী', স্বামী, আমৰাগীশ,পৰম হংস আদি খিতাপ প্ৰাপ্ত যোগীয়ে যেতিয়া প্ৰাণায়াম ধ্যানত বহি সমাধিস্থ হয়, আনন্দাশ্ৰু ঝৰে, ইষ্ট দেৱ-দেৱীক দেখে, কথা পাতে। ভূসুকুপাদে কৈছে তেখেত সকলে 'মায়াহৰিণী ধৰিছে' নিজৰ সাধনাৰ বলেৰে — যি সাধনা নিজেই ভ্ৰম

বা মায়া শূন্য নহয়। সাধকে পোনতে সাংসাৰিক কৃতকাৰ্য্যতাত লুব্ধ হ'ব পাৰে, যাক জয় কৰা সিমান টান নহয়। দ্বিতীয় প্ৰলোভন আহিব তন্ত্ৰ সাধনাৰ দ্বাৰা পাব পৰা শাৰীৰিক আৰু মানসিক সুখ। ভুসুকুপাই কৈছে গুৰুক সুধি লোৱা ই কাৰ বিনাশ আনিব? উত্তৰ, এই সুখ হ'ব সাধকৰ আধ্যাত্মিক উন্নতিৰ বিনাশৰ পথ। ইযাৰ ওপৰৰ সাধনাৰ স্তৰত আহিব ইষ্ট দেৱতা ত্যাগ (মূল নখলি বাপ সংঘাৰা - চৰ্যা ২০)। ভুসুকুপাই কৈছে — 'নাডি বিআৰন্তে" স্তৰতে ৰৈ নাযাবা, যদিও ই তোমাক জীৱিত অৱস্থাতে স্বৰ্গসুখ দিব, কিন্তু এই অনুভূত সুখও মাযা, যাক তুমি নিজৰ মাযাজালেৰে ধৰিছা। ইষ্ট দেৱতাকো ধ্বংস কৰি মহাশূন্য উপলব্ধি কৰা তেতিযাহে বিলোমহীন (non reversible) সুখ + প্ৰজ্ঞা = সহজানন্দ অনুভৱ কৰিবা। এই চৰ্যাগীত দেখ দেখ যোগতন্ত্ৰ সমৰ্থনত ৰচিত গীত। ◆◆

২৬

।। ৰাগ শীবৰী ঃ শান্তি পাদানাম্।।

মূলপাঠ	আধুনিক ভাষান্তৰ/অৰ্থ
তুলা ধুণি ধুণি আঁসুৰে আঁসু।	তুলা ধুনি ধুনি আঁহেই আঁহ।
আঁসু ধুণি ধুণি ণিৰৱৰ সেসু।।	বিশ্লেষণ কৰি কৰি শ্ৰেষ্ঠ বস্তুও ধ্বংস হয।
তউ যে হেৰুঅ ণ পাবিঅই।	তই তথতা + মহাসুখৰ সহজানন্দ নাপাবি।
সান্তি ভণই কিণ স ভাবিঅই।।	শান্তিযে কয কিনো ভাবিবলৈ আছে
তুলা ধুণি ধুণি সুনে অহাৰিউ।	বিশ্লেষণ দ্বাৰা শূন্যতা পোৱা যায।
পুণ লইআঁ অপণা চটাৰিউ।।	পুণ্যক ভিত্তি কৰি স্বমোহ সম্বৰণ কৰিলো।
বহল বট দুই মাৰ নদিশঅ।	প্ৰশস্ত বাট দুটাৰ মিলন দেখা নাযায।
সান্তি ভণই বালাগ ন পইসঅ।।	শান্তিয়ে কয় চুলি এডালমানৰো পাৰ্থক্য নাই।
কাজ ন কাৰণ জ এহু জুঅতি।	কাৰ্য্যই (ফলৰ) কাৰণ নে কৰ্ম্মফলেইহেতু এযে বিচাৰ্য্য
সঁএঁ সংবেঅণ বোলথি সান্তি।।	শান্তিপাই কয সকলোৰে সংবেদনা।

টিপ্পনী ঃ মহাসিদ্ধ শান্তিপাদৰ চৰ্যাগীতৰ এটা বাক্য "তউ যে হেৰুঅ ণপাবিঅই" স্পষ্টভাবে কৈ দিছে - এযা অনুত্তৰ তন্ত্ৰৰ সমৰ্থনত ৰচা গীত। প্ৰথম পদ " তুলা ধুণি ধুণি আঁসুৰে আঁসু। আঁসু ধুণি ধুণি ণিৰবৰ সেসু।।" যোগতন্ত্ৰৰ মূল অৱলম্বণ ধ্যান আৰু বিশ্লেষণক উদ্দেশ্য কৰি লিখা। বৰ্ত্তমান

গীত তন্ত্ৰ সাধনাৰ পথ বা পদ্ধতি বৰ্ণনা কৰি ৰচা হোৱা নাই। ইযাত বৌদ্ধতন্ত্ৰ দৰ্শনৰ এটি জটিল সমস্যা উত্থাপন কৰা হৈছে। সাধকে নিজৰ ইন্দ্ৰিয় লব্ধ জ্ঞান আৰু চেতনা, বিশ্লেষণ আৰু ধ্যানৰ দ্বাৰা, ধুনাৰীয়ে (ধুনোতা) কপাহ ধুনাৰ নিচিনাকৈ এদাল এদাল আঁহ লৈ বিশ্লেষণ কৰিব পাৰে। তাতোকৈ সূক্ষ্মতৰ বিশ্লেষণৰ ফলত অনুভূতিয়ে অস্তিত্ব হেৰুৱাই বিশ্লেষক সাধকৰ মনত 'শ্ৰেষ্ঠভাৱ' শূন্যতা উদয হ'ব। এই শূন্যতা কি, কিয আৰু কেনেদৰে উত্তৰ হৈছে তাক পুনৰ বিশ্লেষণ কৰিলে সকলো শ্ৰেষ্ঠ অনুভূতি মনৰ পৰা নোহোৱা হৈ যোগীৰ মনত "শূন্যৰ শূন্যতা" অৰ্থাৎ মহাশূন্য বা সৰ্ব্বশূন্য ভাব আহিব। সাধকৰ মনলৈ আহিব সৰ্ব্বাত্মক অবসাদ - 'সকলোৱেই যদি শূন্য জীযাই থাকি কি লাভ'? এই ভাব অনুত্তৰ বৌদ্ধ তন্ত্ৰমতে 'অবিদ্যা' - ধ্বংসাত্মক গতি (nihilistic path) । তেনে সাধকে হেৰুক বজ্ৰধৰ উপলব্ধি নকৰে (চৰ্যা ১৭ হেৰুকৰ ওপৰত টীকা চাওক)। 'হেৰুক' যাক পুৰুষ স্ত্ৰীৰ সঙ্গমৰত ৰূপত অঙ্কিত কৰা হয বাস্তবতে প্ৰজ্ঞা (realization) আৰু উপাযৰ (means) মিলনৰ প্ৰতীক। সাধাৰণ ভাষাত 'উপায' হ'ল মন আৰু চিন্তাৰ ফল। 'প্ৰজ্ঞাৰ' বাহন সাধকৰ শৰীৰ যেযে জপ, প্ৰাণাযাম আদিৰ দ্বাৰা মনটোক নিৰ্দ্দিষ্ট বাটেৰে চালিত কৰিব চেষ্টা কৰে। শান্তিপাই কৈছে শৰীৰ-মন সাধনাৰ দুটা ভিত্তি বা বাট, দেখাত সিহঁত লগ নালাগে যেন পায ("বহল বট দুই মাৰ নদিশঅ") কিন্তু বাস্তবতে দুই বাটৰ মাজত কোনো পাৰ্থক্য নাই (বালাগ নপইসঅ)। দেহৰ কাৰ্য্যই মনক আৰু মনৰ চিন্তাই দেহৰ কাৰ্য্যক প্ৰভাবিত কৰে। কাৰ্য্য আৰু কাৰণৰ মাজৰ সম্বন্ধৰ কি যুক্তি? এই প্ৰশ্নৰ উত্তৰ নাজানো বুলি সৰহপাদে চৰ্যাগীতত নং ২২ গাইছে (জামে কাম কি কামে জাম)। শান্তিপাদে এই দাৰ্শনিক প্ৰশ্নৰ উত্তৰ দিছে —"সঁঅ সংবেঅণ বোলথি সান্তি।" সকলোৱেই সংবেদনা অৰ্থাৎ আনুপাতিক ইন্দ্ৰিযানুভূত চেতনা, ই অত্যন্ত জটিল দাৰ্শনিক তত্ত্ব। এপিনে ইন্দ্ৰিযানুভূতি জাত চেতনা ত্যাগ কৰিবলৈ কয় বৌদ্ধ দৰ্শনে (ভগবৎগীতাযো) আনহাতে শান্তিপাদে কৈছে সকলো আপেক্ষিক ইন্দ্ৰিয চেতনা, আনকি সাধকে উপলব্ধি কৰা শূন্য ভাবও ৰূপান্তৰিত ইন্দ্ৰিয় চেতনা। সাধাৰণ পাঠকৰ বাবে ই সহজবোধগম্য নহয, কিন্তু এবাৰ বুজিব পাৰিলে তেনেই উজু। ব্যক্তিৰ সমগ্ৰ জগৎ, সমগ্ৰ সাধনাই ইন্দ্ৰিয় সচেতনাৰে খেলা। শূন্যতাভাৱ, ভগবৎদৰ্শন, সমস্ত সংবেদনা, আপেক্ষিক। সাধকৰ তথাকথিত শূন্য উপলব্ধিও নিজৰ বৌদ্ধিক গৰিমা বা অহঙ্কাৰ প্ৰদৰ্শনৰ উপায় এটা মাত্ৰ। বাস্তবতে কোনো ব্যক্তিয়ে সংবেদনাৰ ব্যূহ ভাঙি ওলাব নোৱাৰে, " মাআজাল পসৰিউ ৰে বাধেলি মাআহৰিণী"।

যি কথা শান্তিপাদে বৰ্ত্তমান গীতত কোৱা নাই কিন্তু অনুত্তৰ তন্ত্ৰত আছে, এই শূন্যতাৰ জগত এৰি বাস্তৱ জগতলৈ প্ৰত্যাবৰ্ত্তন কৰা জীৱৰ প্ৰতি করুণা ৰাখি, যেনেকৈ নিশ্চিত নিৰ্ব্বাণ এৰি ফিৰি আহিছিল শাক্যমুনি বুদ্ধ তথাগত।

তুলা ধুণি ধুণি আঁসুৰে আঁসু তুলা ধুনি ধুনি আঁহেই আঁহ

তুলা ধুণি ধুণি	=	তুলাৰ আঁহ ফালি ফালি
আঁসুৰে আঁসু< অংশুক	=	আহেঁই আহ

আঁসু ধুণি ধুণি ণিৰৱৰ সেসু বিশ্লেষণ কৰি কৰি শ্ৰেষ্ঠ বস্তুও ধ্বংস হ'ল।

আঁসু	=	আঁহ
ধুণি ধুণি	=	আঁহ ফালি ফালি, বিশ্লেষণ কৰি কৰি
ণিৰবৰ<নিঃ + অবৰ	=	শ্ৰেষ্ঠ, হীন নহয
সেসু<শেষ	=	অন্ত

টিপ্পনী : ণিৰবৰ শব্দৰ অৰ্থ সুকুমাৰ সেনে 'নিৰপৰ' বা একমাত্ৰ বুজিছে, আন সকলো টীকা-ভাষ্যকাৰে,'নিৰবযব' বুলি ধৰি লৈছে। যদি লিপিভ্ৰান্তি হোৱা নাই ণিৰবৰ কোনো ৰকমে 'নিৰবযব' সূচাব নোৱাৰে। ণিৰবৰ = নিঃ + অবৰ = কনিষ্ঠ বা নিকৃষ্ট নহয, অৰ্থাৎ শ্ৰেষ্ঠ। প্ৰথম পদটিত শান্তিপাদে তুলা ধুনা উদাহৰেণেৰে ৰূপ, বেদনা আৰু চিত্ বৃত্তিৰ বিশ্লেষণ প্ৰক্ৰিযা সূচাইছে যি যোগতন্ত্ৰ মাৰ্গৰ প্ৰধান অবলম্বন। তুলা যেনেকৈ ধুণি ধুণি এদাল এদাল আঁহ কৰিব পাৰি আৰু সেই আঁহ দাল ফালিলে তুলাৰূপে তাৰ কোনো অস্তিত্ব আৰু কাৰ্য্যকৰতা নাথাকিব, তেনেকৈ মন আৰু অনুভূতিৰ বিশ্লেষণ কৰি কৰি এটা অৱস্থাৰ পিচত মনৰ কোনো শ্ৰেষ্ঠ গুণাত্মক চৰিত্ৰ নাথাকিব। তৃতীয পদত 'সুনে' (শূন্য) শব্দৰ ব্যৱহাৰে প্ৰতিষ্ঠা কৰে যে ণিৰবৰ শূন্যতা নহয।

তউ যে হেৰুঅ ণপাবিঅই তই তথতা + মহাসুখৰ সহজানন্দ নাপাবি

তউ	=	তই
যে	=	যে
হেৰুঅ<হেৰুক	=	হেৰুক বজ্ৰধৰ, প্ৰজ্ঞা + উপায়
ণপাবিঅই	=	নাপাবি

টিপ্পনী : হেৰুঅ হৈছে অনুত্তৰ তন্ত্ৰৰ হেৰুক বজ্ৰধৰ (চৰ্যা ১৭ ৰ হেৰুঅ ৰ ওপৰত টীকা চাওক) যি প্ৰজ্ঞা আৰু উপায়ৰ সংযোগ ফল । শান্তিপাই কৈছে কেৱল উপাযৰ ওপৰত (তুলা ধুণি ধুণি = মানসিক বিশ্লেষণ) গুৰুত্ব

দিলে আৰু প্ৰজ্ঞাক (শৰীৰক) সম্পূৰ্ণ অৱজ্ঞা কৰিলে তথতা, মহাসুখৰ সহজানন্দ সাধকে অনুভৱ নকৰিব।

শান্তি ভণই কিণ স ভাবিঅই   **শান্তিয়ে কয কিনো তুমি চিন্তিছা**

সান্তি ভণই	=	শান্তি পাই কয
কিণ	=	কিনো
স	=	তুমি
ভাবিঅই<ভবিতা	=	চিন্তা কৰিছা

তুলা ধুণি ধুণি সুনে অহাৰিউ   **বিশ্লেষণ কৰি কৰি শূন্যতা পোৱা যায়।**

তুলা ধুণি ধুণি	=	বিশ্লেষণ কৰি কৰি
সুনে<শূন্য	=	শূন্যতা ভাৱ
অহাৰিউ<আহৃত	=	সংগ্ৰহ হয়, সংগ্ৰহ হ'ল

পুণ লইআঁ অপণা চটাৰিউ   **পুণ্যক ভিত্তি কৰি স্বমোহ সম্বৰণ কৰিলো**

পুণ<পুণ্য	= শুভকৰ্ম্ম ফল/অথবা পুনঃ<পুনঃ= আকৌ
লইযা	= ভিত্তিকৰি, গ্ৰহণ কৰি
অপণা	= নিজে
চটাৰিউ	= বধ কৰিলো। চটাৰিউ< চটক =মোহ সম্বৰণ, ত্যাগ

টিপ্পনী ঃ চটাৰিউ শব্দটো কি অৰ্থত ব্যৱহৃত সেই সম্বন্ধে কোনো দুজন টীকা - ভাষ্যকাৰ সম্পূৰ্ণ একমত নহয। আমি ভাবো চটাৰিউৰ মূল 'চটক', যাৰ অৰ্থ মিথ্যা দ্যুতি আৰু মোহ সম্বৰণ। বৰ্ত্তমান ক্ষেত্ৰত দ্বিতীয অৰ্থ প্ৰযোজ্য। সাধকে শূন্যতা উপলব্ধি কৰাৰ পিচত নিজৰ (অপনা) সম্বন্ধেও মোহ হীন হ'ল। দ্বিতীয অৰ্থ হ'ব পাৰে - সাধকৰ শূন্যভাৱ এটা চটক বা লোক দেখুওৱা কথা।

বহল বট দুই মাৰ ন দিশঅ   **প্ৰশস্ত বাট দুটাৰ মিলন দেখা নাযায**

বহল	=	প্ৰশস্ত
বট<বৰ্ত্ম	=	বাট, পথ
দুই	=	দুটা, দুটাৰ
মাৰ	=	সংযোগ, মিলন
ন দিশঅ<নদৃশ্যতে	=	দেখা নাযায।

টিপ্পনী ঃ 'মাৰ' শব্দৰ বৰ্ত্তমান প্ৰয়োগ বৌদ্ধ চয়তান 'মাৰ' নহয়। ইয়াত

মাৰ সংযোগ বা মিলন অৰ্থৎ ব্যৱহৃত, যি আধুনিক অসমীয়াত আজিও ব্যৱহাৰ হয় যেনে — 'ৰাইজৰ মাৰ নাভাঙিল', 'মাৰ নাওঁ' ইত্যাদি। 'দুই বহল বাটৰ সংযোগ দেখা নাযায়' ৰ অৰ্থ প্ৰজ্ঞা আৰু উপায, চিত্ত আৰু দেহৰ সংযোগ প্ৰথম দৃষ্টিত চকুত নপৰে।

সান্তি ভণই বালাগ ন পইসঅ শান্তিয়ে কয় চুলি এডাল মানৰ পাৰ্থক্যও নাই।

সান্তি ভণই	=	শান্তিযে কয়
বালাগ	=	চুলি এডালৰ মান পাৰ্থক্য (চৰ্যা ৯ বলাগ চাওক)
নপইসঅ	=	দেখা নাযায়/প্ৰবেশ নকৰে

কাজ ন কাৰণ জ এহু জুঅতি কাৰ্য্যই ফলৰ কাৰণ নে কৰ্ম্মফলেই হেতু এযেই বিচাৰ্য্য

কাজ<কাৰ্য্য	=	কৰ্ম্ম
ন	=	নহয
কাৰণ	=	কৰ্ম্মফলেই হেতু
জ<যঃ	=	কি, যি
এহু	=	এযেই
জুঅতি	=	যুক্তি, বিবেচনা, বিচাৰ

টিপ্পনী : কাৰ্য্যই (জন্মৰ, কৰ্ম্মফলৰ) কাৰণ নে (পুৰ্ব্বজন্মৰ) কৰ্ম্মফল ৰূপে এই জন্মৰ কাৰ্য্য (জামে কাম কি কামে জাম-চৰ্যা ২২) এযেই বিচাৰৰ বিষয।

সঁ এঁ সংবেঅণ বোলথি সান্তি শান্তিযে কয সকলোৱে সংবেদনা

সঁএঁ<সৰ্ব্ব	=	সকলো
সংবেঅণ	=	সংবেদনা, অনুভৱ
বোলথি	=	কয
সান্তি	=	শান্তি পাদ

টিপ্পনী : এই বাক্যটোৰ অৰ্থ দুই ধৰণে কৰিব পাৰি। অনুত্তৰ তন্ত্ৰমতে অৰ্থ পোনতেই দিযা হৈছে। যোগতন্ত্ৰৰ মতে সুখ-দুখ, জীৱন আৰু মৰণৰ মাজত, কাৰ্য্য আৰু কৰ্ম্মফল অনুভূতি সমস্তই ব্যক্তিৰ উপলব্ধি বা প্ৰতীতিৰ ফল। বাস্তৱতে তাত একো নাই। শান্তিপাই যেতিযা সাৱধান বাণী শুনাইছে "হেৰুঅ.ণ পাবিঅই" আমি অনুত্তৰ তন্ত্ৰৰ ব্যাখ্যা গ্ৰহণ কৰিবলৈ বাধ্য বৰ্ত্তমান

চৰ্য্যা গীতত। সমস্ত জ্ঞানৰ উৎস ইন্দ্ৰিয়লব্ধ জ্ঞান (আলেয় বিজ্ঞান)। সাধকৰ তথা-কথিত "অতীন্দ্ৰিয় জ্ঞানো" আলেয বিজ্ঞান লব্ধ জ্ঞানৰ ৰূপান্তৰ বা ভেদ মাত্ৰ। সাধকে মাত্ৰ নিজৰ গৰ্ব্বৰ (চটক) হেতুকে তাক অতীন্দ্ৰিয় জ্ঞান বুলি প্ৰতিষ্ঠা কৰিব চেষ্টা কৰে। সকলোৱে সংবেদনা, অনুভৱ কাৰ্য্য, কাৰণ, কৰ্ম্মফল - পুনৰ্জন্ম সমস্তই সংস্কাৰ সৃষ্ট অনুভৱৰ দ্বাৰা মূল্যাঙ্কন হয়। সমস্তই আপেক্ষিক, মূল্যাঙ্কনো আপেক্ষিক। ইয়াত শান্তিপাদে দেখ দেখ আৰ্য্য নাগাৰ্জ্জুনৰ মধ্যমিকা দৰ্শন আৰু তাৰপৰা উদ্ভৱ অনুত্তৰ তন্ত্ৰৰ দৰ্শনিক সমৰ্থন কৰি গীত ৰচিছে।

◆◆

২৭

ৰাগ - কামোদ ঃ ভুসুকুপাদানাম্

মূলপাঠ	আধুনিক ভাষান্তৰ/অৰ্থ
অধৰাতি ভৰ কমল বিকসউ।	অৰ্দ্ধৰাত্ৰি পদ্ম (দেহ চক্ৰ) উন্মুক্ত হয়
বতিস যোইণী তসু অঙ্গ উহ্লসিউ।।	বত্ৰিশ নাড়ী তোমাৰ উল্লসিত হয়
চালিউঅ ষষহৰ মাগে অবধূই।	জৈৱশক্তি অৱধূতী মাৰ্গত চন্দ্ৰ ম গতিকৰে।
ৰঅণহু ষহজে কহেই।।	সহজক লক্ষ্যৰূপে লোৱা ব্যক্তি ৰত্নসদৃশ।
চালিঅ ষষহৰ গউ নিবাণেঁ।	পৰিচালিত চন্দ্ৰমণ্ডললৈ, যায় নিৰ্ব্বাণলৈ।
কমলিনি কমল বহই পণালেঁ।	স্ত্ৰী-পুৰুষ পদ্ম একেই নলীৰে বৈ যায়।
বিৰমানন্দ বিলকখণ সুধ।	শূন্যতাজনিত সুখ সম্পূৰ্ণ পবিত্ৰ
জো এথু বুঝই সো এথু বুধ।	যেযে এয়া বুজে তেওঁৱেই জ্ঞানী।
ভুসুকু ভণই মই বুঝিঅ মেলেঁ।	ভুসুকুৱে কয়, মই বুজি পাওঁ মিলন
সহজানন্দ মহাসুহ লীলেঁ।।	সহজ আনন্দ মহাসুখত ক্ৰীড়া কৰে।

টীকা ঃ পণ্ডিত জাহ্নবী কুমাৰ চক্ৰবৰ্তীৰ মতানুযায়ী (চৰ্যাগীতিৰ ভূমিকা - পৃঃ ২১৮ শান্তিদেৱ আৰু ভুসুকু একেজন ব্যক্তি। হৰপ্ৰসাদ শাস্ত্ৰী মহোদয়ৰো একেই মত। পণ্ডিত সবৰ মতে ভুসুকু অনুত্তৰ তন্ত্ৰ অনুগামী বজ্ৰযান পন্থী যদিও বৰ্ত্তমান সঙ্কলনত থকা চৰ্যাগীত বোৰ সাধাৰণতে যোগতন্ত্ৰ সমৰ্থনত লিখা। শান্তিপাদ যি জনে হেৰুকক পাবলৈ আকাঙ্ক্ষা কৰে (চৰ্যা ২৬) আৰু ভুসুকু যদি একেজন ব্যক্তি তেনেহ'লে ভুসুকু নিঃসন্দেহে যৌনআচাৰ সমৰ্থক

বজ্ৰযান পন্থী আৰু তেখেতৰ পদ "সহজানন্দ মহাসুহ লীলেঁ" অনুসৰে তন্ত্ৰমতেই অৰ্থ বুজিব লাগিব। অন্যথায় বৰ্ত্তমান চৰ্যাগীতৰ অৰ্থ পৰিবৰ্তন হ'ব। ভুসুকুপাই যোগতন্ত্ৰৰ পৰা অনুত্তৰ তন্ত্ৰ, আৰৌ অনুত্তৰ তন্ত্ৰৰ পৰা যোগাচাৰলৈ ঘূৰি যোৱা সাধক। শান্তিপা সৰ্বদা অনুত্তৰ পন্থী সেয়ে এই দুজন সাধক একেজন ব্যক্তি হ'ব নোৱাৰে।

অধৰাতি ভৰ কমল বিকসউ অৰ্দ্ধৰাত্ৰি পদ্ম (দেহ চক্ৰ) উন্মুক্ত হয়

অধৰাতি<অৰ্দ্ধৰাত্ৰি	=	মাজৰাতি
ভৰ	=	পূৰ্ণ
কমল	=	পদ্ম
বিকসউ<বিকশিত	=	প্ৰস্ফুটিত

টিপ্পনী : তন্ত্ৰৰ মতে মানৱ দেহৰ বিভিন্ন চক্ৰ যাক পদ্মৰ ৰূপত কল্পনা কৰা যায় আধ্যাত্মিক উন্নতিৰ পথত একোটি বৃহৎ স্তৰ। মধ্যৰাত্ৰিৰ পৰা সূৰ্য্যোদয়ৰ ভিতৰত এই পদ্ম সমূহ খোল খায় বা প্ৰস্ফুটিত হয় আৰু সাধকৰ উচ্চতৰ স্তৰলৈ গমন সম্ভৱ হৈ উঠে।

বতিস যোইণী তসু অঙ্গ উহ্লসিউ বত্ৰিশ নাড়ী তোমাৰ উল্লসিত হয়।

বতিস	=	বত্ৰিশ
যোইণী<যোগিনী	=	স্নায়ু , নাড়ী (বৰ্তমান প্ৰয়োগ)
তসু<তয়ু	=	তোমাৰ
অঙ্গ	=	দেহাঙ্গ, দেহ
উহ্লসিউ<উল্লাসিউ	=	উল্লসিত

টিপ্পনী : বত্ৰিশ সংখ্যাই ইয়াত স্পষ্টভাৱে বুজাইছে, যে ললনা, ৰসনা অবধূতীকা আদিকে ধৰি তন্ত্ৰৰ মুখ্য বত্ৰিশ নাড়ীৰ কথা উল্লেখ কৰা হৈছে যি মাজৰাতি আলোড়িত হয়।

চালিউঅ ষষহৰ মাগে অৱধূই (জৈৱ শক্তি) অৱধূতীকাৰে চন্দ্ৰ মণ্ডললৈ গমন কৰে

চালিউঅ<চল	=	চলিল, গমন কৰে
ষষহৰ<শশধৰ	=	চন্দ্ৰ, বাস্তৱ অৰ্থ চন্দ্ৰমণ্ডল (চৰ্যা ৩ ১০ চাওক)
মাগে<মাৰ্গে	=	পথেৰে
অৱধূই		অৱধূতীয়ে

টিপ্পনী ঃ অবধূতীকা যোগে চন্দ্ৰমণ্ডললৈ জৈৱশক্তি চালিত কৰাৰ দ্বাৰা অনুলোম বা উৰ্দ্ধমুখী যোগ প্ৰাণাযামৰ কথা উল্লেখ কৰিছে।

ৰঅণহু ষহজে কহেই সহজক (লক্ষ্য ৰূপে) লোৱা সাধকক ৰত্ন সদৃশ বোলা হয়।

ৰঅণহু<ৰঅন + অনহু<ৰত্ন + অনুহাৰ = ৰত্ন সদৃশ
ষহজে = সহজ, সহজাত অনুভূতি
কহেই = কয়

টিপ্পনী ঃ ৰঅণহু বা ৰত্ন অনুহাৰ যাৰ সাধাৰণ অৰ্থ ৰত্ন সদৃশ, শব্দই ইযাত সাধকৰ ব্যক্তিত্ব বৰ্ণনা কৰিছে আৰু ভুসুকুপাক অনুত্তৰ তন্ত্ৰৰ অনুগামী বুলি দোহাৰিছে। গুহ্যসমাজ তন্ত্ৰ, পুথি খন, যি অনুত্তৰ তন্ত্ৰৰ এক মুখ্য শাস্ত্ৰ, বৌদ্ধ তন্ত্ৰ সাধকৰ ব্যক্তিত্ব পাঁচ স্তৰৰ বুলি কৈছে। সৰ্ব্বোচ্চ স্তৰ হ'ল ৰত্ন সদৃশ চৰিত্ৰ - যি সাধকে অষ্ট সাধাৰণ বা অষ্ট গৌণ সিদ্ধি (হিন্দুৰ, অষ্ট মহাসিদ্ধি) উপেক্ষা কৰি বজ্ৰসিদ্ধি নিজৰ লক্ষ্য স্বৰূপে ৰাখে, য'ত তেওঁ নিজকে ধৰ্ম্মচক্ৰত লীন হৈ দশোবুদ্ধ পৰিবৃত হৈ বুদ্ধচিত্ত প্ৰাপ্ত হ'ব (Lessing & Wayman p 218 - 221)) । প্ৰদিপদ্যোটনা গ্ৰন্থই ৰত্ন সদৃশৰ নিকৃষ্ট (১) ৰক্তপদ্ম, (২) শ্বেত পদ্ম, (৩) চন্দন আৰু (৪) নীলপদ্ম ব্যক্তিত্বৰ বৰ্ণনা কৰিছে।

চালিঅ ষষহৰ গউ নিবাণেঁ পৰিচালিত হয় চন্দ্ৰ মণ্ডললৈ (কিন্তু) যায় নিৰ্ব্বাণলৈ

চালিঅ<চল = পৰিচালিত
ষষহৰ<শশধৰ = চন্দ্ৰ, চন্দ্ৰ মণ্ডল
গউ<গম্ = যায
নিবাণেঁ = নিৰ্ব্বাণলৈ

কমলিনি কমল বহই পণালেঁ স্ত্ৰী পুৰুষ পদ্ম একেই নলীৰে বৈ যায়

কমলিনি = স্ত্ৰী পদ্ম ফুল
কমল = পুৰুষ পদ্ম পুষ্প
বহই<বহতি = বৈ যায
পণালেঁ<প্ৰণালী= জল নলী

টিপ্পনী ঃ ইযাত ভুসুকুৱে অনুত্তৰ তন্ত্ৰৰ যৌনাচাৰৰ কথা উল্লেখ কৰিছে য'ত পুৰুষ আৰু স্ত্ৰী শক্তি এটা প্ৰণালীত সংযোজিত হৈ হেৰুক বজ্ৰধৰৰ আৰু বজ্ৰবৰাহীৰ সংযোগ সৃষ্টি কৰে। বাস্তৱ অৰ্থ উপায় আৰু প্ৰজ্ঞা মিলিত হয়।

বিৰমানন্দ বিলকখন সুধ — শূন্যতা জনিত সুখ সম্পূৰ্ণ দোষহীন (পবিত্ৰ)

বিৰমানন্দ	=	নিৰ্ম্মাণ চক্ৰত সৃষ্ট সুখ। শূন্যতা জনিত সুখ
বিলক্খন<বিলক্ষণ	=	উৎকৃষ্ট, উত্তম, অসাধাৰণ
শুধ	=	সুদ্ধ, দোষহীন

টিপ্পনী ঃ বিৰমানন্দ শব্দই সূচাইছে ইযাত ভুসুকুপাই প্ৰতিলোম যোগৰ উল্লেখ কৰিছে। আনন্দ মহানন্দ, বিৰমানন্দ, সহজানন্দ, ই চাৰি আনন্দ আজ্ঞা, সম্ভোগ, নিৰ্ম্মাণ আৰু স্বাধিস্থান চক্ৰৰ ক্ষেত্ৰ। আনহাতে বিৰমানন্দ শূন্যতা বোধৰ পৰা উৎপত্তি হোৱা সুখানুভূতি। ভুসুকুপাই গাইছে কমল - কমলিনিৰ মিলন হলেহে শূন্যভাৱ শুদ্ধ হয। অন্যথায ই মহাশূন্য বা সৰ্ব্বশূন্য ৰূপ লৈ সাধকৰ চিত্তত অবিদ্যাৰ সৃষ্টি (চৰ্যা ১৬ ৰ টীকা ভাষ্য চাওক) কৰি মানসিক অশান্তিৰ উৎস হ'ব।

জো এথু বুঝই সো এথু বুধ — যেযে এযা বুজে তেওঁযেই জ্ঞানী

ভুসুকু ভণই মই বুঝিঅ মেলে — ভুসুকুৱে কয মই বুজিপাও মিলন

ভুসুকু ভণই	=	ভুসুকুৱে কয
মই	=	স্বযং
বুঝিঅ<বোধ	=	বুজিপাও
মেলে<মিলন	=	সংযোগ

সহজানন্দ মহাসুহ লীলেঁ — সহজৰ আনন্দ মহাসুখত ক্ৰীডা কৰে

সহজানন্দ	=	তথতা + মহাসুখ যুগপৎ উৎপত্তি
মহাসুহ	=	মহাসুখত
লীলেঁ	=	লীলা কৰে, ক্ৰীডা কৰে

টিপ্পনী ঃ অনুত্তৰ তন্ত্ৰ অনুযাযী বুদ্ধচিত্ত পাবলৈ সাধকৰ সহজানন্দ অনুভূত হ'ব লাগিব। যুগপৎ জাত তথতা + মহাসুখেই বজ্ৰযানৰ সহজানন্দ। বাস্তবজ্ঞান হ'ল তথতা (realization of reality) আৰু মহাসুখ, শূন্যতাবোধ + কৰুণা। কৰুণাৰ (compassion) উদ্ৰেক হয যৌনজ্ঞানৰ পিচত, অন্যথায সাধকৰ শূন্যতাজ্ঞান কৰুণাহীন কঠোৰ হৈ থাকি সাধকক মহাসুখ উপলব্ধি কৰিব নিদিযে। ভুসুকুৱে সেযেহে কৈছে সহজানন্দ মহাসুখৰ যোগেৰেহে পায। কৰুণাহীন শূন্যতাবোধ অশুদ্ধ। ◆◆

২৮

।। ৰাগ-বলাড্ডিঃ শবৰপাদানাম।।

মূলপাঠ	আধুনিক ভাষান্তৰ/অৰ্থ
উঞ্চা উঞ্চা পাবত তঁহি বসই সবৰী বালী।	উচ্চ পৰ্ব্বত শিখৰত শক্তিৰ নিবাস।
মোৰঙ্গি পীচ্ছ পৰহিণ সবৰী গিবত গুঞ্জৰী মালী।।	ম'ৰাৰ নেজ পৰিহিতা শক্তিৰ ডিঙিত গুঞ্জমণিৰ মালা।
উমত সবৰো পাগল শবৰো মা কৰ গুলী গুহাডা তোহৌৰী।	ক্ষিপ্ত সাধক বিভ্ৰাট নঘটাবা এয়েই প্ৰাৰ্থনা তোমাৰ।
ণিঅ ঘৰিণী নামে সহজ সুন্দাৰী।।	নিজ দেহৰ অধিকাৰী সহজ সুন্দৰী।
ণাণা তৰুবৰ মৌলিল ৰে গঅণত লাগেলি ডালী।	বিভিন্ন বৃক্ষই কলি ধৰিলে, শাখাই শূন্য স্পৰ্শ কৰিলে।
একেলী সবৰী এ বণ হিণ্ডই কৰ্ণ কুণ্ডল বজ্ৰধাৰী।।	এগৰাকী শক্তিয়ে অস্থিৰ কাৰ এই বিচাৰ বুদ্ধিৰ ধাৰা।
তিঅ-ধাউ খাট পডিলা সবৰো মহাসুহে সেজি ছাইলী।	তিনি ধাতুৰ আসন বিস্তাৰিত হ'ল, সাধক আনন্দেৰে বিস্তৃত হ'ল।
সবৰো ভুজঙ্গ ণইৰামণি দাৰী পেম্ম ৰাতি পোহাইলী।।	সাধক বেশ্যাগামী, শক্তি বেশ্যা, ৰতি ক্ৰিয়াৰে ৰাতি পুৱালে।
হিঅ তাঁবোলা মহাসুহে কাপুৰ খাই।	চিত্তই মহাসুখত তামোল (ৰাগ), বেতঃ গ্ৰহণ কৰি।
সুন নিৰামণি কণ্ঠে লইআ মহাসুহে ৰাতি পোহাই ।।	শূন্য, নিৰ্মলৰতি কণ্ঠত বান্ধি মহাসুখত ৰাতি কাটে।
গুৰুবাক পুঞ্চআ বিন্ধ ণিঅ মণে বাণেঁ।	গুৰুৰ উপদেশ সুধি নিজৰ চিত্ত কাড়েৰে ভেদ (কৰাৰ দৰে) নিশ্চয় কৰা।
একে সৰসন্ধাণেঁ বিন্ধহ বিন্ধহ পৰম নিবাণেঁ।।	এদাল কাড়েৰেই পৰম নিৰ্ব্বাণলৈ ভেদ কৰা।
উমত সবৰো গৰুআ ৰোষে।	ক্ষিপ্ত সাধকৰ ধৰ্ম্মাসন ক্ষুদ্ধ/কষ্ট
গিৰিবৰ সিহৰ সন্ধি পইসন্তে সবৰো লোডিৰ কইসেঁ।	যোনিত সোমালে, মেৰুদণ্ড শিহৰিত সাধকক পাবা কি দৰে?

টিপ্পনী ঃ মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰী আৱিষ্কৃত চৰ্যা পদাবলীৰ ক্ৰমিক নম্বৰ ২৮ আৰু ৫০ ত তালিকাভুক্ত চৰ্যাগীত দুটি পণ্ডিত সকলে মহাসিদ্ধ শবৰপাদে ৰচনা কৰা বুলি একমত —দ্বিমত নাই। সমস্যা হ'ল,

শবৰপাদ নামধাৰী বৌদ্ধাচাৰ্য্য কিমান জন আছিল ? এজন, নে আধুনিক 'সাঁই বাবাৰ' নিচিনাকৈ কেবাজনো। চৰ্যা ২৮ আৰু ৫০ গীত দুজনৰ লিখক যে এজন ব্যক্তি তাত সন্দেহ নাই। দুয়োটা গীতৰে ৰচনা শৈলী, বিষয় বস্তু আৰু প্ৰক্ষেপণ পদ্ধতি (projection) সম্পূৰ্ণ একে। দুযোটি গীতেই দুষ্টামি ভৰা প্ৰহসনেৰে লিখা। চৰ্যা নং ২৮ ৰ বৈশিষ্ট্য হ'ল, তাক চকুৰ সহাযত পঢিলে এটা অৰ্থ বোধগম্য হয়, আকৌ কাণেৰে শুনিলে ভিন্ন অৰ্থ মনলৈ আহে। দুযোটা চৰ্যাগীতৰে নাযক-নাযিকা শবৰ-শবৰী, আৰু তাৰেই ভিত্তিতে চৰ্যাৰ টীকা ভাষ্যকাৰ সবে ইযাক মহাসিদ্ধ শবৰপাদৰ ৰচনা বুলি ধৰি লৈছে। জাহ্নবী চক্ৰবৰ্তী, তাৰানাথৰ গইনা লৈ লিখিছে, শবৰীপাদ আছিল নাগাৰ্জ্জুনৰ শিষ্য আৰু লুইপাদৰ গুৰু। এযেই যদি শবৰীপাদৰ পৰিচয হয, তেনেহলে বৰ্ত্তমান চৰ্যাগীতটি সেই একেজন শবৰীপাদে ৰচনা কৰিছে তাক গ্ৰহণকৰাটো অসম্ভৱ হৈ পৰে। বৌদ্ধ দাৰ্শনিক আৰ্য্য নাগাৰ্জ্জুন, মাধ্যমিকা মহাযান পন্থাৰ অন্যতম হোতা। লুইপা আকৌ মন্ত্ৰযানৰ ক্ৰিযাতন্ত্ৰৰ আদি গুৰু বুলি স্বীকৃত সমগ্ৰ বিশ্বতে। মহাসিদ্ধ শবৰীপাদে ৰচনা কৰিছে 'মণ্ডল বিধি' যি শাস্ত্ৰ ক্ৰিযাতন্ত্ৰৰ ভিত্তি শাস্ত্ৰ। অতএব শবৰীপাদৰ শিষ্য লুইপাদ হোৱাটো সম্পূৰ্ণ সম্ভৱ। সেইদৰে শবৰীপাদে নিজ গুৰু নাগাৰ্জ্জুনৰ পৰা ফালৰি কাটি অহাটোও অসম্ভৱ নহয। যিটো অসম্ভৱ, সেযা হৈছে সিদ্ধ শবৰপাদে চৰ্যা ২৮ ৰচনা কৰাটো। কাৰণ, চৰ্যা ২৮ আৰু ৫০ প্ৰত্যক্ষভাৱে (দেখাত) বজ্ৰযানৰ অনুত্তৰ তন্ত্ৰৰ যৌনাচাৰক সমৰ্থন কৰিছে, আনহাতে পৰোক্ষভাৱে তন্ত্ৰৰ যৌনাচাৰক 'বেশ্যালি' বুলি উপলুঙা কৰিছে। বজ্ৰযান পন্থা মন্ত্ৰযানৰ পৰাই ফালৰি কাটি আহিছে, যৌনাচাৰৰ ভিত্তিত। শবৰ পাদৰ কালত মন্ত্ৰযানৰ আৰম্ভ হে হৈছিল, দ্বিভাগ হৈছিল তাৰ বহু পিচত। সেয়েহে সিদ্ধ শবৰপাদে এই দুটা চৰ্যা ৰচনা কৰিছিল বুলি স্বীকাৰ কৰাটো টান। নায়ক-নাযিকা শবৰ-শবৰী বাবেই ৰচকো শবৰপাদ হ'ব সি কোনো গ্ৰহণযোগ্য যুক্তি নহয়। দ্বিতীয়তঃ বৰ্ত্তমান চৰ্যাত শবৰক "ভুজঙ্গ" (বেশ্যাগামী ব্যক্তি) আৰু শবৰীক 'দাৰী' অৰ্থাৎ দ্বিচাৰিণী বা বেশ্যা বোলা হৈছে। ধৰ্ম্মীয গীতৰ ৰচকে নিজকে বেশ্যাগামী আৰু সাধনা সঙ্গিনীক ভ্ৰষ্টা বুলি বৰ্ণনা কৰিব ইযাক স্বীকাৰ কৰাটো কঠিন (সাধনা সঙ্গিনীক অপমান কৰাটো বৌদ্ধ তন্ত্ৰৰ গুৰুতৰ অপৰাধ বোলৰ এটা)।

চৰ্যাগীতৰ টীকা - ভাষ্যকাৰ সকলোৱে একমুখে ইয়াক শবৰ পাদৰ গান বুলিছে, আনমুখে 'সবৰ-সবৰীক', উৰিষ্যাৰ একেনামৰ আদিম জাতি সবৰ সকলৰ পুৰুষ-নাৰী বুলিও বৰ্ণনা কৰিছে — যি বাস্তৱতে দুখঃ জনক। 'শবৰ' শব্দৰ ব্যুৎপত্তি দুই ধৰণে হ'ব পাৰে।

শবৰ<ঈশ্বৰ শৰ্বৰী<ঈশ্বৰী
শবৰ শব্দৰ আন এটা অৰ্থ মহাযোগী মহেশ্বৰ।
শবৰ<শম্বৰ<শম্ভৰ<শম্ভু<স্বয়ম্ভু = যোগী মহেশ্বৰ

যিটো ব্যুৎপত্তিযেই গ্ৰহণ কৰা নহওক কিয় — সবৰ শব্দই ইয়াত তন্ত্ৰ সাধকক উপলুণ্ডা কৰি বৰ্ণনা কৰা হৈছে। যৌনাচাৰ যুক্ত তন্ত্ৰ সাধনাত বহা কালত হিন্দু তন্ত্ৰ সাধকে নিজকে শিৱ (শবৰ) আৰু সাধনা সঙ্গিনীক শক্তি (শবৰী), আৰু অনুত্তৰ তন্ত্ৰৰ বৌদ্ধ সাধকে নিজকে হেৰুক (হৰ = শিৱ) আৰু সাধনা সঙ্গিনীক বজ্ৰ বৰাহিনী (শক্তি) বুলি কল্পনা কৰিব লাগে। সেয়েহে গীতৰ ৰচকে উপলুণ্ড কৰি কৈছে — 'যৌন আচাৰত বহিলে একেবাৰে শবৰ শবৰী হৈ যায়'।

বৰ্ত্তমান চৰ্য্যা গীত প্ৰথম দৃষ্টিত যৌনাচাৰ সমৰ্থন কৰা যেন লাগিলেও, ই সম্পূৰ্ণ'প্ৰহসন ভিত্তিক চৰ্যা' য'ত যৌনাচাৰক উপলুণ্ডা কৰা হৈছে। এই চৰ্যাত অনুত্তৰ তন্ত্ৰত ব্যৱহৃত সাঙ্কেতিক ভাষা 'সন্ধি ভাষাও' ব্যৱহাৰ হৈছে যি আন চৰ্যাগীতত দেখা নাযায, কিন্তু এই ব্যৱহাৰো পৰিহাসৰ বাবে কৰা হৈছে।

"হিঅ/হিএ তাঁবোলা মহাসুহে কাপুৰ খাই।" কাপুৰ অথবা কৰ্পূৰ এক উচ্চমূল্য, বিলাসিতাৰ সামগ্ৰী, জনজাতীয়, দৰিদ্ৰ (গুঞ্জমণি পিন্ধা) শবৰ-শবৰীয়ে ব্যৱহাৰ কৰাটো বিসদৃশ। স্নেলগ্ৰোভ অনুদিত হেবজ্ৰতন্ত্ৰ অনুসৰী 'কৰ্পূৰ' শব্দই শুক্ৰ সূচায (D L Snellgrove- Hevajra Tantra) আৰু "কণ্ঠত কৰ্পূৰ গ্ৰহণ" বাস্তৱতে অনুত্তৰ তন্ত্ৰৰ কলশ অভিষেকৰ "মহামুদ্ৰা" আচাৰক বুজাইছে, য'ত যৌন মিলনৰ পিছত স্খলিত বীৰ্য্য পুনৰ সাধকৰ কণ্ঠত গুৰুৱে স্থাপন কৰে। সাধকে শূন্য আৰু নিৰ্মাণৰতি কণ্ঠত লৈ মহাসুখত ৰাতি কটালে (সুন নিৰামণি কণ্ঠে লইআ মহাসুহে ৰাতি পোহাই), কিন্তু সেইটো শুভ কাৰ্য্য নে অশুচি কাৰ্য্য পাঠকে নিজে স্থিৰ কৰিব লাগিব। বৰ্ত্তমান চৰ্যাগীতৰ শেষৰ পদটোৱে সমস্ত গীতৰ ভিত্তি উক্তি। তদুপৰি এই গীতটিত সাধকক বেশ্যাগামী আৰু সাধনা সঙ্গিনীক দ্বিচাৰিণী নাৰী বুলি কৈছে যি অনুত্তৰ তন্ত্ৰৰ পৰিপন্থী। ঢেন্ঢনপাদৰ চৰ্যাগীত (নং ৩৩) যি দৰে দেখ দেখ যৌনাচাৰ তন্ত্ৰ বিৰোধী, বৰ্ত্তমান গীত প্ৰহসন ৰূপত লিখা বাবে তেনে স্পষ্ট নিৰ্দ্দেশ পোৱা নাযায়। ইয়াত বহু শব্দ আৰু বাক্যই দ্ব্যৰ্থক, সেয়েহে এই চৰ্যাৰ অনুবাদ সম্ভৱ, কিন্তু সঠিক তাৎপৰ্য্য নিৰূপণ কঠিন কাম। শবৰ - শবৰীক শব বা মৃতদেহ

বুলি পৰিহাস কৰিবৰ পাৰে অৰ্থাৎ, আত্মাহীন দেহৰ লালসাত ব্যস্ত ব্যক্তি।

উঁচা উঁচা পাবত তঁহি বসই সবৰী বালী উচ্চ পৰ্বত শিখৰত শক্তিৰ নিবাস

উঁচা উঁচা<উচ্চ উচ্চ	=	ওখ ওখ
পাবত<পৰ্বত	=	টিলা, উচ্চ ভূমি
তঁহি	=	তই
বসই বসতি	=	বহে থাকে
সবৰী ঈশ্বৰী	=	সাধনা সঙ্গিনী শক্তি
বালী<বালিকা	=	ছোৱালী

টীকা ঃ বৌদ্ধ তান্ত্রিক শাস্ত্রত পৰ্বত শব্দই মেৰু পৰ্বত বুজায়, যি মেৰু শিখৰত শাক্য মুনিযে বুদ্ধত্ব লভি বুদ্ধ তথাগত ৰূপ পাইছিল। একে সময়তে মেৰু শব্দই ৰাজহাড়ৰ সৰ্বোচ্চ অন্ত বুজায় য'ত চন্দ্ৰ মণ্ডল অৱস্থিত। 'মেৰু শিখৰত 'সবৰী বালী' অৱিস্থিতা বাক্যৰ দ্বিতীয় অৰ্থ 'শক্তিৰ আবাস চন্দ্ৰ মণ্ডলত।

মোৰঙ্গি পীচ্ছ পৰহিণ সৱৰী গিৱত গুঞ্জৰী মালী মযুৰ নেজ পৰিহিতা শক্তিৰ ডিঙিত গুঞ্জমণিৰ মালা

মোৰঙ্গি<মযুৰ অঙ্গীক	=	ম'ৰাৰ পাখি । মোৰঙ্গি = মোহৰঙ্গী
পীচ্ছ<পিচ্ছ	=	নেজ /ম'ৰাৰ নেজ
পৰহিণ<পৰিহীনা	=	পিন্ধা পৰিহিতা
সৱৰা	=	শক্তি, সাধনা সঙ্গিনী
গিৱত<গ্ৰীবা	=	ডিঙি, কণ্ঠ
গুঞ্জৰী	=	এবিধ ৰঙা মণি, লাতুৰ মণি
মালী	=	মালা, শাৰী, লঞ্জ

টিপ্পনী ঃ একেটি পদ কাণেৰে শুনিলে এনে লাগিব — মোহৰঙ্গা পিচ্ছ পৰিহীনা গীৱত গুঞ্জৰী মালী '— যাৰ অৰ্থ হ'ব, ডিঙিত মন্ত্ৰৰ পংক্তি বা মালা গুঞ্জৰী আছে ,গুণ গুণাই গাই আছে কিন্তু (ইপিনে) মোহৰ দ্বাৰা ৰঙোৱা পুচ্ছ। এনে এটা কষ্ট কল্পিত তাৎপৰ্য আগবঢোৱাৰ কাৰণ পিচৰ কেইটা পদত স্পষ্ট হ'ব। ময়ুৰ পুচ্ছই ইযাত মঞ্জুশ্ৰী সিদ্ধ কবীৰা তন্ত্ৰৰ মহামযুৰীক সূচাব পাৰে। মহামযুৰীক প্ৰাৰ্থনাৰ দ্বাৰা দীৰ্ঘ জীৱন, শিল্প ৰবযুগৰ পৰা ৰক্ষা আদি গৌণ সিদ্ধি লভিব পাৰি।

উমত সবৰো পাগল শবৰো মা কৰ গুলী গুহাডা তোহৌৰী	**ক্ষিপ্ত সাধকক বিভ্ৰাট নঘটাবা এয়া প্ৰাৰ্থনা তোমাৰ**

উমত সবৰো পাগল শবৰো	=	ক্ষিপ্ত সাধকক
মা কৰ	=	নকৰিবা
গুলী<গোল	=	অব্যৱস্থা, বিভ্ৰাট
গুহাডা	=	গোহাৰী, প্ৰাৰ্থনা
তোহৌৰী<তোহাৰি	=	তোমাৰ

টিপ্পনী ঃ প্ৰথম পদ আৰু দ্বিতীয় বাক্য পটি যি কোনো ব্যক্তিয়ে বিভ্ৰাটত পৰিব। পৰ্বৃত শিখৰত ময়ুৰ পুচ্ছ আৰু গুঞ্জমণি পৰিহিতা সবৰ বালিকাৰ উপস্থিতিত বিভ্ৰান্ত (উন্মত্ত, পাগল) সাধকে কিংকৰ্ত্তব্যবিমূঢ় হৈ প্ৰাৰ্থনা কৰিছে যাতে তেওঁক আৰু বিভ্ৰান্ত কৰা নহয়। দ্ৰষ্টব্য, ইযাত গীতৰ ৰচকে নিজৰ কথা কোৱা নাই — 'গোহাৰি' নিজৰ নহয, তোহাৰি — তোমাৰ । গীতকাৰে নিজৰ পথ সম্বন্ধে সুনিশ্চিত কাৰণ তেওঁৰ দেহত কেৱল সহজ সুন্দৰী, তাত আনৰ স্থল নাই।

ণিঅ ঘৰিণী নামে সহজ সুন্দাৰী	**নিজ দেহৰ অধিকাৰী সহজ সুন্দৰী**

নিঅ<নিজ	=	স্ব, আত্ম
ঘৰিণী<ঘৰণী	=	ঘৰৰ অধিকাৰিণী - দেহৰ অধিকাৰী
সহজ	=	সহজাত অনুভূতি
সুন্দাৰী	=	সুন্দৰী

টিপ্পনী ঃ গীতৰ ৰচকে কৈছে, সবৰৰ দৰে তেখেত বিভ্ৰান্ত নহয়, কাৰণ তেখেতৰ দেহ মনৰ অধিকাৰী সহজাত অনুভূতি। কিন্তু তেখেতৰ সহজাত অনুভূতিৰ চৰিত্ৰ সম্বন্ধে উক্তি স্পষ্ট নহয। সি সুখ শূন্য হ'ব পাৰে যদি ৰচনাকাৰ যোগতন্ত্ৰ অনুগামী আৰু মহাসুখ + তথতা হ'ব যদি গীতকাৰ অনুত্তৰ তন্ত্ৰ সমৰ্থক।

ণাণা তৰুৱৰ মৌলিল ৰে গঅণত লাগেলি ডালী	**বিভিন্ন বৃক্ষই কলি ধৰিলে শাখাই আকাশ (শূন্য) স্পৰ্শ কৰিলে।**

ণাণা তৰুৱৰ	=	বিভিন্ন বৃক্ষ
মৌলিল<মুকুলিত	=	কলি ধৰিলে,মঞ্জৰিত হ'ল
ৰে	=	হে

গঅণত<গগনত = আকাশত। কণ্ঠৰ বিশুদ্ধ চক্ৰ য'ত আবেগৰ বিলয় আৰু শূন্যতাৰ সৃষ্টি হয়

লাগেলি = স্পৰ্শ কৰিলে

ডালী<ডাল = শাখা

টিপ্পনী : মুকুলিত অথবা মৌলিশৰ সমাৰ্থ হ'ল মঞ্জৰিত। মঞ্জৰী বৌদ্ধ তন্ত্ৰত "আন্নাযা মঞ্জৰী" — যি কামদেৱৰ কাম ধাতুৰ অন্তৰ্গত। ইষ্ট দেৱ - দেৱীৰ কাম মূৰ্ত্তি ক্ৰিযা, চৰ্য্যা, যোগ আৰু অনুত্তৰ চাৰিও বিধ তন্ত্ৰতে ভিত্তি পথ স্বৰূপ, কেৱল ইযাৰ শিখৰ বিন্দু ভিন্ন ভিন্ন। চাৰিও বিধ তন্ত্ৰতে ইষ্ট মূৰ্ত্তি ধ্যানত দেৱ-দেৱীৰ যুগল মূৰ্ত্তি ধ্যান কৰা হয যাৰ ৰূপ (Lessing & Wayman P 168 169)

ক্ৰিযা তন্ত্ৰত = হাস্য

চৰ্য্যা তন্ত্ৰত = দৃষ্টি

যোগ তন্ত্ৰত = আলিঙ্গন

অনুত্তৰ তন্ত্ৰত = সঙ্গম

ইযাত ইষ্ট দেৱী = প্ৰজ্ঞা (insight), ইষ্টদেৱ = উপায (means), দেৱ-দেৱীৰ যুগল মূৰ্ত্তি কল্পনা অনুৰাগ কুলৰ অন্তৰ্গত। মঞ্জৰী অৰ্থাৎ কাম ভাবনা সৃষ্টি কৰে নিৰ্মাণ ৰতিযে (নইৰামণি)। চৰ্যাগীতৰ ৰচকে মঞ্জৰী যুক্ত বৃক্ষ শাখা গগন স্পৰ্শৰ দ্বাৰা বুজাইছে যে সাধকৰ কাম স্পৃহাই তেখেতৰ শূন্যতা ভাবক (গগনক) অস্থিৰ কৰি তুলিছে যি দেখ দেখকৈ বৌদ্ধ তন্ত্ৰৰ লক্ষ্য বিৰোধী।

একেলী সৱৰী এ বণ হিণ্ডই কৰ্ণ কুণ্ডল বজ্ৰধাৰী এজনী শক্তিযে অস্থিৰ কৰে এই বুদ্ধ বিচাৰবুদ্ধিৰ ধাৰা।

একেলী<এক = অকল, এজনী

সৱৰী<ঈশ্বৰী = শক্তি, সাধনা সঙ্গিনী, নিৰ্মাণৰতি

এ বণ = এই অৰণ্য/ধ্বনি, মন্ত্ৰ/জলধাৰা

হিণ্ডই< হিণ্ডলযতি = গতিশীল কৰে, অস্থিৰ কৰে

কৰ্ণ কুণ্ডল = কাণৰ কুণ্ডল। বুদ্ধৰ কুণ্ডলৰ অৰ্থ বিচাৰ বুদ্ধি, বিচক্ষণতা

বজ্ৰধাৰী<বজ্ৰধৰ = পূৰ্ণবুদ্ধ

টিপ্পনী : সাধনা সঙ্গিনী বা শক্তিযে কেৱল যে সাধকৰ শূন্যতাভাৱ অস্থিৰ কৰিছে তেনে নহয, মন্ত্ৰৰ ধাৰা (জপ ফল) তদুপৰি বজ্ৰধৰ বুদ্ধৰ কাণৰ কুণ্ডলো আন্দোলিত কৰিছে। বুদ্ধ কুণ্ডলে বৌদ্ধ তন্ত্ৰ শাস্ত্ৰত বিচাৰ বুদ্ধিৰ

(discretion) এটাৰ (Hevajra Tantra - quoted- The Buddhist Tantras - Alex Wayman Samuel Weiser New York) । সাধনা সঙ্গিনীয়ে সাধকৰ কামভাব জাগ্ৰত কৰি তেখেতৰ বিচাৰবুদ্ধি ভ্ৰষ্ট কৰিছে। বজ্ৰধৰ শব্দৰ ব্যৱহাৰে ভাষ্যকাৰ সকলক বিপাঙত পেলায —কাৰণ 'বজ্ৰধৰ' ক্ৰিয়া, চৰ্য্যা, যোগ আৰু অনুত্তৰ চাৰিটো তন্ত্ৰতে সৰ্ব্বোচ্চ বুদ্ধ ৰূপ। ইযাত 'হেৰুক' বা তেনে নিৰ্দ্দিষ্ট ইষ্ট দেবৰ উল্লেখে সুনশ্চিত কৰিলেহেতেন কোন তন্ত্ৰ সমৰ্থকৰ দ্বাৰা ৰচিত এই চৰ্যাগীত।

তিঅ ধাউ খাট পডিলা সৱৰো মহাসুহে সেজি ছাইলী

তিনি ধাতুৰ আসন বিস্তাৰিত হ'ল সাধকে আনন্দৰে বিস্তৃত হ'ল

তিঅ ধাউ	=	ত্ৰি ধাতু। জপ, পূজা, ধ্যান
খাট< খট্টা	=	আসন, শয্যা, খাট শব্দই মৰা শ নিযা চাঙ্গীও বুজায।
পডিলা/পাডিলা	=	বিস্তাৰিত হ'ল
সৱৰো	=	সাধকে
মহাসুহে	=	মহাসুখে অতি আনন্দৰে
সেজি< শয্যা	=	বিচনা
ছাইলী< ছাদিত	=	বিস্তাৰিত

টিপ্পনী ঃ চৰ্যাগীত মালাৰ আদি ভাষ্যকাৰ মুনিদত্তই 'তিঅ ধাউক ত্ৰি ধাতু বুজিলৈ তাৰ অৰ্থ কৈছে কায়, বাক, চিত্ত সুপ্ৰভাস্বৰে আদি কৰিছে। বৰ্ত্তমান চৰ্যাত ত্ৰি ধাতু কায, বাক, চিত হ'ব নোৱাঁৰে কাৰণ ইযাত অনুত্তৰ তন্ত্ৰৰ "বলশ অভিষেকৰ" বৰ্ণনা কৰা হৈছে। সাধকে কৰ্ম্মমুদ্ৰা যৌনাচাৰৰ আগতে জপ পূজা আৰু ধ্যানত পাৰদৰ্শিতা লভিব লাগিব। এই তিনিটাত সিদ্ধ হ'লেহে চতুৰ্থ অভিষেকত ভাগ ল'ব পাৰিব। দ্বিতীয সমস্যাৰ উদ্ভৱ হয, 'মহাসুহে' = মহাসুখে শব্দৰ ব্যৱহাৰৰ পৰা। মহাসুখ শব্দ অনুত্তৰ তন্ত্ৰত ব্যৱহাৰ হয সহজানন্দৰ অংশ স্বৰূপে। সহজানন্দ = তথতা + মহাসুখ। মহাসুখ আকৌ শূন্যতা + কৰুণা। আনহাতে যোগতন্ত্ৰ, ক্ৰিযাতন্ত্ৰ আৰু চৰ্য্যাতন্ত্ৰত 'সুখ' আছে, 'মহাসুখ' শব্দৰ ব্যৱহাৰ নাই। অনুত্তৰ তন্ত্ৰত মহাসুখৰ উৎপত্তি হয যৌন আচাৰৰ পিচত, খাট পাৰাৰ সমযত মহাসুখৰ উৎপত্তি নহয। এতেকে 'মহাসুখৰ' ব্যৱহাৰ ইযাত ব্যঙ্গাত্মক বুলিযে ধৰিব লাগিব।

সৱৰো ভুজঙ্গ নইৰামণি দাৰী পেস্ম ৰাতি পোহাইলী

সাধক বেশ্যাগামী, শক্তি (সাধনা সঙ্গিনী) বেশ্যা, ৰতি ক্ৰিয়াৰে ৰাতি পুৱালে

সৱৰো< ঈশ্বৰ	=	সাধক
ভূজঙ্গ	=	লম্পট, বেশ্যাগামী
ণইৰামণি<নির্মাণৰতি	=	সাধনা সঙ্গিনী
দাৰী< দ্বিচাৰিণী	=	চৰিত্ৰহীনা
পেম্ম< প্ৰেম	=	ৰতি ৰস
ৰাতি	=	ৰাত্ৰি, নিশা
পোহাইলী< প্ৰভাতিত	=	পুৱালে

টিপ্পনী ঃ এই বাক্যটোৱে বৰ্ত্তমান চৰ্যা গীতৰ স্বৰূপ উদঙাই দেখুৱায। সৱৰ বা তন্ত্ৰ সাধকক ভুজঙ্গ অৰ্থাৎ লম্পট বুলি সম্বোধন কৰিছে। ণইৰামণি যাক একাদিক্ৰমে সকলো টীকা ভাষ্যকাৰে 'নৈৰাত্মা দেৱী' কৰিছে বাস্তৱতে 'নির্মাণ ৰতি' অথবা নির্মাণৰতি মাযা (নৈৰাত্মাৰ ওপৰত বিশেষ টীকা চাওক) যাক অনুত্তৰে তন্ত্ৰই শাক্যমুনি সিদ্ধাৰ্থক পঞ্চ সম্বোধি দানৰ সমযত দশবুদ্ধই নিজ মাযাৰে সৃষ্টি কৰিছিল বুলি দাবী কৰে। সেই জনাই সাধনা সঙ্গিনী, সামযিক ভাৱে' শক্তি।' তেনে পূজ্যা 'শক্তিক' চৰ্যাকাৰে 'দাৰী' বুলি ঘোষণা কৰিছে। দাৰী শব্দৰ অৰ্থ অভিধানত 'ব্যভিচাৰী' অথবা 'পৰদাৰা গামী' ৰূপে দিযা আছে। ইযাৰ সম্ভৱত আন অৰ্থ দাৰিকাগামী। যিটো অৰ্থই লোৱা নাযাওক কিয — সাধক আৰু সাধনা সঙ্গিনী দুয়োজনকে লম্পট, ব্যভিচাৰী বোলা হৈছে। তান্ত্ৰিক যৌনাচাৰৰ নামত (?) দুয়োজনে সাধাৰণ পুৰুষ - স্ত্ৰীৰ দৰে ৰতিজ কাৰ্য্যত ৰাতি কটালে বা কটায।

হিঅ তাঁবোলা মহাসুহে কাপুৰ খাই — চিত্ত তামোল (ৰাগ), ৰেতঃ গ্ৰহণ কৰি

হিঅ< হৃদয	=	অন্তৰ, চিত্ত
তাঁবোলা< তাম্বুল	=	তামোল। ৰাগ
মহাসুহে	=	মহাসুখে
কাপুৰ<কর্পূৰ	=	ৰেতঃ
খাই	=	গ্ৰহণ কৰি

টিপ্পনী ঃ তাঁবোলা বা তাম্বুল গ্ৰহণ কৰিলে, মুখ ৰঙা অথবা 'ৰাগ' হয। গীত ৰচকে ইযাত তাঁবোলাৰ দ্বাৰা অনুৰাগ আৰু কর্পূৰ শব্দৰ দ্বাৰা ৰেতঃ বা শুক্ৰ বুজাইছে। এই এটা শব্দই বৰ্ত্তমান চৰ্যাগীত সংগ্ৰহৰ 'সন্ধি' শব্দৰ প্ৰযোগৰ উদাহৰণ - তাকো বাস্তৱ সন্ধি ভাষা ব্যৱহাৰ কৰা হেবজ্ৰতন্ত্ৰক উপলুঙা কৰি ব্যৱহৃত। অনুত্তৰ তন্ত্ৰত কৰ্ম্ম মুদ্ৰা যৌনাচাৰ পিছত স্খলিত শুক্ৰ পুনৰ সাধকৰ কণ্ঠত স্থাপন কৰা হয (মহামুদ্ৰা)। বৰ্ত্তমান ।তৰ ৰচকে সাধক আৰু

সাধনা সঙ্গিনীৰ সাধাৰণ সঙ্গমক তান্ত্রিক আচৰণৰ আবুৰ দিয়া বুলি কৈ ময়ুৰ পুচ্ছ আৰু গুঞ্জমণি পৰিহিত সবৰ সবৰীৰ দ্বাৰা তাম্বুল-কর্পূৰ গ্রহণ কৰাই বিপৰীত, বিসদৃশ হাস্যৰসৰ সৃষ্টি কৰিছে। দ্বিতীয় অর্থ হ'ব পাৰে কর্পূৰ এবিধ উদ্বায়ী (volatile) পদার্থ। সাধক আৰু সাধনা সঙ্গিনীৰ 'ৰাগ' কর্পূৰৰ দৰে উৰি যাব, তাৰ চিন মোকাম নাথাকে।

সুন নিৰামণি কণ্ঠে লইআ মহাসুহে ৰাতি পোহাই শূন্য নির্মাণৰতি কণ্ঠত ৰাখি মহাসুখত ৰাতি কাটে

সুন	=	শূন্য
নিৰামণি	=	নির্মাণ ৰতি
কণ্ঠে লইআ	=	কণ্ঠত ৰাখি
মহাসুহে ৰাতি পোহাই	=	মহাসুখত ৰাতি কাটে

টিপ্পনী ঃ বর্ত্তমান শাৰী বাক্য সমস্ত চর্যাগীতটিৰ সাধাৰণ গতিদিশৰ বিপৰীতে যায। আমাৰ পূর্ব্বৰ ভাষ্যকাৰ সবে নিৰামণিক - নৈৰাত্মাদেৱী বুজিছে। নৈৰাত্মা শব্দ অন্বয কৰিলে পাম — নি ঃ + আত্ম > নিৰাত্ম + ষ্ণ = নৈৰাত্ম - স্ত্রী লিঙ্গ = নৈৰাত্মা, যাৰ ইংৰাজী অনুবাদ (no self) আৰু ইযাৰ পালিভাষাত মূল শব্দ অনাত্তা, যাৰ অর্থ 'নিজ' বোলা কোনো সত্ত্বা নাই। অতএৱ 'নৈৰাত্মা' আৰু 'শূন্য' সম্পূর্ণ একে নহলেও সমধর্ম্মী। তেনে ক্ষেত্রত সাধকৰ কণ্ঠত সুন আৰু নিৰামণি দুটা একেলগে কিয স্থাপন কৰিলে গীতৰ ৰচকে? অনুত্তৰ তন্ত্রত, কণ্ঠৰ সর্ব্বশূন্য অনুভূতি গুচাবৰ বাবে যৌনাচাৰ জনিত স্খলিত ৰেতঃ সাধকৰ কণ্ঠত স্থাপন কৰা হয তেতিযাই মহাসুখৰ উদ্ভৱ আৰু সর্ব্বশূন্য ভাৱ কৰুণা + তথতালৈ ৰূপান্তৰিত হয। এইযেই যুগপৎ জাত অনুভূতি অথবা সহজানন্দ। ইযাত গীত ৰচকে এই আচাৰক সমর্থন কৰিছে নে গৰিহনা দিছে ধৰিব নোৱাৰি।

গুৰুবাক পুঞ্ছআ বিন্ধ নিঅ মণে বাণে গুৰুৰ উপদেশ সুধি নিজৰ চিত্ত কাঁড়েৰে ভেদ কৰা

গুৰুবাক	=	গুৰুবাক্য, গুৰুৰ উপদেশ
পুঞ্ছআ<পুঞ্ছিযা	=	প্রশ্ন সুধি, জিজ্ঞাস কৰি
বিন্ধ	=	বিন্ধা, ভেদ কৰ (transfix)
নিঅ<নিজ	=	নিজৰ, স্ব
মণে<মন	=	চিত্ত
বাণে	=	কাঁড়েৰে

টিপ্পনী ঃ বৰ্ত্তমান চৰ্যাৰ প্ৰকৃত ৰূপ এই বাক্যৰ দ্বাৰা উদ্‌ঘাটন হৈছে "গুৰুৰ উপদেশ লৈ নিজৰ মনক, নিজৰ চিত্ত চাঞ্চল্যক কাঁড়েৰে শালি পেলোৱাৰ দৰে নিশ্চল কৰা।" পৰোক্ষাৰ্থত সবৰ - সবৰীৰ কাৰ্য্যত অংশ লবলৈ বাৰণ কৰিছে, কাৰণ—"একেলী সবৰী এ বণ হিণ্ডই কৰ্ণ কুণ্ডল বজ্ৰধাৰী।" মনৰ সুবিচাৰ সবৰীয়ে চঞ্চল কৰি তোলে।

একে শৰসন্ধানে বিন্ধহ বিন্ধহ পৰম নিবাণেঁ এডাল কাঁৰেৰেই পৰম নিৰ্ব্বাণলৈ ভেদ কৰা

একে শৰসন্ধানে	=	এডাল কাঁৰেৰেই
বিন্ধহ বিন্ধহ	=	ভেদ কৰা, ভেদ কৰা
পৰম নিবাণেঁ	=	পৰম নিৰ্ব্বাণলৈ

টিপ্পনী ঃ ধনুৰ কাঁড়ৰ দ্বাৰা লক্ষ্যভেদ উদাহৰণ বিভিন্ন তন্ত্ৰত দেখা যায়। শ্ৰীবগলামুখী তন্ত্ৰতো আছে -"গুৰুভক্তি নিষ্ঠাবল যে অৰ্জুনৰ হয়। এ কাৰণে চক্ৰ ভেদ অনাযাসে কৰয।" ইযাতো গীত ৰচকে শ্ৰোতাক একাগ্ৰমন হৈ পৰম নিৰ্ব্বাণক লক্ষ্য ৰাখি আগবাঢিব দিছে। যৌনাচাৰ জাতীয চিত্ত বিক্ষেপ কৰা কাৰ্য্যৰ পৰা আঁতৰি থাকিব কৈছে, কাৰণ সবৰৰ অবশেষত কি হ'ল গীতৰ শেষৰ পদ দুটাত বৰ্ণনা কৰিছে। যোগাচাৰ তন্ত্ৰত মনৰ একাগ্ৰতাই নিৰ্ব্বাণৰ পথৰ বাহন।

উমত সবৰো গৰুআস ৰোষে ক্ষিপ্ত সাধকৰ ধৰ্ম্মাসন ক্ষুব্ধ/ৰুষ্ট

উমত	=	উন্মত্ত, ক্ষিপ্ত
সবৰো	=	সাধক
গৰুআস<গুৰু আসন	=	ধৰ্ম্মাসন, ধৰ্ম্মপীঠ (এই অৰ্থ বৈষ্ণৱ সবৰ মাজত এতিযাও ব্যৱহৃত)
ৰোষে	=	ৰুষ্ট, ক্ষুব্ধ

টিপ্পনী ঃ যৌনাচাৰী সাধক উন্মত্ত, ক্ষিপ্ত। অৰ্থাৎ সাধকে মনঃ স্থিৰতা হেৰুৱালে আৰু ধৰ্ম্মাসন ৰুষ্ট হ'ল। সাধাৰণ ভাষাত, এই'ব্যভিচাৰ' ধৰ্ম্মপৰিপন্থী আৰু সাধকক নিৰ্বাণৰ ঠাইত উন্মত্ত হোৱাৰ পথ দেখুৱায। এনে কাৰ্য্যই ধৰ্ম্মক তুষ্ট নকৰি ৰুষ্ট হে কৰে।

গিৰিবৰ সিহৰ সন্ধি পইসন্তে সবৰো লোড়িব কইসেঁ। যোনিত সোমালে,মেৰুদণ্ড শিহৰিত সাধকক বিচাৰি পাবা কিদৰে?

গিৰিবৰ	=	বৃহৎ পৰ্ব্বত = মেৰু পৰ্ব্বত = মেৰুদণ্ড

সিহৰ<শিহৰিত = কম্পিত। সিহৰ = শিখৰ
সন্ধি = যোৰা, ফাট, যোনিদ্বাৰ, মিলন স্থল
পইসন্তে<প্ৰবিশতি = সোমায
সবৰো = সাধকক
লোডিব<লোৰ = সংগ্ৰহ কৰ, বিচাৰি ফুৰ (হেমকোষ)
কইসেঁ = কেনেকৈ, কি দৰে।

টিপ্পনী ঃ গিৰবৰ শব্দই ইয়াত মেৰু অৰ্থাৎ ৰাজহাঁড় বুজাইছে যি শিহৰিত হয বীৰ্য্য স্খলনৰ সময়ত। যোনিদ্বাৰ প্ৰবেশৰ পিচত সাধকক ক'ত বিচাৰি পাবা? পোন ভাষাৰে কবলৈ হ'লে, গীত ৰচকে গাইছে — বীৰ্য্য স্খলনৰ শিহৰণ এবাৰ অনুভব কৰিলে আৰু যোনিত এবাৰ প্ৰবেশ কৰিলে তন্ত্ৰ সাধক আৰু সাধক হৈ নাথাকে -তেওঁ ক্ষিপ্ত হৈ যায, যদিও এই কাৰ্য্য শুৰু আসন কষ্ট কৰে, অৰ্থাৎ ই ধৰ্ম্ম বিৰোধী। এই একে অৰ্থৰে বাক্য চৰ্যা নং ২পাওঁ 'ৰাতি ভইলে কামৰু জাঅ", চৰ্যা ৩৩ ত গাইছে "বেগ সংসাৰ বডহিল জাঅ (ৰেতঃ স্খলনৰ ইচ্ছা সংসাৰত ক্ৰমশঃ বাঢিহে যায)। বিনযশ্ৰীযে একে অৰ্থত 'সিহৰত লাম্বী" ব্যৱহাৰ কৰিছে (চৰ্যাগীতি পদাৱলী সু ঃসেঃ পৃ ঃ ১৬৮)।

দেখ দেখ যৌনাচাৰ বিৰোধী গীত এটাক আজি প্ৰায় এশ বছৰে পণ্ডিত সকলে শবৰ - শবৰীৰ সম্ভোগ মিলনৰ স্থল, যৌন বৰ্ণনা ৰূপে গ্ৰহণ কৰিছে। এইটো সম্পূৰ্ণ ঠাট্টা বা প্ৰহসন ৰূপত লিখা গীত য'ত অনুত্তৰ তন্ত্ৰৰ যৌনাচাৰক উপহাস (lampoon) কৰি গাইছে - ই ধৰ্ম্মৰ নামত কৰা সাধাৰণ যৌন সঙ্গম, ইযাৰ দ্বাৰা সাধকে দৈহিক আনন্দই কেৱল পাব, নিৰ্ব্বাণ নাপায। নিৰ্ব্বাণৰ পথ মাত্ৰ এটা, নিজৰ মনক অচঞ্চল কৰা। এবাৰ নাৰী সঙ্গমৰ অভিজ্ঞতা লভিলে সাধক আৰু প্ৰকৃত সাধক হৈ নাথাকে, তেওঁ ক্ষিপ্ত হৈ যায। শবৰক এনেদৰে বৰ্ণনা কৰা গীতটো সিদ্ধ শবৰীপাদে ৰচনা কৰাটো বিশ্বাস কৰিবলৈ টান। ◆◆

২৯

ৰাগ-পটমঞ্জৰী ঃ লুইপাদানাম্

মূলপাঠ	আধুনিক ভাষান্তৰ/অৰ্থ
ভাব নহ্নেহি অভাব গজাই ।	জগৎ সৃষ্ট নহয়, অবিদ্যমানতাও লোপ নাপায

আইস সংবোহেঁ কো পতিআই।।	এনে সঙ্গত জ্ঞান কোনে বিশ্বাস কৰে?
লুই ভণই বট দুলক্‌খ বিণাণা।	লুযে কয ই শ্রেষ্ঠ (কিন্তু) দুর্লভ জ্ঞান।
তিঅ ধাএ বিলসই উহ ণা ঠাণা।।	ত্রিধাতুৰ ক্রিযা কৰা সকলৰ বাবে সেইস্থান নহয়।
জাহেৰ বান চিহ্ন ৰূব ণ জাণী।	যিহৰ ৰূপ বৰ্ণ লক্ষণ অজ্ঞাত
সো কইসে আগম বেএঁ বখাণী।।	তাক কেনেকৈ তন্ত্রশাস্ত্র,বেদে বখানিব
কাহেৰে কিষ ভণি মই দিবি পিৰিচ্ছা।	কাৰ আগত কিভাবে মই প্রশ্নোত্তৰ দিম।
উদক-চাদ জিম সাচ ন মিচ্ছা।।	জল প্রতিফলিত চন্দ্র যিদৰে সচাও নহয মিছাও নহয।
লুই ভণই [মই] ভাইব কীষ।	লুইযে কয মই কিদৰে সমাধান দিম।
জা লই অচ্ছম তাহেৰ উহ ণ দিস।।	যেযে এযা গ্রহণ কৰিবলৈ অক্ষম তেওঁৰ সেইটো দিশ নহয।

টিপ্পনী ঃ বৌদ্ধ মন্ত্রযানৰ অন্যতম আদি আচাৰ্য্য লুইপা শ্রী ভগবৎ অভিসময নামা, অভিসময বিভঙ্গ আৰু বজ্রসত্ত্ব সাধন গ্রন্থৰ ৰচক স্বৰূপে মন্ত্রযান পথৰ বাটকটীযা আছিল বুলি স্বীকাৰ কৰিব লাগিব। আনহাতে লুইপাৰ বৰ্তমান সংগ্রহত স্থান পোৱা দুযোটা চৰ্যাগীতেই (নং ২ আৰু নং ২৯) সামুহিক বৌদ্ধ দৰ্শনকে বিষয বস্তু স্বৰূপে লৈছে। বৌদ্ধ তন্ত্রতকৈ বেদান্ত আৰু আদি বৌদ্ধ ধৰ্ম্মত (মহাযান পন্থা ফালৰি কটাৰ আগৰ) বিতং ভাবে আলোচিত শূন্যবাদক ভিত্তি কৰি বৰ্তমান চৰ্যা ৰচিত। সংসাৰৰ সকলো বস্তুৱে জলবিন্দুত প্রতিফলিত আকাশৰ চন্দ্রৰ দৰে। দৰ্শকৰ বাবে জলবিন্দুত চন্দ্রৰ স্থিতি আছে কিন্তু বাস্তবতে সি জলবিন্দুৰ বাদে একো নহয । শূন্যতাবোধ এনে এক ভাব য'ত অস্তিত্বও নাই নাস্তিত্বও নাই যাৰ কোনো বৰ্ণ, চিহ্ন নাই যাক বেদ আৰু তন্ত্র শাস্ত্রই বৰ্ণাব নোৱাৰে তেনে এক বিষয সম্বন্ধে ধাৰণা অক্ষম সকলৰ বাবে বৌদ্ধ তন্ত্রৰ পথ সুচল নহয। অৰ্থাৎ তেনে ধাৰণা অক্ষম সকলে সিদ্ধি লভিব নোৱাৰে। এইটো চৰ্যা বাস্তবতে উচ্চ ক্রিযাতন্ত্র বা যোগতন্ত্রৰ ধ্যান মাৰ্গৰ দৰ্শন বৰ্ণাইছে যি মতে জগতৰ সকলো কথাই একে সমযতে সত্য আৰু মিথ্যা বুলি স্বীকাৰ কৰে। এই আপেক্ষিক বাদ আৰ্য্য নাগাৰ্জ্জুনৰ মধ্যমিকা দৰ্শন। পানীত প্রতিফলিত চন্দ্রৰ উদাহৰণ মধ্যযুগৰ ভাৰতৰ প্ৰায সকলো ধৰ্ম্ম গুৰুৱে শ্রীমন্ত শঙ্কৰদেৱেও একেটা উদাহৰণেই ব্যৱহাৰ কৰিছে তেখেতৰ গ্রন্থত।

ভাব ন হোই অভাব ণ জাই জগৎ সৃষ্ট নহয, অবিদ্যমানতাও লোপ নাপায।

ভাব-ভব	=	সংসাৰ জগৎ
ন হোই	=	নহয, অসৃষ্ট

অভাৱ<অভৱ = অবিদ্যমানতা, অসত্ৰা, অনুপস্থিতি
ণ জাই = নাযায লোপ নহয।

টিপ্পনী ঃ ঋক বেদৰ 'যেতিয়া অস্তিত্বও নাছিল নাস্তিত্বও নাছিল' বাক্যৰ এয়া বৌদ্ধ ৰূপান্তৰণ। সাধাৰণ অসমীযাত ইযাৰ অৰ্থ, পঞ্চ স্কন্ধ অনুভূতি অনুসৰি জগৎ 'আছে' , অতএব নাস্তিত্বহীন। আনহাতে ইযাৰ কোনো সাৰ নাই অতএব ইযাৰ অস্তিত্ব নাই, ই সৃষ্টিই হোৱা নাই। শ্ৰী শঙ্কৰাচাৰ্য্যৰ বেদান্তসাৰৰ দৰ্শন সম্পূৰ্ণ এই নীতিৰ ওপৰত প্ৰতিস্থিত।

আইস সংবোহেঁ কো পতিআই এনে সঙ্গত জ্ঞান কোনে পতিযায

আইস<আদৃশ = এনেকুৱা
সংবোহেঁ <সংবোধি = সঙ্গত জ্ঞান
কো <কঃ = কোনে
পতিআই<প্ৰত্যাণযতি = বিশ্বাস কৰে, পতিযায

লূই ভণই বট দুলৰ্ক্খ বিণাণা লূই কয ই শ্ৰেষ্ঠ (কিন্তু) দুৰ্লভ জ্ঞান

লুই ভণই = লূই পায কয
বট<বঢ = শ্ৰেষ্ঠ, বৃহৎ
দুলৰ্ক্খ<দুৰ্লক্ষ্য = কষ্ট লক্ষ্য, অলক্ষ্য
বিণাণা<বিজ্ঞান = জ্ঞান, বিশ্লেষণ জাত জ্ঞান

তিঅ ধাএ বিলসই উহ ণা ঠাণা ত্ৰিধাতুৰ ক্ৰিযা কৰা সকলৰ বাবে সেইটো স্থান নহয।

তিঅ ধাএ = ত্ৰি ধাতু (চৰ্যা ২৮ তিঅ -ধাউ চাওক)
বিলসই = বিলাস কৰে, খেলা কৰে
উহ< উহা = সেইটো
ণা = নহয
ঠাণা<স্থান = ঠাইত

টিপ্পনী ঃ ত্ৰি ধাতু সেই স্থানত খেলা নকৰে ' এই বাক্যটোৰ অৰ্থ কেবা ধৰণে কৰিব পাৰি। ত্ৰিধাতু শব্দ বৌদ্ধ তন্ত্ৰ শাস্ত্ৰত বিভিন্ন অৰ্থত ব্যৱহাৰ কৰা হয — ঘাইকৈ কায - বাক্য - চিত্ত অথবা জপ-পূজা - ধ্যান। বৰ্ত্তমান ক্ষেত্ৰত লুই পাই কোন তিনিটা ধাতুৰ শূন্যতা জ্ঞানৰ উপলব্ধি সৃষ্টিত কোনো ভূমিকা (role) নাই বুলি কৈছে বুজাটো টান। আন চৰ্যাগীত সমূহত জপ-পূজা-ধ্যানৰ দ্বাৰা শূন্যতাজ্ঞান উদ্ভব হয বুলি কৈছে (চৰ্যা ২৮ চাওক), আনহাতে লুইং

জপ-পূজা-ধ্যানৰ ইযাত কোনো ভূমিকা নাই বুলি কোৱাটো আচৰিত হ'ব লগীয়া কথা। চৰ্যা নং ১ টো লুইপাই গাইছে ধমণ চমণ বেণি পাত্তি বইণ।" যাৰ অৰ্থ প্ৰাণাযামেই মূল বা ভিত্তি। দেখা যায লুইপা কেৱল প্ৰাণাযামৰ সমৰ্থক, অৰ্থাৎ হঠ যোগৰ দ্বাৰা শূন্যতা উপলব্ধি কৰিবলৈ উপদেশ দিছে।

বিনযতোষ ভট্টাচাৰ্য্যই তেখেতৰ The Indian Buddhist Iconography গ্ৰন্থত (P 26) লিখিছে। গুহ্য সমাজ তন্ত্ৰৰ মতে ছমাহৰ পিচতো সাধক সিদ্ধি লাভত সফল নহ'লে পুনৰ তিনিবাৰ কৈ মুঠ দু-বছৰ কাল ত্ৰি-ধাতুৰ সাধনা যোগাভ্যাস কৰিব লাগে। তেতিযাও সফল নহ'লে হঠ যোগৰ আশ্ৰয লোৱা উচিত। লুইপাই গাইছে প্ৰাণাযামেই সৰ্ব্বোত্তম উপায শূন্য অনুভূত হ'বলৈ। প্ৰাণাযামেই হঠ যোগৰ উপাদান আৰু ক্ৰিযাতন্ত্ৰৰ প্ৰধান সাধনোপায।

জাহেৰ বানচিহ্ন ৰূব ণ জাণী যিহৰ ৰূপ, বৰ্ণ, লক্ষণ অজ্ঞাত

জাহেৰ<জাহাৰ	=	যাৰ, যিহৰ
বান<বৰ্ণ	=	ৰঙ, বৰণ
চিহ্ন	=	লক্ষণ
ৰূৱ<ৰূপ	=	ৰূপ, আকৃতি, প্ৰকাৰ, সৌন্দৰ্য্য
ণ জাণী	=	নাজানি জানিব নোৱাৰি, অজ্ঞাত

সো কইসে আগম বেএঁ বখাণী তাক কেনেকৈ তন্ত্ৰশাস্ত্ৰ বেদে বখানিব (প্ৰশংসিব)

সো	=	তাক
কইসে	=	কেনেকৈ
আগম	=	লিখিত তন্ত্ৰ শাস্ত্ৰ
বেএঁ<বেদে	=	বেদৰ দ্বাৰা
বখাণী<বখননা<ব্যাখ্যানিত	=	প্ৰশংসিত, বখানিব

কাহেৰে কিষ ভণি মই দিবি পিৰিচ্ছা কাৰ আগত কিভাবে মই প্ৰশ্নোত্তৰ দিম

কাহেৰে< কস্য	=	কাৰ
কিষ<কিম্	=	কি
ভণি	=	কই, কম
মই	=	অহং, স্ব, নিজ
দিবি	=	দিম
পিৰিচ্ছা<পৃচ্ছা	=	প্ৰশ্ন। ইযাৰ প্ৰশ্নোত্তৰ অৰ্থত ব্যৱহৃত। "মই কি পৰীক্ষা দিম", সদৃশ ব্যৱহাৰ।

উদক-চান্দ জিম সাচ ন মিচ্ছা **জলপ্ৰতিফলিত চন্দ্ৰ যিদৰে সঁচাও নহয় মিথ্যাও নহয়।৮**

উদক - চান্দ	=	পানীত - চন্দ্ৰ। পানীত প্ৰতিফলিত চন্দ্ৰ
জিম<জিমত	=	যেনে দৰে
সাচ< সছ	=	সত্য
ন মিচ্ছা	=	নহয় মিথ্যা

টিপ্পনী ঃ মধ্য যুগৰ ভাৰতৰ ধৰ্ম্মীয় সাহিত্যত সঘনে ব্যৱহৃত উদাহৰণ— পানীত প্ৰতিবিম্বিত চন্দ্ৰ কেৱল দৰ্শকৰ বাবে সত্য। পানীৰ কম্পনে প্ৰতিবিম্বক কঁপায, আকাশৰ চন্দ্ৰ স্থিৰ অৱস্থাতে থাকে। ব্যক্তিৰ মানসিক চাঞ্চল্যাই তেওঁৰ জাগতিক চাঞ্চল্যৰ উৎস।

লুই ভণই (মই) ভাইব কীষ **লুইযে কয মই কিদৰে সমিধান দিম**

লুই ভণই (মই)	=	লুযে কয (মই)
ভাইব<ভাবিব<ভাবিতব্য	=	চিন্তা কৰিম, সমিধান দিম
কীষ<কীদৃশ	=	কি দৰে

জা লই অচ্ছম তাহেৰ উহ ণ দিস **যেযে এযা গ্ৰহণ কৰিবলৈ অক্ষম তেওঁৰ সেইটো দিশ নহয।**

জা<যাৰ<যস্য	=	যি জন
লই <লব<লব্ধ	=	গ্ৰহণ
অচ্ছম<অক্ষম	=	ক্ষমতাহীন, অপাৰগ
তাহেৰ <তাহাদেৰ	=	তেওঁলোকৰ
উহ <উহা	=	সেইটো (that)
ণ	=	নহয
দিস<দিশ	=	দিক, লক্ষ্য

টিপ্পনী ঃ যি সকলে বেদ, আগমৰ দ্বাৰা প্ৰশংসা অসম্ভৱ, প্ৰতিবিম্বৰ চন্দ্ৰৰ দৰে সঁচাও নহয, মিছাও নহয, যি ৰূপ, বৰ্ণ, লক্ষণহীন, কায, বাক্য, চিত্ত, জপ, পূজা, ধ্যানৰ উৰ্দ্ধত, যাৰ অস্তিত্বও নাই, নাস্তিত্বও নাই তেনে শ্ৰেষ্ঠ, দুৰ্লভ জ্ঞান গ্ৰহণ কৰিবলৈ অক্ষম, তেনে সাধকৰ বাবে বৌদ্ধ তন্ত্ৰৰ বাট প্ৰকৃত পথ নহয। শূন্যতা উপলব্ধি অক্ষম সাধকে বৌদ্ধ তন্ত্ৰ পথ এৰি আন সাধনাৰ বাট লোৱা উচিত এযাই লুইপাৰ অভিমত। ◆◆

৩০

ৰাগ - মল্লাৰী ঃ ভুসুকুপাদানাম্

মূলপাঠ	আধুনিক ভাষান্তৰ/অৰ্থ
করুণ মেহ নিৰন্তৰ ফৰিআ।	করুণা মেঘ নিৰন্তৰ দীপ্ত।
ভাৱাভাৱ দ্বন্দ্বল দলিআ।।	অস্তিত্ব - অনস্তিত্বৰ দ্বন্দ্ব চূৰ্ণিত।
উইত্তা গঅণ মাঝেঁ অদভুআ।	শূন্যত (আকাশত) এক অপূৰ্ব্ব উদয
পেখৰে ভুসুকু সহজ সৰুআ।।	ভুসুকু চা সহজৰ স্বৰূপ।
জ্যাসু সুণন্তে তুট্টই ইন্দিআল।	সেযেই শূন্যৰ অন্তত কুহক অন্ত কৰে।
নিহুৰে নিঅমন ণ দে উলাস।।	প্রবঞ্চনাত/নিঃসঙ্গতাত নিজমন উল্লসিত নহয়।
বিসঅ বিশুদ্ধিঁ মই বুঝ্ঝিঅ আনন্দে।	সা˛সাৰিক আনন্দৰ বিশুদ্ধি মই অনাযাসে বুজি পাওঁ।
গঅণহ্ জিম উজোলি চাদে।।	আকাশখন চন্দ্রই (মনে) উজলোৱাৰ দৰে
এ তৈলোএ এত বিষাৰা।	ত্রিভুবনত এযেই সৰ্ব্বোত্তমে।
জোই ভুসুকু ফেডই অন্ধকাৰা।।	যোগী ভুসুকে অন্ধকাৰ (অজ্ঞতা) ফালি পেলালে।

টিপ্পনী ঃ ভুসুকুপাৰ বৰ্ত্তমান চৰ্যাগীতটি এটা গতানুগতিক অনুত্তৰ তন্ত্রৰ সমৰ্থনত ৰচিত গান। ভুসুকুপাই গাইছে, নি˛সঙ্গতা যি যোগতন্ত্রৰ অন্যতম ভিত্তি, সাধকৰ মন বিমৰ্ষ কৰি তোলে। যোগতন্ত্রৰ শূন্যতাবাদৰ অনুগামীযে সংসাৰৰ সকলো হৰ্ষ, সম্ভোগ, তৃপ্তিকেই অবিশুদ্ধ গুণি অগ্রাহ্য কৰে। আনহাতে যি সাধকৰ মনত করুণাৰ উদ্রেক হয, তেখেতে সংসাৰত জীযাই থকাটো নিৰানন্দৰ উৎস বুলি স্বীকাৰ নকৰে। চন্দ্রই আকাশ খন উজ্জ্লাই ৰখাৰ নিৰ্চিনাকৈ জীৱৰ প্রতি থকা করুণা বা বেথা ভাৱে শূন্যৰে সৃষ্ট ইন্দ্রজাল ফালি সাঁধকক জ্ঞান দিযে যে ত্রিলোকৰ ভিতৰত এযেই সৰ্বোত্তমে।

করুণ মেহ্ নিৰন্তৰ ফৰিআ করুণা মেঘ নিৰন্তৰ দীপ্ত

করুণ = করুণা, বেথা, চেনেহ
মেহ্<মেঘ = আকাশৰ মেঘ।মেহ = ৰেতঃক্ষৰণ
নিৰন্তৰ = সৰ্ব্বদা, নিৰবচ্ছিন্ন, নিৰন্তৰ
ফৰিআ<ফাডিযা = ফালি, চ্ছেদ কৰি। ফৰিআ< স্ফুৰিত = দীপ্ত

টিপ্পনী ঃ প্রথম পদটোৱে অনুত্তৰ তন্ত্রৰ ৰেত˳ ক্ষৰণৰ লগত করুণাৰ উদ্ভবৰ কথা পৰোক্ষ ভাৱে কব পাৰে, কিন্তু যতদূৰ সম্ভৱ 'মেহ' শব্দই মেঘক

সূচাইছে যিযে অজ্ঞতাৰ আবৰণক প্ৰতিনিধিত্ব কৰিছে। কৰুণাই মেঘ ফালি ভুমুকি মাৰিছে।

ভাৱাভাৱ দ্বন্দল দলিআ অস্তিত্ব অনস্তিত্বৰ দ্বন্দ্ব চূৰ্ণ কৰি

ভাৱাভাৱ<ভাৱ অভাৱ = অস্তিত্ব + অনস্তিত্ব
দ্বন্দ্বল<দন্দ্বল = দ্বন্দ্ব, কাজিয়া, বিবাদ
দলিআ< দল = দলন কৰি, চূৰ্ণ কৰি

উইত্তা গঅণ - মাঝেঁ অদভূআ শূন্যত (আকাশত) এক অপূৰ্ব্ব উদয

উইত্তা< উদিত = উঠিছে, উদিত
গঅণ<গগন = আকাশ, শূন্যতাবোধ
মাঝেঁ = মধ্যে, মাজত
অদভূআ<অদ্ভুত = অপূৰ্ব্ব বস্তু, আচৰিত বস্তু

পেখৰে ভুসুকু সহজ সৰুআ ভুসুকু চা সহজৰ স্বৰূপ

পেখ<প্ৰেক্ষ = চা, দৃষ্টি নিক্ষেপ কৰ
ৰে = হে
ভুসুকু = ভুসুকু (গীত ৰচক)
সহজ = সহজাত অনুভূতি (তথতা + মহাসুখ)
সৰুআ<স্বৰূপ = প্ৰকৃত ৰূপ

জাসু সুণন্তে তুট্টই ইন্দিআল যি শূন্যৰ অন্ত হ'লে কুহক ধ্বংস হয

জাসু = যাৰ যিহৰ
সুণন্তে<শূন্য + অন্তে = শূন্য অন্ত হ'লে, শূন্যভাৱ শেষ হ'লে
তুট্টই<ত্ৰুট্যতে = ভাঙি যায, ধ্বংস হয
ইন্দিআল<ইন্দ্ৰজাল = ভোজবাজী, কুহক

টিপ্পনী ঃ ভুসুকুপাই শূন্যবোধকো কুহক, অৰ্থাৎ সাধকে নিজে সৃষ্টি কৰা মায়া বুলি গাইছে।

নিহুৰে নিঅমন ণ দে উলাস প্ৰবঞ্চনাত/নিৰ্জনত আপোনচিত্ত আনন্দিত নহয

নিহুৰে<নিভৃতে? = অকলশৰে। নিহুৰে<নিহ্নুতে = প্ৰতাৰণা
নিঅমন<নিজমন = চিত্ত
ণ দে = নিদিযে
উলাস<উল্লাস = আনন্দ, আহ্লাদ

টিপ্পনী ঃ 'নিহুৰে' শব্দ বৰ্ত্তমান অব্যবহৃত হেতু তাৰ প্ৰকৃত অৰ্থ দৃঢভাৱে কোৱা টান। মুনিদত্তই 'নিহুৰে' শব্দৰ অৰ্থ 'নিভৃতে' বুলি লৈছে, সুকুমাৰ সেনে সেই অৰ্থহি গ্ৰহণ কৰিছে। " নিৰ্জনতাত বা নিঃসঙ্গতাত তন্ত্ৰ সাধকৰ মন আনন্দিত নহয়," এইযেই হ'ব বাক্যটোৰ মানে। আনহাতে তন্ত্ৰ সাধকে নিৰ্জনতাই পছন্দ কৰিব, সেইটোই স্বাভাৱিক। 'নিহুৰে' যদি সংস্কৃত শব্দ 'নিহ্নুতেৰ' পৰা উদ্ভৱ, তাৰ অৰ্থ হ'ব 'প্ৰতাৰণা। ইযাৰ পিচৰ বাক্যত ভুসুকুপাদে কৈছে - বিষয বিশুদ্ধি মই আনন্দেৰে বুজি পাওঁ। তেনেস্থলত প্ৰথম বাক্যৰ অৰ্থ হ'ব, বিষয আনন্দ বুজি নাপাওঁ বা উপভোগ নকৰো বুলি কোৱাটোও এক ধৰণৰ প্ৰতাৰণা। সাধকে নিজকে প্ৰবঞ্চনা কৰিছে, সেযেহে তেওঁৰ মনত আনন্দ নাই। ইযাত মনত্ পেলাব লাগিব, ক্ৰিযা, চৰ্য্যা আৰু যোগাচাৰ তন্ত্ৰৰ সাধক সকলে (মন্ত্ৰযান) নাৰীসঙ্গ পৰিহাৰ কৰে, আনহাতে মহা, অতি আৰু অনুত্তৰ তন্ত্ৰই (বজ্ৰযান) যৌনাচাৰ সমৰ্থন কৰে। অনুত্তৰ তন্ত্ৰৰ সাধক ভুসুকু পাই গাইছে — আত্ম প্ৰবঞ্চনাই (যৌন বিৰতি) সাধকক নিৰানন্দ চিত্ত কৰে, সহজেই (তথতা + মহাসুখ) কেবল শূন্যৰ কুহক ভাঙি সাধকৰ মন উদ্ভাসিত কৰিব।

বিসঅ বিশুদ্ধিঁ মই বুঝ্‌ঝিঅ আনন্দে ইন্দ্ৰিয়গ্ৰাহ্য সুখৰ বিশুদ্ধতা মই অনাযাসে বুজিছো।

বিসঅ<বিষয	=	ইন্দ্ৰিযগ্ৰাহ্য বস্তু (ৰূপ, ৰস, গন্ধ, স্পৰ্শ আদি)
বিশুদ্ধিঁ	=	বিশুদ্ধতা, নিৰ্দোষ গুণ
মই	=	অহং, স্ব, নিজ
বুঝ্‌ঝিও	=	বুজিপাওঁ, হৃদযঙ্গম হৈছে
আনন্দে	=	হৰ্ষযুক্ত ভাৱে, উজুভাৱে।

গঅণহ জিম উজোলি চান্দে আকাশ যি দৰে চন্দ্ৰই উদ্ভাসিত কৰে

গঅণহ<গগন	=	আকাশ, শূন্যতা
জিম<জিমত	=	যিদৰে
উজোলি<উজ্জ্বল	=	উজলায, উদ্ভাসিত কৰে
চান্দে	=	চন্দ্ৰই

এ তৈলোএ এত বিষাৰা ত্ৰৈলোক্যত এয়েই শ্ৰেষ্ঠ

এ তৈলোএ	=	এই ত্ৰৈলোক্যত
এত বিষাৰা<এতবি ষাৰা	=	এইয়েই শ্ৰেষ্ঠ

জোই ভুসুকু ফেড্ডই অন্ধকাৰা — যোগী ভুসুকুয়ে অজ্ঞতা ফালি পেলায়।

জোই	=	যোগী
ভুসুকু	=	গীত ৰচক ভুসুকুপা
ফেড্ডই<ফেট্টই<ফাডিত	=	ফালি পেলায়, ধ্বংস কৰে
অন্ধকাৰা<অন্ধকাৰ	=	অজ্ঞতা

টিপ্পনী ঃ ভুসুকুপাই যোগাচাৰৰ পৰা অনুত্তৰ আকৌ যোগাচাৰ তন্ত্ৰ লৈছিল। বৰ্ত্তমান গীত অনুত্তৰ তন্ত্ৰৰ শান্তিপাদৰ চৰ্যা নং ২৬ৰ দৰ্শনেই প্ৰতিধ্বনিত কৰিছে — 'সঁঅঁসংবেঅণ'- সকলোৰেই ইন্দ্ৰিয়লব্ধ জ্ঞান। যোগতন্ত্ৰৰ সাধকে যেতিয়া শূন্যতা উপলব্ধিৰ দ্বাৰা সুখ পোৱা বুলি দাবী কৰে (সুখ শূন্য), ভুসুকুৱে কয় তেওঁলোকে আত্ম প্ৰবঞ্চনাৰ বাদে আন একো কৰা নাই — 'মাআজাল পসৰিউ ৰে বাধেলি মাআহৰিণী (চৰ্যা নং ২৩)। ইন্দ্ৰিয়গ্ৰাহ্য সুখ কোনো অপবিত্ৰ বস্তু নহয়— তথাকথিত অতীন্দ্ৰিয় সুখ বাস্তবতে ইন্দ্ৰিয়জনিত সুখৰেই ৰূপান্তৰ, এযা বুজিলেই অজ্ঞতাৰ অন্ধকাৰ দূৰ হ'ব। ◆◆

৩১

ৰাগ-পটমঞ্জৰী ঃ আৰ্য্যদেৱপাদানাম্

মূলপাঠ	আধুনিক ভাষান্তৰ/অৰ্থ
জহি মণ ইন্দিঅ পৱণ হো ণঠা।	যেতিয়া চিত্ত, চৈতনা আৰু প্ৰাণ বিক্ষিপ্ত হয়
ণ জানমি অপা কঁহি গই পইঠা।।	মই নাজানো আত্মা ক'ত গই সোমায়।
অকট করুণা - ডমরুলি বাজঅ।	লুক্কায়িত করুণা- ডম্বৰু ধ্বনিত হয়।
আজদেৱ নিৰালে ৰাজই।।	আৰ্য্যদেৱ নিৰাশ আছিল।
চান্দৰে চান্দকান্তি জিম পডিভাসঅ।	চন্দ্ৰৰ চন্দ্ৰদ্যুতি যিমতে প্ৰতিভাত হয়
চিঅ বিকৰণে তহি টলি পইসই।।	চিত্ত ৰোগগ্ৰস্ত হৈ অস্থিৰতাত প্ৰবেশ কৰে।
ছাডিঅ ভয় ঘিণ লোআচাৰ।	ভয় ঘৃণা আৰু লোকাচাৰ ত্যাগ কৰা।
চাহন্তে চাহন্তে সুণ বিআৰ।।	শূন্যত স্থিতিৰ আকাঙ্ক্ষা ত্যাগ কৰা।
আজদেৱেঁ সঅল বিহৰিউ।	আৰ্য্যদেৱে সকলোতে স্থিতি লভিছে
ভয় ঘিণ দূৰ নিবাৰিউ।।	ভীতি আৰু ঘৃণা দূৰতে নিবাৰণ কৰা।

টিপ্পনী ঃ বৰ্ত্তমান চৰ্যাগীতৰ ৰচক (চৰ্যা নং ৩১) আৰ্য্যদেৱ অনুত্তৰ তন্ত্ৰৰ আৰ্য্য উপ শাখাৰ প্ৰতিষ্ঠাতা। আৰ্য্য উপতন্ত্ৰৰ মূল গাঁঠনি পোৱা যায়

তেখেতৰ দ্বাৰা ৰচিত 'চৰ্যামেলাপকপ্ৰদিপাঃ' গ্ৰন্থত যাৰ বিস্তাৰ হৈছে 'বৃহৎ মঞ্জুশ্ৰী মুখাগম' গ্ৰন্থত - তাৰেই আকৌ উপ উপশাখা হ'ল জ্ঞানাপাদ ধাৰা। বাস্তবতঃ আৰ্য্যদেৱৰ পৰাই বজ্ৰযান সম্পূৰ্ণভাৱে উপধাৰা ৰূপে মন্ত্ৰযানৰ পৰা ফাটি গ'ল। আৰ্য্য উপধাৰাৰ দাৰ্শনিক ভিত্তি হ'ল, ব্যক্তিযে কেৱল নিৰ্বিকল্প সমাধিৰ দ্বাৰা পূৰ্ণ বুদ্ধত্ব লভিব নোৱাঁৰে। হীনযান পন্থাৰ "কোটি পুনৰ্জন্মৰ' প্ৰযোজন নাই নিৰ্ব্বাণৰ বাবে। প্ৰজ্ঞাপৰমিতা ধাৰাৰ (মন্ত্ৰযান) ব্যক্তিযে বুদ্ধৰ দশ জ্ঞান লভাৰ পিচত আকৌ এবাৰ বুদ্ধ হৈ ওপজাৰ (বুদ্ধ তথাগত) কোনো আৱশ্যকতা নাই। ব্যক্তিযে এই এটা জন্মতে পূৰ্ণ বুদ্ধত্ব লাভ কৰিব পাৰে-যদিহে তেওঁ চিত্তত সৰ্ব্বশূন্যতা উপলব্ধি কৰি সেই শূন্যতাৰ বান্ধোনৰ পৰা সংসাৰলৈ উভটি আহিব সক্ষম হয় কৰুণাৰ হেতুকে। সমস্ত সংসাৰলৈ, সকলো জীৱলৈ সকলো সমযতে কৰুণা ভাৱেই বুদ্ধত্ব। ইযাৰ বাবে প্ৰযোজন সাধকৰ প্ৰজ্ঞা জ্ঞান - অভিষেক, য'ত ছযটা স্তৰ আছে —(১) উৎপত্তি — বৈৰোচণ, (২) স্থিতি—বজ্ৰসত্ব, (৩) দীক্ষা - অক্ষোভয, (৪) তৰ্পন-অমোঘসিদ্ধি (৫) পূজা-ৰত্নসম্ভৱ , (৬) অমৃত - অমিতাভ। ষষ্ঠ অভিসম্বোধিত অনুত্তৰ তন্ত্ৰৰ যৌনাচাৰ ক্ৰিযা সম্বলিত।

সৰ্ব্বোচ্চ অভিষেক কালত সাধকে সমস্ত ৰাতি উজাগৰে থাকি জপ পূজা-ধ্যান দ্বাৰা মনত শূন্যতা ভাবৰ সৃষ্টি কৰাৰ প্ৰযোজন। শূন্য, মহাশূন্য-সৰ্ব্বশূন্য। যৌনাচাৰৰ দ্বাৰা সৰ্ব্বশূন্য অন্ত কৰি সাধক বুদ্ধ বজ্ৰধৰ ৰূপত উদ্ভৱ হয আৰু সাধকৰ শিক্ষাৰ অতীত জ্ঞান হয, 'অশিক্ষা যুগন্ধা। সাধকৰ চিত্ত সম্পূৰ্ণ জ্ঞানৰ আলোকত উদ্ভাসিত হয 'অৰ্থ প্ৰভাশ্বৰা'।

মুনিদত্তই নিজৰ চৰ্যাচৰ্য্য বিনিশ্চয নামৰ চৰ্যাগীতৰ টীকাত নিৰাত্মা বা নৈৰাত্মাক অৰ্থপ্ৰভাশ্বৰা বুলি চিনাক্ত কৰিছে আৰু তাকেই পিচৰ টীকা ভাষ্যকাৰ সকলে গ্ৰহণ কৰিছে। নৈৰাত্মা, যিযে আত্ম নাই, অৰ্থাৎ নিজেই নাই বুলি কয, ই সৰ্ব্বশূন্যৰ ৰূপ। আনহাতে অনুত্তৰ তন্ত্ৰই উপদেশ দিযে নৈৰাত্ম ত্যাগ কৰি তাৰ পৰা ওলাই আহিব। নৈৰাত্ম ত্যাগ কৰিব পাৰিলেহে সম্পূৰ্ণ জ্ঞানৰ আলোক "অৰ্থ প্ৰভাশ্বৰা" অনুভূত হয।

অনুত্তৰ তন্ত্ৰৰ যৌনাচাৰ সমৰ্থক আৰ্য্যদেৱে বৰ্ত্তমান চৰ্যাত ভয -ঘিণ-লোকাচাৰ এৰি ইযাক পৰখ কৰি চাবলৈ আহ্বান জনাইছে — চন্দ্ৰালোকৰ দৰে ই সাধকৰ মন উদ্ভাসিত কৰিব।

জহি মণ। ইন্দিঅ পৱণ হো ণঠা — যেতিযা চিত্ত, চেতনা আৰু প্ৰাণ ক্ষিপ্ত হয

জহিং জবহি (হিন্দী) = যেতিযা, যেতিযাই

মণ = চিত্ত
ইন্দিঅ<ইন্দ্রিয = চেতনা, ইন্দ্রিয
পবণ = বাযু = মানসিক অশান্তি, প্ৰাণাযামৰ বাযু, প্ৰাণ
হো = হয
ণঠা<ন স্থান = বিক্ষিপ্ত, অশান্ত, ক্ষিপ্ত

ণ জানমি অপা কঁহি গই পইঠা **মই নাজানো আত্মা (ৰ শান্তি?) কত গৈ সোমাল**

ণ জানমি = মই নাজানো
অপা<আত্ম = নিজ, আত্মা, স্ব
কঁহি = কʼলৈ
গই <গম = গমন কৰি, গৈ
পইঠা<প্ৰবিষ্টা = সোমাল

অকট করুণা ডমরুলি বাজঅ লুক্কাযিত করুণা ডম্বরু ধ্বনিত হয

অকট = অ + কট + অল – লুক্কাযিত, অপ্ৰকট
করুণা ডমরুলি = করুণাৰ ডম্বরু
বাজঅ = ধ্বনিত

টীকা ঃ অকট শব্দৰ অৰ্থ সুকুমাৰ সেনে - বিস্ময়কৰ বুলি লিখিছে যি মুনিদত্তৰে মূল ভাষ্যৰ অনুধাবন। ব্যুৎপত্তি অনুসন্ধানৰ দ্বাৰা 'অকট' আশ্চৰ্য্য নাপায। শব্দ অন্বয দ্বাৰা বুজা যায ই অ+ কট অৰ্থাৎ যি প্ৰকট নহয বা লুক্কাযিত। তন্ত্ৰত ডম্বরু বুলিলে হৃদ বা অনাহত চক্ৰক বুজায, যি আঘাত নকৰাকৈ বাজে। যি হেতু হৃদ চক্ৰত সকলো আবেগৰ উৎপত্তি আৰু লয হয — আৰ্য্য দেৱে কব পাৰে যে করুণা হৃদচক্ৰত লুকাই থাকে।

আজদেৱে নিৰালে ৰাজই আৰ্য্যদেৱ নিৰাশ আছিল নিৰলত

আজদেৱে = আৰ্য্যদেৱে
নিৰালে = নিৰ্জনতাত, নিৰলত। নিৰাসে<নিৰাশে
ৰাজই<বিৰাজই = আছে, থাকে

চান্দৰে চান্দকান্তি জিম পতিভাসঅ **চন্দ্ৰৰ চন্দ্ৰদ্যুতি যিদৰে প্ৰতিভাত হয**

চান্দৰে = চন্দ্ৰৰ
চান্দকান্তি<চন্দ্ৰকান্তি = চন্দ্ৰৰ দীপ্তি, জোনৰ পোহৰ
জিম<জিমত = যিদৰে, যেতিয়া
পতিভাসঅ<প্ৰতিভাসযতি = প্ৰতিভাত হয, অনুভূত হয

চিঅ বিকৰণে তহি টলি পইসই চিত্ত ৰোগগ্ৰস্তহে অস্থিৰতাত প্ৰৱেশ কৰে

চিত্ত = চিত্ত
বিকৰণে বিকৰ = ৰোগ, ব্যাধি। (বিকৰৰ মূল বিকিৰণ নহয়)।
তহি<তঃ = তাৰ, সেইটো
টলি<টলিত = স্খলিত, অস্থিৰ
পইসই< প্ৰবেশ্যতি = সোমায, প্ৰবেশ কৰে

ছাড়িঅ ভয ঘিণ লোআচাৰ ভয, ঘৃণা আৰু লোকাচাৰ ত্যাগ কৰা

ছাড়িঅ = ত্যাগ কৰা
ভয = ভীতি, আশঙ্কা
ঘিণ = ঘৃণা, জুগুপ্সা
লোআচাৰ< লোকাচাৰ = সমাজ গৃহিত ব্যৱস্থা

চাহন্তে চাহন্তে সুণ বিআৰ শূন্যতস্থিতি আকাঙ্খা অন্ত কৰা

চাহন্তে< চাহন = বিচৰা। চাহত + অন্তে = আকাঙ্খা শেষ
চাহন্তে = বিচৰা শেষ = আকাঙ্খা শেষ
সুন = শূন্য
বিহাৰ = ক্ৰীডা, ভ্ৰমণ, স্থিতি

টিপ্পনী ঃ চাহন্তে শব্দ আৰ্য্যদেৱে কোন অৰ্থত ব্যৱহাৰ কৰিছে, সুনিশ্চিতভাৱে কোৱাটো অসম্ভৱ। সাধাৰণ ভাৱে 'চাহন্তে' অৰ্থ মাগিছো বা বিচাৰিছো হ'ব, কিন্তু আৰ্য্যদেৱ যি তন্ত্ৰ উপধাৰাৰ প্ৰতিষ্ঠাতা, তাত শূন্যভাৱৰ পৰা ওলাই অহাটোই সাধকৰ লক্ষ্য। সেযেহে 'চাহন্তে' যতদূৰ সম্ভৱ 'চাহত অন্তে' ৰূপত সৃষ্ট। এই অনুমানৰ সমৰ্থন পাম ইযাৰ পিচৰ শাৰী বাক্যত, যাৰ অৰ্থ—আৰ্য্যদেৱে সকলোতে স্থিতি লৈ পাইছে। আৰ্য্যদেৱে কৈছে তেখেতে শূন্যভাৱত বিৰাজ কৰাৰ অভিজ্ঞতাও লভিছে, যেযে চিত্তক ৰোগগ্ৰস্ত আৰু অস্থিৰ কৰি তোলে। চৰ্যা ৩০ ৰ 'সুণন্তে' = শূন্য + অন্তে।

আজদেৱেঁ সঅল বিহৰিউ আৰ্য্যদেৱে সকলোতে স্থিতি লভিছে/ক্ৰিয়া কৰিছে

আজদেৱেঁ = আৰ্য্যদেৱে
সঅল = সকল, সৰ্ব্ব
বিহৰিউ = বিহাৰ কৰিছে, ক্ৰীডা কৰিছে, স্থিতি লভিছে

টিপ্পনী ঃ আগৰ শাৰীৰ পদৰ লগত সামঞ্জস্য ৰাখি গীত ৰচকে কৈছে,

মই সকলোৰে (শূন্যৰো) অভিজ্ঞতা লভিছো।' এই গীতটোৰ , চতুৰ্থ, পঞ্চম আৰু ষষ্ঠ শাৰীৰ প্ৰকৃত অৰ্থ নুবুজাকৈ বাকী অংশ বুজাটো অসম্ভৱ। ক্ৰিয়া, চৰ্য্যা আৰু যোগ তন্ত্ৰ, আৰু নিম্ন অনুত্তৰ তন্ত্ৰত ইষ্ট দেৱতাক চন্দ্ৰত অধিষ্ঠিত বা চন্দ্ৰমূৰ্ত্তি ৰূপে ধ্যান কৰাৰ প্ৰয়োজন। ধ্যানৰ চন্দ্ৰ যেতিয়া বজ্ৰসত্ত্ব ৰূপত মূৰ্ত্তমান হ'ব তেতিযাই সিদ্ধি লাভ হোৱা বুলি ধৰা হয়, ক্ৰিয়া আৰু চৰ্য্যা তন্ত্ৰত। যোগ তন্ত্ৰই ইষ্টদেৱতাক চিত্তৰ পৰা বিলোপ কৰি সম্পূৰ্ণ শূন্যতা (সৰ্ব্ব শূন্য) উপলব্ধি কৰিবলৈ উপদেশ দিযে। আৰ্য্যদেৱে তাৰ বিপৰীতে গাইছে, চন্দ্ৰৰূপ ইষ্টদেৱতা উপলব্ধিৰ দ্বাৰা চিত্ত বিকাৰগ্ৰস্ত আৰু চঞ্চল হয়, আৰু শূন্য উপলব্ধিও ত্যাগ কৰা, মোৰ আটাইবোৰৰে অভিজ্ঞতা আছে। তেনেহ'লে তাৰ স্থলত কি কৰিব লাগে? তাৰ উত্তৰ দিছে শেষ পংক্তিত।

ভয ঘিণ দুৰ নিবাৰিউ ভীতি আৰু ঘৃণা দূৰতে নিবাৰণ কৰা

ভয	=	ভীতি, আশঙ্কা
ঘিণ	=	ঘৃণা
দুৰ	=	দূৰতে
নিবাৰিউ	=	নিবাৰণ কৰা

টিপ্পনী ঃ ভয, ঘৃণা নিবাৰণৰ দ্বাৰা আৰ্য্যদেৱে অনুত্তৰ তন্ত্ৰৰ কলশ অভিষেক, অৰ্থাৎ যৌনাচাৰ তন্ত্ৰক বুজাইছে। এইটো অনুত্তৰ তন্ত্ৰৰ অভিজ্ঞতা লবলৈ কৰা আহ্বান। যৌনাচাৰ, বিশেষকৈ বৌদ্ধ ভিক্ষুৰ বাবে ভয় আৰু ঘৃণাৰ বস্তু, তদুপৰি সমাজৰ দ্বাৰা নিন্দিত। আৰ্য্যদেৱে কৈছে—সেইবোৰলৈ দুশ্চিন্তাগ্ৰস্ত নহবা, মই আন পন্থা সকলোৰে অভিজ্ঞতা লভিছো, যৌনাচাৰেই একমাত্ৰ সফল পথ। ◆◆

৩২

।। ৰাগ - দ্বেশাখ ঃ সৰহপাদানাম্।।

মূলপাঠ	আধুনিক ভাষান্তৰ/অৰ্থ
নাদ ন বিন্দু ন ৰবি ন সসি মণ্ডল।	জপ, যৌনাচাৰ, ক্ৰিয়া, চৰ্য্যাতন্ত্ৰ মূল্যহীন।
চিঅৰাঅ সহাৱে মুকল।।	চিত্তৰ ৰাজ্য স্বভাৱতে নিয়ন্ত্ৰণহীন।
উজু ৰে উজু ছাড়ি মা লেহৰে বঙ্ক।	অনাযাস ত্যাগ কৰি বক্ৰপথ নলবা

নিঅড্ডহি বোহি মা জাহুৰে লাঙ্ক।।	বোধিজ্ঞান কাষতে, দূৰলৈ (লঙ্কালৈ) নাযাবা।
হাথেৰে কাঙ্কাণ মা লোউ দাপণ।	হাতত কঙ্কণ (আছে) দৰ্পণ নলবা।
অপণে অপা বুঝতু নিঅমণ।।	নিজেই নিজৰ চিত্ত উপলব্ধি কৰা।
পাৰ উআৰেঁ সোই গজিই।	ইপাৰ সিপাৰ সেযেই চিত্ত।
দুজ্জন সাঙ্গে অৱসৰি জাই।।	দুৰ্জ্জনৰ লগত অৱসৰ কটায
বাম দাহিণ জো খাল বিখলা।	বাওঁ সোঁ, যি অসম স্থল।
সৰহ ভণই বপা উজু বাট ভাইলা।	সৰহে কয় বোপা উজু বাট হ'ল।

টিপ্পনী ঃ মহামহোপাধ্যায হৰপ্ৰসাদ শাস্ত্ৰী আৱিষ্কৃত চৰ্যাগীত সঙ্কলনত অন্তৰ্ভূক্ত মহাসিদ্ধ সৰহপাদৰ চৰ্যাগীত চাৰিটা সম্পূৰ্ণভাৱে আৰু কেৱল যোগ তন্ত্র পন্থাক সমৰ্থন কৰি ৰচিত। বৰ্ত্তমান গীতৰ প্ৰথম পদ "নাদ ন বিন্দু ন ৰবি ন সসি মণ্ডল' বুলি কৈ জপ, যৌনাচাৰ, ক্ৰিযাতন্ত্ৰ আৰু চৰ্য্যাতন্ত্ৰ মূল্যহীন বুলি ঘোষণা কৰিছে। ভাৰতীয বৌদ্ধ তন্ত্ৰত ক্ৰিযা, চৰ্য্যা আৰু অনুত্তৰ তন্ত্র বাদ দিলে থাকে যোগতন্ত্ৰ — যাৰ লক্ষ্য হ'ল শূন্যক সম্পূৰ্ণভাৱে উপলব্ধি কৰি তাৰ দ্বাৰা সুখ প্ৰাপ্তি (সুখ শূন্য)। বাস্তবতে, বৌদ্ধতন্ত্ৰৰ উচ্চ যোগতন্ত্র আৰু নিম্ন অনুত্তৰ তন্ত্ৰৰ মাজত পাৰ্থক্য ইমান সূক্ষ্ম যে তাক বিতং ভাৱে নুবুজালে বুজাটো অসম্ভৱ। সেয়েহে সৰহভাগ পণ্ডিতেই অনুত্তৰ তন্ত্ৰক 'অনুত্তৰ যোগ তন্ত্র' ৰূপে উল্লেখ কৰে। তৃতীয পদৰ "হাথেৰ কাঙ্কাণ মা লোউ দাপণ" বাক্যটোৰ দুই ধৰণে অৰ্থ কৰিব পাৰি কিন্তু যিহেতু গীতৰ ৰচক যোগতন্ত্র সমৰ্থক, আমি যোগতন্ত্ৰ ধাৰাৰ অৰ্থই অধিক গ্ৰহণযোগ্য বুলি ভাবিবলৈ বাধ্য।

নাদ ন বিন্দু ন ৰবি ন সসি মণ্ডল জপ, যৌনাচাৰ, ক্ৰিয়া, চৰ্য্যাতন্ত্র মূল্যহীন।

নাদ = ধ্বনি = জপধ্বনি, জপ
ন = নহয, মূল্যহীন
বিন্দু = শুক্ৰ, ৰেতঃ = অনুত্তৰ তন্ত্র (যৌনাচাৰ সমৰ্থক তন্ত্র)
ন = নহয, মূল্যহীন
ৰবি = ক্ৰিযা তন্ত্র (চৰ্যা ৪ৰ চান্দ সুজৰ টীকা চাওক)
সসিমণ্ডল< শশী মণ্ডল = চন্দ্ৰ মণ্ডল, চৰ্য্যা তন্ত্ৰ, পূজা

চিঅৰাজ সহাৱে মুকল চিত্তৰ ৰাজ্য স্বভাৱ বসতঃ নিয়ন্ত্ৰণহীন (চঞ্চল)

চিঅৰাঅ<চিত্ত + ৰাজ = চিত্তৰ ৰাজ্য, ব্যক্তিৰ চিত্ত
সহাৱে<স্বভাৱে = ভিত্তি চৰিত্ৰ, স্বৰূপ (intrinsic character)
মুকল<মুক্ত = বন্ধনহীন, নিয়ন্ত্ৰণহীন (চঞ্চল)

টিপ্পনী ঃ সৰহপাদে গাইছে ব্যক্তিৰ চিত্ত স্বভাৱতে চঞ্চল, যি লক্ষ্যত উপনীত হ'বলৈ প্ৰতিটো পথৰে অভিজ্ঞতা লবলৈ বিচাৰে। তাৰ ভিতৰত অনুত্তৰ, ক্ৰিয়া আৰু চৰ্য্যাতন্ত্ৰ নিষ্ফল বুলি প্ৰথম শাৰীতে কৈছে। প্ৰণিধানযোগ্য যে লুইপাকে আদি কৰি প্ৰায় সকলো মহাসিদ্ধই নিজৰ পথৰ বাদে আন পদ্ধতি সমূহ ফলদায়ক নহয় বুলি চৰ্যা গীত ৰচিছে।

উজু ৰে উজু ছাড়ি মা লেহুৰে বঙ্ক অনায়াস ত্যাগ কৰি বক্ৰপথ নলবা

উজু ৰে উজু	=	অনাযাস হে অনায়াস
ছাডি	=	এৰি, ত্যাগ কৰি
মা লেহুৰে	=	নলবা, গ্ৰহণ নকৰিবা
বঙ্ক<বক্ৰ	=	বেঁকা (পথ) , বক্ৰ (পথ), জটিল (পথ)

নিঅড্হি বোহি মা জাহু ৰে লাঙ্ক বোধিজ্ঞান কাষতেই দূৰলৈ (লঙ্কা) নাযাবা

নিঅড্হি<নিঅড্ডী = অনতিদূৰ (চৰ্যা ৫ চাওক)

হাথেৰে কাঙ্কাণ মা লোউ দাপণ হাতত কঙ্কণ (আছে), দৰ্পণ নলবা

হাথেৰে	=	হস্তৰ, হাতৰ
কাঙ্কাণ	=	কঙ্কণ, অলঙ্কাৰ বিশেষ। বুদ্ধ কঙ্কণ - ধৰ্ম্মধাতু
মা লোউ	=	নলবা, গ্ৰহণ নকৰিবা
দাপণ<দৰ্পণ	=	আৰ্চি, দৰ্পণ। দাপন - দৰ্পণ ধ্বনি

টিপ্পনী ঃ বৰ্ত্তমান বাক্যৰ ভাষ্য, ব্যতিক্ৰমহীন ভাবে প্ৰতিজন টীকা ভাষ্যকাৰে কৰিছে - "হস্তত কঙ্কণ পৰিধান কৰি থাকিলে তাক আৰ্চীত চাই নিশ্চিত হোৱাৰ প্ৰয়োজন নাই" - ই স্বতঃস্পষ্ট সংঘটন। তেখেত সকলৰ মতৰ সমৰ্থনত সুকুমাৰ সেনে উদাহৰণ দিছে বিদ্যাপতিৰ "হাথক কঙ্কণ কিঅ দৰপনে হেৰিও"। "দুলি দুহিৰ" নিচিনাকৈ ইয়ো অৰ্থ নুবুজাকৈ কেৱল সুশ্ৰাব্য হেতুকে ভাষাত সম্পূৰ্ণ ভিন্ন অৰ্থত গ্ৰহণ আৰু জনপ্ৰিয় হৈছিল। বৌদ্ধ বা হিন্দু তান্ত্ৰিক সকলে ব্যক্তিগত জীৱনত কঙ্কণ আৰু দৰ্পণ দুয়োটাই ব্যৱহাৰ নকৰে, তেনে ক্ষেত্ৰত সৰহপাদে এনে উদাহৰণ নিৰ্ব্বাচন কৰিব কিয়? আচলতে 'কঙ্কণ' আৰু 'দৰ্পণ' দুয়োটাই বৌদ্ধ তন্ত্ৰত দুটা মন্ত্ৰ ধাৰাৰ (ধাৰণী) নাম।

দৰ্পণ ধাৰণী কেৱল বৌদ্ধ তন্ত্ৰতে নহয়, হিন্দুৰ পূজা কাৰ্য্যতো ব্যৱহৃত। দেব বা দেবীক ঘটত আহ্বান, প্ৰাণপ্ৰতিষ্ঠা, পাদ্য, অৰ্ঘ আদি দিয়াৰ পিচত পুৰোহিতে যজমানৰ হাতত দৰ্পণ দি দেব বা দেবীক দৰ্পণত দৰ্শন কৰিব কয়

আৰু যজমানেও 'দৃষ্ট' বুলি কব (এযা পূজাৰ আচাৰ)। দেৱ বা দেৱী 'দৰ্শনৰ" কালত পুৰোহিতে নিৰ্দ্দিষ্ট মন্ত্ৰ মাতিব, এই মন্ত্ৰই দৰ্পণ ধৰণী (অসমীয়া ভাষাত বৰ্ত্তমানে কেৱল সাপৰ বেজে মন্ত্ৰৰ ঠাইত "ধৰণী দিযা" ব্যৱহাৰ কৰে)। ক্ৰিযাতন্ত্ৰত, ঘটত ইষ্টদেৱ প্ৰতিষ্ঠাৰ পিছত ইষ্ট দেৱতাৰ ৰূপ "আচীত চাই লব" (P 181 F D Lessing & A Wayman) তাৰ পিচত দেৱ দেৱীক স্নান কৰাব।

দৰ্পণ সদৃশ জ্ঞান নিম্ন অনুত্তৰে তন্ত্ৰত ব্যৱহাৰ কৰা হয তথতা বুজাবলৈ। ব্যক্তিযে দৰ্পণ সদৃশ জ্ঞান পোৱাৰ পিচত, সংসাৰ বাস্তৱতে যিদৰে আছে সেইদৰেই দেখে। দৰ্পণত (আগতে পিতলৰ দৰ্পণ ব্যৱহাৰ হৈছিল) সামান্য মলি বা অস্পষ্টতা থাকিলে প্ৰতিবিম্ব বিকৃত হয। সেইদৰে সাধকৰ মনৰ কলুষে জগতৰ প্ৰতি তেখেতৰ ধাৰণা বিকৃত কৰি তুলিব। আনহাতে কঙ্কণ ধৰণী ব্যৱহাৰ হয উচ্চ অনুত্তৰে তন্ত্ৰত। দুখৰ কথা কঙ্কণ ধৰণী কি অভিষেক আৰু কি ধৰণে ব্যৱহাৰ হয তন্ত্ৰকাৰ সকলে লিখি থোৱা আমাৰ চকুত পৰা নাই। প্ৰেত তৰ্পণৰ বাবে ইযাক মন্ত্ৰযানত ব্যৱহৃত হয It is nowhere explained how one offers water to a dweller in the intermediate state (antarabhaba) by means of Kankan dharani (Lessing & Wayman P 123)"। আনহাতে অনুত্তৰ তন্ত্ৰত, তথাগত কুলত ছযটা ধৰণী, ছযটা মুদ্ৰা আৰু ছযটা সমাধিৰ, কঙ্কণ ধৰণী অন্যতম ধৰণী। অতএব কঙ্কণৰ ঠাইত দৰ্পণ লবলৈ হাক দিযাৰ অৰ্থ এনে হ'ব পাৰে যে অনুত্তৰ তন্ত্ৰৰ সলনি ক্ৰিযা, চৰ্য্যা তন্ত্ৰ নলবা, কিন্তু যিটো অধিক সম্ভব, 'বুদ্ধ কঙ্কণ' শব্দই বৌদ্ধ তন্ত্ৰত সামূহিক ভাৱে ধৰ্ম্মধাতু সূচায যাৰ আন অৰ্থ বুদ্ধচিত্ত। তেনে ক্ষেত্ৰত এই বাক্যটোৰ অৰ্থ হ'ব - বুদ্ধচিত্ত য'ত পাব পাৰি তেনে স্থলত দৰ্পণ জ্ঞানলৈ সন্তুষ্ট নাথাকিবা। বোধিচিত্ত য'ত পোৱা সম্ভৱ তাৰ ঠাইত পূজা-জপলৈ ব্যস্ত নহবা।

অপণে অপা বুঝ তু নিঅমণ নিজেই নিজৰ চিত্ত উপলব্ধি কৰা। (আত্মোপলব্ধি কৰা)

অপণে< আত্মন	=	স্ব, নিজে
অপা< আত্মা< আত্ম	=	নিজ
বুঝতু<বোধ	=	বুজি পা
নিঅমণ <নিঅ + মন	=	নিজ মন, নিজৰ চিত্ত

টিপ্পনী : আত্মোপলব্ধি যোগতন্ত্ৰৰ অন্যতম মূল লক্ষ্য। এই বাক্যই সৰহপাদ যোগতন্ত্ৰ পন্থাবলম্বী বুলি পুনৰবাৰ প্ৰতিপন্ন কৰে। আন সকলো পন্থা বাদ দি আত্মোপলব্ধি কেবল মুক্তিৰ পথ (সাংখ্য যোগৰ সম) বুলি সৰহপাই ঘোষণা কৰিছে।

পাৰ উআৰেঁ সোহি গজিই ইপাৰ সিপাৰ সেযেই চিত্ত

পাৰ	=	তীৰ, কাষ, ইপাৰ
উআৰেঁ< উ + পাৰে	=	আন পাৰত, সিপাৰ
সোহি	=	সেই
গজিই< গাজই <গাজ	=	চিত্ত, অন্তঃকৰণ (হেমকোষ)

টিপ্পনী ঃ চিত্তই ইপাৰ (বাম - প্ৰজ্ঞা) সিপাৰ (দক্ষিণ-উপায) বিক্ষিপ্ত হয, সেযেই চিত্তৰ স্বাভাৱিক চৰিত্ৰ। অৰ্থাৎ মনে এটাতে ধৰি থাকিব নোৱাৰে।

দুজ্জন সাঙ্গে অৱসৰি জাই দুৰ্জ্জনৰ লগত অৱসৰ কটায।

দুজ্জন	=	দুৰ্জ্জন
সাঙ্গে	=	সঙ্গত, লগত
অৱসৰি	=	অৱসৰ
জাই	=	যায, কটায

টিপ্পনী ঃ 'দুৰ্জ্জনৰ লগত অৱসৰ বিনোদন কৰে' বাক্যৰ দ্বাৰা সৰহপাদে, যোগতন্ত্ৰৰ সমৰ্থকৰ বাদে আন তন্ত্ৰৰ সাধক সকলক দুৰ্জ্জন বুলিছে।

বাম দাহিণ জো খলা বিখলা বাওঁ, সোঁ যি অসম স্থল

বাম	=	বাওঁফাল, প্ৰজ্ঞা, মাতৃতন্ত্ৰ, পূজা
দাহিণ	=	সোঁ, দক্ষিণ, উপায, পিতৃতন্ত্ৰ, জপ
জো	=	যি
খলা বিখলা	=	অসম স্থল, খলা বমা

টিপ্পনী ঃ সৰহপাদে গাইছে শুদ্ধ বাম তন্ত্ৰ (বামাচাৰ), অনুত্তৰ, ক্ৰিয়া আৰু আংশিকভাৱে চৰ্য্যাতন্ত্ৰ আৰু শুদ্ধ দক্ষিণাচাৰ ধ্যান-বিশ্লেষণ দুয়োটাই উজুটি খাব পৰা অসমান সাধনা পথ। অনুত্তৰ তন্ত্ৰক মধ্যম পথ বোলা হয় কাৰণ ক্ৰিযা তন্ত্ৰৰ জপ, প্ৰাণাযাম আৰু চৰ্য্যা তন্ত্ৰৰ পূজা -ধ্যান দুয়োটাকে সমানে গুৰুত্ব দিযা হয। তদুপৰি সাধকৰ মনত শূন্যতাৰ ভাব জাগ্ৰত কৰিব চেষ্টা কৰা হয।

সৰহ ভণই ৰপা উজু বাট ভৈলা সৰহে কয় বোপা উজু বাট হ'ল।

টিপ্পনী ঃ সৰহপা অনুত্তৰ তন্ত্ৰাচাৰী হোৱা হ'লে কবলৈ পৰা গ'ল হয় যে তেখেতে বাম দক্ষিণ লগ লগাই অদ্বৈত বা অদ্বয় অনুত্তৰ তন্ত্ৰৰ সৃষ্টিৰ

কথা কৈছে, সেয়েই উজু পথ। বৰ্ত্তমান স্থূলত তেখেতে কব পাৰে, সোঁ - বাওঁ নকৰিবা, সি অমসৃণ পথ। যি কোনো এটা লোৰা তেতিয়াহে বাট উজু বা সুগম হব। স্বাভাৱিক ভাবেই আমি বুজিম তেখেতে কেৱল সোঁ - পিতৃতন্ত্ৰ যোগাচাৰৰ পথ লবলৈ কৈছে যিহেতু সেয়েই তেখেতৰ পথ আৰু ক্ৰিয়া, চৰ্য্যা, অনুত্তৰ তন্ত্ৰক নিষ্ফল বুলি কৈছে গীতৰ প্ৰথম শাৰীতেই। ◆◆

৩৩

।। ৰাগ-পটমঞ্জৰী ঃ ঢেণ্ঢণপাদানাম্।।

মূল পাঠ	আধুনিক ভাষান্তৰ/অৰ্থ
টালত মোৰ ঘৰ নাহি পড়বেষী।	টিলাত মোৰ দেহ/মই নাই প্ৰতিবেশী,
হাড়ীত ভাত নাঁহি নিতি আবেশী।।	কলশত আভা নাই তাতেই নিত্য আগ্ৰহী।
বেগ সংসাৰ বড়হিল জাঅ।	ইন্দ্ৰিয়চাপ সংসাৰত বাঢিহে যায়,
দুহিল দুধু কি বেণ্টে ষামাঅ।।	(দোহিত দুগ্ধ) দুবা গাখীৰ কি বাঁটিত সোমায়?
বলদ বিআএল গৱিআ বাঁঝে।	বলদে পোৱালী দিলে (সফল),গাই বাঁজী (নিষ্ফল)
পিটা দুহিএ এ তিনা সাঁঝে।।	তিনি সন্ধ্যা জগত সম্বন্ধে (স্বৰূপ) ধ্যান কৰা।
জো সো বুধী সোঁধ নিবুধী।	যি জনা বুধিয়ক (চতুৰ) সি ধৰ্ম্ম নিৰ্বোধ।
জো যো চৌৰ সোঁ দুষাধী।।	যি জন পৰস্বাপহাৰী সিয়ে দুসাধ্যকৰ্মী (সিদ্ধ)।
নিতে নিতে ষিআলা ষিহে ষম জুঝঅ।	শিয়াল (কাহ্নুপাই) নিত্য সিংহৰ (তথাগত) লগত যুঁজ পাতে।
ঢেণ্ঢণপাএৰ গীত বিৰলেঁ বুঝঅ।।	ঢেণ্ঢনপাদৰ গীত অসাধাৰণ জনেহে বুজে।

টিপ্পনী ঃ বৰ্ত্তমান চৰ্যাগীতৰ ৰচক ঢেণ্ঢণপাদে গীতৰ শেষ পংক্তিত লিখিছে - ঢেণ্ঢণপাদৰ গীত বিৰল অৰ্থাৎ অনন্যসাধাৰণ বুদ্ধিযুক্ত ব্যক্তিয়েহে কেৱল বুজিব পাৰিব, কোনেও হৃদয়ঙ্গম নকৰে বুলি ঢেণ্ঢনপাদে কোৱা নাই। এনে দম্ভোক্তি মহাসিদ্ধৰ মুখত শোভা নাপায়। অৱশ্যে ঢেণ্ঢনপাদে আংশিকভাৱে হলেও সত্য কৈছে নহ'লে এইটো গীতৰ অদ্ভুত অৰ্থ মহাপণ্ডিত, মহাচাৰ্য্য, মহামহোপাধ্যায় সকলে নকৰিলে হেতেন। সুকুমাৰ সেনে ইয়াক "বিশুদ্ধ প্ৰহেলিকা চৰ্যা" বুলিছে "অসম্ভব সংঘটনাৰ প্ৰহেলিকা-ৰূপকেৰ দ্বাৰা অধ্যাত্ম সাধনাৰ ও অনুভূতিৰ বৰ্ণনা"। জাহ্নৱী চক্ৰবৰ্ত্তীয়ে লিখিছে, "গানটি

আগাগোড়া সন্ধ্যা ভাষায় লেখা"। আদি ভাষ্যকাৰ মুনিদত্তই এইটো গীতৰ এটা শব্দও বুজি নাপাই চালে বেৰে কোবাইছে। সৌম্যেন্দ্র সৰকাৰে ইয়াত সাপ, বেং বহু কিবা বিচাৰি পাইছে যি পঢ়িলে পাঠকৰ নিজৰ মস্তিষ্কৰ সুস্থিৰতা সম্বন্ধে সন্দেহ হোৱাটো স্বাভাৱিক।

আমি ঢেণ্ঢনপাদৰ আগত সবিনয়ে কম যে, বাস্তবতে বৰ্ত্তমান চৰ্যা সঙ্কলনৰ অপেক্ষাকৃত অনায়াসবোধগম্য চৰ্যাগীত বোৰৰ ভিতৰত এইটোও এটা। ইযাক বুজিপাবলৈ 'বিৰল' বা অসাধাৰণ বুদ্ধিৰ প্ৰয়োজন নাই। ঢেণ্ঢনপাদৰ নাম তিবৃতী (কাঞ্জুৰ) বৌদ্ধ মহাসিদ্ধৰ তালিকাত নাই। হৰপ্ৰসাদ শাস্ত্ৰীয়ে ভোট ধেতন আৰু ঢেণ্ঢন একেজন ব্যক্তি বুলি ভাবে। ঢেণ্ঢন কোনো স্বাভাৱিক নাম নহয়, এই নামৰ লগত মিল থকা আন বৌদ্ধ বা হিন্দু তান্ত্ৰিকৰ নামো পোৱা নাযায। তিবৃতী তালিকাত ঢেণ্ঢনপাদৰ নাম নথকাটো স্বাভাৱিক, কাৰণ তিবৃতত ঘাইকৈ প্ৰচলিত অনুত্তৰ, মহা আৰু অতি তন্ত্ৰৰ কট্টৰ বিৰোধী আছিল ঢেণ্ঢনপাদ। বৰ্ত্তমান চৰ্যাৰ পৰা বুজিব পাৰি ঢেণ্ঢনপা আছিল যোগাচাৰ তন্ত্ৰৰ সমৰ্থক। ঢেণ্ঢন দেখ দেখ তেখেতৰ গ্ৰহণ কৰা নাম। যতদূৰ সম্ভৱ অন্বেষণ আৰু বিশ্লেষণ ভিত্তিক পন্থা লোৱা বাবে তেখেতৰ নাম 'ঢেণ্ঢন' যাৰ মূল শব্দ প্ৰাকৃতত "ঢুণ্ঢ" (বৰ্ত্তমান হিন্দীত ধুন্দ ৰূপত ব্যৱহৃত), দিয়া হৈছে। ই আমাৰ অনুমান হে। বৰ্ত্তমান চৰ্যাগীতটি সম্বন্ধে ড° পৰীক্ষিত হাজৰিকাই লিখিছে, "ৰহস্যময় সহজীয়া গীতটিৰ অন্তৰালত গূঢ় তত্ত্ব নিহিত আছে " (চৰ্য্যাপদ, পৃঃ ২৮৯)। সৌম্যেন্দ্র নাথ সৰকাৰে (চৰ্যাগীতি কোষ পৃঃ ৪১২) আকৌ অদ্ভুত কল্পনাৰ আশ্ৰয় লৈছে এই গীতটিৰ ব্যাখ্যাৰ বাবে, লিখিছে - " সৰ্পৰূপী বেঙ্গ অৰ্থাৎ ব্যাঙৰূপী প্ৰভাস্বৰে বিলীন হয়। দুৰ্বোধ্য ও অৰ্থহীন বলে বোধ হয টীকাৰ সাহায্য ছাড়া সহজ সাধকদেৰও অৰ্থোদ্ধাৰ কৰা সম্ভব ছিলনা"। আমি কম, গীতৰ অৰ্থোদ্ধাৰৰ যি অলপ সম্ভাৱনা আছিল, মুনিদত্তৰ টীকা ভাষ্যৰ পিচত সিযো সুদূৰপৰাহত হ'ল। মুনিদত্তই 'ভাত' শব্দৰ অৰ্থ "সংবৃত্তিবোধিচিত্ত বিজ্ঞানাধিৰূপ" বুলি বুজিছে। 'ভাত'<প্ৰভাত = দ্যুতি, দীপ্তি, গৌৰৱ এইবোৰ অৰ্থ সংস্কৃত ভাষাৰ প্ৰাথমিক জ্ঞান থকা ব্যক্তিয়েও জানে। ইয়াক বোধিচিত্ত কৰাটো কষ্টকল্পিত। বাস্তবতে এইটো চৰ্যাত সাপ, বেঙ, সহজ, বোধিচিত্ত এইবোৰ একো নাই। একেবাৰে জাগতিক, দুটা বৌদ্ধ তান্ত্ৰিক গোষ্ঠীৰ মাজৰ অৰিযা-অৰিৰ গীত। বৌদ্ধ তন্ত্ৰত যৌন সঙ্গমৰ প্ৰয়োজনীয়তাক স্বীকাৰ কৰা অনুত্তৰ তন্ত্ৰৰ মহাসিদ্ধ কৃষ্ণাপাদক (চৰ্যা সঙ্কলনত কেবাজনো ভিন্ন কৃষ্ণাচাৰ্য্যপাদ বা কাহ্নু আছে) যৌন ক্ৰিয়াৰে দীক্ষা দানৰ বিৰোধী যোগাচাৰী

ঢেণ্ঢনপাদে 'শিয়াল" বুলি কৈছে। লগতে সকিয়াই দিছে, মাতৃতন্ত্র (শক্তি তন্ত্র) নিস্ফল, কেৱল পিতৃতন্ত্রই (মন সংবৃত্তি প্রধান) সুফল দিবলৈ সক্ষম। সংসাৰত যৌনাচাৰত এবাৰ লিপ্ত হ'লে ভোগাকাংক্ষা বাঢ়ি গৈযে থাকিব। ধৰ্ম্মৰ নামত যৌনাচাৰত লিপ্ত হৈ পৰস্ত্রীসম্ভোগকাৰী সাধক বাস্তৱতে পাপাচাৰ, অসততা আৰু বুদ্ধ তথাগত বিৰোধী কাৰ্য্য কৰিছে।

টালত মোৰ ঘৰ নাহি পডবেষী টিলাত প্রতিবেশীহীন ভাবে মই অধিষ্ঠিত

টালত	=	টিলাত, পৰ্ব্বত শিখৰত
মোৰ<মম	=	নিজস্ব, নিজৰ
ঘৰ	=	গৃহ, আত্মাৰ গৃহ = দেহ
নাহি	=	অনুপস্থিত
পডবেষী	=	প্রতিবেশী, ওচৰ চুবুৰীয়া

টিপ্পনী ঃ পৰ্ব্বতৰ টিলাত প্রতিবেশীহীন ভাৱে মই আছো, এইটো বাক্য বুজিবলৈ মন্ত্রযান ধাৰাৰ তন্ত্রৰ উৎপত্তিৰ উপাখ্যানটো জানিব লাগিব —'অনন্ত কাল ধৰি অনন্ত পুনৰ্জন্মৰ পিচত বোধিসত্ত্ব যেতিয়া পূৰ্ণবুদ্ধ হ'বলৈ সক্ষম হৈ নিৰঞ্জনা নদীৰ পাৰত নিৰ্বিকল্প সমাধিত লীন আছিল দশদিশৰ দশবুদ্ধ আহি তেখেতক ক'লে, "কেৱল সমাধিৰ দ্বাৰা বুদ্ধত্ব প্রাপ্তি সম্ভৱ নহয়।" ই কি দৰে সম্ভৱ জানিব খোজাত দশ বুদ্ধই বোধিসত্ত্বক কিৰিটী অভিষেক দীক্ষা দি পঞ্চ অভিসম্বোধি বা জ্ঞান দিযে। পঞ্চ অভিসম্বোধি পাই তেখেত পূৰ্ণ বুদ্ধ হবৰ যোগ্যতা লভি সম্ভোগ কাঁযাৰে সুমেৰু পৰ্ব্বত আৰোহন কৰে। সুমেৰু শিখৰৰ পৰা তেখেতে পৃথিবীত যোগাচাৰ তন্ত্র ঘোষণা কৰে। সম্ভোগ কাঁযাৰ অৰ্থ, সকলো সম্ভোগৰ উৰ্দ্ধ সূক্ষ্ম কাঁযা। তাৰ পিচত তেখেতে সুদ্ধোধনৰ গৃহত সিদ্ধাৰ্থ গৌতম ৰূপে জন্ম গ্রহণ কৰে।" (Lessing & Wayman -P 29-35) ই বৃহৎ উপাখ্যান এটিৰ সাৰাংশ, কিন্তু ইযাৰ পৰাই প্রতিযমান যে এইটো যোগাচাৰ তন্ত্রৰ সমৰ্থক চৰ্যা, য'ত সাধক পৰ্ব্বতৰ টিলাত প্রতিবেশীহীন ভাৱে ধৰ্ম্মাচৰণ কৰে।

হাডীত ভাত নাঁহি নিতি আৱেশী কলশত আভা নাই, তাতেই নিত্য আগ্রহী

হাডীত<হণ্ডীত	=	চৰুত, কলহত, ঘটত, কলশত
ভাত<প্রভাত	=	দীপ্তি, আভা, গৌৰব
নাঁহি	=	নাই, অনুপস্থিত
নিতি<নিত্য	=	নিতৌ, সৰ্বদা, সদায
আৱেশী	=	আৱেশগ্রস্ত লোক, আগ্রহী লোক।

টিপ্পনী ঃ প্ৰথম পঠনত ইযাৰ অৰ্থ 'চৰুত সিদ্ধ চাউল অনুপস্থিত, কিন্তু সৰ্বদা বুভুক্ষু লোকৰ সমাবেশ' যেন লাগে। কিন্তু বাস্তবতে ঢেণ্ঢনপাদে ইযাত দ্ব্যৰ্থক শব্দৰ সহাযত অনুত্তৰ আৰু ক্ৰিযা তন্ত্ৰক উপহাস কৰি ব্যঙ্গ কবিতা ৰচিছে। হাড়ী শব্দৰ সমাৰ্থ ঘট আৰু কলহ (কলশ)। ঘটৰ ব্যৱহাৰ হয় ক্ৰিয়া আৰু চৰ্য্যা তন্ত্ৰত, যেতিযা ইষ্ট দেৱ বা দেৱীক আহ্বান কৰি জলপূৰ্ণ ঘটত প্ৰতিষ্ঠা কৰা হয। অনুত্তৰ তন্ত্ৰত আকৌ "কলশ অভিষেক' সৰ্বোচ্চ অভিষেক যাৰ অন্ত অংশত মহামুদ্ৰা অৰ্থাং যৌনাচাৰ কাৰ্য্য সম্পন্ন হয়। 'ভাত' শব্দ ইযাত সিদ্ধ তণ্ডুল নহয, 'ভাত ইয়াত দ্যুতি বা গৌৰৱ অৰ্থৎ ব্যৱহৃত। পূজা আৰু যৌনাচাৰ বিৰোধী যোগাচাৰী ঢেণ্ঢনপাই গাইছে - পূজা আৰু যৌনাচাৰত কোনো আভা বা 'ভাত' নাই কিন্তু তাতেই সৰহভাগ ব্যক্তি আগ্ৰহী।

বেগ সংসাৰ বড়্হিল জাঅ ইন্দ্ৰিয চাপ সংসাৰত বাঢ়িহে যায

বেগ	=	ইন্দ্ৰিয চেতনা জনিত, অথবা মল, মূত্ৰ, ৰেতঃ আদি স্খলনৰ কাল সম্বন্ধিত চাপ
সংসাৰ	=	জগতত, সংসাৰত
বড়হিল	=	বঢ়িল, বৃদ্ধি = বাঢ়ি, অধিক হৈ
জাঅ	=	যাব, ঘটে

টিপ্পনী ঃ 'বেগ' শব্দৰ অৰ্থ 'ব্যঙ্গ' বুজিছে, আদি ভাষ্যকাৰ মুনিদত্তই যিযে তেখেতৰ পঠনৰ অত্যন্ত সীমিত পৰিসৰ, আৰু গঞ্জিকাপ্ৰসূত কল্পনাৰ ওপৰত অত্যধিক নিৰ্ভৰশীলতা প্ৰদৰ্শন কৰিছে। অন্ততঃ ভগবৎগীতা খন পঢ়াহলেও মুনিদত্তই আৰু তেখেতৰ অনুগামী ভাষ্যকাৰ সকলে পঞ্চম অধ্যায ২৩ তম শ্লোকত পালেহেতেন "কামক্ৰোধোদ্ভৱং বেগং স যুক্তঃ স সুখী নৰঃ।" ঢেণ্ঢনপাদে যিহেতু যৌনাচাৰ বিৰোধী চৰ্যা ৰচিছে - তেখেতে সাধকক সাৱধান কৰি দিছে। কাম জনিত চাপ বা স্পৃহা সংসাৰত ক্ৰমাৎ বাঢ়িহে যায়। তন্ত্ৰ সাধক এজনে এবাৰ যৌনাচাৰত লিপ্ত হ'লে তেখেতৰ যৌনস্পৃহা ক্ৰমাৎ বাঢ়িহে যাব - সি সাম নাকাটে। ফলত শান্তিৰ ঠাইত সাধকৰ মনত যৌনস্পৃহা জনিত বেগ তথা উদ্বেগে ঠাই লব।

দুহিল দুধু কি বেন্টে ষামায় দোহিত দুগ্ধ কি বাটিত সোমায়

দুহিল	=	দোহন কৰিলে, দুলে
দুধু<দুধ<দুগ্ধ	=	গাখীৰ। ৰেতঃ অৰ্থৎ ব্যৱহৃত বৰ্ত্তমানে
কি	=	কেনেকৈ কিদৰে বাটিত

বেন্টে = বাটত (বৰ্ত্তমানো উৰীয়া ভাষাত ব্যৱহৃত)
ষামায়<সোমায় = সোমায়, অন্তঃপ্ৰৱেশ কৰে

টিপ্পনী : বৰ্ত্তমান পদৰ আক্ষৰিক অৰ্থ 'এবাৰ দোহিত দুগ্ধ পুনঃ স্তনবৃন্তত প্ৰৱেশ নকৰে'। বাস্তৱ অৰ্থ বা প্ৰযোজ্য অৰ্থ বুজিবলৈ জানিব লাগিব অনুত্তৰ তন্ত্ৰৰ "কলশ অভিষেকৰ" অন্তত পূৰ্ণঅভিসম্বোধি, 'মহামুদ্ৰা' যৌনাচাৰত সাধক আৰু সাধনা সঙ্গিনীৰ মিলনৰ পিচত সাধকৰ স্খলিত বীৰ্য্য সাধকে পুনঃ আস্য দ্বাৰা গ্ৰহণ কৰে। এই আচাৰ হিন্দুতন্ত্ৰতো আছে যাৰ পৰোক্ষ প্ৰমাণ পাওঁ শ্ৰীবগলামুখী তন্ত্ৰত - "কুলশক্তিৰ সঙ্গে সম্ভোগেৰ পৰ যে ৰেতঃ সৃষ্টি হয় তাকে গ্ৰহণ কৰিবাৰ পূৰ্বে শোধন কৰিবে, এই মন্ত্ৰে " (বগলামুখী তন্ত্ৰম - শ্ৰীভৈৰব শাস্ত্ৰী পৃঃ ১৩৮)। ঢেণ্ঢনপাদে গাইছে, গাই জনী দোহনৰ পিচত যেনেকৈ দুগ্ধ দেহত পুনঃ প্ৰৱেশ নকৰে, সেইদৰে স্খলিত বীৰ্য্য সাধকৰ দেহলৈ ফিৰি নাহে - মুখৰ দ্বাৰা তাৰ পুনঃ গ্ৰহণ নিষ্ফল। এই খিনিতে প্ৰণিধানযোগ্য যে ভাৰতীয় পৰম্পৰাত শুক্ৰক বীৰ্য্য বোলা হয়, যাৰ অন্য অৰ্থ— প্ৰতাপ, সাৰ, তেজঃ, দীপ্তি ইত্যাদি। বীৰ্য্য স্খলন, শক্তি অপব্যয়ৰ নামান্তৰ, তাক পুনঃ প্ৰত্যাবৰ্ত্তন অসম্ভৱ এয়া যোগতন্ত্ৰৰ মত।

বলদ বিআএল গৱিআ বাঁঝে বলদে পোৱালী দিলে (সফল) গাই বাঁজী (নিষ্ফল)

বলদ<বলীবৰ্দ = নপুংসক কৰা পুৰুষ গৰু। প্ৰযোজ্য অৰ্থ, সঙ্গম আৰু শক্তি ব্যৱহাৰ নকৰা তন্ত্ৰ, পিতৃতন্ত্ৰ
বিআএল = বিয়ন দিলে = পোৱালী দিলে, সফল হ'ল
গৱিআ<গবী = গাভী, গাই। প্ৰযোজ্য অৰ্থ, স্ত্ৰী অথবা শক্তি ব্যৱহাৰ কৰ্‌্যা তন্ত্ৰ। মাতৃ তন্ত্ৰ
বাঁঝে = বঁজা = বন্ধ্যা, নিষ্ফল

টিপ্পনী : 'বলধে পোৱালী দিযে গাই বঁজা' বাক্যৰ দ্বাৰা ঢেণ্ঢনপাদে দৈছে, যৌন সঙ্গমত লিপ্ত নোহোৱা পুৰুষ তন্ত্ৰই হে সাধকক বাঞ্ছিত সুফল দিবলৈ সক্ষম। গবী বা গাভী যি দুগ্ধ, বাৎসল্য আৰু স্ত্ৰী গুণৰ প্ৰতিভূ, সি সাধকৰ বাবে বন্ধ্যা অৰ্থাৎ বাঞ্ছিত ফল দিবলৈ অক্ষম। শক্তি তন্ত্ৰ বা মাতৃতন্ত্ৰ য'ত দেহৰ কাৰ্য্য (ক্ৰিয়া আৰু নিম্ন চৰ্য্যা তন্ত্ৰ) আৰু যৌনাচাৰত (উচ্চ অনুত্তৰ তন্ত্ৰ) গুৰুত্ব দিয়া হয়, তেনে তন্ত্ৰ নিষ্ফল।

পিটা দুহিএ এ তিনা সাঁঝে তিনি সন্ধ্যা জগত সম্বন্ধে (স্বৰূপ) ধ্যান কৰা

পিটা<পিষ্টপ	=	জগৎ (চৰ্যা ২ চাওক)
দুহিএ	=	দোহন কৰা, ধ্যান কৰা, অনুধাবন কৰা
এ তিনা	=	এই তিনি
সাঁঝে	=	সাঁঝে, সন্ধ্যাত

টিপ্পনী : 'তিনি সন্ধ্যা জগতৰ স্বৰূপ সম্বন্ধে ধ্যান কৰা' এষা যোগাচাৰ তন্ত্ৰৰ অন্যতম মূল নীতি। জগতৰ প্ৰকৃত ৰূপ ই অনিত্য আৰু চিৰ পৰিবৰ্ত্তনশীল। এযা অন্তৰৰ পৰা উপলব্ধি কৰিব পাৰিলে জগতৰ স্বৰূপ, তথতা সাধকৰ বোধগম্য হয় যাৰ ফলত মনত নিৰ্মোহ শূন্য ভাৱ সৃষ্টি হ'ব। এনে শূন্য ভাৱে যেতিয়া সাধকৰ মনত সুখৰ উৎপত্তি কৰিব, তেতিয়াই যোগতন্ত্ৰৰ সহজানন্দ - সুখ শূন্য সাধকে উপলব্ধি কৰি পৰম সিদ্ধি লভি বুদ্ধচিত্ত প্ৰাপ্ত হ'ব।

জো সো বুধী সৌ ধনি বুধী যি বুধিযক (চতুৰ) সি ধৰ্ম্ম নিৰ্বোধ

জো	=	যি জনা
সো	=	সি জনা
বুধী	=	বোধ সম্পন্ন, বুধিযক, চালাক
সৌ	=	তেওঁ
ধনি বুধী<ধ+ নিবুধী	=	ধৰ্ম্ম নিৰ্বোধ

টিপ্পনী : ধ অক্ষৰৰ অৰ্থ ভৱ ধাৰণা অথবা ধৰ্ম্ম। নিবুধি অৰ্থাৎ নিৰ্বোধ। যি জন ব্যক্তি (নিজকে) বুধিযক বোলে ব্যস্তবতে তেওঁ সৎধৰ্ম্ম সম্বন্ধে অজ্ঞ। কাৰণ পিচৰ পদত গাইছে

জো যো চৌৰ সৌ দুষাধী যি জন পৰস্বাপহাৰী সিয়ে দুঃসাধ্যকৰ্ম্মী (সিদ্ধ)

জো যো	=	যি জনা সিজনা
চৌৰ	=	চোৰ, পৰস্বাপহৰণকাৰী
সৌ	=	তেওঁ

দুষাধী< দুঃসাধ্যসাধনকাৰী = সিদ্ধ তান্ত্ৰিক চমৎকাৰ কাৰ্য্য প্ৰদৰ্শক সিদ্ধ ব্যক্তি

টিপ্পনী : ভাৰতীয পৰম্পৰা অনুসৰী নাৰী স্বাধীন নহয় - কোনো পুৰুষৰ কন্যা, জায়া অথবা মাতৃ। যৌনাচাৰত সাধকে সাধনা সঙ্গিনী ৰূপে পৰস্ত্ৰী ব্যৱহাৰ কৰে যি পৰস্বাপহৰণৰ সমান অৰ্থাৎ সাধক 'চৌৰ'। একে সময়তে তেওঁ এজন নিজকে মহাসিদ্ধ বোলায। ঢেণ্ঢণপাদৰ বাক্যৰ সাধাৰণ অৰ্থ — "পৰস্ত্ৰী গমন কৰে, আৰৌ নিজকে মহাসিদ্ধ কহায"।

নিতে নিতে ষিআলা ষিহে ষম জুঝঅ	শিযাল (কাহ্নুপাই) নিত্য সিংহৰ (তথাগতৰ) লগত ফেৰ পাতে

নিতে নিতে = নিত্য নিত্য, সৰ্বদা
ষিআলা = শৃগাল = নিশা = কৃষ্ণ = কৃষ্ণপা, কাহ্নুপা
ষিহে = সিংহ, বুদ্ধতথাগত
ষম = সম, সমানে, লগত
জুঝঅ = যুদ্ধ ৰত

টিপ্পনী : যোগতন্ত্ৰমতে ভৈৰোচন বুদ্ধই পূৰ্ণ বুদ্ধত্ব পোৱাৰ আগৰ জনমত সিংহ ৰূপ ধাৰণ কৰিছিল (Lessing & Wayman P 216)। তিবৃতীভাষাত seng - ge শব্দ যি 'সিংহ' শব্দৰ অপভ্ৰংশ তথাগত বুদ্ধ আৰু জন্তু সিংহ দুযোটা বুজায় (Buddhism in Tibet - E Schlagintwelt - P 241) । সিংহত আৰোহন কৰা বুদ্ধমূৰ্ত্তি একাধিক পোৱা গৈছে। আনহাতে অনুত্তৰ তন্ত্ৰৰ মহাসিদ্ধ কাহ্নুপাক শিযাল ৰূপত যোগ তন্ত্ৰৰ সিংহৰ লগত যুজ দিযা বুলি ঢেণ্ঢনপাই কৈছে।

ঢেণ্ঢন-পাএৰ গীত বিৰলে বুঝই	ঢেণ্ঢনপাদৰ গীত অসাধাৰণ জনেহে বুজে।

◆◆

৩৪

।। ৰাগ - বৰাড়ী ঃ দাৰিকপাদানাম্ ।।

মূল পাঠ	আধুনিক ভাষান্তৰ/অৰ্থ
সুন কৰুণৰি অভিন-চাৰেঁ কাঅবাকচিঅ।	কায, বাক্য আৰু চিত্তত প্ৰযোগত শূন্য আৰু কৰুণা পাৰ্থক্য হীন।
বিলসই দাৰিক গঅণত পাৰিম কুলেঁ।।	দাৰিকপাদ শূন্যৰ অন্তত (গগনান্তত) স্থিত।
অলকখ লখ চিত্তা মহাসুহেঁ।	মহাসুখত থকা চিত্তত কৃষ্ণমেঘে খলকনি লগালে।
বিলসই দাৰিক গঅণত পাৰিম কুলেঁ।।	দাৰিকপাদ শূন্যৰ অন্তত (গগনান্তত) স্থিত।
কিন্তো মন্তে কিন্তো তন্তে কিন্তো ৰে ঝাণবখানে।	কিমতে তন্ত্ৰ-মন্ত্ৰ, কিদৰে ধ্যান-বিশ্লেষণৰ সহাযত
অপইঠান মহাসুহলীলেঁ দুলখ পৰম	অলক্ষ পৰম নিৰ্বাণৰ, মহাসুখৰ ক্ৰীড়াত

নিবাণেঁ।।	সোমাব নোৱাৰি।
দুঃখে সুখেঁ এক্‌ু কৰিআ ভুঞ্জই ইন্দী জানী।	ইন্দ্রিয় জ্ঞানে আনন্দ নিৰানন্দ একে ৰূপে ভোগ কৰে।
স্বপৰাপৰ ন চেবই দাৰিক সঅলানুত্তৰ মাণী।।	সর্ব্ব অনুত্তৰ তন্ত্রৰ সম্মানিত দাৰিক পাদে নিজ-পৰ বুজি নাপায।
ৰাআ ৰাআ ৰাআ ৰে অবৰ ৰাঅ মোহেৰা বাধা।	ইন্দ্রিযজনিত সৃষ্ট জ্ঞান নিকৃষ্ট, মায়াৰ প্রতিবন্ধক।
লুই পাঅপএ দাৰিক দ্বাদশ ভুঅণেঁ লধা।।	লুইপাৰ শিষ্য দাৰিকপা সমস্ত বিশ্বতে লব্ধপ্রতিষ্ঠ।

টিপ্পনী ঃ " শূন্য আৰু কৰুণা অভিন্ন " গীতৰ প্রথম পদতে দাৰিকপাদে ঘোষণা কৰিছে যে তেখেত যোগাচাৰ তন্ত্রৰ সর্ব্বশূন্য বাদৰ সমর্থক নহয। একে সময়তে "লুই পাঅপএ দাৰিক (লুইৰ পাদপদে দাৰিক)" বুলি কৈ নিজকে ক্রিযাতন্ত্রৰ অন্যতম মহাসিদ্ধ লুইপাৰ শিষ্য বুলি স্বীকাৰ কৰিছে। শূন্য আৰু কৰুণা অভিন্ন ঘোষণা কৰি অনুত্তৰতন্ত্রৰ শূন্যক আতৰাই কৰুণাৰ সৃষ্টিও অপ্রযোজনীয বুলি কৈছে - যদিও একে সময়তে দাৰিক পা সঅলানুত্তৰ মানী (সর্ব্ব অনুত্তৰ দ্বাৰা সম্মানিত) বুলিও জনাইছে। দাৰিকপাই (গীত যতদূৰ সম্ভৱ দাৰিকপাৰ শিক্ষাৰ ভিত্তিত তেখেতৰ কোনোবা শিষ্যই ৰচিছে) দুখ - সুখ, আপোন-পৰ সকলো একে ভাবে লব শিকিছে। ইন্দ্রিয চেতনাই সৃষ্টি কৰা মোহৰ বাধাই মহাসুখ উপলব্ধি আৰু নির্ব্বাণৰ পথৰ প্রতিবন্ধক। লুই পা শিষ্য ৰূপে দাৰিকপা প্রজ্ঞাপৰমিতা ধাৰাৰ (মন্ত্রযানৰ) সমর্থক। লুই পা ক্রিযাতন্ত্রৰ প্রাণাযামৰ ওপৰত সর্বাধিক গুৰুত্ব দিছিলে (চর্যা ১ আৰু ২৯), দাৰিকপাই নির্লিপ্তি আৰু মানসিক সমতাৰ ওপৰত জোৰ দিছে। এই চর্যা গীতৰ সাৰ ভগৱদগীতাৰ ২ য অধ্যায ৫৬ শ্লোকৰ সৈতে প্রায একে

'দুঃখেষ্বনুদ্বিগ্নমনাঃ সুখেষু বিগতস্পৃহঃ।

বীতৰাগভযক্রোধঃ স্থিতধীর্মুনিৰুচ্যতে।।

সুন কৰুণৰি অভিনচাৰেঁ কাঅবাক্‌চিঅ	কায়, বাক চিত্তত প্রযোগত শূন্য আৰু কৰুণা পার্থক্যহীন।

সুন = শূন্য

কৰুণৰি = কৰুণা

অভিনচাৰেঁ< অভিন্ন + আচাৰেণ = প্রযোগত পার্থক্যহীন

কাঅবাক্‌চিঅ< কায় + বাক + চিত্ত = দেহ, বাক্য আৰু মন

টিপ্পনী : অনুত্তৰ তন্ত্ৰত, কৰুণা অনুভূতি সৰ্ব্বশূন্য জ্ঞান লুপ্তিৰ পিচত হে উত্তৰ হয় বুলি স্বীকাৰ কৰে, আনহাতে যোগতন্ত্ৰই সৰ্ব্ব শূন্য জ্ঞানেই সুখৰ আধাৰ ৰূপে গ্ৰহণ কৰে। দাৰিকপাই কৈছে — কায়, মন, বাক্যত প্ৰযোগৰ ক্ষেত্ৰত, অৰ্থাৎ ব্যৱহাৰিক ক্ষেত্ৰত কৰুণা আৰু শূন্যতা জ্ঞানৰ মাজত কোনো পাৰ্থক্য নাই।

বিলসই দাৰিক গঅণত পাৰিম কুলেঁ দাৰিকপাই গগনান্তত (শূন্যান্তত) স্থিত

বিলসই	= বিলাস কৰে, সুখেৰে থাকে
দাৰিক	= চৰ্যাৰ ৰচক দাৰিকপা
গঅণত পাৰিম কুলে	= গগনৰ পৰম তীৰত = গগনান্ত = আজ্ঞাচক্ৰ

টিপ্পনী : দাৰিকে গগনান্তত স্থিত দ্বাৰা বুজাইছে তেখেতে আজ্ঞা চক্ৰ (যি গগনান্তত স্থিত) সিদ্ধি লভিছে। আজ্ঞাচক্ৰত তথতা আৰু কৰুণা অনুভূতিৰ সৃষ্টি হয় বুলি বৌদ্ধতন্ত্ৰৰ দ্বাৰা স্বীকৃত। এতেকে গীত ৰচক দাৰিকপাৰ মনত শূন্যতা আৰু কৰুণা ভাবৰ উদ্ৰেক হৈছে আৰু আগৰ পংক্তিৰ পৰা জানিব পাৰি, দাৰিকৰ মতে প্ৰয়োগৰ ক্ষেত্ৰত কৰুণা আৰু শূন্যতাৰ কোনো প্ৰভেদ নাই।

অলকখ লখক চিত্তা মহাসুহেঁ মহাসুখত থকা চিত্তত কলামেঘে খলকনি লগালে

অলকখ লখক< অলক খলক	=	কৃষ্ণ মেঘ কুটিল
চিত্তা'	=	চিত্ত, মন
মহাসুহেঁ	=	মহাসুখে

টিপ্পনী : কৰুণা আৰু শূন্যতা জ্ঞান প্ৰাপ্ত মহাসুখত বিলাস কৰা দাৰিকৰ চিত্ত, কৃষ্ণ কুটিল মেঘৰ দ্বাৰা আলোড়িত হ'ল। এইটো পদে বুজাইছে দাৰিক প্ৰতিলোমহীন বজ্ৰসিদ্ধি (non reversible siddhi) প্ৰাপ্ত হোৱা নাছিল। এবাৰ শূন্যতা মহাসুখ পোৱাৰ পিচতো তেখেতৰ চিত্ত বৈকল্য ঘটিছিল।

বিলসই দাৰিক গঅণত পাৰিম কুলেঁ দাৰিক পাই গগনান্ত স্থিত

টিপ্পনী : একেটা বাক্য দোহাৰি দাৰিকপাই জনাইছে — সুখ শূন্য আৰু কৰুণা অনুভৱ কৰাৰ পিচতো চিত্ত অস্থিৰ হয় — যি যোগাচাৰ আৰু অনুত্তৰ 'তন্ত্ৰৰ' সৰ্ব্বকালৰ অবিচলিত সুখৰ' দাবী অসাৰ বুলি কৈছে।

কিন্তো মন্তে কিন্তো তন্তে কিন্তো ৰে ঝাণবখানে কিমতে তন্ত্ৰ মন্ত্ৰ, কিসৰে ধ্যান বিশ্লেষণৰ দ্বাৰা

কিন্তো<কিম্ + তো = কেনেকৈ, কিমতে, কিসৰে

মন্তে<মন্ত্রে	=	মন্ত্ৰৰ সহায়ত (জপ ধ্বনি)
কিন্তো	=	কেনেকৈ, কিমতে, কিদৰে
তন্তে<তন্ত্রে	=	তন্ত্ৰৰ সহায়ত (প্ৰাণায়াম)
কিণ্ডো বে	=	কিদৰে হে
ঝাণৰখানে<ধ্যান ব্যাখ্যা	=	ধ্যান ব্যাখ্যা (বিশ্লেষণ)

টিপ্পনী ঃ দাৰিক পা মন্ত্ৰ, তন্ত্ৰ আৰু ধ্যান ব্যাখ্যাৰ উল্লেখ কৰি ক্ৰিয়া (মন্ত্ৰ, জপ) চৰ্য্যা, (পূজা, প্ৰাণায়াম, ধ্যান) আৰু যোগাচাৰ তন্ত্ৰৰ (ধ্যান বিশ্লেষণ) মূল উপাদানৰ কথা সূচাইছে।

অপইঠান মহাসুহলীলেঁ দুলখ পৰম নিবাণেঁ — অলক্ষ পৰম নিৰ্বৰ্বাণৰ, মহাসুখৰ ক্ৰীড়াত সোমাব নোবাৰি

অপইঠান< অপ্ৰৱেশ্যন্তি	=	নোসোমাই, সোমাব নোবাৰি
মহাসুহলীলেঁ	=	মহাসুখৰ খেলত, মহাসুখ ক্ৰীড়াত
দুলখ< দুৰ্লক্ষ্য	=	অলক্ষ, অদৃশ্য
পৰম নিবাণেঁ	=	পৰম নিৰ্ব্বাণলৈ

টিপ্পনী ঃ এই বাক্যই আমাৰ পূৰ্ব ধাৰণা সমৰ্থন কৰে যে দাৰিক পাদে চাৰিওটা তন্ত্ৰ — ক্ৰিয়া, চৰ্য্যা, যোগ আৰু অনুত্তৰ তন্ত্ৰই পৰম নিৰ্ব্বাণ বা চৰম মুক্তি দিবলৈ অক্ষম বুলি কৈছে, যদি সাধকৰ মানসিক চাঞ্চল্য দূৰ নহয়। জপ, মন্ত্ৰ, পূজা, ধ্যান, বিশ্লেষণ কৰি আনকি মহাসুখৰ অনুভৱ হলেও (অনুত্তৰ তন্ত্ৰ) সাধকৰ বাবে পৰম নিৰ্ব্বাণ "দুলখ" (দুৰ্লক্ষ্য - অদৃশ্য) যেতিয়ালৈকে

দুখেঁ সুখেঁ একু কৰিআ ভুঞ্জই ইন্দী জানী — আনন্দ নিৰানন্দ ইন্দ্ৰিয়জ্ঞানে একে ৰূপত ভোগ কৰে

দুঃখেঁ সুখেঁ	=	দুখ সুখ, নিৰানন্দ আনন্দ
একু কৰিআ	=	একে কৰি, একে ৰূপত
ভুঞ্জই<ভুঞ্জ	=	ভোগ কৰে
ইন্দী জানী	=	ইন্দ্ৰিয জ্ঞানে

টিপ্পনী ঃ সাধকৰ ইন্দ্ৰিয় জ্ঞানে যেতিয়ালৈকে দুঃখ সুখ একেৰূপে লব নিশিকে তেতিয়ালৈকে সাধকৰ চিত্ত চাঞ্চল্য থাকিব আৰু তেখেতৰ বাবে

পৰম নিৰ্বাণ অসম্ভৱ বা অদৃশ্য।

স্বপৰাপৰ ন চেবই দাৰিক সঅলানুত্তৰ মাণী সৰ্ব্ব অনুত্তৰ তন্ত্ৰৰ সন্মানিত দাৰিকপাদে নিজ পৰ প্ৰভেদ বুজি নাপায়

স্বপৰাপৰ<স্ব + পৰ + অপৰ	=	নিজ, পৰ আৰু অপৰ, নিজ ভিন
ন চেবই < ন চেতযতি	=	বুজি নাপায
দাৰিক	=	চৰ্যা ৰচক দাৰিক পাদ
সঅলানুত্তৰ<সকল + অনুত্তৰ	=	সৰ্ব অনুত্তৰ তন্ত্ৰ
মাণী	=	সম্মানিত

টিপ্পনী ঃ সকলো অনুত্তৰ তন্ত্ৰৰ সাধকৰ দ্বাৰা সম্মানিত দাৰিকে আপোন - পৰ আৰু আনৰ-নিজৰ মাজত কোনো পাৰ্থক্য নেদেখে অৰ্থাৎ তেখেতৰ আত্মমোহ সম্পূৰ্ণ বিনষ্ট।

ৰাআ ৰাআ ৰাআ ৰে অৱৰ ৰাঅ মোহেৰা বাধা ইন্দ্ৰিয জনিত জ্ঞান সৃষ্ট নিকৃষ্ট মাযাৰ প্ৰতিবন্ধক

ৰাআ ৰাআ ৰাআ ৰেহ্ৰ = ৰাজা ৰাজা ৰাজা হে ৰাজ ৰাজ ৰাজ হে, ৰাজ শব্দই 'শ্ৰষ্টা' অৰ্থাৎ ইন্দ্ৰিয়চেতনা সূচায। চেতনা বা স্কন্ধই পুনৰ্জন্মৰ সৃষ্টি কৰে সেয়েহে ই স্ৰষ্টা 'ৰাজ'

অৱৰ	=	তলৰ, নিকৃষ্ট
ৰাঅ	=	ৰাজ
মোহেৰা	=	মাযাৰ, অজ্ঞতাৰ, অজ্ঞতাজনিত আকৰ্ষণ
বাধা	=	প্ৰতিবন্ধক

টিপ্পনী ঃ ইয়াত দাৰিকপাই স্বীকাৰ কৰিছে, নিৰ্বাণৰ পথৰ ডাঙৰ বাধা হ'ল সংস্কাৰ বা ইন্দ্ৰিযজনিত জ্ঞান। দাৰিক পাই গুৰুত্ব সূচাবলৈ তিনিবাৰ কৈছে ইন্দ্ৰিয চেতনা, ইন্দ্ৰিয চেতনা, ইন্দ্ৰিয চেতনা — ই গুৰুত্বপূৰ্ণ তাত সন্দেহ নাই, কিন্তু ভিত্তি বা বুনিযাদী প্ৰতিবন্ধক নিৰ্বাণৰ পথত ইন্দ্ৰিয় চেতনা নহয, ই হ'ল মোহ, আপোনা পৰ ভেদ ভাৱ আৰু সুখ দুখ সমভাৱে লব নোৱাৰা দুৰ্বলতা।

ইযাত প্ৰণিধানযোগ্য শান্তি পাদে (চৰ্যা ২৬) কৈছে — সঁঅ্রঁ সংবেঅণ- সঅলোৱে অনুভূতি, সংবেদনা। দাৰিকপাইও সিদ্ধাৰ্থ গৌতম কথিত সংস্কাৰক

দোষ দিয়াৰ পৰা আঁতৰি আহি মূল বৌদ্ধ ধৰ্মতকে (থেৰাবাদ) বেদান্তৰ কাষ চাপিছে।

"ৰাজ" শব্দ 'ৰাজ মিস্ত্রী' বাগত অসমীয়া আৰু বঙালী ভাষাত বৰ্ত্তমানও স্রষ্টা অৰ্থৎ ব্যৱহৃত।

লুই পাঅপএ দাৰিক দ্বাদশ ভূঅণেঁ লধা   লুইপাৰ শিষ্য দাৰিকপাদ সমগ্ৰ বিশ্বতে লব্ধপ্ৰতিষ্ঠ

লুই	=	মহাসিদ্ধ লুই পা
পাঅপএ< পাদপদেন	=	ভৰিৰ তল, শিষ্য (বিনয় হেতু ব্যৱহৃত)
দাৰিক	=	দাৰিক পাদ
দ্বাদশ ভূঅণেঁ	=	দ্বাদশ ভুবনে - সমগ্ৰ বিশ্বত
লধা< লব্ধক	=	লব্ধপ্ৰতিষ্ঠ, খ্যাতি সম্পন্ন

টিপ্পনী ঃ "দাৰিকপা দ্বাদশ ভুবন জেতা" এই অৰ্থ গ্ৰহণ অযোগ্য যিহেতু "ভূঅণেঁ" লিখিত। প্ৰকৃত অৰ্থ আমাৰ মতে " লুইপাৰ শিষ্য দাৰিকপা সমস্ত বিশ্বতে প্ৰখ্যাত"। এই বাক্য বোধ হয় দাৰিকপাৰ শিষ্য সবে যোগ কৰা। বাক্যটোৰ গুৰুত্ব এই যে লুই পা উচ্চ ক্ৰিয়াতন্ত্ৰৰ সাধক, আনহাতে শিষ্য দাৰিক পা " অনুত্তৰ মাৰ্গী" বুলি কৈছে। ইযে দেখুৱায যে মন্ত্ৰযান বজ্ৰযানৰ বিভাজন লুইপাৰ কালতে আৰম্ভ হৈছিল। দাৰিক পা লুইপাৰ শিষ্য হৈও অনুত্তৰ পন্থী। ◆◆

৩৫

।। ৰাগ-মল্লাৰী ঃ ভাদেপাদানাং।।

মূল পাঠ	আধুনিক ভাষান্তৰ/অৰ্থ
এতকাল হাঁউ অচ্ছিলেঁৰ মোহে।	অতদিন মই মোহত আবিষ্ট আছিলো
এবেঁ মই বুঝিল সদ্গুৰু বোহেঁ।।	এতিয়া বুজিলো সদ্গুৰুৰ জ্ঞানেৰে।
এবেঁ চিঅৰাঅ মকু ণঠা।	সম্প্ৰতি মোৰ মনঃপৰিস্থিতি লুপ্ত।
গঅণসমুদে টলিআ পইঠা।।	শূন্য উপলব্ধি দ্বাৰা মই স্খলিত হলো
পেখমি দহ দিহ সৰ্ব্বই শূন।	মই সদ্দিশতে সৰ্বাত্মক বিশুন্যতা দেখিলো।
চিঅ বিহুনে পাপ ন পুণ ।।	চিত্ত অবিহনে পাপ - পুণ্য বিভাজনৰ স্থিতি নাই।

ৰাবুলেঁ দিল মোহ কখু ভণিআ।	**ৰাহুলে (তথাগত) দিলে মোৰ মোহ কক ভাঙি**
মই অহাৰিল গঅণত পণিআঁ।।	**মই প্ৰশংশিত শূন্যতা প্ৰাপ্ত হলো।**
ভাদে ভণই অভাগে লইআ।	**ভাদেই কয়, অভাগ্যক (দুৰ্ভাগ্যক) লই**
চিঅৰাঅ মই অহাৰ কএলা।।	**চিত্ত ৰাজ মই (পুনৰ) আহ্বণ কৰিলো।**

টিপ্পনী ঃ ভাদেপাদ, যাক মুনিদত্তই ভদ্ৰপাদ নামত বৰ্ণনা কৰিছে, কাহ্নুৰ তালিকা মতে কাহ্নুপাদৰ শিষ্য আছিল। জাহ্নবী কুমাৰ চক্ৰবৰ্ত্তীৰ (চৰ্যাগীতি ভূমিকা - পৃঃ ২২৯) মতে 'বাইল - ভাদাই' (বাউল ভদ্ৰপাদ) আৰু ভদ্ৰপাদ একেজন ব্যক্তি। এইটো গীতৰ লিপ্যান্তৰত একাধিক গুৰুত্বপূৰ্ণ মতান্তৰ আছে। গীতৰ সপ্তম শাৰীৰ প্ৰথম শব্দ মূল পাঠত 'ৰাবুলে' আছে, কিন্তু মুনিদত্তৰ টীকাত 'বাজুলে' (বাজুলেত্যাদি) আৰু অৰ্থ 'বজ্ৰগুৰু' কৰা হৈছে। বজ্ৰগুৰু শব্দ বাজুলে লৈ ৰূপান্তৰ হোৱাটো অস্বাভাৱিক। 'ৰাবুলে' শুদ্ধ বুলি গ্ৰহণ কৰিলে মূল শব্দ 'ৰাহুল' হ'ব । ৰাহুল "বুদ্ধপুত্ৰ ৰূপে" বৌদ্ধ তন্ত্ৰৰ মূল হোতা, তথাগত কুলপতি। 'ৰাহুলে মোৰ মোহ ভাঙি দিলে' অধিক গ্ৰহণযোগ্য অৰ্থ। তেনে স্থলত একেটা বাক্যৰে শেষৰ শব্দ 'ভণিযা' বাস্তৱতে 'ভঙ্গিযা' হোৱা উচিত, 'পণিযাৰ' লগত ছন্দ মিলাবৰ বাবে ইযাক ভণিযা কৰা হৈছে। ভণ শব্দৰ সাধাৰণ অৰ্থ কোৱা বা ব্যক্ত যিটো বৰ্ত্তমান বাক্যত প্ৰযোজ্য নহয। ভণই প্ৰকৃত অৰ্থত ব্যৱহাৰ হৈছে নৱম শাৰী বাক্যত।

দ্বিতীয সমস্যাৰ উত্তৰ হয 'চিঅ' বা চিত্ত শব্দলৈ । বৰ্ত্তমান গ্ৰন্থৰ লিখকে পূৰ্বৰ বহু ঠাইত চিত্তক মনৰ সমাৰ্থক ৰূপে ব্যৱহাৰ কৰিছে। চিত্ত যাক ইংৰাজীত consciousness বুলিব পাৰি, বাস্তৱতে মানস mind, বুদ্ধি intellect আৰু অহংভাৱৰ ego সমন্বিত সংমিশ্ৰণ। ভাদেপাই 'চিঅৰাঅ (চিত্ত ৰাজ) শব্দৰ দ্বাৰা সমস্ত বৌদ্ধিক মানসিক পৰিস্থিতি বুজাইছে। কেৱল মনক চিত্ত ৰূপে ভাবিলে "চিঅ বিহুন্নে পাপ ন পুন্ন" বাক্যটোৰ অৰ্থ বুজা দুৰূহ।

এতকাল হাঁউ অচ্ছিলেঁষ মোহে	**অতদিন মই স্বমোহত আবিষ্ট আছিলো**

এতকাল<এতত কাল	=	ইমান দিন, এইকাললৈ
হাঁউ<হোমি<অহম্	=	মই
অচ্ছিলেঁ (প্ৰাকৃত)	=	আছিলো
স্বমোহে < স্ব মোহ	=	আত্ম মোহত

এবেঁ মই বুঝিল সদগুৰু বোহেঁ	**এতিয়া বুজিলো সৎগুৰুৰ জ্ঞানেৰে**

এবেঁ = এতিয়া, বৰ্ত্তমান কালত, সম্প্ৰতি
মই বুঝিল = মই বুজিপালো, মোৰ হৃদয়ঙ্গম হ'ল
সদগুৰু = শুভ গুৰু
বোঁহে<বোধ = জ্ঞান , বোধি

এবেঁ চিঅৰাঅ মকুঁ ণঠা সম্প্ৰতি মোৰ মনঃপৰিস্থিতি দূষিত

এবেঁ = এতিয়া
চিঅৰাঅ<চিত্তৰাজ = মানস, বুদ্ধি আৰু অহংভাৱৰ অৱস্থা, মানসিক পৰিস্থিতি
মকুঁ<হামকু<অহং = মোৰ
ণঠা<নষ্ট = দুষ্ট, ভ্ৰষ্ট, দূষিত

গঅণসমুদে টলিয়া পইঠা শূন্য উপলব্ধি দ্বাৰা মই স্খলিত হলো

গঅণসমুদে <গগণ সমুদ্রে = বিশুদ্ধ চক্ৰ য'ত, শূন্যৰ সৃষ্টি হয়। সমুদ্ৰ কাব্যিক প্ৰযোগ
টলিযা<টলিত = অস্থিৰ, স্খলিত
পইঠা<প্ৰবিষ্ট = সোমাই

টিপ্পনী : বিশুদ্ধ চক্ৰ, যি কণ্ঠত অৱস্থিত বুলি কল্পনা কৰা হয়, আৰু যাৰ সহাযত সাধকে শূন্যতা উপলব্ধি কৰে তাৰ স্থান/ধাতু, হিন্দু আৰু বৌদ্ধ তন্ত্ৰ মতে আকাশ - সমাৰ্থ শব্দ গগন। ভাদে পাই শূন্যতা উপলব্ধিক গগন সমুদ্ৰত প্ৰৱেশ কৰা বুলি বৰ্ণনা কৰিছে। শূন্যতা উপলব্ধিৰ লগে লগে সাধকৰ মনঃস্থিৰতা নোহোৱা হ'ল, সেয়েহে নিজকে 'টলিয়া' (টলিত) অনুভৱ কৰিছে।

পেখমি দহদিহ সৰ্ব্বহি শূন মই সৰ্ব্বদিশতে সৰ্ব্বাত্মক ৰিক্ততা দেখিলো

পেখমি<প্ৰেক্ষামি = মই দেখিলো
দহদিহ<দশদিশ = সৰ্ব্বদিশ
সৰ্ব্বহি = সকলো, সৰ্ব্বাত্মক
শূন<শূন্য = অবিদ্যমানতা, ৰিক্ততা

টিপ্পনী : এই বাক্যই ভাদেপাক যোগাচাৰ তন্ত্ৰৰ বিৰোধী আৰু যত দূৰ সম্ভৱ অনুত্তৰ তন্ত্ৰৰ অনুগামী বুলি চিহ্নিত কৰিছে। অনুত্তৰ তন্ত্ৰৰ যোগাচাৰ তন্ত্ৰৰ বিৰুদ্ধে প্ৰধান অনুযোগ হ'ল যোগাচাৰৰ 'সুখ শূন্য' ধাৰণাতে নেতিসূচক

সৰ্ব্বশূন্য ভাবৰ সৃষ্টি কৰে সাধকৰ মনত, সি "অবিদ্যা"। কৰুণাৰ দ্বাৰা এই সৰ্ব্বশূন্যভাৱ অপসৰণৰ প্ৰয়োজন।

চিঅ বিহুয়ে পাপ ন পুন্ন চিত্ত অবিহনে পাপ- পুণ্য বিভাজনৰ স্থিতি নাই

চিঅ = চিঁত্ত
বিহুয়ে<অবিহনে = অনুপস্থিতিত
পাপ = অধৰ্ম্ম, কলুষ
ন = নাই
পুন্ন = পুণ্য, সৎকৰ্ম্ম

টিপ্পনী ঃ ভাদেপাই ইযাত প্ৰশ্ন তুলিছে, যোগাচাৰ তন্ত্ৰ মতে অহংভাৱৰ সম্পূৰ্ণ বিনাশ ঘটিব লাগে, আনহাতে অহংভাৱৰ অবিহনে ধৰ্ম্ম-অধৰ্ম্ম বিভাজনৰ কোনো স্থিতি নাই। ইযাত তাডকপাদৰ চৰ্যা (৩৭) "অপণে নাহিঁ মো কাহেৰি সঙ্কা" প্ৰতিধ্বনিত হৈছে।

বাবুলে দিল মোহ কখু ভণিআ ৰাহুলে দিলে মোৰ মোহ কক্ষ ভাঙ্গি

ৰাবুলে<ৰাহুলে = বুদ্ধ পুত্ৰ ৰাহুল, বৌদ্ধ তন্ত্ৰৰ কুলপতি
দিল = দিলে, কৰিলে
মোহ কখু = মোহ কক্ষ, মোহৰ ভাণ্ডাৰ
ভণিআ<ভাঙ্গিয়া = ভাঙি, ধ্বংস কৰি

টিপ্পনী ঃ ৰাহুল ইযাত তেজ মঙহৰ ব্যক্তি নহয। বৌদ্ধ তন্ত্ৰৰ শাক্যমুনি বুদ্ধৰ মানসপুত্ৰ ৰাহুল, বৌদ্ধ তন্ত্ৰৰ আদি হোতা অন্যতম তথাগত বুদ্ধসত্ত্ব ৰূপে কল্পিত। মহাযোগোতন্ত্ৰ আৰু প্ৰদীপদ্যোটন তন্ত্ৰ গ্ৰন্থ মতে ৰাহুলেই বজ্ৰসত্ত্ব। যিহেতু এই তন্ত্ৰ দুখন বজ্ৰযান পন্থাৰ, 'ৰাহুলে মোহৰ কক্ষ ভাঙি দিলে" বাক্যৰ দ্বাৰা বুজিব লাগিব ভাদেপাই বজ্ৰযান পন্থাৰ অনুত্তৰ তন্ত্ৰৰ শৰণ লৈছিল।

মই অহাৰিল গঅণত পণিআঁ মই প্ৰশংসিত শূন্য অনুভূতি পালো (আহৃত)

মই<মম = নিজ, স্ব, অহং
অহাৰিল<আহৃত = সংগ্ৰহ কৰিলো
গঅণত<গগনত = শূন্য অনুভূতিত
পণিআঁ<পণায়িত = প্ৰশংসিত

টিপ্পনী ঃ সুকুমাৰ সেনে 'পণিআঁ' শব্দৰ অৰ্থ পানী বুলি বুজিছে। পৰীক্ষিত হাজৰিকাই 'পণিআঁ' প্ৰবেশিত অৰ্থ কৰিছে। ইয়াৰ মূল 'পণিত' বা

'পণায়িত' আৰু বাস্তব অৰ্থ ইয়াৰ পিচৰ শাৰীত হে প্ৰকাশ পায়।

ভাদে ভণই অবাগে লইয়া ভাদেপাই কয় দুৰ্ভাগ্যক গ্ৰহণ কৰি

ভাদে	=	ভাদেপা, ভদ্ৰপাদ, চৰ্যা ৰচক
ভণই	=	কয়
অভাগে	=	অভাগ্য, দুৰ্ভাগ্য
লইআ	=	গ্ৰহণ কৰি

টিপ্পনী ঃ ভাদেপাই শূন্য অনুভূত হ'ল দুৰ্ভাগ্যক গ্ৰহণ কৰি, অৰ্থাৎ (লোকৰ) শোক, দুখ, কষ্ট বুজি। আনৰ কষ্টৰ প্ৰতি উদ্ভূত সহানুভূতিয়েই হ'ল 'কৰুণা' যি অনুত্তৰ তন্ত্ৰৰ পৰম লক্ষ্য। দাৰিকপাদে (চৰ্যা ৩৪) কৈছে - "সুন কৰুণৰি অভিনচাৰেঁ' শূন্য আৰু কৰুণা সমাৰ্থক। ভাদেপাই শূন্য অনুভূত হ'ল 'কৰুণাৰ' যোগেৰে আৰু সেই কৰুণাৰ উৎস হ'ল ভাদেপাৰ আনৰ দুখৰ প্ৰতি ওপজা সহানুভূতি, সহৃদযতা অৰ্থাৎ কৰুণা।

চিঅৰাঅ মই অহাৰ কএলা মই পুনৰ মানসিক সুস্থিৰতা ঘূৰাই পালো

চিঅৰাঅ	=	চিত্তৰাজ
মই	=	অহং
অহাৰ<আহৃত	=	সংগ্ৰহ কৰিলো
কএলা<কৃত	=	কৰিলো

টিপ্পনী ঃ "মই চিত্তৰাজ পুনঃ সংগ্ৰহ কৰিলো" বাক্যৰ দ্বাৰা ভাদেপাই পুনঃ মনঃস্থিৰতা ঘূৰাই পালে সূচাইছে। অনুত্তৰ তন্ত্ৰৰ 'কৰুণা' যি কৰ্ম্মমুদ্ৰা, মহামুদ্ৰা বা যৌনাচাৰৰ দ্বাৰা উদ্ভূত হয় বুলি স্বীকৃত, ভাদেপাই কয় 'কৰুণাৰ' উদ্ভৱ হয় আনৰ দুখৰ অভাগে (অভাগ্য) লইযা প্ৰতি সহানুভূতি ৰাখি। যৌনাচাৰৰ প্ৰযোজনীযতা সম্বন্ধে ভাদেপা নিমাত। ◆◆

৩৬

ৰাগ-পটমঞ্জৰী ঃ কৃষ্ণাচাৰ্য্যপাদানাম্

মূল পাঠ	আধুনিক ভাষান্তৰ/অৰ্থ
সুণ বাহ তথতা পহাৰী ।	শূন্যতে অস্তিত্ব, তথতা ৰখীয়া।
মোহ ভণ্ডাৰ লই সঅলা অহাৰী।।	মোহৰ ভিত্তিতে সকলো সংগৃহীত।

ঘুমই ণ চেবই সপৰ বিভাগা।	আৱিষ্টাৱস্থাত আত্ম পৰ বিভাজন নুবুজি।
সহজ নিদালু কাহ্নিলা লাঙ্গা।।	সাধক কাহ্নু সহজাত বোধত নিদ্রালু হ'ল।
চেঅণ ণ বেঅণ ভৰ নিদ গেলা।	চেতনা মননশীলতা সম্পূৰ্ণ নিদ্রা নগ'ল।
সঅল সুফল কৰি সুহে সুতেলা।।	সকলো মুক্ত কৰি আনন্দৰে নিদ্রামগ্ন হ'ল।
স্বপণে মই দেখিল তিহুৱণ সুণ।	নিজে সপোনত দেখিলো ত্রিভুবন অলীক।
ঘোৰিঅ অৱণা গমণ বিহুন।।	জন্ম - মৃত্যু চক্র অনুপস্থিত।
শাখি কৰিব জালন্ধৰি পাএ।	জলন্ধৰি পাদ মোৰ সাক্ষী হৈ ৰব।
পাখি ন ৰাহঅ মোৰি পাণ্ডিআচাদে।।	পণ্ডিত গুৰু মোৰ কাষত নাথাকে।

টিপ্পনী ঃ মহামহোপাধ্যায় আবিষ্কৃত চৰ্যাগীত মালাৰ ক্রমিক ৩৬ সংখ্যাৰ চৰ্যাটি আদি ভাষ্যকাৰে কৃষ্ণাচাৰ্য্যপাদ বিৰচিত বুলি মন্তব্য কৰিছে আৰু ইয়াৰ ভিত্তি য'তদূৰ সম্ভব চতুৰ্থশাৰী বাক্য — "সহজ নিদালু কাহ্নিলা লাঙ্গা"।

কাহ্নিলা = কাহ্নু = কৃষ্ণাপাদ এই যুক্তিত নিশ্চয় গীতটি "কৃষ্ণাচাৰ্য্যপাদানাম" বুলি উল্লেখ কৰা হৈছে। অন্ততঃ এজন কৃষ্ণাচাৰ্য্য বা কাহ্নু আছিল অনুত্তৰ তন্ত্ৰৰ সাধক আৰু তেখেতৰ বিৰচিত কেবাটাও চৰ্যাপদে অনুত্তৰ তন্ত্ৰৰ সমৰ্থনত ৰচিত (চৰ্যা নং ৯, ১২, ১৯ আদি)। বৰ্ত্তমান গীতটিয়ে কিন্তু— প্ৰাণাযাম জনিত " ঘুমই ণ চেবই" - (টোপনীও নহয় দিঠকো নহয়" অৱস্থা সৃষ্টি কৰিব উপদেশ দিছে। দ্বিতীযতে " শাখি কৰিব জালন্ধৰি পাএ-পাখি ণ ৰাহঅ মোৰি পাণ্ডিআচাদে"- যাৰ অৰ্থ - "জালন্ধৰিপা মোৰ সম্মুখস্থ (সাক্ষ্য) হ্ব, আন পণ্ডিত আচাৰ্য্য মোৰ লগত নাই (অপ্রযোজনীয)।" চৰ্যাগীতিকাৰে জালন্ধৰিপাদ প্রদৰ্শিত পথ কেবল গ্রহণ কৰিবলৈ মনস্থ কৰিছে। প্রশ্ন উঠিব জালন্ধৰি পাদ কোন আছিল আৰু তেওঁৰ পথ কি ?

ড° সুকুমাৰ সেনৰ মতে (চৰ্যাগীতি পদাবলী পৃঃ ২৪) জালন্ধৰি পাদৰ এজন শিষ্য কাহ্নু, যাৰ নামান্তৰ বিৰুআ। ছ টা চৰ্যা, ১০, ১২, ১৮, ১৯, ৩৬, ৪২ তেখেতে ৰচিছে বুলি সুকুমাৰ সেনৰ বিশ্বাস। তেনে ধাৰণাৰ ভিত্তি কি তেখেতে বিতংভাৱে লিখা নাই। বৌদ্ধ তন্ত্ৰ আৰু সাধনা সম্বন্ধে যি ব্যক্তিৰ প্রাথমিক জ্ঞানও আছে তেওঁ জানিব ই অসম্ভৱ। পৰীক্ষিত হাজৰিকা (চৰ্য্যাপদ পৃ ঃ ৩০১) দেৱে যোগ কৰি দিছে - "জালন্ধৰীপা নামান্তৰে হাড়িপা কাহ্নুপাদৰ গুৰু"। তাৰানাথৰ মতে তিনিজন চৰ্যা ৰচকৰ নাম কৃষ্ণাচাৰ্য আছিল - তাৰ বিৰূপ কৃষ্ণাচাৰ্য্য আছিল জালন্ধৰিৰ শিষ্য। এই মতেই সুকুমাৰ সেনে গ্ৰহণ কৰিছে।

জালন্ধৰিপাদ নিঃসন্দেহে এজন বৌদ্ধতান্ত্ৰিক গুৰুৰ নাম আৰু তেখেতৰ নামৰ মাজেৰে তেখেতৰ সাধনা পথৰ নাম লুকাই আছে। এই বৌদ্ধ সাধক 'জালন্ধৰী"। অৰ্থাৎ তেখেত "জালন্ধৰি" সাধনা পথ লৈছে। "জালন্ধৰি" এটা প্ৰাণাযামৰ ভঙ্গী, ই কাৰিকৰী শব্দ। পূৰ্ণ প্ৰাণাযাম, পূৰক, কুম্ভক, ৰেচক শূন্য এই চতুঃ ক্ৰিযাৰ সময়ত ঠুটৰিটো হলাই বুকুত লগাই লৈছিল (যাৰ ফলত আচ্ছন্নতা stupor শীঘ্ৰে আহে বুলি এই প্ৰাণাযামৰ সাধক সকলৰ বিশ্বাস। অনুসন্ধিৎসু সকলে Light on Pranayama B K S Iyengar Harper Collins চাব পাৰে। জালন্ধৰি যি জনৰ সাক্ষী, সেই জন সাধক দেখ দেখ উচ্চ ক্ৰিয়া তন্ত্ৰৰ সাধক। তেনেক্ষেত্ৰ বিৰুৱাপাদ (চৰ্যা ৩ ন ৰচক) আৰু বৰ্ত্তমান গীতৰ ৰচক একেজন হোৱাত কোনো বাধা নাই কাৰণ দুযোটা গীততে পাণাগা । । ' নি . গ্ৰীনিৰ ৮৯ দিছে। দৃঢভাবে কব পাৰি যে বৰ্তমান গীতৰ ৰচক অনুত্তৰ তন্ত্ৰৰ সাধক সিদ্ধাচাৰ্য্য কাহ্নুপাদ নহয়, ইযাত 'সহজ' শব্দই – অনুত্তৰৰ যৌনাচাৰজাত প্ৰজ্ঞা + কৰুণা বুজোৱা নাই ক্ৰিয়াতন্ত্ৰৰ তত্ব + শূন্যতা সূচাইছে।

সুণ বাহ তথতা পহাৰী শূন্যতে অস্তিত্ব তথতা ৰখীযা

সুণ<শূন্য = শূন্যতা বোধ
বাহ<বাস = বাসস্থান, স্থিতি
তথতা = যেনে আছে তাৰ প্ৰকৃত ৰূপ, সত্য ৰূপ
(জগত অনিত্য আৰু চিৰপৰিবৰ্তনশীল গান)
পহাৰী<প্ৰহৰী = ৰখীযা

টিপ্পনী : জগতখন অচিৰস্থাযী আৰু চিৰ পৰিবৰ্তনশীল এযেই বিশ্বৰ সত্য ৰূপ এযেই তথতা। তথতা জ্ঞানে মনত মোহৰ সৃষ্টি হ'ব নিদিয়ে ই শূন্য অনুভূতি সৃষ্টিৰ সহাযক। যেতিযালৈ তথতা ৰখীযা স্বৰূপে থাকিব শূন্যতাবোধ মনত অক্ষুন্ন ৰব।

মোহ ভণ্ডাৰ লই সঅলা অহাৰী মোহৰ ভিত্তিতে সকলো সংগৃহীত

মোহ = অজ্ঞতাজনিত ভ্ৰান্তি বিভ্ৰম
ভণ্ডাৰ<ভাণ্ডাৰ = ভঁৰাল
[illegible] (প্ৰা, -) গ্ৰহণ কৰ, ৰাখ
সঅলা<সকল (প্ৰাকৃত)= সৰ্ব্ব
অহাৰী<আহৃত = সংগৃহীত

টিপ্পনী : মোহৰ ভিত্তিতে মনত সর্ব্ব অবিদ্যা, যি দুখৰ হেতু বাপে সংগৃহীত হয়।

ঘুমই ণ চেবই সপৰ বিভাগা — **আবিষ্টাবস্থাত আত্ম পৰ বিভাজন বুজি নাপায়**

ঘুমই<ঘুম্যতি = আবিষ্ট অবস্থা (ঘুমণি - গভীৰ চিন্তা)
ণ = নহয়, নেতি
চেবই<চেতযতি = বুজি পায, অনুভৱ কৰে
সপৰ<স্ব + পৰ= আপোন পৰ, আত্ম - ভিন্ন
বিভাগা<বিভঞ্জন = ভাগ কৰণ, পৃথক কৰণ

টিপ্পনী : প্ৰাণাযাম আবিষ্ট অবস্থাত সাধকে নিজৰ পৰৰ পার্থক্য বুজিব নোবাৰে। স্বাভাবিকতে তেনে অবস্থাত লোভ, ক্ৰোধ, মাযাৰ ঈর্ষাৰ উদ্ৰেক নহয চিত্তত, ফলত মোহৰো সৃষ্টি নহয।

সহজ নিদালু কাহ্নিলা লাঙ্গা — **সাধক কাহ্নু সহজাত বোধত নিদ্ৰালু হ'ল**

সহজ<সহজাত বোধ = তত্ব + শূন্য, তথতা + শূন্য
নিদালু<নিদ্ৰালু = অৰ্দ্ধ সুপ্ত অবস্থা, আবিষ্টাবস্থা (stupor)
কাহ্নিলা<কাহ্নু = কাহ্নুপা
লাঙ্গা<উলঙ্গ = বিবস্ত্ৰ (ইযাত নগ্ন, তান্ত্ৰিক অৰ্থৎ ব্যবহৃত)

টিপ্পনী : চর্যাগীতৰ ৰচক কাহ্নিল, অনুত্তৰ তন্ত্ৰৰ সিদ্ধ কৃষ্ণাচাৰ্য্য হোৱাৰ সম্ভাৱনা কম বুলি পূৰ্ব্বেই আলোচনা কৰা হৈছে। লাঙ্গা শব্দই উলঙ্গ বা বিবস্ত্ৰ বুজায যদিও চর্যা গীতত লাঙ্গা, কাবালী আদি শব্দই বাস্তবতে বৌদ্ধ তান্ত্ৰিক সন্যাসী সূচায। বৰ্ত্তমান পদত কাহ্নুৱে গাইছে তেখেত সহজানন্দত আবিষ্ট হৈ অৰ্দ্ধ নিদ্ৰা অৰ্দ্ধজাগ্ৰত যোগ সমাধিস্থ আছিল।

চেঅণ ণ বেঅণ ভৰ নিদ গেলা — **চেতনা, মননশীলতা সম্পূৰ্ণ নিদ্ৰা নগ'ল**

চেঅণ< চেতন = ইন্দ্ৰিয চেতনা, ইন্দ্ৰিযানুভূতি (senses)
ণ = নহয়, নেতি
বেঅণ<সংবেদনা = মননশীলতা, স্পৰ্শকাতৰতা (sensitivites)
ভৰ = সম্পূৰ্ণ (প্ৰাকৃত, যেনে ৰাত ভৰ)
নিদ<নিদ্ৰা = সুপ্তাবস্থা, টোপনী
গেলা<গত = গ'ল

টিপ্পনী : ইন্দ্ৰিযানুভূতি আৰু মননশীলতা সম্পূৰ্ণ সুপ্ত নহ'ল। প্ৰাণাযামাবিষ্ট সমাধিৰ বৰ্ণনা দি গাইছে — কাহ্নিল সহজজাত নিদ্ৰাত মগ্ন,

কিন্তু তেখেতৰ সংবেদনা আৰু চেতনা দুয়োটাই আংশিকভাৱে জাগ্রত (ণ ভৰ নিদ গেলা) হৈ ৰ'ল। যোগাবিষ্ট সমাধি এক অৰ্দ্ধ নিদ্রা - অৰ্দ্ধ চেতন অৱস্থা।

সঅল সুফল/মুকল কৰি সুহে সুতেলা সকলো মুক্ত কৰি আনন্দত নিদ্রামগ্ন হ'ল

সঅল<সকল	=	সকলো, সৰ্ব্ব
মুকল<মুক্ত	=	বন্ধনহীন
কৰি<কৃ	=	সংঘটিত কৰি
সুহে	=	সুখে, আনন্দত
সুতেলা< সুপ্তিম্ন	=	টোপনী, নিদ্রামগ্ন হ'ল

টিপ্পনী ঃ সৰ্ব্বদিশ মুক্ত কৰি নিদ্রামগ্ন হলো বাক্যটোৱে বুজাইছে, চেতনা আৰু সংবেদনা অৰ্দ্ধ সুপ্ত অৱস্থাত মাযা, মোহ, লোভ, ক্রোধ আদিৰ বন্ধন খোল খাই যায়। যোগনিদ্রালু অৱস্থাত কাহ্নিলে দেখিলে —

স্বপণে মই দেখিল তিহুৱণ সুণ নিজৰ সপোনত দেখিলো ত্রিভুৱন অলীক

স্বপনে<স্বপ্ন	=	সপোনত, যোগনিদ্রাবিষ্ট অৱস্থাত
মই<মযা	=	স্ব, নিজ
দেখিল	=	দেখা পালো, দৃষ্ট
তিহুৱন<ত্রিভুৱন	=	জগৎ, ব্রহ্মাণ্ড, তিনিভুৱন
সুণ	=	শূন্য, অবাস্তৱ, অলীক

ঘোৰিঅ অৱণা গমণ বিহুন জন্ম মৃত্যু চক্র অনুপস্থিত

ঘোৰিঅ< ঘূৰ্ন্যাযমান	=	চক্রবৎ ঘূৰ্ণিত,
ঘোৰিঅ< হেৰিঅ	=	দৃষ্ট
অৱণা গমণ<আগমন গমন	=	অহা যোৱা = জন্ম মৃত্যু
বিহুণ<অবিহুন	=	অনুপস্থিত

টিপ্পনী ঃ "(দেখিলো) জন্ম-মৃত্যু চক্র অনুপস্থিত"। ইয়াৰ আগৰ পদত কবিয়ে গাইছে যোগনিদ্রাবিষ্ট অৱস্থাত দেখিলো (স্বপনে) ত্রিভুৱন অবাস্তৱ, আনকি জন্ম-মৃত্যু - পুনৰ্জন্ম চক্রও বাস্তৱতে নাই। এইটো বৰ গুৰুত্বপূৰ্ণ দাৰ্শনিক উক্তি আৰু ইযাৰ দ্বাৰা বৌদ্ধ ধৰ্ম্মৰ মৌলিক সত্য সম্বন্ধে প্রশ্ন তোলা হৈছে। কাহ্নিলে কৈছে — সকলো অবাস্তৱ, আনকি জন্ম-মৃত্যু - পুনৰ্জন্ম চক্রও মানুহে নিজ কল্পনাৰে সৃষ্টি কৰি লৈছে। এই নীতি যোগাচাৰ তন্ত্ৰৰ 'ধ্যান' (বৰ্ত্তমান জেন) উপগোষ্ঠীৰ দৰ্শন যেন লাগে — কিন্তু ধ্যানৰ পন্থা হ'ল বিশ্লেষণ

আৰু একাগ্ৰতা। আনহাতে কাহ্নিলে চেতনা আৰু সংবেদনাক অৰ্দ্ধসুপ্ত অৱস্থাত ৰাখিবলৈ কৈছে যিটো সম্ভৱ প্ৰাণায়াম আৰু হঠযোগৰ সাধনাৰ দ্বাৰা। ইয়াৰ পিচৰ শাৰী পদত "জালন্ধৰি পাক সাক্ষী ৰাখি" তাকেই দোহাৰিছে যে প্ৰাণায়ামৰ দ্বাৰা নিজকে সপোনো নহয় দিঠকো নহয় অৱস্থা এটালৈ আনা। তেতিয়া উপলব্ধি কৰিবা সমস্ত জগতেই আনকি জন্ম-মৃত্যু-পুনৰ্জন্মও অবাস্তৱ। হঠযোগৰ পূৰ্ণ ব্যৱহাৰ উচ্চ ক্ৰিয়াতন্ত্ৰৰ সাধনাৰ পথ।

শাখি কৰিব জালন্ধৰি পাএ জালন্ধৰিপাদ মোৰ সাক্ষ্য হৈ ৰব।

টিপ্পনী ঃ জালন্ধৰিপাদ নামেই সূচায যে এই জনা তান্ত্ৰিকে প্ৰণাযামৰ ওপৰত অত্যধিক গুৰুত্ব দিছিল আৰু সম্ভৱতঃ ক্ৰিযাতন্ত্ৰৰ সাধনা মাৰ্গ বাচি লৈছিল।

পাখি ন বাহঅ মোৰি পাণ্ডিআচাদে পণ্ডিত্যপূৰ্ণ গুৰু মোৰ কাষত নাথাকে

পাখি<পাশি<পাৰ্শ্ব	=	কাষত
ন ৰাহঅ<ন ৰহয	=	নাথাকে
মোৰি<মম	=	মোৰ, নিজ
পাণ্ডি আচাদে<পণ্ডিত+আচাৰ্য্য	=	পাণ্ডিত্যপূৰ্ণ গুৰু

টিপ্পনী ঃ মোৰ (সাধকৰ) কাষত পাণ্ডিত্যপূৰ্ণ গুৰুৰ প্ৰয়োজন নাই, জালন্ধৰিপাদৰ প্ৰত্যক্ষ দৃষ্টান্তই যথেষ্ট, এই বাক্যই পুনৰবাৰ ক্ৰিয়াতন্ত্ৰৰ হঠযোগকে সূচাইছে, কাৰণ এই সাধনা পথত পাণ্ডিত্য পূৰ্ণ বিশ্লেষণৰ প্ৰয়োগ নহয (যেনে, সাংখ্য, মীমাংসা বা যোগাচাৰত কৰা হয়)। ই প্ৰায সম্পূৰ্ণ শাৰীৰিক কাযা আৰু প্ৰাণাযাম ভিত্তিক সাধনা পথ। দেখা যায় কাহ্নিল, জালন্ধৰিপাদ, লুইপাদ আদি সিদ্ধই ক্ৰিয়াতন্ত্ৰৰ অপেক্ষাকৃত সৰল সাধনা পথকে নিৰ্বাচন কৰি লৈছিল। সাধনাত সিদ্ধি লভিলে কিন্তু যোগাচাৰ তন্ত্ৰৰ লগত ফল একেই, "সৰ্ব্ব শূন্যই" অনুভূত হৈছিল। যোগাচাৰৰ লক্ষ্য "সুখ শূন্য" আৰু উচ্চ ক্ৰিয়াতন্ত্ৰৰ "তত্ত্ব শূন্য" অনুভূতি। সৰ্ব্বোচ্চ পৰ্য্যায়ত ক্ৰিয়া আৰু যোগাচাৰ তন্ত্ৰ একে হৈ যায়। ◆◆

ৰাগ - কামোদ ঃ তাডকপাদানাম্

মূলপাঠ	আধুনিক ভাষান্তৰ/অৰ্থ
অপণে নাহি মো কাহেৰি সঙ্কা।	নিজেই যি জন নাই তেওঁৰ কিহৰ, আশঙ্কা?
তা মহামুদেৰি টুটি গেলি কংখা।।	সেই মহামুদ্ৰাৰ স্পৃহা লোপ পালে।
অনুভব সহজ মা ভোলৰে জোই।	হে যোগী সহজানুভূতি পাহৰি নাযাবা।
চৌকোডহি বিমুকা জইসো তইসো হোই।।	চাৰি কোটি (জীৱৰ) মুক্তি যেনে তেনে প্ৰকাৰে হয়।
জইসনে অছিলেস তইসনে অচ্ছ।	যিদৰে আছিল তেনেদৰে থাকক।
সহজ পিথক জোই ভান্তি মা হো বাস।।	সহজ বোধৰ পৰা বিভ্ৰান্ত নহবা পথিক।
বাণ্ডকুৰুণ্ড সন্তাৰে জাণী।	লিঙ্গ - অণ্ডকোষৰ সন্তৰণ জানি লোৱা।
বাকপথাতীত কাঁহি বখাণী।।	বাক পথৰ অতীত তাক কিদৰে প্ৰশংসা কৰা যায়?
ভণই তাডক এথু নাহি অবকাশ।	তাডকে কয় তাৰ বিৰাম নাই।
জো বুঝই তা গলেঁ গলপাস।।	যি এইটো জানে, তাৰ ডিঙিত ফাঁচ ফাঁচলাগে।

টিপ্পনী ঃ তাডকপাদৰ চৰ্যাগীতটিৰ অৰ্থ উদ্ধাৰ কৰা বাস্তবতে দুৰূহ কাৰ্য্য কাৰণ এটা মাত্ৰ তাডকপাদ বিৰচিত চৰ্যাগীত বৰ্তমান সঙ্কলনত অন্তৰ্ভূক্ত হেতু তেখেতৰ ধৰ্ম্মদৰ্শনৰ পন্থা স্পষ্ট নহয়। তিবৃতী কাঞ্জৰ তালিকাত তাডকপাদৰ নামৰ উল্লেখ নাই। সুকুমাৰ সেনৰ মতে তেখেতৰ নাম 'তাডঙ্ক' অৰ্থাৎ কৰ্ণভূষণ শব্দৰ পৰা উদ্ভৱ। কৰ্ণ ভূষণ যদি "বুদ্ধ কুণ্ডল" সূচাইছে তেনেহলে তেখেতৰ সাধনা লক্ষ্য আছিল বৈষম্য বিচাৰ জ্ঞান (discretory knowledge চৰ্যা ১৮ ৰ কৰ্ণ কুণ্ডলৰ টীকা চাওক।) যি দেখ দেখ যোগাচাৰ তন্ত্ৰৰ লক্ষ্য। এই চৰ্যাগীততে তাডকপাদে শ্ৰোতা সকলক "জোই" অৰ্থাৎ যোগী বুলি সম্বোধন কৰিছে, যিও যোগাচাৰ, তন্ত্ৰৰ সাধকৰ নাম। আনহাতে সপ্তম অষ্টম শাৰীৰ বাক্যদুটাত যৌনাচাৰৰ প্ৰশংসা কৰিছে — যি অনুত্তৰ তন্ত্ৰৰ মৌলিক নীতি। শেষত পদটোত কবিয়ে পুনৰ যোগাচাৰ তন্ত্ৰলৈ ফিৰি আহিছে। তেনে স্থলত যৌনাচাৰৰ প্ৰশংসা পৰিহাস বুলি ধৰি লোৱাৰ বাদে আন উপায়

নাই। চৰ্যাটিৰ দ্বিতীয় শাৰী বাক্যত ব্যৱহৃত 'মহামুদেৰি' যাৰ সংস্কৃত সম শব্দ 'মহামুদ্ৰা' যোগাচাৰ অনুত্তৰ দুযোবিধ তন্ত্ৰতে ব্যৱহৃত কিন্তু অৰ্থ ভিন্ন ভিন্ন। কোন অৰ্থত তাড়কপাদে 'মহামুদ্ৰা' ব্যৱহাৰ কৰিছে সিও স্পষ্ট নহয় হেতুকে অনুমানৰ ওপৰত নিৰ্ভৰ কৰাৰ বাদে উপায় নাই।

চৰ্যাগীতটিৰ শেষৰ পদ "ভণই তাডক এষু নাহি অবকাশ। জো বুঝই তা গলেঁ গলপাস।।" যৌনাচাৰ কৰুণা উদ্ভৱৰ বাবে প্ৰযোজনীয় বুলি যে অনুত্তৰতন্ত্ৰপন্থী সকলে স্বীকাৰ কৰে, তেনেহ'লে তাডকপাদে যৌন অভিজ্ঞতাক 'গলপাস' অৰ্থাৎ ডিঙিত বন্ধা খোৰোচা গাঁঠি বুলি কেলেই কৈছে? যতদূৰ সম্ভৱ ই প্ৰহসন বাক্য। এবাৰ যৌন অভিজ্ঞতা লভিলে সি ফাঁচৰ দৰে সাধকৰ ডিঙিত লাগি ধৰিব তাক এৰুওৱা সম্ভৱ নহয়। চৰ্যা ৩৩ ত ঢেণ্টনপাদে গাইছে " বেগ সংসাৰ বডহিল জাঅ।" যি ইযাৰ সমাৰ্থক। শেষৰ পদত, অনুত্তৰ তন্ত্ৰৰ উপহাস আমি চৰ্যা নং ২৮ তো পাওঁ য'ত কৈছে যৌনাচাৰৰ দ্বাৰা নিশ্চয তীক্ষ্ণ শাৰীৰিক সুখ অনুভৱ কৰা যায, কিন্তু ই আধ্যাত্মিক জীৱনৰ সৰ্বনাশ মাতি আনে। তথাপি তাডকপাদৰ চৰ্যাটিৰ অৰ্থ কোনেও নিশ্চতভাৱে কব নোৱাৰে। আমি ইযাক যোগাচাৰী কবিৰ দ্বাৰা ৰচিত ৰূপতে ভাবাৰ্থ বিচাৰিম।

অপণে নাহিঁ মো কাহেৰি সঙ্কা নিজেই যিজন নাই তেওঁৰ কিহৰ আশঙ্কা

অপণে<আত্মনা	=	নিজ, স্ব ব্যক্তি (পুৰণি অসমীযাত 'আপুনি')
নাহি	=	অনুপস্থিত, অস্তিত্বহীন
মো<মম	=	মোৰ, নিজস্ব
কাহেৰি<কস্য	=	কাৰ, কিহৰ
সঙ্কা	=	শঙ্কা = আশঙ্কা, ভীতি, সন্দেহ, সংশয

টিপ্পনী ঃ গৌতম বুদ্ধই প্ৰচাৰ কৰা ধৰ্ম্মৰ দাৰ্শনিক ভিত্তিয়েই হ'ল "অনাত্তা", সংস্কৃত ভাষাত "অনাত্মা"। 'নিজ' বোলা বস্তুটোৰ অস্তিত্বই নাই, যোগাচাৰ তন্ত্ৰত এই দৰ্শনেই মৌলিক নীতি ৰূপে ল'লে - নিজ বা আত্মৰ অনস্তিত্ব এবাৰ উপলব্ধি কৰিলে সমস্ত জগতেই অলীক, অস্তিত্বহীন সৰ্বশূন্য অনুভূত হ'ব। তেনে উপলব্ধিপ্ৰাপ্ত সাধকৰ বাবে স্বাভাৱিকতে আশঙ্কা বা সংশয কৰিবলগীয়া কোনো কথাই নাথাকে - সেয়েহে তেওঁৰ কিহৰ সংশয?

তা মহামুদেৰি টুটি গেলি কংখা সেই মহামুদ্ৰাৰ স্পৃহা লোপ পালে

তা<তত	=	সেই
মহামুদেৰি	=	মহামুদ্ৰা

টুটি গেলি = ভাঙি গ'ল, নোহোৱা হ'ল
ক্‌খা<আকাঙ্খা = আগ্রহ, স্পৃহা

টিপ্পনী ঃ "সেই মহামুদ্রাৰ আকাঙ্খা নোহোৱা হ'ল।" এই বাক্যটোৰ দ্বাৰা তাডকপাদে কোন মহামুদ্রাৰ উল্লেখ কৰিছে স্পষ্ট নহয়। ক্রিয়া তন্ত্ৰৰ 'মহামুদ্রা' তত্ব + সুখ, যোগাচাৰৰ মহামুদ্রা বজ্রসত্ব ৰূপ উপলব্ধি, অনুত্তৰ তন্ত্ৰৰ পদ্ম - বজ্র সংযোজন, সাধাৰণ ভাষাত যৌনাচাৰ। 'তা' বা 'সেই' শব্দই যৌনাচাৰৰ পিনে আঙুলিয়ায। অনুত্তৰ তন্ত্ৰৰ সাধক সকলে কয যোগাচাৰৰ 'সৰ্ব্বশূন্য বাদ ' 'অবিদ্যা'। যৌনাচাৰৰ যোগেৰে সৰ্ব্বশূন্যৰ পৰা করুণালৈ উভটি আহিব লাগে নহলে সাধকৰ মানসিক সমতা নষ্ট হয (চৰ্যা ২৭, ১৬ ইত্যাদি)। তাডকপাদে তাৰ উত্তৰে দি কৈছে - যি জন সাধকে নিজৰ অস্তিত্বকে অস্বীকাৰ কৰিছে তেওঁ আৰু কি 'নিজৰ' মানসিক অস্থিৰতা সম্বন্ধে চিন্তা কৰিব ? তেখেতৰ যৌনাচাৰৰ চিহ্নমুদ্রা মহামুদ্রাৰো কোনো প্রযোজন নাই অথবা যোগতন্ত্ৰৰ বজ্র সত্বৰ লগত লীন হোৱাও অপ্রযোজনীয।

অনুভৱ সহজ মা ভোল ৰে জোঈ হে যোগী সহজ অনুভূতি পাহৰি নাযাবা

অনুভৱ = অনুভূতি, বোধ - চেতনা
সহজ = সহজাত অনুভূতি, যোগাচাৰ মতে সুখ শূন্য
মা = নহয, নেতি
ভোল (প্রাকৃত) = বিস্মৰণ, পাহৰি যোৱা
ৰে জোঈ = হেৰা যোগী

চৌকোড্ডি বিমুকা জইসো তইসো হোই চাৰিকৌটি (জীৱৰ) মুক্তি যেনে তেনে প্রকাৰে হয়।

চৌকোড্ডি<চৌ+কোড্ডি = চাৰি কৌটি
বিমুকা<বিমুক্তি = সম্পূৰ্ণ মুক্তি, নিৰ্ব্বাণ
জইসো তইসো = যি কোনো প্রকাৰে, যেন তেন প্রকাৰেণ
হোই<হয় = ঘটে

টিপ্পনী ঃ এই দুটা বাক্যৰ দ্বাৰা তাডকপাদে পৃথিবীৰ সমস্ত সংগঠিত ধৰ্ম্ম, বিশেষকৈ সংগঠিত বৌদ্ধ ধৰ্ম্মক পৰিহাস কৰিছে। জগতৰ চৰাচৰ সমস্ত জীৱেই এদিন মুক্তি বা নিৰ্ব্বাণ লাভ কৰিব, এয়া হ'ল বৌধ ধৰ্ম্মৰ অন্যতম মূল নীতি। জন্ম - জন্মান্তৰ সৎ কৰ্ম্ম কৰিলে জন্ম - মৃত্যু - জন্ম [illegible]

প্ৰাণী সৱে ক্ৰমশঃ উন্নততৰ জন্ম লভি অৱশেষত এদিন নিৰ্বাণ পাব। তাড়কপাদে উপহাস কৰিছে, এই চাৰি কৌটি জীৱে "যেন-তেন প্ৰকাৰেণ" (জইসো তইসো) নিৰ্বাণ পাব, তেওঁলোকক ধৰ্ম্ম, বুদ্ধ, ধ্যানৰ প্ৰয়োজন নাই। অৰ্থাৎ কালৰ চকৰি নিজৰ মতেই ঘূৰি থাকিব তাৰ বাবে ধৰ্ম্মধ্বজ সকলৰ প্ৰযোজন নাই। 'চাৰি কৌটি' শব্দই এক অনিৰ্দ্দিষ্ট ডাঙৰ সংখ্যা সূচায বৌদ্ধ শাস্ত্ৰ সমূহত। ই হিন্দু শাস্ত্ৰৰ তেত্ৰিশ কৌটি সদৃশ। দ্বিতীয সম্ভৱপৰ অৰ্থ মাণ্ডূক্য উপনিষদ আৰু মধ্যমিকাৰ দৰ্শনৰ পৰা লোৱা — পৰম সত্য ব্যক্তিৰ চতুৰ্জ্ঞানৰ উৰ্দ্ধত অৱস্থিত (highest truth lies beyond four views)।

জইসনে অছিলেস তইসনে অচ্ছ যি দৰে আছিল তেনেদৰেই থাকক

জইসনে<যেনে	=	যেনেকৈ, যিদৰে
অছিলেস<অস	=	আছিল, স্থিত
তইসন<তেন	=	তেনেদৰে, অপৰিবৰ্ত্তিত
অচ্ছ<অস	=	থাকক

টিপ্পনী ঃ 'যেনে আছিল তেনেদৰেই থাকিব দিযা", অৰ্থাৎ আমি সেই সম্বন্ধে আলোচনা নকৰো, ই আমাৰ বোধাতীত।

সহজ পথক/পিথক জোই ভান্তি মা হো বাস সহজ বোধৰ পৰা বিভ্ৰান্ত নহবা পথিক।

সহজ	=	সহজাত অনুভূতি
পথক/পিথক<পথিক	=	পথিক, অনুগামী ব্যক্তি
জোই	=	যোগী
ভান্তি	=	ভ্ৰান্ত, বিপথগামী, ভ্ৰমযুক্ত
মা হো	=	নহবা
বাস<বাসয	=	অনুভৱ কৰ, বোধ কৰ

টিপ্পনী ঃ এইটো পদত সমস্যা হয শব্দটো মূলত 'পথক' আছিল নে 'পিথক' আছিল। পিথক শুদ্ধ বুলি ধৰিলে বাক্যটোৰ অৰ্থ হ'ব, সহজ অনুভূতিৰ মাজত পাৰ্থক্য নানিবা, সকলো তন্ত্ৰৰে সহজ অনুভূতি বাস্তৱতে একে, তাৰ মাজত প্ৰভেদ নাই। শব্দটো পথক = পথিক শুদ্ধ বুলি লওঁ বাক্যটোৰ অৰ্থ হ'ব, বিভ্ৰান্ত হৈ সহজ অনুভূতি ত্যাগ কৰি বিপথে নাযাবা। আমি দ্বিতীয অৰ্থ সমৰ্থন কৰো কাৰণ তাড়কপাদে ইয়াৰ আগতেও এবাৰ কৈছে - "অনুভৱ সহজ মা ভোলৰে জোই"।

বাণ্ডকুৰণ্ড সম্ভাৰে জাণী লিঙ্গ অণ্ডকোষৰ সন্তৰণ জানি লোৱা

বাণ্ডকুৰুণ্ড<বাণ্ড+কুৰুণ্ড	=	বণ্ড= লিঙ্গ , কুৰণ্ড = অণ্ডকোষ
সন্তাৰে<সন্তৰণ	=	সাঁতোৰ, জলত গমনাগমন
জাণী<জ্ঞান	=	জ্ঞাত হৈ

টিপ্পনী ঃ লিঙ্গ অণ্ডকোষৰ গমনা গমনৰ অভিজ্ঞতা লোৱা, অৰ্থাৎ স্ত্ৰী সঙ্গম কৰা।

বাকপথাতীত কাঁহি ৰখাণী বাক পথৰ অতীত তাক কিদৰে প্ৰশংসা কৰা যায়,

বাক পথাতীত	=	বাক পথৰ অতীত, বৰ্ণনাতীত, কথাৰে বৰ্ণাব নোৱাৰা
কাঁহি	=	কিদৰে
বখাণী<ব্যাখ্যানিত	=	ব্যাখ্যা কৰিব পৰা, প্ৰশংসিত

টিপ্পনী ঃ এই পদটো পঢ়িলে, এনে লাগে, যেন ই অনুত্তৰ তন্ত্ৰৰ যৌনাচাৰক প্ৰশংসা কৰি লিখা বাক্য। বাস্তৱতে ই পৰিহাসৰ এটা ৰূপ। আধুনিক অসমীয়াত এনে ৰূপ লব — "ল ল লিঙ্গ অণ্ডকোষৰ অভিজ্ঞতা। এনে ভাল লাগে যে ভাষাৰে বৰ্ণাব নোৱাঁৰি (কিন্তু, শেষৰ পদটিত বৰ্ণিত তাৰ ফলাফল)।

ভণই তাড়ক এথু নাহি অৱকাশ তাড়কে কয় তাৰ বিৰাম নাই

ভণই তাড়ক	=	তাড়কে কৈছে
এথু<এথু	=	ইয়াৰ
নাহি	=	নাই, নেতি, অনুপস্থিত
অৱকাশ	=	বিশ্ৰাম,বিৰাম (respite, cessation)

টিপ্পনী ঃ (লিঙ্গ সুখ এবাৰ অনুভৱ কৰিলে) তাড়কে কৈছে ইয়াৰ আৰু বিৰাম নাই। সেই বৰ্ণনাতীত সুখ অনুভৱ কৰিবলৈ সাধকৰ বিৰামহীন ইচ্ছা জাগ্ৰত হ'ব। ফলত?

জো বুঝই তা গলেঁ গলপাস যি এইটো জ্ঞাত হয় তাৰ ডিঙিত ফাঁচ লাগে

জো	=	যি জনে
বুঝই<বুধাতে	=	জ্ঞাত হয়, বোধ হয়
তা<ত্ব	=	সিজনাৰ, তাৰ
গলে	=	ডিঙিত, কণ্ঠত
গলপাস	=	গলৰ ফাঁচ, কণ্ঠ বন্ধু

টিপ্পনী ঃ বৰ্ণনাতীত যৌন সুখৰ স্মৃতিযে সাধকৰ ডিঙিত ফাঁচৰ দৰে লাগি ধৰিব। অবিৰাম যৌন স্পৃহাই সাধকৰ আধ্যাত্মিক জীৱন ফাঁচিৰ জৰীৰ দৰে অন্ত কৰিব। তাড কপাই গাইছে সুখ শূন্যতে সন্তুষ্ট থাকা। অনাত্মা (non self) এবাৰ অনুভৱ কৰিলে যৌন অভিজ্ঞতাৰ কোনো প্ৰয়োজন নাই। নাৰী সুখৰ অভিজ্ঞতা সাধকৰ ডিঙিত ফাঁচিৰ জৰীৰ খোৰোচা গাঁঠিৰ দৰে আটি ধৰিব।

টীকা ঃ চৌকাড্ডি বিমুকা জইসো তইসো হোই — এইটো অতি জটিল দৰ্শনৰ বাক্য তাৰ মূল চৌকড্ডি + বিমুকা = সংস্কৃত শব্দ 'চতুষ্কটি ভি নিৰমুক্ত" মাধ্যমিকা দৰ্শনৰ পৰা লোৱা হৈছে যি আকৌ মাণ্ডুক্য উপনিষদৰ শেষ শ্লোকৰ সৈতে একে — P L Vaidya Origin of Buddhism প্ৰবন্ধত (2500 years of Buddhism P 11 ই এই শব্দৰ অৰ্থ উল্লেখ কৰিছে — "নান্তঃ প্ৰজ্ঞামন, বহিঃ প্ৰজ্ঞাম অভ্যতঃ প্ৰজ্ঞাম — না প্ৰজ্ঞাম।" জ্ঞান, অজ্ঞতা, বহিঃজ্ঞান আৰু অন্তৰ্জ্ঞান কোনোটোৰে অন্ত নাই। অৰ্থাৎ চৰম সত্য এই চাৰিওটাৰ উৰ্দ্ধত যি তাডকপাদৰ মতে ব্যক্তিৰ বোধগম্য নহয় আৰু নহবও। সেযেহে তেখেতে গাইছে — সি যি দৰে আছে তেনেকৈ থাকিব দিয়া তাৰ সম্বন্ধে চিন্তা কৰি লাভ নাই (জইসনে অছিলেস তইসন অচ্ছ)। ◆◆

৩৮

।। ৰাগ - ভৈৰৱী ঃ সৰহ্পাদানাম্ ।।

মূলপাঠ	আধুনিক ভাষান্তৰ/অৰ্থ
কাঅ ণাৱড়িহি খান্টি মণ কেডুআল।	কাযা চাঙ্গী (শব বহনৰ) বা নাও, মন তাৰ কাণ্ডাৰী।
সদ্গুৰু বঅণে ধৰ পতৱাল।।	সৎগুৰুৰ উপদেশ অনুসৰি গুৰি বঠা ধৰা,
চীঅ থিৰ কৰি ধৰহুৰে নাহী।	চিত্ত অচঞ্চল কৰি নৌকা শাৰীক নিয়ন্ত্ৰণ কৰা,
অন উপাযেঁ পাৰ ণজাই।।	আন উপায়ে পাৰলৈ নাযায়।
নৌবাহী নৌকা টাণঅ গুণে।	নাৱৰীয়া নাওক গুণেৰে টানি নিয়া
মেলি মেল সহজে জাউ ণ আণেঁ।।	বন্ধন খুলি বিকল্পহীন সহজ উদ্দেশ্যে যাত্ৰা কৰা।
বাটত ভঅ খান্ট বি বলআ।	পথত দেহ বিচলিত হোৱাৰ আশঙ্কা
ভৱ উলোলেঁ ষঅ বি বোলিআ।।	সংসাৰ মহাতৰঙ্গত সকলো উলট পালট হয়।

কুলসই খৰে সোন্তে উজাঅ। তীৰলৈ প্ৰবল সোঁতত উজাই যায়
সৰহ ভণই গঅণেঁ পমাএঁ / সমাঅ।। সৰহে কৈছে (ই) গগনত (শূন্যত) প্ৰবেশ কৰে।

টিপ্পনী : বৰ্ত্তমান চৰ্যাগীতটিত আঠোটা শব্দৰ শুদ্ধ লিপি সম্বন্ধে মতান্তৰ আছে, তেনেক্ষেত্ৰত শুদ্ধ অনুবাদ সমস্যাজনক হৈ পৰে। দ্বিতীয়তঃ বৰ্ত্তমান গীতটিৰ কোনো নিৰ্দ্দিষ্ট দিশ বা নীতি নাই, ই সাধাৰণ চৰিত্ৰৰ (of general nature)হোৱা হেতুকে অনুবাদৰ নিৰ্ভুলতা পৰখ কৰিবলৈ কোনো নিৰ্দ্দিষ্ট তন্ত্ৰ নীতি নাই। সৰহপাদে গাইছে — মনুষ্য দেহা, আত্মাক বহন কৰা নাওঁ বা চাঙ্গী (ভেল), ওপৰই হে কেৱল তাক পাৰ লগোৱাত সক্ষম। তন্ত্ৰৰ যোগেৰেহে চিত্তই শূন্য অনুভূত হ'ব। অৰ্থৰ ফালৰ পৰা ই অসম্পূৰ্ণ । শূন্যতাবোধ ক্ৰিয়া চৰ্য্যা, যোগাচাৰ আৰু অনুত্তৰ চাৰিওটা তন্ত্ৰৰে লক্ষ্য — অতএব সৰহপাদে কোন তন্ত্ৰৰ সমৰ্থনত গীতটি লিখিছে তাকো সুনিশ্চিত ভাৱে ক'ব নোৱাৰি। চৰ্যাগীত ক্ৰমিক নম্বৰ ২২ আৰু ৩২ ৰ পৰা বুজিব পাৰি সৰহপা যোগাচাৰ তন্ত্ৰৰ সাধক আছিল যাৰ শূন্যতা জ্ঞান লক্ষ্য, আৰু সহজানন্দ "সুখ শূন্য"।

কাঅ ণাবড়িহি খান্টি মণ কেড়ুআল কাযা চাঙ্গী বা নাও, মন তাৰ কাণ্ডাৰী

কাঅ<কাযা	=	ব্যক্তিৰ দেহ
ণাৱডহি< নাৱহি	=	নৌকা, নাওঁ
খান্টি<খাঁটি<খাটিকা	=	মৰাশ নিযা খাট বা চাঙ্গী
মন	=	মানস
কেড়ুআল	=	কেড়ুৱাল = কাণ্ডাৰী

টিপ্পনী : প্ৰথম বাক্যতে সৰহপাদে প্ৰকাশ কৰিছে ই পিতৃতন্ত্ৰৰ সমৰ্থক চৰ্যা গীত। মনুষ্যৰ দেহা কেৱল আত্মাক বহন কৰা নাওঁ বা তাতোকৈ অধম-মৃতদেহ বহন কৰা চাঙ্গী যিযে ব্যক্তিক কেৱল মৃত্যুলৈকেহে বহন কৰি নিব। প্ৰকৃত চালক মন, যিযে কেড়ুৱাল বা কাণ্ডাৰী ৰূপে (সং ঃ কৃপীটপাল) ব্যক্তিক নিৰ্দ্দিষ্ট দিশ বা লক্ষ্যলৈ চালিত কৰিব সক্ষম। দেহৰ ওপৰত মনৰ সৰ্বাত্মক প্ৰাধান্য স্বীকাৰ কৰাৰ লগে লগে বুজা যায় গীত ৰচকে মাতৃতন্ত্ৰ (শক্তি তন্ত্ৰ) অপেক্ষা পিতৃতন্ত্ৰ (মনঃ সৰ্বস্ব) অধিক কাৰ্য্যকৰ ৰূপে গণ্য কৰে (চৰ্যা ৩৩ চাওক)।

সদগুৰু বঅণে ধৰ পতৱাল সংগুৰুৰ উপদেশ অনুসৰি গুৰি বঠা ধৰা

সদগুৰু	=	সংগুৰু, সত্যগুৰু

বঅণে<বচনে = বাক্য অনুসৰি, উপদেশ মতে
ধৰ<ধৃ = হাতত লোৱা
পতবাল<পত্ৰপাল = গুৰি বঠা

টিপ্পনী : ইযাৰ আগৰ বাক্যত মনক গুৰি-ধৰা বা কাণ্ডাৰী বুলি কৈছে, অতএব এই বাক্যৰ অৰ্থ হ'ব, গুৰুৰ বাক্য মানি নিজৰ মনক নিযন্ত্ৰণলৈ আনা।

চীঅ থিৰ কৰি ধৰহুৰে নাহী চিত্ত অচঞ্চল কৰি নৌকাশাৰীক নিয়ন্ত্ৰণ কৰা

চীঅ = চিত্ত
থিৰ কৰি = স্থিৰ কৰি, অচঞ্চল কৰি
ধৰহুৰে = ধৰা, হাতত লোৱা
নাহী<নাৰী = নাওৰ শাৰী

টিপ্পনী : সৰহপাদে চিত্তক অচঞ্চল কৰি দৃঢ়ভাৱে নিজৰ গতিদিশ স্থিৰ কৰিবলৈ উপদেশ দিছে। ইযাৰ আগতে তেখেতে মনুষ্য দেহক নাও বুলি কৈছিল। ইয়াত নাওৰ গতি দিশ নিযন্ত্ৰণ কৰিব কৈ মানসৰ দ্বাৰা দেহৰ কাৰ্য্য নিযন্ত্ৰণৰ কথা সূচাইছে। মানসে আৰু চিত্তই দেহক নিযন্ত্ৰণ কৰিব, ওলোটাতো হ'ব নিদিবা।

অন উপায়েঁ পাৰ ণ জাই আন উপাযে পাৰলৈ নাযায

টিপ্পনী : 'পাৰ ণ জাই' ৰ দ্বাৰা সৰহপাদে সিদ্ধি লাভ সূচাইছে। অৰ্থাৎ দেহক তন্ত্ৰৰ দ্বাৰা নিযন্ত্ৰণ আৰু চিত্তক অচঞ্চল কৰাৰ বাদে সিদ্ধিৰ আন পথ নাই।

নৌবাহী নৌকা টাণঅ গুণে নাৱঁৰীযা নাওঁক গুণেৰে টানি নিয়া

নৌবাহী = নৌবাহনকাৰী, নাৱিক, নাৱঁৰীয়া (সাধক)
নৌকা = নাও (বৰ্ত্তমান প্ৰযোগ মনুষ্যৰ দেহ)
টাণঅ = টানা, কৰ্ষণ কৰি নিয়া
গুণে = নাওঁ টনা জৰী, তাঁৰ, তন্ত্ৰী (বৰ্ত্তমান ক্ষেত্ৰত তন্ত্ৰৰ নাডী)

টিপ্পনী : সৰহপাদে পূৰ্ব্বতে দেহক মনেৰে নিয়ন্ত্ৰণ কৰিবলৈ উপদেশ দি ইযাত কিন্তু দেহৰ নিযন্ত্ৰণৰ উপায় তন্ত্ৰ বুলি ক'লে, য'ত, জপ, প্ৰাণায়াম আদি দৈহিক উপাদান প্ৰচুৰ থাকে। বাস্তৱতে যোগাচাৰী তান্ত্ৰিকে পূজা, জপ, প্ৰাণায়াম আৰু ধ্যান এই চাৰিওটা উপাদানেই ব্যৱহাৰ কৰিছিল, কেৱল যৌনাচাৰ নিষিদ্ধ আছিল। ক্ৰিযা তন্ত্ৰত জপ-প্ৰাণায়াম, চৰ্য্যাতন্ত্ৰত জপ - প্ৰাণায়াম ভক্তি, আৰু যোগাচাৰত জপ - প্ৰাণায়াম-ধ্যান বিশ্লেষণত গুৰুত্ব দিয়া হৈছিল।

মেলি মেল সহজে জাউ ণ আণে বন্ধন খুলি বিকল্পহীন সহজ উদ্দেশ্যে যাত্ৰা কৰা।

মেলি = মুক্ত কৰি, খুলি দি
মেল = যাত্ৰা আৰম্ভ কৰ (নাওঁ মেল, নাওঁৰ গাঁঠি খোল)
সহজে = যুগপৎ অনুভূত জ্ঞান আৰু অনুভৱ
জাউ< যাত্ৰা = যাত্ৰা কৰো
ণ আনে<ন অন্য = আন নহয়, বিকল্পহীন

টিপ্পনী ঃ নৌকা অৰ্থাৎ দেহক, কায়িক বন্ধনৰ পৰা মুক্ত কৰি সহজ (সুখ শূন্য) অনুভূতিৰ উদ্দেশ্যে আগবঢ়া, তাৰবাদে সাধকৰ আন (বিকল্প) উদ্দেশ্য থাকিব নোৱাঁৰে।

বাটত ভঅ খান্ট বি বলআ পথত ভয় দেহ বিচলিত হ'ব

বাটত = পথত, সাধনা মাৰ্গত
ভঅ<ভয = আশঙ্কা, শঙ্কাব হেতু
খান্ট<খাটি = মৰা শ বহন কৰা চাঙ্গী - মনুষ্যৰ দেহা
বি = অৰ্থহীন ধ্বনি, হয়
বলআ<বলিযা = বাতুল, উন্মাদ, ক্ষিপ্ত, বিচলিত

টিপ্পনী ঃ সৰহপাদে গাইছে সহজ লব্ধিৰ পথত বিঘিনি ওপজায দৈহিক প্ৰযোজন আৰু কামনাই। দেহৰ দাবীযে দেহক উন্মাদ অৰ্থাৎ নিযন্ত্ৰণ বহিৰ্ভূত কৰাৰ শঙ্কা সদায থাকিব আৰু ই মানসিক চাঞ্চল্য সৃষ্টি কৰিব যাৰ কথা পিচৰ শাৰী বাক্যত লিখিছে —

ভৱ উলোলেঁ ষঅ বি বোলিআ সংসাৰ মহাতৰঙ্গত সকলো উলট-পালট হয়

ভব = জগৎ, সংসাৰ
উলোলে<উল্লোলে = মহা তৰঙ্গত, প্ৰচণ্ড ঢৌত
ষঅ< সব = সৰ্ব, সকলো
বি = অপি, হয
বোলিআ<বোলিয়া = উন্মাদ, উলট পালট, ওপৰ তল

টিপ্পনী ঃ দেহ নিযন্ত্ৰণ বহিৰ্ভূত হ'লে সংসাৰৰ মহাতৰঙ্গই সমস্ত জীৱন ওপৰ - তল কৰি বিপৰ্যস্ত কৰি তুলিব।

কুললই খৰে সোন্তে উজাঅ তীৰলৈ প্ৰবল সোঁতত উজাই যায়

কুললৈ = তীৰলৈ

খৰে<খৰ = প্ৰচণ্ড, প্ৰবল
সোন্তে<স্ৰোতে = ধাৱত, সোঁতত
উজাঅ<উদ্‌যাতি = উজনিলৈ যায, উজাই যায

টিপ্পনী ঃ উজাঅ শব্দৰ প্ৰযোগে সূচায যে খাল্টি (মানৱ দেহা) স্ৰোতৰ বিপৰীতে গমন কৰি কুলত লাগিব বা পাৰ পাব। ই কিয লিখিলে স্পষ্ট ভাবে বুজা নাযায। অনুত্তৰ তন্ত্ৰৰ নীতি অনুসৰি বাম বা দাহিন কুল স্পৰ্শ কৰা অনুচিত (চৰ্যা ন, ৫)। তেনে ক্ষেত্ৰত ইযাত কুল শব্দই পাৰ বা ত্ৰাণ সূচাব লাগিব। যদি কুল শব্দই কুলপতি বা কুলপুত্ৰ সূচায — তেনে ক্ষেত্ৰত বোধিসত্ব বুজাব আৰু যোগাচাৰ তন্ত্ৰৰ মতে ইযাৰ অনুধাবন সহজ হয।

সৰহ ভণই গঅণেঁ পমাএঁ/সমাঅ 'সৰহে কৈছে (ই) গগনত (শূন্যত) প্ৰৱেশ কৰে।

সৰহ ভণই = সৰহে কৈছে
গঅণে<গগনে = আকাশ = বিশুদ্ধ চক্ৰ যাৰ 'ধাতু' গগন
পমাএঁ<সমাঅ = প্ৰৱেশ কৰে

টিপ্পনী ঃ 'গগনত প্ৰৱেশ কৰে' বাক্যৰ অৰ্থ, সাধকৰ কণ্ঠত অৱস্থিত বিশুদ্ধ চক্ৰ য'ত শূন্যতা অনুভূতিৰ সৃষ্টি হয তাত প্ৰৱেশ কৰিলে। কি প্ৰৱেশ কৰিলে শূন্যত, তাক সৰহপাদে কৈছে, 'ভৱ উল্লোলত বিপৰ্য্যস্ত খাল্টি (দেহা), জীৱন স্ৰোতৰ বিপৰীতে উজাই গৈ শূন্যত প্ৰৱেশ কৰিলে। ই সম্ভৱ কেবল তন্ত্ৰৰ দ্বাৰা (নৌকা টাণঅ গুণে)। এই চৰ্যা গীতটি অসম্পূৰ্ণ যেন লাগে - মনৰ নিযন্ত্ৰণ (ধ্যান) আৰু দেহৰ নিযন্ত্ৰণ (প্ৰাণাযামে) সাধকক সংসাৰৰ মহা আন্দোলনৰ পৰা ত্ৰাণ কৰি জীৱন স্ৰোতৰ বিপৰীতে বোধিসত্বৰ ওচৰলৈ লৈ যাব আৰু তেতিযাহে সাধকৰ দ্বাৰা শূন্য অনুভূত হ'ব যিযে সহজৰ (সুখ শূন্য) সৃষ্টি কৰিব। ◆◆

৩৯

।। ৰাগ-মালশী ঃ সৰহপাদানাম্।।

মূল পাঠ	আধুনিক ভাষান্তৰ/অৰ্থ
সুইণাহ অবিদাৰ অৰে	শূন্য অবিদ্যা হেৰা
ণিঅ মণ তোহোৰেঁ দোসেঁ।	নিজমন তোৰেই দোষত।
গুৰু বঅণ বিহাৰেঁ ৰে	গুৰুৰ বচনক শুকাই নিদি
থাকিব তই ঘণ্ড কইসেঁ।।	(জন্ম-মৃত্যু) চক্ৰত ঘূৰি থাকিবা কেনেকৈ?

অকট হুঁ ভৱ গঅণা।	অপ্ৰতীয়মান জগৎ শূন্যতা ধ্বংস কৰা।
বঙ্গে জায়া নিলেসি পৰে	বঙ্গঅঞ্চলত সাধনা সঙ্গিনী অপহৃতা হ'ল,
ভাগেল তোহোৰ বিণাণা।।	তোৰ সাধনাৰ লানী ছিঙিল।
অদভুঅ ভৱ মোহা ৰে	অদ্ভুত এই জগতৰ মোহ
দিসই পৰ অপ্পাণা।	পৰক আপোন যেন দেখে।
এ জগ জলবিম্বকাৰে	এই জগৎ জলবিন্দুত প্ৰতিফলন সদৃশ
সহজে সুণ অপণা।।	শূন্যতা বোধ সহজ (কেবল) নিৰ্মল।
অমিআ আচ্ছন্তেঁ বিস গিলেসি ৰে	অমৃত থাকোতে বিষ খাইছ হেৰ।
চিঅ পৰ বস অপা।	চিত্ত নিজৰ অধীন।
ঘাৰে পাৰেঁ বা বুজঝিলে মৰে	নিজৰ পৰৰ বোধ মোৰ হ'ল।
খাইব মই দুঠ কুণ্ডুৰাঁ।।	মই মোৰ অণ্ডকোষ ধ্বংস কৰা।।
বি মো দুঠ্যা বলদেঁ।	ভ্ৰষ্ট লিঙ্গৰ মোৰ কি প্ৰয়োজন?
একেঁলে জগ নাসিঅ ৰে	অকলে (নিঃসঙ্গ) জগত ধ্বংস কৰা
বিহৰুঁই চ্ছন্দ্ৰে।।	স্বচ্ছন্দে বিহাৰ কৰা।

টিপ্পনী ঃ সৰহপাদ বিৰচিত বৰ্তমান চৰ্যাগীত যাক ৩৯ নাম্বৰ গীতত পঞ্জীভূত কৰা হৈছে, এক স্পষ্ট যোগাচাৰ তন্ত্ৰ সমৰ্থনত লিখা গীত। এই গীতৰ শেষাৰ্দ্ধ যৌনাচাৰ সমৰ্থক অনুত্তৰ তন্ত্ৰৰ প্ৰতি দুৰ্বচন ব্যৱহাৰ পৰিলক্ষিত হয়। সাধনা সঙ্গিনী আৰু যৌনাচাৰ পৰিত্যাগ কৰি নিঃসঙ্গ একক সাধনাৰ দ্বাৰা শূন্যতা অনুভূত হ'ব পাৰিলে হে জন্ম-মৃত্যু - পুনৰ্জন্ম চক্ৰ ধ্বংস কৰি সাধকে মুক্তি পাব— এয়াই সৰহপাদৰ উপদেশ। ইয়াত কেইটি মান শব্দ ব্যৱহাৰ হৈছে যাক যি কোনো যুগতে আৰু ভাষাতে শ্লীল শব্দ বুলি স্বীকৃত নহয়। পুৰুষ যৌনাঙ্গৰ কথিত নাম ব্যৱহাৰৰ দ্বাৰা সৰহপাদে এটা ধাৰা দেখুৱাইছে — যি পিচত বোধ হয় বঙালী ভাষাৰ 'তৰজা' গীতৰ ৰূপ ল'লে।

সুইণাহ অবিদাৰ অৰে — শূন্য অবিদ্যা হেৰা

সুইণাহ	=	শূন্য
অবিদাৰ	=	অবিদ্যা, ভ্ৰান্তি, মোহ
অৰে	=	সম্বোধন, হেৰা/দিশাৰে

ণিঅ মণ তোহোৰেঁ দোসেঁ — নিজ মন তোমাৰ দোষত

ণিঅ	=	নিজ, স্ব
মণ	=	মন, মানস

তোহোৰেঁ = তোৰেই
দোসেঁ/দুষে = দোষ দিযে/দোষত

টিপ্পনী : এই পদটোৰ অৰ্থ বুজিবলৈ মনত ৰাখিব লাগিব— অনুত্তৰ তন্ত্ৰই শূন্যতা ভাৱ কেৱল সাধনাৰ এটা স্তৰলৈ সুফল দাযক বুলি স্বীকাৰ কৰে, তাতোকৈ অধিক শূন্যতা অৰ্থাৎ সৰ্ব্বশূন্যভাৱ (voidness of non substantiality and intrinsic nature অভাৱস্বভাৱ শূন্য) অবিদ্যা। কাৰণ এনে সৰ্ব্ব শূন্যতা নেতিবাচক আৰু সাধকক ধ্বংসাত্মক পথলৈ নিব। এই অভিযোগৰ উত্তৰত সৰহপাদে কৈছে— শূন্যতা যদি অবিদ্যা বা ভ্ৰান্তি, ই সাধকৰ নিজৰ মনৰ দোষত (ইযাত শূন্যতাৰ দোষ নাই), অথবা তাকেই আন ৰূপে কব পাৰি - "শূন্যতাবোধ যদি অবিদ্যাত পৰিণত হৈছে, সাধকে নিজকে দুষিব লাগে।"

গুৰু বঅণ বিহাৰেঁ ৰে **গুৰুৰ বচনক গুৰুত্ব নিদি**

গুৰু = শিক্ষক, উপদেশদাতা, গুৰু
বঅন<বচন = বাক্য, উপদেশ
বিহাৰেঁ<বিহৰতি = ক্ৰীড়া কৰে, ধেমালি কৰে

টিপ্পনী : গুৰুৰ বচনকলৈ ধেমালি কৰাৰ অৰ্থ, প্ৰযোজনীয গুৰুত্ব নিদিযা।

থাকিব তই ঘুণ্ড কইসেঁ (জন্ম-মৃত্যু) চক্ৰত ঘূৰি থাকিবা কিদৰে

থাকিব<স্থিতি = অস্তিত্ব ৰাখিবি, থাকিবি
ঘুণ্ড< ঘূৰ্ণাযতি= ঘূৰি থাকে
কঁইসে = কি দৰে, কেনেকৈ

টিপ্পনী : গুৰুৰ উপদেশক যদি গুৰুত্ব দিয়া নহয বা ধেমালি স্বৰূপে লোৱা যায তেনে হ'লে জন্ম-মৃত্যুৰ ঘূৰ্ণাযমান চক্ৰৰ পৰা মুক্তি পাৱা কিদৰে সৰহপাদে সুধিছে ।

অকট হুঁ - ভৱ গঅণা অপ্ৰতীযমান জগৎ শূন্যতা ধ্বংস কৰা

অকট = অপ্ৰকট, অপ্ৰকাশিত (unmanifested)
হুঁ - ভৱ<হন্ ভৱ = জগৎ ধ্বংস কৰা
গঅণা<গগন = আকাশ, শূন্যতা

টিপ্পনী ঃ এই অপ্রকটমান (নশ্বৰ আৰু চিৰপৰিবৰ্তনশীল) জগত আৰু শূন্যতা ধ্বংস কৰা (শূন্যতাৰ শূন্যতা voidness of voidness) । অপ্রতীয়মান জগৎ আৰু শূন্যতা দুযোটাই মনৰ পৰা লুপ্ত কৰা, যি উচ্চ যোগতন্ত্ৰৰ উপদেশ।

বঙ্গে জায়া নিলেসি পৰে　　　　**বঙ্গাঞ্চলত সাধনা সঙ্গিনী অপহৃতা হ'ল**

বঙ্গে	=	বঙ্গ দেশত, বঙ্গ অঞ্চলত
জাযা	=	পত্নী, প্রেযসী, (বৰ্ত্তমান ক্ষেত্রত) সাধনা সঙ্গিনী
নিলেসি	=	নিলে, লৈ গ'ল, অপহৃতা হ'ল
পৰে	=	আনৰ দ্বাৰা

টিপ্পনী ঃ বঙ্গ অঞ্চলত সাধকৰ সাধনা সঙ্গিনী অপহৃতা হ'ল, অথবা আনৰ লগত গুচি গ'ল। ইযাত সৰহপাদে বঙ্গ অঞ্চল বুলি কেলেই বিশেষভাৱে নির্দ্দিষ্ট কৰিলে?

টীকা ঃ বঙ্গ শব্দৰ অৰ্থ ৰাং ধাতু (টিন, tin, stanum), বঙ্গদেশ অৰ্থ ৰাং পোৱা অঞ্চল tin country । ৰাং ধাতুৰ আকৰ কেবল গ্রেনাইট নামৰ শিলৰ লগত মৌলিক ভাৱে পোৱা যায। পূৰ্ব্ব ভাৰতৰ পুৰুলিযা, বৰ্দ্ধমান, সাওতালপৰগনা আৰু বৰ্ত্তমান বিহাৰৰ ঘাটশিলা, মুঙ্গেৰ আদি অঞ্চলত চেগা-চোৰোকাকৈ ৰাঙৰ আকৰ সিচৰতি হৈ আছে। এই অঞ্চল ঘাইকৈ আদিবাসী জনগোষ্ঠীৰ বাসস্থান আৰু গঙ্গা-ব্রহ্মপুত্র উপত্যকাত কৈ এই সমাজত স্ত্রী স্বাধীনতা অধিক আছিল আৰু আছে। দ্বিতীযতঃ পূৰ্ব্ব বিহাৰ আৰু পশ্চিম বঙ্গৰ পাৰ্বত্য অঞ্চলৰ শাসন ব্যৱস্থা আৰু সামাজিক নীতি কটকটীয়া নাছিল। সেযেহে সৰহপাদে গাইছে - বঙ্গত সাধকৰ প্রেয়সী আনৰ লগত গ'ল। ফলত সাধকৰ কি হ'ল? তাৰ উত্তৰত কৈছে—

ভাগেল তোহোৰ বিণাণা　　　　**তোৰ (সাধনাৰ) লানী ছিগিল**

ভাগেল<ভঙ্গ	=	ভঙ্গ হ'ল, ছিগিল
তোহোৰ<তৱ	=	তোৰ
বিণাণা<বেণি	=	বন্ধা চুলিৰ শাৰী, (chain) শাৰী

টিপ্পনী ঃ তোৰ শাৰী বা লানী ছিগিল বুজিবলৈ চৰ্য্যা ৭ ৰ 'লিঅড়ী জিনউৰৰ' টীকা চাওক। অনুত্তৰ তন্ত্ৰৰ সাধকে আসন গ্রহণৰ পৰা মহামুদ্ৰালৈ প্রত্যিটো নিষ্পন্ন কৰ্ম্ম মুদ্ৰাৰে প্রকাশ কৰে ফলত মুদ্ৰাৰ শিকলি বা বেণি সৃষ্টি

হয় যাৰ অন্তত সহজানন্দ অনুভূত হয় বুলি অনুত্তৰ তন্ত্ৰৰ সাধকে দাবী কৰে। সৰহপাদে কৈছে, সাধনা সঙ্গিনী আনৰ লগত গুচি গ'লে, তোমাৰ সাধনাৰ ঠেকৰে চিঁঙিব যিহেতু মুদ্ৰাৰ শিকলি (সাধনা) অসম্পূৰ্ণ হৈ ৰব।

অদভুঅ ভৱ মোহা ৰে অদ্ভুত এই জগতৰ মোহ

অদভুঅ	=	অদ্ভুত, বিস্ময়কৰ, আশ্চৰ্য্য
ভৱ	=	জগতৰ
মোহা	=	অজ্ঞতা, ভ্ৰান্তি, মায়াজনিত আকৰ্ষণ, মোহ
ৰে	=	হে

দিসই পৰ অপ্যণা পৰক আপোন যেন দেখে

দিসই<দৃশ্য	=	দেখা যায়, অনুভব হয়
পৰ	=	নিজৰ নহয়, আনৰ
অপ্যণা<আপোনা	=	নিজৰ, স্ব (আপনা - হিন্দী)

টিপ্পনী : সৰহপাই যৌনাচাৰী অনুত্তৰ তন্ত্ৰ অনুগামী সাধকক সাৱধান কৰি দিছে, বিস্ময়কৰ এই সংসাৰৰ মোহ — যি বন্ধনৰ জৰী কাটি নিৰ্ব্বাণৰ উদ্দেশ্যে সাধনা কৰিছা, সেই সাধনা সঙ্গিনীযেই তোমাৰ মোহৰ কাৰণ হৈ উঠিব। এক পৰস্ত্ৰীক তুমি নিজৰ আপোন বুলি ভাবিবলৈ আৰম্ভ কৰি মায়া জালত আৰু গাঢ় ভাৱে বান্ধ খাবা।

এ জগ জলবিম্বকাৰে এই জগৎ জলবিন্দুত প্ৰতিফলন (সদৃশ)

এ জগ = জগৎ, এই বিশ্ব

জলবিম্বকাৰে<জল + বিম্ব + আকাৰে = পানীত প্ৰতিফলন সদৃশ

টিপ্পনী : জগৎ খন জলবিন্দুৰ প্ৰতিফলনৰ দৰে, ই মধ্যযুগৰ সাহিত্যত সঘনে ব্যৱহৃত দাৰ্শনিক উদাহৰণ , চৰ্যা ২৯ ত লুইপাদেও গাইছে —"উদক চাঁদ জিম সাচ ন মিচ্ছা"। পানীৰ বিন্দুত প্ৰতিফলিত চন্দ্ৰটো কেৱল দৰ্শকৰ বাবে সত্য বাস্তৱতে অসাৰ।

সহজেঁ সুণ অপণা সহজ শূন্যতাবোধ (কেৱল) নিজৰ

সহজেঁ	=	যুগপৎ জাত জ্ঞান আৰু অনুভূতি
সুণ < শূন্য	=	শূন্যতা বোধ
অপণা	=	নিজৰ

টিপ্পনী ঃ সৰহপাদে গাইছে জগৎ খন যেতিয়া জলবিন্দুত প্ৰতিবিম্বিত প্ৰতিচ্ছায়া সদৃশ অসাৰ তেখেতে নিজৰ যুগপৎজাত জ্ঞান অনুভূতি (সহজ) সুখ - শূন্যলৈয়ে সন্তুষ্ট।

অমিআ আচ্ছন্তেঁ বিস গিলেসি ৰে   **অমৃত থাকোতে বিষ খাইছ হেৰ**

অমিআ = অমৃত
আচ্ছন্তে = থাকোতে
বিস<বিষ = হলাহল, বিষ
গিলেসি ৰে = গিলিছ হেৰ

টিপ্পনী ঃ সৰহপাদে শূন্যতা বোধক অমৃত আৰু যৌনাচাৰক বিষ বুলি চিনাক্ত কৰিছে।

চিঅ পৰ বস অপা   **চিত্ত নিজৰ অধীন**

চিঅ = চিত্ত, মানস + বুদ্ধি + অহঙ্কাৰ
পৰ বস = পৰবস = পৰাধীন, তলতীয়া
অপা<আত্ম = নিজ, স্ব

টিপ্পনী ঃ ইযাত সৰহপাই গীতৰ প্ৰথম পদটো আনভাবে দোহাৰিছে — শূন্য যদি অবিদ্যাত পৰিণত হয়, সি হয় সাধকৰ মনৰ দোষত। ইযাত কৈছে - চিত্ত যি মানস, বুদ্ধি আৰু অহং ভাবেৰে সৃষ্ট সেই চিত্ত স্বাধীন নহয়, তাক সাধকে নিযন্ত্ৰণ কৰিব পাৰে।

ঘাৰেঁ পাৰেঁ কা বুজ্‌ঝিলে মৰে   **নিজৰ পৰৰ বোধ মোৰ আহিল**

ঘাৰেঁ<ঘৰেঁ = নিজৰ (ঘৰৰ), স্ব
পাৰেঁ<পৰেঁ = পৰৰ, আনৰ
কা = কি
বুজ্‌ঝিলে = বুজিলি, হৃদয়ঙ্গম হ'ল
মৰে<মোৰে = মোৰ, স্ব, নিজ

টিপ্পনী ঃ কোনটো নিজৰ (মঙ্গলকৰ) আৰু কোনটো পৰৰ (ক্ষতিকৰ) বোধ সৰহপাৰ আহিল (বুজি পালে)।

খাইব মই দুঠ কুণ্ডৰা   **মই মোৰ অণ্ডকোষ ধ্বংস কৰিম**

খাইব = খাম, ধ্বংস কৰিম

মই = নিজে, স্ব
দুঠ<দ্বি = দুটা
কুণ্ডবা<কুৰণ্ড+বা = অণ্ডকোষ 'বা' (ক্ষুদ্ৰ বা অসম্মান জনক ধ্বনি)

টিপ্পনী : মই মোৰ অণ্ডকোষ বা অণ্ড দুটা নষ্ট কৰি পেলাম। ইযাত সৰহপাদে অথবা পিচৰ গাযক সকলে সম্পূৰ্ণ অশালীন গ্ৰাম্য শব্দ প্ৰযোগ কৰিছে। গৰু বা ছাগলী খাহী কৰোতে অথবা ব্যক্তিক নপুংসক কৰোতে অণ্ড কাঢে বা খুন্দে। সৰহপাদে তন্ত্ৰত যৌনাচাৰৰ সাৰথ্য লোৱাতকৈ নপুংসক হোৱাটোৱেই শ্ৰেষ্ঠ বুলি ক'লে।

সৰহ ভণন্তি বৰ সূণ গোহালী সৰহে কয শূন্য আবাসেই শ্ৰেষ্ঠ

সৰহ ভণন্তি = সৰহে কয়
বৰ<বৰম<বৰণ্য = বৰঞ্চ শ্ৰেষ্ঠ
সূণ = শূন্য, আবাসী হীন
গোহালী = গো গৃহ। বৰ্ত্তমান প্ৰযোগত আবাস

কি মো দুঠ্যে বলন্দেঁ ভ্ৰষ্ট লিঙ্গৰ মোৰ কি প্ৰযোজন

কি = কিয, কি কাৰণে
মো<মম = নিজস্ব, মোৰ
দুঠ্য<দুষ্ট = অবাধ্য, ভ্ৰষ্ট (wicked)
বলন্দে<বলধে<বলীবৰ্দ্দ = বলধ গৰু (লিঙ্গ অৰ্থৎ ব্যৱহৃত)

একেলে জগ নাসিঅ ৰে অকলে (নিঃসঙ্গ) জগৎ ধ্বংস কৰা

বিহঁৰই ছন্দ্ৰেঁ সচ্ছন্দে বিহাৰ কৰে/কৰা

জগ = জগৎ, বিশ্ব (জগতৰ প্ৰতি মোহ)
নাসিঅ ৰে = ধ্বংস কৰা
ছন্দ্ৰে<ছন্দে = স্বচ্ছন্দে

টিপ্পনী : এই দুটা বাক্যৰ দ্বাৰা সৰহপাই পোনে পোনে অনুত্তৰ তন্ত্ৰৰ যৌনাচাৰৰ অপ্ৰযোজনীয়তা ঘোষণা কৰিছে। অনুত্তৰ তন্ত্ৰই পদ্ম - বজ্ৰ মিলন অৰ্থাৎ সাধক আৰু সাধনা সঙ্গিনীৰ দৈহিক মিলনৰ যোগেদি সহজ জ্ঞান, তথতা আৰু কৰুণা উপলব্ধি কৰিবলৈ কয। আনহাতে সৰহপাদে উপদেশ দিছে— সাধনাৰ বাবে আনৰ ওপৰত নিৰ্ভৰ (সাধনা সঙ্গিনী) নকৰিবা। তেওঁ কেতিয়া

তোমাক ত্যাগ কৰে তাৰ নিশ্চিতি নাই। নিজৰ যৌন স্পৃহা যদি নিয়ন্ত্ৰণ কৰিব নোবাৰা তাতকৈ নপুংসক হোৱাই ভাল। সংসাৰৰ অলীকতা অনুভৱ কৰা, আৰু সি যদি অবিদ্যাত পৰিণত হয় সেয়া সাধকৰ নিজৰ দুৰ্বলতাৰ চিহ্ন। সাধনা সঙ্গিনীহীন ভাবে অকলে ধ্যান বিশ্লেষণ কৰিয়েই সংসাৰৰ মোহ নাশ কৰা, এয়াই সৰহপাদৰ শেষ উপদেশ, তেতিয়াহে জগতত স্বচ্ছন্দে (নিৰানন্দহীন) বাস কৰিব পাৰিবা। ◆◆

৪০

ৰাগ - মালসীগবুড়া ঃ কাহ্নুপাদানাম্

মূল পাঠ	আধুনিক ভাষান্তৰ/অৰ্থ
জো মণগোএৰ আলাজালা।	যি চকুত পৰে সিও আউল লগা।
আগম পোথী ইষ্টামালা।।	ধৰ্মোপদেশ, ধৰ্মশাস্ত্ৰ, জপমালা।
ভণ কইসেঁ সহজ বোলবা জাঅ।	কোৱা কিদৰে সহজক বৰ্ণোৱা যায়।
কাঅ বাক চিঅ জসু ণ সমাঅ।।	কায় বাক্য চিত্তৰে যিটো উপলব্ধ নহয়।
আলে গুৰু উএসই সীস।	নিষ্ফল গুৰু তেনেই শিষ্য।
বাকপথাতীত কাহিব কীস।।	(যি) বাক্যৰ দ্বাৰা বৰ্ণনাতীত তাক কম কিদৰে?
জেতই বোলী তেত বিটাল।	যিমানেই কওঁ, সিমানেই নষ্ট (ভুল)
গুৰু বোব সে সীস কাল।।	গুৰু বোবা সেই শিষ্য কলা।
ভণই কাহ্ন জিণ ৰঅণ বি কইসা।	বুদ্ধ তথাগতক কাহ্নুই কিদৰে বৰ্ণাব?
কালেঁ বোব সংবোহিঅ জইসা।	কলা-বোবাই যিদৰে সম্বোধিত কৰে।

টিপ্পনী ঃ কাহ্নুপাৰ বৰ্তমান চৰ্যাগীতকে ভিত্তি কৰি পণ্ডিত সুকুমাৰ সেনে তেখেতৰ গ্ৰন্থ চৰ্যাগীতি পদাবলীৰ "নিবেদনত" লিখিছিলে "যাহাঁৰা বৰাবৰ বলিয়াছেন - গুৰু বোবা শিষ্য কালা, তাহাঁদেৰ গোপন কথাৰ নিগূঢ় ইঙ্গিত বুঝাইয়া দিবাৰ অধ্যাত্মবোধ অথবা দিব্যদৃষ্টি কোথায় পাইব।" বাস্তৱতে 'গুৰু বোবা শিষ্য বধিৰ!' এই বাক্যটোও চৰ্যাগীতৰ সৰহভাগ পদৰ দৰেই দ্বাৰ্থক ৰূপক, আৰু আন বহু পদৰ দৰেই অৰ্থও নিজৰ মাজতেই সমাহিত। গুৰু যদি বোবা, শিষ্য কলা হক বা নহকেই গুনিবলৈ একোকে নাই। সেইদৰে শিষ্য বধিৰ হ'লে গুৰুৰ বাক্য শিষ্যৰ কাণত নোসোমায়। তেনে ক্ষেত্ৰত কাহ্নুপাই এজনক মূক আৰু আনজনক বধিৰ বুলি ক'লে কিয়? তাৰ উত্তৰ গীতৰ শেষ

বাক্যত দিয়া হৈছে — " কালেঁ বোব সংবোহিঅ জইসা" — অৰ্থাৎ কলা আৰু বোবা যি দৰে সম্বোধন (সংবোধিত) কৰে, সেইদৰেই গুৰুই শিষ্যক জ্ঞান দিব। মুক - বধিৰে নিজৰ ভাব প্ৰকাশ বাক্যহীন ভাৱে কৰে আকাৰে-ইঙ্গিতে। গুৰুৱেও মৌখিক ভাৱে নহয়, নিজৰ জীৱনৰ দ্যুতি, মনৰ অচঞ্চলতা আৰু আনন্দৰ প্ৰভাৱে শিষ্যৰ সম্মুখত আদৰ্শ স্বৰূপ হৈ ৰব আৰু তাৰ পৰাই পাব শিষ্যই শিক্ষা।

জো মনগোএৰ আলাজালা যি চকুতপৰে সিও আউল লগা

জো<যঃ = যি, যিটো
মনগোএৰ<মনঃ গোচৰ = মনৰ দ্বাৰা দৃষ্ট, মনৰ চকুত পৰে
আলা জালা<আউল জাউল = জটলগা, বিশৃঙ্খল, আউল লগা

আগম পোথী ইষ্টামালা ধৰ্ম্মোপদেশ, ধৰ্ম্মশাস্ত্ৰ, জপমালা

আগম = শাস্ত্ৰাভ্যাস, তন্ত্ৰপুথি, উপদেশ
পোথী<পুথী<পুস্তক = শাস্ত্ৰ, ধৰ্ম্মপুস্তক
ইষ্টামালা<ইষ্টমালা = ইষ্টমন্ত্ৰ জপমালা

টিপ্পনী ঃ কাহ্নুপাই গাইছে —সাধনা পথৰ সহায়ক স্বৰূপ যিবোৰ বস্তু তেখেতৰ চকুত পৰিছে — গুৰুৰ উপদেশ (আগম), তন্ত্ৰ আৰু ধৰ্ম্মশাস্ত্ৰ (পোথী) আৰু ধ্যান জপ (ইষ্টামালা) আটাইবোৰেই তেখেতৰ বাবে অত্যন্ত জটিল আৰু বিশৃঙ্খলা পূৰ্ণ ।

ভণ কইসেঁ সহজ বোলবা জাঅ কোৱা কিদৰে সহজক বৰ্ণোৱা যায

ভণ = কোৱা, কহ
কইসেঁ = কি দৰে, কেনেকৈ
সহজ = যুগপৎ উপলব্ধি
বোলবা<বোল<বদ = কোৱা, বৰ্ণনা কৰা
জাঅ = যায

কাঅ বাক চিঅ জসু ণ সমাঅ কায, বাক চিত্তৰে যি উপলব্ধ নহয

কাঅ = কায়া
বাক = বাক্য
চিঅ = চিত্ত
জসু<যস্য = যাৰ
ণ = নহয়, নেতি

সমাঅ = সোমায, উপলব্ধ হ'ব

টিপ্পনী ঃ ওপৰৰ পদটোত কাহ্নুপাই প্ৰশ্ন কৰিছে যাৰ সহজ (তথতা + মহাসুখ যিহেতু কাহ্নুপা অনুত্তৰ তন্ত্ৰৰ সাধক) দেহ, চিত্ত আৰু বাক্যৰ দ্বাৰা উপলব্ধি সম্ভৱ নহয, তাক কি দৰে বৰ্ণোৱা যায।

আলে গুৰু উএসই সীস নিষ্ফল গুৰু তেনেই শিষ্য

আলে<অলীকেন = মিথ্যা, নিষ্ফল ক্ষুদ্ৰ
গুৰু = শিক্ষক, সাধনা গুৰু
উএসই<অইসা = তেনে (অইসা বৰ্ত্তমান হিন্দীতো ব্যৱহৃত)
সীস = শিষ্য

টিপ্পনী ঃ এই পদ দুটা অনুবাদ কৰোতে এক সমস্যাৰ উৎপন্ন হয। সুকুমাৰ সেনে তেখেতৰ পুস্তকৰ শব্দকোষ অংশত জসু<যস্য = "যাহাৰ" বুলি লিখিছে (পৃ. ১৯৭) আকৌ টীকাত (পৃঃ ১৪৬) "যাহাতে" ("বল কিসে সহজ বলা যায যাহাতে কায বাক্যচিত্ত প্ৰবেশ কৰে না") ব্যৱহাৰ কৰিছে। বঙালী ভাষাত "যাহাৰ" আৰু "যাহাতে" ৰ মাজত আকাশ পাতাল পাৰ্থক্য থাকে। আমাৰ দ্বাৰা জসু<যস্য<যাহাৰ বা যাৰ অৰ্থই শুদ্ধ বুলি গ্ৰহণ কৰা হৈছে। তেনে ক্ষেত্ৰত অৰ্থ হ'ব — "সি সকলৰ গুৰু নিষ্ফল (ভণ্ড?) শিষ্যও তেনে, যেযে কায, বাক্য আৰু চিত্তৰে সহজ অনুভৱ কৰিব নোৱাৰে।" অন্যথায় সুকুমাৰ সেনৰ টীকাত দিয়া অৰ্থ হ'ব — "বল কিসে সহজ বলা যায় যাহাতে কায়, বাক্য, চিত্ত প্ৰবেশ কৰেণা।" এইটো অৰ্থ বৌদ্ধ দৰ্শন অনুসাৰী অসিদ্ধ, কাৰণ বৌদ্ধমতে কায- বাক - চিত্ত দ্বাৰা সমস্ত অনুভূত আৰু গৃহীত হ'ব লাগিব। অতএৱ কাহ্নুপাৰ উপদেশ কেৱল অসফল গুৰু আৰু শিষ্যৰ বাবেহে।

বাক পথাতীত কাহিব কীস (যি) বাক্যৰ দ্বাৰ বৰ্ণনাতীত তাক কম কি দৰে

বাকপথাতীত = বাক্যৰ দ্বাৰা বৰ্ণনাতীত
কাহিব<কহিব<কৰ্থাযতব্য = কম বাকস্ফুট কৰিম
কীস = ~~কি দৰে, কি~~

জেতই বোলী তেত বিটাল যিমানেই কওঁ সিমানেই নষ্ট (ভুল)

জেতই<যত্তঃ = যিমানেই
বোলী<বোল = কওঁ
তত = তিমানেই
বিটাল<বিষ্টলিত ঃ = নষ্ট কৃত

গুৰু বোব সে সীস কাল গুৰু বোবা সেই শিষ্য কলা

গুৰু	=	শিক্ষক গুৰু
বোব	=	বোবা, মুক
সে সীস	=	সেই শিষ্য
কাল	=	বধিৰ, কলা

টিপ্পনী : এই বাক্য দটাত কাহ্নুপাই গাইছে কায বাক, চিত্ত দ্বাৰা যিযে সহজ অনুভূত কৰা নাই তেওঁক মুখেৰে কৈ লাভ নাই। ইযাত গুৰু বোবা শিষ্য কলাৰ অৰ্থ, গুৰুৱেও কব (বুজাব) নোৱাৰে, শিষ্যই নুশুনে (নুবুজে), কাৰণ ই কায, বাক, চিত্তেৰে অনুভূত হোৱা বস্তু। বাক্যৰে যিমানেই বুজাব চেষ্টা কৰিব, শিষ্যৰ ভুল বুজাৰ সম্ভাবনা সিমানেই বেছি, সেযেহে "জেতই বোলী তেত বিটাল।

ভণই কাহ্ন জিণ ৰঅণ বি কইসা বুদ্ধ তথাগতক (বোধিসত্ব) কাহ্নুই কি দৰে বৰ্ণাব

ভণই কাহ্ন	=	কাহ্নুৱে কয
জিণ	=	জেতা, (বুদ্ধৰ এটা নাম)
ৰঅণ<ৰত্ন	=	ৰত্ন সদৃশ ব্যক্তি। জিণ ৰঅণ =বুদ্ধ তথাগত
বি	=	হয়
কইসা	=	কি দৰে, কেনেকুৱা

টীকা : জিণ ৰঅণ বৌদ্ধ ধৰ্ম্ম গ্ৰন্থমতে বুদ্ধ তথাগত কিন্তু বৌদ্ধ তন্ত্ৰত ৰত্ন কুলৰ কুলপতি বোধিসত্ব ভৈৰোচনকো বুজাব পাৰে, সেযেহে আমি নিশ্চিত হ'ব নোৱাৰো। বোধিচিত্ত প্ৰাপ্তি অৰ্থাৎ সাধনাত সিদ্ধিৰ দ্বাৰা সম্ভৱপৰ লাভ— "সহজ অনুভূতি" প্ৰাপ্তি কেনেকৈ বুজাব কাহ্নুপাযে সুধিছে । উত্তৰ দিছে পিচৰ বাক্যটোত—

কালেঁ বোব সংবোহিঅ জইসা কলা - বোবাই যি দৰে সম্বোধিত কৰে

টিপ্পনী : যি ব্যক্তি জন্মবধিৰ সি সাধাৰণতে মূকো, তেনে ক্ষেত্ৰত "কলা-বোবা" একেজন ব্যক্তিকে সূচিত কৰে। বাক - শ্ৰবণ শক্তিহীন ব্যক্তি এজনে আন এজন ব্যক্তিক কিবা জনাব লাগিলে সাধাৰণতে আকাৰে ইঙ্গিতে অথবা দৃষ্টান্তৰে জনায়। কাহ্নুপাই কৈছে যুগপৎ প্ৰাপ্ত তথতা + কৰুণা জ্ঞান মহাসুখ আৰু তাৰ গৰিমা গুৰুৱে মুখেৰে কোৱাৰ প্ৰয়োজন নাই। সিদ্ধি লভা গুৰুৰ মনৰ প্ৰশান্তি, দীপ্তি আৰু আনন্দই শিষ্যৰ সন্মুখত দৃষ্টান্ত ৰূপে থাকি শিষ্যকো সাধনাত সিদ্ধিৰ বাবে উদ্বুদ্ধ কৰিব। ◆◆

ৰাগ - কহু গুংজৰী ঃ ভুসুকুপাদানাম্

মূল পাঠ | আধুনিক ভাষান্তৰ/অৰ্থ

আইএ অণুঅনা এ জগ ৰে ভাংতিএঁ সো পড়িহাই।

আদিতে অনুৎপন্ন জগৎ ভ্ৰমযুক্ত (ৰাবে হে) দৃষ্ট

ৰাজসাপ দেখি জো চমকিই ষাৰে কিঁতঁ বোড়ো খাই।।

ৰাজফেটী (ডাহী) দেখি যেয়ে চকিত হয তাক কিমতে চক্ৰবধে খায়?

অকট জোইআ ৰে মা কৰ হথা লোহা।

হে অজ্ঞ যোগী অনৰ্থক হাতত ছাই নাসানিবা

আইস সহাবেঁ জই জগ বুঝবি তুট বাষণা তোবা।।

জগতৰ প্ৰকৃতি এনেকুৱা বুলি বুজিলে (নশ্বৰ) তোৰ বাষণা ধ্বংস হ'ব।

মৰুমৰীচি গন্ধ (ৰ) নইৰী দাপতি বিম্বু জইসা।

মৰু-মৰীচিকা, গন্ধৰ্ব নগৰী আৰু দৰ্পণত প্ৰতিফলিত দৃশ্য যেন।

ৰাতাবৰ্ত্তেঁ সো দিট ভইআ অপেঁ পাথৰ জইষা।

জলস্ৰোতত অবিচলিত শিলৰ দৰে চক্ৰবাতত দৃঢ় হৈ থাকিবা।

বান্ধিসুআ জিম কেলি কৰই খেলই বহুবিহ খেড়া।

বাজী তিৰোত্তাৰ সন্তানে যি দৰে বিভিন্ন ক্ৰীড়া কৌতুক কৰে

বালুআ - তেলেঁ সসৰ - সিংগে আকাশ ফুলিলা।।

বালিৰ (পৰা) তেল, শহাপহৰ সিং, আকাশ - কুসুম।

ৰাউতু ভণই কট ভুসুকু ভণই কট সঅলা অইস সহাৱ।

ৰাজল আৰু ভুসুকুই দৃঢ়ভাৱে কয় সমস্ত জগতৰ এয়ে প্ৰকৃতি

জই তো মূঢ়া অচ্ছসি ভান্তী পুচ্ছহু সদগুৰু পাৱ।।

যদি তোৰ ভ্ৰান্তি গুচা নাই মূঢ হৈয়ে আছ,

সদগুৰুৰ শৰণত জিজ্ঞাসা কৰি লবি।

টিপ্পনী : এইটো এটা অকঠিন, গতানুগতিক যোগাচাৰী চৰ্যাগীত।

আইএ অণুঅনা এ জগ ৰে ভান্তিএঁ সো পড়িহাই

আদিতেই অনুৎপন্ন জগৎ ভ্ৰমযুক্ত (বাবে হে) দৃষ্ট

আইএ<আদিতে	=	প্ৰাৰম্ভত, আদিত
অণুঅনা<অনুৎপন্ন	=	অনুৎপন্ন, সৃষ্টি নোহোৱা
এ জগ	=	এই জগৎ, এই বিশ্ব
ৰে	=	হে
ভান্তিএ<ভ্ৰান্তি	=	ভ্ৰম যুক্ত
সো	=	সেয়া
পড়িহাই<প্ৰতিভাবয়তি	=	উদিত, স্পষ্টভাৱে দৃষ্ট

টিপ্পনী : বৰ্ত্তমান চৰ্যাগীতৰ ৰচক ভুসুকুপাই গীতৰ প্ৰথম পদতেই যোগাচাৰ তন্ত্ৰৰ সাৰ, আটাইতকৈ নেতি সূচক, শূন্যতাবাদৰ মন্ত্ৰ উচ্চাৰণ কৰিছে — 'এই জগৎ যন সৃষ্টিয়েই হোৱা নাই সেযেহে সি ভ্ৰমযুক্ত চকুৰে হে দৃষ্ট হয়'। ইয়াত ভুসুকুপাই বাদৰ প্ৰাৰম্ভতে বিশ্লেষণৰ ঠাইত বিপৰীত হেত্বাভাষৰ আশ্ৰয় লৈছে। কোনো বস্তু সৃষ্ট হ'লে তাৰ সত্বাৰ স্থিতি বিদ্যমান হ'ব লাগিব। অস্তিত্বহীন স্থিতি নাই এতেকে তাৰ সৃষ্টিও নাই। সিদ্ধাচাৰ্য্য ভুসুকুপাৰ মতে ভ্ৰমমুক্ত মনে দেখে যে এই বিশ্ব নশ্বৰ আৰু চিৰ পৰিবৰ্ত্তনশীল, তাৰ স্থিতি মুহূৰ্তে মুহূৰ্তে পৰিবৰ্ত্তন হৈ আছে। স্থায়িত্ব আৰু স্থিৰত্বৰ অবৰ্ত্তমানত তাৰ স্থিতিও নাই — তেনে ক্ষেত্ৰত সৃষ্টিও নাই। ভুসুকুপাৰ এই হেতুবাদ যুক্তি বিতৰ্কমূলক হ'লেও, এযা যোগাচাৰ তন্ত্ৰৰ (ভাৰতীয় ধ্যান বা জাপানৰ জেন) লাই খুটি। ভুসুকুপাই গাইছে — এই জগৎ যন দৃষ্টি বিভ্ৰম হেতুহে গোচৰ হয়, ই আচলতে শূন্য, তাৰ সৃষ্টিয়েই হোৱা নাই। এযা সৰ্ব্বশূন্যবাদৰ উক্তি।

ৰাজসাপ দেখি জো চমকিই ষাৰে কিম্ব বোড়ো খাই

ৰাজফেটী (ডাঁহী) দেখি যেয়ে চকিত হয় তাক কিমতে ঢঙ্গবধে খায়?

ৰাজ সাপ	=	ডাঙৰ এজাতি ফেটী সাঁপ, ডাহী (king cobra)
দেখি	=	দৃষ্ট হৈ

জো	=	যি জন
চমকিই	=	চমকিত হয়
তাহে তাহে	=	তাৰে তাক
কিঙ্কঁ < কিং কং কিংকিম	=	কি দৰে, কি মত, কেনেকৈ
বোড়ো	=	চক্ৰবধ জাতীয়, viperaedea গোষ্ঠীৰ সাঁপ (বঙালীত বোড়া সাপ)
খাই	=	খায়

টিপ্পনী ঃ বৰ্ত্তমান পদৰ ভাষ্য লিখোতে আদি ভাষ্যকাৰ মুনিদত্তই লিখিছে— " অথ ৰজ্জো সৰ্পভিজ্ঞানং কৃত্বা সংত্ৰাসিতো যঃ সোহপি তেনে ৰাজ্জসৰ্পেণ কিং সত্যেন খাদিত ।'

ইযাত দেখা যায় মুনিদত্তই "বোড়ো খাই" সম্পূৰ্ণ এৰাই গৈছে, আৰু মধ্যযুগৰ জনপ্ৰিয় (বেদান্তসাৰত এবং বিৱৰণত ব্যৱহৃত) সংস্কৃত ভাষাৰ উদাহৰণ 'ৰজ্জুত সৰ্পভ্ৰম' অপ্ৰযোজনীয ভাবে টানি আনিছে নিজৰ ৰাজসাপ আৰু বোড়ো সাপৰ পাৰ্থক্যৰ অজ্ঞতা ঢাকিবলৈ। ভুসুকুপাই ৰাজসাপ আৰু বোড়ো সাপৰ গুণৰ, চৰিত্ৰৰ পাৰ্থক্য জানিছিল সেযেহে এই উদাহৰণ, মুনিদত্তই নাজানিছিল সেযেহে এই ভ্ৰম।

ৰাজসাপ বা ৰাজসৰ্প, সাধাৰণ ফেটী সাপতকৈ (naga naga) বহু ডাঙৰ ফেটী সদৃশ সাপ যাৰ সাধাৰণ ইংৰাজী নাম king cobra আৰু সৰ্পবিদ সকলে Hamadryad বুলি উল্লেখ কৰে। ইযাৰ লেটিন চিনাক্ত কৰণ নাম Naga hannah আৰু পুৰণি অসমীয়া নাম 'ডাহী' যি অত্যন্ত বিষাক্ত, দ্ৰুতগামী আৰু আক্ৰমণাত্মক আৰু বিপদজনক সাপ। আনহাতে বোড়ো - যি অসমীযাত চক্ৰবধ নামে জনা যায viperaedea গোষ্ঠীৰ সাপ, যাৰ ইংৰাজী নাম Russel's viper এবিধ বিষাক্ত, কিন্তু মন্থৰগামী আৰু গাত গচক নপৰিলে নাকামোৰা চৰিত্ৰৰ সাপ। অতএব তুলনামূলক ভাবে ৰাজফেটী বহু বিপদজনক সাপ। ভুসুকুপাই কৈছে — যি জন ব্যক্তি ৰাজসাপৰ পৰা সাৱধান (চমকিই) তাক বোড়ো সাপে কি দৰে খুঁটিব?

এই ৰূপকৰ প্ৰকৃত অৰ্থ — যি সাধকে অনুভৱ কৰে যে এই সমস্ত জগতেই শূন্য তাৰ অস্তিত্বই নাই, তাক ক্ষুদ্ৰ জাগতিক সমস্যাই কি দৰে বিচলিত কৰিব?

অকট জোইআ ৰে মা কৰ হথা লোনহা হে অজ্ঞ যোগী মিছাই হাতত ছাই নাসানিবা

অকট<অপ্ৰকট	=	অদৃশ্য, নেদেখা, নজনা
জোইআ ৰে	=	হে যোগী
মা কৰ	=	নকৰিবা
হথা<হস্ত	=	হাত
লোন্‌হা< লবন	=	ক্ষাৰ, ছাই

টিপ্পনী ঃ 'হথা লোনহা'— হাত লবনযুক্ত বা ক্ষাৰ যুক্ত নিশ্চয কোনো প্ৰবাদ বাক্য বা খণ্ডবাক্যৰ অংশ আছিল— যাৰ ব্যৱহাৰিক অৰ্থ বৰ্ত্তমান অসমীযাত 'হাত চুৱা' কৰাৰ সমাৰ্থক। ভুসুকুপাই গাইছে— হে অজ্ঞ যোগী (মিছাই) হাতত ছাই নাসানিবা। তাৰ কাৰণ ইযাৰ পিচৰ পদত পাম—

আইস সহাৱেঁ জই জগ বুঝষি তুট বাষণা তোৰা জগতৰ প্ৰকৃতিযেই এনেকুৱা (নশ্বৰ) বুলি বুজিলে তোৰ বাষণা ধ্বংস হ'ব।

আইস<আদৃশ	=	ঈদৃশ, এনেকুৱাই
সহাৱেঁ<স্বভাৱে	=	চাৰিত্ৰিকভাৱে, স্বৰূপে, প্ৰকৃতিগত
জই<যদি	=	যদ্যপি, যদি
জগ<জগৎ	=	বিশ্ব, জগৎ
বুঝষি<বোধ	=	বুজি পাব
তুট<ত্ৰুটতে	=	ভাঙ্গি যায, নোহোৱা হয
বাষণা তোৰা	=	তোৰ অভিলাষ, তোৰ বাষণা।

টিপ্পনী ঃ ভুসুকুপাই কৈছে — হে অজ্ঞ যোগী মিছাতে হাত চুৱা নকৰিবি (আকাঙ্খাৰে)। জগতৰ নশ্বৰ প্ৰকৃতি উপলব্ধি কৰিলে তোৰ প্ৰাপ্তি ইচ্ছা এনেযে ধ্বংস হ'ব।

মৰুমৰীচি গন্ধ (ব) নইৰী দাপতিবিম্বু জইসা মৰু মৰীচিকা, গন্ধৰ্বনগৰী আৰু দৰ্পণত প্ৰতিফলিত দৃশ্য যেন।

মৰুমৰীচি<মৰু মৰীচিকা	=	মৰুভূমিত হোৱা দৃষ্টি বিভ্ৰম, মৰুতৃষ্ণা
গন্ধ (ব) নইৰী<গন্ধৰ্বনগৰী	=	কল্পনাকৃত নগৰ
দাপতিবিম্বু<দৰ্পণপ্ৰতিবিম্ব	=	দৰ্পণত প্ৰতিফলিত দৃশ্য
জইসা	=	যেনে

টিপ্পনী ঃ মৰুমৰীচিকা, মৰুভূমিৰ তৃষ্ণাৰ্ত ব্যক্তিৰ ভ্ৰমৰ ফলত দৃষ্ট হয। গন্ধৰ্ব নগৰী মানুহৰ লোভ জনিত কল্পনাক আশ্ৰয কৰি গঢ়ি উঠে। আনহাতে দৰ্পণত প্ৰতিফলিত দৃশ্যৰ মূল বাস্তবতে থাকিলেও দৰ্শকৰ চকুত যি পৰে সি

কেবল প্ৰতিবিম্ব তাৰ অস্তিত্ব দৰ্পণৰ ভিতৰত নাই। ভুসুকুপাই তিনিটা ভিন্ন উদাহৰণ দি দেখুৱাইছে ব্যক্তিৰ ভ্ৰান্তি বিভিন্ন ধৰণে উৎপত্তি হ'ব পাৰে।

বাতাবৰ্ত্তে সো দিঢ ভইআ অপেঁ পাথৰ জইষা — **জলস্ৰোতত অবিচলিত শিলৰ দৰে, চক্ৰবাতত দৃঢ হৈ থাকিবা।**

বাতাবৰ্ত্তেঁ<বাতাবৰ্ত্তে	=	ঘূৰ্ণবায়ুত, চক্ৰবাতত, বতাহ - ধুমুহাত
সোঁ	=	সেইযা
দিঢ<দৃঢ	=	অবিচলিত, অচঞ্চল
অপেঁ<অপ	=	পানীত, জল (স্ৰোতত)
পাথৰ<প্ৰস্তৰ	=	শিল
জইসা	=	যেন, সদৃশ

টিপ্পনী ঃ বাতাবৰ্ত্তৰ দ্বাৰা ভুসুকুপাই মানসিক বিক্ষুব্ধি সূচাইছে, তেনে অৱস্থাত সাধকক জলস্ৰোতত দৃঢভাৱে ঠিয় হৈ থকা অবিচলিত প্ৰস্তৰ খণ্ড সদৃশ হবলৈকে উপদেশ দিছে। কাৰণ সমস্ত জগতেই ভুসুকুপাৰ মতে অলীক আৰু কল্পনা প্ৰসূত যেনে—

বান্ধিসুআ জিম কেলি কৰই খেলই বহুবিহ খেড়া — বাজী তিৰোতাৰ সন্তানে যি দৰে বিভিন্ন ক্ৰীড়া কৌতুক কৰে।

বান্ধিসুআ<বন্ধ্যাসুত	=	বাজী তিৰোতাৰ পুত্ৰ
জিম<জিমত	=	যেনেদৰে, যিদৰে
কেলি কৰই	=	কৌতুক কৰে, স্ফুৰ্ত্তি কৰে
খেলই	=	ক্ৰীড়া কৰে, খেলে
বহুবিহ<বহুবিধ	=	বিভিন্ন, নানা ধৰণৰ
খেড়া	=	খেলা, ক্ৰীড়া

টিপ্পনী ঃ সন্তানহীনা বাবেই নাৰীযে বন্ধ্যা আখ্যা পায, স্বাভাৱিকতে তেনে নাৰীৰ সন্তান নাথাকে। অতএব অস্তিত্বহীন পুত্ৰই বিভিন্ন ক্ৰীড়া - কৌতুক কৰাটো অসম্ভৱ , তেনে ক্ৰীড়া সম্পূৰ্ণ কল্পনাপ্ৰসূত।

বালুআ - তেলেঁ সসৰ - সিংগেঁ আকাশ ফুলিলা — **বালিৰ তেল, শহাৰ সিং, আকাশ কুসুম**

বালুআ -তেলেঁ<বালুকা তৈল	=	বালিৰ পৰা পোৱা তেল
সসৰ সিংগে<শশ শৃঙ্গ	=	শহাপহুৰ সিং
আকাশ ফুলিলা	=	আকাশ কুসুম, আকাশ ফুল

টিপ্পনী : ভুসুকুপাই ইযাত মধ্যযুগৰ ভাৰতবৰ্ষৰ ধৰ্ম্মীয় সাহিত্যত জনপ্ৰিয় অলীকতাৰ ৰূপক, উদাহৰণ স্বৰূপে স্থাপন কৰিছে। আগৰ পদত কৈছে বন্ধ্যাৰ সন্তানৰ ক্ৰীড়া। ইযাত কৈছে— বালি চেপি পোৱা তেল, শহাপহুৰ মূৰৰ সিং আৰু আকাশত ফুলা পুষ্প আটাইবোৰেই অনুভৱ কৰা যায ব্যক্তিৰ দৃষ্টি বিভ্ৰম অথবা ভ্ৰান্তিযুক্ত কল্পনাৰ ফল স্বৰূপে। এইবোৰৰ যেনেকৈ কোনো বাস্তব অস্তিত্ব নাই, ভুসুকুপাৰ মতে জগতখনো অলীক আৰু দৰ্শকৰ কল্পনাপ্ৰসূত। শেষৰ দুটা উদাহৰণ আদি শঙ্কৰাচাৰ্য্যই 'সৰ্ব্ব বেদান্ত সিদ্ধান্তসাৰ সংগ্ৰহতো' ব্যৱহাৰ কৰিছে।

ৰাউতু ভণই কট ভুসুকু ভণই কট সঅলা অইস সহাৱ — ৰাহুল আৰু ভুসুকে দৃঢভাৱে কয সমস্ত জগতৰ এযেই প্ৰকৃতি

ৰাউতু< ৰাউত	=	অশ্বাৰোহী=ৰাজপুত্ৰ=বুদ্ধপুত্ৰ ৰাহুল=বজ্ৰসত্ব
ভণই	=	কয
কট	=	দৃঢ (কট্টৰ, কট্‌কটীযা আদি ৰূপত দেখা যায। ব্যুৎপত্তি অজ্ঞাত)
ভুসুকু ভণই কট	=	ভুসুকুৱে সুনিশ্চিত ভাৱে কয
সঅলা<সকল	=	সমস্ত, সকলো
অইস<আদৃশ	=	এযেই, এনে, সদৃশ
সহাৱ< স্বভাৱ	=	প্ৰকৃতি, চৰিত্ৰ

টিপ্পনী : তথাগত কুলপতি ৰাহুল (বজ্ৰসত্ব) আৰু ভুসুকুৱে দৃঢভাৱে কয ইযাৰ (জগতৰ) এযেই প্ৰকৃতি বা স্বভাৱ (নশ্বৰ আৰু চিৰপৰিবৰ্ত্তনশীল)। ৰাহুলৰ নামৰ উল্লেখ কুলপতি স্বৰূপে, বিশেষকৈ ৰাহুলক অশ্বাৰোহী ৰূপে বৰ্ণনাৰ অন্যতম কাৰণ— তৃতীয বৌদ্ধ মহাসভাত পালি ভাষাত ৰচিত বৌদ্ধ শাস্ত্ৰ সমুহ চাৰিটা ভাষাত অনুবাদৰ প্ৰস্তাৱ ৰখা হয— সংস্কৃত, অপ্ৰভ্ৰংশ, প্ৰাকৃত আৰু পৈশাচিকা। সংস্কৃত অনুবাদ, ৰাহুলে যিজনা বৰ্ণত ক্ষত্ৰিয সেযেহে (অশ্বাৰোহী) নিজৰ কুলৰ বাবে গ্ৰহণ কৰি যোগাচাৰী তন্ত্ৰ স্থাপন কৰিলে। এই কাল্পনিক উপাখ্যান তাৰকাজ্বালা গ্ৰন্থত বৰ্ণিত, আৰু যাৰ প্ৰকৃত অৰ্থ, সৰ্ব্বাস্তিবাদীন পন্থাৰ যোগাচাৰ তন্ত্ৰৰ মূল সূত্ৰসমূহ সংস্কৃতত ৰচিত আৰু সেযেহে যোগাচাৰৰ মৌলিক দৰ্শন প্ৰাকবৌদ্ধ কালৰে বুলি ভাবিবৰ স্থল আছে।

জই তো মূঢা অচ্ছসি ভান্তী পুচ্ছতু সদগুৰু পাৱ — যদি তোৰ ভ্ৰান্তি গুচা নাই, মূঢ হৈযে আছ সদগুৰুৰ শৰণ লৈ জিজ্ঞাসা কৰি লবি

টিপ্পনী : ভুসুকুয়ে শেষ পংক্তিত কৈছে তথাপিও যদি সাধকৰ বিভ্ৰম গুচা নাই কোনো সংগুৰুৰ শৰণাপন্ন হৈ প্ৰকৃত সত্য জানি লব। ◆◆

৪২

ৰাগ - কামোদ ঃ কাহ্নুপাদানাম্

মূল পাঠ	আধুনিক ভাষান্তৰ/অৰ্থ
চিঅ সহজে শূণ সংপুন্না।	চিত্ত সহজ শূন্য অনুভূতিৰে পৰিপূৰ্ণ
কান্ধ বিযোএ মা হোহি বিসন্না।।	স্কন্ধ অবিহনে বিমৰ্ষ নহ'বা।
ভণ কইসে কাহ্নু নাহি।	কোৱা কেনেকৈ কাহ্নু (নাই)
ফৰই অনুদিনঁ তৈলোএ পমাই/সমাই।।	প্ৰতিদিন ত্ৰৈলোক্যত অপ্ৰকাশ হৈ থাকে।
মূঢা দিঠ নাঠ দেখি কাঅৰ।	মূৰ্খই (সংসাৰ) দৃশ্য দেখি কাতৰ।
ভাগ তৰঙ্গ কি সোষই সাঅৰ।।	উৰ্ম্মিভঙ্গৰ হেতুকে কি সাগৰ শুকায?
মূঢা অচ্ছন্তে লোঅ ণ পেখই।	মূঢ হেতুকে লোকে নেদেখে
দুধ মাঝেঁ লড ণ চ্ছন্তে দেখই।।	গাখীৰৰ মাজতে লৱনু (মাখন) আছে।
ভৱ জাই ণ আৱই এসু কোই।	জগতৰ পৰা কোনেও নাযায আৰু নাহে।
আইস ভাৱে বিলসই কাহ্নিল জোই।।	এনে চিন্তাৰে আমোদ পায কাহ্নু যোগীযে।

টিপ্পনী ঃ বৰ্ত্তমান চৰ্যাগীত কাহ্নুপাদ বিৰচিত বুলি চিহ্নিত যদিও, এই গীতৰ সাৰমৰ্ম যোগাচাৰ তন্ত্ৰৰ দৰ্শন সমৰ্থক। আগতে পাই অহা চৰ্যা ৰচক কাহ্নুপাদ, কৃষ্ণপাদ, কৃষ্ণাচাৰ্য্য, কৃষ্ণবজ্ৰপাদ আটাইকেইজন একেজন ব্যক্তি নোহোৱাৰ সম্ভাবনাই অধিক। দ্বিতীয সমস্যা হ'ল বৌদ্ধ তন্ত্ৰৰ, উচ্চ যোগাচাৰ তন্ত্ৰৰ আৰু নিম্ন অনুত্তৰ তন্ত্ৰৰ দাৰ্শনিক আৰু ব্যৱহাৰিক সাধনা পদ্ধতিৰ কোনো পাৰ্থক্য নাই, সেযেহে নিম্নঅনুত্তৰ তন্ত্ৰক অনুত্তৰ যোগাচাৰ তন্ত্ৰও বোলা হয। উচ্চ অনুত্তৰ তন্ত্ৰত— যোগাচাৰৰ দ্বাৰা সৃষ্ট সৰ্ব্বশূন্য ভাব যৌনাচাৰৰ দ্বাৰা কৰুণালৈ পৰিবৰ্ত্তিত কৰিব লাগে। এই বিন্দুৰ পৰাই বজ্ৰযান পদ্ধতি মন্ত্ৰযানৰ পৰা ফাটি যায। যোগাচাৰৰ ইষ্টদেৱতা 'বজ্ৰসত্ত্ব' আৰু অনুত্তৰৰ 'বজ্ৰধৰ'। যোগাচাৰত শূন্যই স্বযং, প্ৰজ্ঞা + শূন্য যোগ হৈ সুখশূন্য সহজ ৰূপ লয়। আনহাতে অনুত্তৰ তন্ত্ৰত সৰ্ব্বশূন্য কৰুণাৰ দ্বাৰা প্ৰতিষ্ঠাপিত হৈ তথতা + মহাসুখ ৰূপত সহজানন্দলৈ পৰিবৰ্ত্তিত হয। বৰ্ত্তমান গীতত যৌনাচাৰ বা মহাসুখৰ উল্লেখ নথকাৰ হেতু ইযাক যোগাচাৰ তন্ত্ৰৰ গীত বুলিয়ে কব লাগিব।

চিঅ সহজে শূন সংপুন্না চিত্ত সহজ শূন্য অনুভূতিৰে পৰিপূৰ্ণ

চিঅ = চিত্ত সহজ (মানস + বুদ্ধি + অহংকাৰ)

সহজে = যুগপৎ জাত অনুভূতি দ্বাৰা
শূন = শূন্য (অনুভূতি)
সংপুন্না = সম্পূৰ্ণ, পৰিপূৰ্ণ। সংপুন্না = স্বযংপূৰ্ণা, নিজৰ দ্বাৰাই পূৰ্ণ

টীকা : বৰ্ত্তমান পদত সংপুন্না শব্দৰ দ্বিতীয অৰ্থই অধিক প্ৰযোজ্য, কাৰণ তেনেক্ষেত্ৰত যোগাচাৰ তন্ত্ৰৰ এক মূল নীতি সমৰ্থন কৰিব— শুদ্ধ আৰু সম্পূৰ্ণ শূন্যতা অনুভূতিযে মনত নিজে নিজেই আনন্দৰ ভাৱ, সুখ + শূন্যৰ সৃষ্টি কৰিব। চিত্তত সুখভাব আনিবলৈ আন পদ্ধতিৰ (যেনে, অনুত্তৰ তন্ত্ৰৰ যৌনাচাৰ) প্ৰযোজন নাই। চিত্তত শূন্য বোধেই স্বযংসম্পূৰ্ণ।

কান্ধ বিয়োএ মা হোহি বিসন্না স্কন্ধ অবিহনে বিমৰ্ষ নহবা

কান্ধ বিযোএ<স্কন্ধ বিযোগে = স্কন্ধৰ অবিহনে
মা হোহি = নহবা
বিসন্না = বিষণ্ণ, চিন্তিত, বিমৰ্ষ

টিপ্পনী : সম্পূৰ্ণ শূন্য অনুভূত হ'লে সাধকৰ পঞ্চস্কন্ধজাত অনুভূতি, ৰূপ + বেদনা + সংজ্ঞা + সংস্কাৰ + বিজ্ঞান লোপ পাব। যিহেতু (সাধাৰণ ব্যক্তিৰ) সমস্ত বিচাৰ, বিবেচনা অনুভূতি আৰু অভিজ্ঞতালব্ধ জ্ঞানৰ (বিজ্ঞান) বিনাশ ঘটিব, এবাৰ শূন্যতা অনুভূত হ'লে, ৰূপ, সুখ - দুখ (বেদনা) আৰু ভাল-বেযা (সংজ্ঞা) নিৰূপণৰ আধাৰ কি হ'ব?

দিশহাৰা সাধক স্বাভাৱিক ভাবেই হতাশ হৈ পৰিব। এনে অবস্থাত চিন্তিত (বিষণ্ণ) নহবা কাহ্নুপাই কৈছে। কাৰণ—

ভণ কইসে কাহ্নু নাহি কোৱা কেনেকৈ কাহ্নু (নাই)

ভণ = কোৱা
কইসে = কেনেকৈ
কাহ্নু = কাহ্নুপা, গীতৰ ৰচক
নাহি = নাই, নেতি (এইটো শব্দ বাস্তবতে পিচৰ শাৰীৰ)

(নাহি) ফৰই অনুদিনঁ তৈলোএ পমাই/সমাই প্ৰতিদিন (সৰ্ব্বদা) ত্ৰৈলোক্যত অপ্ৰকাশ হৈ থাকে

(নাহি) ফৰই<স্ফুৰতি = (ন) প্ৰকাশ পায) (অপ্ৰকাশ্য)
অনুদিনঁ = প্ৰতিদিন
তৈলোএ<ত্ৰৈলোক্য = তিনিও লোক, স্বৰ্গ মৰ্ত্ত্য পাতাল
পমাই<সমাই<প্ৰবেশ্যন্তি = সোমায

মূঢ়া দিঠ নাঠ দেখি কাঅৰ   মুৰ্খই (সংসাৰ) দৃশ্য দেখি কাতৰ

মূঢ়া<মূঢ়	=	বিমূঢ়, অজ্ঞ জনে
দিঠ<দৃশ্য	=	চিত্র, চক্ষুগোচৰ ৰূপ কাৰ্য্য
দেখি<দৃষ্ট	=	চাক্ষুস হোৱাত, দৃষ্ট
কাঅৰ	=	কাতৰ

টিপ্পনী ঃ তিনিওলোকত সৰ্ব্বদা অপ্ৰকাশ অন্ধকাৰ বা অনস্তিত্ব প্ৰবেশ কৰে। সাধাৰণ ভাষাত তিনিও লোকত সৰ্ব্বদা সমস্ত লুপ্ত হয় তাকে দেখি মূঢ়া। কাতৰ হয়। সাধকক কাতৰ নহ্‌বলৈ উপদেশ দি কাহ্নুপাই কৈছে —

ভাগ তৰঙ্গ কি সোষই সাঅৰ   উৰ্ম্মি ভঙ্গৰ হেতু কি সাগৰ শুকায

ভাগ<ভং।	=	ধ্বংসপ্ৰাপ্ত, লুপ্ত
তৰঙ্গ	=	ঢৌ, উৰ্ম্মি
কি	=	কি দৰে
সোষই<শোষিত	=	শুহিঁ নিযা, শুকাই যোৱা
সাঅৰ	=	সাগৰ

টিপ্পনী ঃ ঢৌ বা উৰ্ম্মি ধ্বংস হোৱা বাবে কি সাগৰ শুকাই যায? কাহ্নুপাই ইযাত মধ্যযুগৰ ভাৰতবৰ্ষত বিশেষকৈ বেদান্তত সঘনে ব্য ৎ উদাহৰণ এটা প্ৰযোগ কৰিছে। সমুদ্ৰৰ বা যি কোনো পানীৰ ওপৰৰ ঢৌ বাস্তৱতে পানীৰ স্তৰৰ সৰলোন্নত উত্থান-পতনৰ ফলত সৃষ্টি হয। পানীৰ ওপৰেৰে ধাৱমান উৰ্ম্মিমালা আচলতে দৃষ্টি বিভ্ৰম ফল। জলৰ উত্থান-পতন ক্ৰমিক ভাবে গতি কৰা বাবেই লহৰৰ গতি দৃষ্ট হয। তেনে ঢৌ যেতিযা সমুদ্ৰতটত সংঘৃষ্ট হৈ লুপ্ত হয জলৰ এটা অংশৰ উত্থিত অৱস্থাৰ বিলুপ্তি ঘটি সি জলাশযৰ পানীৰ সমোচ্চতা পায। উত্তুঙ্গ অৱস্থাৰ লুপ্তিযেই সমুদ্ৰৰ জলৰ অৱস্থিতি লুপ্তি নহয। 'ঢৌৰ বিনাশৰ ফলত জলৰ ক্ষয' সিদ্ধান্ত কেৱল দৰ্শকৰ অক্ষি বিভ্ৰমৰ পৰিচাযক। কাৰণ দ্ৰষ্টাই সমস্ত জলৰ ওপৰত নহয জলৰাশিৰ সমুত্থিত অৱস্থাৰ ওপৰতহে দৃষ্টি নিবদ্ধ কৰিছিল।

কাহ্নুপাই কয, সাধকে অনুভৱ কৰা ত্ৰিলোকৰ লুপ্তি বাস্তৱতে নহয— সমুদ্ৰ উৰ্ম্মিৰ লুপ্তি যি দৰে জলৰ সাময়িক উত্তুঙ্গ অৱস্থাৰ বিনাশ, সেইদৰে ত্ৰৈলোক্যৰ আপাতঃ বিনাশ কেৱল পঞ্চস্কন্ধ দ্বাৰা অনুভূত জগৎ সম্বন্ধে ধাৰণাৰ হে বিনাশ, এতেকে বিমৰ্ষ হ্‌বৰ কোনো কাৰণ নাই।

মূঢ়া অচ্ছন্তে লোঅ ণ পেখই   মূঢ় হেতুকে লোকে নেদেখে

মূঢ়া	=	মূঢ়, মুগ্ধ
অচ্ছন্তে	=	আছে, হয
লোঅ<লোক	=	লোক, ব্যক্তি
ণ পেখই	=	নেদেখে

দুধ মাঝেঁ লড়ণ চ্ছন্তে দেখই গাখীৰৰ মাজতে লৱণু (মাখন) আছে দেখে

দুধ<দুগ্ধ	=	গাখীৰ
মাঝেঁ<মধ্য	=	মাজত, ভিতৰত
লড়ণ<লৱনু<নৱনী	=	মাখন, সৰ
চ্ছন্তে< আচ্ছন্ত	=	আছে
দেখই<দৃশ্যন্তি	=	চকুত পৰে, দৃষ্ট হয

টিপ্পনী ঃ ওপৰৰ পংক্তি দুটা একেলগে পঢ়াৰ প্ৰযোজন— লোক বা ব্যক্তি মূঢ় বাবেই নেদেখে যে গাখীৰৰ মাজতে সৰ বা মাখন বিলীন হৈ থাকে। এইটো উদাহৰণো বেদান্তত পোৱা যায— তাত অৱশ্যে ব্ৰহ্মাৰ চৰিত্ৰ বৰ্ণিত। আনহাতে কাহ্নুপাই ইযাত জীৱন-মৃত্যুৰ চক্ৰৰ উল্লেখ কৰিছে। জীৱাত্মা সমস্ত সংসাৰত ব্যাপ্ত হৈ আছে গাখীৰত অদৃশ্য সৰ থকাৰ নিচিনাকৈ। জীৱাত্মা পৰিস্ফুট হোৱা অৱস্থাত জীৱন আৰু অপৰিস্ফুট মৃত্যু ৰূপে অনুভূত হয়, কিন্তু বাস্তবতে কোনো জীৱাত্মাই এই জগৎ এৰি নাযায আৰু ঘূৰিও নাহে। কাহ্নুপাই সাংখ্য দৰ্শনৰ আশ্ৰয লৈছে ইযাৰ পিচৰ বাক্যত।

ভৱ জাই ণ আৱই এসু কোই জগতৰ পৰা কোনেও নাযায আৰু নাহে

ভৱ	=	জগৎ সংসাৰ
জাই	=	গমন কৰে
ণ	=	নাই, নেতি
আৱই<আযাতি	=	আযাতি = আগমন কৰে, আহে
এসু<অত্ৰ	=	এই
কোই	=	কোনোবাই

টিপ্পনী ঃ এই জগতলৈ কোনেও নাহেও আৰু কোনেও নাযাযও, জীৱাত্মাই গাখীৰত সৰ মিহলি হৈ থকাৰ দৰে সৰ্বত্ৰ ব্যাপ্ত হৈ থাকে।

অইস ভাবে বিলসই কাহ্নিল জোই এনে চিন্তাৰে আমোদ পায কাহ্নু যোগীযে

আইস<আদৃশ	=	এনে, ইযাৰ দৰে

ভাবে	=	চিন্তাত
বিলসই	=	আমোদ কৰে, আনন্দ পায়
কাহ্নিল	=	কাহ্নু পা
জোই	=	যোগী

টিপ্পনী ঃ কাহ্নুপাই নিজকে যোগী নামেৰে চিনাক্ত কৰি স্পষ্ট ভাবে জনাই দিছে যে তেঁখেত যোগাচাৰ তন্ত্ৰৰ সাধক। অতএৱ অনুত্তৰ তন্ত্ৰৰ সাধক কৃষ্ণাপাদ (চৰ্যা ১০) বা কাহ্নু পা আন এজন ব্যক্তি। চৰ্যাগীত ৰচক একাধিক কাহ্নুপা আছিল যদিও, হৰপ্ৰসাদ শাস্ত্ৰী আৱিষ্কৃত, চৰ্যাগীত সংগ্ৰহত সন্নিবিষ্ট, কাহ্নুপা ৰচিত অধিকাংশ গীতেই যোগাচাৰ তন্ত্ৰৰ সমৰ্থনত লিখা। ◆◆

৪৩

ৰাগ - বঙ্গাল ঃ ভুসুকুপাদানাম্

মূল পাঠ	ভাষান্তৰ/অৰ্থ
সহজ মহাতৰু ফৰিঅ এ তৈলোএ।	সহজ মহাতৰুক বিশ্লেষণ কৰা
খসম সভাৱে ৰে বা গমুকা কোএ।।	স্বভাৱ আকাশ সদৃশ কোনো বৰ্ণ (অনুভূতি) হীন।
জিম জলে পাণিআ টলিআ ভেউ নজাঅ।	যিদৰে পানীৰ মাজত পানীৰ স্ৰোতৰ ভিন্নতা নুবুজি
তিম মণ ৰঅণা ৰে সমৰসে গঅণ সমাঅ।।	সেইদৰে মনৰত্ন সাম্যভাৱেৰে শূন্য অনুভূতিত প্ৰৱেশ কৰে।
জাসু ণাহি অপ্পা তাসু পৰেলা কাহি।	যাৰ নিজ বোলা (একো) নাই তাৰ পৰ থাকিব কিদৰে?
আই অণুঅণা ৰে জাম মৰণ ভৱ নাহি।।	আদিতেই সৃষ্টি নোহোৱা জগতত জন্ম-মৃত্যু নাই (অনুপস্থিত)।
ভুসুকু ভণই কট ৰাউতু ভণই কট সঅলা এহ সহাৱ।	ৰাহুল আৰু ভুসুকুই দৃঢ়ভাৱে কয় সকলোৰে এয়েই প্ৰকৃতি।
জাই ণ আৱযি ৰে ণ তঁহি ভাৱাভাৱ।।	গমন-আগমন, অস্তিত্ব-অনস্তিত্ব (কোনোটোৱেই) ইয়াত নাই

টিপ্পনী ঃ হৰপ্ৰসাদ শাস্ত্ৰী সংগৃহীত চৰ্যাগীত মালাৰ তালিকাত ৪৩ নম্বৰ

গীত যি ভুসুকু পাৰ দ্বাৰা ৰচিত, সম্পূৰ্ণভাৱে যোগাচাৰ তন্ত্ৰ সমৰ্থনত লিখা গীত আৰু ভুসুকুপাৰ আন গীতৰ (চৰ্যা ৪১) লগত বহুখিনি সমাৰ্থক, আনকি গীতৰ এটা শাৰী "ভুসুকু ভণই কট ৰাউতু ভণই কট সঅলা এহ সহাব" হুবহু একে, কেবল শব্দৰ ক্ৰমৰ পৰিবৰ্ত্তন কৰা হৈছে।

বৰ্ত্তমান গীতটি গভীৰ বৌদ্ধ দাৰ্শনিক তত্ব সম্বলিত। ব্যক্তিৰ মন বা চিত্ত স্বভাৱতে কোনো অনুভূতি লৈ নোপোজে বা নাৰাখে (বৰ্ণহীন), সকলো অনুভূতিযে অভিজ্ঞতাৰ ভিত্তিত মনত গঢ় লয। যেতিযা মনত এবাৰ শূন্যতা উপলব্ধ হয, মনে বুজি পায সংসাৰত নিজৰ বুলিবলৈ একোকে নাই, অতএব পৰ বা আন বুলিবলৈও একো নাই। যেতিযা এবাৰ শূন্যানুভূতি জাত সুখৰ উদয হব, তেতিযা বুজিব স্থিতি-অনুপস্থিতি, গমন - আগমন, জন্ম-মৃত্যু এযা পৃথক, কাৰণ মানুহৰ মনে তেনেকৈ পাৰ্থক্য আনে। ৰত্নসদৃশ মনৰ ব্যক্তিৰ বাবে দুয়োটাই এক সংমিশ্ৰিত এককৰ অংশ — পানীৰ মাজত পানীৰ শ্ৰোতৰ যেনেকৈ অস্তিত্ব বৰ্ত্তমান কিন্তু পৃথক ৰূপ নাই, সেইদৰে জীৱন - মৃত্যু, গমন-আগমন, স্থিতি - অনুপস্থিতিৰ কোনো ভিন্নতা নাই। ইযাৰ আগৰ গীতত (নং ৪১) ভুসুকুপাই গাইছিল গাখীৰৰ মাজত সৰ মিহলি হৈ থকাৰ দৰে শূন্যতাৰ মাজতে অস্তিত্ব, বৰ্ত্তমানে ইযাত উদাহৰণ দিছে পানীত পানীৰ শ্ৰোত বলে যেনেকৈ স্থিৰ আৰু গতিশীল দুই পানীৰ পাৰ্থক্য ৰূপ-ৰঙত দৃষ্ট নহয, সংসাৰত জন্ম-মৃত্যু, অস্তিত্ব-অনস্তিত্বৰ পাৰ্থক্যও জ্ঞানী লোকে নকৰে।

সহজ মহাতৰু ফৰিঅ এ তৈলোএ ত্ৰিলোকত সহজৰূপ মহাতৰুক বিশ্লেষণ কৰা

সহজ = যুগপৎ জাত অনুভূতি (বৰ্তমান ক্ষেত্ৰত সুখ শূন্য)
মহাতৰু = বৃহৎ বৃক্ষ
ফৰিঅ<স্ফাটিত= ফলা, বিশ্লেষণ কৰা
এ = এই
তৈলোএ = ত্ৰৈলোক্যত, ত্ৰিলোকত

টিপ্পনী : বৌদ্ধ ধৰ্ম্ম শাস্ত্ৰত জ্ঞানক বৃক্ষৰ লগত তুলনা কৰা হয, সেযেহে — বোধিবৃক্ষ। ইযাত ভুসুকুপাই 'সহজ' অনুভূতি মহাতৰু বুলি কৈ তাক বিশ্লেষণ কৰিবলৈ উপদেশ দিছে।

খসম সভাৱেৰে বা ণমুকা কোএ স্বভাৱ আকাশ সদৃশ কোনো বৰ্ণ(অনুভূতি) হীন।

খসম<খ + সম = আকাশ সদৃশ, শূন্য সম
সভাৱে<স্বভাৱে = জন্মগত চৰিত্ৰ, প্ৰকৃতিগতভাৱে

ৰে	=	হে
বা ণমুকা<বানমুকা	=	বৰ্ণমুক্ত, ৰং নোহোৱা অনুভূতিহীন
কোএ<কোহপি	=	কোনো

টিপ্পনী ঃ ভুসুকুপাই ইযাত মানৱ মনৰ চৰিত্ৰ বৰ্ণাইছে যে 'চিত্তই প্ৰকৃতিগতভাৱে বা জন্মগতভাৱে কোনো অনুভূতি লৈ নাহে ই মহাশূন্য বা আকাশৰ দৰে বৰ্ণহীন। আকাশত যেনেকৈ মেঘৰ বৰ্ণ প্ৰতিফলিত হয, মানৱ মনে অভিজ্ঞতা প্ৰসূত জ্ঞানেৰে (সংস্কাৰ) মনত অনুভূতি (বৰ্ণ) সৃষ্টি কৰে।

জিম জলে পাণিআ টলিআ ভেউ নজাঅ যিদৰে পানীৰ মাজত পানীৰ স্ৰোতৰ ভিন্নতা নুবুজি

জিম<যিমত	=	যেনেদৰে
জলে	=	পানীত
পাণিআ	=	পানী
টলিআ	=	গতি, স্ৰোত
ভেউ<ভেদ	=	প্ৰাৰ্থক্য, ভিন্নতা
নজাঅ<ন + জ্ঞাযতে	=	নাজানি, ধৰিব নোৱাৰি।

টিপ্পনী ঃ ভুসুকুপাই ইযাত এটা বৰ সুন্দৰ উদাহৰণ দিছে — যি কোনো জল স্ৰোতৰ, যেনে এটা জুৰিৰ সকলো পানীযে একে সমযতে একে দ্ৰুতিৰে গতি নকৰে। বুজন অংশই বৈ যায, এটা অংশ স্থিৰ হৈ থাকে। গতিকৰা অংশযো সমান গতিৰে প্ৰবাহিত নহয। এজন পৰ্য্যবেক্ষকে লক্ষ্য কৰে যে পানী সমবেগত গতি কৰা নাই — একাংশ স্থিৰ, একাংশ মধ্যমগতিশীল আৰু আন অংশ তীব্ৰ গতিশীল, কিন্তু এই তিনি অংশ পানীৰ মাজত ৰূপ-ৰঙৰ কোনো পাৰ্থক্য নাই আৰু দৃষ্টিৎ নহয। এই পাৰ্থক্য আৰু একতা ৰত্নসদৃশ চিত্ত যুক্ত সাধকে উপলব্ধি কৰে সেযেহে শূন্যতা জ্ঞানৰ দ্বাৰা বিচলিত নহয।

তিম মণ-ৰঅণা ৰে সমৰসে গঅণ সমাঅ সেইদৰে মন-ৰত্ন সাম্যভাৱেৰে শূন্য অনুভূতিত প্ৰৱেশ কৰে।

তিম<তেমত	=	সেইদৰে
মণ-ৰঅণা<মন ৰত্ন	=	ৰত্ন সদৃশ মন, সমুজ্জ্বল চিত্ত।
ৰে	=	হে
সমৰসে	=	সমান অনুভূতি (সুখ + শূন্য), সাম্যভাৱ,
গঅণ<গগন	=	আকাশ, শূন্য অনুভূতি
সমাঅ<সমায়াতি	=	সোমায, প্ৰৱেশ কৰে

টিপ্পনী ঃ পানীৰ মাজত পানীৰ স্ৰোত যিদৰে ৰূপ, ৰঙ্গ, গুণ প্ৰভেদত পৰিদৃষ্ট নহয়, ৰত্ন সদৃশ জ্ঞান সম্পন্ন চিত্তই শূন্যবোধ আৰু সুখৰ মাজত ভেদ নানাকৈ শূন্যবোধ অনুভূত হয় (গঅণ সমাঅ)। ভুসুকুপাই এই বাক্য আত্মপক্ষ সমৰ্থনত গাইছে। অনুত্তৰ তন্ত্ৰৰ সমৰ্থক সাধক সকলে যোগাচাৰৰ সৰ্ব্বশূন্যতা বাদক 'অবিদ্যা আৰু ক্লেশকাৰক' বুলি অভিযোগ তোলে (চৰ্যা ১৬)। তাৰ প্ৰতিবাদ কৰি ভুসুকুপাই কৈছে— শূন্যভাৱ আৰু সুখ দুইটাই সংমিশ্ৰিত। শূন্যভাৱে সুখৰ সৃষ্টিকৰে অতএব পানীৰ মাজৰ পানীৰ দৰে ই অভিন্ন

জাসু ণাহি অপ্পা তাসু পৰেলা কাহি	যাৰ নিজস্ব বোলা নাই তাৰ পৰ থাকিব কি দৰে

জাসু<জস্য	=	যাৰ, যিজনৰ
ণাহি	=	নাই, অনুপস্থিত
অপ্পা<আত্ম	=	নিজৰ, নিজস্ব (হিন্দীত অপনা)
তাসু<তস্য	=	তেওঁৰ, সিজনৰ
পৰেলা	=	পৃথক, ভিন্ন, পৰৰ
কাহি<কস্য	=	কি, ক'ত, কি দৰে

আই অণুঅণা ৰে জাম মৰণ ভৱ নাহি	আদিতেই সৃষ্টি নোহোৱা জগতত জন্ম-মৃত্যু নাই (অনুপস্থিত)

আই <আদি	=	প্ৰাৰম্ভতে, আদিতে
অনুঅণা<অনুৎপন্ন	=	সৃষ্টি নোহোৱা
ৰে	=	হে
জাম	=	জন্ম, সৃষ্টি
মৰণ	=	মৃত্যু, ধ্বংস
ভৱ	=	জগৎ, বিশ্ব
নাহি	=	নাই, নেতি, অনুপস্থিত

টিপ্পনী ঃ ওপৰৰ দুটা পদ একেলগে পঢ়িলে হে অৰ্থ বোধগম্য হয়। ৰত্নসদৃশচিত্তযুক্ত ব্যক্তিয়ে যেতিয়া সুখ আৰু শূন্যৰ সমন্বয় ঘটাই শূন্য অনুভূত হ'ব, তেওঁ বুজিব যে এই জগতত নিজৰ বুলিবলৈকে একো নাই, যি ব্যক্তিৰ নিজ বা আপোন একো নাই তেওঁৰ পৰ বা আনৰ বুলিবলৈকেও একো নাই, তেতিয়া বুজিব এই বিশ্বৰ অস্তিত্ব বা স্থিতি নাই (চৰ্যা ৪১ ৰ টীকা চাওক)। অস্তিত্বহীন বিশ্বত, জন্মৰ দৰেই মৃত্যুও সম্ভৱ নহয়। আগমন গমন, জন্ম মৃত্যু ইবোৰ কেৱল মনৰ দ্বাৰা গঢ়া পৰিবেশ।

ভূসুকু ভণই কট ৰাউতু ভণই কট সঅলা এহ সহাৱ বাহুল আৰু ভূসুকুই দৃঢভাৱে কয সকলোৰে এযেই প্ৰকৃতি

টীকা ঃ বৰ্ত্তমান পদ ভুসুকুপাৰ পূৰ্ব্বৰ এক চৰ্যাৰ (নং ৪১) নবম শাৰীৰ লগত সম্পূৰ্ণভাৱে একে।

জাই ণ আৱযি ৰে ণ তঁহি ভাৱাভাৱ গমণ - আগমন, অস্তিত্ব অনস্তিত্ব (কোনোটোই) ইয়াত নাই

জাই	=	গমণ কৰে
ণ	=	নাই, নেতি
আৱযি	=	আগমণ কৰে
ৰে	=	হে
ণ	=	নাই, নেতি
তঁহি<যহি	=	তাত, ইযাত

ভাৱাভাৱ<ভাৱ + অভাৱ = অস্তিত্ব অনস্তিত্ব

টিপ্পনী ঃ ভুসুকুপাই ইযাত চৰ্যা ৪১ ৰ উক্তিকে দোহাৰিছে অকল বৰ্ত্তমান চৰ্যাৰ জ্ঞান কেবল ৰত্নসদৃশ (মন ৰঅণা) চিত্তৰ ব্যক্তিৰ বাবে প্ৰযোজ্য বুলিছে। গুহ্য সমাজ তন্ত্ৰ অনুসৰি মন ৰত্ন সদৃশ হয সিবোৰ সাধকৰ যি "উৎপত্তি কৰ্ম্মৰ" সিদ্ধিৰ লোভ সামৰিব পাৰিছে - অৰ্থাৎ অণিমা, লঘিমা, খড়্গা আদি অষ্ট গৌণ সিদ্ধি (হিন্দুৰ অষ্ট মহাসিদ্ধি। চৰ্যা ১৩ ৰ টোকা চাওক) তেখেতৰ অপ্ৰযোজনীয আৰু ত্ৰি অভিসম্বোধী (পঞ্চ উচ্চ জ্ঞানৰ তৃতীয় স্তৰ) প্ৰাপ্ত হৈছে। ভুসুকু পাই কৈছে তেনে ব্যক্তিযে সুখশূন্য সহজ জ্ঞান লভি বুজিব জন্ম-মৃত্যু, অস্তিত্ব-অনস্তিত্ব কোনোটোই জগতত নাই কাৰণ জগৎ খনেই অসাৰ, ই আদিতেই সৃষ্টি হোৱা নাই বুলি বোধ কৰিব পাৰি। এযা সম্পূৰ্ণ যোগাচাৰ তন্ত্ৰৰ দৰ্শন। ◆◆

৪৪

।। ৰাগ - মল্লাৰী ঃ কঙ্কণপাদানাম্।।

মূলপাঠ	আধুনিক ভাষান্তৰ/অৰ্থ
সুনে সুন মিলিআ জবেঁ।	শূন্যত যেতিয়া শূন্য মিলিত
সঅল ধাম উইআ তবেঁ।।	সকলো বৌদ্ধ জ্ঞান তেতিয়া উদিত (হয)।
আচ্ছহুঁ চউখণ সংবোহী।	সৰ্ব্বকালত জ্ঞান (মোক) দিযে
মাঝ নিৰোহেঁ অণুঅৰ বোহী।।	অনুত্তৰ জ্ঞান মাজত বাধাক্ৰমে (থাকে)
বিদুণাদ ণ হিএঁ পইঠা।	শুক্ৰ-নাড়ী জ্ঞান অন্তৰত প্ৰবেশ নকৰে।
অণ চাহন্তে আণ বিণঠা।	ভিন্ন বিচাৰোতে আন (বোৰ) নষ্ট।
জথাঁ আইলেঁসি তথা জান।	যিমানলৈ আহিছা তাবে জানা।
মাঁস থাকী সঅল বিহুণ।।	সকলোৰে মাজত থাকিও (এবো) নাই।
ভণই কঙ্কণ কলএল সাদেঁ।	কঙ্কণে কলকল ধ্বনিৰে কয
সৰ্ব্ব বিচুৰিল তথতা নাদেঁ।।	সকলো চূৰ্ণ হল তথতা ধ্বনিৰে।

টিপ্পনী ঃ কঙ্কণপাদৰ বৰ্ত্তমান চৰ্যাগীত সঙ্কলনৰ জটিল চৰ্যা সৱৰ ভিতৰত এটা বুলি ধৰিব লাগিব, কাৰণ ইযাত ব্যৱহৃত বহু শব্দৰ একাধিক অৰ্থ হ'ব পাৰে। দ্বিতীযতঃ কঙ্কণপাদ কোন বৌদ্ধ তন্ত্ৰৰ সাধক আছিল তাক স্পষ্টভাৱে জনা নাযায। জাহ্নবীকুমাৰ চক্ৰবৰ্তীযে কঙ্কণপাদক কম্বলাম্বৰপাদৰ বংশধৰ (শিষ্য অৰ্থত?) বুলি লিখিছে, সি সঁচা হলে কঙ্কণপাদ চৰ্য্যাতন্ত্ৰৰ সাধক হোৱা উচিত। আনহাতে চৰ্যাত বিদুনাদ (বিদুণাদ) শব্দ ব্যৱহাৰ কৰিছে যি অনুত্তৰ তন্ত্ৰত হে সঘনে উল্লেখ হয। কঙ্কণপা যদি বাস্তৱতে "চৰ্য্যাদোহাকোষ গীতিকাৰ" গ্ৰন্থৰ ৰচক, তেনেহ'লে গীতৰ শেষ শাৰী বাক্য "সৰ্ব্ব বিচুৰিল তথতা নাদে" তেখেতক উচ্চ চৰ্য্যাতিন্ত্ৰ অথবা নিম্ন যোগতন্ত্ৰৰ সাধক বুলি চিনাক্ত কৰিব। তথতা' যাৰ ইংৰাজী অনুবাদ thatness, কিন্তু বাস্তব অৰ্থ reality জগতৰ প্ৰকৃত স্বৰূপ (যোগাচাৰ তন্ত্ৰমতে নশ্বৰ আৰু চিৰ পৰিবৰ্ত্তনশীল আৰু অনুত্তৰ তন্ত্ৰমতে 'কৰুণা' যি শূন্যক প্ৰতিষ্ঠাপিত কৰে), তত্ব আৰু তথতাৰ প্ৰভেদ অতি সূক্ষ্ম আৰু বৌদ্ধ দাৰ্শনিক সকলে ইযাৰ বিভিন্ন ব্যাখ্যা দিযে। তথতা ধাৰাৰ প্ৰথম উল্লেখ কৰে "উত্তৰপথক ' উপশাখাই যিযে সম্ভৱতঃ পিচত মহাযান পন্থাই গ্ৰহণ কৰে। বৌদ্ধ তন্ত্ৰৰ কোনো কোনো শাখাই "They are

also credited with the view, which seems to be influenced by the Tantric schools, that sex relationship may be entered upon out of compassion, even in the case of recluses(p 119 2500 Yrs of Buddhism 1956 Publication Govt of India) " অতএব বৰ্ত্তমান চৰ্যাগীত অনুত্তৰ তন্ত্ৰ সমৰ্থন কৰি লিখাটোও সম্ভৱ।

সুনে সুন মিলিআ জবেঁ শূন্যত যেতিয়া শূন্য মিলিত (মিহলি) হয়

সুনে<শূন্যে = শূন্যত
সুন<শূন্য = শূন্য
মিলিআ<মিলিত = লগ লাগি
জবে = যেতিয়া

টিপ্পনী ঃ বৌদ্ধ তন্ত্ৰ শাস্ত্ৰ অনুসৰি (উষ্ণীষবিজয় ধৰণী কল্প) শূন্যতা যোল্ল শ্ৰেণীৰ তাৰে ভিতৰত শূন্যতাৰ শূন্যতা (শূন্যতা - শূন্যতা -void of voidness) সৰ্ব্ব শূন্যভাৱৰ সৃষ্টি কৰে তেতিয়া ঃ

সঅল ধাম উইআ তবেঁ সকলো বৌদ্ধ জ্ঞান তেতিয়া উদিত হয়

সঅল<সকল = সৰ্ব্ব, সকলো
ধাম<ধৰ্ম্ম = বোধিচিত্ত, বৌদ্ধ জ্ঞান
উইআ<উদিত = উত্থিত, বিকশিত
তবেঁ = তেতিয়া

আৰ্চ্ছহুঁ চঁউখন সংবোহী সৰ্ব্বকালত জ্ঞান (মোক?) দিযে

আৰ্চ্ছহুঁ<আচ্ছহু = আছে (অস্তি + অহম্)
চউখন<চতুঃ + ক্ষণ = সৰ্ব্ব সময, সৰ্ব্বকাল
সংবোহী<সং + বোধিত = শিকায, জ্ঞান দিযে

মাঝ নিৰোহেঁ অণুঅৰ বোহী অনুত্তৰ জ্ঞান বাধাৰূপে (থাকে)।

মাঝ<মধ্য = মাজত
নিৰোহেঁ<নিৰোধে = বাধাদান কৰে
অণুঅৰ<অনুত্তৰ = অনুত্তৰ তন্ত্ৰ,
বোহী<বোধি = জ্ঞান

বিদুণাদ ণ হিঐ পইঠা শুক্ৰ নাড়ী জ্ঞান অন্তৰত প্ৰবেশ নকৰে

বিদুণাদ<বিন্দু+নাদ = বিন্দু (শুক্ৰ) + নাড়ী

ণ	=	নহয়, নেতি
হিঁঅঁ<হৃদয়	=	অন্তৰত, হৃদয়ত,
পইঠা<প্ৰবেশ্যন্তি	=	প্ৰবেশ কৰে

টিপ্পনী ঃ বিদুণাদ কোন তন্ত্ৰ অনুযায়ী অনুবাদ কৰা যায় ই এটা সমস্যাৰ বিষয় হৈ পৰে কাৰণ ৰচক কঙ্কণপাদে কোনো দিশ নিৰ্দেশক ৰাখি যোৱা নাই। কিন্তু বিন্দু ইয়াত দৈৰ্ঘ্য-বেধহীন ক্ষুদ্ৰ চিহ্ন নহয়, ই টোপাল (drop) আৰু বজ্ৰমালা গ্ৰন্থ অনুযায়ী ক্ষৰিত শুক্ৰ (প্ৰদীপদ্যোটনা গ্ৰন্থ উদ্ধৃত)। ক্ষৰিত বীৰ্য্য আৰু নাড়ীৰ উল্লেখে বুজায় কঙ্কণপাদে অনুত্তৰ তন্ত্ৰৰ মহামুদ্ৰা আচাৰ সূচাইছে য'ত বীৰ্য্য স্খলনৰ সহায়ত নাড়ী সঞ্চলিত কৰা হয় আৰু তাৰ ফলত সাধকৰ কৰুণা উপলব্ধ হয়। গীতৰ ৰচক কঙ্কণপাদে গাইছে বীৰ্য্য স্খলনৰ অভিজ্ঞতাই/অনুভূতি তেখেতৰ অন্তৰত বাধাৰ হে সৃষ্টি কৰিছে (বৌদ্ধ জ্ঞান গ্ৰহণত?)

অণ চাহন্তে আণ বিণঠা ভিন্ন বিচাৰোতে আন (বোৰ) নষ্ট

অণ	=	অন্য, ভিন্ন
চাহন্তে	=	বিচাৰোতে, বাঞ্ছা কৰোতে (চৰ্যা ৩১ৰ চাহন্তেৰ টোকা চাওক)
আণ	=	ভিন্ন
বিণঠা<বিনষ্ট	=	সৰ্ব্ব নষ্ট

টিপ্পনী ঃ ভিন্ন বিচাৰোতে আন (বোৰ) নষ্ট পদৰ অৰ্থ স্পষ্ট হয় - যে কঙ্কণপাদে যোগাচাৰ এৰি অনুত্তৰ তন্ত্ৰৰ (অণ) অভিজ্ঞতা লৈছিল। শুক্ৰ আৰু নাড়ীৰ আচাৰে তেখেতৰ আন সৰ্ব্ব জ্ঞান ধ্বংস কৰিলে আৰু তথতা হৃদয়ঙ্গম কৰাত বাধাৰ সৃষ্টি হ'ল। চাহন্তে = চাহত + অন্তে অৰ্থও প্ৰযোজ্য। তেতিয়া অৰ্থ হ'ব, এটা (সৰ্ব্বশূন্য) নষ্ট কৰিব যাওঁতে আনবোৰো নষ্ট হ'ল।

জথাঁ আইলেঁসি তথা জান যিমানলৈকে আহিছা তাকে জানা (বুজা)

জথাঁ<যথা	=	যিমানলৈ, যিমানদূৰলৈ
আইলেঁসি<আয়িত	=	আহিছা, আহি পাইছা
তথা	=	তাকে
জান<জ্ঞান	=	জানা

টিপ্পনী ঃ কঙ্কণপাদে ইযাত তন্ত্ৰ সাধকৰ সাধাৰণ এটি দোষৰ কথা উল্লেখ

কৰিছে। তন্ত্ৰ সাধকে নিজৰ আধ্যাত্মিক উন্নতিৰ ওপৰত ভিত্তি কৰিহে বহু তত্ব কথা অনুভূত হয। নিজৰ আধ্যাত্মিক স্তৰৰ উৰ্দ্ধৰ কথা বোধগম্য নহয় হেতুকে কিছুমান তন্ত্ৰ সাধকে অধৈৰ্য্য হৈ গুৰু বা সাধনা পন্থাৰ পৰিবৰ্ত্তন কৰে। কঙ্কণপাদেও নিশ্চয যোগাচাৰ পথ ত্যাগ কৰি অনুত্তৰ পন্থাৰ অভিজ্ঞতা লবলৈ গৈছিল আৰু তাত নিজে বিফল হৈ উপদেশ দিছে, এটা অৱস্থাত যি খিনি জানিলা তাকেই উপলব্ধি কৰিব চেষ্টা কৰা (যিমানলৈ আহিছা তাকেই জানা)। আধ্যাত্মিক স্তৰৰ উন্নতিৰ লগতেহে উচ্চতৰ জ্ঞান বোধগম্য হব। অন্যথায ভিন্ন পথ বিচৰাৰ ফলত থকা খিনিও বিনষ্ট হব (অণ চাহন্তে আণ বিণঠা)।

মাসঁ/মাঝে থাকী সঅল বিহণ সকলোৰে মাজত থাকিও (একো) নাই

মাসঁ/মাঝে = মধ্যত/মাঁস = তেজ মঙহৰ
থাকী = স্থিতি ৰাখি
সঅল = সকল, সৰ্ব্ব
বিহণ<অবিহন = অনুপস্থিত

টিপ্পনী ঃ কঙ্কণপাই ইযাত যোগাচাৰ তন্ত্ৰৰ মূল নীতি দোহাৰিছে - এই জগতত সকলো থাকিও একো নাই (অনিত্য আৰু পৰিবৰ্ত্তনশীল)। মাঁস শব্দ যদি মাঝেৰ সলনি পঢা যায, অৰ্থ হ'ব, তেজ মঙহৰ ব্যক্তি হৈও সকলো অনুপস্থিত। (চৰ্যা ২৩ ৰ "হণ বিণু মাঁসেৰ" টোকা চাওক)।

ভণই কঙ্কণ কলএল সাঁদে কঙ্কণে কলকল ধ্বনিৰে কয

ভণই কঙ্কণ = কঙ্কণে কয
কলএল<কলকল = কল ধ্বনিৰে, অবিৰত সুৰীযা
সাঁদে < শব্দ = শব্দৰে, ধ্বনিৰে

সৰ্ব্ব বিচুৰিল তথতা নাদেঁ সকলো চূৰ্ণ তথতা ধ্বনিৰে

সৰ্ব্ব = সকলো
বিচুৰিল<বিচূৰ্ণকৃত = গুড়ি কৰা হ'ল, চূৰ্ণ হ'ল
তথতা = বাস্তবতে যি আছে, সত্য ৰূপ
নাদেঁ = ধ্বনিত

টিপ্পনী ঃ জগতৰ সত্যৰূপ এবাৰ সাধকৰ উপলব্ধ হ'লে আন সকলো সন্দেহ সমস্যা চূৰ্ণ হৈ যাব। ইয়াৰ অৰ্থ, কঙ্কণপা পুনৰ যোগাচাৰ তন্ত্ৰৰ মূলনীতি "সংসাৰ অনিত্য" উপলব্ধি কৰিলে যাৰ ফলত তেখেতৰ সমস্ত সংশয় নিৰসন হ'ল। ◆◆

।। ৰাগ-মল্লাৰীঃ কাহ্নুপাদানাম্ ।।

মূল পাঠ	আধুনিক ভাষান্তৰ/অৰ্থ
মণ তৰু পাঞ্চ ইন্দি তসু সাহা।	মন বৃক্ষৰ পঞ্চ ইন্দ্ৰিযই শাখা
আসা বহল পাতহ বাহা।।	আশাই বহল পাত ধৰে।
বৰগুৰু বঅণে কুঠাৰেঁ চ্ছিজঅ।	শ্ৰেষ্ঠ গুৰুৰ বচণত কুঠাৰেৰে ফালা
কাহ্নু ভণই তৰু পুণ ন উইজঅ।।	কাহ্নুই কয (যাতে) সেই গছ পুনৰ নোপোজে।
বাঢই সো তৰু সুভাসুভ পাণী।	শুভ-অশুভ (চিন্তা) পানীৰে সেই গছ বাঢে
ছেবই বিদুজন গুৰু পৰিমাণী।।	বিদ্বজনে গুৰুৰ প্ৰমাণত ছেদ কৰে।
জো তৰু ছেব ভেৱউ নজাণই।	যেযে বৃক্ষ ছেদ কৰে তেওঁ ভেদ ভাব নাজানে।
সডি পডিআঁ ৰে মূঢ তা ভৱ মাণই।।	অজ্ঞই পৃথিবীলৈ সৰি পৰে।
সুন তৰুবৰ গঅণ কুঠাৰ।	মন শূন্য তৰু, বিশুদ্ধচক্ৰ কুঠাৰ
ছেবহ সো তৰু মূল ন ডাল।।	কাটা গছদাল, যাতে ডাল মূল নাথাকে।

টিপ্পনী ঃ বৰ্তমান চৰ্যাগীতটি 'যোগাচাৰী কাহ্নুপাৰ আৰু এটি গতানুগতিক যোগাচাৰ তন্ত্ৰৰ শূন্যবাদ সমৰ্থনত লিখা গীত। মানুহৰ মন বৃক্ষ সদৃশ, ইন্দ্ৰিয তাৰ ডাল, আশা তাৰ বহল পাত। বিদ্যাজনে শ্ৰেষ্ঠ গুৰুৰ উপদেশ অনুসৰি সেই মনৰূপী গছ কাটি পেলায যাতে তাৰ ডাল - মূলো নাথাকে। কাহ্নুপাই কয এই কাৰ্য্যত সাধকৰ কণ্ঠত স্থিত গগন চক্ৰ বা বিশুদ্ধ চক্ৰই কুঠাৰৰ কাম কৰিব।

মণ তৰু পাঞ্চ ইন্দি তসু সাহা — মন বৃক্ষৰ পঞ্চেন্দ্ৰিযই শাখা

মণ তৰু = মানস তৰু সদৃশ
পাঞ্চ ইন্দি = পঞ্চেন্দ্ৰিয (চক্ষু, কৰ্ণ, জিহ্বা, নাসিকা ত্বক)
তসু সাহা = তাৰ শাখা, তাৰ ডাল

আসা বহল পাতহ বাহা — **আশাই বহল পাত ধৰে**

আসা = আশা

বহল<বহুল = বিস্তীর্ণ, ব্যাপ্ত
পাতহ<পত্র = পাত
বাহা<বহন = ধৰে, ধৰি ৰাখে

বৰগুৰু বঅণে কুঠাৰেঁ চ্ছিজঅ **শ্ৰেষ্ঠ গুৰুৰ বচনত কুঠাৰেৰে ফালা**

বৰ গুৰু = ডাঙৰ গুৰু, শ্ৰেষ্ঠ গুৰু
বঅণে<বচনে = কথা মতে, উপদেশ মতে
কুঠাৰে<কুঠাটঙ্ক = পৰশু, কুঠাৰ
চ্ছিজঅ<চ্ছিডয = ফালা, কাটা

টিপ্পনী ঃ ইযাত শ্ৰেষ্ঠ গুৰুৰ উপদেশক কুঠাৰৰ লগত তুলনা কৰা হৈছে। মনক মোহ বৃক্ষ বোলাটো সেই কালত জনপ্ৰিয় উপমা আছিল (ফাড্ডিঅ মোহ তৰু পটি জোড়িঅ - চৰ্যা নং ৫) যাৰ উদাহৰণ ভগৱদ্‌গীতাতো পোৱা যায়।

কাহ্নু ভণই তৰু পুণ ন উইজঅ **কাহ্নুই কয় তৰু (যেন) পুনৰ নোপোজে**

কাহ্নু ভণই = কাহ্নুৱে কয
তৰু = বৃক্ষ, মন তৰু
পুণ<পুনঃ = আকৌ এবাৰ পুনৰ বাৰ
ন = নহয়, নেতি
উইজঅ<উপজাতি = ওপজে, সৃষ্ট হয, উৎপন্ন হয়

বাঢ়ই সো তৰু সুভাসুভ পাণী **শুভ-অশুভ চিন্তাত (পানী) সেই গছ বাঢে**

বাঢ়ই <বৰ্দ্ধন = বৃদ্ধি হয়, বাঢ়ে
সো তৰু = সেই গছ (মানস)
সুভাসুভ = শুভ-অশুভ চিন্তা
পাণী = জল

টিপ্পনী ঃ বৃক্ষৰ বৃদ্ধিৰ বাবে যিদৰে পানীৰ প্ৰয়োজন, মানসিক অশান্তি বৃদ্ধিৰ বাবে প্ৰযোজন শুভ-অশুভ ভাব। ইটো ভাল সিটো বেয়া, প্ৰাপ্তি - অপ্ৰাপ্তি আদি চিন্তাই ব্যথিত মানসক ক্ৰমাৎ কু প্ৰভাৱশালী কৰি তোলে। শুভ - অশুভ জ্ঞানৰ অভাৱত, জলহীন বৃক্ষৰ দৰে চিত্তৰ অহংভাবো ক্ৰমাৎ লেৰেলি যায়।

ছেৱই বিদুজন গুৰু পৰিমাণী **বিদ্যজনে প্ৰমাণিত গুৰুৰ (তত্ত্বজ্ঞানত) ছেদ কৰে**

ছেৱই<ছেদয়তি = ছেদন কৰে, কাটে

বিদুজন<বিদ্য জন	=	বোধ সম্পন্ন জনে, জ্ঞানী জনে
গুৰু	=	গুৰু শিক্ষক
পৰিমাণী<পৰমাণী<প্ৰমাণী	=	প্ৰমাণপ্ৰাপ্ত ফলদায়ক

টিপ্পনী : বিদ্যজনে প্ৰমাণপ্ৰাপ্ত (proven) গুৰুৰ তত্বাবধানত মানস বা চিত্ত বৃক্ষ ছেদ কৰে।

জো তৰু ছেব ভেৱউ নজাণই যোযে বৃক্ষ ছেদ কৰে তেও ভেদ নাজানে

জো	=	যেযে
তৰু	=	বৃক্ষ
ছেব<ছেদ	=	ছেদ কৰে কাটে
ভেৱউ<ভেদ	=	ভিন্নতা, ভেদ
নজাণই	=	নাজানে, অজ্ঞাত

টিপ্পনী : ইযাত কাহ্নুপাই যোগাচাৰৰ মূল নীতি দোহাৰিছে । এবাৰ চিত্ত বৃক্ষ (মানস + বুদ্ধি + অহংকাৰ)ধ্বংস (নিযন্ত্ৰণ) কৰিব পাৰিলে জন্ম - মৃত্যু, অস্তিত্ব - অনস্তিত্ব, গমন-আগমনৰ পাৰ্থক্য মনৰ পৰা লোপ পায।

সড়ি পড়িআঁ বে মূঢ় তা ভৱ মাণই মূঢ়ই জগতলৈ সৰি পৰে

সড়ি<সৰণ	=	গমন কৰ (তললৈ)
পড়িআঁ<পতন	=	নিম্ন গমন, পৰণ
মূঢ়	=	বোধহীন, মূৰ্খ
তা	=	এই
ভৱ	=	জগৎ, পৃথিবী

টিপ্পনী : 'মূঢ়ই জগতলৈ সৰি পৰেৰ' দ্বাৰা কাহ্নুপাই বুজাইছে - বোধহীন সকলে, যি সকলে চিত্ত বৃক্ষ ছেদ কৰিব নোৱাৰে বা নকৰে তেওঁলোকে এই পৃথিবীত পুনৰ জন্ম লব লাগিব। দেহহীন আত্মা আকাশৰ পৰা পুনৰ পৃথিবীলৈ ঘূৰি আহিব লাগিব, যি সৰি পৰাৰ সদৃশ। 'মাণই' শব্দটো বাস্তৱতে ইযাৰ পিচৰ পদৰ শব্দ, 'নজানইৰ লগত ছন্দ মিলাবৰ বাবে তাক ওপৰৰ পদলৈ অনা হৈছে

(মাণই) সুন তৰুবৰ গঅণ কুঠাৰ বিশুদ্ধ চক্ৰই চিত্তবৃত্তি গছ কাটি শূন্যতা (সৃষ্টিৰ) অস্ত্ৰ

মাণই<মানস	=	চিত্তবৃত্তি

সুন শূন্য	=	শূন্যবোধ
তৰুবৰ	=	বৃহৎ বৃক্ষ
গঅণ গগন	=	আকাশ বিশুদ্ধ চক্র (শূন্যতাবোধৰ স্থান)
কুঠাৰ	=	গছ কটা অস্ত্র বিশেষ

টিপ্পনী ঃ গঅণ বা গগন সাধকৰ কণ্ঠত থকা বিশুদ্ধ চক্র। হিন্দু আৰু বৌদ্ধ তন্ত্রমতে জপ আৰু প্রাণায়ামৰ দ্বাৰা সাধকে অনুভূতি সমূহক কণ্ঠ চক্রতে শূন্যভাবলৈ ৰূপান্তৰিত কৰে। ইয়াত কাহ্নুপাই গাইছে বিশুদ্ধ চক্রক' অস্ত্ৰৰূপে লৈ মানস বৃক্ষক ছেদ কৰি শূন্যলৈ পৰিবৰ্ত্তিত কৰা।

ছেবহ সো তৰ মূল ন ডাল   শিপা শাখা নথকাকৈ সেই বৃক্ষ ছেদ কৰা

ছেবহ	=	ছেদ কৰা
সো তৰু	=	সেই গছ
মূল ন ডাল	–	শিপা শাখা নথকাকৈ

টিপ্পনী ঃ ' ছেবহ সো তৰু মূল ন ডাল" বাক্যই সাধকৰ মানসক পুলিযে পোখাই বিনষ্ট কৰিব উপদেশ দিছে যাতে ই ভৱিষ্যতে আৰু গজালি মেলিব নোৱাৰে। এই চযাৰ বচন ভগবদগীতাৰ অধ্যায ১৫ শ্লোক ৩ 'অশ্বত্থমেনং সবিৰূঢমূলম অসংগশস্ত্ৰেণ দৃঢেন ছিত্বা।।" ৰ সৈতে সম্পূৰ্ণ একে। ◆◆

৪৬

।। ৰাগ-শবৰী ঃ জযনন্দী পাদানাম্।।

মূল পাঠ	আধুনিক ভাষান্তৰ/অৰ্থ
পেখ সুঅণে অদশ জইসা।	অদৃশ্য শূন্য (মই) যিদৰে দেখো
অন্তৰালে মোহ তইসা।।	আবুৰত থকা মোহৰ দৰেই।
মোহ বিমুক্কা জই মণা।	মন যেতিয়া মোহ বিমুক্ত
তবেঁ টুটই অৱণা-গমণা।।	আগমন-গমন (জন্ম-মৃত্যু) তেতিয়া বিনষ্ট হয।
নৌ দাটই নৌ তিমই ন চ্ছিজই।	(সি) নোপোৰে, নিতিতেও, নাফালেও।
পেখ মাআ মোহে বলি বলি বাঝই।।	চোৱা, মায়া মোহে বাৰে বাৰে বাধাৰ সৃষ্টি কৰে।
ছাঅ মাআ কাঅ সমাণা।	মাযা আৰু দেহ দুযোটাই ছাযা সদৃশ
বেণি পাখেঁ সোই বিণাণা।	(কাযা মাযা) অস্তিত্বহীন দিশ সেযাই পৰম জ্ঞান।

চিঅ তথতা-স্বভাৱে ষোহিঅ।	হে যোগী, চিত্তই স্বভাৱ বসতঃ তথতা (বুজে)
ভণই জঅনন্দি ফুড অণ ণ হোই।।	জয়নন্দীয়ে কয়, ই আনৰূপত প্ৰকাশ নহয়।

টিপ্পনী : জয়নন্দীপাদৰ বৰ্ত্তমান চৰ্যা যোগাচাৰ তন্ত্ৰৰ ঔদাস্য আৰু মোহহীনতাৰ দৰ্শনৰ সমৰ্থন কৰি লিখা গীত। আদিতে শূন্যভাৱ আৰু মোহ ব্যক্তিৰ মনত সমভাৱেই থাকে। মোহ বিমুক্ত মনৰ ব্যক্তিয়েহে জন্ম-মৃত্যুৰ চক্ৰৰ পৰা ওলাই আহিব পাৰে। মায়া আৰু মোহ পোৰাও নাযায, কটাও নাযায (আঁতৰ কৰা উজু নহয)। দৈহিক আৰু মানসিক আকৰ্ষণ সমভাৱেই মনত থাকে। সমতাভাৱ অৰ্থাৎ মানসিক ভাৱসাম্যই বিজ্ঞান বা গূঢ় সত্য। চিত্তই স্বাভাৱিক ভাৱেই তথতা (realitv) বুজে। ইয়াৰ বাদে আন ৰূপে (ধৰ্ম্ম) প্ৰকাশ নহয।

পেখু সুঅণে অদশ জইসা	অদৃশ্য শূন্য মই যিদৰে দেখো

পেখু<প্ৰেক্ষ	=	দেখো
সুঅণে<শূন্য	=	অস্তিত্বহীনতা
অদশ<অদৰ্শ	=	অদৃশ্য, নেদেখা
জইসা	=	যি দৰে

অন্তৰালে মোহ তইসা	আবুৰত থকা মোহৰ দৰেই

অন্তৰালে	=	আবুৰত, ঢাকি থোৱা
মোহ	=	ভ্ৰান্তিজনিত আকৰ্ষণ
তইসা<তাদৃশ	=	তেনে, তেনেকুৱা

টিপ্পনী : শূন্যভাৱ চক্ষুৰদ্বাৰা দৃষ্টি সম্ভৱ নহয, কিন্তু সাধকে মনৰ ভিতৰত তাৰ অস্তিত্ব অনুভৱ কৰে (পেখু)। জয়নন্দী পাদে কৈছে মায়া মোহো তেনেকৈয়ে মনৰ ভিতৰত লুকাই থাকে।

মোহ বিমুক্কা জই মণা	মন যেতিয়া মোহ বিমুক্ত

মোহ	=	অজ্ঞতাজনিত আকৰ্ষণ
বিমুক্কা<বিমুক্ত	=	পৰিত্যক্ত, মুক্তিপ্ৰাপ্ত
জই	=	যেতিয়া, যদি
মণা	=	মন, মানস

তবেঁ তুটই অৱণা গমণা	আগমন গমন (জন্ম-মৃত্যু) তেতিয়া বিনষ্ট হয়।

তবেঁ	=	তেতিয়া

তুটই < ত্রুটাতে = ভাঙি যায় ধ্বংস হয়

অবণা গমণা < আগমন গমন = অহা যোৱা (জন্ম মৃত্যু)

টিপ্পনী ঃ সাধকৰ মন যেতিয়া মোহ বিমুক্ত হ'ব তেতিয়াহে এই সংসাৰলৈ অহা -যোৱা অৰ্থাৎ জন্ম মৃত্যু চক্ৰৰ পৰা নিস্তাৰ পাব।

নৌ দাটই নৌ তিমই ন চ্ছিজই (চি) [illegible] নিতিতেও নাফাটেও

নৌ = নহয়

দাটই < দাহ্যতে = [illegible] দাহ [illegible]

নৌ = নহয়

তিমই < তিম্যতে = [illegible] উঠে ভিজে জলসিক্ত হয়

ন = নহয়, নেতি

চ্ছিজই < ছিদ্যাতে = ছিঙে ফাটে ছিৰে

পেখ মাআ মোহে বলি বলি বাঝই চোৱা মায়া মোহে বাৰে বাৰে বাধাৰ সৃষ্টি কৰে

পেখ = চোৱা

মাআ = মায়া

মোহে = মোহে ভ্ৰান্ত আৱৰণে

বলি বলি = বাৰে বাৰে

বাঝই [illegible] = [illegible] দিয়ে [illegible]

ছাঅ মাআ কাঅ সমাণা মায়া আৰু দেহ (কায়া) দুইটা [illegible] ছা [illegible] (আকাৰে)।

ছাঅ = ছায়া

মাআ < মায়া = [illegible]

কাঅ < কায়া — দেহ শৰীৰ

সমাণা [illegible]

[illegible] বিণাণা [illegible]

[illegible] — [illegible]

[illegible] — [illegible]

সেই — [illegible]

বিণাণা [illegible] [illegible]

টিপ্পনী ঃ ইয়াত গভীৰ দাৰ্শনিক তত্ত্ব এটি লুকাই আছে-কায়া বা দেহ

বস্তুভিত্তিক (substantial), মাযা মনঃভিত্তিক অৰ্থাৎ বায়বীয (etheral)। জয়নন্দীপাই পাইছে, দুযোটাই সমানে অস্তিত্বহীন (সাময়িক বা নশ্বৰ) এযাই বিজ্ঞান (তত্ব)।

চিঅ তথতা স্বভাবে যোহিঅ হে যোগী চিত্তই স্বভাব বশতঃ তথতা (বুজে)

চিঅ	=	চিত্ত
তথতা	=	বাস্তবতে যিসেই জ্ঞান (reality)
স্বভাৱে	=	স্বভাৱ বশতঃ, প্ৰকৃতিগত
যোহিঅ<যোগিঅ	=	যোগী, সাধক

ভণই জঅনন্দি ফুড অণ ণহোই জযনন্দীযে কয ই আনৰূপত প্ৰকাশ নহয

ভণই জঅনন্দি	=	জযনন্দীযে কয
ফুড< স্ফুৰিত	=	প্ৰকাশিত
অণ<অন্য	=	আন, বিকল্প
ণ হোই	=	নহয নঘটে

টিপ্পনী ঃ চিত্তই যেতিযালৈকে স্বতঃস্ফুৰ্ত্তভাৱে উপলব্ধি নকৰে কাযা আৰু মাযা দুযোটাই অস্তিত্বহীন, তথতা (reality) আনৰূপত প্ৰকাশ নাপায।◆

৪৭

।। ৰাগ - গুঞ্জৰী ঃ ধামপাদানাম্।।

মূলপাঠ	আধুনিক ভাষান্তৰ/অৰ্থ
কমল কুলিশ মাঝেঁ ভইঅ মিঅলী।	প্ৰকৃতি আৰু পুৰুষ মিশ্ৰিত হ'ল।
সমতা জোঁএ জলিঅ চণ্ডালী।।	সমতা যোগেৰে চণ্ডালী (প্ৰভেদজ্ঞান) জলোৱা।
ডাহ ডোম্বী ঘৰে লাগেলি আগি।	পোৰা, দেহত জুই লাগিছে ডোম্বী।
সসহৰ লই বিঞ্চহুঁ পাণী।।	চন্দ্ৰমণ্ডল উদ্দেশ্যে প্ৰাণবাৰী প্ৰবাহিত কৰো।
নউ খৰ জ্বালা ধূম ণ দিশই।	তীব্ৰ দহন নাই, ধোঁৱাও নেদেখি
মেৰু শিখৰ লই গঅণ পইসই।।	মেৰু শিখৰ পৰ্য্যন্ত শূন্য পায়গৈ।
দাঢই হৰিহৰ বাহ্ম ভৰা।	ললনা ৰসনা দগ্ধ কৰ, অৱধূতীকা পূৰ্ণকৰ।
ফীট্টা হই ণৱগুণ শাসন-পডা।।	নটা গুণ নিয়ন্ত্ৰণৰ পৰা মুক্ত হয়।

ভণই ধাম ফুড লেহুৰে জাণী।	ধৰ্ম্মপাদে কয়, জ্ঞানী সকলে স্বীকাৰ কৰা
পঞ্চ নালেঁ উঠি গেল পাণী।।	পাচনাল নালীৰে জীৱন ৰস ওপৰলৈ গ'ল।

টিপ্পনী ঃ ধামপাদ বা ধৰ্ম্মপাদৰ চৰ্যা গীতটি অনুত্তৰ তন্ত্ৰৰ সমস্ত সাধনা পদ্ধতি থোৰতে বৰ্ণনা কৰিছে, সেযেহে বৌদ্ধ তন্ত্ৰৰ প্ৰতিটো শাখাৰে সাধনা পদ্ধতি বিতংভাৱে নাজানিলে ইয়াক বুজোৱাটো আৰু বুজাটো কঠিন। দ্বিতীয়তে এই চৰ্যাত ব্যৱহৃত কিছুমান শব্দ যেনে "হৰিহৰ বান্ধ" একাধিক অৰ্থৎ ব্যৱহৃত হ'ব পাৰে। তদুপৰি আন কিছুমান শব্দ প্ৰয়োগ যেনে " কমল কুলিশ" পূৰ্ব্বৰ আন চৰ্যাৰ প্ৰযোগতকৈ পৃথক। গুণ্ডৰীপাদৰ চৰ্যাত (নং ৪) কমল- কুলিশ (পদ্ম- বজ্ৰ) যোগে মাযা আৰু হিংসা দূৰ কৰণৰ কথা কৈছে, বৰ্ত্তমান চৰ্যাত কমল- কুলিশ (পদ্ম - বজ্ৰ) সাধিকা আৰু সাধকৰ তন্ত্ৰ ঘটিত দৈহিক মিলনৰ কথা সূচাইছে।

ধৰ্ম্মপাদে অনুত্তৰ তন্ত্ৰৰ সৰ্ব্বোচ্চ অভিষেক, কলশ অভিষেকৰ মহামুদ্ৰা যৌনাচাৰেৰে গীতটি আৰম্ভ কৰিছে আৰু ক্ৰমাৎ যোগাচাৰ, চৰ্য্যা তন্ত্ৰ আৰু ক্ৰিযা তন্ত্ৰৰ সাধনা পদ্ধতি উল্লেখ কৰি শেষত কৈছে পাঁচোটা শক্তি প্ৰবাহ পথ পূৰ্ণৰূপে ব্যৱহাৰ কৰিলেহে সাধকৰ মন ন টা সংস্কাৰ মুক্ত হ'ব আৰু প্ৰকৃত জ্ঞান সাধকৰ স্ফুৰিত হ'ব।

কমল কুলিশ মাঝেঁ ভইঅ মিঅলী	প্ৰকৃতি আৰু পুৰুষ মিশ্ৰিত হ'ল

কমল	=	পদ্ম, পদুম। বৌদ্ধ তন্ত্ৰত স্ত্ৰী, প্ৰকৃতি বা প্ৰজ্ঞা
কুলিশ	=	বজ্ৰ, হীৰা। পুৰুষ, উপায
ভইঅ<ভব	=	হ'ল
মিঅলী<মিশ্ৰিত	=	মিহলি

টিপ্পনী ঃ প্ৰজ্ঞা, প্ৰকৃতি অৰ্থাৎ স্ত্ৰী শক্তি আৰু উপায বা পুৰুষ শক্তি মিশ্ৰিত হ'ল। ধৰ্ম্মপাদে অনুত্তৰ তন্ত্ৰৰ সৰ্ব্বোচ্চ অভিষেক কলশ অভিষেকৰ, বীৰ্য্যক কণ্ঠত স্থাপন কৰা আচাৰ 'মহামুদ্ৰা' যৌনাচাৰৰ কথা উল্লেখ কৰিছে। এই আচাৰ প্ৰাপ্তিৰ পূৰ্বৰ এটা এটা কৈ সাধনা পদ্ধতি স্তৰে স্তৰে গাই গৈছে।

সমতা - জোঁএ জলিঅ চণ্ডালী	সমতা যোগেৰে চণ্ডালী (প্ৰভেদ জ্ঞান) জলোৱা

সমতা	=	সম ভাৱ (equality)
জোঁএ	=	যোগ, সাধনা পদ্ধতি
জলিঅ<জ্বলিত	=	দাহ কৰা, পোৰা
চণ্ডালী	=	প্ৰাণাযামৰ চণ্ডালী বাযুৰ দ্বাৰা, চণ্ডযোগৰ দ্বাৰা

টিপ্পনী ঃ ইযাত ধৰ্ম্মপাদে মহাযান ধাৰাৰ মন্ত্ৰযান উপধাৰাৰ অন্যতম মূল গ্ৰন্থ 'তত্ব সংগ্ৰহ' যাৰ এজন লিখক বুদ্ধগুহ্য হব পাৰে আৰু তেখেতৰ শিষ্য পদ্মবজ্ৰ দ্বাৰা বিস্তাৰিত ব্যাখ্যা পোৱা যায, 'সমতা' তাৰেই উল্লেখ কৰিছে। সমতাজ্ঞান (equality of knowledge) দ্বিতীয অভিসম্বোধি (জ্ঞানৰ দ্বিতীয স্তৰ) যাৰ অধিকাৰী ৰত্নসম্ভৱ আৰু এই জ্ঞান প্ৰভেদজ্ঞানৰ (discriminatory knowledge) উৰ্দ্ধৰ জ্ঞান। মন্ত্ৰযানত (চৰ্য্যা) সমতা জ্ঞান পূৰ্ণ চন্দ্ৰবৎ, শূন্যতা জ্ঞান "ধ্যানৰ দ্বাৰা উপলব্ধি কৰিবলৈ উপদেশ দিয়া হয় কিন্তু ইয়াত ধৰ্ম্মপাদে চণ্ডালী প্ৰাণাযামৰ দ্বাৰা সমতা উপলব্ধি কৰিবলৈ কৈছে। চণ্ডালী ব্যৱহাৰ হয চৰ্য্যা তন্ত্ৰ আৰু নিম্ন যোগাচাৰ তন্ত্ৰত।

চণ্ডালী শব্দ চণ্ড অৰ্থাৎ জুই শব্দৰ পৰা উদ্ভূত হিন্দু আৰু বৌদ্ধ তন্ত্ৰত এই প্ৰাণাযামৰ দ্বাৰা দেহত জুই জ্বলাৰ দৰে অনুভূতি আৰু দেহ উত্তাপৰ অত্যন্ত বৃদ্ধি হয বুলি বৰ্ণিত। মানসিক আৰু আধ্যাত্মিক ফল স্বৰূপে ইযাৰ দ্বাৰা সাধকৰ অহং বা আত্মভাব লোপ পায বুলি বিশ্বাস কৰা হয । Alexandra David Neel প্ৰণীত-Magic and mystery in Tibet (Harper collins 1993 - First impression 1967) গ্ৰন্থ অনুযাযী ই তিব্বতীয টুমো (gtumo) সাধনাৰ সমপৰ্যাযী য'ত সাধকৰ দেহউত্তাপ অত্যধিক বৃদ্ধি পায। ভাৰতীয হিন্দু প্ৰাণাযামৰ ভস্ত্ৰিকা প্ৰাণাযাম ইযাৰ সমধৰ্ম্মী। যোগিনী তন্ত্ৰত দেৱী চণ্ডীযে অগ্নিৰূপত মহাদেৱৰ সৰ্ব্ব অহঙ্কাৰ ভস্মিভূত কৰাৰ বৰ্ণনা পোৱা যায। ধৰ্ম্মপাদে চণ্ডালী প্ৰাণাযামৰ দ্বাৰা সাধকক প্ৰভেদ জ্ঞান জ্বলাই সমতা জ্ঞান আনিবলৈ পথ নিৰ্দ্দেশ দিছে।

ডাহ ডোম্বী ঘৰে লাগেলি আগি পোৱা, দেহত জুই জলিছে ডোম্বী

ডাহ<দহন	=	পুৰি পেলা
ডোম্বী	=	ডোম্বী প্ৰাণাযাম
ঘৰে<গৃহ	=	সাধকৰ দেহ
লাগেলি	=	লাগিলে
আগি<অগ্নি	=	জুই

টিপ্পনী ঃ ডোম্বী প্ৰাণাযামে সাধকৰ আত্মসত্বা জ্বলাই পেলালে (ডোম্বী প্ৰাণায়ামৰ ওপৰত টোকা চৰ্যা নং ১০ৰ লগত চাওক)। ই উচ্চ যোগ আৰু নিম্ন অনুত্তৰ যোগ তন্ত্ৰৰ প্ৰাণাযাম। ইয়াৰ সহায়ত সাধকে সৰ্ব্বশূন্য ভাৱ উপলব্ধি কৰে। সাধাৰণতে 'ডোম্বী' সাধনা চণ্ডালীৰ পিচত কৰা হয, কিন্তু ধৰ্ম্মপাদে

কিয় চণ্ডালীক উচ্চতৰ স্থানলৈ নিলে বুজা নাযায়। অনুত্তৰ তন্ত্ৰত পুক্কশী শবৰী- চণ্ডালী- ডোম্বী - সহজ ক্ৰমত সাধকে উত্তৰোত্তৰ গূঢ়তৰ সাধনাত লিপ্ত হয়।

সসহৰ লই ষিঞ্চহুঁ পাণী চন্দ্ৰমণ্ডল উদ্দেশ্যে প্ৰাণবাৰী প্ৰবাহিত কৰে,

সসহৰ<শশধৰ	=	চন্দ্ৰ, তন্ত্ৰত চন্দ্ৰমণ্ডল
লই	=	লৈ উদ্দেশ্যে
ষিঞ্চহুঁ<সিঞ্চণ	=	সিচা, জল প্ৰবাহ কৃত
পাণী	=	জল, জৈৱ ৰস, প্ৰাণ বাৰী

টিপ্পনী ঃ ধৰ্ম্মপাদৰ বৰ্ত্তমান পদ বুজিবলৈ বিৰুৱাপাদৰ চৰ্যাৰ (নং ৩) টীকা ভাষ্য চাওক। অন্ন জঠৰত, সূৰ্য্য মণ্ডলত জৈৱ ৰসত পৰিবৰ্ত্তিত হোৱাৰ পিচত শক্তিৰ এটা অংশ হৃদযৰ অনাহত চক্ৰত আবেগ বা অনুভূতিলৈ ৰূপান্তৰিত হয়। প্ৰধান অনুভূতি কণ্ঠৰ বিশুদ্ধ চক্ৰত শূন্যলৈ পৰ্য্যবসিত হলেহে চন্দ্ৰমণ্ডলৰ (মস্তিষ্কৰ) আজ্ঞা চক্ৰ (হিন্দু মতে সহস্ৰাৰ) পাব পাৰে। এই কাৰ্য্যক বৌদ্ধ তন্ত্ৰৰ প্ৰাধান্য দিযে ঘাইকে চৰ্য্যা তন্ত্ৰই। আকাশত পূৰ্ণ চন্দ্ৰ কল্পনা কৰি তাত ইষ্ট দেৱতাৰ ৰূপ দৰ্শন কৰাটো সাধনাৰ এটা অঙ্গ (চৰ্যা নং ৮ চাওক)। ইষ্টদেৱতাক (বজ্ৰসত্ব) চন্দ্ৰ মণ্ডল সৈতে আনি হৃদযত স্থিত কৰিব লাগে। এই দেৱতাক হৃদযতে নোহোৱা কৰিহে অন্তৰলৈ শূন্য ভাৱ অনাটো সম্ভৱ বুলি অনুত্তৰ আৰু যোগাচাৰ তন্ত্ৰই স্বীকাৰ কৰে (voidness of deity)। ইষ্ট দেৱতা কেনেকৈ নোহোৱা হয আৰু শূন্য ভাৱৰ উদ্ভৱ হয় তাক কৈছে ইযাৰ পিচৰ শাৰীত।

নউ খৰ জালা ধূম ণ দিশই তীব্ৰ দহন নাই, ধোৱাঁও নেদেখি

নউ<ন	=	নাই, নেতি
খৰ	=	তীব্ৰতা
জালা<জ্বালা	=	জলন, পোৰণ, দহন
ধূম<ধূম্ৰ	=	ধোৱাঁ
ণ	=	নাই, নেতি
দিশই<দৃশ	=	দেখে

টিপ্পনী ঃ সাধকৰ, ইষ্ট দেৱতা আৰু দেৱতা সংযোগ মনৰ পৰা লাহে লাহে নোহোৱা হৈ যাব। ইষ্টদেৱ মচ খাই যোৱাৰ দাৰ্শনিক অৰ্থ " সাধকৰ

ভক্তিভাবৰ পৰা শূন্য ভাৱলৈ মানসিক পৰিবৰ্ত্তন।" সাধনাৰ কাৰিকৰী দিশত ৰূপ ধ্যানৰ পৰা শূন্য ধ্যান লৈ মনৰ পৰি গমন আৰু চৰ্য্যাতন্ত্ৰৰ পৰা যোগাচাৰ তন্ত্ৰলৈ পদক্ষেপ। এই পৰিবৰ্ত্তন অতি ধীৰ আৰু ইযাত সাধকৰ মানসিক বিক্ষেপ বা আলোড়ন দৃষ্ট নহয (তীব্ৰ দহন বা ধোৱাঁ নেদেখি, যিটো চণ্ড যোগত হয)।

মেৰু শিখৰ লই গঅণ পইসই মেৰু শৃঙ্গলৈ শূন্য সোমায

মেৰু	=	মেৰু পৰ্বৃত/মেৰু দণ্ড
শিখৰ	=	শৃঙ্গ/উচ্চতম অন্ত
লই	=	লৈ
গঅণ< গগন	=	আকাশ, শূন্যভাৱ
পইসই< প্ৰবিশতি	=	সোমায

টিপ্পনী ঃ বৰ্ত্তমান শাৰী পদত ধৰ্ম্মপাদে মেৰু শিখৰ দ্বাৰা সাধকৰ মেৰুদণ্ডৰ শীৰ্ষ, য'ত চন্দ্ৰ মণ্ডল অৰ্থাৎ ভাৱ ৰাজ্যৰ আৰম্ভ বুলি কল্পনা কৰা হয তাকে সূচাইছে। ইষ্টদেৱতা দহনৰ পিচতহে সাধকৰ ভাৱ ৰাজ্যত শূন্যবোধে ঠাই পাব।

দাঢই হৰিহৰ বাম্ভ ভৰা ললনা ৰসনা দগ্ধ কৰ, অৱধূতীকা পূৰ্ণ কৰা

দাঢই<দাহযতি	=	দগ্ধ কৰ
হৰিহৰ	=	ললনা ৰসনা
বাম্ভ<ব্ৰাহ্মণী	=	অৱধূতিকা
ভৰা	=	পূৰ্ণ কৰ

টিপ্পনী ঃ আদি ভাষ্যকাৰ মুনিদত্তই বাম্ভৰ অৰ্থ - বিটনাডী, হৰি = মূত্ৰ নাডী আৰু হৰ = শুক্ৰ নাডী বুলি উল্লেখ কৰিছে (বাম্ভেতি সন্ধ্যাবচনেন বিটনাডিকা বোধব্যা। হৰিৰতি। মূত্ৰ নাডী। হৰ ইতি শুক্ৰ নাডিকা এতা দগ্ধা।) যি গ্ৰহণ কৰিবলৈ কঠিন। মধ্যযুগৰ ভাৰতবৰ্ষৰ সংস্কৃত সাহিত্যত 'হৰি হৰ ব্ৰহ্মা' শব্দই সম্পূৰ্ণতা বুজাইছিল যিহেতু ই সৃষ্টি, স্থিতি, হৰণ সূচাইছিল। ভাৰতীয জ্যোতিষত হৰিহৰ ব্ৰহ্ম নামৰ এটা গ্ৰহ যোগেই আছে (জাতক পাৰিজাত বৈদ্যনাথ দিক্ষীত)। কিন্তু বৰ্ত্তমান ক্ষেত্ৰত হৰি আৰু হৰক দাহ কৰিব কৈছে আৰু বাম্ভক পূৰণ কৰিব উপদেশ দিছে। ই দেখ দেখ ক্ৰিযা তন্ত্ৰৰ প্ৰাথমিক প্ৰাণাযামৰ সাধনা পদ্ধতি। প্ৰাণবাযুক নিযন্ত্ৰণহীন ভাৱে ললনা, ৰসনা দুই নাডীত বিচৰণ কৰিব নিদি তাক অৱধূতিকা বা ব্ৰাহ্মণ নাডীত পূৰণ

কৰি তাতেই স্থিৰ কৰিব লাগে। ইযাত ধৰ্ম্মপাদে স্পষ্টকৈ ক্ৰিষা তন্ত্ৰৰ প্ৰাথমিক পদক্ষেপ প্ৰাণাযাম ৰেচক- পূৰক- কুম্ভকেৰে সাধনা আৰম্ভ কৰিব উপদেশ দিছে। ইযাৰ ফল স্বৰূপে সাধকে পাব—

ফীটা হই ণৱগুণ শাসন পড়া নটা গুণ নিযন্ত্ৰণৰ পৰা মুক্ত হয

ফীটা<ফিট্ট	=	খুলি যায, মুক্ত
হই	=	হয
ণৱ গুণ	=	নটা গুণ
শাসন	=	নিযন্ত্ৰণ
পডা<পতিত?	=	পতিত, পৰা

টিপ্পনী ঃ মুনিদত্তই নটা গুণক প্ৰাণাযামৰ ন বিধ পৱন বুলি বৰ্ণনা কৰিছে কিন্তু শাস্ত্ৰ আৰু প্ৰাণাযাম দুযোটাৰ উল্লেখ নথকাত কি ভিত্তিত নটা পৱন পালে তাক বুজা নাযায। সেকোদ্দেশ টীকাত নৱোপাই পঞ্চবাযুৰ বা পৱনৰ উল্লেখ কৰিছে। নৱ গুণ সম্ভৱতঃ হিন্দুৰ নৱ ইষ্টদেৱতা (ব্ৰহ্মা, অগ্নি, সূৰ্য্য, সোমা, ৰুদ্ৰ, ব্ৰহ্মা, বাযু, বৰুণ, আৰু বিষ্ণু) অৰ্থাৎ ইষ্ট দেৱতাৰ নিযন্ত্ৰণ সূচাইছে (ক্ৰিযা-চৰ্য্যাত ইষ্ট দেৱতাক স্বীকৃতি দিযা হয। যোগাচাৰ আৰু অনুত্তৰ তন্ত্ৰত ইষ্ট দেৱতাৰ ভূমিকা মধ্য ভাগতে শেষ হয, অন্তলৈ নাথাকে)।

ভণই ধাম ফুড লেহুৰে জাণী ধৰ্ম্মপাদে কয জ্ঞানী সকলে স্বীকাৰ কৰা

ভণই ধাম	=	ধৰ্ম্মপাদে কয
ফুড< স্ফুটিট	=	প্ৰকাশিত, প্ৰকাশপ্ৰাপ্ত
লেহুৰে	=	গ্ৰহণ কৰা, স্বীকাৰ কৰা
জাণী	=	জ্ঞানী

পঞ্চ নালেঁ উঠি গেল পাণী পাচ দাল নালীৰে জীৱন ৰস ওপৰলৈ গ'ল।

পঞ্চ নালেঁ	=	পাঁচ দাল নলীৰে
উঠি গেল	=	ওপৰলৈ গ'ল
পাণী	=	জীৱন ৰস

টিপ্পনী ঃ বৌদ্ধ তন্ত্ৰ, বিশেষকৈ অনুত্তৰ তন্ত্ৰৰ সাধনাৰ কাৰিকৰী-দাৰ্শনিক দিশ সম্বন্ধে অজ্ঞ লোকক ইযাৰ তাৎপৰ্য্য বুজোৱাটো অতি কঠিন কাৰ্য্য। সেকোদ্দেশ টীকা অনুযাযী প্ৰাণ বাযু পাচ বিধ নাড়ী আৰু তাৰ লগত সমন্বয যুক্ত প্ৰাণায়াম পদ্ধতিৰে নিযন্ত্ৰণলৈ আনি শেষ ফল স্বৰূপে সাধকে বজ্ৰযানৰ

সহজ অনুভূতি যুগপৎ তথতা-মহাসুখ অনুভূত হ'ব। তাৰ বাবে প্ৰাণ বায়ু পাচটা নালী আৰু চাৰিটা তন্ত্ৰত সুপ্ৰতিষ্ঠিত হ'ব লাগিব।

পঞ্চ নালী

	নাম	ধাতু	যান	লক্ষ্য
৫	সহজ	শূন্য	অনুৰে তন্ত্ৰ	কৰুণা
৪	ডোম্বী	বায়	যোগাচাৰ তন্ত্ৰ	শূন্যবোধ
৩	চণ্ডালী	অগ্নি	চৰ্য্যাতন্ত্ৰ	পূজা, ভক্তি
২	শবৰী	জল		
১	পুক্কশী	পৃথী	ক্ৰিয়াতন্ত্ৰ	জপ পূজা, প্ৰাণাযাম

টিপ্পনী ঃ ধৰ্ম্মপাদে গাইছে স্তৰে স্তৰে ক্ৰিয়া, চৰ্য্যা, যোগাচাৰ তন্ত্ৰ সম্পূৰ্ণ কৰিলে অৰ্থাৎ পুক্কশী, শবৰী, চণ্ডালী আৰু ডোম্বী আযত্ব কৰাৰ পিচত সহজ অনুভূতি কমল কুলিশৰ মিলনৰ যোগেৰে সাধক লাভবান হ'ব। সমস্ত বৌদ্ধ তন্ত্ৰ সাধনাৰ কাৰ্য্য ক্ৰিয়া, চৰ্য্যা আৰু যোগাচাৰ সম্পূৰ্ণ কৰাৰ পিচতহে অনুত্তৰ তন্ত্ৰৰ যৌনাচাৰ অনুস্থানত অংশ গ্ৰহণ কৰা উচিত, আৰু কেৱল তেতিযাহে ই তথতা + মহাসুখৰ যুগপৎ অনুভূতিৰ দ্বাৰা সাধকৰ অন্তৰ বোধিচিত্তত পৰিণত কৰিব। ◆◆

৪৯

।। ৰাগ - মল্লাৰী ঃ ভুসুকুপাদানাম্।।

মূল পাঠ	আধুনিক ভাষান্তৰ/অৰ্থ
বাজ ণাৱ পাডী পঁউআ খালেঁ বাহিউ।	পদ্মচক্ৰ যুক্ত দেহেৰে বজ্ৰ সাধনাৰে পাৰ হোৱা।
অদঅ বঙ্গালে দেশ লুডিউ।।	দীন অদ্বৈত তন্ত্ৰই সাধকৰ স্থান অপহৰণ কৰে (লুটিলে)।
আজি ভুসুকু বঙ্গালী ভইলী।	আজি ভুসুকুপাই দীনহীন হ'ল
ণিঅ ঘৰিণী চণ্ডালী লেলী।।	নিজ দেহৰ অধিষ্ঠাত্ৰীৰূপে চণ্ডালী (বায়ু) ললে।
ডহি জো পঞ্চ পাটণ ইন্দি বিসআ ণঠা।	পঞ্চেন্দ্ৰিয আহৃত ভিত্তিৰ জ্ঞান পুৰি গেলা।
ণ জানমি চিঅ মোৰ কহিঁ গই পইঠা।।	মই নাজানো মোৰ চিত্ত ক'ত গৈ সোমাইছে?

সোণ রুঅ মোৰ কিম্পি ণ থাকিউ।	সোণ (জপ) ৰূপ (ধ্যান) মোৰ অকনো নাথাকিল।
নিঅ পৰিবাৰে মহাসুহে থাকিউ।।	নিজ কুলতে মহাসুখে থাকিবা।
চউকোডি ভণ্ডাৰ মোৰ লইআ সেস।	চাৰিকোটি পৰিমাণ গ্ৰহণ কৰি মোৰ শেষ
জীৱন্তে মইলেঁ নাহি বিশেষ।।	জীৱন মৰণৰ মাজত প্ৰভেদ নাই।

টিপ্পনী ঃ ভুসুকুপাদৰ প্ৰায় সমগ্ৰ চৰ্যাগীত সংগ্ৰহেই (চৰ্যা নং ২১, ২৩, ৩০, ৪১, ৪৩) ঘাইকৈ যোগাচাৰ সমৰ্থন ভাবেৰেই লিখা। বৰ্ত্তমান চৰ্যাও (নং ৪৯) ইয়াৰ ব্যতিক্ৰম নহয়। চৰ্যা ৬ আৰু ২৭ অনুত্তৰ তন্ত্ৰ সমৰ্থক। ভুসুকুপাৰ "চিৰ শত্ৰু' অনুৰে তন্ত্ৰই পিতৃতন্ত্ৰ - মাতৃতন্ত্ৰ সমন্বিত 'অদ্বৈত তন্ত্ৰৰ' ভিত্তিত সাধনা পদ্ধতি সংৰচনা কৰিছে। কট্টৰ পিতৃতন্ত্ৰ সমৰ্থক যোগাচাৰী তান্ত্ৰিক সকলে (ঢেণ্ঢনপাদৰ চৰ্যা নং ৩৩ "বলদ বিআএল গভিআ বাঁঝে") মাতৃতন্ত্ৰ অৰ্থাৎ প্ৰজ্ঞাক গুৰুত্ব নিদিয়ে। তেখেত সকলৰ মতে কেবল মনৰ নিয়ন্ত্ৰণৰ দ্বাৰাই আন সকলো আয়ত্বত ৰাখিব পাৰি। ভুসুকুপাই দাবী কৰিছে - তেখেতে কেবল চণ্ডালী বায়ুৰ (চণ্ড যোগ) প্ৰাণায়ামৰ সহায়ত পঞ্চেন্দ্ৰিয়ৰ দ্বাৰা লব্ধ অভিজ্ঞতাৰ ভিত্তিত গঢ়লোৱা জ্ঞান পুৰি পেলাইছে। প্ৰাণায়াম, পূজা, ভক্তি, দেৱৰূপ দৰ্শন কোনোটোৰে প্ৰয়োজন নাই। চাৰি কৌটি বাৰ পুনৰ্জন্ম লোৱাৰ, অৰ্থাৎ জন্ম-মৃত্যুৰ চক্ৰৰ পৰা মুক্তি পোৱাৰ কোনো প্ৰয়োজন নাই যদি সাধকে এবাৰ উপলব্ধি কৰে যে জন্ম আৰু মৃত্যুৰ মাজত কোনো প্ৰভেদ নাই (জন্ম আৰু মৃত্যু সমভাৱে লব পাৰে)।

বাজ ণাৱ পাডী পঁউআ খালেঁ বাহিউ	পদ্মচক্ৰযুক্ত দেহেৰে বজ্ৰ সাধনাৰে পাৰ হোৱা

বাজ<বজ্ৰ	=	অশনি । বজ্ৰযানৰ সাধনা পদ্ধতি
ণাৱ	=	নৌকাৰ = মানৱ দেহা
পাডী	=	পাৰ হোৱা। গমন, ভ্ৰমণ।
পউআ	=	পদ্ম। দেহৰ পদ্ম চক্ৰ
খালে	=	জল প্ৰবাহ পথ। তন্ত্ৰত উল্লেখিত দেহ নালী
বাহিউ	=	বাই নিয়া, পৰিবাহিত কৰা

টিপ্পনী ঃ 'বাজ ণাৱ' শব্দই আধুনিক বাংলা ভাষাত ব্যৱহৃত 'বজৰা নাও' নুবুজায় যাৰ বুৎপত্তি যতদূৰ সম্ভৱ ইংৰাজী barge ৰ পৰা হৈছে। বজ্ৰই ইয়াত মন্ত্ৰযান-বজ্ৰযান সাধনা পদ্ধতি আৰু ণাৱ শব্দই সাধকৰ দেহা সূচায় (চৰ্যা ৮ আৰু ৫ চাওক)। পদ্মই সাধকৰ দেহৰ কল্পিত "পদ্ম চক্ৰ" কেইটি

আৰু "খালেঁ" তন্ত্ৰৰ শক্তি প্ৰবাহৰ নালী বা প্ৰণালী কেইটিৰ প্ৰতিনিধিত্ব কৰিছে। বজ্ৰ সাধনাৰ সাধকে নাড়ী বোৰৰ যোগেৰে পদ্ম চক্ৰ সমূহৰ মাজেৰে শক্তি সঞ্চাৰ কৰে।

অদঅ বঙ্গালে দেশ লুড়িউ দীন অদ্বৈত তন্ত্ৰই সাধকৰ স্থান অপহৰণ কৰে।

অদঅ<অদ্বয	=	দ্বৈতভাৱে নথকা। পুৰুষ প্ৰকৃতি সংযোগ ঘটা (অনুত্তৰ)
বঙ্গালে	=	দৈন্য বা হীনতা সূচক শব্দ
দেশ	=	স্থল, স্থান
লুড়িউ<লুট	=	অপহৰণ কৰে

টিপ্পনী : অদঅ অৰ্থাৎ অদ্বয অনুত্তৰ সাধনাক ভুসুকুপাই হীনতা সূচক 'বঙ্গাল' বুলি অভিহিত কৰিছে। বৌদ্ধ তন্ত্ৰত অদ্বয সাধনা দ্বাৰা পুৰুষ আৰু প্ৰকৃতি, উপায আৰু প্ৰজ্ঞা দুযোটা সমভাৱে প্ৰযোগ কৰা সাধনা পথ সূচায। ভুসুকুপাই গাইছে তেনে সাধনাই সাধকৰ স্থিতি ধ্বংস কৰে। বঙ্গালী আৰু বঙ্গালে কিয দৈন্য সূচাইছিল তাৰ বিষযে টোকা চৰ্যা ৩৯ ৰ লগত দিযা হৈছে। এই এটা বাক্যই প্ৰমাণ কৰে ৰচকে অনুত্তৰ সাধনাও কৰিছিল।

আজি ভুসুকু বঙ্গালী ভইলী আজি ভুসুকুপাই দীন -হীন হ'ল

আজি<আদ্যিক	=	আজি, বৰ্ত্তমান, এতিযা
ভুসুকু	=	ভুসুকুপাদ, বৰ্তমান চৰ্যা ৰচক
বঙ্গালী	=	দীন - হীন, নিঃস্ব
ভইলী<ভব	=	হ'ল

টিপ্পনী : ভুসুকুপাই অদ্বৈত তন্ত্ৰৰ দ্বাৰা মানসিক স্থিৰতা চ্যুত (স্থানচ্যুত) হৈ সৰ্ব্বস্বত্যাগী দীন যোগী হ'ল (যোগাচাৰ তন্ত্ৰ গ্ৰহণ কৰিলে)।

ণিঅ ঘৰিণী চণ্ডালী লেলী নিজ দেহৰ অধিস্থাত্ৰী ৰূপে চণ্ডালী বাযু গ্ৰহণ কৰিলে

ণিঅ<নিজ	=	স্ব, নিজৰ
ঘৰিণী<ঘৰণী	=	ঘৰৰ অধিষ্ঠাত্ৰী। দেহৰ নিযন্ত্ৰণ কাৰিণী
চণ্ডালী	=	চণ্ড যোগৰ প্ৰাণাযামৰ বাযুৰ নাম
লেলী	=	গ্ৰহণ কৰিলে

টিপ্পনী : যোগী ভুসুকে নিজৰ সাধনাৰ সহায় স্বৰূপে উচ্চ চৰ্য্যা আৰু নিম্ন যোগাচাৰ তন্ত্ৰত থাইকৈ ব্যৱহৃত চণ্ডযোগ যাৰ প্ৰাণায়াম (বাযু নিয়ন্ত্ৰণ

পদ্ধতি) চণ্ডালী নামেৰে খ্যাত, নিজৰ দেহত গ্ৰহণ কৰিলে। চমুকৈ, চণ্ডযোগ কৰিবলৈ ললে।

ডহি জো পঞ্চ পাটণ ইন্দি বিসআ ণঠা পঞ্চেন্দ্ৰিয় আহৃত ভিত্তিৰ জ্ঞান 'পুৰি পেলা (নোহোৱা কৰা/ভস্ম কৰ)

ডহি<দহ	=	পুৰি পেলা, ধ্বংস কৰ
যো	=	যি, যিটো
পঞ্চ	=	পাচ
পাটণ<পাট	=	ভিত্তি
ইন্দি	=	ইন্দ্ৰিয
বিসআ<বিষয	=	আহৃত বস্তু (জ্ঞান)
ণঠা<ন+ স্থান	=	নাথাকে, অনুপস্থিত

টিপ্পনী ঃ পঞ্চেন্দ্ৰিয আহৃত বা ইন্দ্ৰিয গ্ৰাহ্য চেতনাৰ দ্বাৰা লব্ধ অভিজ্ঞতাৰ ভিত্তিত ব্যক্তিৰ ভাল লগা - বেয়া লগা আপাততঃ ভ্ৰান্ত লোকচানৰ জ্ঞান হয যাক বৌদ্ধ শাস্ত্ৰত ভিত্তি সংস্কাৰ বোলা হয়। ভুসুকুপাদে গাইছে চণ্ডালী প্ৰাণাযামৰ দ্বাৰা পঞ্চেন্দ্ৰিয ভিত্তিক জ্ঞান সমূহ ধ্বংস কৰা।

ণ জাণমি চিঅ মোৰ কহি গই পইঠা   মই নাজানো মোৰ চিত্ত ক'ত গই সোমাইছে

ণ জাণমি	=	মই নাজানো
চিঅ<চিত্ত	=	মানস, বুদ্ধি, অহংকাৰ, চিত্ত
মোৰ	=	ময, নিজস্ব
কঁহি<কধি	=	ক'ত, কলৈ
গই<গম	=	গৈ, গমন কৰি
পইঠা<প্ৰবেশ্যতি	=	সোমাইছে

টিপ্পনী ঃ ইন্দ্ৰিয়লব্ধ অভিজ্ঞতা ত্যাগ কৰাৰ পিচত সাধকৰ মনত উৎপন্ন হোৱা বিমূঢ় বা বিভ্ৰান্ত অবস্থাৰ কথা ভুসুকুপাই উল্লেখ কৰিছে। জন্মৰ পৰা যি জ্ঞানৰ ভিত্তিত জীৱন যাপন কৰিছিল হঠাতে সেই দিশ নিৰ্দেশক জ্ঞানৰ অভাৱত সাধক স্বাভাৱিকতে লক্ষ্য নিৰ্দেশহীন হৈ পৰিব। ইয়াৰেই বিতং বৰ্ণনা দিছে   পিছৰ শাৰীত।

সোণ ৰুঅ মোৰ কিম্পি ণ থাকিউ   সোণ (জপ),ৰূপ (ধ্যান) মোৰ অকণো নাথাকিল।

সোণ	=	স্বৰ্ণ (জপ)

ৰূঅ<ৰূপ	=	আকৃতি (ধ্যান)
মোৰ	=	মম, স্ব
কিম্পি<কিম্ + অপি	=	অলপো
ণ থাকিউ	=	নাথাকিলে

টিপ্পনী ঃ তন্ত্ৰত মন্ত্ৰ জপত, বিশেষকৈ প্ৰাণায়ামৰ সময়ত প্ৰতিটো ধ্বনিকেই স্বৰ্ণাক্ষৰৰ ৰূপত কল্পনা কৰা যায় অতএব সোণ শব্দই 'জপ' সূচায়। সেইদৰে ধ্যানৰ কালত ইষ্টদেৱতাৰ ৰূপ (form) কল্পনা কৰি নিজকে ইষ্টদেৱতাৰ সৈতে একাত্মৰূপে কল্পনা কৰা হয়, ৰূপ শব্দই ৰজত নুবুজাই মূৰ্ত্তি ধ্যান বুজায় (চৰ্যা ৮ ৰ টোকা- ভাষ্য চাওক)। ক্ৰিয়া তন্ত্ৰত জপ প্ৰাণায়াম আৰু চৰ্যাতন্ত্ৰত পূজা ভক্তি ধ্যানৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিয়া হয়। ভুসুকুপাই কৈছে চণ্ডালী প্ৰাণায়ামৰ সহায়ত নতুনকৈ শূন্যবোধ উৎপন্ন হোৱা সাধকৰ সমস্যা কেৱল যে জাগতিক জীৱন অব্যৱস্থিত সেয়া নহয়, আধ্যাত্মিক তথা সাধনাৰো ভেটি খহি পৰে। জপ আৰু ধ্যান যি দুটা ইমান দিনে সাধনাৰ ভিত্তি আছিল হঠাতে অপ্ৰয়োজনীয় বোধ হয়, "সেয়েহে সোণ ৰূঅ মোৰ কিম্পি নথাকিউ'।

নিঅ পৰিবাৰে মহাসুহে থাকিউ নিজৰ কুলতে মহাসুখে থাকিবা

নিঅ	=	নিজ, আপোন, স্ব
পৰিবাৰে	=	কুলত, পৰিয়ালত (তন্ত্ৰৰ ধাৰা)
মহাসুহে<মহাসুখে	=	পৰমানন্দৰে
থাকিউ	=	থাকা, স্থিত হোৱা

টিপ্পনী ঃ বৌদ্ধ তন্ত্ৰৰ প্ৰতিটো ধাৰাই একো একোটা কুল ৰূপে একো একাজন কুলপতিৰ (বোধিসত্ত্ব) অধীনত থকা বুলি কল্পনা কৰা হয়। সেইদৰে বিশিষ্ট কুলৰ মূল সাধনা পদ্ধতি সেইজনা কুলপতিৰ অঙ্গ ৰূপে ধৰিলোৱা হয়। ভুসুকুপাই সাধকক আন কুলৰ সাধনা পদ্ধতিৰ লগত পৰীক্ষা নিৰীক্ষা কৰিবলৈ বাধা দি কৈছে ' নিজ কুলৰ সাধনা পদ্ধতিতেই সন্তুষ্ট থাকা।' ভুসুকুপাই নিজে যোগাচাৰৰ পৰা অনুত্তৰ, পুনৰ যোগাচাৰলৈ ফিৰি আহিছিল, সেয়েহে এই উপদেশ এনে নকৰিবলৈ।

চউ কোডি ভণ্ডাৰ মোৰ লইআ সেস চাৰিকোটি পৰিমাণ) গ্ৰহণ কৰি মোৰ শেষ

চউ কোডি<চতুষ্কোড	=	চাৰি কৌটি
ভণ্ডাৰ	=	ভঁৰাল, পৰিমাণ

মোৰ	=	মম নিজ, স্ব
লইআ	=	গ্ৰহণ কৰি
সেস	=	শেষ, অন্ত

টিপ্পনী ঃ বৌদ্ধ বিশ্বাস মতে এই জগতত চাৰিকোটি প্ৰকাৰৰ জীবৰ যি কোনো এটা ৰূপ পাব পাৰি আৰু একে ৰূপেই দুবাৰ নোলোৱাকৈও চাৰিকোটি বাৰ ইহজগতত জন্ম গ্ৰহণ কৰিব পাৰি। কাব্যৰ ভাষাৰে চাৰিকোটি জন্মই এটা মৃত্যু পুনৰ্জন্ম চক্ৰৰ সমাপন সূচাইছে। ভুসুকুপাই গাইছে এই মৃত্যু - পুনৰ্জন্মৰ চক্ৰ লগে লগে চ্ছেদ বা সমাপ্ত হ'ব, চাৰিকোটি পুনৰ জন্ম গ্ৰহণ নকৰাকৈয়ে যদি—

জীবন্তে মইলেঁ নাহি বিশেষ   জীবন মৰণৰ মাজত প্ৰভেদ নাই

জীবন্তে মইলেঁ নাহি	=	জীৱন্ত মৃত্যুগত নাই
বিশেষ	=	প্ৰভেদ, পাৰ্থক্য

টিপ্পনী ঃ জীৱন্ত আৰু মৃত্যুগত, অৰ্থাৎ জীৱিত আৰু মৃতৰ মাজত কোনো পাৰ্থক্য নাই বুলি যেতিয়া সাধকে উপলব্ধি কৰিব, তেতিয়া স্বাভাবিকতে মৃত্যু নোহোৱা হৈ যাব, আৰু তাৰ লগতেই নোহোৱা হ'ব পুনৰ্জন্ম — ফলত সাধকে (নিজৰ মনত) মুক্ত হ'ব জন্ম মৃত্যুৰ চক্ৰৰ পৰা, আৰু লভিব বোধিচিত্ত।

◆◆

৫০

।। ৰাগ - ৰামক্ৰী ঃ শবৰপাদানাম্।।

মূল পাঠ	আধুনিক ভাষান্তৰ/অৰ্থ
গঅণত গঅণত তইলা বাড়ী হেঞ্চে কুৰাড়ী।	শূন্যৰ কেবামহলীয়া ঘৰ হেতুকে সমস্ত অনুভূতি ধ্বংস হ'ল।
কণ্ঠে নৈৰামণি বালি জাগন্তে উপাড়ী।।	কণ্ঠৰ উৰ্দ্ধত নৈৰাত্ম জাগ্ৰত।
ছাড়ু ছাড় মাআ মোহা বিষমে দুন্দোলী।	এৰা এৰা মায়ামোহৰ কষ্টদায়ক দ্বন্দ্ব।
মহাসুহে বিলসন্তি শবৰো লইআ সুণ মেহেলী।।	শূন্যক ঘৰণীৰ বাৰি শবৰ মহাসুখত আছে।

হেৰি যে মেরি তইলা বাড়ী খসমে সমতুলা।	মোৰ সেই কেৰামহলীয়া আকাশ সম গৃহ দেখি
ষুকড এ সে রে কপাসু ফুটিলা।।	এই শুভ কৰ্ম্ম ফল স্বৰূপ কপাহবোৰ মুকলি হ'ল (ফুলিল)।
তইলা বাড়ির পাসেঁর জোহ্না বাড়ি উএলা।	কেৰামহলীৰ পৰৱ বাসত তৎকালত জোনাকৰ গৃহ।
ফিটেলি অন্ধারী রে আকাশ ফুলিআ।।	অন্ধকাৰ দূৰ হ'ল আকাশ প্ৰস্ফুটিত হ'ল।
কঙ্গুচিনা পাকেলা রে শবরা-শবরী মাতেলা।	যৌনৰস পক্ক হ'ল, সাধক সাধিকা মত্ত হ'ল।
অনুদিন সবরো কিম্পি ন চেবই মহাসুহেঁ ভেলা।।	প্ৰতিদিন সাধক পৰমানন্দে আছে কিঞ্চিৎ মাত্ৰ বুজি নাপায়।
চারি বাসে গড়িলা রে দিআঁ চঞ্চালী।	চাৰি ডাল বাঁহ আৰু চঁছালিৰে গাঁঠিলে (বান্ধিলে চাঙী),
তঁহি তোলি শবরো ডাহ কএলা কান্দশ সগুণ শিয়ালী।।	তাত তুলি সাধকক দাহ কৰিলে - শিয়াল শগুনে ৰাব তুলিলে।
মারিল ভবমত্তা রে দহদিহে দিধলি বলী।	মৃত্যু হ'ল, দেহা পশু মাংসৰ দৰে দাহ হ'ল।
হের সে শবরো নিরেবণ ভইলা ফিটিলি ষবরালী।।	চা সেইজন সাধক নষ্ট হ'ল, তাৰ সাধক চৰিত্ৰ ধ্বংস হ'ল।

টিপ্পনী ঃ বৰ্তমান চৰ্যা গীতটি পূৰ্ব্বৰ এটি চৰ্যাৰ (ক্ৰমিক অৱস্থান ২৮) সৈতে সমধৰ্ম্মী। আদি ভাষ্যকাৰ মুনিদত্তই গীতটিৰ নায়ক শবৰৰ নামৰ ভিত্তিত ইয়াক শবৰপাদ দ্বাৰা ৰচিত বুলি কৈছে (সিদ্ধাচাৰ্য্যোহি শবৰপাদঃ প্ৰতিপাদয়তি), যি ভুল তেখেতে চৰ্যা ২৮ ৰ ক্ষেত্ৰতো কৰিছে। পণ্ডিত সুকুমাৰ সেনৰ মতে (চৰ্যাগীতি পদাবলী পৃঃ ২৬) এক সৰহ ছিলেন শবৰীপাদৰে সঙ্গে অভিন্ন"। জাহ্নবী কুমাৰ চক্ৰবৰ্ত্তী (চৰ্যাগীতিৰ ভূমিকা পৃঃ ২১৬) মহাশয়ে লিখিছে " লুইপাদেৰ গুৰু মহাসিদ্ধ শবৰী। ইনি ৰসসিদ্ধ নাগাৰ্জুনেৰ শিষ্য" এনে ধৰণৰ উপৰুৱা উক্তিয়ে বৌদ্ধ তন্ত্ৰ সম্বন্ধে সামান্য জ্ঞান থকা মানুহকো বিমোৰত পেলাব। চক্ৰবৰ্ত্তীয়ে শবৰপাদক বৰ্ত্তমান চৰ্যাৰ ভিত্তিত যোগাচাৰী বজ্ৰযান পন্থী বুলি কৈছে। লুইপাদ আৰু নাগাৰ্জ্জুন ইতিহাস প্ৰসিদ্ধ বৌদ্ধ দাৰ্শনিক। বৌদ্ধ মাধ্যমিকা দৰ্শনৰ অন্যতম প্ৰতিষ্ঠাতা আৰ্য্য নাগাৰ্জ্জুন খ্ৰীষ্টীয় দ্বিতীয় শতাব্দীৰ ব্যক্তি, আনহাতে লুইপা, পণ্ডিত সকলৰ মতে ১০-১১ শতিকাৰ বৌদ্ধ ধৰ্ম্ম গুৰু। তাৰানাথৰ মতে লুই আছিল শবৰীপাৰ শিষ্য (সুঃ

সে পৃঃ ২১) । এই পণ্ডিত সকলে এবাৰো গুণি নাচালে, আৰ্য্য নাগাৰ্জ্জুন মাধ্যমিকা পন্থৰ (মহাযান), লুইপা বৌদ্ধ ক্ৰিয়া তন্ত্ৰ (মন্ত্ৰযান) আৰু তথাকথিত শবৰ পা তেখেত সকলৰ মতে যৌনাচাৰী বজ্ৰযান পন্থী আৰু প্ৰতিজনেই আনজনৰ শিষ্য (!)।

আমাৰ ধাৰণা বৰ্ত্তমান চৰ্যা গীতৰ শবৰ, চৰ্যা ২৮ ৰ দৰে তন্ত্ৰ সাধকক বুজাইছে। যৌনাচাৰী তন্ত্ৰ সাধকক শবৰ আৰু সাধনা সঙ্গিনীক শবৰী বুলি উল্লেখ কৰিছে। চৰ্য ২৮ ৰ নিচিনাকৈয়ে ই প্ৰহসন - ব্যঙ্গমূলক কবিতা। গীতটি ৰচনা কৰিছে কোনো এক যোগাচাৰী ব্যক্তিয়ে আৰু ইয়াৰ সাৰাংশ চৰ্যা ২৮ ৰ সৈতে সম্পূৰ্ণ একে। ..নতে যৌনাচাৰ সম্পৰ্কত গীতৰ ব্যঙ্গানুকৰণ (parodv) কৰি শেষৰ কেইশাৰীত মাত্ৰ জনাইছে — যৌনাচাৰ সম্পূৰ্ণ জাগতিক কথা। ইয়াৰ দ্বাৰা শাৰীৰিক সুখ পোৱা যায় কিন্তু ইয়াৰ কোনো আধ্যাত্মিক সুফল নাই। যৌনাচাৰী সাধকে সাধাৰণ সংসাৰী মানুহৰ দৰেই মৰে আৰু তেওঁৰ মৃত্যুত শিয়াল কুকুৰৰ বাদে (ইতৰ জনে) আনে দুখ নকৰে। তেওঁৰ “সাধনাও” মৃত্যুৰ লগে লগে ওৰ পৰে। সাধকৰ দেহ অগ্নিত দাহ কৰা হয়, নহ'লে শিয়াল শগুনে খাই শেষ কৰে অৰ্থাৎ কোনো আধ্যাত্মিক স্থায়িত্বৰ (বোধিচিত্ত) আধাৰ যৌনাচাৰ হ'ব নোৱাৰে। বিকল্প স্বৰূপে সাধকে যোগাচাৰৰ শূন্যবোধক নিৰ্বাচন কৰিব পাৰে, য'ত সাধকে শূন্যবোধক দুৱাৰ ৰখীয়া কৰি মাযা- মোহ এৰি মহাসুখে থাকিব পাৰিব। দুটা কাষা-কাষিকৈ থকা সাধনা পদ্ধতিৰ কথা উল্লেখ কৰি গাইছে “তইলা বাড়িৰ পাসেঁৰ জোহ্না বাড়ি উএলা।”

বৰ্ত্তমান চৰ্যাগীতৰ দাৰ্শনিক অৰ্থ অতি জটিল আৰু ভাবাৰ্থ সদাযে বিতৰ্কৰ বিষয় হৈ ৰ'ব তাত সন্দেহ নাই। ইয়াৰ শাব্দিক অৰ্থ উদ্ঘাটন কৰাটোও সহজসাধ্য নহয়। কোনো কোনো শব্দৰ অৰ্থ কেৱল পূৰ্ব্বতে আন চৰ্যা গীতত ব্যৱহাৰ কৰা হেতুকে হে বুজিব পাৰি। যেনে “ খসমে” (চৰ্যা ৫০) বুজিব পাৰি যি হেতু চৰ্যা ৪৩ ত শব্দটো পোৱা যায় “খসমভাবে” ৰূপত (খ + সম + ভাবে)। খ অক্ষৰৰ অৰ্থ - শূন্য, আকাশ, বহ্নি ইত্যাদি ইত্যাদি চৌব্বিশ টা ভিন্ন অৰ্থ থাকিব পাৰে। চৰ্যা ৪৩ ৰ ভিত্তিত আমি জানো ইয়াতো খসমে — শূন্য বা গগনতুল্য বুজাইছে। একেদৰে, গীতটিৰ ষষ্ঠ শাৰীৰ শব্দ “ কপাসু ফুটিলাৰ” দ্বাৰা কতকে কি বুজাইছে কোৱাটো সহজ নহয়। কপাস বা কপাহ সৰ্ব্বজনজ্ঞাত সূতা প্ৰস্তুতিৰ বাবে ব্যৱহৃত আঁহ বিশেষ , কিন্তু ইয়াত কপাসু = ক + পাসু। ক অক্ষৰৰ অৰ্থ প্ৰামাণিক অভিধানত ৪২ টা পোৱা যায় তাৰে কোনটো অৰ্থ ইয়াত প্ৰযোজ্য কেৱল অনুমান হে কৰিব পাৰি, নিশ্চিত হ'ব

নোৱাৰি। ক ধ্বনিৰ এটা অৰ্থ 'বিন্দু' অৰ্থাৎ শুক্ৰ বা ৰেতঃ। হিন্দু তান্ত্ৰিক সকলৰ কুলদেৱী অৰ্চনা কৰা তন্ত্ৰৰ বীজ মন্ত্ৰ "ক্লীং" ৰ 'ক' যৌনাচাৰ বুজায (শ্ৰী বগলামুখী তন্ত্ৰ)।তেনে স্থূলত ক + পাসু শব্দই 'ক' যৌনাচাৰৰ পাৰ্শ্ব বা সম্বন্ধীয় বুজাব পাৰে, কিন্তু বুজাইছে যে তাৰ সুনিশ্চিতি নাই। সেইদৰে "কঙ্গুচিনা পাকেলাৰ" কঙ্গুচিনাৰ দ্বাৰা গীত ৰচকে কি বুজাইছে? বাংলা শব্দবোধ অভিধান অনুযায়ী কঙ্গনী-কাঁকুনী ধান। চিনা বা চীনা শব্দই যদি চীন দেশৰ পৰা অহা বুজাইছে তেনেহলে "চীনা ধান" যাৰ অৰ্থ পোৱা যায small variety of paddy grain, অসমীয়াত তাকে আকৌ কণীধান বোলে - যি এবিধ বন্য ঘাঁহৰ সিজাই খোৱা ভক্ষণীয় বীজ'। যিটো অৰ্থই গ্ৰহণ কৰা নহওক কিয়, এই বীজ সিজালে বৰ্তুলাকাৰ, ক্ষুদ্ৰ, শ্বেতবৰ্ণ পদাৰ্থ পোৱা যাব, যাক 'কৰ্পূৰ' বা 'বিন্দুৰ' দৰেই বীৰ্য্য বা শুক্ৰ বুজোৱাৰ অৰ্থে ব্যৱহাৰ কৰিব পাৰে। ই অৱশ্যে অনুমান হে, সত্য সম্বন্ধে কোনেও নিশ্চিত হব নোৱাৰে।

এনে ধৰণৰ বহু অৰ্থ বিভ্ৰাটৰ সম্ভাবনা থকা শব্দবাহুল্যৰ হেতু বৰ্ত্তমান চৰ্যাৰ এক সম্ভৱপৰ অৰ্থহে দিয়া হৈছে। আন ব্যক্তিয়ে ইযাৰ অৰ্থ ভিন্নভাৱেও কৰিব পাৰে। দ্বিতীয সমস্যা হল চৰ্যাকাৰৰ নামৰ উল্লেখ নথকা হেতুকে চৰ্যাকাৰ কোন তন্ত্ৰৰ সাধক আছিল কোৱাটো টান, ফলত অৰ্থ সম্বন্ধেও কোনেও ডাঠি কব নোৱাৰে।

গঅণত গঅণত তইলা বাড়ী হেঞ্চে কুৰাড়ী — শূন্যৰ কেবামহলীয়া ঘৰৰ হেতুকে সমস্ত অনুভূতি ধ্বংস হ'ল।

গঅণত গঅণত	=	আকাশত আকাশত= শূন্যত শূন্যত,
তইলা<তলীযা	=	কেবা মহলীযা, একাধিক তলাযুক্ত
বাড়ী<বাটী	=	ঘৰ, অট্টালিকা
হেঞ্চে<হিঁএ<হৃদয়ে	=	অনুভূতিত
কুৰাড়ী<কুলহাড়ী	=	কুঠাৰ, কুঠাৰাঘাত, ধ্বংস

টিপ্পনী ঃ এই পদৰ দ্বাৰা গীত ৰচকে সম্ভৱতঃ বুজাইছে যে তেখেতৰ চিত্তত বহু স্তৰীয় শূন্যভাৱ স্থিত। গঅণ বা গগন শব্দই শূন্য সূচায় আৰু শূন্যৰ কেবাটাও স্তৰ থকা বুলি স্বীকৃত তাক আমি পূৰ্বতে আলোচনা কৰি আহিছো। বহু স্তৰীয় (শূন্যভাৱ ১৬ স্তৰৰ) শূন্যভাৱৰ হেতুকে সাধকে নিজৰ হৃদয়ৰ পৰা সমস্ত অনুভূতি নিৰ্মূল কৰিবলৈ সক্ষম হৈছে। সাধাৰণভাৱে শূন্য চাৰি স্তৰৰ - শূন্য, অতিশূন্য, মহাশূন্য আৰু সৰ্বশূন্য। সৰ্ব শূন্য অনুত্তৰ তন্ত্ৰ অনুসৰি অবিদ্যা, আকৌ যোগাচাৰ মতে প্ৰভাস্বৰ শূন্য মহাসুখৰ নিলয়।

কণ্ঠে নৈৰামণি বালি জাগন্তে উপাড়ী কণ্ঠৰ উৰ্দ্ধত নৈৰাত্ম জাগ্ৰত

কণ্ঠে — কণ্ঠত । কণ্ঠত স্থিত বিশুদ্ধ চক্ৰত য'ত শূন্যভাৱ সৃষ্টি হয়
নৈৰামণি — নৈৰাত্ম (যোগাচাৰী)। নৈৰামণি = নিৰ্মান ৰতি
(অনুত্তৰ তন্ত্ৰ)
বালি = বালিকা
জাগন্তে = জাগি থাকে, উজাগৰে থাকে
উপাড়ী — ওপৰত (আজ্ঞা চক্ৰত?)

টিপ্পনী ঃ গীত ৰচকে কোন অৰ্থত 'কণ্ঠ' আৰু 'নৈৰামণি' ব্যৱহাৰ কৰিছে কোৱাটো সহজ নহয়। অনুত্তৰ তন্ত্ৰ অনুসৰি আৰু যোগাচাৰ তন্ত্ৰ অনুসৰি অৰ্থ ভিন্ন ভিন্ন হব।

ছাড়ু ছাড মাআ মোহা বিষমো দুন্দোলী এৰা এৰা মায়া মোহৰ কষ্টদায়ক দ্বন্দ্ব

ছাড়ু, ছাড = এৰা এৰা
মাআ মোহা = মায়া মোহ
বিষমো = কষ্টকৰ, দাৰুণ, ক্লেশকৰ
দুন্দোলী দ্বন্দ্বল = দ্বন্দ্ব (conflict)

টিপ্পনী ঃ মায়া মোহৰ দাৰুণ দ্বন্দ্ব ত্যাগ কৰিব দিয়া উপদেশ যোগাচাৰ আৰু অনুত্তৰ দুইটা তন্ত্ৰতে প্ৰযোজ্য।

মহাসুহে বিলসন্তি শবৰো লইআ সুণ মেহেলী শূন্যক দ্বাৰপাল ৰাখি সাধক মহাসুখত থাকে

মহাসুহে = মহাসুখে
বিলসন্তি ।।লসন্তি = বিলাস কৰে, থাকে
শবৰো = সাধক (চৰ্যা ২৮ চাওক)
লইআ = গ্ৰহণ কৰি, লৈ
সুণ = শূন্য, শূন্যভাৱ
মেহেলী৺মেহল্লী = দ্বাৰপাল, চকীদাৰ

টিপ্পনী ঃ মেহেলী শব্দৰ অনুবাদ সুকুমাৰ সেনে "গৃহকৰ্ত্ৰীৰূপে" কৰিছে। আদি ভাষ্যকাৰ মুণিদত্তই " নৈৰাত্মজ্ঞান মুদ্ৰা" বুজিছে। আমি ভাবো 'মেহেলী' শব্দ৲ মূল ' মহল্লী' যি প্ৰাচীন সংস্কৃত শব্দ আৰু যাৰ অৰ্থ মহলৰ ৰখীয়া দুৱৰী। তেনে অৰ্থত শূন্যভাৱক নিজ মনৰ দুৱৰী স্বৰূপে লৈ সাধকৰ চিত্ত (সৰ্ব্বশূন্যৰ)

মহাসুখত বুৰ গৈ আছিল। সুকুমাৰ সেন প্ৰণিত চৰ্যাগীতি পদাবলী গ্ৰন্থত (পৃঃ ১৭০) বিনয়শ্ৰী ৰচিত চৰ্যা এটি আছে, যাৰ প্ৰথম শাৰী পদ —" মেহ্লি চণ্ডালী ঘৰবি বামণ" — যাৰ 'অৰ্থ হ'ব অৱধূতীকা দেহত, চণ্ডালী প্ৰৱেশ'।

হেৰি যে মেৰি তইলা বাড়ী খসমে সমতুলা মোৰ সেই কেবামহলীযা, আকাশ সম, গৃহ দেখি

হেৰি	=	দেখি দৃষ্ট হৈ
ষে<যে	=	যে সেযা
মেৰি	=	মোৰ, মম
তইলা	=	তলাযুক্ত, কেৰামহলীয়া
বাড়ী	=	গৃহ
খসমে<খ+সমে	=	শূন্যৰ লগত, গগনৰ লগত
সমতুলা	=	সমতুল্য

টিপ্পনী ঃ বৰ্ত্তমান শাৰী বাক্যত ৰচকে কব পাৰে, যে তেখেতে শূন্যক প্ৰহৰী কৰি ৰাখি বহুস্তৰীয শূন্যৰ গগনত আনন্দৰে থকা দেখি, আন ব্যক্তিযে অৰ্থাৎ আন তন্ত্ৰ সাধকে। ইযাৰ আগৰ বাক্যৰ 'শবৰ' শব্দই গীত ৰচকক বুজাইছে, নে আন সাধকক বুজাইছে সেইটো স্পষ্ট নহয, বৰঞ্চ অত্যন্ত বিভ্ৰান্তকৰ। ইযাৰ পিচৰ শাৰী বোৰত পাম, গীত ৰচকৰ লগত সমানে ফেৰ মাৰি আন 'গৃহ' অৰ্থাৎ তন্ত্ৰ সাধনাৰ পথ সৃষ্টি কৰিছে শবৰ বা সাধকে যাৰ মূল কাৰণ (গীত ৰচকৰ মতে) যৌন স্পৃহা।

মুকড়এ সে ৰে কপাসু ফুটিলা এই শুভ কৰ্ম্ম ফল স্বৰূপে কপাহ (?) মুকলি হ'ল।

মুকডএ<সু+কৰ+এ	=	শুভ কৰ্ম্মৰ এইয়া
সে	=	সেযা
ৰে	=	পৰা, হে
কপাসু<ক + পাসু	=	কপাহে? শূন্যৰ কাষ/যৌন স্পৃহা
ফুটিলা < স্ফুটিত	=	বিকশিত হ'ল

টিপ্পনী ঃ কপাহ মুকলি হ'লৰ দ্বাৰা কি বুজাব খুজিছে নিশ্চিভাবে কোবাটো সম্ভৱ নহয, কাৰণ 'ক' অক্ষৰৰ বিয়াল্লিসটা অভিধান স্বীকৃত অৰ্থ আছে।

তইলা বাড়িৰ পাসেঁৰ জোহ্না বাড়ি উএলা কেবামহলীয়া ঘৰৰ কাষতে সেই কালত জোনাকৰ গৃহ

তইলা< তল যুক্ত	=	কেবামহলীযা

বাড়িৰ	=	গৃহৰ, তন্ত্ৰ সাধনা পদ্ধতি
পাসেঁৰ<পাৰ্শ্বৰ	=	কাষৰ
জোহ্না<জ্যোৎস্না	=	চন্দ্ৰ, চন্দ্ৰমুক্ত, জোনাক
বাড়ি	=	গৃহ, সাধনা পদ্ধতি
উএলা/তাএলা<তথবেলা	=	সেই সময়ত

টিপ্পনী ঃ শূন্য ভিত্তিক কেবাস্তৰীয সাধনা পদ্ধতিৰ কাষতে গঢ় সলে চন্দ্ৰ ভিত্তিক সাধনা পদ্ধতি। ইযাত গীত ৰচকে কোন সাধনা পদ্ধতিৰ কথা উল্লেখ কৰিছে সুস্পষ্টভাৱে বুজা নাযায। চৰ্য্যা, যোগাচাৰ, অনুত্তৰ তিনিওটা সাধনা পদ্ধতিতেই চন্দ্ৰমণ্ডলৰ কল্পনা কৰা হয (চৰ্যা. নং ৩ ৰ টোকা চাওক), ইযাৰ ভিতৰত যোগাচাৰ পদ্ধতিযে সাধনাৰ অন্ত স্তৰত চন্দ্ৰ মণ্ডলক অথবা ইযাৰ ইষ্টদেৱ বজ্ৰসত্বক বিসৰ্জন দিব বা লুপ্ত কৰিব লাগে। অতএব জোহ্না বা জ্যোৎস্না বাড়িৰ দ্বাৰা চৰ্য্যাতন্ত্ৰ অথবা অনুত্তৰ তন্ত্ৰ সূচাইছে।

ফিটেলি অন্ধাৰী ৰে আকাশ ফুলিআ   অন্ধকাৰ দূৰ হ'ল আকাশ ফুলিল

ফিটেলি<ফিট্ৰ	=	খোল খালে, মুকলি হ'ল
অন্ধাৰী<অন্ধকাৰ	=	আলোকহীনতা, অজ্ঞতা
ৰে	–	হে
আকাশ	=	গগন
ফুলিআ	=	প্ৰস্ফুটিত

টিপ্পনী ঃ বৰ্তমান বাক্যৰ একাধিক অৰ্থ কৰিব পাৰি আৰু তাৰ কোনটো শুদ্ধ সঠিকভাৱে কেৱাটো অসম্ভৱ। আকাশ ফুল বা 'আকাশ কুসুম' যোগাচাৰ তন্ত্ৰত সঘনে ব্যৱহাৰ কৰা মিথ্যা, অসাৰ কল্পনাৰ উদাহৰণ স্বৰূপে ব্যৱহাৰ হয (চৰ্যা ৪১ "আকাশ ফুলিলা")। ইযাত ৰচকে কব পাৰে যে চন্দ্ৰমণ্ডল ব্যৱহাৰ কৰা তন্ত্ৰ সমূহে মিথ্যা বা ভ্ৰান্ত জ্ঞানৰ দ্বাৰা অন্ধকাৰ দূৰ হোৱা বুলি ধৰি লয।

কঙ্গুচিনা পাকেলা ৰে শবৰা-শবৰী মাতেলা   যৌন ৰস পক্ব হ'ল সাধক, সাধনা সঙ্গিনী মত্ত হ'ল।

কঙ্গুচিনা	=	কণিধান = বীৰ্য্য, বিন্দু, যৌন ৰস
পাকেলা<পক্ব	=	পূৰ্ণতা প্ৰাপ্ত হ'ল
শবৰা-শবৰী	=	সাধক - সাধনা সঙ্গিনী (চৰ্যা ২৮ চাওক)
মাতেলা<মত্ত	=	মত্ত হ'ল

টিপ্পনী : এই পদে চৰ্যা ২৮ ৰ কথাকে দোহাৰিছে। ভ্ৰান্ত জ্ঞানৰ (মায়া) প্ৰভাবত সাধক আৰু সাধনা সঙ্গিনী যৌন আনন্দত মত্ত হ'ল।

অণুদিশ সবৰো কিংপি ন চেবই মহাসুহেঁ ভেলা সাধকে প্ৰতিদিন আনন্দতে আছে, কণা মাত্ৰ চিন্তা নকৰে

অণুদিশ	=	প্ৰতিদিন, প্ৰত্যহ
সবৰো	=	সাধক
কিংপি<কিম্অপি	=	অলপো, কণামাত্ৰ
ন	=	নাই, নেতি
চেবই<চেতনা	=	চিন্তা কৰে
মহাসুহেঁ	=	পৰম আনন্দত
ভেলা<ভব	=	আছে, থাকে

টিপ্পনী : প্ৰতিদিনে "মহাসুখত" বৰ্ত্তমান ক্ষেত্ৰত অৰ্থ, যৌন সঙ্গমত লিপ্ত সাধকে আন একোকেই চিন্তা নকৰে। ইযাত মহাসুখ শব্দ উপহাসৰূপত ব্যবহৃত। একেটা গীতৰে চতুৰ্থ শাৰীত ব্যবহৃত ' মহাসুহৰ' লগত ই একে হ'ব নোবাৰে। প্ৰথম মহাসুখৰ ভিত্তি শূন্যবোধ। দ্বিতীয, মহাসুখৰ অবলম্বন যৌন সম্ভোগ - যি যোগতন্ত্ৰ মতে সংবেদনা ভিত্তিক অতএব অস্থাযী আৰু অবিদ্যা

চাৰি বাসে গড়িলা বেঁ দিআঁ চঞ্চালী চাৰি ডাল বাঁহ আৰু চঁছালিৰে গঢ়িলে (বান্ধিলে)।

চাৰি বাসে	=	চাৰি ডাল বাঁহেৰে, চাৰি ডাল বাঁহৰ সহাযত
গড়িলা	=	গঢ়িলা, সৃষ্টি কৰিলে
বেঁ	=	হে
দিআঁ<দিয়া	=	দি, সহাযত
চঞ্চালী	=	চঁছালি, বাঁহৰ পাতল কামিৰে গুঠা ঢাৰি

'**টিপ্পনী :** চাৰি ডাল বাঁহ আৰু চঁছালিৰে মৃতদেহ বৈ নিয়া চাঙ্গী সৃষ্টি কৰে। ইয়াত সাধকৰ মৃত্যুৰ কথা উনুকিযাইছে, যে এদিন সাধকৰ মৃত্যু হ'ব আৰু চাৰিডাল বাঁহ আৰু চঁছালিৰে গুঠা চাঙ্গীত তেখেতৰ নশ্বৰ দেহা শ্মশানলৈ বৈ নিব আনে।

তঁহি তোলি শবৰো ডাহ কএলা কান্দশ সগুণ শিআলী তাত তুলি সাধকক দাহ কৰিলে শগুণ-শিয়ালে ৰোদন কৰিলে

তঁহি তোলি	=	তাত তুলি (চাবি বাঁহ-চাঙালিৰ চাঙীত তুলি)
শৱৰো	=	শৱৰক, তন্ত্ৰ সাধকক
ডাহ<দাহ	=	দহন, পুৰি ভস্ম
কএলা<কৰিলা	=	কৰিলে, কৃত
কান্দশ<ক্ৰন্দন	=	ৰোদন, আৰ্ত্তনাদ, আৰাৱ, আহ্বান
সগুণ	=	গৃধ্ৰ, শকুনি পক্ষী
শিআলী	=	শৃগাল

টিপ্পনী ঃ "সি মৰিলে শিয়াল - শগুনে কান্দিব" ই এক খণ্ড বাক্য — যাৰ অৰ্থ শগুন - শিযালতকৈ উচ্চতৰ জীৱে সেই জন ব্যক্তি মৰিলে দুঃখ নকৰে কাৰণ ব্যক্তিজন সমাজৰ আবৰ্জনা স্বৰূপ আছিল আৰু তেওঁ নিজৰ বা সমাজৰ কোনো উপকাৰত অহা নাছিল। ইযাত গীত ৰচকে গাইছে, দৈহিক কামনা তৃপ্ত কৰিবলৈ তন্ত্ৰ সাধনাৰ নামত প্ৰত্যহ যৌন সঙ্গমত সুখলিপ্ত সাধকৰ মৃত্যুৰ পিচত সাধকৰ নশ্বৰদেহ বাঁহৰ চাঙীত তুলি নি পুৰিব আৰু সাধকৰ মৃত্যুত শিযাল - শগুনৰ বাদে আন কোনোও দুখ প্ৰকাশ নকৰে। দ্বিতীয অৰ্থ,মৃতদেহ শিযাল শগুনে খাব।

মাৰিল ভৱমত্তা ৰে দহদিহে দিধলি বলী — সংসাৰমত্ত (অবস্থাত) মৃত্যু হ'ল,দেহা পশু মাংসৰ দৰে দাহ হ'ল।

মাৰিল<মৰিল	=	মৃত হ'ল
ভৱমত্তা<ভৱ+মত্তা	=	সাংসাৰিক কাৰ্য্যতে ব্যস্ত হৈ, ভৱতে মত্ত হৈ
ৰে	=	হে
দহ দিহে<দশদিশে	=	সৰ্ব্ব দিশত, চাৰিওপিনে
দিধলি<দিধ (দহ+সন)	=	দাহ হ'ল
বলী	=	দেৱতালৈ উৎসৰ্গ কৰা জীৱ মাংস

টিপ্পনী ঃ সংসাৰমত্ত সৱৰ বা সাধক পাশৱ আনন্দৰ মাজেৰে জীৱন কটাইছিল আৰু মৃত্যু পিচত তেখেত পশুৰ দৰেই দাহ হ'ল, আধ্যাত্মিকভাৱ একো নাই। ইয়াত চিতাৰ অগ্নিক দেৱতা আৰু নৰ দেহাক 'পশু' মাংস বুলি কোৱা হৈছে। অৰ্থাৎ সাধক পশু সদৃশ আছিল।

হেৰ সে শৱৰো নিৰেৱণ ভইলা ফিটিলি ষৱৱালী — চা সেইজন সাধক নষ্ট হ'ল। তাৰ সাধক চৰিত্ৰ ধ্বংস হ'ল

হেৰ	=	চা, দৃষ্ট হ
সে শবৰো	=	সেই জনা শবৰ, সি জনা সাধক
নিবেৰণ< নিৰ্ব্বাণ	=	নিৰ্ব্বাণ = নিশ্চল, নষ্ট
ভইলা<ভব	=	হ'ল

ফিটিলি<স্ফুটিলি (স্ফট্ = বিদীৰ্ণ)=ফাটি গ'ল, ধ্বংস হ'ল। খোল খালে

ষবৰালী<শৰবালি	=	সাধকৰ সাধক চৰিত্ৰ

টিপ্পনী ঃ এই বাক্যটো চৰ্যা নং ২৮ ৰ "সবৰো লোডিব কইসেঁ' ৰ সৈতে সম্পূৰ্ণ সমাৰ্থক। ইয়াত গীত ৰচকে গাইছে — সাধকে যৌন সুখ উপভোগ কৰি সাধাৰণ ব্যক্তিৰ দৰেই আছিল। সাধাৰণ মানুহৰ দৰেই মৃত্যু হ'ল। সাধাৰণ মানুহৰ দৰেই শ্মশানলৈ বৈ নিয়া হ'ল বাঁহৰ চাঙ্গীত তুলি, দেহাটো পশু মাংসৰ দৰে দগ্ধ হ'ল আৰু তেওঁৰ সাধকত্বও তাতেই সমাপ্ত হ'ল। অক্ষয় আত্মাৰ নিৰ্ব্বাণ বা আন কোনো আধ্যাত্মিক উন্নতিৰ কোনো বাট নাথাকিল।

বৰ্ত্তমান গীতৰ ৰচকে (যি জনা কোনোমতেই শবৰপাদ হ'ব নোৱাৰে) দেখ দেখ যোগাচাৰপন্থী, সেযেহে কৈছে — তুমি শূন্যক দ্বাৰৰক্ষী কৰি কেবাল্তৰীয় শূন্যভাৱ উপলব্ধি কৰি মহাসুখে থাকিব পাৰা অথবা তুমি ভ্ৰান্ত মায়াৰ বশবৰ্ত্তী হৈ (আকাশ ফুলিআ) যৌনাচাৰ স্বীকৃত তন্ত্ৰ (কপাসু ফুটিলা) গ্ৰহণ কৰিব পাৰা (অনুত্তৰ তন্ত্ৰ)। তাতো তুমি কঙ্গুচিনা (বীৰ্য্য) পৰিপক্ক কৰি "মহাসুখ" পাবা। কিন্তু সেই মহাসুখ সম্পূৰ্ণ পাশবিক, কায়িক। মৃত্যুৰ পিচত এই নশ্বৰ দেহা পশুৰ দেহাৰ দৰেই দাহ হ'ব আৰু সাধনাৰো তিমানতে অন্ত পৰিব। কবিযে পৰোক্ষভাৱে কৈছে, যৌনাচাৰ আধ্যাত্মিক সাধনাৰ নামত স্বীকৃত হলেও বাস্তৱতে ই পাশবিক কায়িক কাৰ্য্য। ইযাৰ কোনো আধ্যাত্মিক মূল্য বা স্থাযিত্ব নাই ইযাৰ পৰা পোৱা আনন্দও সংস্কাৰ-সংবেদনা জনিত আৰু কাযাৰ ধ্বংসৰ লগতে ইও শেষ হয়। ◆◆

সমাপ্ত

দীপাৱলী ২০০০ খ্ৰীঃ

BIBLIOGRAPHY

1 The Mystic Tales Lama Taranath-1944	Bhupendra Nath Datta
2 Hevajra Tantra 1959 (Eng Trn of Hevajratantrarajanama)	Trn Edt D L Snellgrove Oxford University Press
3 Sekoddesatika by Naropa - 1941	Edt Mario E Carelli Baroda
4 Guhyasamajatantra - 1934	Edt B Bhattacharyya Baroda
5 Pradipodyotana-nama taka	Chandrakirti pt trns by Lessing & Wayman
6 The Indian Buddhist Iconography 1958 edn	B Bhattacharya Firma KLM Calcutta
7 Obscure Religious Cults- 1962	S B Dasgupta Calcutta Firma KLM, Calcutta
8 Introduction to Tantric Buddhism	S B Dasgupta
9 Words of my Perfect Teacher Eng Trns of Tbt text - 1994	Patrul Rinpoche Vistaar Publication N Delhi
10 The Life of Milarepa Eng Trnsl W Y Evans-Wentz-1928	Lobzang Jivaka Rupa & Co 1962 Calcutta
11 Buddhism in Tibet - 1999	E Schlagintweit Book Faith India
12 Gateway to Wisdom- 1980	John Blowfeld Unwin Hyman Ltd
12 Entering The Stream An Introduction to the Buddha & his Teachings (Compilation) - 1994	Edt S Bercholz & S C Kohn Random House
13 Mysticism -Christian and Buddhists 1957	Daisetsu T Suzuki Mandala Book
14 Magic and Mystery in Tibet - 1967	Alexandra David-Neel Souvenir press
15 The Dhammapada - Trns - 1951	S Radhakrishnan Oxford University Press
16 [illegible] ১৯৮০	[illegible] Firma K. LM Calcutta

BOOKS FOR CONSTANT REFERENCE

1 Introduction to the Buddhist Tantric Systems (Eng Trans of Tbt Mkhas Grub RJE's with annotation) 1983 reprint — F D Lessing & A Wayman, Motilal Banarsidass Delhi - Varanasi

2 The Buddhist Tantras — Alex Wayman Samuel Weiser inc Newyork

3 2500 Years of Buddhism -1956 — The Pub Dit Govt of India, Min Inf Brd

4 চর্যাগীতি পদাবলী -১৯৯৫ সংস্করণ — সুকুমার সেন, আনন্দ পাবলিশার্স প্রাইভেট লিমিটেড, কলকাতা

5 বাংলা শব্দবোধ অভিধান — সুবল চন্দ্র মিত্র

6 হেমকোষ - ১৯৮৫ সংস্করণ — হেমচন্দ্র বৰুৱা

7 Buddhist Hybrid Sanskrit Grammer & Dictionary - Vol I & II — Franklin Edgerton, Moulal Banarsidass

8 চর্যাগীতিকোষ ১৯৫৬ — প্রবোধ চন্দ্র বাগচী ও শান্তি ভিক্ষু বিশ্বভাৰতী

9 চর্যাগীতি কোষ — সৌম্যেন্দ্রনাথ সৰকাৰ

10 চর্যাপদ — মণীন্দ্র মোহন বসু

11 বৌদ্ধ ধর্ম ও চর্যাগীতি - ১৩৭১ — শশিভূষণ দাসগুপ্ত

12 চর্য্যাপদ - ১৯৯০ — পৰীক্ষিত হাজৰিকা, ডালিমী প্রকাশন

13 শ্রীশ্রী বগলামুখী তন্ত্রম্ — শ্রীভৈৰৱ শাস্ত্রী, ৰাজেন্দ্ৰ লাইব্রেৰী, কলকাতা

14 চর্যাগীতিৰ ভূমিকা 1995 — জাহ্নবীকুমাৰ চক্ৰৱৰ্তী, ডি এম্ লাইব্ৰেৰী, কলকাতা

□□□